PG ED S2-02 (DSC)

দুবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম

(চি. বি. চি. এচ আৰু এন ই পি, ২০২০ অনুসৰি)

দ্বিতীয় ষাণ্মাসিক

ভাৰতীয় শিক্ষাৰ ইতিহাস

শিক্ষা

ইন্দিৰা মিৰি শিক্ষা সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক দুলুমণি গোস্বামী, শিক্ষা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক নীল ৰতন ৰয়, শিক্ষা বিভাগ, তেজপুৰ বিশ্ববিদ্যালয়
ড° মৰমী গোস্বামী, শিক্ষা বিভাগ, নেৰিম (NERIM) (প্ৰাক্তন সহযোগী অধ্যাপক, গুৱাহাটী কলেজ)

পাঠ্যবিষয়ৰ সমন্বয়ৰক্ষী ঃ ড° দেৱযানী দুৱৰা আৰু ড° ইন্দ্ৰাণী কলিতা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১	ড° দীপাংকৰ তালুকদাৰ, শিক্ষা বিভাগ, আৰ.জি. বৰুৱা কলেজ, গুৱাহাটী ড° অৰুণিমা বৰা, শিক্ষা বিভাগ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	ড° অপৰাজিতা শৰ্মা, মানৱেন্দ্ৰ শৰ্মা ছোৱালী মহাবিদ্যালয়, ৰঙিয়া (অধ্যায় ১-৭) গীতাঞ্জলি মেধি, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (অধ্যায় ৮-১৫)
২—৭, ৮, ৯	ড° দীপাংকৰ তালুকদাৰ, শিক্ষা বিভাগ, আৰ.জি. বৰুৱা কলেজ, গুৱাহাটী	
১০	ড° উৎপল কলিতা আৰু ড° দীপাংকৰ তালুকদাৰ শিক্ষা বিভাগ, আৰ.জি. বৰুৱা কলেজ, গুৱাহাটী	
১১—১৫	ড° উৎপল কলিতা, শিক্ষা বিভাগ, আৰ.জি. বৰুৱা কলেজ, গুৱাহাটী	

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড° মৰমী গোস্বামী, নেৰিম (NERIM) (ইউনিট ১-৮)
ড° পুৰবী বৈশ্য, গুৱাহাটী বিশ্ববিদ্যালয় (ইউনিট ৯-১২)
ড° প্ৰণৱ শইকীয়া, KKHSOU (ইউনিট ১৩-১৫)

ভাষা সম্পাদনা ঃ ড° অপু বৰা, মাইবাং ডিগ্ৰী কলেজ

গাঁথনিক সম্পাদনা ঃ ড° দেৱযানী দুৱৰা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

গঠন, বিন্যাস আৰু গ্ৰাফিক্স ঃ ড° দেৱযানী দুৱৰা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

মুদ্ৰিত ঃ মে', ২০২৬

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এই স্ব-শিক্ষণ সামগ্ৰী ক্ৰিয়েটিভ কমন্স এটিবিউচন-নন-কমাৰ্চিয়েল-শ্বেয়াৰএলাইক ৪.০ লাইচেন্স (আন্তঃৰাষ্ট্ৰীয়) ঃ http//creativecommons.org/licences/by-nc-sa/4.0 ৰ অধীনত উপলব্ধ কৰা হৈছে। http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত।

মুখ্য কাৰ্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
নগৰ কাৰ্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২
Web : www.kkhsou.in

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ ভাৰতৰ পুৰণি আৰু মধ্যযুগৰ শিক্ষা ৭-২১

বৈদিক যুগৰ শিক্ষা ঃ বৈদিক শিক্ষা ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ, গুৰুকুল ব্যৱস্থা, বৈদিক শিক্ষা ব্যৱস্থাৰ লক্ষ্যসমূহ; বৌদ্ধ যুগৰ শিক্ষা ঃ বৌদ্ধ শিক্ষণত নামভর্তিকৰণ ব্যৱস্থা, বৌদ্ধ শিক্ষণৰ লক্ষ্য; মুছলমান বা মধ্যযুগৰ শিক্ষা ঃ মুছলমান শিক্ষা ব্যৱস্থাৰ মূল লক্ষ্যসমূহ, মুছলমান শিক্ষা ব্যৱস্থাৰ পাঠ্যক্রম, মুছলমান যুগৰ নাৰী শিক্ষা ব্যৱস্থা, শিক্ষক শিক্ষার্থীৰ সম্পর্ক।

অধ্যায় ২ ঃ বৃটিছ ভাৰতত শিক্ষা ২২-৩২

১৮১৩ চনৰ চার্টাৰ আইন; প্রাচ্য আৰু পাশ্চাত্যৰ বিৰোধ; মেকলেৰ মিনিট ঃ মেকলে মিনিটৰ মূল্যায়ন; ১৮৫৪ চনৰ উডৰ ঘোষণা পত্র।

অধ্যায় ৩ ঃ ব্রিটিছ ভাৰতৰ শিক্ষা-II (হাণ্টাৰ আয়োগ) ৩৩-৪২

হাণ্টাৰ আয়োগৰ প্রধান উদ্দেশ্যসমূহ; প্রাথমিক শিক্ষাৰ ক্ষেত্রত পৰামর্শাৱলী ঃ প্রাথমিক শিক্ষাৰ পৰামর্শাৱলী মূল্যায়ন; মাধ্যমিক শিক্ষাৰ ক্ষেত্রত পৰামর্শাৱলী ঃ মাধ্যমিক শিক্ষাৰ পৰামর্শাৱলীৰ মূল্যায়ন; অন্যান্য পৰামর্শাৱলীৰ মূল্যায়ন; ভাৰতীয় শিক্ষাৰ ক্ষেত্রত হাণ্টাৰ আয়োগৰ পৰামর্শাৱলীৰ প্রভাৱ।

অধ্যায় ৪ ঃ ব্রিটিছ ভাৰতৰ শিক্ষা III (লর্ড কার্জনৰ শিক্ষা নীতি) ৪৩-৫৪

প্রাথমিক শিক্ষাৰ ক্ষেত্রত লর্ড কার্জনৰ শিক্ষা নীতি ঃ প্রাথমিক শিক্ষাৰ ক্ষেত্রত এই নীতিৰ মূল্যায়ন; মাধ্যমিক শিক্ষাৰ ক্ষেত্রত চৰকাৰী নীতিৰ প্রভাৱ ঃ মাধ্যমিক শিক্ষাৰ ক্ষেত্রত চৰকাৰী নীতিৰ প্রভাৱ; বিশ্ববিদ্যালয় শিক্ষাৰ ক্ষেত্রত লর্ড কার্জনৰ শিক্ষা নীতি ঃ বিশ্ববিদ্যালয় শিক্ষাৰ নীতিৰ মূল্যায়ন; ১৯০৪ চনৰ শিক্ষা নীতিৰ ওপৰত ভাৰত চৰকাৰৰ প্রস্তাৱ; ভাৰতীয় শিক্ষা আইন, ১৯০৪; ভাৰতীয় শিক্ষাত ১৯০৪ চনৰ ভাৰতীয় বিশ্ববিদ্যালয় আইনৰ প্রভাৱ।

অধ্যায় ৫ ঃ ব্রিটিছ ভাৰতৰ শিক্ষা-IV (গোখলে বিল, ১৯১১) ৫৫-৬১

১৯১০ চনৰ গোখলেৰ প্রস্তাৱ; ১৯১১ চনৰ গোখলেৰ প্রস্তাৱ; গোখলেৰ প্রচেষ্টাৰ প্রভাৱ; ১৯১৩ চনৰ শিক্ষা নীতিৰ ওপৰত চৰকাৰৰ প্রস্তাৱ।

অধ্যায় ৬ ঃ ব্রিটিছ ভাৰতৰ শিক্ষা-V ৬২-৬৭

মাধ্যমিক শিক্ষাত কলিকতা বিশ্ববিদ্যালয় আয়োগ; বিশ্ববিদ্যালয় শিক্ষাত চেডলাৰ আয়োগ; অন্য শৈক্ষিক দিশত চেডলাৰ আয়োগ; চেডলাৰ আয়োগৰ মূল্যায়ন আৰু সমালোচনা।

অধ্যায় ৭ ঃ ব্রিটিছ ভাৰতৰ শিক্ষা VI ৬৮-৮০

হাৰটগ কমিটিৰ প্রতিবেদন ঃ প্রাথমিক শিক্ষাৰ ক্ষেত্রত হাৰটগ কমিটিৰ প্রতিবেদন, মাধ্যমিক শিক্ষাৰ ক্ষেত্রত হাৰটগ কমিটিৰ প্রতিবেদন, উচ্চ শিক্ষাৰ ক্ষেত্রত হাৰটগ কমিটিৰ প্রতিবেদন, হাৰটগ কমিটিৰ প্রতিবেদনৰ মূল্যায়ন; ১৯৩৭ চনৰ ৱার্দ্ধা বা বুনিয়াদী শিক্ষা আঁচনি ঃ বুনিয়াদী শিক্ষাৰ বৈশিষ্ট্যসমূহ, বুনিয়াদী শিক্ষাৰ পাঠ্যক্রম, বুনিয়াদী শিক্ষাৰ সবলতাসমূহ, বুনিয়াদী শিক্ষাৰ সমালোচনা; ১৯৪৪-৪৫ চনৰ চার্জেণ্ট কমিটিৰ প্রতিবেদন ঃ ১৯৪৪-৪৫ চনৰ চার্জেণ্ট কমিটিৰ পৰামর্শসমূহ, ভাৰতীয় শিক্ষাত চার্জেণ্ট কমিটিৰ প্রভাৱ।

অধ্যায় ৮ ঃ স্বাধীনোত্তৰ যুগত ভাৰতত হোৱা শিক্ষাৰ বিকাশ- I ৮১-৮৬

ভাৰতৰ সংবিধানত সন্নিবিষ্ট শিক্ষা বিষয়ক সাংবিধানিক সুবিধাসমূহ ঃ বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা, সংখ্যালঘু সম্প্ৰদায়ৰ শিক্ষালাভৰ অধিকাৰ, শিক্ষাত ধৰ্মনিৰপেক্ষতাৰ নীতি, সমাজৰ দুৰ্বল শ্ৰেণীৰ বাবে শিক্ষা, হিন্দী শিক্ষণ, চৰকাৰী ভাষা, মাতৃভাষা স্থান, উচ্চশিক্ষা আৰু গৱেষণা ।

অধ্যায় ৯ ঃ স্বাধীনোত্তৰ যুগত ভাৰতত হোৱা শিক্ষাৰ বিকাশ-II ৮৭-১০৫

বিশ্ববিদ্যালয় শিক্ষা আয়োগ, ১৯৪৮ ঃ বিশ্ববিদ্যালয় শিক্ষাৰ লক্ষ্য, আয়োগৰ পৰামৰ্শাৱলী, আয়োগৰ পৰামৰ্শাৱলীৰ মূল্যায়ন; উচ্চতৰ মাধ্যমিক শিক্ষা আয়োগ, ১৯৫২-৫৩ ঃ উচ্চতৰ মাধ্যমিক শিক্ষা আয়োগৰ লক্ষ্য, আয়োগৰ পৰামৰ্শাৱলী, আয়োগৰ পৰামৰ্শাৱলীৰ মূল্যায়ন।

অধ্যায় ১০ ঃ স্বাধীনোত্তৰ যুগত ভাৰতত হোৱা শিক্ষাৰ বিকাশ- III ১০৬-১২৪

শিক্ষা আয়োগ, ১৯৬৪- ৬৬ ঃ চৰ্ত আৰু ক্ষমতা, শিক্ষা আয়োগৰ প্ৰধান পৰামৰ্শাৱলী, শিক্ষা আয়োগৰ প্ৰতিবেদনৰ মূল্যায়ন; শিক্ষা বিষয়ক ৰাষ্ট্ৰীয় নীতি, ১৯৬৮ ঃ প্ৰধান বিবেচনাধীন বিষয়, নীতিৰ মূল্যাংকন।

অধ্যায় ১১ ঃ স্বাধীনোত্তৰ যুগত ভাৰতত হোৱা শিক্ষাৰ বিকাশ-IV ১২৫-১৩৭

শিক্ষাৰ ৰাষ্ট্ৰীয় নীতি (NPE) ৰ উদ্দেশ্য; প্ৰাথমিক শিক্ষা বিষয়ক পৰামৰ্শাৱলী; মাধ্যমিক শিক্ষা বিষয়ক পৰামৰ্শাৱলী; বিশ্ববিদ্যালয় শিক্ষা বিষয়ক পৰামৰ্শাৱলী; শিক্ষাৰ ৰাষ্ট্ৰীয় নীতিৰ মূল্যায়ন; কাৰ্য সম্পাদন পৰিযোজনা, ১৯৯২ ঃ পৰিযোজনাৰ পৰামৰ্শাৱলী।

অধ্যায় ১২ ঃ স্বাধীনোত্তৰ যুগত ভাৰতত হোৱা শিক্ষাৰ বিকাশ V ১৩৮-১৫৩

ৰাষ্ট্ৰীয় জ্ঞান আয়োগ ঃ ৰাষ্ট্ৰীয় জ্ঞান আয়োগৰ কৰ্তব্য, ক্ষমতা তথা ইয়াৰ সাংগঠনিক সংৰচনা, ৰাষ্ট্ৰীয় জ্ঞান আয়োগে গ্ৰহণ কৰা প্ৰণালীবিদ্যা, ৰাষ্ট্ৰীয় জ্ঞান আয়োগৰ পৰামৰ্শাৱলী; য়শপাল সমিতিৰ প্ৰতিবেদন ঃ এখন বিশ্ববিদ্যালয়ৰ ধাৰণা, উচ্চ শিক্ষা খণ্ডৰ প্ৰত্যাহ্বানসমূহ, বিশ্ববিদ্যালয় ধাৰণাৰ উন্নীতকৰণ।

অধ্যায় ১৩ ঃ অসমত শিক্ষাৰ বিকাশ ১৫৪-১৬৯

অসমত প্ৰাথমিক শিক্ষাৰ বিকাশ ঃ প্ৰাক্-স্বাধীনতা কালত হোৱা বিকাশ, স্বাধীনোত্তৰ কালত হোৱা বিকাশ; অসমত মাধ্যমিক শিক্ষাৰ বিকাশ ঃ প্ৰাক্-স্বাধীনতা কালত হোৱা বিকাশ, স্বাধীনোত্তৰ কালত হোৱা বিকাশ; অসমত উচ্চ শিক্ষাৰ বিকাশ ঃ প্ৰাক্-স্বাধীনতা কালত হোৱা বিকাশ, স্বাধীনোত্তৰ কালত হোৱা বিকাশ, অসমত উচ্চ শিক্ষাৰ শেহতীয়া স্থিতি।

অধ্যায় ১৪ ঃ শিক্ষা সাৰ্বজনীনকৰণৰ নতুন উদ্যম ১৭০-১৮৭

প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণৰ অৰ্থ ঃ প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণৰ অৰ্থ, শিক্ষা সাৰ্বজনীনকৰণৰ গুৰুত্ব; শিক্ষা সাৰ্বজনীনকৰণৰ সমস্যা; সৰ্বশিক্ষা অভিযান আৰু শিক্ষা সাৰ্বজনীনকৰণ; মাধ্যমিক শিক্ষা সাৰ্বজনীনকৰণ আৰু ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ ভূমিকা; সমগ্ৰ শিক্ষা; ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান আৰু শিক্ষা সাৰ্বজনীনকৰণ।

অধ্যায় ১৫ ঃ অসমত দূ�ৰৱৰ্তী শিক্ষা ১৮৮-১৯৯

অসমত বিদ্যালয় স্তৰৰ শিক্ষাৰ ববে দূ�ৰৱৰ্তী শিক্ষা ব্যৱস্থাৰ বিকাশ; অসমত উচ্চতৰ শিক্ষাৰ বাবে দূ�ৰৱৰ্তী শিক্ষা ব্যৱস্থাৰ বিকাশ।

প্ৰসঙ্গ পুথি ২০০-২০৩

পাঠ্যবিষয়ৰ পৰিচয়

এইটো দুই বছৰীয়া স্নাতকোত্তৰ ডিগ্ৰী পাঠ্যক্ৰমৰ দ্বিতীয় ষাণ্মাসিকৰ শিক্ষা বিষয়ৰ এটা পাঠ্যক্ৰম। এই পাঠ্যক্ৰমৰ জৰিয়তে আপুনি ভাৰতৰ আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ ঐতিহাসিক বিকাশৰ বিষয়ে জানিব পাৰিব, য'ত গুৰুকুল শিক্ষা পদ্ধতিৰ পৰা বৰ্তমানৰ আধুনিক শিক্ষা ব্যৱস্থা পৰ্যন্ত আলোচনা কৰা হৈছে।

এই পাঠ্যক্ৰমে মূলতঃ ভাৰতীয় শিক্ষাৰ ইতিহাস আৰু সমসাময়িক সমস্যাসমূহৰ সৈতে শিক্ষার্থীসকলক পৰিচিত কৰায়। ইয়াক দুটা বিস্তৃত ভাগত বিভক্ত কৰা হৈছে — স্বাধীনতাৰ পূৰ্বৱৰ্তী কালৰ শিক্ষা আৰু স্বাধীন ভাৰতৰ শিক্ষা। সংক্ষেপে, এই পাঠ্যক্ৰমে শিক্ষার্থীসকলক ভাৰতত শিক্ষাৰ বিকাশৰ এক কালানুক্ৰমিক সামগ্ৰিক ধাৰণা প্ৰদান কৰিব।

"প্ৰাচীন আৰু মধ্যযুগীয় ভাৰতত শিক্ষা" শীৰ্ষক প্ৰথম অধ্যায়ত বৈদিক, বৌদ্ধ আৰু মুছলিম যুগৰ শিক্ষা ব্যৱস্থাৰ বিষয়ে আলোচনা কৰা হৈছে।

"ব্ৰিটিছ ভাৰতত শিক্ষা-I" শীৰ্ষক দ্বিতীয় অধ্যায়ত চার্টাৰ আইন, মেকলেৰ মিনিট আৰু উডছ ডিচপেচৰ বিষয়ে আলোচনা কৰা হৈছে।

"ব্ৰিটিছ ভাৰতত শিক্ষা-II" শীৰ্ষক তৃতীয় অধ্যায়ত মূলতঃ ভাৰতৰ প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত হাণ্টাৰ কমিশনৰ উদ্দেশ্য, পৰামৰ্শ আৰু ইয়াৰ ভাৰতীয় শিক্ষাৰ ওপৰত প্ৰভাৱ আলোচনা কৰা হৈছে।

"ব্ৰিটিছ ভাৰতত শিক্ষা-III" শীৰ্ষক চতুৰ্থ অধ্যায়ত লৰ্ড কার্জনৰ শিক্ষা নীতি আৰু ইয়াৰ ভাৰতীয় শিক্ষাৰ ওপৰত প্ৰভাৱ আলোচনা কৰা হৈছে।

"ব্ৰিটিছ ভাৰতত শিক্ষা-IV" শীৰ্ষক পঞ্চম অধ্যায়ত ১৯১১ চনৰ গোখলেৰ বিল বা প্ৰস্তাৱ আলোচনা কৰা হৈছে আৰু ভাৰতত প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ ক্ষেত্ৰত গোখলেৰ প্ৰচেষ্টাৰ প্ৰভাৱ বিশ্লেষণ কৰা হৈছে।

"ব্ৰিটিছ ভাৰতত শিক্ষা-V" শীৰ্ষক ষষ্ঠ অধ্যায়ত চেডলাৰ বা কলকাতা বিশ্ববিদ্যালয় কমিশন গঠনৰ পটভূমি, ইয়াৰ পৰামৰ্শ আৰু ভাৰতীয় শিক্ষাৰ ওপৰত ইয়াৰ প্ৰভাৱ বৰ্ণনা কৰা হৈছে।

"ব্ৰিটিছ ভাৰতত শিক্ষা-VI" শীৰ্ষক সপ্তম অধ্যায়ত স্বাধীনতাৰ পূৰ্বৱৰ্তী ভাৰতৰ শিক্ষাৰ তিনিটা গুৰুত্বপূৰ্ণ মাইলষ্টোন — হাৰটগ কমিটিৰ প্ৰতিবেদন, ৱার্ধা বা মৌলিক শিক্ষা আঁচনি আৰু ১৯৪৪-৪৫ চনৰ ছার্জেণ্ট প্ৰতিবেদন আলোচনা কৰা হৈছে।

"স্বাধীনতাৰ পিছত ভাৰতত শিক্ষাৰ বিকাশ-I" শীৰ্ষক অষ্টম অধ্যায়ত ভাৰতত শিক্ষাসংক্ৰান্ত বিভিন্ন সাংবিধানিক বিধান আলোচনা কৰা হৈছে।

"স্বাধীনতাৰ পিছত ভাৰতত শিক্ষাৰ বিকাশ-II" শীৰ্ষক নবম অধ্যায়ত ১৯৪৮-৪৯ চনৰ বিশ্ববিদ্যালয় শিক্ষা কমিশন আৰু ১৯৫২-৫৩ চনৰ মাধ্যমিক শিক্ষা কমিশনৰ উদ্দেশ্য আৰু পৰামৰ্শসমূহ আলোচনা কৰা হৈছে।

"স্বাধীনতাৰ পিছত ভাৰতত শিক্ষাৰ বিকাশ-III" শীৰ্ষক দশম অধ্যায়ত মূলতঃ ১৯৬৪-৬৬ চনৰ শিক্ষা কমিশন আৰু ১৯৬৮ চনৰ জাতীয় শিক্ষা নীতিৰ উদ্দেশ্য আৰু পৰামৰ্শসমূহ আলোচনা কৰা হৈছে।

"স্বাধীনতাৰ পিছত ভাৰতত শিক্ষাৰ বিকাশ-IV" শীৰ্ষক একাদশ অধ্যায়ত ১৯৮৬ চনৰ জাতীয় শিক্ষা নীতিৰ প্ৰাথমিক, মাধ্যমিক আৰু বিশ্ববিদ্যালয় শিক্ষাসংক্ৰান্ত পৰামৰ্শ আৰু ১৯৯২ চনৰ কার্যসূচী আলোচনা কৰা হৈছে।

"স্বাধীনতাৰ পিছত ভাৰতত শিক্ষাৰ বিকাশ-V" শীৰ্ষক দ্বাদশ অধ্যায়ত জাতীয় জ্ঞান কমিশন আৰু যশপাল কমিটিৰ প্ৰতিবেদন আলোচনা কৰা হৈছে।

"অসমত শিক্ষাৰ বিকাশ" শীৰ্ষক ত্ৰয়োদশ অধ্যায়ত স্বাধীনতাৰ আগতে আৰু পিছতে অসমত প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষাৰ বিকাশ আলোচনা কৰা হৈছে। এই অধ্যায়ত ৰাজ্যখনৰ উচ্চ শিক্ষাৰ বৰ্তমান অৱস্থাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছে।

"শিক্ষাৰ সৰ্বজনীনীকৰণৰ নতুন পদক্ষেপ" শীৰ্ষক চতুৰ্দশ অধ্যায়ত শিক্ষা ক্ষেত্ৰত গ্ৰহণ কৰা কিছুমান পদক্ষেপ যেনে SSA, RMSA, RUSA আদি আলোচনা কৰা হৈছে।

"অসমত দূ�ৰশিক্ষা" শীৰ্ষক পঞ্চদশ অধ্যায়ত ৰাজ্যখনত দূ�ৰশিক্ষাৰ বিকাশ আৰু বৰ্তমান অৱস্থা বৰ্ণনা কৰা হৈছে।

এই স্ব-শিক্ষণ সামগ্ৰী অধ্যয়ন কৰাৰ সময়ত আপুনি কিছুমান কাষৰ বাকচ দেখিবলৈ পাব, যিবোৰ পাঠ্যৰ বাঁওফাল বা সোঁফালে সংযোজন কৰা হৈছে। এই বাকচসমূহত পাঠ্যত ব্যৱহৃত কিছুমান শব্দ আৰু ধাৰণাৰ অৰ্থ ব্যাখ্যা কৰা হৈছে।

ইয়াৰ উপৰিও, প্ৰতিটো অধ্যায়ত 'কাৰ্যকলাপ' আৰু 'অগ্ৰগতিৰ খতিয়ান' শীৰ্ষক অংশৰ অন্তৰ্গত কিছুমান দীঘলীয়া আৰু চমু প্ৰশ্ন সন্নিবিষ্ট কৰা হৈছে। 'চিন্তা চৰ্চা' অংশত দিয়া প্ৰশ্নসমূহ পাঠ্যৰ পৰা পোনপটীয়াকৈ লোৱা নহয়, সেয়েহে এইবোৰে আপোনাৰ চিন্তন ক্ষমতা বৃদ্ধি কৰাত সহায় কৰিব। চমু প্ৰশ্নসমূহৰ উত্তৰৰ সংকেত 'অগ্ৰগতিৰ খতিয়ানৰ উত্তৰ' শীৰ্ষক অংশত সন্নিবিষ্ট কৰা হৈছে। ইয়াৰ লগতে, 'সম্ভাব্য প্ৰশ্ন' শীৰ্ষকৰ অধীনত পাঠ্যভিত্তিক কিছুমান প্ৰশ্নো দিয়া হৈছে। এই প্ৰশ্নসমূহে পৰীক্ষাৰ সম্ভাব্য বিষয়বস্তুসমূহৰ ওপৰত আপোনাৰ মনোযোগ আকৰ্ষণ কৰাত সহায় কৰিব, যাতে আপুনি আত্মবিশ্বাসেৰে পৰীক্ষাৰ বাবে প্ৰস্তুতি গ্ৰহণ কৰিব পাৰে।

অধ্যায় ১ঃ ভাৰতৰ পুৰণি আৰু মধ্যযুগৰ শিক্ষা

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ বৈদিক যুগৰ শিক্ষা

- ১.৩.১ বৈদিক শিক্ষা ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ
- ১.৩.২ গুৰুকূল ব্যৱস্থা
- ১.৩.৩ বৈদিক শিক্ষা ব্যৱস্থাৰ লক্ষ্যসমূহ

১.৪ বৌদ্ধ যুগৰ শিক্ষা

- ১.৪.১ বৌদ্ধ শিক্ষণত নামভর্তিকৰণ ব্যৱস্থা
- ১.৪.২ বৌদ্ধ শিক্ষণৰ লক্ষ্য

১.৫ মুছলমান বা মধ্যযুগৰ শিক্ষা

- ১.৫.১ মুছলমান শিক্ষা ব্যৱস্থাৰ মূল লক্ষ্যসমূহ
- ১.৫.২ মুছলমান শিক্ষা ব্যৱস্থাৰ পাঠ্যক্রম
- ১.৫.৩ মুছলমান যুগৰ নাৰী শিক্ষা ব্যৱস্থা
- ১.৫.৪ শিক্ষক শিক্ষার্থীৰ সম্পর্ক

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৭ অধিক জানিবলৈ

১.৮ অগ্রগতিৰ খতিয়ান

১.৯ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ভাৰতৰ পুৰণি শিক্ষা ব্যৱস্থা সম্পর্কে ব্যাখ্যা কৰিব পাৰিব
- বৈদিক যুগৰ শিক্ষা ব্যৱস্থা সম্পর্কে বহলাই ব্যাখ্যা কৰিব পাৰিব
- বৌদ্ধ যুগৰ শিক্ষা ব্যৱস্থা সম্পর্কে বিশ্লেষণ কৰিব পাৰিব
- মুছলমানসকলৰ সময়ছোৱাৰ শিক্ষা ব্যৱস্থা বর্ণনা কৰিব পাৰিব।

১.২ পৰিচয়

ভাৰতৰ পুৰণি যুগৰ শিক্ষা ব্যৱস্থা হৈছে বৃটিছ শাসনৰ পূর্বৰ শিক্ষা ব্যৱস্থা। সাধাৰণতে ইয়াক এনেদৰে ভগোৱা হয়- বৈদিক যুগ, বৌদ্ধ যুগ আৰু মুছলমান যুগ বা মধ্যযুগ। ইয়াত শিক্ষাই কেনেদৰে জীৱনৰ সকলো দিশৰ বিষয়ে কয় আৰু ইয়াৰ লক্ষ্য কেৱল এগৰাকী জ্ঞানী মানুহ গঢ়ি তোলাই নহয়, শাৰীৰিক দিশৰ পৰাও সুস্থ ব্যক্তি গঢ়ি তোলা। বৈদিক যুগৰ শিক্ষা ব্যৱস্থা বেদ আৰু উপনিষদৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছিল। বৌদ্ধ যুগত গৌতম বুদ্ধৰ নীতিৰ ওপৰত আৰু মধ্যযুগৰ শিক্ষা কোৰাণৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছিল। তাৰোপৰি শিক্ষা ব্যৱস্থা ব্যৱহাৰিক আৰু বাস্তৱ জীৱনৰ সৈতে খাপ খোৱা আছিল।

ভাৰতীয় ইতিহাস খ্রীষ্টপূর্ব ৩০০০ শতিকাৰ সিন্ধু সভ্যতাৰ সৈতে গঢ় লৈ উঠিছিল। পুৰণি ভাৰতীয়

সভ্যতা সদায় ধর্মীয় বিশ্বাসৰ দ্বাৰা প্রভাৱান্বিত আছিল। পুৰণি ভাৰতৰ শিক্ষা প্রধান লক্ষ্য আছিল নির্বাণ বা মুক্তি লাভ কৰা। অতীত ভাৰতৰ সমাজ ব্যৱস্থা জাতিগত ব্যৱস্থাৰ দ্বাৰা প্রভাৱান্বিত আছিল। ব্রাহ্মণ বা পুৰোহিত শ্রেণীৰ লোকসকলে সমাজৰ মানুহৰ আধ্যাত্মিক প্রয়োজনীয়তা চোৱা-চিতা কৰিছিল আৰু পুৰণি শিক্ষা ব্যৱস্থাত তেওঁলোকে শিক্ষকৰ ভূমিকা গ্রহণ কৰিছিল। ক্ষত্রিয়সকলে দেশৰ ৰাজনীতিৰ ক্ষেত্রখন চায়। বৈশ্য বা বেহা-বেপাৰ কৰা শ্রেণীৰ লোকসকলে দেশৰ বেহা বেপাৰ আৰু অর্থনীতিৰ দিশটো চাইছিল। নিম্ন শ্রেণীৰ ক্ষুদ্র লোকসকলে সমাজৰ অন্যান্য হাতেৰে কৰা কামবোৰ কৰিছিল।

বৈদিক যুগৰ শিক্ষা ব্যৱস্থাই সৃষ্টি কৰা বহু সমস্যাৰ পিছত বৌদ্ধ যুগৰ আৰম্ভণি হৈছিল। বৈদিক যুগৰ শিক্ষা ব্যৱস্থা প্রধানকৈ ধর্ম আৰু শ্রেণী ব্যৱস্থাৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছিল। বৌদ্ধ শিক্ষা বৌদ্ধ দর্শনৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছিল, প্রধানকৈ বুদ্ধৰ শিকনৰ ওপৰত।

যেতিয়া মুছলমান শাসকসকল ভাৰতলৈ আহিছিল আৰু তেওঁলোকে নিজৰ নীতি-নিয়ম ভাৰতত প্রর্বতন কৰিছিল, তেওঁলোকৰ নিজৰ শিক্ষা ব্যৱস্থা প্রবর্তন কৰিছিল য'ত মক্তাব, মাদ্রাছা, মজজিদ আদি অন্তর্ভুক্ত আছিল। মুছলমান শিক্ষা ব্যৱস্থা খ্রীষ্টাব্দ দশম শতিকাৰ পৰা ১৮ শতিকাৰ মাজ ভাগলৈ বিস্তৃত হৈ আছিল।

এই অধ্যায়টোৰ পৰা আপোনালোকে পুৰণি ভাৰতবর্ষৰ শিক্ষা ব্যৱস্থা সম্পর্কে জানিব পাৰিব। আমি তলৰ ভাগসমূহত বৈদিক, বৌদ্ধ আৰু মুছলমানসকলৰ যুগৰ শিক্ষাৰ বিষয়ে আলোচনা কৰিম।

১.৩ বৈদিক যুগৰ শিক্ষা

বৈদিক যুগৰ শিক্ষা ব্যৱস্থা হৈছে পৃথিৱীৰ ভিতৰতে আটাইতকৈ পুৰণি শিক্ষা ব্যৱস্থা। বৈদিক যুগৰ ঋষিসকলে কেৱল ভাৰততে নহয়, সমগ্র পৃথিৱীতে জ্ঞানৰ বিস্তাৰ কৰিছিল। তেওঁলোকে মানৱীতাক অজ্ঞতাৰ অন্ধকাৰৰ পৰা পোহৰলৈ আনিছিল আৰু সমাজৰ লোকসকলৰ মাজত জ্ঞানৰ বিকাশ কৰিছিল। এই সময়ছোৱা প্রায় খ্রীষ্টপূর্ব ১৫০০ পৰা খ্রীষ্টপূর্ব ৬০০ লৈকে বিস্তৃত আছিল। বৈদিক যুগৰ শিক্ষা প্রধানকৈ চাৰিখন বেদৰ ওপৰতেই কেন্দ্রীভূত হৈ আছিল। এইকেইখন হৈছে ঋক্ বেদ, সাম বেদ, অথর্ব বেদ আৰু যজুৰ বেদ। বেদ শব্দটোৰ অর্থ হৈছে জ্ঞান। বেদৰ অর্থ হৈছে প্রজা, জ্ঞান বা দৃষ্টি আৰু ই মানুহৰ বাক্যত ভগবানৰ ভাষা প্রকাশ কৰে। বেদসমূহ হৈছে পৃথিৱীৰ ভিতৰত আটাইতকৈ পুৰণি শাস্ত্র। এইবোৰ ঋষি-মুনিসকলে ৰচনা কৰিছিল। ঋষি-মুনিসকলে মানুহক শিক্ষা দিবলৈ বেদসমূহ ৰচনা কৰিছিল। প্রত্যেক ব্যক্তিয়ে শান্তিপূর্ণ আৰু সুখী জীৱন যাপন কৰিবলৈ বেদত থকা পদ বা গীতবোৰ জনাতো প্রয়োজনীয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ 'বেদ' শব্দৰ অর্থ কি?

.....

.....

প্রশ্ন নং ২ ঃ বেদ চাৰিখন কি কি?

.....

.....

১.৩.১ বৈদিক শিক্ষা ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ

পৃথিৱীৰ ভিতৰতে আটাইতকৈ পুৰণি শিক্ষা ব্যৱস্থা বুলি জ্ঞাত বৈদিক শিক্ষা ব্যৱস্থাৰ নিজস্ব কিছুমান বৈশিষ্ট্য আৰু উপাদান আছে যিসমূহে আনকি আধুনিক শিক্ষা ব্যৱস্থাৰো দৃষ্টি আকর্ষণ কৰিছে। এই ব্যৱস্থাৰ শৈক্ষিক নীতি আৰু পদ্ধতিসমূহ বর্তমান শিক্ষা ব্যৱস্থাৰ বাবে অনুপ্রেৰণাদায়ক আৰু প্রাসংগিক। এই শিক্ষাৰ কিছুমান

বৈশিষ্ট্য তলত দাঙি ধৰা হ'ল -

শিক্ষাৰ লক্ষ্য ঃ শিক্ষাৰ প্ৰধান লক্ষ্য হৈছে আত্ম উপলব্ধি। অন্য কথাত আমি ক'ব পাৰো যে বৈদিক শিক্ষাৰ প্ৰধান লক্ষ্য হৈছে পৰিত্ৰাণ লাভ কৰা। শিক্ষাৰ অন্য এক লক্ষ্য হৈছে সুখী আৰু সুন্দৰ জীৱন যাপনৰ বাবে ছাত্ৰসকলক প্ৰস্তুত কৰি তোলা। তেওঁলোকক সামাজিকভাৱে সচেতন, কৰ্তব্যপৰায়ণ আৰু দেশৰ নৈতিকভাৱে শক্তিশালী নাগৰিক হোৱাৰ শিক্ষা প্ৰদান কৰা হয়। এই সময়ছোৱাৰ শিক্ষাৰ প্ৰধান লক্ষ্য আছিল ছাত্ৰৰ দেহ, মন আৰু আত্মাৰ সৰ্বোতমুখী বিকাশ। তাৰোপৰি শিক্ষাৰ তাৎক্ষণিক লক্ষ্য আছিল বিভিন্ন বৰ্ণৰ লোকসকলক তেওঁলোকৰ দৈনন্দিন জীৱনৰ প্ৰকৃত প্ৰয়োজনবোৰ পূৰণৰ বাবে প্ৰস্তুত কৰি তোলা।

শিক্ষাৰ ওপৰত ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণ নথকা ঃ বৈদিক শিক্ষাৰ এক বিশেষত্ব হৈছে ইয়াৰ সাংগঠনিক দিশ। ৰাষ্ট্ৰ বা চৰকাৰ বা ৰাজকীয় পৰিয়ালে শিক্ষা ব্যৱস্থা নিয়ন্ত্ৰণ নকৰিছিল। ই মানুহৰ ব্যক্তিগত দিশ আছিল আৰু সামগ্ৰিকভাৱে ইয়াক ব্ৰাহ্মণসকলে পৰিচালনা কৰিছিল। শিক্ষকসকলে শৈক্ষিক নীতি, পাঠ্যক্ৰম সংৰচনা, শিক্ষাৰ পদ্ধতি আৰু অনুশাসনৰ নীতি নিয়মসমূহ নিৰ্ধাৰণ কৰিছিল। চৰকাৰ বা ৰাজ পৰিয়ালে কোনো ধৰণৰ নিয়ন্ত্ৰণ নাৰাখি সময়ে সময়ে গুৰুসকলক অৰ্থ সাহাৰ্য আৰু ভূমি প্ৰদান কৰিছিল।

পাঠ্যক্ৰম ঃ বৈদিক পাঠ্যক্ৰমৰ উপযোগিতা, ব্যৱহাৰিকতা আৰু গতিশীলতাৰ নীতিৰ ওপৰত প্ৰতিস্থিত আছিল। জীৱনৰ আধ্যাত্মিক দিশটো উপলব্ধি কৰাৰ বাবে বেদৰ অধ্যয়ন বাধ্যতামূলক আছিল। সকলো জ্ঞানৰে উৎস হিচাবে বৈদিক জ্ঞানৰ বিবেচনা কৰা হৈছিল। বেদৰ অধ্যয়ন অধিক বিজ্ঞানসন্মত কৰি তুলিবলৈ ছয় বেদাংগ, যেনে— শিক্ষা, কল্প, ব্যাকৰণ, নিৰুক্ত, জ্যোতিষ আৰু ছন্দক অধ্যয়নৰ সুবিধা ৰখা হৈছিল। যুক্তিৰ সামৰ্থ বৃদ্ধি কৰিবলৈ তৰ্ক, ভাল আৰু বেয়াৰ পাৰ্থক্য নিৰ্ণয়, সত্য আৰু অসত্য ভেদ কৰিবলৈ শিকোৱা হৈছিল। পাঠ্যক্ৰমত দৰ্শন, গণিত, ইতিহাস, অৰ্থনীতি, জ্যোতিষ শাস্ত্ৰ, ৰাজনীতি ইত্যাদি বিষয়ৰ অধ্যয়নৰ সুবিধা ৰখা হৈছিল যাতে বৌদ্ধিক প্ৰয়োজন পূৰণ কৰিব পৰা যায়। কিছুমান বিষয় যেনে- সুকুমাৰ কলা, স্থাপত্য, চিকিৎসা, আইন, ধনুবিদ্যা, বাণিজ্য, কৃষি আৰু পশুপালন আদি পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছিল। এনেদৰে পাঠ্যক্ৰমত তাত্বিক আৰু ব্যৱহাৰিক বিষয়সমূহ অন্তৰ্ভুক্ত কৰা হৈছিল, যাৰ দ্বাৰা পাঠ্যক্ৰমৰ বিভিন্নতা আৰু স্থিতিস্থাপকতা প্ৰকাশ পাইছিল।

শিক্ষণৰ পদ্ধতি ঃ বৈদিক সময়ছোৱাত শিক্ষণৰ পদ্ধতিক সাধাৰণতে শিক্ষকৰ আৰু ছাত্ৰৰ পুনৰাবৃত্তিৰ অন্তৰ্ভুক্ত আছিল। শিক্ষণৰ পদ্ধতিত তিনিটা নীতি অনুকৰণ কৰা হৈছিল, যেনে শুনা, চিন্তা কৰা আৰু ধ্যানস্থ হোৱা। বৈদিক যুগৰ শিক্ষা পদ্ধতিয়ে কেৱল পদবোৰ পঢ়িব শিকোৱা নাছিল, ইয়াৰ লগতে কেনেদৰে আবেগ আৰু ভাববোৰৰ প্ৰশিক্ষণ দিব পাৰি তাকো শিকাইছিল। মানব ব্যক্তিত্বৰ সকলো দিশৰ বিকাশ আছিল শিক্ষাৰ এৰাব নোৱাৰা অংশ। সেইবাবে, মুখস্থ, পুনৰাবৃত্তি, প্ৰতিফলন আৰু যুক্তি আদি পদ্ধতিবোৰ ব্যৱহাৰ কৰি বৌদ্ধিক, নৈতিক, সামাজিক, সাংস্কৃতিক, ধৰ্মীয় আদি মানৱ জীৱনৰ বিভিন্ন দিশবোৰ বিকাশ কৰা হৈছিল। স্বৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণৰ শুদ্ধ উচ্চাৰণ তথা সাহিত্যৰ অন্য নীতিবোৰৰ শুদ্ধ শিকনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। শব্দ আৰু পদ আদি ৰূপৰ উচ্চাৰণৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰা হৈছিল, যিহেতু এইবোৰ এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ হস্তান্তৰিত হৈছিল। মানুহৰ মাজত এটা সাধাৰণ বিশ্বাস আছিল যে 'পদৰ' ভুল উচ্চাৰণ পাপৰ কাৰণ আছিল আৰু ই বেদৰ পবিত্ৰতা আৰু নিৰ্মলতা ধ্বংস কৰিছিল।

শিক্ষক-ছাত্ৰৰ সম্পৰ্ক ঃ এই সময়ছোৱাত গুৰু শিষ্যৰ সম্পৰ্ক পিতা-পুত্ৰৰ দৰে আছিল। যিহেতু কোনো চৰকাৰী অনুষ্ঠান নাছিল, সেইবাবে শিষ্যসকলে গুৰুৰ ঘৰত থাকিছিল আৰু শিক্ষা ব্যৱস্থা সম্পূৰ্ণৰূপে আৱাসিক আছিল। গুৰুকূল ব্যৱস্থাই গুৰু-শিষ্যৰ মাজত মধুৰ সম্পৰ্ক বিকাশ হোৱাৰ ক্ষেত্ৰত সহায় কৰিছিল। গুৰু গৃহৰ যাৱতীয় কাম-কাজ কৰাতো শিক্ষাৰ এক অংশ আছিল আৰু শিষ্যসকলৰ বাবে ই এক নৈতিক দায়িত্ব স্বৰূপ আছিল। ৰাতিপুৱাৰ ভাগত অনুষ্ঠিত হোৱা 'যজ্ঞৰ' বাবে যাৱতীয় অন্যান্য সামগ্ৰীৰ লগতে জুই জ্বলাবৰ কাঠ সংগ্ৰহ কৰাতো শিষ্যসকলৰ এক প্ৰয়োজনীয় কৰ্ম আছিল। তেওঁলোকে গুৰুগৃহ পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰাখিছিল। গুৰু গৃহত থকা সময়ছোৱাত গুৰুৱে শিষ্যসকলৰ আদৰ যত্ন লৈছিল। তেওঁলোকৰ প্ৰয়োজনত গুৰুৱে চিকিৎসা আগবঢ়োৱাতো গুৰুৰ দায়িত্ব আছিল। শিষ্যৰ থকা-খোৱাৰ বাবে প্ৰয়োজন হোৱা সামগ্ৰীবোৰ তেওঁ সংগ্ৰহ কৰিছিল। তেওঁৰ গৃহ থকাৰ সময়ছোৱাত তেওঁলোকক কষ্ট পাব দিয়া নাছিল আৰু তেওঁলোকক অশান্তি বা অসন্তুষ্টিত ভুগিব

দিয়া নাছিল।

অনুশাসন ঃ সাধাৰণতে তেতিয়া কোনো ধৰণৰ শাৰীৰিক শাস্তিৰ ব্যৱস্থা নাছিল। আত্ম অনুশাসনকেই উত্তম অনুশাসন হিচাবে বিবেচনা কৰা হৈছিল। ছাত্রসকলৰ জীৱন এনে ধৰণে গঢ় দিয়া হৈছিল যে নীতি-নিয়ম আৰু অনুশাসন স্বতঃস্ফূর্তভাৱে তেওঁলোকে মানি চলিছিল। এনে ক্ষেত্রত শিক্ষকসকলে অনুশাসনৰ দিশত কোনো ধৰণৰ সমস্যাৰ সন্মুখীন হোৱা নাছিল। এই ব্যৱস্থাটোৱে ছাত্রসকলক আত্ম অনুশাসন আনি দিছিল। স্মৃতিৰ পৰা আমি জানিব পাৰো যে শিক্ষকে বান্ধি দিয়া নীতি-নিয়ম উলংঘা কৰা অপৰাধী ছাত্রৰ বাবে শাস্তিৰ ব্যৱস্থা আছিল। এনে শাস্তিবোৰ আধ্যাত্মিক ধৰণৰ আছিল, উদাহৰণ স্বৰূপে- উপবাসে থকা। এইটো উল্লেখযোগ্য যে শাস্তিৰ পদ্ধতিবোৰ আত্ম-সংশোধনৰ নীতিৰ ওপৰত প্রতিষ্ঠিত আছিল আৰু এনে শাস্তিবোৰ আধুনিক শাস্তি ব্যৱস্থাতকৈ অধিক ফলপ্রসূ আৰু উপযোগী আছিল। গুৰুগৃহত থকা ৰাজ পৰিয়ালৰ ছাত্রও খৰচৰ বাবে লগত পইছা ৰাখিব নোৱাৰিছিল। তেওঁলোকে সহজ সৰল জীৱন যাপনেৰে উচ্চ চিন্তা কৰাৰ নীতি মানি চলিব লাগিছিল।

মহিলা শিক্ষা ঃ বৈদিক যুগত মহিলাসকলে মুক্তভাৱে জ্ঞান অর্জনৰ সুবিধা পাইছিল আৰু পুৰুষৰ সমানেই তেওঁলোকক মর্য্যদা প্রদান কৰা হৈছিল। মহিলাসকলে পুৰুষৰ সৈতে ধর্মীয় অনুষ্ঠান উদ্‌যাপন কৰিছিল। বৈদিক যুগত মহিলা শিক্ষা উচ্চ পর্যায়ত আছিল। সেই সময়ৰ মহিলা শিক্ষাৰ গৌৰৱময় ইতিহাস আছে। কোনো ধৰণৰ প্রতিবন্ধকতা নোহোৱাকৈ মহিলাসকলে পুৰুষৰ সৈতে শিক্ষা লাভ কৰাৰ সুবিধা পাইছিল। সেইবাবে বৈদিক যুগত বহুতো বিদুষী মহিলা থকা দেখা পোৱা যায়। শিক্ষিতা মহিলাসকলক 'ব্রহ্মবাদিনী' বা 'ঋষিকা' বুলি জনা যায়। তেওঁলোকে বৈদিক পদবোৰ ৰচনা কৰিছিল। শিক্ষিতা মহিলাসকলে সমাজত যথেষ্ট সন্মান লাভ কৰিছিল আৰু তেওঁলোকক 'দেৱী' বুলি কোৱা হৈছিল। শিক্ষিতা মহিলাসকল পুৰুষসকলৰ বাবে অনুপ্রেৰণাৰ উৎস আছিল। শিক্ষিতা জীয়াৰীসকলৰ বাবে পিতৃ-মাতৃয়েও গৌৰৱবোধ কৰিছিল। বৈদিক যুগৰ কেইগৰাকীমান বিদূষী মহিলা হৈছে অপলা, লোপামুদ্রা, বিশ্বমৰাৰা, উৰর্শী, সাবিত্রী, দেবযানী, আত্রেয়ী, মৈত্রেয়ী, গার্গী আৰু লীলাৱতী। মৈত্রেয়ী আৰু গার্গী বিখ্যাত দার্শনিক আছিল আৰু লীলাৱতী বিখ্যাত গণিতজ্ঞ আছিল। মহিলাসকলক সংগীত আৰু নৃত্যৰো শিক্ষা দিয়া হৈছিল। তাৰোপৰি তেওঁলোক হস্তকর্ম যেনে— বোৱা-কটা আদিৰ প্রশিক্ষণ দিয়া হৈছিল।

১.৩.২ গুৰুকূল প্রথা

বৈদিক যুগৰ শিক্ষাক গুৰুকূল প্রথা স্বৰূপে জনা যায়। যদিও সেইসময়ত শিক্ষাৰ দায়িত্ব লোৱা অন্য অনুষ্ঠান 'পৰিষদ' আৰু 'সন্মিলন' আছিল, তথাপি গুৰুকূল প্রথা জনপ্রিয় শিক্ষা ব্যৱস্থা আছিল যাক গুৰুৱে পৰিচালনা কৰিছিল।

গুৰুকূলৰ অর্থ হৈছে 'শিক্ষকৰ পৰিয়াল' ছাত্রসকলে গুৰুকূলত গুৰুৰ পৰিয়ালৰ সদস্যৰ দৰে বাস কৰিছিল। গুৰুকূলত ছাত্র পঠোৱাৰ প্রধান লক্ষ্য আছিল যে ছাত্রসকলে গুৰুৰ সংস্পর্শত থাকি গুৰুৰ আদর্শৰে নিজ জীৱন আৰু চৰিত্র যাতে গঢ় দিব পাৰে। এটা অনুষ্ঠান উদ্‌যাপন কৰি ছাত্রসকলে গুৰুকূলত ভর্তি হ'ব পাৰিছিল আৰু ব্রহ্মচার্য হিচাবে ১২ বছৰ কাল শিক্ষা লাভ কৰিছিল। ছাত্রসকলে গুৰুগৃহত যাবতীয় ঘৰুৱা কাম-কাজ কৰিব লাগিছিল যেনে গৰু চৰোৱা, জুই ধৰা ব্যৱস্থা কৰা ইত্যাদি। গুৰুৱেও তেওঁলোকক নিজ পুত্রৰ দৰে ব্যৱহাৰ কৰিছিল। গুৰুকূল ব্যৱস্থাত শিক্ষকগৰাকী আটাইতকৈ সন্মানীয় ব্যক্তি আছিল আৰু গুৰুৰ নির্দেশ অমান্য কৰাটো পাপ হিচাবে বিবেচিত হৈছিল। গুৰুকূল ব্যৱস্থাৰ বিশেষ বৈশিষ্ট্যবোৰ তলত আলোচনান কৰা হ'ল।

- **গুৰুকূল ব্যৱস্থাত ছাত্রৰ নামভর্তিকৰণ ঃ** গুৰুকূল প্রথাত ছাত্রসকলে বাৰ বছৰ বয়সত নামভর্তি কৰিছিল। ইয়াত নামভর্তিকৰণৰ অনুষ্ঠানক 'উপনয়ন' বুলি কোৱা হৈছিল, এই অনুষ্ঠানটো তিনি দিনৰ বাবে পতা হৈছিল। উপনয়ন শব্দটোৰ অর্থ হৈছে 'শিশুসকলক অনা আৰু শিক্ষা আৰু নির্দেশনাৰ বাবে তেওঁলোকক গুৰুৰ ওচৰত ৰখা।' এই উপনয়ন অনুষ্ঠানৰ যোগেদি 'ব্রহ্মচার্য' গ্রহণ কৰি শিষ্যসকলে আধ্যাত্মিক জীৱন আৰম্ভ কৰে। ইয়াক পুনৰ জন্ম বা 'দ্বিজ' বুলি কোৱা হয়, যাৰ অর্থ হৈছে 'দ্বিতীয় জন্ম' গুৰু গৃহত বাস কৰিলেও শিষ্যসকলে পৰিয়ালৰ জীৱনৰ সৈতে সম্পর্ক নথকা নহয় কাৰণ তেওঁলোকে গুৰুগৃহ পৰিয়ালৰ

সদস্যৰ দৰে বাস কৰে আৰু গুৰুৰ সকলো ঘৰুৱা কাম-কাড সম্পাদন কৰে।

- **ছাত্ৰৰ সময় ঃ** গুৰুকূল প্ৰথাত ছাত্ৰসকলে সাধাৰণতে বাৰ বছৰ কাল অধ্যয়ন কৰে। এই সময়ছোৱা তেওঁলোকে গুৰুৰ ঘৰতে থাকিব লাগে। কেতিয়াবা এই স্থিৰ কৰি থোৱা সময়তকৈ বেছি দিন থকা বুলি জানিব পৰা যায়। গুৰুৰ গৃহত শিষ্য ৩২ বছৰকাল থকাও গম পোৱা যায়।
- **ছাত্ৰসকলৰ দায়িত্ব আৰু কৰ্তব্য ঃ** গুৰুকূল প্ৰথাত ছাত্ৰসকলে বিভিন্ন ধৰণৰ দায়িত্ব পালন কৰিবলগীয়া হয়। তেওঁলোকে পবিত্ৰ অগ্নিৰ বাবে যা-যোগাৰ কৰিব লাগিছিল। সেই সময়ত পৰিয়ালৰ সদস্য হিচাবে তেওঁলোকে গুৰুগৃহত বাস কৰে। গুৰু গৃহত তেওঁলোকে সকলো ধৰণৰ ঘৰুৱা কাম-কাজ কৰিব লাগে। গুৰু য'লৈ যায় ছাত্ৰসকলে তেওঁক সংগ দিব লাগে। তেওঁলোকে গুৰুৰ বাবে ভিক্ষা খুজিব লাগে।

  পাৰদৰ্শী হোৱালৈকে শিষ্যসকলে গুৰু গৃহত বাস কৰিব লাগিছিল। আশ্ৰমত বাস কৰা সময়ছোৱাত আশ্ৰম পৰিচালনাৰ বাবে প্ৰয়োজন হোৱা সকলো দায়িত্ব তেওঁলোকে পালন কৰিব লাগিছিল। পানী অনা, খৰি সংগ্ৰহ কৰা, গুৰু গৃহ পৰিষ্কাৰ পৰিছন্ন কৰা, বাচন-বৰ্তন ধোৱা আৰু যজ্ঞৰ বাবে প্ৰয়োজনীয় সামগ্ৰী সংগ্ৰহ কৰা ইত্যাদি সকলোৱে কৰিব লাগিছিল। শিষ্যসকলে গৰু চৰাইছিল, দিনত দুবাৰকৈ ভিক্ষা খুজিব গৈছিল আৰু গুৰুৰ ওচৰত বেদৰ অধ্যয়ন কৰিছিল। এগৰাকী শিষ্যই দিনত পুৱা-দুপৰীয়া আৰু গধূলি তিনিবাৰকৈ প্ৰাৰ্থনা কৰিব লাগিছিল। নিজৰ কোঠাৰ বাহিৰত প্ৰাৰ্থনা কৰিব লাগিছিল। শাৰীৰিক পবিত্ৰতাৰ বাবে যিটো মানসিক পবিত্ৰতাৰ সৈতেও জড়িত, ছাত্ৰসকলে সদায় গা ধুব লাগিছিল। সহজ-সৰল জীৱন-যাপন আৰু উচ্চ চিন্তাঃ গুৰু গৃহত ছাত্ৰসকলে বাস কৰাৰ এক বৈশিষ্ট্য হৈছে সহজ-সৰল জীৱন যাপন। তেওঁলোকে সকলো সুবিধা, আনন্দ উৎসৱ আদি বৰ্জন কৰিব লাগিছিল। তেওঁলোকে মাটিত শুইছিল, সৰল খাদ্য গ্ৰহণ কৰিছিল আৰু সাধাৰণ বস্ত্ৰ পৰিধান কৰিছিল। তেওঁলোকে সুগন্ধি দ্ৰব্য বৰ্জন কৰিছিল, সংগীত বা নৃত্যৰ পৰা নিজকে আঁতৰাই ৰাখিছিল আৰু জনসাধাৰণৰ খেল আৰু উৎসৱত অংশ গ্ৰহণ কৰিছিল। তেওঁলোকে সোণ-ৰূপ ব্যৱহাৰ কৰিব নোৱাৰিছিল, অনুপযুক্ত সময়ত আহাৰ গ্ৰহণ কৰিব নোৱাৰিছিল আৰু জোতা পিন্ধিব নোৱাৰিছিল। গুৰুগৃহত থকাৰ সময়ছোৱাত সকলো ধৰণৰ ইন্দ্ৰিয় সংভোগৰ পৰা নিজকে বিৰত ৰাখিব লাগিছিল। এনেদৰে কঠোৰ অনুশাসন মানি তেওঁলোকে সাধাৰণ জীৱন যাপন কৰিছিল।
- **শিক্ষকৰ দায়িত্ব আৰু স্থান ঃ** গুৰুকূল প্ৰথাত শিক্ষক গৰাকী হৈছে আটাইতকৈ সামৰ্থবান আৰু ত্যাগৰ প্ৰতীক। ভগবানৰ পিছতে সমাজত শিক্ষকৰ স্থান আছিল। গুৰুকূল প্ৰথাত, শিষ্যসকলৰ সৰ্বতোমুখী বিকাশৰ ওপৰত গুৰুৱে গুৰুত্ব প্ৰদান কৰিছিল।

  শিক্ষকসকলৰ নৈতিক দিশটো অতি উচ্চ পৰ্যায়ৰ আছিল। তেওঁলোক আছিল সৰল, সাধু, সাহসী, নিৰহংকাৰী আৰু সক্ৰিয়। তেওঁলোকে শাৰীৰিক সা-সুবিধা আৰু বিলাসী জীৱন ত্যাগ কৰিছিল, আধ্যাত্মিক আৰু মানসিক আনন্দহে কেৱল উপভোগ কৰিছিল। বৈদিক যুগত বৌদ্ধিক বিলাসিতা যেনে— কিতাপ, শাস্ত্ৰ আলোচনা ইত্যাদি শিক্ষক জীৱনৰ বাবে প্ৰয়োজনীয় আছিল।
- **শিষ্যৰ বিদায় ঃ** গুৰুকূল ব্যৱস্থাত শিকনৰ শেষ ব্যৱস্থাটোক 'সমাৱৰ্তন' বুলি কোৱা হৈছিল। আপোনালোকে জানে যে গুৰুকূলত ছাত্ৰজীৱন 'উপনয়ন' নামৰ অনুষ্ঠানৰ যোগেৰে আৰম্ভ হয় আৰু সমাবৰ্তন' অনুষ্ঠানৰ দ্বাৰা সমাপ্তি ঘটে। ইয়াৰ অৰ্থ হৈছে গুৰু গৃহত 'ব্ৰহ্মচৰ্য' সমাপ্তিৰ পিছত 'নিজ ঘৰলৈ উভতি যোৱা'। শিক্ষা সমাপ্তিৰ পিছত এটা সাধাৰণ অনুষ্ঠানৰ আয়োজন কৰা হয়, য'ত গুৰুৱে তেওঁলোকক সম্বৰ্দ্ধনা জনায়। তেওঁলোকে পবিত্ৰ পানীত স্নান কৰে, দাড়ি-চুলি কাটে আৰু নতুন সাজ-পোচাক তথা অলংকাৰ পৰিধান কৰে। তেতিয়া তেওঁলোকক 'স্নাতক' বুলি ঘোষণা কৰা হৈছিল। গুৰুৱে শিষ্যসকলক ঘিঁ আৰু মৌ দিছিল যাক মধুপৰ্ক বুলি জনা যায়। তাৰ পিছত শিষ্যসকলে গুৰুৱে অনুস্থিত কৰা সমাৱৰ্তন অনুষ্ঠানত ভাগ লৈছিল। গুৰুৱে ইয়াত প্ৰদান কৰা ভাষণ শিষ্যসকলৰ ভৱিষ্যত জীৱন তথা সমাজৰ এজন সু-নাগৰিক হোৱাৰ ক্ষেত্ৰত অতি তাৎপৰ্যপূৰ্ণ আছিল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ বৈদিক যুগৰ শিক্ষা ব্যৱস্থাত উল্লেখ কৰা শিক্ষাৰ দুটা লক্ষ্য উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৪ ঃ 'সমাৱর্তন' মানে কি?

.....

.....

১.৩.৩ বৈদিক শিক্ষা ব্যৱস্থাৰ লক্ষ্যসমূহ

এইটো সার্বজনীনভাৱে গৃহীত যে শিক্ষাৰ লক্ষ্যসমূহ জীৱনৰ দর্শনৰ দ্বাৰা অনুপ্রাণিত হয়। পুৰণি ভাৰতবর্ষত শিক্ষাকে ধৰি জীৱনৰ প্রতিটো খোজেই ধর্মীয় প্রয়োজনৰ দ্বাৰা প্রভাৱিত হৈছিল। বৈদিক যুগৰ শিক্ষাৰ প্রধান লক্ষ্যসমূহ তলত আলোচনা কৰা হ'ল-

মোক্ষ প্রাপ্তি ঃ জন্ম-মৃত্যুৰ পুনচক্রৰ পৰা মুক্তি বা নির্বাণ লাভ কৰাটো হৈছে পুৰণি ভাৰতবর্ষৰ প্রত্যেক পুৰুষ আৰু মহিলাৰ আকাংক্ষিত লক্ষ্য আৰু ব্যক্তিক এই প্রস্তুতিৰ বাবে শিক্ষাই হৈছে আটাইতকৈ গুৰুত্বপূর্ণ আহিলা।

ধর্মীয় আৰু আধ্যাত্মিক মূল্যবোধৰ শিক্ষা ঃ বৈদিক যুগৰ অন্য এক গুৰুত্বপূর্ণ লক্ষ্য হৈছে ছাত্রক পবিত্র ভাবৰ শিক্ষা দিয়া। অধ্যয়নৰ আৰম্ভণি আৰু সমাপ্তি ধর্মীয় উৎসৱৰ দ্বাৰা কৰা হৈছিল।

ছাত্রসকলৰ জীৱন সমাৱোহমূলক কার্যৰে পৰিপূর্ণ আছিল। ৰাতিপুৱা ধর্মীয় প্রার্থনাৰে আৰম্ভণি হৈছিল আৰু ঠিক সেইদৰে ৰাতিও হৈছিল। প্রত্যেক ছাত্রই ধর্মীয় উৎসৱসমূহ পালন কৰিব লাগিছিল। সকলো ধর্মীয় অনুষ্ঠানত ছাত্রসকলে অংশগ্রহণ কৰিব লাগিছিল। ধর্মীয় নির্দেশনাবিহীন শিক্ষাক শিক্ষা বুলি ধৰা হোৱা নাছিল।

চৰিত্রৰ বিকাশ ঃ বৈদিক যুগত চৰিত্র গঠনৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছিল। বৈদিক শিক্ষাৰ প্রধান দিশ আছিল আত্ম অনুশাসন। ইন্দ্রিয় নিয়ন্ত্রণ আৰু সৎ গুণৰ চর্চাই এজন ব্যক্তিক চৰিত্রবান কৰি তোলে। নৈতিক মূল্যবোধৰ অনুশীলনৰ দ্বাৰা নৈতিক উৎকর্ষ সাধন হয়। শিক্ষক আৰু শিক্ষার্থীসকল আছিল নৈতিকতাৰ আদর্শ স্বৰূপ। নৈতিক মূল্যবোধৰ অভাবক ভয়ংকৰ দিশ বুলি আখ্যা দিয়া হৈছিল।

ব্যক্তিত্বৰ বিকাশ ঃ বৈদিক যুগত গুৰুসকলে অনুভৱ কৰিছিল যে শিক্ষাৰ মুখ্য লক্ষ্য হৈছে ব্যক্তিত্বৰ বিকাশ। ভগবানৰ আটাইতকৈ উৎকৃষ্ট সৃষ্টি হৈছে মানব ব্যক্তিত্ব। ব্যক্তিত্বৰ সংলক্ষণবোৰ হৈছে আত্ম বিশ্বাস, আত্ম অনুশাসন, আত্ম প্রতিৰোধ আৰু আত্ম সন্মান যিবোৰ শিক্ষকে ছাত্রৰ ব্যক্তিত্বত অন্তর্ভুক্ত কৰিবলৈ চেষ্টা কৰিছিল।

নাগৰিকৰ দায়িত্ব আৰু সামাজিক মূল্যবোধৰ বিকাশ ঃ বৈদিক শিক্ষা অন্যতম গুৰুত্বপূর্ণ লক্ষ্য হৈছে নাগৰিকৰ দায়িত্ব আৰু সামাজিক মূল্যবোধৰ বিকাশ। গুৰুগৃহত 'ব্রহ্মচর্য' শিক্ষা সমাপ্ত কৰি ছাত্রসকলে নিজকে সমাজৰ সেৱাত আগবঢ়াই নিছিল। তেওঁলোকে আলহীক শুশ্রূষা আৰু প্রয়োজন থকা লোকক সহায় কৰাটো আশা কৰা হয়।

১.৪ বৌদ্ধ যুগৰ শিক্ষা

ষষ্ঠ শতিকাৰ সময়ছোৱা কেৱল ভাৰতবর্ষৰে নহয়, সমগ্র পৃথিৱীৰে এক মৌলিক যুগ। এই শতিকাতে পৃথিৱীৰ বেছিভাগ দেশতে ধর্মীয় দিশত সংস্কাৰ হৈছিল। প্রচলিত হিন্দুধর্মত গৌতম বুদ্ধৰ আন্দোলনে এক বৃহৎ প্রভাৱ পেলাইছিল। গৌতম বুদ্ধই দেশত 'বৌদ্ধ ধর্ম' বুলি এক নতুন ধর্মৰ প্রতিষ্ঠা কৰিছিল। বৌদ্ধ ধর্মক কেৱল এটা নতুন ধর্ম বুলি ধৰা হোৱা নাছিল, ই ভাৰতীয়সকলৰ ধর্মীয়, দার্শনিক, সামাজিক আৰু ৰাজনৈতিক দিশবোৰৰ বিকাশ সাধন কৰিছিল।

বৌদ্ধ শিক্ষাক আমি ব্রাহ্মণিক শিক্ষা ব্যৱস্থাৰ উৎপন্ন হোৱা বুলি ক'ব পাৰো। তাৰোপৰি, ই বৈদিক অধ্যয়নৰ ওপৰত প্রতিষ্ঠিত নাছিল আৰু ইয়াৰ শিক্ষকসকল ব্রাহ্মণ আছিল।

এইটো এক ঐতিহাসিক কথা যে বৌদ্ধ শিক্ষা সংঘসমূহক লৈ কেন্দ্রীভূত আছিল। সংঘবোৰক বাদ দি বৌদ্ধ শিক্ষাৰ কোনো স্বাধীন সত্ত্বা নাছিল। সংঘত থকাবোৰকহে শিক্ষাৰ সুবিধা প্রদান কৰা হৈছিল। বৌদ্ধ ভিক্ষুসকল বৌদ্ধ সংস্কৃতিৰ ৰক্ষাকর্তা আৰু প্ররাহক আছিল। বৌদ্ধ সংঘবোৰ সকলোৰে বাবে মুক্ত আছিল আৰু যিসকলে বৌদ্ধৰ নীতি-নিয়ম মানিছিল তেওঁলোকৰ বাবেও যুক্ত আছিল। সেইবাবে, বৌদ্ধ সংঘবোৰে শিক্ষা ব্যৱস্থাক অন্তর্ভুক্ত কৰি লৈছিল, কাৰণ ইয়াৰ অনুশীলন আৰু নীতিসমূহ একে প্রকৃতিৰ। এনে নীতি আৰু অনুশীলনীবোৰৰ পৰা আমি বৌদ্ধ শিক্ষাৰ ধৰণ নির্ধাৰণ কৰিব পাৰো।

১.৪.১ বৌদ্ধ শিক্ষাত নাম ভর্তিকৰণৰ ব্যৱস্থা

বৌদ্ধ শিক্ষা ব্যৱস্থাত নাম ভর্তিকৰণৰ অনুষ্ঠান বৈদিক শিক্ষা ব্যৱস্থাৰ সৈতে একে যিটো ইতিমধ্যে আমি ওপৰত আলোচনা কৰিছো। বিখ্যাত বৌদ্ধ শাস্ত্র 'বিনয়া পিটক'ত নাম ভর্তিকৰণৰ প্রকৃতি সম্পর্কে কোৱা হৈছিল- 'যিয়ে শিক্ষা লব বিচাৰে তেওঁ চুলি আৰু দাড়ি কাটিব লাগে, তেওঁক হালধীয়া চোলা পিন্ধিব দিব লাগে, বাহু ঢাক খোৱাকৈ ওপৰৰ চোলাটো ল'ব লাগে, তেওঁৰ মুৰেৰে বৌদ্ধ ভিক্ষুসকলক প্রণাম কৰিব লাগে, হালি বহিব লাগে, তাৰ পিছত হাত দুখন লগ লগাই তেওঁলোকক ক'ব লাগে- বুদ্ধত আশ্রয় দিয়া, ধর্মত আশ্রয় দিয়া, সংঘত আশ্রয় দিয়া।' নামভর্তিকৰণৰ এই কার্যটোক 'পব্বজা' বুলি কোৱা হৈছিল।

পব্বজা (প্রথম অভিষেক) ঃ পব্বজা শব্দটোৰ অর্থ হৈছে বুদ্ধৰ নির্দেশ অনুসৰি ঘৰৰ পৰা ওলাই যোৱা। পব্বজা অনুষ্ঠানৰ সামৰণিৰ পিছত ছাত্রসকলে সংঘৰ কঠোৰ অনুশাসনৰ মাজত সোমাব লাগিছিল। সকলোবোৰ শাৰীৰিক প্রয়োজন আৰু প্রবৃত্তিমূলক সুখবোৰৰ পথসমূহ নিয়ন্ত্রণ কৰি সংঘত আত্ম অনুশাসনৰ এক পৰিৱেশ গঢ়ি তোলা হৈছিল। ছাত্রসকলে স্বেচ্ছাই নিজকে সকলোধৰণৰ উত্তেজনা আৰু প্রলোভনৰ পৰা আঁতৰাই ৰাখিব লাগিছিল। সংঘবোৰত কঠোৰ অনুশাসন আৰু শৃংখলাৰদ্ধতা বজাই ৰখা হৈছিল। ছাত্রসকলে বুদ্ধৰ ভৰিত প্রণাম কৰি শপত ল'ব লাগিছিল, ধর্মৰ আশ্রয় বিচাৰিব লাগিব আৰু সংঘত প্রৱেশ কৰিব লাগিব। তেওঁলোকে কোনো জীৱিত প্রাণী হত্যা কৰিব নালাগিব, কোনো উৎকোচ গ্রহণ কৰিব নোৱাৰিব, মিছা নক'ব, নিচাযুক্ত বস্তু সেবন কৰিব নোৱাৰিব, অসময়ত খাদ্য গ্রহণ কৰিব নোৱাৰিব, আনৰ বেয়া ক'ব নোৱাৰিব আৰু নৃত্য আৰু গীতৰ প্রতি আসক্তি ৰাখিব নোৱাৰিব। শিক্ষকসকলে ছাত্রসকলৰ ব্যক্তিত্বত বিশ্বাস ৰাখিছিল। ছাত্রসকলক শাৰীৰিক শাস্তি দিয়া হোৱা নাছিল।

পব্বজা অনুষ্ঠানটোৰ বাবে ছাত্র এজনৰ বয়স অতি কমেও আঠ বছৰ হ'ব লাগে। পব্বজা অনুষ্ঠানৰ পিছত বাৰ বছৰ কাল শিক্ষা চলি থাকে। যেতিয়া ছাত্রসকলৰ বয়স ২০ বছৰ হয় তেতিয়া তেওঁলোকে সংঘত স্থায়ী সদস্যৰ আসন পায়।

নামভর্তিকৰণৰ পিছত তেওঁলোকক ১০ টা উপদেশ দিয়া হয়।

- অহিংসাৰ অনুশীলন
- সত্য কথা কোৱা
- চুৰি নকৰা
- সংগ্রহ নকৰা
- অবিবাহিত জীৱন পালন কৰা
- বিলাসিতা ত্যাগ কৰা
- সম্পদ ত্যাগ কৰা আৰু
- সুগন্ধিযুক্ত দ্রব্য পৰিহাৰ
- অসময়ত খাদ্য গ্রহণ পৰিত্যাগ কৰা
- অতিকোমল আৰু সুবিধাজনক শয্যা ত্যাগ কৰা

তলত উল্লেখিত শ্রেণীৰ ব্যক্তিসকলক সংঘত নামভর্তিকৰণ কৰিব দিয়া নহয়-

- যি গৰাকী ব্যক্তি কুষ্ঠ, শুকা কুষ্ঠ, ফোঁহা, যক্ষ্মা আৰু মৃগী আদি ৰোগত ভোগে।
- ডকাইত, জেলৰ পৰা পলাই অহা অপৰাধী, কু-কর্মত জড়িত ব্যক্তি।
- যাক কোবাই শাস্তি দিয়া হৈছিল
- ঋণী
- দাস
- নপুংসক
- শাৰীৰিকভাৱে অক্ষম বা অংগ ক্ষত ব্যক্তি

উপসম্পদা (অন্তিম পর্যায়)

পব্বজা অনুষ্ঠানতকৈ উপসম্পদ অনুষ্ঠানটো অলপ বেলেগ ধৰণে কৰা হয়। বাৰ বছৰ কাল শিক্ষা গ্রহণ আৰু বিশ বছৰ হোৱাৰ পিছত ভিক্ষুসকলে সংঘৰ সকলোৰে মুখত থিয় হয়। উপসম্পদাৰ সিদ্ধান্ত দশীয়ভাৱে বিবেচনা কৰা হয় বা ভিক্ষুগৰাকী সংঘৰ স্থায়ী সদস্য হ'বনে নহয় তাত উপস্থিত থকা সকলৰ সিদ্ধান্তৰ ওপৰত নির্ভৰ কৰে। উপসম্পদা অনুষ্ঠানৰ পিছত ছাত্রসকল সম্পূর্ণৰূপে ভিক্ষু হয় আৰু তাৰ পিছত পৰিয়ালৰ সৈতে কোনো সম্পর্ক নেৰাখে বা পার্থিৱ জীৱনৰ দিশবোৰৰ পৰা নিজকে আঁতৰাই ৰাখে।

বৌদ্ধ শিক্ষা ব্যৱস্থা আৱাসিক বিধৰ আছিল। ডেকা ভিক্ষুসকল বিহাৰত এগৰাকী শিক্ষকৰ অধীনত থাকিছিল আৰু উপাচার্য বা আচার্যসকল তেওঁলোকৰ স্বাস্থ্য, শিক্ষা, নৈতিকতা, ব্যৱহাৰ আৰু আধ্যাত্মিক উন্মেষণৰ প্রতি দ্বায়িত্বশীল আছিল।

১.৪.২ শিক্ষাৰ লক্ষ্য

বুদ্ধই তেওঁৰ শিষ্যসকলে চাৰিটা 'মহান সত্য' মানি চলাটো বিচাৰিছিল, দুখৰ সৈতে জড়িত দিশ, দুখৰ কাৰণ, দুখৰ প্রতিকাৰ। অন্য ভাষাত ক'বলৈ হ'লে তেওঁ চাৰিটা সম্ভাৱনা আঙুলিয়াই দিছিল- জীৱনত দুখ থাকিবই, এই দুখৰো কাৰণ থাকে, এনে কাৰণবোৰ নোহোৱা কৰ দুখ আঁতৰাব পাৰি, দুখৰ কাৰণ হৈছে পার্থিব বস্তুবোৰৰ প্রতি থকা স্পৃহা। সাধাৰণতে বৌদ্ধ শিক্ষাৰ লক্ষ্য বৈদিক ভাবধাৰা আৰু মুক্তিৰ দর্শনৰ ওপৰত প্রতিষ্ঠিত। শিক্ষাই ব্যক্তিৰ জীৱনৰ সকলো দুখ যন্ত্রণা, ইচ্ছা, আৰু প্রলোভনৰ পৰা মুক্ত কৰ আত্মাক স্থিৰে ৰাখিব লগে।

বৌদ্ধ শিক্ষাই ভিক্ষুসকলে ৮ টা মহান দিশ শিকাত বিশ্বাস ৰাখে। শিক্ষাৰ লক্ষ্য হৈছে—

এই আঠটা দিশ মানুহে শিকিব লাগে আৰু সেইবোৰৰ অনুশীলন কৰিব লাগে।

এই আঠটা মহান দিশ তলত উল্লেখ কৰা হ'ল—

শুদ্ধ মতামত বা বিশ্বাস ঃ প্রথমে ধর্মৰ ক্ষেত্রত উল্লেখ কৰা চাৰিটা সত্যৰ জ্ঞান।

শুদ্ধ আকাংখা ঃ যাৰ বাবে আমি আনন্দ ত্যাগ কৰিব লাগিব, কোনো কু অভিপ্রায় সহ্য কৰিব নেলাগিব আৰু আনৰ অন্যায় কৰিব নেলাগিব।

শুদ্ধ কথা ঃ আমি মিছা কোৱা, নিন্দা কৰা, গালি-গালাজ কৰা, বেয়া শব্দ কোৱা আৰু অসাৰ কথা কোৱাৰ পৰা বিৰত থাকিব লাগে।

শুদ্ধ কার্য ঃ পাব লগা পইচা লোৱাৰ পৰা নিজকে নিয়ন্ত্রণ কৰিব লাগে বা অতিৰিক্ত দৈহিক কার্যৰ পৰা বিৰত থাকিব লাগে।

শুদ্ধ জীৱন শৈলী ঃ নিষিদ্ধ জীৱন শৈলীৰ পৰা নিজকে আঁতৰাই ৰাখিব লাগে।

শুদ্ধ প্রচেষ্টা ঃ বেয়া অৱস্থাৰ উত্থান দমন কৰা, উদ্ভৱ হোৱা বোৰ আঁতৰোৱা আৰু ভাল অৱস্থাৰ উদ্দীপনা কৰা। শুদ্ধ সচেতনতা দেহৰ প্রতি লক্ষ্য ৰাখিব লাগে যাতে ই সুস্থ থাকে, যাতে উৎকণ্ঠা আৰু উদ্যমতা আঁতৰাব পাৰে।

শুদ্ধ চিন্তা ঃ আমি চাৰিটা ধ্যান ল'ব লাগে। ই হৈছে আঠটা দিশৰ শেষ।

বৌদ্ধ শিক্ষাৰ আন এক গুৰুত্বপূৰ্ণ লক্ষ্য হৈছে ভিক্ষুসকলক 'কৰ্ম'ৰ নীতি বিষয়ে শিকোৱা। ইয়াৰ কাৰ্যকাৰীতা আৰু আত্মাৰ স্থানান্তৰ, নৈতিক শিক্ষা প্ৰদান আদিবোৰ হৈছে বৌদ্ধ শিক্ষাৰ লক্ষ্য।

অহিংসাৰ শিক্ষা প্ৰদান হৈছে বৌদ্ধ শিক্ষাৰ অন্যতম লক্ষ্য। বৌদ্ধ দৰ্শনৰ মতে ভাল কৰ্মতকৈ ভালপোৱাৰ অনুভূতি বেছি গুৰুত্বপূৰ্ণ। অহিংসাৰ নীতি জীৱনৰ এক এৰাব নোৱাৰা নীতি হোৱা উচিত।

শিশুৰ ব্যক্তিত্বৰ সৰ্বতোমুখী বিকাশ হৈছে বৌদ্ধ ধৰ্মৰ গুৰুত্বপূৰ্ণ লক্ষ্য। সৰ্বতোমুখী বিকাশে শাৰীৰিক মানসিক আৰু বৌদ্ধিক বিকাশক সামৰি লয়।

ছাত্ৰৰ চৰিত্ৰ গঠন হৈছে বৌদ্ধ শিক্ষাৰ অন্য এক লক্ষ্য।

বৌদ্ধ শিক্ষাৰ অন্য এক লক্ষ্য হৈছে ধৰ্মৰ সম্প্ৰসাৰণ আৰু ধৰ্মীয় অনুভূতিৰ শিক্ষা প্ৰদান। শিক্ষাক নিৰ্বাণ লাভ কৰাৰ আহিলা হিচাবে গণ্য কৰা হৈছিল।

ছাত্ৰসকলৰ দৈনন্দিন তালিকা

বৈদিক শিক্ষা ব্যৱস্থাৰ দৰে বৌদ্ধ শিক্ষা ব্যৱস্থাত ছাত্ৰসকলে কঠোৰ দৈনন্দিন তালিকা মানি চলিব লাগিছিল। আপোনালোকে ইতিমধ্যে বৈদিক শিক্ষা ব্যৱস্থাৰ ছাত্ৰসকলৰ দৈনন্দিন জীৱন সম্পৰ্কে অৱগত হৈছে। এতিয়া আমি শিক্ষা ব্যৱস্থাৰ ছাত্ৰসকলৰ দৈনন্দিন জীৱন সম্পৰ্কে আলোচনা কৰিম।

বৈদিক শিক্ষা ব্যৱস্থাৰ দৰে বৌদ্ধ শিক্ষা ব্যৱস্থাৰো এক গুৰুত্বপূৰ্ণ কাৰ্য হৈছে ছাত্ৰসকলে কঠোৰ দৈনন্দিন তালিকা মানি চলিব লাগিছিল। আপোনালোকে ইতিমধ্যে বৈদিক শিক্ষা ব্যৱস্থাৰ ছাত্ৰসকলৰ দৈনন্দিন জীৱন সম্পৰ্কে অৱগত হৈছে। এতিয়া আমি বৌদ্ধ শিক্ষা ব্যৱস্থাৰ ছাত্ৰসকলৰ দৈনন্দিন জীৱন সম্পৰ্কে আলোচনা কৰিম।

বৈদিক শিক্ষা ব্যৱস্থাৰ দৰে বৌদ্ধ শিক্ষা ব্যৱস্থাৰো এক গুৰুত্বপূৰ্ণ কাৰ্য হৈছে ছাত্ৰসকলে গুৰুক সেৱা আগবঢ়োৱা। এই শিক্ষা ব্যৱস্থাত, শিক্ষক আৰু ছাত্ৰ উভয়ে সংঘত বাস কৰিব লাগিছিল। এনেদৰে বাস কৰাৰ বাবে ছাত্ৰ আৰু শিক্ষকৰ মাজত এটা নিকট সম্পৰ্ক গঢ়ি উঠাৰ সুযোগ ওলাইছিল। ছাত্ৰ আৰু শিক্ষকৰ মাজত সম্পৰ্ক পিতা-পুত্ৰৰ সম্পৰ্কৰ দৰে আছিল। ছাত্ৰৰ সংখ্যা কম হোৱা বাবে শিক্ষকে তেওঁলোকক ব্যক্তিগতভাবে মনোযোগ দিবলৈ সক্ষম হৈছিল। ছাত্ৰসকলে ভিক্ষা কৰা আৰু ভ্ৰমণ কৰাৰ ক্ষেত্ৰত শিক্ষকে সহায় কৰিছিল। খাদ্য প্ৰস্তুত কৰা আৰু শিক্ষকৰ দৈনন্দিন কাৰ্য কৰাতো ছাত্ৰসকলৰ দায়িত্ব আছিল। শিক্ষকৰ অসুস্থতাৰ সময়ত তেওঁলোকে যত্ন ল'ব লাগিছিল। ছাত্ৰসকলে বৌদ্ধিক আৰু আধ্যাত্মিক জ্ঞান অৰ্জন কৰাৰ তেওঁলোকক সহায় কৰাতো শিক্ষকৰ দায়িত্ব আছিল। ছাত্ৰসকলৰ অসুস্থতাৰ সময়ত শিক্ষকে চিকিৎসা সেৱা আগবঢ়াব লাগিছিল। এনেবোৰ দিশ বিবেচনাৰ যোগেদি ক'ব পাৰি যে বৌদ্ধ যুগত শিক্ষক আৰু ছাত্ৰসকলৰ মাজত এক ওতঃপ্ৰোত সম্পৰ্ক আছিল।

শিক্ষণৰ এক প্ৰধান উদ্দেশ্য আছিল আধ্যাত্মিক জ্ঞানৰ বিকাশ কৰা। ইয়াৰ ফলত ধৰ্মৰ বিষয়ে অধ্যয়নে পাঠ্যক্ৰমত আগস্থান পাইছিল। ভিক্ষুসকলে ভগৱান বুদ্ধৰ শিক্ষা আহৰণ কৰিব লাগিছিল। পাঠ্যক্ৰমৰ প্ৰধান বিষয়বস্তু আছিল পবিত্ৰ গ্ৰন্থ 'ত্ৰিপিণ্টক'। আধ্যাত্মিক শিক্ষাৰ উপৰিও, পাঠ্যক্ৰমত ধৰ্মনিৰপেক্ষ নিৰ্দেশনাৰ সুবিধা আছিল।

বৌদ্ধ শিক্ষা ব্যৱস্থাত ধৰ্মীয় গ্ৰন্থৰ অধ্যয়ন গুৰুত্বপূৰ্ণ আছিল। অধ্যয়নৰ প্ৰধান বিষয়বোৰ আছিল 'সুতন্ত', 'বিনয়' আৰু ধৰ্ম। এনে ধৰণৰ পাঠ্যক্ৰমবোৰ প্ৰধানকৈ ভিক্ষুসকলৰ বাবে আছিল। ধৰ্মীয় শিক্ষাৰ উপৰিও, চিলাই, বোৱা, কাপোৰত ৰং দিয়া লিখা পদ্ধতি, চিকিৎসা, শল্য চিকিৎসা, টকা বা মুদ্ৰাৰ ব্যৱহাৰ আদিবোৰ এই শিক্ষা ব্যৱস্থাৰ অন্য কিছুমান দিশ আছিল।

বৌদ্ধ যুগৰ শিক্ষা ব্যৱস্থাক প্ৰধানকৈ দুটা ভাগত ভাগ কৰা হৈছিল— প্ৰাথমিক শিক্ষা আৰু উচ্চ শিক্ষা। প্ৰাথমিক শিক্ষাত পঢ়া, লিখা আৰু গণনা কৰাত গুৰুত্ব প্ৰদান কৰা হৈছিল। উচ্চ শিক্ষাত ধৰ্ম, দৰ্শন, সামৰিক কৌশল, চিকিৎসা বিজ্ঞান আৰু অন্য উচ্চ স্তৰৰ বিষয়বোৰ শিকোৱা হয়।

শিক্ষা পদ্ধতি

বৌদ্ধ শিক্ষা ব্যৱস্থাত কাৰ্য কৰাৰ পবিত্ৰতাৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছিল। প্ৰাথমিক শিক্ষাত, ধৰ্মীয় বিষয়বোৰ শিকোৱা হৈছিল। ছাত্ৰসকলে পাঠবোৰ শুনি মনত ৰাখিছিল আৰু ইজনে আনজনৰ সন্মুখত পুনৰাবৃত্তি কৰিছিল। তাৰোপৰি নৈতিক শিক্ষা অতি প্ৰয়োজনীয়। ছাত্ৰসকলে ইজনে আনজনৰ সৈতে আলোচনা কৰি জ্ঞান

আহৰণ কৰিছিল। এনেদৰে, শিক্ষা পদ্ধতি মৌখিক ধৰণৰ আছিল। এই সময়ছোৱাত, লিখা কলাৰ বিকাশ ঘটিছিল, কিন্তু ই শিক্ষাৰ ক্ষেত্ৰখন চুব পৰা নাছিল। বৌদ্ধ শিক্ষাত বক্তৃতা আৰু যুক্তিযুক্ততাই গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছিল। শিক্ষাৰ আঁচনি পাৰস্পৰিক যুক্তিযুক্ততা আৰু তৰ্কৰ বিশেষ গুৰুত্ব আছিল কাৰণ ইয়াৰ বাবে ব্যাখ্যা প্ৰয়োজনীয় আছিল। বৌদ্ধ যুগত, স্থানীয় ভাষাবোৰ বিকাশত গুৰুত্ব প্ৰদান কৰা হৈছিল। লিখন সামগ্ৰীৰ অভাৱত, বৌদ্ধ শিক্ষা মৌখিক বিধৰ আছিল।

মহিলা শিক্ষা

প্ৰথম অৱস্থাত ভগৱান বুদ্ধই মহিলাসকলক সংঘত প্ৰৱেশৰ অনুমতি দিয়া নাছিল। সংঘত মহিলাসকলৰ নীতি-নিয়মবোৰ অতি কঠিন আছিল। মহিলাসকলক দুবছৰৰ বাবে পৰীক্ষা কৰা হৈছিল। তেওঁলোকে ভিক্ষুসকলৰ পৰা পৃথকভাৱে থাকিব লাগিছিল। দৈনন্দিন তালিকাখন একে আছিল। সংঘত মহিলাৰ স্থান ভিক্ষুসকলতকৈ তলত আছিল। মহিলাসকলক এগৰাকী বিশেষ ভিক্ষুই মাহত দুবাৰকৈ অন্য ভিক্ষুসকলৰ সন্মুখত শিক্ষা প্ৰদান কৰিছিল। যি মহিলাই সংঘত স্থায়ী হিচাবে থাকিব বিচাৰে তেওঁলোকে সংঘৰ অন্য সদস্যসকলৰ সৈতে চুক্তি কৰিব লাগিছিল।

বৌদ্ধ সাহিত্যত মহিলাসকলৰ বিষয়ে বেছি কোৱা হোৱা নাই। কিন্তু এইটো জনা গৈছিল যে মহিলাসকলে ধৰ্মৰ ক্ষেত্ৰত শক্তিশালী প্ৰৱণতা দেখুৱাইছিল। উদাহৰণ স্বৰূপে, বৌদ্ধ ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত বিশাখা, সুত্ৰিয়া, অম্ৰপালী ইত্যাদিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। বৌদ্ধ ধৰ্মৰ বিকাশ আৰু সেৱাৰ ক্ষেত্ৰত, বন্ধুত্ব আৰু সহানুভূতি আদিৰ মহিলাসকলৰ মানসিক আৰু নৈতিক উত্তৰণৰ বাবে এনে মহিলাসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

ওপৰৰ আলোচনাৰ পৰা ক'ব পাৰি যে বৈদিক ব্যৱস্থাৰ বাহিৰত বৌদ্ধ শিক্ষাৰ বিকাশ ঘটিছিল। এই দুয়োটা শিক্ষা ব্যৱস্থাৰ মৌলিক দিশবোৰ আৰু বৈশিষ্ট্যসমূহ একে আছিল। এই দুয়োটা ব্যৱস্থাত বহুতো দিশৰ মাজত সাদৃশ্য আছিল। যিহওক বৌদ্ধ ব্যৱস্থাৰ নিজস্ব শিক্ষাৰ নীতি আছিল আৰু ইয়াৰ সাংগঠনিক ধৰণ বৈদিক ব্যৱস্থাতকৈ পৃথক আছিল। কিছুমান ঐতিহাসিক দিশৰ পৰা প্ৰমাণ পোৱা যায় যে বৌদ্ধ শিক্ষা ব্যৱস্থাই আন্তৰ্জাতিক খ্যাতি লাভ কৰিছিল। অন্য দেশৰ পৰা বৌদ্ধ শিক্ষা লাভ কৰিবলৈ ভাৰতলৈ ছাত্ৰ আহিছিল। ইয়াৰ ফলত, আন্তৰ্জাতিক সংস্কৃতিৰ বিকাশ সম্ভৱ হৈ উঠিছিল।

জানি থোৱা ভাল

বৌদ্ধ দৰ্শনক 'ত্ৰিপিটকত' এনেদৰে বৰ্ণনা কৰা হৈছিল।

(i) ৱিনয়াপিটক (আচৰণৰ নিয়ম)

(ii) সুট্টপিটক (বুদ্ধৰ ধৰ্মোপাদেশ)

(iii) অভিধৰ্ম্মাপিটক (দাৰ্শনিক তত্ত্বৰ ব্যাখ্যা)

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ এখন বিখ্যাত বৌদ্ধ ধৰ্ম গ্ৰন্থৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ৬ ঃ বৌদ্ধ পাঠ্যক্ৰমৰ প্ৰধান বিষয়বোৰৰ তালিকা বনাওক।

.....

.....

১.৫ মুছলমান যুগৰ শিক্ষা (মধ্যযুগীয়া ব্যৱস্থা)

মুছলমান যুগৰ শিক্ষা ব্যৱস্থাক মধ্যযুগৰ শিক্ষা ব্যৱস্থা স্বৰূপে জনা যায়। যাৰ ভাৰতবৰ্ষৰ প্ৰায় ৬০০ বছৰীয়া দীঘল ইতিহাস আছে। ১১৯৪ চনত মহম্মদ ঘোৰীয়ে ভাৰত আক্ৰমণ কৰাৰ পৰাই ইয়াত তেওঁলোকৰ শাসনৰ আৰম্ভণি হৈছিল। তেওঁলোকে প্ৰকৃততে উত্তৰ দিশত আক্ৰমণ কৰি ক্ৰমান্বয়ে ভাৰতবৰ্ষ অধিকাৰ কৰিছিল। ইয়াত শাসন চলাই সাম্ৰাজ্যৰ বিস্তাৰ কৰিছিল। তেওঁলোকে অতি দীৰ্ঘদিনলৈ ইয়াত শাসন চলাইছিল যাৰ প্ৰভাৰ কেৱল মানুহৰ ৰাজনৈতিক দিশতেই নহয় সাংস্কৃতিক, ধৰ্মীয় আৰু শিক্ষা ব্যৱস্থাৰ ওপৰতো পৰিছিল। মুছলমান শাসন ব্যৱস্থাই ভাৰতৰ শিক্ষা ব্যৱস্থাত এক পৰিৱৰ্তন আনিছিল আৰু সেই ব্যৱস্থা ভাৰতীয় সংস্কৃতিৰ অংশ হৈ পৰিছিল। তেওঁলোকৰ শিক্ষা প্ৰধানকৈ ধৰ্মৰ দ্বাৰা প্ৰভাৱিত আছিল। মানুহ আৰু সম্প্ৰদায়ে ধৰ্মীক গভীৰভাৱে বিশ্বাস কৰিছিল। ভাৰতবৰ্ষৰ আগৰ বৈদিক আৰু বৌদ্ধ শিক্ষা ব্যৱস্থাতকৈ ইয়াৰ সাংগঠনিক ধৰণ পৃথক আছিল। তলত মুছলমান শিক্ষা ব্যৱস্থাৰ প্ৰধান বৈশিষ্ট্যসমূহ দাঙি ধৰা হ'ল।

১.৫.১ মুছলমান শিক্ষাৰ মূল লক্ষ্যসমূহ

ছাত্ৰসকলৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বৰ ভিত্তিত মুছলমান শাসকসকলে বিভিন্ন প্ৰকাৰৰ শিক্ষানুষ্ঠানবোৰ স্থাপন কৰিছিল। এনেধৰণৰ শিক্ষানুষ্ঠানসমূহে মক্তাব, মাদ্ৰাছা আদিক সামৰি লৈছিল। প্ৰাথমিক শিক্ষাৰ বাবে মক্তাববোৰ স্থাপন কৰা হৈছিল। যিবোৰ মছজিদৰ সৈতে সংযুক্ত আছিল। মাদ্ৰাছাবোৰ আছিল উচ্চ শিক্ষাৰ অনুষ্ঠান। মক্তাব আৰু মাদ্ৰাছাবোৰত ছাত্ৰসকলক কোৰাণ আৰু ইছলামৰ সৈতে জড়িত নীতিবোৰ শিকোৱা হৈছিল। আনকি উচ্চ স্তৰত, ইছলাম ধৰ্মৰ নিৰ্দেশনা দৰ্শন, ইতিহাস আৰু সাহিত্যৰ জৰিয়তে প্ৰদান কৰা হৈছিল। অন্য এক ধৰণৰ অনুষ্ঠান আছিল যাৰ নাম আছিল কাৰখানা, ইয়াত হস্তবিদ্যাৰ প্ৰশিক্ষণ দিয়া হৈছিল। প্ৰকৃততে এইবোৰত হস্তকৰ্মৰ অনুশীলনৰ দ্বাৰা বস্তু উৎপাদন কৰা হৈছিল, এগৰাকী এনে বৃত্তিত পাৰ্গত শিক্ষকৰ অধীনত এনে বিদ্যাৰ শিক্ষা প্ৰদান কৰা হৈছিল।

দীক্ষা অনুষ্ঠান ঃ মুছলমান শিক্ষা ব্যৱস্থাতো শিক্ষা আৰম্ভণিৰ অনুষ্ঠান আছিল। মুছলমান শিক্ষা ব্যৱস্থাত আৰম্ভণি অনুষ্ঠানটো আড়ম্ভৰপূৰ্ণ আছিল। ইয়াক 'বিচমিল্লাহখানী' নামেৰে জনা গৈছিল। বিচমিল্লাহখানীৰ অৰ্থ হৈছে ভগৱানক স্মৰণ কৰাৰ পিছত শিশুক শিক্ষাৰ সৈতে পৰিচয় কৰাই দিয়া। আকৌ ছোৱালীৰ অনুষ্ঠান 'যাৰফিতমানী' অৰ্থ হৈছে সোণৰ সংৰোচন।

পাৰ্চীভাষাৰ আধিপত্য ঃ মুছলমান ৰজাসকলৰ আইনী ভাষা 'পাৰ্চী', মুছলমান শিক্ষাৰ ব্যৱস্থাত জনপ্ৰিয় শিক্ষাৰ মাধ্যম আছিল। পাৰ্চী ভাষাৰ আধিপত্যৰ ফলত সংস্কৃত আৰু পালি ভাষাৰ প্ৰচলন কমি গৈছিল। এই ভাষা জনাসকলে সাধাৰণ প্ৰশাসনত স্থান পাইছিল। ইয়াৰ ফলত ভাৰতীয়সকলে 'পাৰ্চী আৰু আৰবী' ভাষা শিকাৰ সুযোগ পাইছিল। ফলস্বৰূপে মুছলমান শাসকসকল আৰু অন্য প্ৰভাৱিত লোকসকলে কোৰাণ অধ্যয়ন কৰিছিল আৰু শিক্ষানুষ্ঠানৰ পাঠ্যক্ৰমত ইছলামৰ অন্য সাহিত্য অন্তৰ্ভুক্ত কৰিছিল।

শিক্ষাৰ সাংগঠনিক ব্যৱস্থা ঃ মুছলমান বা মধ্যযুগৰ শিক্ষাৰ সাংগঠনিক ব্যৱস্থা বৌদ্ধ আৰু বৈদিক যুগৰ শিক্ষা ব্যৱস্থাতকৈ পৃথক আছিল। ৰজাঘৰীয়া লোকে শিক্ষা ব্যৱস্থা নিয়ন্ত্ৰণ কৰিছিল যাৰফলত স্বায়ত্ব শাসন বিলুপ্ত হৈছিল। ৰজাই মক্তাব আৰু মাদ্ৰাছা স্থাপন কৰিছিল, আৰ্থিক সাহায্য প্ৰদান কৰিছিল, বৃত্তি প্ৰদান কৰিছিল আৰু ছাত্ৰসকলক পুৰস্কাৰ আৰু স্বীকৃতি প্ৰদান কৰিছিল। শিক্ষকসকলক ৰাজকীয় লোকে নিয়ন্ত্ৰণ কৰিছিল। তেওঁলোক নিজৰ ইচ্ছা অনুযায়ী শিক্ষাৰ সংগঠন, নিয়ন্ত্ৰণ আৰু পৰিচালনা কৰিব পৰা নাছিল। শিক্ষাৰ পদ্ধতি শিক্ষকে নহয়, ৰজাইহে নিৰ্ধাৰণ কৰিছিল। শিক্ষকসকলে ৰজাৰ আদেশ মানি চলিব লাগিছিল।

শিক্ষাৰ সাংগঠনিক গঠন প্ৰাথমিক আৰু উচ্চ শিক্ষা অৰ্থাৎ মক্তাব আৰু মাদ্ৰাছাত বিভক্ত আছিল। মক্তাববোৰ মছজিদৰ সৈতে সংযুক্ত আছিল। মাদ্ৰাছাবোৰ নগৰ অঞ্চলত প্ৰতিষ্ঠা কৰা হৈছিল আৰু বিখ্যাত শিক্ষাবিদসকলক ইয়াত নিয়োগ কৰা হৈছিল। ৰজা আৰু স্থানীয় ধনীলোকসকলে এনে অনুষ্ঠানসমূহক আৰ্থিক সাহায্য প্ৰদান কৰিছিল।

উপযোগীতামূলক শিক্ষা ঃ মুছলমান শিক্ষাৰ এক গুৰুত্বপূর্ণ বৈশিষ্ট্য হৈছে এই শিক্ষা আধ্যাত্মিক আৰু ধর্মীয় হোৱাতকৈ বেছি ব্যৱহাৰিক আৰু প্রয়োজনভিত্তিক। যিবোৰ বিষয়ে ব্যক্তি আৰু সমাজৰ প্রয়োজনীয়তা পূৰণ কৰিব পাৰে তেনে বিষয়বোৰ অধ্যয়নত যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছিল। এইবোৰৰ ভিতৰত কল্যাণ, অস্ত্রৰ ব্যৱহাৰ, গান গোৱা, নৃত্য কৰা, সুকুমাৰ কলা, হস্তশিল্প, স্থাপত্য বিদ্যা আৰু ভাস্কর্য বিদ্যা আদিবোৰ আছিল। মুছলমান শাসকসকলে তেওঁলোকৰ সাম্রাজ্য বহল কৰিবলৈ, জয় লাভ কৰিবলৈ শত্রুক পৰাজয় কৰাবলৈ সামৰিক শিক্ষাৰ প্রয়োজন অনুভৱ কৰিছিল। তাৰোপৰি তেওঁলোকে সংগীত, কলা, সংস্কৃতি আৰু সাহিত্য আদি ভাল পাইছিল আৰু তাৰ প্রশিক্ষণৰ ব্যৱস্থা ৰাখিছিল। কলা আৰু স্থাপত্য বিদ্যাত উপযুক্ত প্রশিক্ষণৰ ব্যৱস্থা ৰাখিছিল যাতে মহল সজা, ৰাজমহল বনোৱা, মছজিদ আৰু স্তম্ভ আদি ৰাজ্যত বনাব পাৰে। এইবোৰৰ উপযুক্ত প্রমাণ হৈছে— তাজমহল, ফাতেহপুৰ চিক্রী, বুলান্দ দৰবাজা, দিল্লীৰ লালকিল্লা ইত্যাদি।

১.৫.২ মুছলমান শিক্ষাৰ পাঠ্যক্রম

এইটো মনত ৰাখিব লাগিব যে মুছলমান শিক্ষাৰ পাঠ্যক্রমৰ ওপৰত বৈদিক আৰু বৌদ্ধ শিক্ষাই কোনো ধৰণৰ প্রভাৰ পেলোৱা নাছিল। তেওঁলোকৰ ধর্ম, ভাষা আৰু সংস্কৃতি প্রধানকৈ পৃথক আছিল, সেই ধৰণে পাঠ্যক্রমৰ সূচী প্রস্তুত কৰা হৈছিল। তেওঁলেকৰ পাঠ্যক্রমক প্রধানকৈ প্রাথমিক আৰু উচ্চ শিক্ষা স্বৰূপে দুটা ভাগত ভাগ কৰা হৈছিল।

প্রাথমিক পর্যায়ৰ পাঠ্যক্রম মক্তাবৰ বাবে প্রস্তুত কৰা হৈছিল। প্রাথমিক স্তৰত পঢ়া, লিখা, গণিত আৰু ধর্মীয় শিক্ষা অন্তর্ভুক্ত কৰা হৈছিল। মাদ্রাছাৰ পাঠ্যক্রম উচ্চ পর্যায়ৰ আছিল। ইয়াৰ পাঠ্যক্রম অতি বিস্তৃত আছিল য'ত নীতি বিদ্যা, ঈশ্বৰত্ব, জ্যোতিষ, গণিত জ্যামিতি, পদার্থ বিজ্ঞান, চিকিৎসা শাস্ত্র, প্রাকৃতিক দর্শন, আইন, গণনা, নীতি-নিয়ম, কৃষি, অর্থনীতি আৰু ইতিহাসৰ অধ্যয়ন অন্তর্ভুক্ত কৰা হৈছিল। মধ্যযুগত দর্শনতকৈ বিজ্ঞান অধ্যয়নে গুৰুত্ব লাভ কৰিছিল। ইয়াৰ শাসকসকলৰ অনত কলা আৰু হস্তশিল্প পৃথকভাৱে শিকোৱা হৈছিল। সম্রাট আকবৰে পাঠ্যক্রম সংশোধন কৰি ইয়াক নিৰপেক্ষ, ব্যৱহাৰিক আৰু জীৱনৰ বাবে উপযোগী হিচাবে গঢ় দিছিল। তেওঁ হিন্দু, ছাত্রসকলৰ বাবে সংস্কৃত আৰু সংস্কৃতি অধ্যয়ন অন্তর্ভুক্ত কৰিছিল।

১.৫.৩ মুছলমান যুগৰ মহিলা শিক্ষা

মুছলমান যুগ বা মধ্যযুগত সাধাৰণ মহিলাসকলৰ শিক্ষাত গুৰুত্ব দিয়া হোৱা নাছিল। 'পর্দা প্রথা' প্রচলন আছিল বাবে মুছলমান মহিলাসকলৰ শিক্ষাত অসুবিধা আহি পৰিছিল। ইয়াৰ ফলত মহিলা শিক্ষাৰ ক্ষেত্রত বাধা আহি পৰিছিল। বিশেষকৈ পিছপৰা অঞ্চলৰ মহিলাসকলে শিক্ষাৰ সুবিধা পোৱা নাছিল।

ৰাজ পৰিয়ালৰ মহিলাসকলক ঘৰতে ব্যক্তিগত শিক্ষকৰ দ্বাৰা শিক্ষা দিয়া হৈছিল। এই ক্ষেত্রত আমি কিছুমান মহিলাৰ নাম উনুকিয়াব পাৰো— ৰেজিয়া চুলতানা, চান্দ চুলতানা, গুল-বদন, বেগম চটিনা চুলতানা, মোহন অনগা, নুৰজাহান, জাহানাৰা ইত্যাদি। এই মুছলমান মহিলাসকলৰ উপৰিও অন্য কিছুমান মহিলাই শিক্ষা লাভ কৰিছিল, যিসকলৰ নামৰ উল্লেখ পোৱা নাযায়, তেওঁলোকে পর্দাৰ আঁৰত শিক্ষা লাভ কৰিছিল।

১.৫.৪ শিক্ষক শিক্ষার্থীৰ সম্পর্ক

যিহেতু শিক্ষা ধর্মীয় ভাবধাৰাৰ ওপৰত ভিত্তি কৰিছিল, সেইবাবে শিক্ষক-শিক্ষার্থীৰ সম্পর্ক নৈতিক আদর্শৰ ওপৰত প্রতিস্থিত আছিল। তেওঁলোক পিতা-পুত্রৰ দৰে আছিল। শিক্ষকসকল সমাজৰ দায়িত্বশীল ব্যক্তি আৰু ধর্মীয় গুৰু আছিল। তেওঁলোকৰ সাধুতা আৰু ব্যক্তিত্বৰ ওপৰত সকলোৱে আশা ৰাখিছিল। এই ভবা হৈছিল যে ছাত্রসকলৰ শিক্ষা শিক্ষকৰ আর্শীবাদ আৰু শুভ ইচ্ছা অবিহনে সম্ভৱ নহয়। ছাত্রসকলে শিক্ষকৰ প্রতি সন্মান দেখুৱাইছিল আৰু তেওঁলোকৰ সম্পর্ক নৈতিক আৰু ধর্মীয় ভাবধাৰাৰ ওপৰত গঢ় লৈ উঠিছিল। যদিও মুছলমান

শিক্ষা বৈদিক আৰু বৌদ্ধ শিক্ষাৰ দৰে আবাসিক নাছিল, সেইবাবে ছাত্ৰ শিক্ষকৰ সম্পৰ্ক সেই দুই প্ৰকাৰৰ দৰে নাছিল।

ওপৰৰ আলোচনাৰ পৰা ক'ব পাৰি যে মুছলমান শিক্ষা ব্যৱস্থা জীৱনৰ ধৰ্মীয় আৰু বৈষয়িক দিশৰ সমন্বয়ৰ ওপৰত প্ৰতিষ্ঠিত আছিল। কোৰাণৰ শিক্ষাৰ লগতে ব্যৱহাৰিক মূল্য থকা বিষয়বোৰ অনুশীলনৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছিল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ ইছলাম ধৰ্মৰ প্ৰবৰ্তক কোন আছিল?

.....

.....

প্ৰশ্ন নং ৮ ঃ বিছমিল্লাহখানী কি?

.....

.....

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ।

- অতীত ভাৰতৰ শিক্ষা হৈছে বৃটিছসকলে আমাৰ দেশ শাসন কৰাৰ আগৰ শিক্ষা ব্যৱস্থা। এই শিক্ষা হৈছে বৈদিক, বৌদ্ধ আৰু মুছলমান যুগৰ শিক্ষা।
- বৈদিক শিক্ষাৰ হৈছে পৃথিৱীৰ পুৰণি শিক্ষা ব্যৱস্থা। বৈদিক শিক্ষাৰ মূল উদ্দেশ্য হৈছে শাৰীৰিক, বৌদ্ধিক আৰু আধ্যাত্মিক বিকাশ আৰু জ্ঞান অৰ্জন।
- অন্য কিছুমান উদ্দেশ্য হৈছে ইন্দ্ৰিয় দমন, সংস্কৃতিৰ বিস্তাৰ, সামাজিক সামৰ্থৰ বিকাশ।
- বৈদিক যুগৰ পাঠ্যক্ৰম তাত্বিক আৰু ব্যৱহাৰিক দুয়ো প্ৰকাৰৰ আছিল। ইয়াত বেদ, বেদাংগ, কল্যাণ, কৃষি আৰু বাণিজ্য, কলা আৰু শিল্প, যুক্তি-দৰ্শন, গণিত, ইতিহাস, অৰ্থনীতি, জ্যোতিষ, ৰাজনীতি ইত্যাদি অন্তৰ্ভুক্ত কৰা হৈছিল।
- বৈদিক যুগত কঠোৰ শাস্তিৰ ব্যৱস্থা নাছিল। আত্ম-অনুশাসনক উৎকৃষ্ট বুলি ভবা হৈছিল।
- বৈদিক যুগত শিক্ষাৰ পদ্ধতিত শিক্ষকে আবৃত্তি কৰি আৰু ছাত্ৰই তাৰ পুনৰাবৃত্তি কৰিছিল।
- এই যুগত ছাত্ৰ আৰু শিক্ষকৰ সম্পৰ্ক মধুৰ আছিল।
- বৈদিক যুগত মহিলাসকলে মুক্তভাৱে জ্ঞান অৰ্জন কৰিব পাৰিছিল আৰু পুৰুষৰ সমানে তেওঁলোকক মৰ্যদা প্ৰদান কৰা হৈছিল।
- বৈদিক শিক্ষা গুৰুকুল প্ৰথাৰ বাবে প্ৰসিদ্ধ আছিল। এই ব্যৱস্থাত, ছাত্ৰসকলে গুৰুৰ ঘৰত থাকিছিল, যাক 'গুৰুকুল' বুলি জনা যায়। গুৰুকুলৰ অৰ্থ হৈছে শিক্ষকৰ পৰিয়াল।
- গুৰুকুল ব্যৱস্থাত, ছাত্ৰসকলে ১২ বছৰ বয়সত নামভৰ্তি কৰিছিল। গুৰুকুল ব্যৱস্থাত নাম ভৰ্তিকৰণত ব্যৱস্থাটোৰ 'উপনয়ন' বুলি জনা যায়।
- গুৰুকুল ব্যৱস্থাত ছাত্ৰসকলৰ ছাত্ৰজীৱন সাধাৰণতে ১২ বছৰ আছিল। এই ব্যৱস্থাত ছাত্ৰসকলে সাধাৰণ জীৱন যাপন কৰিব লাগিছিল। তেওঁলোকে সম্পূৰ্ণৰূপে নিৰামিষ আহাৰ গ্ৰহণ কৰিছিল।
- গুৰুকুল ব্যৱস্থাত শিক্ষা সমাপ্তিৰ অনুষ্ঠানটোক 'সমাৱৰ্তন' ৰূপে জনা যায়।
- বৌদ্ধ শিক্ষাৰ প্ৰধান তিনিটা দিশ হৈছে নিয়মানুবৰ্তিতা, ধ্যান আৰু জ্ঞান।
- বৌদ্ধ শিক্ষাৰ প্ৰধান লক্ষ্যবোৰ হৈছে ছাত্ৰৰ সৰ্বতোমুখী বিকাশ, নিৰ্বাণৰ লাভ কৰাৰ উদ্দেশ্য শিক্ষাৰ গঠন, জীৱন ধাৰণৰ উপায় আহৰণৰ বাবে ছাত্ৰক ব্যৱহাৰিক জ্ঞান প্ৰদান।
- বৌদ্ধ শিক্ষাত নাম ভৰ্তিকৰণৰ অনুষ্ঠান বৈদিক শিক্ষাৰ সৈতে একে। ইয়াত এই অনুষ্ঠানটো 'পব্বজা'

বুলি জনা যায়।

- বৌদ্ধ শিক্ষা ব্যৱস্থা আবাসিক প্রকৃতিৰ।
- বৌদ্ধ শিক্ষাৰ পাঠ্যক্রমৰ প্রকৃতি প্রধানকৈ আধ্যাত্মিক। আধ্যাত্মিক শিক্ষাৰ উপৰিও, পাঠ্যক্রমত ধর্মনিৰপেক্ষ নির্দেশনা আছিল।
- বৌদ্ধ শিক্ষাত ব্যৱহাৰ কৰা শিক্ষা পদ্ধতিবোৰ হৈছে মৌখিক পদ্ধতি, আলোচনা পদ্ধতি, যুক্তিসংগত ব্যাখ্যা, ধর্মীয় ভ্রমণ ইত্যাদি।
- আৰম্ভণি সময়ৰ বৌদ্ধ শিক্ষাত মহিলাসকলক শিক্ষাৰ বাবে উৎসাহিত কৰা হৈছিল।
- মুছলমান আক্রমণকাৰীসকলে সংঘ আৰু বিহাৰবোৰ ধ্বংস কৰিছিল আৰু ভিক্ষুসকলক হত্যা কৰিছিল। বিখ্যাত শিক্ষাৰ কেন্দ্র 'নালন্দা'ক ধ্বংস কৰিছিল আৰু বৌদ্ধ যুগ ক্রমান্বয়ে ম্লান হৈ আহিছিল। মুছলমান শাসকসকলে ভাৰতত মুছলমান শিক্ষা আৰম্ভ কৰিছিল।
- ভাৰতত মুছলমান শিক্ষাৰ প্রধান উদ্দেশ্য আছিল ধর্মৰ বিস্তাৰ।
- মক্তাব আৰু মাদ্রাছাসমূহ মুছলমান শিক্ষাৰ অনুষ্ঠান আছিল।
- মুছমান যুগত নির্দেশনাৰ মাধ্যম আছিল পার্চী।
- এই সময়ত প্রধান পাঠ্যক্রম আছিল ধর্মীয় কিতাপ, নীতিবিদ্যা, প্রকৃতি দর্শন, আইন, কৃষি ইত্যাদি।
- ব্রাহ্মণিক আৰু বৌদ্ধযুগৰ দৰে শিক্ষাৰ পদ্ধতি প্রধানকৈ মৌখিক আছিল।
- মুছলমানৰ সময়ছোৱাতে মহিলা শিক্ষাক অবহেলা কৰা হৈছিল।
- মুছলমান যুগত ব্যক্তিগত নির্দেশনাৰ প্রচলন আছিল।

১.৭ অধিক জানিবলৈ

১) Chaube,S.P. and Chaube, A.(2005). *Education in Ancient and Medieval India*. New Delhi: Vikas Publishing House Pvt. Ltd.

২) Dash, B.N. (2014). *History of Education in India*. New Delhi: Dominant Publishers and Distributors Pvt. Ltd.

১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ 'বেদ' শব্দটোৰ অর্থ হৈছে জ্ঞান। বেদৰ অর্থ হৈছে প্রজ্ঞা, জ্ঞান বা দৃষ্টি আৰু ই মানুহৰ বাক্যত ভগবানৰ ভাষা প্রয়োগ কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ বৈদিক যুগৰ শিক্ষাত প্রধানকৈ চাৰিবেদৰ শিক্ষাতেই কেন্দ্রীভূত আছিল। সেইবোৰ হৈছে ঋক্ বেদ, সামবেদ, যজুৰ বেদ আৰু অথর্ব বেদ।

৩ নং প্রশ্নৰ উত্তৰ ঃ বৈদিক শিক্ষা ব্যৱস্থাৰ প্রধান দুটা লক্ষ্য-

- শিক্ষা প্রকৃত লক্ষ্য হৈছে আত্ম উপলব্ধি। অন্য দিশৰ পৰা আমি ক'ব পাৰো যে বৈদিক শিক্ষাৰ প্রধান লক্ষ্য আছিল পৰিত্রাণ লাভ কৰা।
- অন্য এটা লক্ষ্য হৈছে সুখী আৰু সমৃদ্ধিশালী জীৱন যাপনৰ বাবে ছাত্রসকলক প্রস্তুত কৰা। তেওঁলোকক সামাজিক সচেতনতা, দায়িত্ববোধ, কর্তব্যপৰায়ণ আৰু দেশৰ বাবে নৈতিক ব্যক্তি হিচাবে গঢ়ি তোলা হৈছিল।

৪ নং প্রশ্নৰ উত্তৰ ঃ গুৰুকুল প্রথাত শিক্ষা শেষৰ অনুষ্ঠানটোক সমাৱর্তন অনুষ্ঠান হিচাবে জনা গৈছিল।

৫ নং প্রশ্নৰ উত্তৰ ঃ বৌদ্ধ যুগৰ বিখ্যাত কিতাপখনৰ নাম 'বিনয়াপিটক' আছিল।

৬ নং প্রশ্নৰ উত্তৰ ঃ বৌদ্ধ শিক্ষাৰ পাঠ্যক্রমৰ প্রধান বিষয়বোৰ আছিল সুতন্ত, বিৱয়া আৰু ধর্ম।

৭ নং প্রশ্নৰ উত্তৰ ঃ মহম্মদে নতুনকৈ উলিওৱা ধর্মটোক ইছলাম বুলি জনা গৈছিল।

৮ নং প্রশ্নৰ উত্তৰ ঃ বৈদিক আৰু বৌদ্ধ শিক্ষাৰ দৰে মুছলমান শিক্ষাতো শিক্ষা আৰম্ভণিৰ অনুষ্ঠান আছিল। এই ব্যৱস্থাত আৰম্ভণি অনুষ্ঠানটো জাকজমকতাপূর্ণ আছিল। ইয়াক 'বিচমিল্লাহখানী' বুলি জনা গৈছিল। ইয়াৰ অর্থ হৈছে ভগবানক স্মৰণ কৰাৰ পিছত শিশুক শিক্ষাৰ সৈতে পৰিচয় কৰাই দিয়া।

? ১.৯ আৰ্হি প্রশ্ন

ক) চমু প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত প্রতিটো উত্তৰ লিখিব)

প্র ঃ ১ বৈদিক যুগৰ প্রধান লক্ষ্য আৰু ভাবধাৰাবোৰ কি আছিল?

প্র ঃ ২ গুৰুকুল প্রথাত নামভর্তিকৰণৰ বিষয়ে চমুটোকা লিখক।

প্র ঃ ৩ বৌদ্ধ যুগৰ 'পব্বজা' আৰু 'উপসম্পদা' বিষয়ে চমুকৈ লিখক।

খ) দীঘল প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখিব)

প্র ঃ ১ বৈদিক যুগৰ শিক্ষাৰ লক্ষ্য উদ্দেশ্যসমূহ আলোচনা কৰক।

প্র ঃ ২ অতীত ভাৰতৰ শিক্ষাৰ ছাত্র-শিক্ষকৰ সম্বন্ধৰ বিষয়ে লিখক আৰু বর্তমান শিক্ষা ব্যৱস্থাৰ সৈতে তাৰ তুলনা কৰক।

প্র ঃ ৩ বৌদ্ধ শিক্ষা ব্যৱস্থাৰ বৈশিষ্ট্যসমূহৰ আভাস দিয়ক। সেইসময়ত মহিলা শিক্ষাৰ অবস্থিতি সম্পর্কে লিখক।

প্র ঃ ৪ বৈদিক শিক্ষা আৰু বৌদ্ধ শিক্ষাৰ মাজৰ পার্থক্যবোৰ কি কি?

প্র ঃ ৫ বৌদ্ধ শিক্ষাৰ পাঠ্যক্রম আৰু শিক্ষা পদ্ধতিৰ বিষয়ে লিখক। শিক্ষক আৰু ছাত্রৰ মাজত কেনে সম্পর্ক আছিল?

প্র ঃ ৬ মুছলমান যুগৰ শিক্ষা ব্যৱস্থা সম্পর্কে লিখক। সেই সময়ত মহিলা শিক্ষাৰ স্থিতি কেনে আছিল?

*** ***** ***

অধ্যায় ২ঃ বৃটিছ ভাৰতত শিক্ষা

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ ১৮১৩ চনৰ চার্টাৰ আইন
২.৪ প্ৰাচ্য আৰু পাশ্চ্যাত্যৰ বিৰোধ
২.৫ মেকলেৰ মিনিট
২.৫.১ মেকলে মিনিটৰ মূল্যায়ন
২.৬ ১৮৫৪ চনৰ উডৰ ঘোষণা পত্ৰ
২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৮ অধিক জানিবলৈ
২.৯ অগ্ৰগতিৰ খতিয়ান
২.১০ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাৰতবৰ্ষত বৃটিছ শিক্ষা ব্যৱস্থাৰ আৰম্ভণি সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব
- ১৮১৩ চনৰ চার্টাৰ আইনৰ বিষয়ে আলোচনা কৰিব পাৰিব
- প্ৰাচ্য আৰু পাশ্চ্যাত্য বিৰোধৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- বিখ্যাত মেকলে মিনিটৰ বিষয়ে আলোচনা কৰিব পাৰিব
- উডৰ ঘোষণা পত্ৰৰ পৰামৰ্শাৱলীৰ প্ৰধান পৰামৰ্শৱলীত গুৰুত্ব দিব পাৰিব আৰু ভাৰতৰ শিক্ষাত ইয়াৰ প্ৰভাৱ সম্পৰ্কে গুৰুত্ব দিব পাৰিব।

২.২ পৰিচয়

প্ৰথম অধ্যায়টোৰ পৰা আমি ইতিমধ্যে জানিব পাৰিছো যে এক পুৰণি, চহকী সাংস্কৃতিক আৰু শৈক্ষিক ইতিহাস আছে। আমাৰ দেশত পুৰণি শিক্ষা ব্যৱস্থা আছে যিয়ে বৈদিক শিক্ষা, বৌদ্ধ শিক্ষা আৰু মুছলমান শিক্ষা ব্যৱস্থাক অন্তৰ্ভুক্ত কৰিছিল। আমি ইতিমধ্যে এইবোৰৰ বিষয়ে আলোচনা কৰিলো।

ভাৰতত বৃটিছ শাসতে পশ্চিমীয়া সভ্যতা আৰু সাংস্কৃতিৰ স্থাপন কৰিছিল। ১৭৫৭ চনত পলাচী যুদ্ধৰ জয়ৰ পিচত ইষ্ট ইণ্ডিয়া কোম্পনীয়ে ভাৰতত সাম্ৰাজ্য স্থাপনৰ কথা চিন্তা কৰিছিল। দেৱালী ক্ষমতা লাভ কৰাৰ পিছত ইয়াৰ কর্মচাৰীসকলে দেখুৱাইছিল যে তেওঁলোক সঁচাকৈয়ে জনসাধাৰণৰ মংগলৰ প্ৰতি আগ্ৰহী আৰু শিক্ষাৰ ক্ষেত্ৰত মনোযোগ দিবলৈ আৰম্ভ কৰিছিল। তেওঁলোকে শিক্ষানুষ্ঠানবোৰক চৰকাৰী সাহায্য দিবলৈ আৰম্ভ কৰিছিল কিন্তু তেওঁলোকে শিক্ষা ব্যৱস্থাত একো পৰিৱৰ্তন অনা নাছিল। কোম্পানীৰ পৰিচালকে তেওঁলোকে উচ্চ শিক্ষা দিয়া মানুহৰ সমর্থন পাব বিচাৰিছিল। কোম্পানীয়ে ১৭৮০ চনত কলিকতা মাদ্ৰাছা আৰম্ভ কৰিছিল। ইয়াৰ উদ্দেশ্য আছিল উচ্চ শ্ৰেণীৰ মুছলমানসকলক শিক্ষা প্ৰদান কৰা, যাৰ দ্বাৰা তেওঁলোকে সমর্থন পাব পাৰে। মাদ্ৰাছাখনক কোম্পানীয়ে সম্পূৰ্ণৰূপে আৰ্থিক সাহায্য দিছিল। আৰবী আৰু পার্চী ভাষা শিক্ষাৰ মাধ্যম আছিল। আইন, দর্শন, যুক্তি, গণিত, জ্যোতিষ শাস্ত্ৰ আৰু ব্যাকৰণ তাত শিকোৱা হৈছিল। উচ্চ শ্ৰেণীৰ মুছলমানসকলৰ

সমর্থন লাভ কৰাত কোম্পানী সফল হৈছিল। তাৰোপৰি হিন্দু সম্প্রদায়ৰ সৈতে সুষম সম্পর্ক গঢ়ি তুলিবলৈ বেনাৰচত সংস্কৃত কলেজ স্থাপন কৰিছিল। এই কলেজত শিক্ষাৰ মাধ্যম আছিল সংস্কৃত। এই কলেজত শিক্ষা প্রদান কৰা বিষয়বোৰ আছিল হিন্দু ধর্মৰ নীতি, নীতিশাস্ত্র আৰু অন্যবিষয়। এনে প্রচেষ্টাবোৰৰ বাহিৰে কোম্পানীয়ে শিক্ষাৰ সম্পূর্ণ দায়িত্ব ল'ব বিচৰা নাছিল।

১৮ শতিকাৰ শেষৰ ফালে কিছুমান ইংৰাজে অনুভৱ কৰিছিল যে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতীয়সকলক শিক্ষা প্রদান কৰাৰ দায়িত্ব ল'ব লাগে। ইয়াৰে ভিতৰত এগৰাকী আছিল চার্লচ গ্রেণ্ট যি গৰাকীয়ে ভাৰতৰ নৈতিক পতনৰ কথা লিখিছিল আৰু পৰামর্শ দিছিল যে ইংৰাজী শিক্ষাৰ দ্বাৰা ভাৰতত আগুৱাই নিব লাগে।

বৃটিছ আৰু ভাৰতীয়সকলৰ হেঁচাত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতৰ শিক্ষা ব্যৱস্থাৰ দায়িত্ব ল'বলৈ বাধ্য হৈছিল। যেতিয়া ১৮১৩ চনত কোম্পানীৰ চার্টাৰখন আহিল তাত শিক্ষাৰ বাবে ১ লাখ টকা এটা ধার্য কৰা হৈছিল।

২.৩ ১৮১৩ চনৰ চার্টাৰ আইন

১৮১৩ চনত চার্টাৰ আইনখন হৈছে ভাৰতৰ শিক্ষা ইতিহাসৰ এক গুৰুত্বপূর্ণ দিশ। ইষ্ট ইণ্ডিয়া কোম্পানীৰ চার্টাৰ আইনখন ২০ বছৰৰ মূৰত ১৮১৩ চনৰ ২১ জুলাইত পুনৰ সংশোধন কৰা হৈছিল। ইয়াৰ আগলৈকে কোম্পানীয়ে ভাৰতত কেৱল বেহা-বেপাৰতহে গুৰুত্ব দিছিল।

চার্টাৰ আইনখন এখন লিখিত দলিল যিখন ১৮১৩ চনত প্রকাশিত হৈছিল, য'ৰ এটা দফাত ভাৰতবর্ষৰ শিক্ষা সম্পর্কীয় কথা আছিল। ওপৰত উল্লেখ কৰা ধৰণে এইটো চালর্চ গ্রেণ্টৰ এক অবিৰত চেষ্টা আছিল যাৰ ফলত বৃটিছ চৰকাৰে ভাৰতৰ শিক্ষাৰ বিকাশৰ বাবে কিছু কৰিবলগীয়া হৈছিল। সেইবাবে চালর্চ গ্রেণ্টক ভাৰতৰ আধুনিক শিক্ষাৰ পিতৃ বুলি কোৱা হয়।

১৮১৩ চনৰ চার্টাৰ আইনত দুটা গুৰুত্বপূর্ণ দফা সন্নিৱিষ্ট কৰা হৈছিল। প্রথমটো হৈছে শৈক্ষিক কার্যবোৰ কৰিবৰ বাবে মিছনেৰীসকলক সম্পূর্ণ স্বাধীনতা প্রদান কৰা হৈছিল। ১৮১৩ চনৰ পিছত বহুতো মিছনেৰী ভাৰতবর্ষলৈ আছিল আৰু স্কুল স্থাপন কৰিছিল। অন্য এটা দফা ৪৩ নং ত কোৱা হৈছিল যে কোম্পানীয়ে দেশৰ শিক্ষাৰ দায়িত্ব বহন কৰিব লাগে। দফা ৪৩ ত উল্লেখ কৰা হৈছিল যে প্রত্যেক বছৰে ১ লাখ টকা উদ্ধৃত্ত ৰাজহৰ পৰা সাহিত্যৰ বিকাশৰ বাবে খৰচ কৰিব লাগিব আৰু ভাৰতীয়সকলক উৎসাহিত কৰিব লাগে আৰু লগতে ভাৰতত থকা ইংৰাজসকলক বিজ্ঞানৰ জ্ঞান প্রদান কৰিব লাগে।

চার্টাৰ আইনৰ জৰিয়তে বৃটিছ সাংসদে স্বীকাৰ কৰিছিল যে শিক্ষা হৈছে তেওঁলোকৰ দায়িত্ব আৰু জনসাধাৰণৰ খাজনাৰ ই হৈছে শুদ্ধ দাবী। তাৰোপৰি ২ লাখ টকাতো বাধ্যতামূলক নহয় কিন্তু ইয়াক গবর্ণৰৰ সাধাৰণ সভাও বিবেচনা কৰা হোৱা নাছিল। যদিও শৈক্ষিক নীতিৰ উদ্দেশ্যবোৰ ভুলক্রমে আইনত উল্লেখ কৰা হৈছিল, সেইবোৰ যথেষ্ট খেলিমেলি আছিল আৰু বিভিন্ন ধৰণে সেইবোৰ ব্যাখ্যা কৰা হৈছিল। তাৰোপৰি এইটো শাখাত উদ্দেশ্যত উপনীত হোৱাৰ বাবে কোনো নির্দেশনা প্রদান কৰা হোৱা নাছিল। এনে অসুবিধাসমূহৰ ফলত ১৮১৩ চনৰ পিছত শিক্ষাৰ ক্ষেত্রত একো কাম হোৱা নাছিল।

ইতিমধ্যে উল্লেখ কৰা হৈছে যে, বৃটিছ সাংসদে ইষ্ট ইণ্ডিয়া কোম্পানীক ভাৰতৰ লোকসকলৰ শিক্ষাৰ দায়িত্ব ল'বলৈ নির্দেশনা প্রদান কৰিছিল। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতৰ শিক্ষাৰ সৈতে কেতিয়াও জড়িত হ'ব বিচৰা নাছিল। বৃটিছ সাংসদে তেওঁলোকক ভাৰতৰ শিক্ষাৰ দায়িত্ব ল'বৰ বাবে বাধ্য কৰিছিল। সি নহওক ভাৰতৰ নিচিনা এখন ডাঙৰ দেশৰ শিক্ষাৰ বিকাশৰ বাবে এক লাখ টকাতো একোৱেই নাছিল। ইয়াৰ চার্টাৰ আইনে ভাৰতৰ শিক্ষা ব্যৱস্থাৰ অৱস্থা বেয়াহে কৰিছিল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ ভাৰবর্ষত খ্রীষ্টানধর্ম প্রচাৰ কৰিবৰ বাবে কোনে মিছনেৰীসকলক অনুমতি প্রদান কৰিছিল?

.....

প্রশ্ন নং ২ঃ চার্টাৰ আইন ৪৩ নং শাখাত কি কোৱা হৈছে?

.....

২.৪ প্রাচ্য আৰু পাশ্চাত্যৰ বিৰোধ

১৮২৩ চনত চার্টাৰ আইনৰ সুবিধাবোৰ প্রয়োগ কৰাৰ বাবে General Cummittee of Public Instruction গঠন কৰা হৈছিল। আইনখনে প্রদান কৰা ১ লাখ টকা সকলো চৰকাৰী স্কুলক দিয়া হৈছিল। শিক্ষাৰ নীতি, শিক্ষাদানৰ মাধ্যম, শিক্ষাৰ পদ্ধতি, শিক্ষাৰ সংগঠন সম্পর্কে প্রাচ্য আৰু পাশ্চাত্যৰ মাজত এক বিৰোধ ভাব গঢ়ি উঠিছিল।

এই দিশবোৰৰ ক্ষেত্রত, মতামতবোৰ তিনিটা দলত ভাগ হৈছিল। যদিও তিনিটা দল হৈছিল, কিন্তু বাস্তৱ ক্ষেত্রত দুটা দলৰ মাজতহে বিৰোধ হৈছিল। সেই দুটা হৈছে প্রাচ্য আৰু পাশ্চাত্যৰ দল।

শিক্ষাৰ লক্ষ্যৰ ক্ষেত্রত, চার্টাৰ আইনখন তিনিটা দলে তিনি প্রকাৰে ব্যাখ্যা কৰিছল। ৰাৰেন হেচটিং আৰু মিনটোৰ চিন্তাৰ দ্বাৰা প্রভাৱিত প্রথম দলটোৱে প্রাচ্যৰ শিকন আৰু সংস্কৃতিৰ সংৰক্ষণ তথা বিকাশত গুৰুত্ব দিছিল। চালর্চ গ্রেণ্টৰ দ্বাৰা প্রভাৱিত দ্বিতীয় দলটোৱে পশ্চিমীয়া ধর্ম আৰু সংস্কৃতিৰ বিকাশত গুৰুত্ব দিছিল। তৃতীয় দলটোৱে ভাৰতীয়সকলক ইষ্ট ইণ্ডিয়া কোম্পানীৰ কার্যালয়ত কাম কৰাৰ বাবে প্রস্তুত কৰি তোলাৰ কথা কৈছিল।

শিক্ষাৰ মাধ্যমৰ ক্ষেত্রত, তিনিটা দলৰ মাজত বিৰোধ ভাবৰ সৃষ্টি হৈছিল। এটা দলে ইংৰাজী ভাষাৰ পোষকতা কৰিছিল, অন্য এটাই সংস্কৃত আৰু আৰবী ভাষাক আৰু তৃতীয় দলটোৱে আধুনিক ভাৰতীয় ভাষাৰ পোষকতা কৰিছিল। আধুনিক ভাৰতীয় ভাষাবোৰৰ যিহেতু বিকাশ হোৱা নাছিল সেইবাবে মুনৰো আৰু এলফিলষ্টে'নে কৈছিল যে এই ভাষাবোৰে আকর্ষণ কৰিব নোৱাৰিব। তাৰোপৰি প্রাচ্যৰসকলে সংস্কৃত আৰু আৰবী ভাষাক সমর্থন কৰিছিল আৰু ইংৰাজী ভাষাক সমর্থন কৰাসকল হিংসাত্মক প্রকৃতিৰ আছিল। প্রাচ্যৰ পন্থীসকলৰ নেতৃত্ব দিছিল এইচ.টি. প্রিণকেপ, যি গৰাকী বেংগল চৰকাৰৰ শিক্ষা বিভাগৰ সচিব আছিল। পাশ্চাত্য পন্থীসকলৰ নির্দিষ্ট কোনো নেতা নাছিল। এই দলটোত সাধাৰণতে কোম্পানীৰ লোকসকল আৰু নিছনেৰীসকল আছিল।

শিক্ষাৰ পদ্ধতিৰ ক্ষেত্রত দুটা দলৰ মাজৰ পার্থক্য প্রকট হৈ পৰিছিল। প্রথম মতামতত সমাজৰ উচ্চ শ্রেণীক শিক্ষা প্রদানত গুৰুত্ব আৰোপ কৰা হৈছিল। এইটো দলৰ মতে শাসক শ্রেণীটো সমাজৰ ধনী আৰু উচ্চ শ্রেণীৰ ভাৰতীয়ৰ দ্বাৰা গঠিত হ'ব লাগে। এই ওপৰৰ শ্রেণীটোৰ পৰা শিক্ষা স্বয়ংক্রিয়ভাৱে নিম্নশ্রেণীৰ লোকলৈ আহিব। প্রকৃততে, এই নীতি অবলম্বন কৰি ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতৰ শিক্ষাৰ বাবে বেছি টকা খৰচ কৰিব বিচৰা নাছিল।

আনি ইতিমধ্যে গম পালো যে ১৮১৩ চনৰ আগতে কোম্পানীয়ে প্রচলিত ভাৰতীয় শিক্ষা ব্যৱস্থাক সমর্থন কৰিছিল। এই নীতি অনুসৰি কোম্পানীয়ে কলিকতা, মাদ্রাজ আৰু বেনাৰচত তিনিখন সংস্কৃত কলেজ স্থাপন কৰিছিল। বহুতো ইংৰাজ অফিচাৰে এই নীতিক সমর্থন কৰিছিল। ৰেৰেণ হেচটিং, প্রিণচেপ, লর্ডমিণ্টো, উইলচন আদিসকল প্রাচ্য শিক্ষা ব্যৱস্থাৰ সমর্থক আছিল।

প্রাচ্য পন্থীসকলে তেওঁলোকৰ মতামতৰ সমর্থনত প্রধান চাৰিটা মতামত দাঙি ধৰিছিল। প্রথমটো, চার্টাৰ আইনৰ ৪৩ নং দফা অনুযায়ী, এই দলটোৱে কৈছিল যে এই শাখাটো তেওঁলোকৰ সমর্থনত আছে অর্থাৎ তেওঁলোকে নিজৰ সমর্থনত এই দফাটোৰ ব্যাখ্যা দাঙি ধৰিছিল। তেওঁলোকে এই দফাটোত উল্লেখ থকা 'সাহিত্য' শব্দটো হিন্দু আৰু মুছলমানৰ সাহিত্য বুলি ব্যাখ্যা কৰিছিল। শিক্ষিত ভাৰতীয় লোকসকলক প্রচলিত শিক্ষাৰে শিক্ষিত বুলি আখ্যা দিছিল। বিজ্ঞানৰ আৰম্ভণি আৰু বিকাশৰ ক্ষেত্রত প্রাচ্যপন্থীসকলে কৈছিল যে বিজ্ঞানৰ বিকাশ পুৰণি ভাৰতীয়

ভাষাৰ দ্বাৰা হ'ব লাগে। এই পন্থীসকলে যুক্তি দাঙি ধৰিছিল যে পুৰণি ভাৰতীয় ভাষাবোৰ চহকী আৰু সম্ভাৰনীয়তাপূৰ্ণ আৰু যদি ইয়াৰ ঠাইত ইংৰাজী ভাষা ব্যৱহাৰ কৰা হয় তেতিয়া ই ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি কৰিব। এই দলটোৱে পুনৰ অনুভব কৰিছিল যে ইংৰাজী ভাষা ভাৰতীয়সকলৰ সৈতে কোনো দিশৰ পৰাই সম্পৰ্কিত নহয়, গতিকে ইয়াক ভাৰতীয়লোকে ভালদৰে শিকিবও নোৱাৰিব।

অন্যটো দল পাশ্চাত্য পন্থীসকলে যুক্তি দিছিল যে ভাৰতৰ সমাজৰ উচ্চ শ্ৰেণীৰ লোকক শিক্ষা দিবলৈ পুৰণি ভাষাবোৰৰ পৰিৱৰ্তে ইংৰাজী ভাষা ব্যৱহাৰ কৰিব লাগে। এই দলটোৱে মত পোষণ কৰিছিল যে ইউৰোপৰ জ্ঞান আৰু বিজ্ঞানৰ প্ৰসাৰ কৰাটো কোম্পানীৰ প্ৰধান উদ্দেশ্য হ'ব লাগে। ইয়াৰ বাবে কোম্পানীয়ে সকলো টকা ইংৰাজী ভাষাক মাধ্যম হিচাবে লৈ ইউৰোপৰ জ্ঞান আৰু বিজ্ঞানৰ বিকাশৰ বাবে খৰচ কৰিব লাগে। সংস্কৃত আৰু আৰবী ভাষাক শিক্ষাৰ মাধ্যম হিচাবে গ্ৰহণ কৰাৰ ক্ষেত্ৰত এই দলটোৱে বিৰোধিতা কৰিছিল। তাৰোপৰি তেওঁলোকে ভাৰতৰ পৰম্পৰাগত পুৰণি শিক্ষানুষ্ঠানবোৰ বন্ধ কৰিব বিচাৰিছিল।

প্ৰাচ্যপন্থীসকলে বিশ্বাস কৰিছিল যে ইংৰাজী ভাষাৰ আৰু সাহিত্যৰ অধ্যয়ন আৰু ইউৰোপৰ সংস্কৃতিৰ বিকাশ আদিবোৰ ৰাজনৈতিকভাৱে প্ৰভাৱিত হৈছিল। তেওঁলোকে ভাবিছিল যে পাশ্চাত্যপন্থীসকলে তেওঁলোকক প্ৰশাসনিক দিশত সহায় কৰাৰ বাবে ভাৰতীয় দল এটা প্ৰস্তুত কৰিব বিচাৰিছিল। প্ৰাচ্য আৰু পাশ্চাত্যপন্থীসকলৰ কিছুমান মিল আছিল। দুয়োটা পন্থীয়ে ভাৰতৰ সাধাৰণ লোকে শিক্ষা লাভ কৰাতো বিচৰা নাছিল। দুয়োটা দলে বিশ্বাস কৰিছিল যে বিজ্ঞান শিক্ষা কেৱল ইংৰাজী ভাষাৰ দ্বাৰাহে হ'ব পাৰে। তেওঁলোকে কৈছিল যে ভাৰতীয় ভাষাৰ দ্বাৰা বিজ্ঞান শিক্ষা দিব পৰা নাযায়।

প্ৰাচ্য আৰু পাশ্চাত্যৰ বিৰোধ প্ৰায় ৩২ বছৰ কাল চলিছিল। অৱশেষত ১৯৩৫ চনৰ ২ ফ্ৰেব্ৰুৱাৰীত উইলিয়াম বেণ্টিঙে মেকলেৰ নীতি গ্ৰহণ কৰাৰ ফলত ইয়াৰ সমাপ্তি ঘটিছিল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ General Committee of Public Instruction কেতিয়া আৰু কিয় গঠন কৰা হৈছিল ?

.....

.....

২.৫ মেকলে মিনিট

১৮৩৪ চনত মেকলে ভাৰতলৈ Council Governor General ৰ এগৰাকী সদস্য হিচাবে আহিছিল। তেতিয়া ভাৰতৰ গবৰ্ণৰ জেনেৰেল উইলিয়াম বেণ্টিঙে লৰ্ড মেকলেক General Committee of Public Instruction ৰ অধ্যক্ষ হিচাবে নিযুক্তি দিছিল। তেওঁৰ কৰ্তব্য আছিল পাশ্চাত্যৰ বিৰোধৰ অন্ত পেলোৱা। ইংৰাজী ভাষা আৰু সংস্কৃতি ভাৰতত বিকাশ কৰাৰ ক্ষেত্ৰত মেকলেৰ আগ্ৰহ আছিল। প্ৰথম অৱস্থাত তেওঁ বিৰোধিতাৰ ক্ষেত্ৰত অংশ গ্ৰহণ কৰা নাছিল। যেতিয়া প্ৰাচ্য আৰু পাশ্চাত্যপন্থীসকলে বিৰোধৰ অন্ত পেলাবলৈ বেণ্টিঙৰ ওচৰত গৈছিল, তেতিয়া মেকলেক এই দায়িত্ব অৰ্পন কৰা হৈছিল। কমিটিৰ অধ্যক্ষ আৰু লগতে Excutive Counsil ৰ Low সদস্য হিচাবে বিখ্যাত মেকলে মিনিট ১৮৩৫ চনৰ ২ ফেব্ৰুৱাৰীত লিখি উলিয়াইছিল। যাৰ জৰিয়তে তেওঁ প্ৰাচ্য-পাশ্চাত্যৰ বিৰোধৰ অন্ত পেলাব বিচাৰিছিল। ১৮১৩ চনৰ চাৰ্টাৰ আইনৰ শৈক্ষিক দফাৰ ব্যাখ্যাৰ বিষয়ে প্ৰাচ্যপন্থীসকলৰ প্ৰশ্ন সুধি মেকলেই তেওঁৰ প্ৰতিবেদনৰ আৰম্ভণি কৰিছিল। তেওঁ কৈছিল সাহিত্যৰ পুনৰীক্ষণ আৰু উন্নতিয়ে সংস্কৃত আৰু আৰবী ভাষাক বুজোৱা হোৱা নাই। ১৮১৩ চনৰ আইনত থকা সাহিত্য শব্দটোৱে ইংৰাজী সাহিত্যক বুজাইছে। তেওঁ পুনৰ ব্যাখ্যা কৰিছিল যে 'ভাৰতবৰ্ষৰ শিক্ষিতলোক'ৰ অৰ্থ হৈছে যিসকলে ল'কৰ দৰ্শন জানে আৰু যিসকলে মিল্টনৰ কবিতা জানে আৰু বিজ্ঞানৰ প্ৰসাৰ কেৱল মাত্ৰ ইংৰাজী ভাষাৰ দ্বাৰাহে সম্ভৱপৰ হয়। মেকলেই তেওঁৰ প্ৰতিবেদনত কৈছে একলাখ টকা কেৱল ভাৰতৰ সাহিত্যৰ পুনৰীক্ষণৰ

ক্ষেত্ৰত খৰচ কৰা নহ'ব, ইয়াক বৃটিছ ভাৰতৰ বাসিন্দাসকলৰ মাজত বিজ্ঞানৰ জ্ঞানৰ প্ৰসাৰৰ ক্ষেত্ৰতো ব্যৱহাৰ কৰা হ'ব।

শিক্ষাৰ মাধ্যমৰ ক্ষেত্ৰত মেকলেই কৈছিল যে ভাৰতত কোৱা ভাষাবোৰৰ কোনো সাহিত্যিক আৰু বিজ্ঞানসন্মত তথ্য নাই। এনে ভাষাবোৰ উপযুক্ত নহয়, যেতিয়ালৈকে অন্য ভাষাৰ সহযোগত ইয়াক চহকী কৰা নহয়, কিছুমান মূল্যবান কামো ইয়ালৈ অনুবাদ কৰাতো সহজ নহয়। শিক্ষাৰ মাধ্যম সংস্কৃত আৰু আৰবী বা ইংৰাজী নিৰ্বাচন কৰিব লাগিব। মেকলেৰ সংস্কৃত আৰু আৰৱী ভাষাৰ কোনো জ্ঞান নাছিল। সেইবাবে তেওঁ শিক্ষাৰ মাধ্যম হিচাবে সংস্কৃত আৰু আৰৱীভাষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা নাছিল। সেইবাবে তেওঁ মতামত দিছিল যে সমগ্ৰ ভাৰতীয় আৰু আৰৱী সাহিত্যতকৈ এটা ইউৰোপীয় পুথিভৰালৰ চেলফ বেছি মূল্যৱান। তেওঁ সবলভাৱে যুক্তি আগবঢ়াইছিল যে ইংৰাজী ভাষা ভাৰতীয় শিক্ষাৰ মাধ্যম হ'ব লাগে। তেওঁ পুনৰ কৈছিল যে শাসকসকলৰ ভাষা ইংৰাজী, ই হৈছে গোটেই পৃথিৱীৰ বাণিজ্যৰ ভাষা। ইংৰাজী ভাষাই কেৱল ভাৰতীয়সকলক একত্ৰিত কৰাৰ ক্ষেত্ৰতে নহয়, আন দেশৰ সৈতে ভাৰতৰ সম্পৰ্ক গঢ়ি তোলাতো সহায় কৰিব। ইংৰাজী ভাষা শিক্ষাৰ বাবে ভাৰতীয় লোকসকল সাজু হৈ আছিল আৰু ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়া শিক্ষাৰ্থীসকলে মাচুল দিবলৈ সন্মত আছিল। অৰ্থনৈতিক দিশৰ ফালৰ পৰাও, ইংৰাজী ভাষাই সংস্কৃত আৰু আৰৱী ভাষাতকৈ বেছি ভাল সুযোগ প্ৰদানৰ সুবিধা আছিল। এনেদৰে তেওঁ শিক্ষাৰ মাধ্যম হিচাবে ইংৰাজী ভাষাৰ উপযুক্ততাৰ সমৰ্থনত যুক্তি আগবঢ়াইছিল।

লৰ্ড মেকলেই কৈছিল যে ইংলেণ্ডৰ কৰ্তব্য হৈছে ভাৰতীয়সকলৰ স্বাস্থ্যৰ বাবে যি ভাল সেইটো তেওঁলোকক শিকাব লাগে, সোৱাদৰ বাবে নহয়। তেওঁ পুনৰ কৈছিল যে ভাৰতীয়সকলেই ইংৰাজী ভাষাক অগ্ৰাধিকাৰ দিয়ে। মেকলেই চৰকাৰক পৰামৰ্শ দিছিল যে পুৰণি ভাৰতীয় শিক্ষানুষ্ঠানৰ পৰিচালনাৰ বাবে কোনো খৰচ কৰিব নেলাগে।

প্ৰতিবেদনৰ শেষত, তেওঁ ভাৰতীয়সকলৰ প্ৰতি বৃটিছসকলৰ মনোভাৱ প্ৰকাশ কৰিছিল। তেওঁ কৈছিল যে 'বৰ্তমান আমি আমাৰ সাধ্য অনুসৰি এনেকুৱা এচাম লোক সৃষ্টি কৰিব লাগে যিসকলৰ তেজ আৰু ৰং ভাৰতীয় হলেও তেওঁলোকৰ মনোভাৱ, চিন্তা, নীতি, সংস্কৃতি, বৌদ্ধিক দিশ ইংৰাজসকলৰ দৰে হ'ব লাগিব যাতে ভাৰতীয় সংস্কৃতিৰ বিনাশ হয়। তাৰ পিছত তেওঁ অতিশীঘ্ৰ কলিকতাৰ সংস্কৃত কলেজ আৰু মাদ্ৰাছা বন্ধ কৰিব কৈছিল। তেওঁ পুৰণি কিতাপ ছপা কামটো বন্ধ কৰিবলৈ পৰামৰ্শ দিছিল।

বিভিন্ন তথ্য পাতিৰ পৰা এইটো প্ৰমাণ পোৱা যায় যে প্ৰাচ্যপন্থীসকলক কাউন্সিলৰ মিটিঙত কথা কোৱাৰ সুযোগ প্ৰদান কৰা হোৱা নাছিল। ১৮৩৫ চনৰ ৭ মাৰ্চত গবৰ্ণৰ জেনেৰেলৰ মিটিঙত মেকলেৰ প্ৰতিবেদনখনক সমৰ্থন কৰা হৈছিল। উইলিয়াম বেণ্টিঙে তলৰ কথাখিনিৰে মেকলেৰ প্ৰতিবেদনক সমৰ্থন কৰিছিল- 'এই প্ৰতিবেদনত প্ৰকাশ পোৱা আৱেগবোৰৰ প্ৰতি মোৰ সম্পূৰ্ণ সন্মতি দিলো।' ইয়াক প্ৰয়োগ কৰাৰ বাবে বেণ্টিঙে তলৰ আদেশখিনি কৈছিল- 'কাউন্সিলত তেওঁৰ মতে ব্ৰিটিছ চৰকাৰৰ মহান উদ্দেশ্য হৈছে ভাৰতৰ থলুৱা লোকসকলৰ মাজত ইউৰোপীয় সাহিত্য আৰু বিজ্ঞানৰ প্ৰসাৰ হোৱা উচিত আৰু শিক্ষাৰ উদ্দেশ্যে ব্যয় কৰা সকলো ধন কেৱল ইংৰাজী শিক্ষা বিকাশৰ ক্ষেত্ৰতহে সৰ্বোত্তমভাৱে ব্যয় কৰা হ'ব।'

এই বিশেষ অৰ্ডাৰখন আছিল ভাৰতৰ শিক্ষা ব্যৱস্থাৰ এক মাইলৰ খুটি। এই প্ৰতিবেদনখনে শিক্ষাৰ লক্ষ্য আৰু প্ৰকাৰৰ সংজ্ঞা দিছিল। শিক্ষাৰ উদ্দেশ্য আছিল ইংৰাজী, কলা আৰু বিজ্ঞানৰ প্ৰসাৰ কৰা। ইংৰাজী ভাষাক শিক্ষাৰ মাধ্যম হিচাবে গ্ৰহণ কৰা হৈছিল। এই প্ৰস্তাৱত ব্ৰিটিছ চৰকাৰে ভাৰতত কোম্পানীটোৰ অধীনত ইংৰাজী ভাষাৰে শিক্ষিত শ্ৰমিকক নিযুক্তি দিয়াৰ প্ৰতিশ্ৰুতি দিছিল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ঃ মেকলেই কেতিয়া তেওঁৰ শিক্ষা নীতিৰ প্ৰতিবেদনখন লিখিছিল?

.....

২.৫.১ মেকলে প্ৰতিবেদনৰ মূল্যায়ন

মেকলেক তেওঁৰ প্ৰতিবেদনখনৰ বাবে যথেষ্ট উৎসাহিত আৰু সমালোচনা কৰা হৈছিল, যাৰ জৰিয়তে তেওঁ ভাৰতৰ শিক্ষা ব্যৱস্থাত এক নতুন ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছিল। মেকলেক প্ৰগতিৰ পথৰ ' Tarch bearer' বুলি অভিহিত কৰা হৈছিল। যিয়েই নহওক ই সম্পূৰ্ণ সত্য নহয় বৰং বিতৰ্কিত। বিভিন্ন কাৰণত মেকলেক সমালোচনা কৰা হৈছিল। তলত কিছুমান সমালোচনা দাঙি ধৰা হ'ল-

- নতুন শিক্ষাৰ নীতি প্ৰৱৰ্তনৰ দায়িত্ব মেকলেই লৈছিল বুলি কোৱা হয়। আপোনালোকে জানে যে এই নতুন শিক্ষাৰ নীতি মানে হৈছে ইংৰাজী ভাষাৰ জৰিয়তে ইউৰোপৰ জ্ঞান প্ৰদান। বহুতো ভাৰতীয় শিক্ষিত লোকে ইংৰাজী শিক্ষাৰ সমৰ্থনত আছিল। সেই সময়ত, যিসকলৰ ইংৰাজী ভাষাৰ জ্ঞান আছিল তেওঁলোকে কোম্পানীৰ অধীনত চাকৰি পাইছিল। ইয়াৰ বাবে, মানুহেই ইংৰাজী শিক্ষা লৈছিল। চৰকাৰেও নিজৰ সুবিধাৰ বাবে ইংৰাজী ভাষাক প্ৰবৰ্তন কৰিবলৈ ইচ্ছুক আছিল। মেকলেই ইংৰাজী ভাষা প্ৰবৰ্তনৰ ক্ষেত্ৰত সিদ্ধান্ত লৈছিল আৰু চৰকাৰে তেওঁৰ সিদ্ধান্ত মানি লৈছিল।
- অগ্ৰগতিৰ পথত মেকলেক 'টৰ্চ বিয়েৰাৰ' বুলি গ্ৰহণ কৰাতো সঠিক নহয়। ভাৰতত ইংৰাজী শিক্ষাৰ ইচ্ছা ভগোৱা তেৱেই একমাত্ৰ ব্যক্তি নাছিল। তেওঁ ভাৰতলৈ অহাৰ আগতেও এই প্ৰচেষ্টা আছিল। ভাৰতীয়সকলে ইংৰাজী শিক্ষাৰ সুবিধা আগৰ পৰাই দেখিছিল বাবে এই প্ৰক্ৰিয়াটো চলি আছিল।
- পুৰণি ভাৰতীয় ভাষা সংস্কৃত আৰু আৰৱীৰ প্ৰতি অসন্মতিসূচক মনোভাৱ দেখুওৱাটো সম্পূৰ্ণ ভিত্তিহীন আছিল। তেওঁ নিজেই স্বীকাৰ কৰিছিল যে তেওঁৰ সংস্কৃত আৰু আৰৱী ভাষাৰ জ্ঞান নাই। সেইবাবে তেওঁৰ তেনে এটা মতামত ঠিক নাছিল। মেকলেই কেতিয়াও জানিবলৈ চেষ্টা কৰা নাছিল যে বহুতো ভাৰতীয় ভাষা মোগলৰ দিনত বিকাশ হৈ উঠিছিল। তেওঁ স্থানীয় লোকসকলক ভূল পথে পৰিচালিত কৰি কৈছিল যে ভাৰতীয় ভাষা শিক্ষাৰ মাধ্যম হিচাবে ব্যৱহাৰ কৰাতো অসম্ভৱ।

ওপৰৰ আলোচনাৰ পৰা আমি ক'ব পাৰো যে ইংৰাজী ভাষাক শিক্ষাৰ মাধ্যম হিচাবে ব্যৱহাৰ কৰাতো সঠিক নাছিল আৰু যদি ভাৰতীয়সকলে ইয়াৰ পৰা কিবা উপকৃত হৈছিল, ১৮৩৫ চনৰ প্ৰতিবেদনৰ বিপক্ষে আছিল।

২.৬ ১৮৫৪ চনৰ উডৰ ঘোষণা পত্ৰ

আপোনালোকে ইতিমধ্যে জানিব পাৰিছে যে বৃটিছ চৰকাৰে ভাৰতত শিক্ষাৰ আৰম্ভণি কৰিছিল আৰু জানিব পাৰিছে যে ভাৰতীয়সকলৰ শিক্ষাৰ প্ৰতি তেওঁলোকৰ কোনো আগ্ৰহ নাছিল। বৃটিছ চৰকাৰে অনুভৱ কৰিছিল যে টকা খৰচ কৰাৰ পিছতো ১৮১৩ চনৰ পৰা ১৮৫৩ চনলৈ আশা কৰা মতে শিক্ষাৰ বিকাশ ঘটা নাছিল। ইয়াৰ ফলত, ১৮৫৩ চনত চার্টাৰ আইনৰ পুনৰীক্ষণৰ সময়ত, বৃটিছ চৰকাৰে দেশৰ প্ৰচলিত শিক্ষা ব্যৱস্থাৰ এক বিস্তৃত জৰিপৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। এই জৰীপৰ আধাৰত দেশৰ শৈক্ষিক বিকাশৰ বাবে চৰকৰে এক পদ্ধতিগত নীতি গ্ৰহণ কৰিব দিছিল। এই উদ্দেশ্যে সংসদত এখন কমিটি গঠন কৰা হৈছিল, যিখনে বহু লোকৰ কথা শুনিছিল আৰু বহুতো তথ্য সংগ্ৰহ কৰিছিল। ই শিক্ষাৰ নীতি গঠনত সহায় কৰিছিল। কমিটিয়ে প্ৰস্তুত কৰা নথিপত্ৰ ১৮৫৪ চনত নিয়ন্ত্ৰণ বোৰ্ডৰ সভাপতি চার্লচ উডে ভাৰতৰ বৃটিছ চৰকাৰলৈ প্ৰেৰণ কৰিছিল। ১৮৫৪ চনৰ ঘোষণা পত্ৰক 'উডৰ ঘোষণা পত্ৰ' স্বৰূপে জনা যায়, যিখনে পৰিস্থিতি অধ্যয়ন কৰি ভাৰতৰ জনসাধাৰণৰ শিক্ষাৰ বাবে নিৰ্দেশনা প্ৰদান কৰিছিল।

১৮৪৪ চনৰ শিক্ষাৰ ঘোষণা পত্ৰখনত ১০০ টা অনুচ্ছেদ আছে। এই ঘোষণা পত্ৰখনৰ যথেষ্ট ঐতিহাসিক মূল্য আছে। ই হৈছে শৈক্ষিক নীতি হিচাবে চৰকাৰৰ প্ৰথম ঘোষণা। এই ঘোষণা পত্ৰখনে আধুনিক ভাৰতীয় শিক্ষাৰ ভেটি স্থাপন কৰিছিল।

উডৰ ঘোষণা পত্ৰ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত তিনিগৰাকী ব্যক্তি মাৰ্চমেন, পেৰা আৰু উইলচনে যথেষ্ট কষ্ট কৰিছিল। আমি ক'ব পাৰো যে ঘোষণা পত্ৰখন হৈছে তেওঁলোকৰ ভাবধাৰাৰ এক প্ৰতিফলন। এই কেইগৰাকী

শিক্ষাবিদে ভাৰতীয় শিক্ষা ব্যৱস্থা আৰু সাহিত্য সম্পৰ্কে বিতংভাৱে অধ্যয়ন কৰিছিল আৰু ইয়াৰ উপযুক্ত মূল্যায়ন কৰিছিল। তেওঁলোকে নিৰীক্ষণ কৰিছিল যে ভাৰতীয়সকলৰ শিক্ষাৰ বাবে সংস্কৃত আৰু আৰৱী সাহিত্য গুৰুত্বপূৰ্ণ।

ভাৰতবৰ্ষৰ শিক্ষাৰ বিকাশৰ বাবে উডৰ ঘোষণা পত্ৰত বহুতো পৰামৰ্শ আগবঢ়োৱা হৈছিল। ইয়াৰে গুৰুত্বপূৰ্ণ পৰামৰ্শবোৰ তলত আলোচনা কৰা হ'ল।

- **শিক্ষাৰ লক্ষ্য ঃ** ১৮৫৪ চনক উডৰ ঘোষণা পত্ৰত কোৱা হৈছিল যে শিক্ষাই এনেদৰে গুৰুত্বপূৰ্ণ জ্ঞান প্ৰদান কৰিব লাগে যাৰ জৰিয়তে মানুহৰ বৌদ্ধিক, নৈতিক আৰু অৰ্থনৈতিক স্থিতি সবল কৰিব পাৰি। তেওঁলোকক এনেকুৱা শিক্ষা প্ৰদান কৰিব লাগে যিয়ে তেওঁলোকৰ প্ৰশাসনিক দক্ষতা আনি দিব পাৰে যাতে চৰকাৰ প্ৰয়োজন অনুসৰি কৰ্মচাৰী পায়।
- **শিক্ষাবিভাগৰ সৃষ্টি ঃ** উডৰ ঘোষণা পত্ৰৰ পৰামৰ্শত কোৱা হৈছিল যে দেশৰ সকলো প্ৰদেশত একোটাকৈ শিক্ষা বিভাগ স্থাপন কৰিব লাগে। সেই সময়ত আমাৰ দেশ কিছুমান প্ৰদেশত বিভক্ত আছিল। সেইবোৰ হৈছে- বেংগল, মাদ্ৰাজ, বোম্বে, উত্তৰ-পূৰ্বাঞ্চল আৰু পঞ্জাব। পাব্লিক ইষ্টাকচৰৰ সঞ্চালক গৰাকী বিভাগৰ মুৰব্বী হ'ব। বিভাগটো উপযুক্তভাৱে পৰিচালিত হ'বলৈ সঞ্চালকক সহায় কৰিবলৈ অন্য কিছুমান ব্যক্তি নিয়োগ কৰা হৈছিল। সঞ্চালকসকলে চৰকাৰক তেওঁৰ প্ৰদেশৰ শিক্ষাৰ অগ্ৰগতি জনাই প্ৰত্যেক বছৰে এটা ৰিপৰ্ট জমা দিব লাগিছিল।
- **বিশ্ববিদ্যালয় স্থাপন ঃ** বিশ্ববিদ্যালয় স্থাপনৰ বাবেও ঘোষণা পত্ৰত পৰামৰ্শ দিয়া হৈছিল। ভাৰতবৰ্ষৰ উচ্চ শিক্ষাৰ বিকাশৰ বাবে কলিকতা, বোম্বে আৰু মাদ্ৰাজত বিশ্ববিদ্যালয় স্থাপনৰ পৰামৰ্শ দিছিল। এই বিশ্ববিদ্যালয়সমূহ লণ্ডন বিশ্ববিদ্যালয়ৰ আৰ্হিত স্থাপনৰ কথা কোৱা হৈছিল। এই বিশ্ববিদ্যালয়সমূহে ডিগ্ৰী প্ৰদানৰ বাবে পৰীক্ষা অনুষ্ঠিত কৰিব লাগিছিল। প্ৰত্যেকখন বিশ্ববিদ্যালয় উপযুক্তভাৱে পৰিচালিত হ'বলৈ চৰকাৰে এগৰাকী আচাৰ্য, এগৰাকী উপাচাৰ্য আৰু তেওঁলোকৰ তলত কিছুমান বিষয়া নিয়োগ কৰিছিল। নীতি-নিয়ম গঠন কৰিবলৈ এখন চিনেট গঠন কৰা হৈছিল আৰু উপাচাৰ্যকে আদি কৰি বাকীবোৰো ইয়াৰ সদস্য আছিল। বিশ্ববিদ্যালয়ৰ কাৰ্যসমূহ আছিল কলেজসমূহক স্বীকৃতি প্ৰদান কৰা, স্বীকৃতি প্ৰাপ্ত কলেজবোৰ পৰিদৰ্শন কৰা আৰু তেওঁলোকৰ শিক্ষা উন্নত কৰি তোলা, কলেজৰ ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষা লোৱা আৰু তেওঁলোকক ডিগ্ৰী প্ৰদান কৰা আৰু সংস্কৃত, আৰৱী আৰু পাৰ্চী বিভাগৰ সংগঠন কৰা।
- **জনসাধাৰণৰ শিক্ষা ঃ** ঘোষণা পত্ৰৰ প্ৰতিবেদনত কোৱা হৈছিল যে ভাৰতৰ সকলো লোকে যাতে শিক্ষা পায়। জনসাধাৰণৰ শিক্ষাক আওকাণ কৰা কথাটো চৰকাৰক অবগত কৰিছিল। উডৰ ঘোষণা পত্ৰৰ আগতে ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে দেশৰ ওপৰৰ শ্ৰেণীৰ লোককহে শিক্ষা দিয়াৰ পৰিকল্পনা কৰিছিল। কোম্পানীৰ লোকসকলে 'নিম্নগামী পৰিশ্ৰাৱন নীতি'ৰ জৰিয়তে শিক্ষাৰ বিস্তাৰ কৰিব বিচাৰিছিল। এই ঘোষণা পত্ৰখনে মেকলেৰ নীতিক সমালোচনা কৰিছিল। মেকলেই দেশৰ উচ্চ আৰু ধনী শ্ৰেণীৰ লোকক শিক্ষিত কৰিব বিচাৰিছিল। মেকলৰ প্ৰতিবেদনৰ বিপৰীতে এই উডৰ ঘোষণা পত্ৰই সকলোৰে বাবে শিক্ষাৰ পোষকতা কৰিছিল। তাৰোপৰি ই বেছি প্ৰাথমিক শিক্ষাৰ অনুষ্ঠান প্ৰত্যেক জিলাতে খোলাৰ পৰামৰ্শ দিছিল, যাতে এনে দেশীয় স্কুলবোৰে ল'ৰা-ছোৱালীৰ প্ৰাথমিক শিক্ষা উন্নত কৰি তোলা।
- **অনুদান ব্যৱস্থা ঃ** চৰকাৰে অনুদান বা সাহায্য ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল যাতে শিক্ষণৰ দায়িত্ব এৰাব পাৰে। ঘোষণা পত্ৰই কিছুমান দিশত যেনে শিক্ষকৰ দৰমহা বৃদ্ধি, শিক্ষাৰ্থীক বৃত্তি প্ৰদান, পুথিভঁৰালৰ বিকাশ, স্কুলঘৰ নিৰ্মাণ ইত্যাদিৰ চৰকাৰী সাহায্য প্ৰদানৰ বাবে পৰামৰ্শ দিছিল।

সাধাৰণ মানুহক শিক্ষাৰ সুবিধা প্ৰদান কৰাতো ইমান কঠিন কাম নাছিল যে চৰকাৰে অকলেই ইয়াৰ দায়িত্ব ল'ব নোৱাৰে। ঘোষণা পত্ৰখনে সেইবাবে অনুদান ব্যৱস্থাৰ বাবে পৰামৰ্শ আগবঢ়াইছিল। ইয়াত কোৱা হৈছিল যিবোৰ শিক্ষানুষ্ঠানে তলৰ চৰ্তবোৰ পূৰণ কৰিব সেইবোৰক চৰকাৰী অনুদান দিব লাগে।

- স্থিৰ পৰিচালনা সমিতি থাকিব লাগিব আৰু উপযুক্তভাৱে পৰিচালিত হ'ব লাগিব।
- তেওঁলোকে নিৰপেক্ষ শিক্ষা প্ৰদান কৰিব লাগিব।

- ৰাজ্যিক পৰিদর্শনৰ বাবে শিক্ষানুষ্ঠানবোৰ থাকিব লাগিব।
- চৰকাৰে বান্ধি দিয়া নীতি-নিয়মবোৰ অনুষ্ঠানবোৰে মানি চলিব লাগিব।
- তেওঁলোকে বিনামূলীয়া শিক্ষা প্রদান কৰিব নেলাগিব, শিক্ষার্থীৰ পৰা মাচুল ল'ব লাগিব।

সকলো ব্যয় ৰাষ্ট্রই বহন কৰাতো ঘোষণা পত্রখনে বিচৰা নাছিল। এইটো উল্লেখযোগ্য যে অনুদান প্রথাৰ দ্বাৰা মিছনেৰীসকল লাভান্বিত হৈছিল কাৰণ শিক্ষাৰ ক্ষেত্রত তেওঁলোকৰ বহুতো ব্যক্তিগত অনুষ্ঠান আছিল।

- **শিক্ষাৰ মাধ্যম ঃ** উডৰ ঘোষণা পত্রই ইংৰাজীৰ দ্বাৰা দেশৰ ভাষাবোৰ সলনি কৰিব বিচৰা নাছিল। সেইবাবে প্রতিবেদনত কোৱা হৈছিল যে ভাৰতীয় ভাষাত কিতাপৰ অভাবৰ ফলত শিক্ষাৰ মাধ্যম ইংৰাজী হ'ব লাগে। ইংৰাজী শিক্ষাৰ ক্ষেত্রত, ই চাহিদাৰ মাপকাঠী নির্ধাৰণ কৰিছিল। ইংৰাজী শিক্ষা সেইসকল লোকক দিব লাগে যিসকলৰ ইংৰাজী বিষয়ত উপযুক্ত জ্ঞান আছে আৰু ইংৰাজী ভাষাৰ দ্বাৰা যিসকলে ইউৰোপৰ জ্ঞান বুজি পায়। কিন্তু ইংৰাজী ভাষাৰ শিক্ষা সেই অঞ্চলৰ ভাষাৰ সৈতে যুক্ত কৰিব লাগে। ইয়াৰ দ্বাৰা বোধহয় মাতৃভাষা বা অঞ্চলিক ভাষা শিকাৰ ইংগিত দিছিল। ইয়াত স্পষ্টকৈ কোৱা হৈছিল যে ভাৰতীয় ভাষা আৰু ইংৰাজী ভাষা দুয়োটাকে শিক্ষাৰ মাধ্যম হিচাবে ব্যৱহাৰ কৰা উচিত।
- **শিক্ষকৰ প্রশিক্ষণ ঃ** উডৰ ঘোষণা পত্রত প্রশিক্ষণ স্কুল স্থাপনৰ পৰামর্শ দিয়া হৈছিল। ইয়াত অনুভৱ কৰিছিল যে উপযুক্ত প্রশিক্ষণ নহ'লে শিক্ষকে ভালদৰে শিক্ষা প্রদান কৰিব নোৱাৰে। প্রশিক্ষণ প্রাপ্ত স্কুলৰ শিক্ষকসকলক উপযুক্ত দৰমহা বা নিয়োগ প্রদানৰ কথা কোৱা হৈছিল। সেইবাবে বিভিন্ন প্রকাৰৰ প্রশিক্ষণ অনুষ্ঠান স্থাপনৰ বাবে পৰামর্শ প্রদান কৰা হৈছিল। প্রত্যেক প্রদেশতে একোখন কৈ হ'লেও স্কুল স্থাপনৰ কথা কোৱা হৈছিল। অভিযান্ত্রিক চিকিৎসা আইন আদিৰ শিক্ষকৰ প্রশিক্ষণৰ বাবে কলেজ স্থাপন কৰিব লাগে। শিক্ষকসকলৰ দৰমহা ভাল হ'ব লাগে যাতে মানুহে শিক্ষকতা বৃত্তিৰ প্রতি আগ্রহী হয়।
- **মহিলাৰ শিক্ষা ঃ** ভাৰতৰ মহিলা শিক্ষাৰ ওপৰত এই প্রতিবেদনে গুৰুত্ব আৰোপ কৰিছিল। ইয়াত কোৱা হৈছিল যে চৰকাৰে মহিলা শিক্ষাৰ ওপৰত গুৰুত্ব প্রদান কৰিব লাগে। মহিলা শিক্ষাৰ ক্ষেত্রত ব্যক্তিগত উদ্যোগবোৰৰ ভূমিকাক ইয়াত স্বীকাৰ কৰা হৈছিল। ইয়াত কোৱা হৈছিল যে 'মহিলা শিক্ষা' অবিহনে শিক্ষা সম্পূর্ণ হ'ব নোৱাৰে আৰু এই দিশত জড়িত থকা ভাৰতীয় লোকসকলক উৎসাহিত কৰিছিল।
- **বৃত্তীয় শিক্ষা ঃ** বৃত্তীয় শিক্ষা প্রদানৰ ক্ষেত্রত এই প্রতিবেদনত গুৰুত্ব আৰোপ কৰা হৈছিল। বিভিন্ন বৃত্তিৰ বাবে নির্দেশনা প্রদানৰ বাবে বৃত্তীয় স্কুল স্থাপনৰ পৰামর্শ প্রদান কৰা হৈছিল। জীৱনৰ প্রস্তুতিৰ বাবে বৃত্তীয় শিক্ষা গুৰুত্বপূর্ণ।

১৮৫৪ চনৰ উডৰ ঘোষণা পত্র হৈছে ভাৰতৰ এক ঐতিহাসিক দলিল। বহুতো মানুহে ইয়াক ভাৰতৰ শিক্ষাৰ 'মেগনা কার্টা' স্বৰূপে অভিহিত কৰে। প্রথমবাৰৰ বাবে এই ঘোষণা পত্রই প্রাথমিক পর্যায়ৰ পৰা বিশ্ববিদ্যালয়লৈ এক সম্পূর্ণ আৰু ব্যৱস্থাগত শিক্ষাৰ সংগঠন কৰিছিল। ঘোষণা পত্রখনে সমন্বয়পূর্ণ ব্যৱস্থাৰ পৰামর্শ দিছিল আৰু ইয়াৰ দ্বাৰা শৈক্ষিক সংগঠনৰ এক নির্দিষ্ট আকাৰ দিছিল।

এইটো সত্য যে এই ঘোষণা পত্রখনে ভাৰতীয়সকলৰ শিক্ষাৰ ক্ষেত্রত কিছুমান অধিকাৰ আৰু সুবিধা প্রদান কৰা নাছিল। যি নহওক ভাৰতীয় শিক্ষাৰ অগ্রগতিৰ ক্ষেত্রত কিছুমান পৰামর্শ যেনে- ভাৰতীয় ভাষাৰ প্রয়োগ, শিক্ষাৰ মাধ্যম হিচাবে মাতৃভাষাৰ ব্যৱহাৰ, বিশ্ববিদ্যালয় স্থাপন আদিবোৰ হৈছে যথেষ্ট গুৰুত্বপূর্ণ। ভাৰতীয় শিক্ষাৰ বিকাশৰ ক্ষেত্রত অন্য কিছুমান ইতিবাচক পৰামর্শ হৈছে শিক্ষা বিভাগ স্থাপন, সহায়ক অনুদান প্রদান, দেশীয় স্থলৰ শিক্ষকৰ বাবে প্রশিক্ষণৰ উৎসাহ প্রদান, মহিলা শিক্ষাত উৎসাহ প্রদান, বৃত্তীয় স্কুল স্থাপন আদি। এইটো সমালোচনা কৰা হয় যে চৰকাৰে উডৰ ঘোষণা পত্রৰ পৰামর্শবোৰ প্রয়োগৰ ক্ষেত্রত চৰকাৰে গুৰুত্ব প্রদান কৰা নাছিল। এইটো সত্য যে চৰকাৰে সকলোবোৰ পৰামর্শ প্রয়োগৰ ক্ষেত্রত গুৰুত্ব প্রদান কৰা নাছিল, কিন্তু উডৰ ঘোষণা পত্রখন হৈছে আধুনিক ভাৰতীয় শিক্ষাৰ এক মাইলৰ খুটি। সেইবাবে ইয়াক 'ভাৰতীয় শিক্ষাৰ মেগনা কার্টা' বুলি কোৱা হৈছিল।

যেতিয়া আমি উডৰ ঘোষণা পত্রক মেগনা কার্টা হিচাবে অভিহিত কৰো, তথাপিও ই ত্রুটিমুক্ত নহয়। ইয়াৰ কেইবাটাও সুৰুঙা আছিল। ইয়াত বর্ণনা কৰা শিক্ষাৰ লক্ষ্য অতি ঠেক আছিল। উচ্চ শিক্ষাৰ ব্যয়বোৰ কমাব

নেলাগে আৰু প্ৰাথমিক শিক্ষাৰ ব্যয়বোৰ পদ্ধতিগত হিচাবে প্ৰদান কৰা হোৱা নাছিল। আকৌ মিছনেৰী শিক্ষাৰ প্ৰতি চৰকাৰৰ সহানুভূতি আছিল। দেশৰ প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণৰ ক্ষেত্ৰত চৰকাৰে কোনো নীতি গ্ৰহণ কৰা নাছিল। এই ঘোষণা পত্ৰখন কিছুমান দিশত অসফল হৈছিল যেনে চৰিত্ৰৰ বিকাশ, ছাত্ৰ-ছাত্ৰীৰ মাজত নেতৃত্বৰ বিকাশ। চমুকৈ ক'বলৈ হ'লে, উডৰ ঘোষণা পত্ৰৰ ভাল পৰামৰ্শ উপযুক্ত প্ৰয়োগ নোহোৱা বুলি ক'ব পাৰো। তাৰোপৰি, আমি পাহৰিব নেলাগিব যে বিদেশী শাসক শ্ৰেণীয়ে কেৱল উপনিৱেশৰ স্বাৰ্থতহে এই ঘোষণা পত্ৰখন প্ৰণয়ন কৰিছিল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ উডৰ ঘোষণা পত্ৰক কিয় ভাৰতীয় শিক্ষাৰ মেগনা কার্টা বুলি কোৱা হয়?

.....

.....

২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আধুনিক ভাৰতীয় শিক্ষাৰ ইতিহাসত ১৮১৩ চনৰ চার্টাৰ আইনখন হৈছে এখন গুৰুত্বপূৰ্ণ আইন।
- চার্টাৰ আইন ৪৩ নং শাখাত কোৱা হৈছিল যে কোম্পানীয়ে এক লাখ টকা পৃথক কৈ ৰাখিব আৰু এইখিনি শিক্ষাত ভাৰতীয়সকলৰ মাজত সাহিত্য আৰু বিজ্ঞানৰ উন্নতিৰ বাবে খৰচ কৰিব।
- চার্টাৰ আইনখনেই হৈছে প্ৰথম আইন য'ত ভাৰতৰ শিক্ষাৰ বাবে এক বৃহৎ পৰিমাণৰ ধন খৰচৰ কথা সন্নিবিষ্ট হৈছিল।
- জেনেৰেল কমিটিৰ অব পাব্লিক ইনষ্টাকচন দুটা দলত বিভক্ত হৈছিল। এটা দলে ভাৰতীয় শিক্ষা ব্যৱস্থাৰ বিস্তাৰক সমর্থন কৰিছিল। এই দলটোক প্ৰাচ্য প্ৰন্থী বুলি জনা যায়। অন্য দলটোক পাশ্চাত্য পন্থী বুলি জনা গৈছিল। এই দলটোৱে পশ্চিমীয়া সাহিত্য আৰু বিজ্ঞানৰ বিকাশক সমর্থন কৰিছিল। ইয়াৰ ফলতেই বিখ্যাত বিৰোধিতাৰ সৃষ্টি হৈছিল যাক প্ৰাচ্য-পাশ্চাত্যৰ বিৰোধ বুলি জনা যায়।
- বিৰোধিতাৰ জন্ম দিয়াৰ দিশবোৰ হৈছে লক্ষ্য, শিক্ষাৰ মাধ্যম, সংস্থা ইত্যাদি।
- ১৮৩৪ চনত লর্ড মেকলে ভাৰতবর্ষলৈ আহিছিল। তেওঁ মেকলে প্ৰতিবেদনৰ যোগেদি ইয়াৰ সমাধান আনিছিল।
- শিক্ষাৰ পদ্ধতি হিচাবে 'নিম্নমুখী পৰিশ্ৰাৱন নীতি' পৰামর্শ মেকলেই আগবঢ়াইছিল। এই তত্ত্ব অনুসৰি শিক্ষা ওপৰৰ শ্ৰেণীৰ পৰা আহিব লাগে, যেনেকৈ হিমালয়ে পর্বতৰ ওপৰৰ পৰা পানী বৈ আহি মহাসাগৰত পৰে। তেওঁ পৰামর্শ দিছিল যে ইংৰাজী ভাষা কোৱা উচ্চ শ্ৰেণীৰ ভাৰতীয় লোকসকলক শিক্ষা দিব লাগে, যাতে তেওঁলোকে সাধাৰণ শ্ৰেণীৰ লোকসকলক শিক্ষা দিব পাৰে।
- ব্ৰিটিছ সংসদত কিছুমান বিখ্যাত মানুহৰ দ্বাৰা ব্ৰিটিছ চৰকাৰে এখন কমিটি গঠন কৰিছিল যিসকলে দেশৰ শিক্ষাৰ অগ্ৰগতিৰ বাবে শৈক্ষিক নীতি পুনৰীক্ষণ কৰিছিল।
- কমিটিৰ পৰামর্শৰ ওপৰত ভিত্তি কৰি ঘোষণা পত্ৰখন ব্ৰিটিছ চৰকাৰক প্ৰদান কৰা হৈছিল। চালর্চ উড বোর্ড অফ কণ্ট'লৰ সভাপতি যিয়ে এইখন পঠাইছিল। সেইবাবে ইয়াক উডৰ ঘোষণা পত্ৰ বুলি জনা যায়।
- উডৰ ঘোষণা পত্ৰৰ প্ৰধান পৰামর্শাৱলী কিছুমান হৈছে— শিক্ষা বিভাগ স্থাপন, দেশৰ প্ৰধান চহৰ তিনিখনত বিশ্ববিদ্যালয় স্থাপন, সহায়ক-অনুদান প্ৰথা প্ৰয়োগ, শিক্ষক প্ৰশিক্ষণ, মহিলা শিক্ষাৰ বিশেষ সুবিধা, জনসাধাৰণৰ শিক্ষাৰ প্ৰসাৰ, ইংৰাজীৰ লগতে ভাৰতীয় ভাষাকো শিক্ষাৰ মাধ্যম হিচাবে ব্যৱহাৰ।

- উডৰ ঘোষণা পত্ৰত কোৱা হৈছিল যে ব্ৰিটিছ চৰকাৰে ভাৰতীয় শিক্ষাৰ দায়িত্ব বহন কৰিব লাগে।
- উডৰ ঘোষণা পত্ৰই ভাৰতৰ শিক্ষা ব্যৱস্থাত এক বিপ্লৱ আনিছিল বুলি কোৱা হয়। দেশৰ শিক্ষা ব্যৱস্থাক এক নির্দেশনা প্রদান কৰিছিল। সেইবাবে ইয়াক ভাৰতৰ শিক্ষাৰ 'মেগনা কার্টা' বুলি জনা যায়।
- যি নহওক উডৰ ঘোষণা পত্ৰৰ কিছুমান পৰামর্শ উপযুক্তভাৱে প্রয়োগ কৰা নহ'ল।
- পাঁচখন প্রদেশত শিক্ষা বিভাগ স্থাপন কৰা হ'ল, কিন্তু তাৰ পিছতো ভালদৰে শিক্ষা প্রদান কৰিব পৰা নহ'ল।
- বিশ্ববিদ্যালয়বোৰ লণ্ডন বিশ্ববিদ্যালয়ৰ আর্হি স্থাপন কৰা হৈছিল। সেইবাবে এইবোৰ প্রকৃতি ব্রিটিছৰ দৰে আছিল।

২.৮ অধিক জানিবলৈ

১) Aggarwal, J.C. (2004). *Landmarks in the History of the Modern Indian Education*. New Delhi: Vikas Publishing House Pvt. Ltd.

২) Ghosh, Suresh C. (2007). *History of Education in India*. New Delhi: Rawat Publications.

৩) Dash, B.N. (2014). *History of Education in India*. New Delhi: Dominant Publishers and Distributors Pvt. Ltd.

২.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ চার্টাৰ আইনে মিছনেৰীসকলক ভাৰতত খ্রীষ্টান ধর্ম প্রচাৰৰ বাবে অনুমতি প্রদান কৰিছিল।

২ নং প্রশ্নৰ উত্তৰঃ চার্টাৰ আইন ৪৩ নং অনুচ্ছেদত কোৱা হৈছিল যে কোম্পনীয়ে বছৰত এক লাখ টকা পৃথককৈ ৰাখিব লাগে আৰু এই টকা শিক্ষিত ভাৰতীয়সকলৰ সাহিত্য আৰু বিজ্ঞানৰ উন্নতিৰ বাবে খৰচ কৰিব লাগে।

৩ নং প্রশ্নৰ উত্তৰঃ ১৮১৩ চনৰ চার্টাৰ আইনৰ সুবিধাসমূহে প্রয়োগৰ বাবে ১৮১৩ চনত General Cummittee of Public Instruction গঠন কৰা হৈছিল।

৪ নং প্রশ্নৰ উত্তৰঃ ১৮৩৫ চনৰ ২ ফেব্রুৱাৰীত মেকলেই বিখ্যাত মেকলেৰ প্রতিবেদনখন লিখিছিল।

৫ নং প্রশ্নৰ উত্তৰঃ ভাৰতবর্ষত শিক্ষাৰ ক্ষেত্রত উডৰ ঘোষণা পত্রখন হৈছে এক বৈপ্লৱিক পদক্ষেপ। ই দেশৰ শিক্ষা ব্যৱস্থাক এটা নতুন দিশৰ নির্দেশনা দিছিল। সেইবাবে ইয়াক ভাৰতৰ শিক্ষাৰ 'মেগনা কার্টা' বুলি কোৱা হয়।

২.১০ আর্হি প্রশ্ন

(ক) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখিব)

প্রশ্ন ১ঃ মেকলেৰ প্রতিবেদনক সমালোচনা কৰা কাৰণবোৰ কি কি?

প্রশ্ন ২ঃ সহায়ক অনুদানৰ ওপৰত এটা চমুটোকা লিখক।

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত লিখিব)

প্রশ্ন ১ঃ ১৮১৩ চনৰ চার্টাৰ আইন কি? এই আইনখনক কিয় আধুনিক ভাৰতৰ শিক্ষাৰ এক মাইলৰ খুটি বুলি কোৱা হয়?

প্রশ্ন ২ঃ প্রাচ্য আৰু পাশ্চাত্যৰ মাজত কিয় বিৰোধিতা আছিল ? ইয়াৰ কিদৰে সমাপ্তি ঘটিল ? পৰৱর্তী সময়ত ভাৰতৰ শিক্ষা বিকাশত ই কেনেদৰে প্রভাৱ পেলাইছিল ?

প্রশ্ন ৩ঃ ১৮৫৩ চনৰ উডৰ ঘোষণা পত্রই বর্তমান ভাৰতৰ শিক্ষা ব্যৱস্থাৰ ভেটি কেনেদৰে স্থাপন কৰিছিল ? ইয়াক কিয় ভাৰতীয় শিক্ষাৰ মেগনা কার্টা বুলি কোৱা হয় ?

প্রশ্ন ৪ঃ উডৰ ঘোষণা পত্রৰ প্রধান পৰামর্শাৱলী কি আছিল ? এই পৰামর্শবোৰ কেনেদৰে প্রয়োগ কৰা হৈছিল আলোচনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ ব্রিটিছ ভাৰতৰ শিক্ষা-II (হাণ্টাৰ আয়োগ)

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ হাণ্টাৰ আয়োগৰ প্ৰধান উদ্দেশ্যসমূহ
৩.৪ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত পৰামৰ্শাৱলী
৩.৪.১ প্ৰাথমিক শিক্ষাৰ পৰামৰ্শাৱলী মূল্যায়ন
৩.৫ মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত পৰামৰ্শাৱলী
৩.৪.১ মাধ্যমিক শিক্ষাৰ পৰামৰ্শাৱলীৰ মূল্যায়ন
৩.৬ অন্যান্য পৰামৰ্শাৱলীৰ মূল্যায়ন
৩.৭ ভাৰতীয় শিক্ষাৰ ক্ষেত্ৰত হাণ্টাৰ আয়োগৰ পৰামৰ্শাৱলীৰ প্ৰভাব
৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.৯ অধিক জানিবলৈ
৩.১০ অগ্ৰগতিৰ খতিয়ান
৩.১১ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- হাণ্টাৰ আয়োগ নিযুক্তিৰ পটভূমি জানিব পাৰিব
- প্ৰাথমিক শিক্ষাৰ পৰামৰ্শবোৰ বিশ্লেষণ কৰিব পাৰিব
- মাধ্যমিক শিক্ষাৰ পৰামৰ্শবোৰ আলোচনা কৰিব পাৰিব।

৩.২ পৰিচয়

আমি আগৰ অধ্যায়টোত ইতিমধ্যে ব্ৰিটিছ চৰকাৰে উডৰ ঘোষণা পত্ৰৰ দ্বাৰা ভাৰতীয় শিক্ষাত গুৰুত্ব দিয়া সম্পৰ্কে আলোচনা কৰিছো। এই অধ্যায়টোত আমি প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত হাণ্টাৰ আয়োগৰ অৰিহনা সম্পৰ্কে আলোচনা কৰিম। আমি জানো যে ব্ৰিটিছ চৰকাৰে ভাৰতৰ জনসাধাৰণৰ শিক্ষাৰ বাবে লোৱা প্ৰচেষ্টা পৰ্যাপ্ত নহয়। উডৰ ঘোষণা পত্ৰৰ পিছত, ১৮৫৭ চনৰ বিপ্লৱে ব্ৰিটিছৰ সাম্ৰাজ্য জোকাৰি গৈছিল। তেওঁলোকে চিন্তা কৰিছিল যে ভাৰতীয় লোকসকলক দীৰ্ঘদিনৰ বাবে অবহেলা কৰিব পৰা নেযাব। ইয়াৰ বাবে দেশৰ প্ৰশাসন কোম্পানীৰ পৰা পৃথক কৰা হৈছিল।

এইটো সময়ত ভাৰতৰ গৱৰ্ণৰ হিচাবে লৰ্ড ৰিপনক নিযুক্তি দিয়া হৈছিল। তেওঁ ভাৰতৰ এগৰাকী জনপ্ৰিয় ভাইচৰয় আছিল। লৰ্ড ৰিপন প্ৰকৃততে ভাৰতৰ জনসাধাৰণৰ কল্যাণৰ প্ৰতি আগ্ৰহী আছিল। তেওঁ দেশৰ বিভিন্ন দিশৰ বিকাশত আৰিহনা যোগাইছিল। তেওঁ ভাৰতৰ শিক্ষাৰ বিকাশৰ প্ৰতিও আগ্ৰহী আছিল।

উডৰ প্ৰতিবেদনে ইতিমধ্যে ২৮ টা বছৰ অতিক্ৰম কৰিছিল। আমি আগৰ অধ্যায়ত শিকি আহিছো যে, প্ৰতিবেদনখনত কোৱা হৈছিল যে চৰকাৰে সেইসকলক শিক্ষা দিব, যিসকলে নিজৰ অশেষ প্ৰচেষ্টাৰে নামৰ যোগ্য শিক্ষা লাভ কৰিবলৈ সক্ষম। ই চৰকাৰক প্ৰাথমিক শিক্ষাৰ প্ৰতি মনোযোগ দিবলৈ নিৰ্দেশনা দিছিল। ই দেশক উচ্চ শিক্ষাৰ পৰা আঁতৰি আহি জনসাধাৰণৰ প্ৰতি মনোযোগ দিব কৈছিল। কিন্তু চৰকাৰে প্ৰাথমিক শিক্ষাক অবহেলা কৰিছিল।

১৮৮২ চনত দেশৰ শিক্ষা ব্যৱস্থাৰ মূল্যায়ন কৰাতো প্রয়োজনীয় হৈ পৰিছিল। উডৰ প্রতিবেদনৰ পিছত অহা শিক্ষাৰ অসুবিধাসমূহ দূৰ কৰাটোও প্রয়োজনীয় আছিল। সেইবাবে লর্ড ৰিপনে ১৮৮২ চনৰ ৩ ফেব্রুৱাৰীত ভাৰতীয় শিক্ষা আয়োগে নিযুক্তি দিছিল। কাউন্সলিৰ সদস্য চাৰ উইলিয়াম হাণ্টাৰক এই আয়োগৰ অধ্যক্ষ হিচাবে নিযুক্তি দিছিল। অধ্যক্ষৰ উপৰিও এই আয়োগত ২০ গৰাকী অন্য সদস্যক নিয়োগ কৰা হৈছিল। এই আয়োগখনত কিছুমান ভাৰতীয়লোকেও প্রতিনিধিত্ব কৰিছিল যেনে আনন্দ মোহন কোচ, বাসুদেব মুৰ্খাজী, চৈয়জ মাহমুদ আৰু কেটি টেলাংগ আদি। মিছনাৰীসকলৰ ফালৰ পৰা মিলাৰ, বিত্রল ৰাইচ, পাব্লিক ইনষ্টাকচনৰ মাইচোৰৰ পৰিচালক আদিয়ে প্রতিনিধিত্ব কৰিছিল।

লর্ড ৰিপনে নিয়োগ কৰা হাণ্টাৰ আয়োগ আছিল এক গুৰুত্ব আয়োগ যিখনে উডৰ প্রতিবেদন উপযুক্তভাৱে প্রয়োগ নোহোৱাৰ কাৰণবোৰ বিচাৰ কৰি চাইছিল। ব্রিটিছসকলৰ প্রাথমিক শিক্ষাৰ পৰিস্থিতি চাইছিল আৰু এইবোৰৰ প্রসাৰ আৰু উন্নতিৰ বাবে পৰামর্শ আগবঢ়াইছিল। চাৰ উইলিয়াম হাণ্টাৰে প্রতিনিধিত্ব কৰা আয়োগখনে ১৮৮২ চনতেই ইয়াৰ প্রতিবেদন দাখিল কৰিছিল। এই আয়োগে কৈছিল '১৯৫৪ চনৰ প্রতিবেদনৰ নীতিসমূহ কেনেদৰে প্রভাৱিত কৰা হৈছিল, সেই বিষয়ে বিশেষভাৱে সোধা-পোছা কৰা আৰু ইয়াত প্রশংসিত নীতিটো ভৱিষ্যতে ৰূপায়ণৰ লক্ষ্যৰে ইয়াক বাঞ্চনীয় বুলি ভবা ব্যৱস্থাসমূহৰ পৰামর্শ দিয়া'। এই আয়োগখনক প্রাথমিক শিক্ষাৰ ক্ষেত্রত লক্ষ্য ৰাখিব কোৱা হৈছিল। তাৰোপৰি এই আয়োগক ৰাষ্ট্রীয় শিক্ষা ব্যৱস্থাত চৰকাৰৰ অনুষ্ঠানৰ স্থিতি চাবলৈ কোৱা হৈছিল। এই আয়োগক মাধ্যমিক শিক্ষাৰ ক্ষেত্রত পৰামর্শ আগবঢ়াব কোৱা হৈছিল। ইউৰোপৰ শিক্ষা আৰু বিশ্ববিদ্যালয়বোৰক আয়োগে লক্ষ্য ৰখাৰ পৰা বাদ দিয়া হৈছিল।

এই আয়োগে প্রথম দুটা মাহত কলিকতাত বহুবাৰ আলোচনাত বহিছিল আৰু পিছৰ ৮ মাহত সমগ্র দেশ ভ্রমণ কৰিছিল। এই আয়োগে প্রাদেশিক চৰকাৰৰ সৈতে আলোচনাত বহিছিল আৰু ৰাজ্যবোৰৰ প্রাথমিক শিক্ষাৰ সমস্যাৰ বিষয়ে অধ্যয়ন কৰিবলৈ বহুতো কমিটি গঠন কৰিছিল। আয়োগে বিভিন্ন ব্যক্তিৰ পৰা ৩০০ তকৈ পৰামর্শ লাভ কৰিছিল। আয়োগ গঠনৰ দহমাহ পাছত আয়োগৰ সদস্যসকলে ১৮৮৩ চনত ৭০০ পৃষ্ঠাৰ এখন প্রতিবেদন দাখিল কৰিছিল।

হাণ্টাৰ আয়োগৰ প্রতিবেদনৰ ঐতিহাসিক গুৰুত্ব আছে। ইয়াত ২২২ টা সিদ্ধান্ত লোৱা হৈছিল। এই প্রতিবেদনখনৰ আটাইতকৈ গুৰুত্বপূর্ণ অংশ আছিল যে ই জনসাধাৰণৰ শিক্ষাৰ দায়িত্বৰ পৰা চৰকাৰক মুক্ত কৰি দিছিল। ই স্থানীয় প্রশাসনক এই দায়িত্ব প্রদান কৰিছিল আৰু চৰকাৰী অনুষ্ঠানবোৰক ক্রমান্বয়ে ব্যক্তিগত খণ্ডলৈ হস্তান্তৰৰ পৰামর্শ দিছিল। ভাৰতীয়সকলে তেওঁলোকৰ শিক্ষাৰ বাবে নিজে অর্থৰ উৎস উলিয়াব লগা হৈছিল আৰু তেওঁলোকৰ প্রচেষ্টাক সহায়ক অনুদান ব্যৱস্থাৰ দ্বাৰা সহায় কৰা হৈছিল। যদিও এই আয়োগখনে দহ মাহ ধৰি অশেষ কষ্ট কৰি প্রতিবেদনখন প্রস্তুত কৰিছিল, কিন্তু ভাৰতীয় শিক্ষাৰ প্রকৃত বিকাশৰ ক্ষেত্রত পৰামর্শ আগবঢ়োৱাত ব্যর্থ হৈছিল। তলত আমি আয়োগৰ প্রধান পৰামর্শবোৰ আলোচনা কৰা হ'ল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ কোনে আৰু কেতিয়া ভাৰতীয় শিক্ষা আয়োগ নিয়োগ কৰিছিল?

.....

প্রশ্ন নং ২ঃ ভাৰতীয় শিক্ষা আয়োগৰ অধ্যক্ষ কোন আছিল?

.....

প্রশ্ন নং ৩ঃ আয়োগৰ সদস্য সংখ্যা কিমান আছিল?

.....

৩.৩ হাণ্টাৰ আয়োগৰ প্রধান উদ্দেশ্যসমূহ

আয়োগৰ নিযুক্তিৰ সময়ত সিদ্ধান্ত লোৱা হৈছিল যে ১৮৫৪ চনৰ প্রতিবেদন প্রয়োগৰ ক্ষেত্রত থকা

বিভিন্ন দিশবোৰ অনুসন্ধান কৰা। এই ক্ষেত্ৰত কিছুমান বিশেষ দিশ তলত দাঙি ধৰা হ'ল।

- চৰকাৰে মিছনেৰীসকলৰ সুবিধার্থে শিক্ষাৰ প্ৰত্যক্ষ দায়িত্ব লোৱাৰ পৰা বিৰত থাকিব নেকি?
- প্ৰাথমিক শিক্ষাৰ পৰিস্থিতি কেনেকুৱা আৰু ইয়াৰ উন্নতিৰ বাবে চৰকাৰে কেনে ব্যৱস্থা হাতত লব?
- সহায়ক অনুদান অগবঢ়োৱাৰ ক্ষেত্ৰত চৰকাৰৰ নীতি কি হোৱা উচিত?
- ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ ক্ষেত্ৰত চৰকাৰৰ নীতি কি হোৱা উচিত?
- ধৰ্মীয় শিক্ষাৰ ক্ষেত্ৰত চৰকাৰৰ নীতি কি হোৱা উচিত?

৩.৪ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত পৰামৰ্শাৱলী

চৰকাৰে এই আয়োগখনক প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত বিশেষ মনোযোগ দিবলৈ নিৰ্দেশনা দিছিল আৰু সেইবাবে এই আয়োগে প্ৰাথমিক শিক্ষাৰ দুটা ধৰণে প্ৰদান কৰা হৈছিল- i) দেশীয় স্কুলবোৰ আৰু ii) নতুন ধৰণৰ প্ৰাথমিক স্কুল। প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত উডৰ পৰামৰ্শাৱলী কোনো বিশেষ ধৰণৰ নাছিল, সাধাৰণ প্ৰকৃতিৰ আছিল। যি নহওক, প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত হাণ্টাৰ আয়োগৰ পৰামৰ্শসমূহ বিশেষ আৰু স্পষ্ট আছিল। এই আয়োগে আগবঢ়োৱা পৰামৰ্শবোৰৰ ক্ষেত্ৰসমূহ হৈছে শিক্ষাৰ নীতি, অৰ্থনীতিৰ ব্যৱস্থা, শিক্ষক প্ৰশিক্ষণ, সংগঠন আৰু পাঠ্যক্ৰম ইত্যাদি। প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত থকা পৰামৰ্শবোৰ আপোনালোকৰ বাবে স্পষ্টকৈ তলত আলোচনা কৰা হ'ল।

প্ৰাথমিক শিক্ষাৰ নীতি ঃ হাণ্টাৰ আয়োগে নিৰীক্ষণ কৰিছিল যে প্ৰাথমিক শিক্ষা বাস্তৱ জীৱনৰ পৰিস্থিতিৰ সৈতে খাপ খোৱা হ'ব লাগে। আয়োগে প্ৰাথমিক শিক্ষাৰ গুৰুত্ব স্বীকাৰ কৰিছিল আৰু এই ক্ষেত্ৰত এক স্পষ্ট নীতি দাঙি ধৰিছিল। ৰাজ্যই প্ৰাথমিক শিক্ষাৰ প্ৰসাৰৰ বাবে গুৰুত্ব প্ৰদান কৰিব লাগে। প্ৰাথমিক শিক্ষাৰ লক্ষ্য সমগ্ৰ জনগণৰ শিক্ষা হ'ব লাগে। আয়োগে পৰামৰ্শ দিছিল যে প্ৰাথমিক শিক্ষা সৰ্বসাধাৰণৰ সৈতে এক নিকট সম্পৰ্ক থকা উচিত। চৰকাৰে নিয়োগৰ ব্যৱস্থা কৰি প্ৰাথমিক শিক্ষাত উৎসাহ প্ৰদান কৰিব লাগে।

প্ৰাথমিক শিক্ষাৰ পৰিচালনা ঃ লৰ্ড ৰিপনৰ স্থানীয় স্ব-চৰকাৰৰ আইনৰ যোগেদি ভাৰতৰ প্ৰাথমিক শিক্ষাৰ পৰিচালনা স্থানীয় প্ৰশাসনক প্ৰদান কৰা হৈছিল। ইংলেণ্ডত ১৮৭০ আৰু ১৮৭৬ চনৰ আইন অনুসৰি প্ৰাথমিক শিক্ষাৰ দায়িত্ব স্থানীয় প্ৰশাসনক দিয়া হৈছিল। সেইবাবে আয়োগে পৰামৰ্শ দিছিল যে প্ৰাথমিক শিক্ষাৰ নিয়ন্ত্ৰণ জিলা আৰু মিউনিচিপালিটিলৈ হস্তান্তৰ কৰিব লাগে। প্ৰত্যেক জিলা আৰু পৌৰ প্ৰশাসনক শিক্ষাৰ বাবে পৃথকভাৱে অৰ্থপুজি ৰখাৰ কথা কোৱা হৈছিল যাতে এইখিনি সম্পূৰ্ণৰূপে সেই কাৰণতেই যেন খৰচ কৰা হয়। আয়োগে প্ৰাদেশিক চৰকাৰক উপযুক্ত সহায়ক অনুদান ব্যৱস্থাৰ যোগেদি স্থানীয় প্ৰশাসনক অৰ্থসাহায্য দিয়াৰ কথা কৈছিল, পাৰিলে গোটেই আৰু সেইটো সম্ভব নহ'লে আধা বা দুই তৃতীয়াংশ প্ৰদানৰ কথা কৈছিল।

বৃত্ত ঃ আয়োগৰ মতামত অনুসৰি প্ৰাথমিক শিক্ষাৰ পথত ডাঙৰ হেঙাৰ হ'ল অৰ্থ বা বিত্ত। সেইবাবে আয়োগে প্ৰাথমিক শিক্ষালৈ বিভিন্ন দিশৰ পৰা অৰ্থ প্ৰদান কৰিছিল কিন্তু দেশৰ জনসংখ্যা অনুসৰি স্থানীয় প্ৰশাসনে খৰচ কৰা ধনৰ পৰিমাণ কম আছিল। ফলাফলৰ ভিত্তিত প্ৰত্যেক স্কুললৈ সহায়ক অনুদান প্ৰদান কৰা হৈছিল।

প্ৰাথমিক স্কুলৰ শিক্ষক প্ৰশিক্ষণ ঃ আয়োগে নৰ্মাল স্কুলৰ যোগেদি প্ৰাথমিক স্কুলৰ শিক্ষকক প্ৰশিক্ষণ প্ৰদান কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। সেইবাবে, শিক্ষক প্ৰশিক্ষণৰ বাবে নৰ্মাল স্কুল স্থাপনৰ ওপৰত আয়োগে গুৰুত্ব প্ৰদান কৰিছিল। নৰ্মাল স্কুলবোৰক কাৰ্যকৰী কৰাৰ বাবে এগৰাকী পৰিদৰ্শক নিয়োগ কৰা হৈছিল। প্ৰাদেশিক পুঁজিৰ প্ৰথম খৰচ আছিল- ব্যয়, নিৰ্দেশনা, সুবিধা আৰু নৰ্মালস্কুলৰ পৰিদৰ্শন আৰু নৰ্মাল স্কুলবোৰ স্থানীয় প্ৰয়োজন অনুযায়ী কৰা হৈছিল পৰিদৰ্শকৰ অধীনত।

পাঠ্যক্ৰম ঃ আয়োগে কিছুমান বিষয় পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰি পাঠ্যক্ৰমৰ পৰিসৰ বৃদ্ধি কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল যেনে গণিত, গগণা, ভৌতিক আৰু প্ৰাকৃতিক বিজ্ঞানৰ উপাদান, সেইবোৰৰ কৃষি, স্বাস্থ্য আৰু ব্যক্তিৰ কলাত প্ৰয়োগ। আয়োগে পাঠ্যক্ৰম পৰিকল্পনাৰ ক্ষেত্ৰত কঠোৰ নীতি-নিয়ম সমৰ্থন কৰা নাছিল। আয়োগে পৰামৰ্শ দিছিল যে পাঠ্যপুথি ব্যৱহাৰ আৰু প্ৰাথমিক স্কুলৰ পাঠ্যক্ৰম সংগঠনৰ ক্ষেত্ৰত ৰাজ্যই স্বাধীনতা প্ৰদান কৰিব লাগে।

৩.৪.১ প্ৰাথমিক শিক্ষাৰ পৰামৰ্শাৱলীৰ মূল্যায়ন

হাণ্টাৰ আয়োগে প্ৰাথমিক শিক্ষাৰ প্ৰধান দিশবোৰ স্পৰ্শ কৰিছিল আৰু পৰামৰ্শ আগবঢ়াইছিল যিবোৰৰ সুদূৰ প্ৰসাৰী প্ৰভাৱ আছে। ইংলেণ্ডত ১৮৭৬ চনৰ ফ'ষ্টাৰ আইনৰ যোগেদি স্ব-চৰকাৰৰ নীতি প্ৰাথমিক শিক্ষাত আৰম্ভ কৰা হৈছিল। সেইবাবে আয়োগেও এনে নীতি ভাৰতৰ শিক্ষাত প্ৰয়োগ কৰিব বিচাৰিচিল। জনসাধাৰণৰ সুবিধাৰ্থে শিক্ষাৰ প্ৰশাসনিক নীতিৰ পৰিৱৰ্তন আনি এক নতুন দিশৰ সূচনা কৰবলৈ চেষ্টা কৰিছিল। চৰকাৰৰ অন্তভুৰ্ক্তিয়ে উদ্দেশ্যত উপনীত হোৱাত সহায় কৰিব পৰা নাছিল। সেইবাবে আয়োগে প্ৰাথমিক শিক্ষাত প্ৰশাসন আনিব বিচাৰিছিল।

আমাৰ দেশৰ প্ৰাথমিক শিক্ষাত স্ব-চৰকাৰৰ নীতিৰ ক্ষতিকাৰক প্ৰভাব আছিল। ইয়াৰ প্ৰধান ভুলটো আছিল শিক্ষাৰ দায়িত্ব অনাভিজ্ঞ স্থানীয় প্ৰশাসনক অৰ্পন কৰাতো আৰু লগতে কামৰ বাবে অপৰ্যাপ্ত অৰ্থ প্ৰদান কৰা। যি নহওক, আয়োগৰ কিছুমান সবলতা আৰু দুৰ্বলতা তলত দাঙি ধৰা হ'ল।

সবলতাৰ দিশবোৰ ঃ

- ভাৰতৰ জনসাধাৰণৰ শিক্ষাৰ প্ৰয়োজনীয়তা আয়োগে অনুভৱ কৰিছিল আৰু ইয়াৰ বাবে পৰামৰ্শ আগবঢ়াইছিল।
- আমাৰ প্ৰাথমিক শিক্ষাত মাতৃভাষা শিক্ষাৰ মাধ্যম হিচাবে প্ৰয়োগ কৰাটো যুক্তিসংগত।
- আয়োগে মিছনেৰীসকলৰ অনুৎসাহিত কৰিছিল যাৰ পিছলৈ ভাৰতৰ প্ৰাথমিক শিক্ষাৰ বিকাশত প্ৰভাৱ আছিল।
- অনুদান প্ৰদানৰ জৰিয়তে আয়োগে ভাৰতীয় শিক্ষাত ধৰ্মনিৰপেক্ষতা আনিছিল।
- পাঠ্যক্ৰমৰ উন্নতি সাধন, শিক্ষক প্ৰশিক্ষণ আৰু প্ৰাথমিক স্কুলৰ পৰিদৰ্শন আদিয়ে গুণমান বিকাশত সহায় কৰিছিল।
- জনজাতি আৰু পিছপৰা লোকসকলৰ শিক্ষাৰ দায়িত্ব চৰকাৰে বহন কৰিবলৈ পৰামৰ্শ আগবঢ়োৱাতো যুক্তিসংগত আছিল।

অসফলতাৰ দিশবোৰ ঃ

- চৰকাৰক প্ৰাথমিক শিক্ষাৰ দায়িত্বৰ পৰা অব্যাহতি দিয়াৰ ফলাফল আয়োগে অনুভব কৰিব পৰা নাছিল।
- নতুনৈ গঠন হোৱা স্থানীয় প্ৰশাসন আৰু পৌৰসভাবোৰ অনভিজ্ঞ আছিল আৰু প্ৰাথমিক শিক্ষাৰ দায়িত্ব লোৱাৰ বাবে উপযুক্ত নাছিল।
- জনসাধাৰণৰ শিক্ষাৰ লগত জড়িত প্ৰাথমিক দায়িত্ব চৰকাৰৰ বাহিৰে আন কোনোৱেই ল'ব নোৱাৰে। কিন্তু এই দায়িত্ব এৰাই চলাৰ চেষ্টা কৰিছিল।
- সমগ্ৰ ব্যয়ৰ ১/৩ অংশ স্থানীয় প্ৰশাসনে শিক্ষাৰ ক্ষেত্ৰত ব্যয় কৰাতো অনুপযুক্ত আছিল, শিক্ষাৰ ব্যয়ৰ ক্ষেত্ৰত ব্যয় কৰাতো অনুপযুক্ত আছিল, শিক্ষাৰ ব্যয়ৰ ক্ষেত্ৰত আয়োগৰ ধাৰণা ভ্ৰান্ত আছিল।
- আয়োগক এনেধৰণে সমালোচনা কৰা হৈছিল যে চৰকাৰে পৰোক্ষভাৱে প্ৰাথমিক শিক্ষাৰ প্ৰধান দায়িত্বৰ পৰা এৰাই চলিব বিচাৰিছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ঃ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত আয়োগৰ দুটা সবলতা উল্লেখ কৰক।

.....

.....

৩.৫ মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত পৰামৰ্শাৱলী

আমি ইতিমধ্যে আলোচনা কৰিছো যে এই আয়োগখনক প্ৰাথমিক শিক্ষাৰ লগতে মাধ্যমিক শিক্ষাৰ উন্নতিৰ বাবেও নিযুক্তি দিয়া হৈছিল। আয়োগে মাধ্যমিক শিক্ষাৰ উন্নতিৰ বাবে আগবঢ়োৱা পৰামৰ্শবোৰ হৈছে-

মাধ্যমিক শিক্ষাৰ সম্প্ৰসাৰণ ঃ আয়োগে পৰামৰ্শ দিছিল যে চৰকাৰে ক্ৰমান্বয়ে মাধ্যমিক স্কুল প্ৰত্যক্ষ পৰিচালনাৰ দায়িত্বৰ পৰা অব্যাহতি লব লাগে আৰু সহায়ক অনুদান প্ৰথাৰ যোগেদি ব্যক্তিগত খণ্ডক এৰি দিব লাগে। চৰকাৰে ব্যতিক্ৰমী কাৰণতহে মাধ্যমিক স্কুল স্থাপন কৰিব লাগে। বিশেষকৈ য'ত মানুহৰ আগ্ৰহ থাকে আৰু য'ত জনসাধাৰণ সম্পদশালী বা আগবঢ়া নহয় তথা তেওঁলোকক সহায়ক অনুদান দিয়াৰ পিছতো স্কুল স্থাপন কৰিব নোৱাৰে। চৰকাৰৰ দায়িত্ব হৈছে এখন জিলাত এখন মাধ্যমিক স্কুল স্থাপন কৰা আৰু তাৰ পিছত মাধ্যমিক শিক্ষাৰ সম্প্ৰসাৰণ ব্যক্তিগত খণ্ডত এৰি দিব লাগে। ব্যক্তিগত খণ্ডৰ স্কুলবোৰ জনপ্ৰিয় কৰি তুলিবলৈ তেওঁলোকে বেছি মাচুল লব নেলাগে, কাষতে থকা চৰকাৰী স্কুলৰ দৰে থ'ব লাগে।

মাধ্যমিক স্তৰত পাঠ্যক্ৰমৰ বিভাজন ঃ মাধ্যমিক শিক্ষাৰ আসোৱাহ দূৰ কৰিবলৈ আয়োগে পাঠ্যক্ৰমৰ উন্নতিৰ বাবে পৰামৰ্শ আগবঢ়াইছিল। মাধ্যমিক শিক্ষাত, আগত উল্লেখ কৰাৰ দৰে আয়োগে চৰকাৰক ক্ৰমান্বয়ে ইয়াৰ দায়িত্বৰ পৰা অব্যাহতি ল'ব কৈছিল। তাৰোপৰি ই পৰামৰ্শ দিছিল যে চৰকাৰে কিছুমান দুখীয়া জিলাত কমেও এখনকৈ আৰ্হি স্কুল পৰিচালনা কৰিব লাগে। আয়োগে মাধ্যমিক শিক্ষাত উচ্চ মানদণ্ড বজাই ৰাখিবৰ বাবে পাঠ্যক্ৰমৰ বিভাজনৰ বাবে পৰামৰ্শ দিছিল। ই 'ক' পাঠ্যক্ৰমৰ পৰামৰ্শ দিছিল যিটো বিশ্ববিদ্যালয়ৰ প্ৰবেশ পৰীক্ষা দিয়াৰ বাবে কৰা হৈছিল আৰু 'খ' পাঠ্যক্ৰমটো আছিল বাণিজ্যিক আৰু অ-সাহিত্যিক বিষয়ৰ অধ্যয়নৰ বাবে। আয়োগটো নিজৰ সময়ৰ তুলনাত এশ বছৰতকৈ অধিক আগবাঢ়ি আছিল আৰু মাধ্যমিক শিক্ষাক বৃত্তিমুখী কৰাৰ বাবে সেইসময়ৰ শিক্ষাবিদসকলৰ দৃষ্টি আকৰ্ষণ কৰা পদক্ষেপৰ বাবে আগ্ৰহী আছিল।

শিক্ষাৰ মাধ্যম ঃ শিক্ষাৰ মাধ্যম সম্পৰ্কে আয়োগ আগবঢ়োৱা পৰামৰ্শ ইংৰাজীতকৈ মাতৃভাষাৰ ব্যৱহাৰক অগ্ৰাধিকাৰ দিব লাগে। আয়োগে ইংৰাজী ভাষাক অগ্ৰাধিকাৰ দিছিল। ইংৰাজী ভাষাই এক বিষয় হিচাবে আধিপত্য লাভ কৰাৰ এক ক্ষতিকাৰক ফল হৈছে ই ১৮৮২ চনৰ পিছত শিক্ষা ব্যৱস্থাটো ধ্বংস হৈছিল। ই সকলো প্ৰদেশতে মাধ্যমিক স্তৰত ইংৰাজী ভাষাক মাধ্যম হিচাবে ব্যৱহাৰ কৰা হৈছিল।

মাধ্যমিক স্কুলৰ শিক্ষক প্ৰশিক্ষণ ঃ ১৮৫৪ চনৰ উডৰ ঘোষণা পত্ৰত ইতিমধ্যে মাধ্যমিক স্তৰৰ বাবে শিক্ষক প্ৰশিক্ষণৰ বাবে ভেটি স্থাপন কৰা হৈছিল। যি নহওক ১৮৮২ চনলৈ মাত্ৰ দুখনহে শিক্ষক প্ৰশিক্ষণ অনুষ্ঠান স্থাপিত হৈছিল। ভাৰতৰ শিক্ষক প্ৰশিক্ষণ ব্যৱস্থাটোত আয়োগ সন্তুষ্ট হোৱা নাছিল। আয়োগে পৰামৰ্শ দিছিল যে প্ৰশিক্ষণ কলেজৰ প্ৰশিক্ষাৰ্থীসকলক শিকনৰ নীতি আৰু অনুশীলনীৰ পৰীক্ষা ল'ব লাগে আৰু স্নাতকসকলৰ প্ৰশিক্ষণৰ সময় অন্যতকৈ কম হ'ব লাগে। আয়োগে কৈছিল যে প্ৰশিক্ষণত সফলতা অৰ্জন কৰা সকলে চৰকাৰী বা চৰকাৰী সাহায্যপ্ৰাপ্ত মাধ্যমিক স্কুলত স্থায়ী নিয়োগৰ বাবে নিশ্চিত হ'ব লাগে।

৩.৫.১ মাধ্যমিক শিক্ষাৰ পৰামৰ্শসমূহৰ মূল্যায়ন

ভাৰতৰ মাধ্যমিক স্তৰৰ শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত হাণ্টাৰ আয়োগৰ পৰামৰ্শবলীৰ যথেষ্ট গুৰুত্ব আছে। ইয়াৰ প্ৰধান উদ্দেশ্য আছিল মাধ্যমিক শিক্ষাৰ ফলপ্ৰসু আৰু গুণমান উন্নীতকৰণৰ বাবে প্ৰশাসনিক পৰিৱৰ্তন কৰা। সেইবাবে, এই আয়োগে আঙুলিয়াই দিছিল যে চৰকাৰে এই স্তৰৰ শিক্ষাৰ দায়িত্বৰ পৰা অব্যাহতি ল'ব লাগে। ব্যক্তিগত প্ৰতিষ্ঠানবোৰে চৰকাৰতকৈ ভাল পদক্ষেপ গ্ৰহণ কৰিব পাৰে। এই নীতিয়ে স্থানীয় লোকসকলকো অন্তৰ্ভুক্ত কৰিব। যিহওক, ব্যৱহাৰিক ক্ষেত্ৰত চৰকাৰে প্ৰশাসনিক নীতিক কাৰ্যত পৰিণত কৰিবলৈ চেষ্টা নকৰিলে।

আয়োগে চৰকাৰক ইয়াৰ উন্নতিৰ বাবে সহায়ক অনুদান দিবলৈ কৈছিল, কিন্তু চৰকাৰে সেই পৰামৰ্শ উপযুক্তভাৱে প্ৰয়োগ কৰা নাছিল। সেইবাবে মাধ্যমিক স্কুলৰ বিকাশ সীমাৱদ্ধ হৈ পৰিছিল।

এই আয়োগক মাধ্যমিক স্তৰৰ পাঠ্যক্ৰমৰ বাবে দুটা প্ৰকাৰত পৰামৰ্শ দিয়াৰ বাবে সমালোচনা কৰা হৈছিল। ই মাধ্যমিক শিক্ষাক অধিক বস্তুনিষ্ঠ কৰি তুলিব বিচাৰিছিল কিন্তু এই পৰামৰ্শবোৰে জনসাধাৰণৰ পৰা

উপযুক্ত সঁহাৰি পোৱা নাছিল। ফলস্বৰূপে পাঠ্যক্ৰম আগৰ দৰেই তাত্বিক আৰু বিদ্যায়তনিক হৈ আছিল।

মজলীয়া স্কুলৰ পৰ্যায়ত শিক্ষাৰ মাধ্যমৰ ক্ষেত্ৰত আয়োগৰ পৰামৰ্শই এক ক্ষতিকাৰক প্ৰভাৱ পেলাইছিল। উচ্চ মাধ্যমিক স্তৰত ইংৰাজীক শিক্ষাৰ মাধ্যম হিচাবে গ্ৰহণ কৰিবলৈ উৎসাহিত কৰিছিল। আয়োগে ইংৰাজী ভাষাক প্ৰকাৰ অনুসৰি শিক্ষাৰ মাধ্যম হিচাবে ঘোষণা কৰিছিল।

শিক্ষাৰ মাধ্যম হিচাবে ইংৰাজী ভাষাৰ আধিপত্যৰ বাবে ভাৰতীয় ভাষাৰ অধ্যয়ন অবহেলিত হৈছিল। ইংৰাজী ভাষা ভাৰতীয় ল'ৰা-ছোৱালীৰ বাবে সহজলভ্য নাছিল। শিক্ষাৰ মাধ্যমৰ বাবে বহুতো শিক্ষাৰ্থী মাধ্যমিক শিক্ষা লাভৰ পৰা বঞ্চিত হৈছিল।

৩.৫ অন্যান্য পৰামৰ্শসমূহ

প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা পৰামৰ্শসমূহৰ উপৰিও আয়োগে শিক্ষাৰ বিভিন্ন ক্ষেত্ৰত পৰামৰ্শ আগবঢ়াইছিল। শিক্ষাৰ ছাত্ৰ হিচাবে আপোনালোকে আয়োগৰ অন্য পৰামৰ্শবোৰ জনাতো প্ৰয়োজনীয়। আয়োগৰ অন্য প্ৰধান পৰামৰ্শসমূহ তলত আলোচনা কৰা হ'ল।

দেশীয় শিক্ষাৰ ক্ষেত্ৰত ঃ ৰাষ্ট্ৰীয় শিক্ষাৰ এক আহিলা হিচাবে আয়োগে দেশীয় প্ৰাথমিক শিক্ষাৰ গুৰুত্ব অনুভৱ কৰিছিল। আয়োগে নিৰীক্ষণ কৰিছিল যে যদি দেশীয় প্ৰাথমিক স্কুলবোৰ চৰকাৰে স্বীকৃতি আৰু সাহায্য প্ৰদান কৰে, তেতিয়া ই উপযোগী শিক্ষা ব্যৱস্থা হ'ব। সেইবাবে আয়োগে ইয়াক ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থা হিচাবে স্বীকৃতি প্ৰদান কৰিছিল। ইয়াৰ উন্নতিৰ বাবে আগবঢ়োৱা কিছুমান পৰামৰ্শ তলত দাঙি ধৰা হ'ল।

- ধৰ্মনিৰপেক্ষ শিক্ষাদান কৰা স্কুলবোৰক চৰকাৰে উৎসাহ প্ৰদান কৰিব লাগে।
- পণ্ডিত আৰু মৌলবীসকলৰ সৈতে তেওঁলোকৰ বিকাশ সম্বন্ধে আলোচনা কৰিব লাগে।
- ফলাফলৰ ভিত্তিত অনুদান প্ৰদান কৰিব লাগে।
- চৰকাৰী সাহায্যপ্ৰাপ্ত স্কুলবোৰত শিক্ষা গ্ৰহণৰ বাবে সকলোৰে বাবে মুক্ত থাকিব লাগে।
- এইবোৰ স্কুলৰ পাঠ্যক্ৰমৰ ক্ষেত্ৰত চৰকাৰে হস্তক্ষেপ কৰিব নালাগে।
- এইবোৰ স্কুলত পঢ়া দুখীয়া ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ বাবে প্ৰশাসনে স্কুলৰ পৰিচালনা সমিতিৰ সৈতে আলোচনা কৰিব লাগে।

মিছনেৰী শিক্ষাৰ ক্ষেত্ৰত ঃ ভাৰতীয় শিক্ষাৰ ক্ষেত্ৰত আধিপত্য দেখুওৱা মিছনাৰীসকলক আয়োগে হস্তক্ষেপ কৰিছিল। আয়োগ গঠনৰ এটা কাৰণ হৈছে ইংলেণ্ডত মিছনেৰীসকলৰ আন্দোলন। আয়োগে মিছনেৰীসকলক ব্যক্তিগত প্ৰতিষ্ঠানতো অন্তৰ্ভুক্ত কৰা নাছিল। ইয়াত পুনৰ কোৱা হৈছিল যে ভাৰতবৰ্ষ এখন ডাঙৰ দেশ, ইয়াৰ শৈক্ষিক প্ৰয়োজনীয়তা বেছি। সেইবাবে উচ্চ শিক্ষাৰ দায়িত্ব কেৱল এটা দলক অৰ্পণ কৰাতো সম্ভৱ নহয়।

ওপৰত উল্লেখ কৰা আয়োগৰ পৰামৰ্শবোৰে মিছনেৰীসকলৰ ধৰ্মীয় শিক্ষাৰ ক্ষেত্ৰত হতাশা আনিছিল। তেওঁলোকৰ প্ৰচেষ্টাসমূহ পাহাৰীয়া আৰু পিছপৰা আঞ্চলৰ প্ৰাথমিক শিক্ষাৰ মাজতে সীমাৱদ্ধ আছিল। ভাৰতীয়সকলকো অনুভৱ কৰিব দিছিল যে ভৱিষ্যতে শিক্ষাৰ দায়িত্ব তেওঁলোকে ল'ব লাগিব। মিছনেৰীসকলে তেওঁলোকৰ সামাজিক-সাংস্কৃতিক আৰু শৈক্ষিক প্ৰয়োজন, আশা-আকাংক্ষা পূৰণ কৰিব নোৱাৰে।

মহিলাৰ শিক্ষা ঃ ভাৰতৰ মহিলা শিক্ষাৰ উন্নতিৰ বাবে হাণ্টাৰ আয়োগে বিভিন্ন পৰামৰ্শ আগবঢ়াইছিল। আয়োগে আৰু পৰামৰ্শ দিছিল যে ছোৱালীৰ স্কুললৈ উদাৰ অনুদান দিব লাগে আৰু সহায়ক অনুদান ব্যৱস্থা সহজ কৰি তুলিব লাগে। স্থানীয় আৰু পৌৰসভা আৰু প্ৰাদেশিক চৰকাৰৰ পুঁজি ল'ৰা আৰু ছোৱালীৰ স্কুলৰ বাবে নায্য অনুপাতে খৰচ কৰিব লাগে। যিসকল পুৰুষ আৰু মহিলাৰ, মহিলা শিক্ষাৰ প্ৰতি গুৰুত্ব আছে তেওঁলোকক স্কুলৰ পৰিচালনাত অন্তৰ্ভুক্ত কৰিব লাগে। ছোৱালীবোৰৰ পৰা মাচুল ল'ব নেলাগে যাতে তেওঁলোকৰ শিক্ষাৰ প্ৰতি আগ্ৰহ বাঢ়ে। যোগ্যতাসম্পন্ন ছোৱালীক বৃত্তি প্ৰদানৰ ব্যৱস্থা কৰিব লাগে যাতে তেওঁলোকে উচ্চশিক্ষা গ্ৰহণ কৰিব পাৰে। বৃত্তিমুখী প্ৰশিক্ষণৰ বাবে ছোৱালীবোৰক উৎসাহিত কৰিব লাগে আৰু মহিলা শিক্ষকৰ বাবে প্ৰশিক্ষণৰ

স্কুল আৰম্ভ কৰিব লাগে। ছোৱালী স্কুল পৰিদর্শন আৰু পৰামর্শদানৰ বাবে মহিলা পৰিদর্শকৰ নিযুক্তি দিব লাগে। ছোৱালীৰ বাবে মাধ্যমিক বিদ্যালয় স্থাপন কৰিব লাগে যেতিয়া তাৰ চাহিদা থাকে।

মুছলমানসকলৰ শিক্ষা ঃ আয়োগে মুছলমানসকলৰ শিক্ষা উপযুক্ত নাছিল বুলি অনুভৱ কৰিছিল। তেওঁলোক শিক্ষাৰ ক্ষেত্রত অতি পিছপৰা আছিল আৰু ইংৰাজী ক'ব পৰা মুছলমান লোকৰ সংখ্যা অতি কম আছিল। সেইবাবে আয়োগে মুছলমানসকলৰ শিক্ষাৰ বাবে বিশেষ সুবিধা প্রদান কৰিছিল যাতে দেশীয় মুছলমানৰ স্কুল যেনে মুছলমান হাইস্কুল, মজলীয়া আৰু প্রাথমিক স্কুল স্থাপনৰ বাবে যাতে উৎসাহিত হয়। মুছলমানসকলক উচ্চ শিক্ষা গ্রহণৰ বাবে উৎসাহিত কৰা হৈছিল। সকলো স্কুলতে মুছলমান শিক্ষার্থীৰ বাবে বিনামূলীয়া বৃত্তিৰ সংৰক্ষণ কৰা হৈছিল। সাধ্য অনুসৰি মুছলমান স্কুলত মুছলমান শিক্ষকক নিয়োগ কৰা হৈছিল। মুছলমান পৰিদর্শক ৰখা হৈছিল। ইয়াত পাঠদানৰ মানদণ্ড উন্নত কৰিব বিচৰা হৈছিল? এনেদৰে আয়োগে দেশৰ মুছলমানসকলৰ শিক্ষাৰ বিকাশ কৰিব বিচাৰিছিল।

পিছপৰা শ্রেণীৰ শিক্ষা ঃ আয়োগে পৰামর্শ দিছিল যে চৰকাৰী স্কুলত পিছপৰা শ্রেণীৰ শিক্ষাৰ বাবে বিশেষ সুবিধা থাকিব লাগে। আয়োগে পুনৰ পৰামর্শ দিছিল যে পিছপৰা শ্রেণীৰ শিক্ষাৰ বাবে কিছুমান চৰকাৰী স্কুল স্থাপন কৰিব লাগে। আয়োগে পিছপৰা শ্রেণীৰ ক্ষেত্রত আগবঢ়োৱা পৰামর্শই এই দিশৰ উন্নতিত সহায় কৰিছিল।

আদিবাসীসকলৰ শিক্ষা ঃ আয়োগে ব্যক্ত কৰিছিল যে আদিবাসীসকলৰ শিক্ষাৰ বাবে বিশেষ সুবিধা থাকিব লাগে। এনে অঞ্চলবোৰৰ ভৌগোলিক আৰু সামাজিক পৰিস্থিতি, পৰম্পৰা আৰু ৰীতি-নীতি অনুসৰি বিশেষধৰণৰ স্কুল স্থাপন কৰিব লাগে।

বেয়া পৰিস্থিতিত থকা ভাৰতীয় শিক্ষাক এটা নতুন দিশত নিবলৈ হাণ্টাৰ আয়োগে চেষ্টা কৰিছিল। ই ব্যক্তিগত প্রতিষ্ঠানবোৰক শিক্ষাৰ ক্ষেত্রত উৎসাহিত কৰিছিল। কিন্তু ইয়াৰ কিছুমান পৰামর্শ ক্ষতিকাৰক আছিল। ভাৰতীয় ভাষাবোৰক ভাৰতীয় লোকে অৱহেলা কৰিছিল কাৰণ শিক্ষাৰ মাধ্যম হিচাবে আয়োগে ইংৰাজী ভাষাক সমর্থন কৰিছিল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ দেশীয় শিক্ষাৰ ক্ষেত্রত আয়োগে আগবঢ়োৱা দুটা পৰামর্শ উল্লেখ কৰক।

.....

.....

৩.৭ ভাৰতীয় শিক্ষাৰ ইতিহাসত হাণ্টাৰ আয়োগৰ পৰামর্শাৱলীৰ প্রভাৱ

- **প্রভাব ঃ** ভাৰতীয় শিক্ষাৰ ইতিহাসত হাণ্টাৰ আয়োগৰ ভূমিকা অস্বীকাৰ কৰিব নোৱাৰি। ২০ শতিকাত এই আয়োগৰ ভাৰতীয় শিক্ষাৰ বিকাশত এই আয়োগৰ যথেষ্ট বৰঙণি আছিল। ইয়াৰ কিছুমান সফলতা তলত দাঙি ধৰা হ'ল।
- **মিছনেৰী শিক্ষকক অনুৎসাহিত কৰা ঃ** আয়োগে ইয়াৰ পৰামর্শৰ জৰিয়তে ভাৰতীয় শিক্ষাৰ পৰা মিছনেৰীসকলৰ প্রভাৱ সীমিত কৰিছিল। যদিও ব্রিটিছ প্রশাসকসকলে মিছনেৰীসকলক সমর্থন কৰিছিল, কিন্তু আয়োগে তেওঁলোকৰ সমর্থনত একো কোৱা নাছিল। ইয়াৰ এটা ভাল প্রভাৱ দেশৰ পিছৰ শিক্ষাত পৰিছিল।
- **দেশীয় শিক্ষাক উৎসাহ প্রদান ঃ** ভাৰতৰ দেশীয় প্রাথমিক শিক্ষা প্রতি সহানুভূতিশীল মনোভাবৰ বাবে আয়োগক কৃতিত্ব দিব পাৰি। ভাৰতীয় শিক্ষা ব্যৱস্থাৰ বিকাশ আৰু আধুনিকীকৰণৰ বাবে এই আয়েগে বহুতো ফলপ্রসূ পৰমর্শ আগবঢ়াইছিল।
- **ভাৰতীয় শিক্ষাৰ প্রতি আন্তৰিকতা ঃ** আয়োগে ভাৰতীয় শিক্ষাৰ বিভিন্ন আসোৱাহবোৰ বিবেচনা কৰিছিল

আৰ বাস্তৱ দিশৰ পৰা এইবোৰৰ সমাধানৰ বাবে পৰামৰ্শ আগবঢ়াইছিল। ই মহিলা শিক্ষা, মুছলমানসকলৰ শিক্ষা, হৰিজন আৰু পিছপৰা শ্ৰেণীৰ শিক্ষাৰ উন্নতিকৰণৰ বাবে পৰামৰ্শ আগবঢ়াইছিল। এই পৰামৰ্শবোৰে ভাৰতীয় শিক্ষাৰ প্ৰতি আন্তৰিকতাক প্ৰকাশ কৰিছে।

- **শিক্ষাৰ ক্ষেত্ৰত ধৰ্মনিৰেপেক্ষ নীতি ঃ** ভাৰতীয় সংস্কৃতি, ধৰ্ম আৰু সাহিত্যৰ প্ৰতি আয়োগৰ এক অতি উদাৰবাদী আৰু সহানুভূতিমূলক মতামত আছে। ধৰ্ম আৰু ভাষাৰ ক্ষেত্ৰত আয়োগে নিৰপেক্ষ মতামত দাঙি ধৰিছিল আৰু ভাৰতীয়সকলৰ অনুভূতিক আঘাত কৰিব বিচৰা নাছিল। ধৰ্মীয় নিৰপেক্ষতা আৰু সাংস্কৃতিক একতা বজাই ৰখাৰ বাবে আয়োগক শলাগ ল'ব লাগে।
- **উদাৰ সহায়ক ব্যৱস্থা ঃ** আয়োগে সহায়ক অনুদান ব্যৱস্থাক ফলপ্ৰসূ প্ৰয়োগৰ বাবে সংশোধন কৰিছিল। অনুদান প্ৰদানৰ ক্ষেত্ৰত আয়োগে এক উদাৰমূলক নীতি গ্ৰহণ কৰিছিল আৰু অনুদান প্ৰদানৰ ক্ষেত্ৰত চৰকাৰী আৰু বেচৰকাৰী অনুষ্ঠানৰ মাজত থকা প্ৰভেদ নাইকিয়া কৰিব বিচাৰিছিল। আয়োগে পৰামৰ্শ দিছিল যে অনুদান প্ৰদান কৰি চৰকাৰে অনুষ্ঠানবোৰৰ আভ্যন্তৰীণ দিশত কোনো ধৰণৰ হস্তক্ষেপ কৰিব নেলাগে। ইয়াৰ ফলত শিক্ষাত এক সুস্থ বাতাবৰণ গঢ় লৈ উঠিছিল।

আয়োগৰ পৰামৰ্শবোৰৰ সমালোচনা ঃ

আয়োগৰ পৰামৰ্শবোৰৰ সমালোচনাত কোৱা হৈছে যে আয়োগে ভাৰতীয় শিক্ষাৰ কিছুমান গুৰুত্বপূৰ্ণ দিশত উপযুক্ত গুৰুত্ব প্ৰদান কৰা নাছিল, যিবোৰ অতি জৰুৰী আৰু বহুদিনৰ পৰাই প্ৰয়োজন হৈ আছিল। পৰৱৰ্তী ভাৰতীয় শিক্ষাৰ বিকাশত প্ৰভাব পেলোৱা কিছুমান প্ৰধান আসোৱাহ তলত দাঙি ধৰা হ'ল।

- **অভিযান্ত্ৰিক আৰু প্ৰযুক্তি শিক্ষাক অনুৎসাহিত কৰা ঃ** সেই সময়ত প্ৰয়োজন থকা অভিযান্ত্ৰিক আৰু প্ৰযুক্তি শিক্ষাৰ ক্ষেত্ৰত আয়োগে পৰামৰ্শ আগবঢ়োৱা নাছিল। ইয়াৰ ফলত দেশৰ প্ৰযুক্তি শিক্ষা আৰু উদ্যোগিক বিকাশ পিছপৰি ৰৈছিল।
- **ইংৰাজী ভাষাৰ একত্ৰীকৰণ ঃ** ভাৰতীয় শিক্ষাৰ মাধ্যম হিচাবে মাতৃভাষা প্ৰয়োগৰ প্ৰশ্নটো আয়োগে সচেতনভাৱে এৰাই চলিছিল। ইয়াৰ ঠাইত উচ্চ বিদ্যালয়ত ইংৰাজী ভাষাৰ শিক্ষাৰ মাধ্যম হিচাবে ব্যৱহাৰৰ পৰামৰ্শ দিছিল। ফলস্বৰূপে ভাৰতীয় শিক্ষা ব্যৱস্থাত ভাৰতীয় ভাষাৰ পৰিৱৰ্তে ইংৰাজীভাষাই স্থান পাইছিল।
- **প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত চৰকাৰৰ কম অনুদান ঃ** আয়োগে প্ৰাথমিক শিক্ষাৰ দায়িত্ব স্থানীয় প্ৰশাসনক অৰ্পণ কৰিছিল কিন্তু ইয়াৰ অৰ্থৰ ক্ষেত্ৰত কোনো শক্তিশালী পৰামৰ্শ দিয়া নাছিল। চৰকাৰে সমগ্ৰ ব্যয়ৰ ১/৩ শিক্ষাৰ বিকাশৰ বাবে দিব বিচৰা সিদ্ধান্তটো পৰ্যাপ্ত নাছিল। ইয়াৰ ফলত, পইছাৰ অভাৱৰ বাবে প্ৰাথমিক শিক্ষাৰ উপযুক্ত সংশোধন আৰু বিকাশ সম্ভৱ হৈ উঠা নাছিল।
- **প্ৰাথমিক শিক্ষা বাধ্যতামূলক নকৰা ঃ** আয়োগে প্ৰাথমিক শিক্ষাৰ উন্নত কৰাৰ বাবে বহুতো পৰামৰ্শ আগবঢ়াইছিল কিন্তু প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰাৰ ক্ষেত্ৰত কোনো ধৰণৰ পৰামৰ্শ আগবঢ়োৱা নাছিল। এইটো উল্লেখ কৰা উচিত যে ইংলেণ্ডত ১৮৭০ চনৰ আগতে বাধ্যতামূলক প্ৰাথমিক শিক্ষা আইন প্ৰবৰ্তন হৈছিল। যি নহওক, আমাৰ দেশত তেনে পদক্ষেপ প্ৰয়োজনীয়তাক আওকাণ কৰা হৈছিল।
- **গ্ৰাম্য আৰু নগৰীয়া মানুহৰ মাজত পাৰ্থক্য ঃ** আয়োগে আগবঢ়োৱা পৰামৰ্শৰ ফলত গ্ৰাম্য আৰু নগৰীয়ালোকৰ জীৱন ধাৰণৰ ক্ষেত্ৰত পাৰ্থক্য আহি পৰিছিল। চৰকাৰী চাকৰিৰ সন্ধানত গাঁও অঞ্চলৰ পৰা লোক নগৰ অঞ্চললৈ আহিছিল। ই ভাৰতীয় সমাজৰ সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক জীৱনত প্ৰভাৱ পেলাইছিল।

ওপৰত উল্লেখ কৰা আয়োগৰ বিভিন্ন আসোৱাহবোৰে পৰৱৰ্তী সময়ত ভাৰতীয় শিক্ষাৰ বিকাশত প্ৰভাৱ পেলাইছিল। বৰ্তমান সময়ৰ বহুতো শৈক্ষিক সমস্যা হাণ্টাৰ আয়োগৰ পৰাই উদ্ভৱ হৈছিল।

৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় শিক্ষাৰ পৰিস্থিতি মূল্যায়ন কৰি ইয়াৰ সংশোধনৰ বাবে পৰামৰ্শ আগবঢ়োবলৈ হাণ্টাৰ আয়োগ গঠন কৰা হৈছিল।
- ১৮৮২ চনৰ '৩' ফেব্ৰুৱাৰীত লৰ্ড ৰিপনে প্ৰথম ভাৰতীয় শিক্ষা আয়োগ গঠন কৰিছিল।
- এই আয়োগৰ অধ্যক্ষ উলিয়াম হাণ্টাৰ আছিল বাবে এই আয়োগখনক হাণ্টাৰ আয়োগ বুলি জনা যায়।
- এই আয়োগে প্ৰাথমিক শিক্ষাৰ চৰ্ত আৰু ইয়াৰ খৰচৰ পদ্ধতি, দেশৰ অনুষ্ঠানৰ পৰিস্থিতি আৰু গুৰুত্ব, ভাৰতীয় শিক্ষাৰ সাধাৰণ মিছনেৰী অনুষ্ঠানৰ গুৰুত্ব, ব্যক্তিগত প্ৰতিষ্ঠানৰ প্ৰতি চৰকাৰৰ মনোভাব আদিবোৰ অনুসন্ধান কৰিব লাগিছিল।
- আয়োগে প্ৰথমতে কলিকতাত প্ৰায় ৭ সপ্তাহ কাম কৰিছিল আৰু পিছত তথ্য সংগ্ৰহ আৰু সাক্ষীৰ পৰীক্ষা কৰিবলৈ ৮ মাহ গোটেই দেশ ভ্ৰমণ কৰিছিল আৰু শেষত ৬০০ পৃষ্ঠাযোৰা ২২২ টা সিদ্ধান্ত থকা প্ৰতিবেদনখন ১৮৮৩ চনত অৰ্পণ কৰিছিল।
- ইয়াত পৰামৰ্শ দিয়া হৈছিল যে প্ৰাথমিক শিক্ষা সাধাৰণ মানুহৰ বাস্তৱ জীৱনৰ সৈতে সম্পৰ্কিত হ'ব লাগে। ইয়াক কেৱল বিশ্ববিদ্যালয় শিক্ষাৰ পদক্ষেপ বুলি গণ্য কৰিব নেলাগে।
- মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰমক দুটা ভাগত ভগাব লাগে। প্ৰথম ভাগটো সাহিত্য আৰু বিজ্ঞানৰ বিষয়বোৰ অন্তৰ্ভুক্ত কৰিব লাগে আৰু অন্যভাগটোত বৃত্তীয় বিষয়বোৰ অন্তৰ্ভুক্ত কৰিব লাগে।
- হাণ্টাৰ আয়োগৰ পৰামৰ্শ অনুসৰি দেশত কলেজৰ সংখ্যা বৃদ্ধি কৰিব লাগে।
- ১৮৮৩ চনৰ পিছত মাধ্যমিক শিক্ষাৰ অগ্ৰগতি যথেষ্ট বৃদ্ধি পাইছিল আৰু দশকটো ইয়াৰ প্ৰগতিৰ হাৰ বৃদ্ধি পাইছিল।

৩.৯ অধিক জানিবলৈ

১) Chaube, S.P. (1999*). History and Problems of Indian Education*. Agra: Vinod Pustak Mandir.

২) Aggarwal, J.C. (2004). *Landmarks in the History of the Modern Indian Education*. New Delhi: Vikas Publishing House Pvt. Ltd.

৩) Ghosh, Suresh C. (2007). *History of Education in India*. New Delhi: Rawat Publications

৪) Dash, B.N. (2014). *History of Education in India*. New Delhi: Dominant Publishers and Distributors Pvt. Ltd.

৩.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ ১৮৮২ চনৰ ৩ ফেব্ৰুৱাৰীত লৰ্ড ৰিপনে হাণ্টাৰ আয়োগ গঠন কৰিছিল।

২ নং প্ৰশ্নৰ উত্তৰঃ কাৰ্যবাহী পৰিষদৰ সদস্য উইলিয়াম হাণ্টাৰক এই আয়োগৰ অধ্যক্ষ হিচাবে নিয়োগ কৰা হৈছিল।

৩ নং প্ৰশ্নৰ উত্তৰঃ আয়োগত ২০ গৰাকী সদস্য আছিল।

৪ নং প্ৰশ্নৰ উত্তৰঃ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত হাণ্টাৰ আয়োগৰ সফলতাৰ দুটা দিশ হৈছে-

- আয়োগে ভাৰতৰ জনসাধাৰণৰ শিক্ষাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিছিল আৰু সকলো পৰামৰ্শ সেই অনুযায়ী প্ৰদান কৰিছিল।

- প্রাথমিক শিক্ষাৰ মাধ্যম হিচাবে মাতৃভাষাক ব্যৱহাৰৰ পৰামর্শ দিয়াতো যুক্তি সংগত আছিল।

৫ নং প্রশ্নৰ উত্তৰঃ দেশীয় শিক্ষাৰ ক্ষেত্রত আয়োগে আগবঢ়োৱা দুটা পৰামর্শ হৈছে

- ধর্মনিৰপেক্ষ শিক্ষা আগবঢ়োৱা দেশীয় স্কুলবোৰক চৰকাৰে উৎসাহিত কৰিব লাগে।
- বিকাশৰ সম্পর্কে পণ্ডিত আৰু মৌলবীসকলৰ সৈতে আলোচনা কৰিব লাগে।

? ৩.১১ আৰ্হি প্রশ্ন

ক) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখিব)

প্রশ্ন ১ঃ হাণ্টাৰ আয়োগ নিয়োগৰ পটভূমি চমুকৈ লিখক।

প্রশ্ন ২ঃ হাণ্টাৰ আয়োগৰ প্রধান উদ্দেশ্যবোৰ উল্লেখ কৰক।

প্রশ্ন ৩ঃ প্রাথমিক শিক্ষাৰ ক্ষেত্রত হাণ্টাৰ আয়োগৰ পৰামর্শবোৰৰ মূল্যায়ন কৰক।

প্রশ্ন ৪ঃ মাধ্যমিক শিক্ষাৰ ক্ষেত্রত হাণ্টাৰ আয়োগৰ পৰামর্শবোৰৰ মূল্যায়ন কৰক।

খ) দীঘল প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত লিখিব)

প্রশ্ন ১ঃ প্রাথমিক শিক্ষাৰ ক্ষেত্রত হাণ্টাৰ আয়োগৰ পৰামর্শবোৰ লিখক আৰু ভাৰতীয় শিক্ষাৰ বিকাশত এই ধাৰাৰ প্রভাৱ লিখক।

প্রশ্ন ২ঃ মাধ্যমিক শিক্ষাৰ ক্ষেত্রত হাণ্টাৰ আয়োগৰ পৰামর্শবোৰ কি আছিল? ভাৰতীয় শিক্ষাত ইয়াৰ প্রভাৱ সম্পর্কে লিখক।

প্রশ্ন ৩ঃ ১৮৮২ চনৰ ভাৰতীয় শিক্ষা আয়োগৰ পৰামর্শবোৰ কি আছিল? এইবোৰে কেনেকৈ ভাৰতীয় শিক্ষাৰ চাহিদা পূৰণ কৰিব?

প্রশ্ন ৪ঃ ভাৰতীয় শিক্ষাৰ ক্ষেত্রত হাণ্টাৰ আয়োগৰ পৰামর্শবোৰৰ প্রভাৱ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৪ঃ ব্রিটিছ ভাৰতৰ শিক্ষা III (লর্ড কার্জনৰ শিক্ষা নীতি)

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ প্রাথমিক শিক্ষাৰ ক্ষেত্রত লর্ড কার্জনৰ শিক্ষা নীতি
৪.৩.১ প্রাথমিক শিক্ষাৰ ক্ষেত্রত এই নীতিৰ মূল্যায়ন
৪.৪ মাধ্যমিক শিক্ষাৰ ক্ষেত্রত চৰকাৰী নীতিৰ প্রভাৱ
৪.৪.১ মাধ্যমিক শিক্ষাৰ ক্ষেত্রত চৰকাৰী নীতিৰ প্রভাৱ
৪.৫ বিশ্ববিদ্যালয় শিক্ষাৰ ক্ষেত্রত লর্ড কার্জনৰ শিক্ষা নীতি
৪.৫.১ বিশ্ববিদ্যালয় শিক্ষাৰ নীতিৰ মূল্যায়ন
৪.৬ ১৯০৪ চনৰ শিক্ষা নীতিৰ ওপৰত ভাৰত চৰকাৰৰ প্রস্তাৱ
৪.৭ ভাৰতীয় শিক্ষা আইন, ১৯০৪
৪.৮ ভাৰতীয় শিক্ষাত ১৯০৪ চনৰ ভাৰতীয় বিশ্ববিদ্যালয় আইনৰ প্রভাৱ
৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.১০ অধিক জানিবলৈ
৪.১১ অগ্রগতিৰ খতিয়ান
৪.১২ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাৰতৰ শিক্ষা বিকাশত লর্ড কার্জনৰ ভূমিকা বহলাই লিখিব পাৰিব
- প্রাথমিক শিক্ষাত লর্ড কার্জনৰ নীতিৰ বিশ্লেষণ কৰিব পাৰিব
- মাধ্যমিক শিক্ষাৰ ক্ষেত্রত কার্জনৰ নীতিৰ আলোচনা কৰিব পাৰিব
- বিশ্ববিদ্যালয় শিক্ষাৰ ক্ষেত্রত কার্জনৰ নীতিৰ ব্যাখ্যা কৰিব পাৰিব
- ভাৰতীয় শিক্ষাত কার্জনৰ নীতিৰ প্রভাৱ চিনাক্ত কৰিব পাৰিব।

৪.২ পৰিচয়

১৮১৯ চনত লর্ড কার্জন ভাৰতৰ গৱর্ণৰ জেনেৰেল হৈ আহিছিল। শিক্ষাৰ ক্ষেত্রত লর্ড কার্জনৰ ভূমিকা জানিবলৈ হ'লে দেশৰ শিক্ষা বিকাশৰ বিষয়ে আমি জানিব লাগিব। আমি ইতিমধ্যে জানিব পাৰিছো যে উচ্চ ডেচ পাছৰ পিছত ১৮৮২ চনত প্রথম ভাৰতীয় শিক্ষা আয়োগ গঠন হয়। আমি ইতিমধ্যে আগৰ অধ্যায়ত ১৮৮২ চনৰ শিক্ষা আয়োগে কলেজিয়েট আৰু মাধ্যমিক শিক্ষাৰ প্রসাৰত যথেষ্ট গুৰুত্ব প্রদান কৰিছিল। কিন্তু যি নহওক, সেই সময়ত শিক্ষাৰ মানদণ্ড নিম্ন স্তৰৰ হোৱাতো আমি অস্বীকাৰ কৰিব নোৱাৰো।

শিক্ষাৰ ক্ষেত্রত লর্ড কার্জনৰ নীতি বুজিবলৈ হ'লে আমি দেশৰ ৰাজনৈতিক আন্দোলন আৰু কার্জনৰ ৰাজনৈতিক মতামত জানিব লাগিব। আমি জানো যে ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্রেছ স্থাপিত হৈছিল। ইয়াৰ প্রতিষ্ঠাই গোটেই দেশত নতুন উৎসাহ আনিদিছিল। তেতিয়াৰ শিক্ষিত লোকসকলে ৰাজনৈতিক অধিকাৰ আৰু বিশেষ অধিকাৰৰ দাবী জনাইছিল। দেশৰ সমগ্র দিশৰ বিকাশৰ প্রতি কার্জনৰ আবেগ আছিল আৰু দেশৰ সেৱা কৰিবলৈও উৎসাহ আছিল। যিহওক তেওঁৰ ৰাজনৈতিক মতামত জনসাধাৰণক তেওঁ প্রতি প্রতিকূল কৰি

তুলিছিল। সেইবাবে তেওঁৰ সকলো নীতি আৰু কার্যবোৰক অবিশ্বাস আৰু সন্দেহৰ চকুৰে চাইছিল।

যেতিয়া ভাৰতীয় শিক্ষা আয়োগৰ পৰামর্শবোৰ প্রয়োগ কৰা হৈছিল, মাধ্যমিক আৰু উচ্চ শিক্ষাৰ অগ্রগতি হৈছিল। ১৮৮২ চনত থকা ৭৯ কলেজৰ সংখ্যা ১৯০২ চনত ১৯১ খনলৈ বৃদ্ধি পাইছিল। কিন্তু অর্থৰ অভাৱত কলেজৰ মানদণ্ড নিম্নমানৰ হৈছিল। সেইবোৰ উপযুক্ত বিল্ডিং, পুঁথিভঁৰাল আৰু অন্য প্রয়োজনীয় সামগ্রী নাছিল। শিক্ষাৰ উদ্দেশ্য আছিল কেৱল পৰীক্ষাত পাছ কৰা। অনুষ্ঠানবোৰৰ প্রত্যক্ষ পৰিচালনাৰ পৰা চৰকাৰে এৰিব বিচাৰিছিল। এই সময়ছোৱাত পাঞ্জাৱ আৰু উত্তৰ-পশ্চিম ফণ্টইয়াৰ প্রভিন্সত দুখন বিশ্ববিদ্যালয় স্থাপন হৈছিল। শতিকাটোৰ শেষৰ ফালে মানুহে মাধ্যমিক আৰু উচ্চ শিক্ষাৰ প্রসাৰক সমালোচনা কৰিছিল। লর্ড কার্জন ভাৰতলৈ অহাৰ সময়ত দেশৰ বাস্তৱ অৱস্থা এনেধৰণৰ আছিল।

ভাৰতলৈ অহাৰ পিছত, লর্ড কার্জনে অনুভৱ কৰিছিল যে দেশৰ শিক্ষা উপযুক্ত অৱস্থাত নাই। তেওঁ প্রথমে ১৯০১ চনত চিমলাত এক অধিবেশন অনুষ্ঠিত কৰিছিল। এই অধিবেশনত তেওঁ শিক্ষিত ভাৰতীয় লোক আৰু ব্রিটিছৰ সৈতে শিক্ষাৰ সমস্যাবোৰৰ বিষয়ে আলোচনা কৰিছিল। ইয়াৰ পিছত তেওঁ শিক্ষাৰ এক আয়োগ গঠন কৰিছিল যাক ভাৰতীয় বিশ্ববিদ্যালয় আয়োগ বুলি জনা যায়। এই আয়োগখনে ১৯০২ চনত ইয়াৰ প্রতিবেদন জমা কৰিছিল। ভাৰতীয় বিশ্ববিদ্যালয় আয়োগৰ প্রতিবেদন ১৯০৪ চনৰ ভাৰত চৰকাৰ প্রস্তাৱনাত সন্নিবিষ্ট কৰা হৈছিল। ভাৰত চৰকাৰৰ প্রস্তাৱনা প্রকাশিত হোৱাৰ পিছত ১৯০৪ চনৰ বিশ্ববিদ্যালয় আইন গৃহীত হৈছিল।

লর্ড কার্জনে শিক্ষাৰ প্রাথমিক স্তৰৰ পৰা উচ্চ স্তৰলৈ নীতি প্রস্তুত কৰিছিল। কিন্তু তেওঁ বিশ্ববিদ্যালয় শিক্ষাত অধিক গুৰুত্ব দিছিল। ভাৰতীয় শিক্ষাৰ ক্ষেত্রত কার্জনৰ নীতি সম্পর্কে পৰৱর্তী ভাগত আলোচনা কৰা হ'ব।

৪.৩ প্রাথমিক শিক্ষাৰ ক্ষেত্রত লর্ড কার্জনৰ শিক্ষানীতি

লর্ড কার্জনে প্রাথমিক শিক্ষাক সমর্থন কৰিছিল। ভাৰতলৈ অহাৰ পিছত তেওঁ অনুভৱ কৰিছিল যে দেশৰ প্রাথমিক শিক্ষাৰ অৱস্থা দুখলগা। তেওঁ নিৰীক্ষণ কৰিছিল যে ইয়াৰ প্রধান কাৰণ হৈছে পুঁজিৰ অভাৱ। সেইবাবে তেওঁ ঘোষণা কৰিছিল যে প্রাথমিক শিক্ষাৰ প্রসাৰ হৈছে - তেওঁ প্রধান শিক্ষানীতি। তাৰোপৰি তেওঁ হেচা দিছিল যে প্রাথমিক শিক্ষাৰ দায়িত্ব হৈছে ৰাজ্যৰ অত্যাৱশ্যকীয় দায়িত্ব। প্রাথমিক শিক্ষাৰ ক্ষেত্রত তেওঁৰ নীতিবোৰ তলত দাঙি ধৰা হ'ল।

- লর্ড কার্জনে ৰাজ্যিক আৰু কেন্দ্রীয় চৰকাৰক প্রাথমিক শিক্ষাত অধিক গুৰুত্ব দিবলৈ পৰামর্শ দিছিল, বিশেষকৈ পিছপৰা অঞ্চলবোৰত।
- কার্জনে প্রাথমিক শিক্ষাত ফলাফলৰ ভিত্তিত অর্থ প্রদানৰ ব্যৱস্থা বন্ধ কৰিছিল আৰু তাৰ ঠাইত এটা বিজ্ঞানসম্মত আর্থিক অনুদান পদ্ধতি গ্রহন কৰিছিল।
- লর্ড কার্জনে প্রাথমিক স্কুলত ভাল শিক্ষা পদ্ধতি প্রয়োগ কৰিবলৈ চেষ্টা কৰিছিল যাতে অধিক ল'ৰা-ছোৱালী তেনে স্কুলৰ প্রতি আকর্ষিত হয়।
- লর্ড কার্জনে কৈছিল প্রাথমিক স্কুলৰ শিক্ষক প্রশিক্ষণ ব্যৱস্থা বৃদ্ধি কৰিব লাগে।
- কার্জনে নগৰ আৰু গাওঁ অঞ্চলৰ প্রাথমিক শিক্ষাৰ পাঠ্যক্রম পৃথক কৰিবলৈ পৰামর্শ দিছিল।
- দেশৰ গাঁৱৰ লোকসকলৰ প্রয়োজন অনুসৰি প্রাথমিক শিক্ষাৰ নীতি গ্রহন কৰিব লাগে।

প্রাথমিক শিক্ষাৰ ক্ষেত্রত লর্ড কার্জনৰ দৃষ্টিভংগী বহল ধৰণৰ আছিল। প্রাথমিক শিক্ষাৰ সক্রিয় প্রসাৰ ৰাজ্যৰ প্রথম কর্তব্য হ'ব লাগে। ১৯০৪ চনৰ ভাৰত চৰকাৰৰ প্রস্তাৱনাত প্রাথমিক শিক্ষাৰ স্পষ্ট অর্থনৈতিক নীতি গ্রহণ কৰা হৈছিল। প্রাথমিক শিক্ষাৰ ৰাজ্যিক কৰৰ ওপৰত দাবী আছিল আৰু স্থানীয় প্রাশাসনৰ পুঁজিৰ প্রধান দাবীদাৰ আছিল। সেইবাবে চৰকাৰে স্পষ্টকৈ কৈছিল যে বোর্ডে কেৱল প্রাথমিক শিক্ষাৰ বাবে শিক্ষা পুঁজি খৰচ কৰিব লাগে। এই প্রশাসনে তেওঁলোকৰ বাজেট পাব্লিক ইন্ষ্ট্রাকচনৰ নির্দেশনাক পৰিদর্শকৰ যোগেদি প্রদান কৰিব লাগে।

৪.৩.১ প্রাথমিক শিক্ষাৰ ক্ষেত্রত এই নীতিৰ মূল্যায়ন

লর্ড কার্জন কেৱল এজন সবল প্রশাসনিক বিষয়াই নহয় তেওঁ হৈছে এগৰাকী শিক্ষা সংস্কাৰকো। তেওঁ ভাৰতীয় শিক্ষাৰ সকলো দিশেই স্পর্শ কৰিছিল। ২০ শতিকাৰ আৰম্ভণিত তেওঁৰ শৈক্ষিক সংশোধনে আধুনিকতাৰ অনুভৱ আনি দিছিল আৰু শৈক্ষিক পুনৰ নির্মাণৰ আন্দোলন গঢ়ি তুলিছিল। ভাৰতীয় লোকৰ আর্থ-সামাজিক বিকাশৰ বাবে প্রাথমিক শিক্ষাৰ প্রয়োজনীয়তা তেওঁ সম্পূর্ণৰূপে অনুভৱ কৰিছিল। নিৰক্ষৰতা দূৰীকৰণ কৰি জনশিক্ষা অনাৰ ক্ষেত্রত তেওঁ প্রখৰ অধিবক্তা আছিল। প্রাথমিক শিক্ষাত তেওঁৰ নীতি কেৱল সংখ্যা বৃদ্ধি নাছিল, আধুনিকতাৰ গুণমান বৃদ্ধি আছিল। সেইবাবে তেওঁ আমাৰ প্রচলিত প্রাথমিক শিক্ষাত কিছুমান নতুন ধাৰণা আছিল।

তেওঁ উপযুক্তভাৱে ধাৰণা কৰিছিল অর্থৰ অভাৱেই হৈছে আমাৰ প্রাথমিক শিক্ষাৰ উদ্দেশ্যপূৰণৰ ক্ষেত্রত থকা প্রতিবন্ধকতা এনেদৰে তেওঁ স্কুলবোৰৰ কাৰণে উদাৰ নীতিৰ অনুদান গ্রহন কৰিছিল। এই পৰিৱেশটো উন্নত কৰিবৰ বাবে চৰকাৰ/অনুদানৰ ব্যৱস্থা কৰিছিল।

লর্ড কার্জনে আমাৰ প্রাথমিক শিক্ষাৰ পৰা পৰম্পৰাগত দিশবোৰ আঁতৰাব বিচাৰিছিল। তেওঁ ইয়াক উপযোগী, ব্যৱহাৰিক আৰু আধুনিক কৰিব বিচাৰিছিল। তেওঁ শিক্ষক প্রশিক্ষণৰ ব্যৱস্থা কৰিছিল আৰু তেওঁলোকৰ দৰমহাৰ আর্হি উন্নত কৰিছিল। তেওঁ কৃষি শিক্ষাৰ আৰম্ভণি কৰি পাঠ্যক্রম উন্নত কৰিছিল। প্রাথমিক শিক্ষাৰ পাঠ্যক্রমত স্থানীয় আৰু পৰিৱেশীয় প্রয়োজন অনুভৱ কৰিছিল যাৰ দ্বাৰা ইয়াক উপযোগী আৰু বাস্তৱসন্মত কৰি তুলিব পাৰি। তেওঁ কিণ্ডাৰগার্টেনৰ দৰে উন্নত শিক্ষা পদ্ধতি ব্যৱহাৰ কৰি আধুনিক কৰিবলৈ চেষ্টা কৰিছিল।

প্রাথমিক শিক্ষাৰ ক্ষেত্রত লর্ড কার্জনৰ সফলতাবোৰ তলত দাঙি ধৰা হ'ল।

- তেওঁৰ শৈক্ষিক সংশোধনবোৰ বিস্তৃত আছিল য'ত প্রাথমিক, মাধ্যমিক আৰু উচ্চশিক্ষা অন্তর্ভুক্ত আছিল।
- তেওঁ একেসময়তে প্রাথমিক সিক্ষাৰ গুণগত মান আৰু সংখ্যাগত পৰিমাণ বৃদ্ধি কৰিব বিচাৰিছিল।
- ভাৰতীয় প্রাথমিক শিক্ষাৰ পৰা অর্থনৈতিক অসুবিধা গুচাবলৈ তেওঁ উদাৰ অনুদান প্রথা গ্রহণ কৰিছিল।
- আমাৰ প্রাথমিক শিক্ষাৰ আধুনিকীকৰণৰ উৎসাহ তেওঁৰ দ্বাৰাই আৰম্ভ হৈছিল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ লর্ড কার্জন ..... চনত ভাৰতলৈ গবর্ণৰ জেনেৰেল হৈ আহিছিল। (খালী ঠাই পূৰণ কৰক।)

প্রশ্ন নং ২ঃ ভাৰতীয় জাতীয় কংগ্রেছ ..... প্রতিষ্ঠা হৈছিল। (খালী ঠাই পূৰণ কৰক।)

প্রশ্ন নং ৩ঃ ১৮৮২ চনৰ পৰা ১৯০২ চনৰ ভিতৰত কিমান কলেজ ভাৰতত আছিল?

.....

প্রশ্ন নং ৪ঃ প্রাথমিক শিক্ষাৰ ক্ষেত্রত লর্ড কার্জনৰ দুটা সফলতা লিখক।

.....

৪.৪ মাধ্যমিক শিক্ষাত লর্ড কার্জনৰ শিক্ষা নীতি

লর্ড কার্জনৰ মাধ্যমিক শিক্ষাৰ নীতি অতি গুৰুত্বপূর্ণ। ১৯০৪ চনৰ ভাৰত চৰকাৰৰ প্রস্তাৱনাত লর্ড কার্জনৰ শিক্ষা নীতি স্পষ্ট ৰূপত প্রকাশ পাইছিল। মাধ্যমিক শিক্ষাৰ ক্ষেত্রত চৰকাৰী প্রস্তাৱনাত কোৱা হৈছিল- 'চৰকাৰে সম্প্রদায়ৰ স্বার্থত মাধ্যমিক স্কুলত প্রদান কৰা শিক্ষা চাবলৈ বাধ্য।' এই উদ্দেশ্যত উপনীত হ'বলৈ লর্ড কার্জনে নিজৰ নীতি বলবৎ কৰিছিল আৰু পুৰণি নীতিৰ প্রসাৰৰ পৰিৱর্তে নিয়ন্ত্রণ আৰু তত্ত্বাৱধানৰ নতুন নীতি গ্রহন কৰিছিল। মাধ্যমিক স্কুলৰ স্বীকৃতি প্রদানৰ নীতি কঠোৰ কৰি তুলিছিল। ১৯০৪ চনৰ পিছত স্বীকৃতি বিহীন স্কুলৰ ছাত্রই মেট্রিক পৰীক্ষা দিয়াৰ অনুমতি পোৱা নাছিল। স্বীকৃতি বিহীন কোনো স্কুলে অনুদান লাভ ৰা নাছিল। ইয়াৰ ফলত ফলত সকলো মাধ্যমিক স্কুল চৰকাৰৰ নিয়ন্ত্রণত আহিছিল। শিক্ষাৰ গুণমান উন্নত কৰিবলৈ চৰকাৰে

কিছুমান ভাল পৰামর্শ আগবঢ়াইছিল। উন্নত কৰাৰ প্রক্রিয়াৰ সৈতে পৰিদর্শকসকলক নিয়োজিত কৰিছিল, ওচৰৰ চৰকাৰী স্কুলবোৰ মডেল স্কুল হিচাবে কৰিছিল আৰু শিক্ষকসকলক প্রশিক্ষণ দিয়া হৈছিল।

লর্ড কার্জনৰ মাধ্যমিক শিক্ষাৰ নীতি তলত দাঙি ধৰা হ'ল-

- প্রত্যেকখন মাধ্যমিক স্কুল, ই ব্যক্তিগতভাৱে পৰিচালিত বা জনসাধাৰণৰ দ্বাৰাই পৰিচালিত হওক, শিক্ষা বিভাগৰ দ্বাৰা স্বীকৃতি প্রাপ্ত হ'ব লাগিব, চৰকাৰে ধৰি দিয়া নীতি-নিয়ম পালন কৰিব লাগিব।
- প্রত্যেকখন মাধ্যমিক স্কুল শিক্ষা বিভাগৰ দ্বাৰা স্বীকৃতি প্রাপ্ত হোৱাৰ উপৰিও বিশ্ববিদ্যালয়ৰ দ্বাৰাও স্বীকৃতি প্রাপ্ত হ'ব লাগিব যাতে মেট্রিক পৰীক্ষাৰ বাবে ছাত্র-ছাত্রী পঠিয়াব পাৰে।
- অস্বীকৃতি প্রাপ্ত স্কুলৰ পৰা ছাত্র-ছাত্রী পঠিয়াব পাৰে।
- অস্বীকৃতিপ্রাপ্ত স্কুলৰ পৰা ছাত্র-ছাত্রী স্বীকৃতি প্রাপ্ত স্কুললৈ স্থানান্তৰ হ'ব নোৱাৰিব।
- শিক্ষাক প্রশিক্ষণ অনুষ্ঠানবোৰ স্থাপন হ'ব লাগিব।
- চৰকাৰী স্কুলৰ সক্ষমতা বৃদ্ধি কৰি তুলিবৰ বাবে চৰকাৰে ৰাজ্যিক চৰকাৰবোৰলৈ অধিক ধনৰ অনুদান আগবঢ়াব লাগিব।
- শিক্ষাৰ মানদণ্ড উন্নত কৰিবলৈ ব্যক্তিগত খণ্ডৰ স্কুলকো আর্থিক অনুদান আগবঢ়াব লাগিব।
- হাইস্কুলৰ পাঠ্যক্রম ছাত্র-ছাত্রীৰ বাবে অধিক উপযোগী আৰু ব্যৱহাৰিক কৰি তুলিবলৈ ইয়াক সংশোধন কৰিব লাগিব।
- মজলীয়া স্কুলত শিক্ষাৰ মাধ্যম মাতৃভাষা হ'ব লাগিব?
- মাধ্যমিক স্কুলৰ নিয়ন্ত্রণ কঠোৰ হিচাবে ৰাখিবলৈ পৰিদর্শন ব্যৱস্থা শক্তিশালী হ'ব লাগিব।

প্রথমবাৰৰ বাবে, কার্জনৰ চৰকাৰে মজলীয়া স্কুলত শিক্ষাৰ মাধ্যম মাতৃভাষা হোৱাত উৎসাহ প্রদান কৰিছিল আৰু আনকি হাইস্কুল পর্যায়তো মাতৃভাষাৰ অধ্যয়ন বাদ দিয়াতো অনুমতি নাছিল আৰু শিশুসকলৰ ১৩ বছৰ হোৱাৰ আগতে ইংৰাজী শিকিব লাগিছিল।

৪.৪.১ মাধ্যমিক শিক্ষাৰ ক্ষেত্রত চৰকাৰী নীতিৰ প্রভাৱ

মাধ্যমিক শিক্ষাত নীতি প্রয়োগৰ ক্ষেত্রত লর্ড কার্জনক সফল হোৱা বুলি ক'ব পাৰি। তেওঁৰ নিয়ন্ত্রণৰ নীতিয়ে ভাল ফলাফল দেখুৱাইছিল। মাধ্যমিক স্কুলৰ চৰকাৰ আৰু বিশ্ববিদ্যালয়ৰ দ্বাৰা দুবাৰকৈ স্বীকৃতি প্রাপ্ত হ'ব লগা বাবে অনুষ্ঠানৰ প্রশাসনিক দিশৰ মানদণ্ড উন্নত হৈছিল। সকলো বেচৰকাৰী অনুষ্ঠানবোৰে দুয়োটা কর্তৃপক্ষৰ পৰা স্বীকৃতি পাবলৈ অতি আগ্রহী আছিল আৰু ইয়াৰ বাবে মানদণ্ড উন্নত কৰিবলৈ তেওঁলোকে চেষ্টা কৰিছিল। আনহাতে দুর্বল অনুষ্ঠানবোৰে স্বীকৃতি আৰু চৰকাৰী অনুদান পোৱাত ব্যর্থ হৈছিল আৰু অৱশেষত বন্ধ হ'বলগীয়া হৈছিল। সেইবাবে ব্যক্তিগত মাধমিক স্কুলৰ ক্ষেত্রত কঠোৰ নিয়ন্ত্রণৰ নীতিয়ে এইটো স্তৰত প্রশাসনিক শৃংখলাবদ্ধতা আনি দিছিল। শিক্ষৰ গুণগতমান উন্নত কৰাৰ ক্ষেত্রত ইয়াৰ ইতিবাচক প্রভাৱ আছিল।

বিশ্ববিদ্যালয়ৰ দ্বাৰা মাধ্যমিক স্কুলৰ স্বীকৃতিয়ে আকৌ ইয়াৰ বিদ্যায়তনিক মানদণ্ড উন্নত কৰাত সহায় কৰে। পাঠ্যক্রমৰ শিক্ষা প্রদানৰ ক্ষেত্রত স্থলবোৰে গুৰুত্ব প্রদান কৰিব লাগে। তাৰোপৰি নাম ভর্তিকৰণৰ ক্ষেত্রত নিয়ম বান্ধি দিব লাগে যি স্কুলৰ উপযুক্ত বিদ্যায়তনিক পৰিৱেশৰ সৃষ্টি কৰে।

ব্রিটিছ প্রশাসক হ'লেও লর্ড কার্জনে মাধ্যমিক স্কুলত শিক্ষাৰ মাধ্যম মাতৃভাষা হোৱাত উৎসাহিত কৰিছিল। মজলীয়া পর্যায়লৈ শিক্ষাৰ মাধ্যম মাতৃভাষা হ'ব লাগিছিল। ই বহুতো ভাৰতীয় ছাত্র-ছাত্রীক মাতৃভাষাৰ যোগেদি শিক্ষা আহৰণত সহায় কৰিছিল। ইংৰাজীৰ প্রতি পক্ষপাতিত্বৰ অনুভূতি নৰখাকৈ ভাৰতীয় ভাষাৰ বিকাশত সহায় কৰিছিল। এইটো লক্ষ্য কৰা হৈছিল যে মজলীয়া স্কুল পর্যায়ত মাতৃভাষা শিক্ষাৰ মাধ্যম হিচাবে প্রয়োগ হোৱাৰ ফলত ই পৰৱর্তী সময়ত মাধ্যমিক স্তৰত মাতৃভাষা শিক্ষাৰ মাধ্যম হোৱাৰ পথ মুকলি কৰিছিল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ মাধ্যমিক শিক্ষাৰ ক্ষেত্রত লর্ড কার্জনৰ শিক্ষানীতিৰ দুটা দিশ লিখক।

.....

৪.৫ বিশ্ববিদ্যালয় শিক্ষাৰ ক্ষেত্রত লর্ড কার্জনৰ নীতি

লর্ড কার্জনে দেখিছিল যে ভাৰতৰ বিশ্ববিদ্যালয়বোৰ আওঁপুৰণি। যদিও ১৮৯৮ চনত লণ্ডন বিশ্ববিদ্যালয়ে এইবোৰক স্বীকৃতি প্রদান কৰিছিল। আপোনালোকে জানে যে ভাৰতীয় বিশ্ববিদ্যালয়সমূহ লণ্ডন বিশ্ববিদ্যালয়ৰ আর্হিত গঢ়ি তোলা হৈছিল। তাৰোপৰি, ভাৰতীয় বিশ্ববিদ্যালয়সমূহে লণ্ডন বিশ্ববিদ্যালয়ৰ পুৰণি গঠন আৰু ধৰণক মানি আহিছিল। উচ্চ শিক্ষাৰ যথেষ্ট প্রসাৰ ঘটিছিল যিটো সেই সময়ৰ বিশ্ববিদ্যালবোৰে পৰিচালনা কৰাতো কঠিন আছিল। তেওঁলোকৰ কামৰ হেচা ইমানেই বেছি আছিল যে তেওঁলোকে ভালদৰে নিজৰ দায়িত্ব পালন কৰিব পৰা নাছিল আৰু কোনো বিশ্ববিদ্যালয়ে গুণমান সম্পন্ন উচ্চ শিক্ষাৰ বাবে কাম কৰিব পৰা নাছিল। সেইবাবে, কার্জনে ভাৰতীয় বিশ্ববিদ্যালয় আয়োগ গঠন কৰিছিল যাতে কার্যক্ষম বিশ্ববিদ্যালয়ৰ সংবিধান উন্নত কৰিবলৈ প্রস্তাৱনা ল'ব পাৰি আৰু গৱর্ণৰ জেনেৰেল ইন কাউন্সিললৈ পৰামর্শ প্রদান কৰে আৰু সেই পৰামর্শবোৰে বিশ্ববিদ্যালয় শিক্ষাৰ মানদণ্ড উন্নত কৰি তুলিব পৰা যায়।

আমি ইতিমধ্যে আলোচনা কৰি আহিছো যে লর্ড কার্জনে ১৯০১ চনত চিমলাত এখন সর্বভাৰতীয় শিক্ষা সম্মিলন অনুষ্ঠিত কৰিছিল। এই সম্মিলনৰ ফলত লর্ড কার্জনে ১৯০২ চনৰ ২৭ জানুৱাৰীত 'ভাৰতীয় শিক্ষা আয়োগ'ৰ নিযুক্তি দিছিল। এই আয়োগ নিযুক্তিৰ প্রধান উদ্দেশ আছিল বিশ্ববিদ্যালয়বোৰ সংস্কাৰ সাধন কৰা। এই আয়োগৰ যোগেদি লর্ড কার্জনে প্রকৃততে বিশ্ববিদ্যালয়বোৰৰ অদক্ষতাৰ কাৰণবোৰ অনুসন্ধান কৰিব বিচাৰিছিল আৰু ইয়াৰ সংবিধান উন্নত কৰিবলৈ ইয়াৰ প্রস্তাৱৰ প্রতিবেদন দাখিল কৰিছিল। এই আয়োগত দুগৰাকী ভাৰতীয়লোকক অন্তর্ভুক্ত কৰা হৈছিল আৰু তেওঁলোক হৈছে চাৰ গুৰুদাস বেনার্জী আৰু চৈয়দ হুচেইন বিলগ্রামী। আয়োগে সেইটো বছৰতে ইয়াৰ প্রতিবেদন দাখিল কৰিছিল। যিহেতু চাৰ গুৰুদাস বেনার্জীয়ে কিছুমান ক্ষেত্রত অন্য সদস্যৰ সৈতে একমত নাছিল, সেইবাবে তেওঁ পৃথক প্রতিবেদন দাখিল কৰিছিল। তেওঁ অন্যসদস্যতকৈ পৃথক হোৱাৰ কাৰণটো হৈছে বিশ্ববিদ্যালয়সমূহৰ বিদ্যায়তনিক স্বাধীনতাৰ ক্ষেত্রত থকা সীমাবদ্ধতা।

বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ প্রতিবেদনত যথেষ্ট মূল্যবান পৰামর্শ আগবঢ়োৱা হৈছিল। এই আয়োগৰ প্রধান পৰামর্শবোৰ হৈছে এনেধৰণৰ-

- কলেজৰ অনুমোদনৰ নীতি-নিয়মবোৰ অধিক কঠিন হ'ব লাগে।
- নির্দিষ্ট সময়ৰ মূলত কলেজবোৰ পৰিদর্শন কৰিব লাগে।
- চিনেট আৰু চিন্দিকেটবোৰ পুনৰ সংগঠন কৰিব লাগে। টিনেট আৰু চিন্দিকেটৰ সদস্যবোৰ ৯ আৰু ১৫ লৈ ক্রমান্বয়ে হ্রাস কৰিব লাগে আৰু এইবোৰৰ সময়সীমা ৫ বছৰ কৰিব লাগে।
- বিশ্ববিদ্যালয়বোৰৰ সংবিধান সংশোধন কৰাৰ পিচত শিক্ষাৰ আৰু কিছুমান সুবিধা প্রদান কৰিব লাগিব।
- অধ্যাপক আৰু পণ্ডিত নিয়োগৰ ব্যৱস্থা কৰিব লাগে।
- বিশ্ববিদ্যালয়ৰ চিনেটত সংবদ্ধ কলেজৰ পৰা শিক্ষক আৰু পণ্ডিতৰ প্রতিনিধি থাকিব লাগে।
- ছাত্র-ছাত্রীৰ জীৱন যাপনৰ অৱস্থাৰ ওপৰত বিশ্ববিদ্যালয় কঠোৰ নিৰীক্ষণ থাকিব লাগে।
- বিশ্ববিদ্যালয়ৰ সংবদ্ধ কলেজবোৰত শিক্ষাদানৰ বাবে উপযুক্ত সুবিধা থাকিব লাগে। স্বীকৃতিৰ নীতি-নিয়মবোৰ কঠোৰভাৱে প্রয়োগ কৰিব লাগে।
- বিশ্ববিদ্যালয়সমূহে ইয়াৰ সংবদ্ধ কলেজবোৰক কঠোৰভাৱে পৰিদর্শন কৰিব লাগে।
- বিশ্ববিদ্যালয়সমূহৰ পৰীক্ষা ব্যৱস্থা আৰু পাঠ্যক্রমৰ ক্ষেত্রত উপযুক্ত সংশোধন আনিব লাগে।
- ছাত্র-ছাত্রীৰ বাবে আবাস নির্মাণ কৰিব লাগে।
- মেট্রিক পৰীক্ষাৰ মানদণ্ড উন্নত কৰি তুলিব লাগে আৰু মধ্যবর্তী পৰীক্ষাবোৰ উঠাই দিব লাগে।

- স্নাতক পাঠ্যক্রম তিনি বছৰীয়া হ'ব লাগে।
- প্রত্যেক কলেজৰ বাবে পৰিচালনা কমিটি থাকিব লাগে। কলেজৰ পৰিচালনা কমিটিৰ উপৰিও উপযুক্ত শিক্ষক নিয়োগ কৰিব লাগে। ই ছাত্র-ছাত্রীৰ শৃংখলাবদ্ধতাৰ প্রতি মনোযোগ দিব লাগে আৰু বিল্ডিং আৰু আবাস নির্মাণ ইত্যাদিত গুৰুত্ব দিব লাগে।

ভাৰতীয় বিশ্ববিদ্যালয় আয়োগৰ পৰামর্শবোৰৰ ওপৰত ভিত্তি কৰি, চৰকাৰে ১৯০৪ চনৰ মার্চ মাহত চৰকাৰী শিক্ষা নীতিৰ ওপৰত প্রস্তাৱ লৈছিল আৰু ১৯০৪ চনৰ ২১ মার্চত ভাৰতীয় বিশ্ববিদ্যালয় আইন গৃহীত কৰিছিল।

৪.৫.১ বিশ্ববিদ্যালয় শিক্ষাৰ নীতিৰ মূল্যায়ন

বিশ্ববিদ্যালয় শিক্ষাৰ ক্ষেত্রত সংশোধন হৈছে ভাৰতৰ গৱর্ণৰ জেনেৰেল হিচাবে লর্ড কার্জনৰ আটাইতকৈ উল্লেখযোগ্য সফলতা। যদিও এই দিশৰ সংস্কাৰ সাধনৰ ফলত তেওঁ ভাৰতীয় লোকৰ দ্বাৰা প্রচুৰ পৰিমাণে সমালোচনাৰ সন্মুখীন হৈছিল। লর্ড কার্জনক সমালোচনা কৰাৰ বিভিন্ন কাৰণ আছে। তলত এইবোৰ দাঙি ধৰা হ'ল-

- তেওঁ ১৯০২ চনত বিশ্ববিদ্যালয় শিক্ষা আয়োগ গঠন কৰিছিল আৰু ইয়াৰ পৰামর্শবোৰৰ ওপৰত ভিত্তি কৰি ১৯০৪ চনত এখন আইন গৃহীত কৰি চৰকাৰক শক্তিশালী কৰিছিল।
- এই আইনৰ জৰিয়তে তেওঁ চিনেটৰ নির্বাচিত সদস্যৰ সংখ্যা হ্রাস কৰিছিল আৰু তেওঁলোকৰ কার্যকাল ৫ বছৰলৈ সীমাবদ্ধ কৰিছিল।
- ইয়াৰ ফলত বিশ্ববিদ্যালয় কোর্টত ভাৰতীয় প্রতিনিধিৰ সংখ্যা হ্রাস পাইছিল, যিসকলে ভাৰতীয়সকলৰ আগ্রহ পূৰণ কৰাত ব্যর্থ হৈছিল।
- তেওঁ সংবদ্ধ কলেজসমূহৰ ওপৰত কঠোৰ চর্ত বান্ধি দিছিল যাৰ ফলত ভাৰতীয় লোকৰ বহুতো ব্যক্তিগত কলেজে অসুবিধা ভোগ কৰিবলগীয়া হৈছিল।
- সেই সময়ত দেশত চাহিদা বৃদ্ধি হৈ থকা স্বত্বেও নতুন বিশ্ববিদ্যালয়ৰ বৃদ্ধি তেওঁ সীমাবদ্ধ কৰিছিল।
- বিশ্ববিদ্যালয় কোর্টে নীতি নির্ধাৰণৰ ক্ষেত্রত সফল নহ'লে সেই দিশত সিদ্ধান্ত লোৱাৰ বাবে চৰকাৰক সবলীকৰণ কৰি তুলিছিল। ই বিশ্ববিদ্যালয় প্রশাসনৰ স্বায়ত্ব শাসনক ৰোধ কৰিছিল।
- বিশ্ববিদ্যালয় কোর্টৰ সদস্য সংখ্যা বৃদ্ধিৰ ক্ষেত্রত তেওঁ অগণতান্ত্রিক নীতি অবলম্বন কৰিছিল যাতে বিশ্ববিদ্যালয়ৰ বিভিন্ন দিশত ভাৰতীয়লোক শক্তি হ্রাস কৰিব পাৰে।
- বিশ্ববিদ্যালয় সমূহত উচ্চ শিক্ষা আৰু গৱেষণাৰ প্রসাৰৰ বাবে একো কৰা হোৱা নাছিল আৰু তেওঁলোকক অর্থনৈতিক শক্তি আৰু সহায় আগবঢ়োৱা হোৱা নাছিল।

ওপৰৰ কথাবোৰ পৰা এইটো নিৰীক্ষণ কৰিব পাৰি যে লর্ড কার্জনৰ কার্যবোৰ ভাৰতীয় জনসাধাৰণৰ প্রতি যথেষ্ট পক্ষপাতিত্বশীল আছিল।

যি নহওক লর্ড কার্জনৰ সমগ্র প্রচেষ্টাক কেৱল নেতিবাচক দিশৰ পৰা চালে নহ'ব। তেওঁৰ প্রধান উদ্দেশ্য আছিল বিশ্ববিদ্যালয়সমূহৰ বাবে সংশোধন অনা আৰু তাৰবাবে চৰকাৰে বিশ্ববিদ্যালয় সমূহক নিয়ন্ত্রণ কৰিবলৈ অধিক ক্ষমতা আহৰণ কৰিছিল। ১৯০৪ চনৰ আইনে প্রদান কৰা বিশ্ববিদ্যালয় প্রশাসনৰ নীতি-নিয়ম আৰু প্রক্রিয়াবোৰে সফলতাৰে কাম কৰাৰ বাবে প্রদান কৰা হৈছিল। তেওঁৰ সংবদ্ধ আৰু অসংবদ্ধ কলেজৰ নীতিয়ে তেওঁলোকৰ কার্যত আৰু শৈক্ষিক পৰিচালনাত শৃংখলা আনিছিল। তেওঁ বিশ্ববিদ্যালয়বোৰ আৰু তেওঁলোকৰ কার্যৰ ক্ষেত্রবোৰ আৰু বিচাৰ ক্ষমতা নির্ধাৰণ কৰিছিল। তেওঁ বিশ্ববিদ্যালয়ৰ চিনেট সদস্য যথেষ্ট পৰিমাণে হ্রাস কৰিছিল আৰু তেওঁলোকৰ ৫ বছৰৰ সীমাবদ্ধতাৰ প্রতি সচেতন থাকিব লাগিব।

সেইবাবে তেওঁ বিশ্ববিদ্যালয় শিক্ষাৰ ক্ষেত্রত তেওঁৰ নিয়ন্ত্রণ নীতিৰ ক্ষেত্রত সম্পূর্ণৰূপে সফল হৈছিল। তেওঁ বলিষ্ঠভাৱে কাম কৰিছিল আৰু উপযুক্তভাৱে বিবেচনা দিশবোৰ প্রয়োগ কৰিছিল। প্রতিকূল অৱস্থা আৰু

পৰিস্থিতিয়ে তেওঁক বিমোৰত পেলাব পৰা নাছিল। নিয়ন্ত্রণৰ নীতি আৰু অনুশাসন সেইসময়ৰ জাতীয়তাবাদী ভাৰতীয়সকলক অসন্তুষ্ট কৰি তুলিছিল, কিন্তু ভাৰতীয় শিক্ষাত ইয়াৰ শেষ ফলাফলক সন্তুষ্টিজনক হিচাবে বিবেচিত হৈছিল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ঃ ভাৰতীয় বিশ্ববিদ্যালয় আয়োগ কেতিয়া গঠন কৰা হৈছিল?

.....

৪.৬ ১৯০৪ চনৰ শিক্ষা নীতিৰ ওপৰত ভাৰত চৰকাৰৰ প্রস্তাৱ

আৰম্ভণিতে প্রস্তাৱটোৱে ১৮৫৪ চনৰ পৰা শিক্ষাৰ জৰিয়তে জনসাধাৰণক যিবোৰ সুবিধা প্রদান কৰা হৈছে, সেইবোৰক স্বীকাৰ কৰিছিল। বছৰ যোৱা লগে লগে ইয়াৰ লক্ষ্য কৰা হৈছিল। ইয়াৰ কিছুমান ত্রুটি তলত দাঙি ধৰা হ'ল-

- কেৱল চৰকাৰী চাকৰিত সুমুৱাৰ বাবেই উচ্চ শিক্ষা গ্রহন কৰিছিল।
- পৰীক্ষাৰ ওপৰত অত্যাধিক গুৰুত্ব আৰোপ কৰা হৈছিল।
- অধ্যয়নৰ পাঠ্যক্রম সাহিত্যিক বিধৰ আছিল।
- স্কুল আৰু কলেজবোৰে ছাত্র-ছাত্রীৰ বুদ্ধিৰ বিকাশত কম গুৰুত্ব দিছিল আৰু মুখস্থ শিকন বা মনত ৰখাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল।
- ইংৰাজী ভাষাৰ ওপৰত বেছি গুৰুত্ব দিছিল আৰু আধুনিক ভাৰতীয় ভাষাবোৰক একেবাৰেই গুৰুত্ব দিয়া হোৱা নাছিল।
- প্রাথমিক শিক্ষাকো যথেষ্ট অৱহেলা কৰা হৈছিল।

প্রাথমিক শিক্ষাৰ ক্ষেত্রত প্রস্তাৱনাত কোৱা হৈছিল যে মাধ্যমিক স্কুলৰ নিচিনাকৈ প্রাথমিক শিক্ষাই গতি ল'ব পৰা নাই। প্রাথমিক শিক্ষা পিচপৰাৰ কাৰণ হৈছে উপযুক্ত অর্থ সাহায্যৰ অভাৱ আৰু চৰকাৰ গুৰুত্বৰ অভাৱ। কার্জনে দেখিছিল যে পাঁচজনৰ ভিতৰত চাৰিজন প্রাথমিক শিক্ষাৰ বাহিৰত আছিল। চাৰিজনৰ ভিতৰত তিনিজন ল'ৰাই শিক্ষা নোহোৱাকৈ ডাঙৰ হৈছিল আৰু চল্লিচজনীৰ ভিতৰত এজনী ছোৱালীহে যিকোনো ধৰণৰ স্কুলত উপস্থিত থাকিছিল।

প্রাথমিক শিক্ষাৰ প্রসাৰ আৰু উন্নতিৰ বাবে প্রস্তাৱনাত তলত উল্লেখ কৰা পৰামর্শবোৰ দিয়া হৈছিল-

- প্রাথমিক শিক্ষাই প্রাদেশিক কৰাত গুৰুত্বপূর্ণ পৰিৱর্তন আনিব লাগে আৰু জিলা আৰু পৌৰসভাবোৰে তেওঁলোকৰ শৈক্ষিক পুঁজি প্রাথমিক শিক্ষাৰ বাবে খৰচ কৰিব লাগে।
- নগৰৰ স্কুলবোৰতকৈ গাওঁৰ স্কুলবোৰৰ পাঠ্যক্রম পৃথক হ'ব লাগে। গাৱঁৰ স্কুলবোৰৰ লক্ষ্য হ'ব লাগে ছাত্র-ছাত্রীক প্রাথমিক প্রশিক্ষণ দিয়া যিয়ে তেওঁলোকক বুদ্ধিয়ক খেতিয়ক কৰি তুলিব পাৰে।
- প্রাথমিক স্কুলৰ শিক্ষকসকলক প্রশিক্ষণৰ ব্যৱস্থা থাকিব লাগে আৰু তেওঁলোকৰ দৰমহা বৃদ্ধি কৰিব লাগে।
- ফলাফলৰ ভিত্তিত অর্থ প্রদান ব্যৱস্থা পৰিহাৰ কৰিব লাগে।

মাধ্যমিক শিক্ষাৰ ক্ষেত্রত, চৰকাৰৰ প্রস্তাৱনাত দুটা দিশত গুৰুত্ব দিয়া হৈছিল- সেই দুটা হৈছে নিয়ন্ত্রণ আৰু উন্নতি। অপর্যাপ্ত পৰিমাণৰ অনুষ্ঠানবোৰৰ অধিক বৃদ্ধিৰ ক্ষেত্রত চৰকাৰী প্রস্তাৱনাত কোৱা হৈছিল যে চৰকাৰে নিজকে সন্তুষ্ট কৰিব লাগে যে পৰিচালনা সমিতিবোৰ গঠন কৰাৰ পিছত মাধ্যমিক স্কুলে তেওঁলোকৰ আর্থিক স্থিতিশীলতা নিশ্চিত কৰিব। স্কুলবোৰে এইটো নিশ্চিত কৰিব লাগিব যে শিক্ষকসকলে উপযুক্ত মানদণ্ডলৈ যাতে শিক্ষা প্রদান কৰে, শিক্ষার্থীৰ স্বাস্থ্য আৰু অনুশাসনৰ প্রতি লক্ষ্য ৰাখে, বিশ্বাসযোগ্যতা আৰু চৰিত্রৰ ক্ষেত্রত শিক্ষকে যোগ্যতা অর্জন কৰিব লাগে। এনেবোৰ চর্তত মাধ্যমিক স্কুলবোৰক স্বীকৃতি প্রদান কৰা হৈছিল আৰু বিশ্ববিদ্যালয়ৰ পৰীক্ষা দিবলৈ ছাত্র-ছাত্রীক অনুমতি দিয়া হৈছিল।

এই প্রস্তাৱনাত এইটো নিৰীক্ষণ কৰা হৈছিল যে ভাৰতীয় শিক্ষা আয়োগৰক পৰামর্শ অনুযায়ী বিকল্প পাঠ্যক্রম সংযোজন সফলতা লাভ কৰিব পৰা নাই। চৰকাৰে অনুভৱ কৰিছিল যে যিসকল ল'ৰা উদ্যোগ বা বাণিজ্যিক দিশত নিয়োজিত হৈ থাকে তেওঁলোকৰ প্রয়োজন পূৰণৰ বাবে বিভিন্ন ধৰণৰ পাঠ্যক্রমৰ সুবিধা প্রদান কৰিব লাগে। সেইবাবে প্রস্তাৱনাত কোৱা হৈছিল যে ব্যৱহাৰিক জীৱনৰ প্রয়োজনীয়তাৰ ভিত্তিত মাধ্যমিক শিক্ষাত বহু বিকল্প থকা পাঠ্যক্রম প্রচলন কৰিব লাগে।

এই প্রস্তাৱনাই আৰু এটা কথা মন কৰিছিল যে পাঠ্যক্রম আৰু শিক্ষণ পদ্ধতিয়ে মাধ্যমিক স্কুলত অনুশাসনহীনতাৰ সৃষ্টি কৰি তুলিছে। ইয়াত পুনৰ কোৱা হৈছিল যে মাধ্যমিক স্কুলবোৰত নৈতিক শিক্ষাৰ কোনো সুবিধা নাই। মাধ্যমিক শিক্ষাৰ অৱস্থা উন্নত কৰিবলৈ ইয়াত পৰামর্শ আগবঢ়োৱা হৈছিল যে শিক্ষক উপযুক্তভাৱে নির্বাচন কৰিব লাগে আৰু তেওঁলোকক প্রশিক্ষণ দিব লাগে। এনেবোৰ সমস্যা সমাধান কৰিবলৈ, প্রস্তাৱনাত উল্লেখ কৰা অনুযায়ী, উচ্চ মানদণ্ডৰ অনুশাসন বজাই ৰাখিব লাগে, অনুষ্ঠানত উপযুক্তভাৱে পৰিচালিত আবাস থাকিব লাগে, উপযুক্ত পাঠ্যপুথিৰ নির্বাচন যেনে- আত্মজীৱনী, তাৰোপৰি ছাত্র আৰু শিক্ষকৰ মাজত ভাল সম্পর্ক থাকিব লাগে ইত্যাদিবোৰত চৰকাৰে গুৰুত্ব প্রদান কৰি মাধ্যমিক শিক্ষাৰ অৱস্থা উন্নত কৰিব বিচাৰিছিল।

স্কুলৰ ভাষাৰ ক্ষেত্রত প্রস্তাৱনাত লক্ষ্য কৰা হৈছিল যে

- প্রাথমিক স্কুলত ইংৰাজী ভাষা থাকিব নেলাগে।
- প্রাথমিক স্তৰত কিছু অগ্রগতি লাভ নকৰালৈকে শিক্ষার্থীক ইংৰাজী ভাষা শিকিবলৈ অনুমতি দিব নালাগে আৰু নিজৰ মাতৃভাষাৰ উপযুক্ত জ্ঞান আহৰণ কৰিব দিব লাগে।
- মাধ্যমিক স্কুলত যেতিয়া ইংৰাজীৰ শিক্ষাৰ আৰম্ভণি হয়, ইয়াক আন বিষয়ৰ শিক্ষাৰ মাধ্যম হিচাবে অকালতে ব্যৱহাৰ কৰা হোৱা নাছিল। মাতৃভাষা ব্যৱহাৰ কৰা আৰু ইংৰাজীক মাধ্যম হিচাবে লোৱাৰ ভাগটো ১৩ বছৰৰ পৰা হ'ব লাগে।
- সকলো মাধ্যমিক স্কুলতে মাতৃভাষা অধ্যয়ন স্কুলৰ পাঠ্যক্রম শেষ হোৱালৈ চলি থাকিব লাগে।

শিক্ষক প্রশিক্ষণৰ ক্ষেত্রত প্রস্তাৱনাত লক্ষ্য কৰা হৈছিল যে যদি মাধ্যমিক স্কুলৰ শিক্ষা স্তৰলৈ নিব লাগে, যদি শিক্ষার্থী শিক্ষাৰ টোকাৰ ওপৰত বিশ্বাস আনিব লাগে। তেতিয়া শিক্ষকসকলৰ প্রশিক্ষণ অতি আৱশ্যকীয়, যাতে তেওঁলোকে শিক্ষণৰ উপযুক্ত কৌশল আয়ত্ব কৰিব পাৰে। প্রশিক্ষণৰ সময়ত, এইটো চাব লাগে যাতে প্রশিক্ষণৰ কলেজ আৰু স্কুলৰ মাজত এটা সংযোগ স্থাপন হয়। কৃষি শিক্ষাৰ ক্ষেত্রত, প্রস্তাৱনাত কোৱা হৈছিল যে দেশৰ জনসংখ্যাৰ তিনি ভাগৰ দুভাগেই জীৱন ধাৰণৰ বাবে মাটিৰ ওপৰত নির্ভৰশীল, সেইবাবে কৃষি শিক্ষাৰ যথেষ্ট প্রসাৰ আৰু স্বীকৃতি পাব লাগে।

উডৰ ঘোষণা পত্র আৰু ভাৰতীয় শিক্ষা আয়োগৰ আলামত মাধ্যমিক স্কুলৰ পৰিচালনাৰ পৰা চৰকাৰে ক্রমান্বয়ে অব্যাহতি লোৱাৰ ক্ষেত্রত, প্রস্তাৱত শিক্ষাৰ প্রত্যেক শাখাত চৰকাৰে এক সীমাবদ্ধ অনুষ্ঠানহে পৰিচালিত কৰিব, যিবোৰ ব্যক্তিগত খণ্ডৰ অনুষ্ঠানৰ বাবে আর্হি স্বৰূপ হ'ব আৰু যাতে শিক্ষাৰ মানদণ্ড উচ্চ পর্যায়ৰ হয়।

এই প্রস্তাৱনাত প্রযুক্তি শিক্ষা, বাণিজ্যিক শিক্ষা, কলা শিক্ষা ইত্যাদিবোৰৰ ক্ষেত্রত চৰকাৰৰ নীতি উল্লেখ কৰা হৈছিল।

৪.৭ ১৯০৪ চনৰ ভাৰতীয় বিশ্ববিদ্যালয় আইন

আমি ইতিমধ্যে আলোচনা কৰিছো যে লর্ড কার্জনে প্রধানকৈ শৈক্ষিক সংস্কাৰত গুৰুত্ব দিছিল আৰু বিশেষকৈ বিশ্ববিদ্যালয় পর্যায়ৰ শিক্ষা ব্যৱস্থাৰ সংস্কাৰত। উচ্চ শিক্ষা সংস্কাৰৰ অংশ হিচাবে তেওঁ ১৯০২ চনত বিশ্ববিদ্যালয় আয়োগ গঠন কৰিছিল। ইয়াৰ পিছত চৰকাৰে ১৯০৪ চনৰ ১১ মার্চত শিক্ষাৰ প্রস্তাৱনা গঠন কৰিছিল, যাক ইতিমধ্যে আমি আলোচনা কৰিছো। এই প্রস্তাৱনাক ভাৰত চৰকাৰৰ শিক্ষা নীতিৰ পৰামর্শবোৰ আৰু ভাৰত চৰকাৰৰ প্রস্তাৱনা অন্তর্ভুক্ত কৰিবলৈ ইয়াৰ পিছত বিশ্ববিদ্যালয় আইন গৃহীত কৰা হৈছিল। এই আইনৰ প্রধান সুবিধাবোৰ হৈছে-

- বিশ্ববিদ্যালয়সমূহক শিক্ষাৰ লগতে পৰীক্ষা অনুষ্ঠিত কৰাৰ সুবিধা প্রদান কৰা হৈছিল। এই সুবিধাৰ জৰিয়তে আইনে বিশ্ববিদ্যালয়ৰ পৰিসৰ বৃদ্ধি কৰিব বিচাৰিছিল। শিক্ষা প্রদান কৰাৰ বাবে শিক্ষক নিয়োগৰ বাবে বিশ্ববিদ্যালয়ক অধিকাৰ প্রদান কৰা হৈছিল। ই তেওঁলোকক গৱেষণা কার্যৰ বাবে, পুথিভঁৰাল আৰু গৱেষণা পৰিচালনা আৰু শিক্ষার্থীৰ মাজত অনুশাসন আনিবলৈ পৰিকল্পনা কৰাৰ বাবে উৎসাহিত কৰা হৈছিল।
- বিশ্ববিদ্যালয়ৰ চিনেটৰ চিটৰ সংখ্যা নির্ধাৰিত নহয় আৰু চৰকাৰে জীৱনযোৱা মনোনয়ন দিব পাৰে। এই আইনৰ মতে ইয়াৰ সদস্য সংখ্যা নির্দ্ধাৰিত। ইয়াৰ নূন্যতম সংখ্যা হৈছে ৫০ আৰু অধিকতম হৈছে ১০০। তেওঁলোকৰ সময়সীমা হৈছে পাচ বছৰৰ।
- ভাৰতীয় বিশ্ববিদ্যালয় আইন মতে, চিনেটৰ সদস্যবোৰৰ সদস্য নির্বাচনৰ অধিকাৰ আছে। এনে নির্বাচিত সদস্যবোৰ কলিকতা, বোম্বে, মাদ্রাজ আৰু অন্য বিশ্ববিদ্যালয়বোৰৰ বাবে ২০ তকৈ বেছি হ'ব নেলাগিব।
- বিশ্ববিদ্যালয়বোৰৰ চিণ্ডিকেটবোৰক আইনী মর্যদা প্রদান কবি লাগিছিল আৰু এই চিণ্ডিকেটবোৰত অধ্যাপকসকলৰ উপযুক্ত প্রতিনিধিত্ব সুনিশ্চিত কৰিব লাগে।
- চৰকাৰে সংশোধন আৰু সংস্কাৰৰ বাবে অধিকাৰ পাইছিল আৰু বিশ্ববিদ্যালয়ৰ চিনেটে গঠন কৰা নীতিৰ স্বীকৃতি প্রদান কৰিছিল। চৰকাৰৰ নির্ধাৰণ কৰা অধিকাৰ থাকিব লাগে।
- স্বীকৃতি প্রদানৰ নিয়মবোৰ কঠোৰ কৰা হৈছিল। শিক্ষাৰ মানদণ্ড উন্নত কৰিবলৈ, উচ্চ শিক্ষা প্রদান কৰা কলেজবোৰ চিণ্ডিকেটে পৰিদর্শন কৰিছিল।
- সেই সময়ছোৱাত, বিশ্ববিদ্যালয় সমূহৰ ভূখণ্ডীয় অধিকাৰ ক্ষেত্র নির্ধাৰিত নাছিল, ফলাফলৰ ভিত্তিক কিছুমান অঞ্চলৰ কলেজে দুখন বিশ্ববিদ্যালয়ৰ পৰা স্বীকৃতি লাভ কৰিছিল তাৰোপৰি, এই আইনৰ ২৭ তম অনুচ্ছেদত, এইটো স্পষ্ট কৰা হৈছিল যে গর্বণৰ জেনেৰেলে সাধাৰণ বা অসাধাৰণ আদেশ দিব পাৰে, বিশ্ববিদ্যালয়বোৰৰ অধিকাৰ ক্ষেত্র নির্ধাৰিত কৰিব পাৰে আৰু এই সুবিধা অনুসৰি বিশ্ববিদ্যালয় আৰু কলেজৰ সম্পর্ক স্থাপন আৰু পৰিচালনা কৰিব লাগে।

৪.৮ ভাৰতীয় শিক্ষাত ১৯০৪ চনৰ ভাৰতীয় বিশ্ববিদ্যালয় আইনৰ প্রভাব

লর্ড কার্জনে শিক্ষাকে ধৰি বিভিন্ন ক্ষেত্রত যথেষ্ট সংশোধন আনিছিল কিন্তু তেওঁৰ সংশোধনক সন্দেহজনক ভাৱেৰে চোৱা হৈছিল। তেওঁ যথেষ্ট বিৰোধিতাৰ সন্মুখীন হ'বলগীয়া হৈছিল। স্বভাৱসুলভভাৱে লর্ড কার্জন দয়ালু স্বেচ্ছাচাৰী আছিল আৰ প্রশিক্ষণৰ দ্বাৰা তেওঁ শক্তিশালী শাসনৰ অন্তর্নিহিত এজন কঠিন সাম্রাজ্যবাদী আছিল। তেওঁ ভাৰতবর্ষতআহিয়েই শিক্ষা প্রশানৰ সংস্কাৰৰ কার্যসূচী হাতত লৈছিল। আমি ইতিমধ্যে আলোচনা কৰিছো য ১৯০১ তেওঁ চিমলাত এখন শৈক্ষিক সম্মিলন কৰিছিল আৰু বিশ্ববিদ্যালয় আয়োগ গঠন কৰিছিল।

বিশ্ববিদ্যালয় শিক্ষাৰে সংস্কাৰ ঃ লর্ড কার্জনে দেখিছিল যে ভাৰতীয় বিশ্ববিদ্যালয়বোৰ পুৰণিকলীয়া আছিল। যদিও ১৮৯৮ চনত লণ্ডন বিশ্ববিদ্যালয়ৰ পুনৰ সংগঠন কৰা হৈছিল, কিন্তু ভাৰতীয় বিশ্ববিদ্যালয়সমূহে পুৰণি গঠন আৰু ধৰণেই গ্রহন কৰি আহিছিল। উচ্চ শিক্ষাৰ প্রসাৰ সেই সময়ৰ বিশ্ববিদ্যালয়বোৰে পৰিচালনা কৰাতো কঠিন আছিল। বিশ্ববিদ্যালয়বোৰত ইমানেই কামৰ বোজা আছিল যে তেওঁলোকে নিজৰ দায়িত্ববোৰ ভালকৈ পালন কৰিব পৰা নাছিল আৰু কোনো বিশ্ববিদ্যালয় বাস্তৱ কার্যৰ সৈতে জড়িত নাছিল। সেইবাবে লর্ড কার্জনে ভাৰতীয় বিশ্ববিদ্যালয় আয়োগ নিয়োগ কৰি বিশ্ববিদ্যালয়ৰ সংবিধান আৰু কার্যবোৰ উন্নত কৰাৰ বাবে প্রতিবেদন দাখিল কৰিব দিছিল আৰু গর্বণৰ জেনেৰেল ইন কাউন্সিলে এইবোৰ পৰামর্শ আগবঢ়াইছিল যাতে এনে পৰিমাপনবোৰে বিশ্ববিদ্যালয়ৰ শিক্ষা আৰু শিকন উন্নীতকৰণ কৰি তোলে।

এই আয়োগে লণ্ডন বিশ্ববিদ্যালয় স্বীকৃতি প্রাপ্ত আর্হিৰ ক্ষেত্রত মূল্যবান পৰামর্শ আগবঢ়াইছিল আৰু প্রচলিত ব্যৱস্থাত উন্নত কৰি তুলিব বিচাৰিছিল। প্রধান পৰামর্শসমূহ এখন আইনত সন্নিবিষ্ট কৰা হৈছিল যাক ১৯০৪ চনৰ ভাৰতীয় বিশ্ববিদ্যালয় আইন বুলি জনা গৈছিল। বহু দিনৰ পৰা কৰিবলগীয়া হৈ থকা কিছুমান সংশোধন এই আইনত উল্লেখ কৰা হৈছিল। উচ্চ শিক্ষাত লর্ড কার্জনৰ নীতিৰ ফলত, কলেজৰ শিক্ষাত যথেষ্ট

পৰিৱৰ্তন আহিছিল। কলেজবোৰৰ নাম ভৰ্তিকৰণৰ ওপৰত ভিত্তি ১৩.৫ লাখ টকা অনুদান হিচাবে আগবঢ়াইছিল যাতে শিক্ষাৰ মানদণ্ড উন্নত কৰিব পাৰে আৰু পুথিভঁৰাল আৰু গৱেষণাৰগাৰৰ উপযুক্ত সুবিধাবোৰৰ কাৰণে সুযোগ প্রদান কৰিছিল।

মাধ্যমিক শিক্ষাৰ সংস্কাৰ ঃ মাধ্যমিক শিক্ষাৰ ক্ষেত্রত লৰ্ড কাৰ্জনে কৰা সংস্কাৰ অতি গুৰুত্বপূৰ্ণ আছিল। ১৯০৪ চনৰ ভাৰত চৰকাৰৰ প্রস্তাৱনাত লৰ্ড কাৰ্জনৰ শৈক্ষিক নীতি স্পষ্ট ৰূপত দাঙি ধৰা হৈছিল। মাধ্যমিক শিক্ষাৰ ক্ষেত্রত চৰকাৰৰ প্রস্তাৱনাত কোৱা হৈছিল- 'মাধ্যমিক বিদ্যালয়ত প্রদান কৰা শিক্ষা যাতে সুস্থ হয় সেয়া চাবলৈ চৰকাৰে সম্প্রদায়ৰ স্বার্থত বাধ্য। 'এই উদ্দেশ্যত সফল হ'বলৈ লৰ্ড কাৰ্জনে প্রসাৰৰ পুৰণি নীতিৰ পৰিৱৰ্তে নিয়ন্ত্রণ আৰু পৰিদর্শনৰ নতুন নীতি প্রৱর্তন কৰিছিল। মাধ্যমিক স্কুলৰ স্বীকৃতিৰ নিয়মবোৰ কঠোৰ কৰি তুলিছিল। ১৯০৪ চনৰ অস্বীকৃতি প্রাপ্ত স্কুলৰ ছাত্র-ছাত্রীয়ে মেট্রিক পৰীক্ষা দিব নোৱাৰিছিল। ইয়াৰ ফলত সকলো চৰকাৰৰ নিয়ন্ত্রণৰ আহিছিল। শিক্ষাৰ গুণমান উন্নত কৰিবলৈ ১৯০৫ চনৰ চৰকাৰী প্রস্তাৱনাত কিছুমান ভাল পৰামর্শ আগবঢ়োৱা হৈছিল। নির্দেশনাৰ কার্য উন্নত কৰাটো পৰিদর্শকক দিয়া হৈছিল আৰু ওচৰৰ চৰকাৰী স্কুলবোৰক আর্হি হিচাবে বনোৱা হৈছিল আৰু শিক্ষকসকলক প্রশিক্ষণ প্রদান কৰা হৈছিল।

লৰ্ড কাৰ্জনেই আছিল প্রথম গৰাকী ব্যক্তি যিয়ে মজলীয়া পর্যায়ত মাতৃভাষা শিক্ষাৰ মাধ্যম হিচাবে ল'ব কৈছিল আৰু আনকি হাইস্কুলৰ ছাত্র-ছাত্রীয়েও মাতৃভাষাক বাদ দিয়াৰ অনুমতি নাছিল আৰু ছাত্র-ছাত্রীৰ ১৩ বছৰ নোহোৱাকৈ ইংৰাজী পঢ়িব দিয়া হোৱা নাছিল।

প্রাথমিক শিক্ষাৰ সংস্কাৰ ঃ প্রাথমিক শিক্ষাৰ ক্ষেত্রত লৰ্ড কাৰ্জনৰ ভাবধাৰা উদাৰ আছিল। তেওঁ কৈছিল যে প্রাথমিক শিক্ষাৰ সক্রিয় প্রসাৰ ৰাজ্যৰ প্রথম কর্তব্য হোৱা উচিত। ১৯০৪ চনৰ ভাৰত চৰকাৰৰ প্রস্তাৱনাত প্রাথমিক শিক্ষাৰ বাবে স্পষ্ট অর্থনৈতিক নীতি প্রদান কৰা হৈছিল। প্রাথমিক শিক্ষাৰ প্রাদেশিক কৰৰ ওপৰত দাবী আছিল আৰু স্থানীয় প্রশাসনৰ পুঁজিৰ ওপৰত অধিক দাবী আছিল। সেইবাবে চৰকাৰৰ প্রস্তাৱনাত স্পষ্টকৈ কোৱা হৈছিল যে বোর্ডে তাৰ শৈক্ষিক পুঁজি কেৱল প্রাথমিক শিক্ষাৰ ক্ষেত্রত খৰচ কৰিব লাগে। এইবোৰ প্রশাসনে তেওঁলোকৰ বাজেট পৰিদর্শকৰ যোগেদি পাব্লিক ইন্ষ্ট্রাকচনৰ সঞ্চালকক প্রদান কৰিব লাগে।

চৰকাৰে প্রাথমিক স্কুলবোৰক সৰল পদ্ধতিৰে শিক্ষাদান কৰিবলৈ উপদেশ দিছিল আৰু গাঁও অঞ্চলৰ প্রয়োজনভিত্তিক শিক্ষাদান কৰিব দিছিল। প্রাথমিক স্কুলৰ লগৰ আৰু গাঁও অঞ্চলৰ পাঠ্যক্রম পৃথক কৰিব দিছিল।

লৰ্ড কাৰ্জনে শিক্ষাৰ অন্য দিশো সংস্কাৰ কৰিবলৈ চেষ্টা কৰিছিল। শৈক্ষিক সংস্কাৰৰ ক্ষেত্রত থকা তেওঁৰ সীমাহীন উৎসাহৰ ফলত প্রযুক্তি, কৃষি, বাণিজ্যিক শিক্ষা ইত্যাদিত বহুতো সন্মিলন অনুষ্ঠিত হৈছিল। চিকিৎসা, অভিযান্ত্রিক, বনানিকৰণ, পশুচিকিৎসা বিজ্ঞান আৰু কৃষি আদি বৃত্তিমুখী শিক্ষাৰ প্রসাৰ কৰিছিল আৰু বৃত্তিমুখী শিক্ষাৰ বাবে পুঁজি ধার্য কৰিছিল আৰু প্রযুক্তিগত বিষয়ৰ বাবে ৰাজ্যিক বৃত্তি প্রদান ব্যৱস্থা কৰিছিল।

লৰ্ড কাৰ্জন শিক্ষাৰ প্রকৃত ভক্ত আছিল। ভাৰতৰ শিক্ষাৰ প্রতিটো দিশৰ সংস্কাৰ সাধনৰ বাবে প্রায় ৭ বছৰ (১৮৯৯-১৯০৫) কাল কাঠোৰ শ্রম কৰিছিল। তেওঁ বিশ্ববিদ্যালয়, মাধ্যমিকত আৰু প্রাথমিক শিক্ষাৰ উন্নতি কৰিবলৈ চেষ্টা কৰিছিল। প্রাথমিক শিক্ষাৰ সম্প্রসাৰণৰ বাবে তেওঁ জোৰদাৰ আঁচনিৰ দায়িত্ব লৈছিল। তেওঁ জনসাধাৰণৰ শিক্ষা আৰু মাতৃভাষাৰ বাবে যুঁজ দিছিল। শিক্ষাৰ এনেকুৱা এটা দিশ নাছিল যাক তেওঁ স্পর্শ কৰা নাছিল, এনে কোনোবাই নাছিল য'ত তেওঁৰ সংস্কাৰৰ বিষয়ে অনুভৱ হোৱা নাছিল। মাধ্যমিক শিক্ষাৰ ক্ষেত্রত ইয়াৰ সামর্থতাৰ মানদণ্ড বৃদ্ধি কৰি তোলাৰ বাবে চেষ্টা কৰিছিল। তেওঁৰ কার্যকালৰ সময়ত কৃষি শিক্ষাক উৎসাহিত কৰি তোলা হৈছিল। তেওঁ ভাৰতৰ বিশ্ববিদ্যালয়সমূহক উচ্চ শিক্ষাৰ প্রকৃত অনুষ্ঠান হিচাবে প্রতিষ্ঠা কৰিবলৈ চেষ্টাৰ কোনো ত্রুটি এৰা নাছিল।

দুর্ভাগ্যক্রমে, তেওঁৰ শৈক্ষিক পৰামর্শবোৰ ভাৰতীয়সকলে গ্রহণ কৰা নাছিল। তেওঁলোকে ভাবিছিল যে ভাৰতীয় শিক্ষাৰ সমগ্র দিশ ৰাজ্যৰ নিয়ন্ত্রণত অনাৰ দ্বাৰা লৰ্ড কাৰ্জনে শিক্ষাক আমোলাতান্ত্রিক কৰিব বিচাৰিছে আৰু শিক্ষাৰ দায়িত্ব দেশৰ ব্যক্তিগত খণ্ডক অর্পণ কৰিব বিচাৰিছে।

যদিও ভাৰতীয়লোকসকলে তেওঁৰ সংস্কাৰৰ বিৰোধিতা কৰিছিল বা তেওঁৰ সমর্থনকাৰীসকলে তেওঁৰ নীতি সংশোধন কৰিবলৈ চেষ্টা কৰিছিল, কিন্তু তথাপিও তেওঁৰ শিক্ষা নীতি কঠোৰভাৱে পলন কৰা হৈছিল।

এইটো সকলোৱে স্বীকাৰ কৰিছিল যে তেওঁৰ শিক্ষাৰ সংস্কাৰে শিক্ষা ব্যৱস্থা উন্নত কৰি তুলিছিল। লর্ড কার্জনৰ নীতিৰ ব্যক্তিগত খণ্ডত উপযুক্ত নিয়ন্ত্রণ সম্ভৱ হৈছিল, বিশ্ববিদ্যালয়সমূহ স্বীকৃত হৈছিল, মাধ্যমিক শিক্ষা উন্নত হৈছিল আৰু ব্যৱস্থাগতভাৱে প্রাথমিক শিক্ষাৰ বিকাশ হৈছিল।

৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৯০১ চনত লর্ড কার্জনে সর্ব ভাৰতীয় শিক্ষা সম্মিলনৰ আয়োজন কৰিছিল ভাৰতীয় শিক্ষাৰ সমস্যাবোৰ সমাধানৰ বাবে।
- এই সম্মিলনৰ ফলস্বৰূপে লর্ড কার্জনে ১৯০২ চনত ভাৰতীয় বিশ্ববিদ্যালয় আয়োগ গঠন কৰিছিল।
- এই আয়োগৰ পৰামর্শবোৰৰ ওপৰত ভিত্তি কৰি, লর্ড কার্জনে দেশৰ বাবে এক নীতি গ্রহণ কৰাৰ সিদ্ধান্ত হৈছিল।
- ইয়াৰ ফলত ১৯০৪ চনৰ ১১ মার্চত চৰকাৰে শিক্ষাৰ প্রস্তাৱনা গ্রহণ কৰিছিল।
- এই প্রস্তাৱনাত ভাৰতৰ প্রাথমিক, মাধ্যমিক, বিশ্ববিদ্যালয় আৰু বৃত্তীয় শিক্ষাৰ ক্ষেত্রত তেওঁ নীতি অন্তর্ভুক্ত হৈছিল।
- বিশ্ববিদ্যালয়ৰ প্রশাসন আৰু শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ বাবে আয়োগে কিছুমান পৰামর্শ আগবঢ়াইছিল।
- এই আয়োগৰ প্রধান উদ্দেশ্য আছিল প্রচলিত ব্যৱস্থাক স্বীকৃতি প্রদান আৰু শক্তিশালী কৰি তোলা আৰু এই ক্ষেত্রত কোনো বৈপ্লৱিক পৰিৱর্তন অনা নহয়।
- আয়োগৰ পৰামর্শবোৰৰ ওপৰত ভিত্তি কৰি ১৯০৪ চনৰ বিশ্ববিদ্যালয় আইন গঠন হৈছিল।
- লর্ড কার্জনে অনুভৱ কৰিছিল যে প্রাথমিক শিক্ষাৰ প্রধান সমস্যা হৈছে পুঁজিৰ অভাৱ। সেইবাবে তেওঁ প্রাদেশিক চৰকাৰবোৰক প্রাথমিক শিক্ষাত অধিক খৰচ কৰাৰ বাবে নির্দেশনা দিছিল।
- মজলীয়া স্কুলত শিক্ষাৰ মাধ্যম মাতৃভাষা কৰাৰ বাবে লর্ড কার্জনে চেষ্টা কৰিছিল।
- ভাৰতৰ বৃত্তিয় আৰু কৃষি শিক্ষা বিকাশৰ ক্ষেত্রত লর্ড কার্জনে অধিক গুৰুত্ব প্রদান কৰিছিল। তেওঁ পুচাত কেন্দ্রীয় গৱেষণা আন্তঃপ্রতিষ্ঠান স্থাপন কৰিছিল, য'ত ভাৰতৰ কৃষি ক্ষেত্রৰ প্রশিক্ষণ দিয়া হৈছিল।
- তেওঁৰ ভাল ইচ্ছা আৰু প্রচেষ্টা থকাৰ পিছতো লর্ড কার্জনে ভাৰতীয় লোকৰ বিশ্বাস পোৱা নাছিল। শিক্ষাৰ ক্ষেত্র ৰাজ্যৰ নিয়ন্ত্রণৰ ধাৰণা দেশৰ সাধাৰণ পাব্লিক কমিটিয়ে সমর্থন কৰা নাছিল।
- লর্ড কার্জনৰ শিক্ষাৰ নীতিৰ ফলস্বৰূপে, দেশত প্রাথমিক শিক্ষাৰ অগ্রগতি সন্তোষজনক আছিল, কিন্তু এই প্রসাৱে ভাৰতীয় লোকৰ চাহিদা পূৰণ কৰিব পৰা নাছিল।

৪.১০ অধিক জানিবলৈ

১) Chaube, S.P. (1999). *History and Problems of Indian Education*. Agra: Vinod Pustak Mandir.

২) Dash, B.N. (2014). *History of Education in India*. New Delhi: Dominant Publishers and Distributors Pvt. Ltd.

৩) Ghosh, Suresh C. (2007). *History of Education in India*. New Delhi: Rawat Publications.

✓ ৪.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ ১৮৯৯

২ নং প্রশ্নৰ উত্তৰঃ ১৮৮৫

৩ নং প্রশ্নৰ উত্তৰঃ ১৮৮২ চনত দেশত ৭৯ কলেজ থকাৰ বিপৰীতে ১৯০২ চনত ১৯১ খন হৈছিল।

৪ নং প্রশ্নৰ উত্তৰঃ প্রাথমিক শিক্ষাৰ ক্ষেত্রত লর্ড কার্জনৰ নীতিৰ দুটা সাফল্য হৈছে

- তেওঁৰ শৈক্ষিক সংশোধনবোৰ বিস্তৃত আছিল, য'ত প্রাথমিক মাধ্যমিক আৰু উচ্চ শিক্ষা অন্তর্ভুক্ত আছিল।
- তেওঁ একে সময়তে প্রাথমিক শিক্ষাৰ মান আৰু সংখ্যাগত পৰিমাণ বৃদ্ধি কৰিব বিচাৰিছিল।

৫ নং প্রশ্নৰ উত্তৰঃ মাধ্যমিক শিক্ষাৰ ক্ষেত্রত লর্ড কার্জনৰ প্রধান নীতি আছিল-

- প্রত্যেকখন মাধ্যমিক স্কুল, ই ব্যক্তিগতভাৱে পৰিচালিত বা জনসাধাৰণৰ দ্বাৰাই পৰিচালিত হওক, শিক্ষা বিভাগৰ দ্বাৰা স্বীকৃতি প্রাপ্ত হ'ব লাগিব, চৰকাৰে ধৰি দিয়া নীতি-নিয়ম পালন কৰিব লাগিব।
- প্রত্যেকখন মাধ্যমিক শিক্ষা বিভাগৰ স্বীকৃতি প্রাপ্ত হোৱাৰ উপৰিও বিশ্ববিদ্যালয়ৰ দ্বাৰাও স্বীকৃতি প্রাপ্ত হ'ব লাগিব যাতে স্কুলে মেট্রিক পৰীক্ষাৰ বাবে ছাত্র-ছাত্রী পঠিয়াব পাৰে।

৬ নং প্রশ্নৰ উত্তৰঃ ভাৰতীয় বিশ্ববিদ্যালয় আয়োগ ১৯০২ চনৰ ২৭ জানুৱাৰীত গঠন কৰা হৈছিল।

? ৪.১২ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায়১৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ লর্ড কার্জনৰ প্রাথমিক শিক্ষা নীতিৰ প্রধান নীতি উল্লেখ কৰক।

প্রশ্ন ২ঃ লর্ড কার্জনৰ প্রাথমিক শিক্ষা নীতিৰ মূল্যায়ন কৰক।

প্রশ্ন ৩ঃ ১৯০৪ চনৰ বিশ্ববিদ্যালয় আইনৰ প্রধান সুবিধাবোৰ লিখক।

(খ) দীঘলীয়া প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ 'লর্ড কার্জনে ভাৰতীয় শিক্ষাৰ সকলো দিশেই স্পর্শ কৰিছিল আৰু সংস্কাৰ নকৰাকৈ একো এৰা নাছিল। 'আলোচনা কৰক।

প্রশ্ন ২ঃ ভাৰতীয় শিক্ষাত লর্ড কার্জনৰ আৰিহণা সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৩ঃ লর্ড কার্জনৰ শিক্ষা নীতিৰ বিষয়ে সমালোচনাত্মক আলোচনা কৰক আৰু পৰৱর্তী সময়ত ভাৰতীয় শিক্ষাত ইয়াৰ প্রভাৱ সম্পর্কে লিখক।

প্রশ্ন ৪ঃ দেশৰ প্রাথমিক আৰু মাধ্যমিক শিক্ষা নিয়ন্ত্রণ আৰু উন্নত কৰিবলৈ লর্ড কার্জনে কি পদক্ষেপ লৈছিল? এই নীতিৰ ফল স্বৰূপে প্রাথমিক আৰু মাধ্যমিক শিক্ষাত কি পৰিৱর্তন আহিছিল?

প্রশ্ন ৫ঃ ভাৰতৰ বিশ্ববিদ্যালয় শিক্ষাৰ উন্নতিৰ বাবে লর্ড কার্জনে লোৱা পদক্ষেপবোৰ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৫ঃ ব্রিটিছ ভাৰতৰ শিক্ষা- IV (গোখলে বিল, ১৯১১)

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ ১৯১০ চনৰ গোখলেৰ প্ৰস্তাৱ
৫.৪ ১৯১১ চনৰ গোখলেৰ প্ৰস্তাৱ
৫.৫ গোখলেৰ প্ৰচেষ্টাৰ প্ৰভাৱ
৫.৬ ১৯১৩ চনৰ শিক্ষা নীতিৰ ওপৰত চৰকাৰৰ প্ৰস্তাৱ
৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৮ অধিক জানিবলৈ
৫.৯ অগ্ৰগতিৰ খতিয়ান
৫.১০ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাৰতৰ প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ ক্ষেত্ৰত গোখলেৰ ভূমিকা আলোচনা কৰিব পাৰিব
- ১৯১০ চনৰ গোখলেৰ প্ৰস্তাৱ বিশ্লেষণ কৰিব পাৰিব
- ১৯১১ চনৰ গোখলেৰ বিল ব্যাখ্যা কৰিব পাৰিব
- ১৯১৩ চনৰ শিক্ষা নীতিৰ ওপৰত চৰকাৰৰ প্ৰস্তাৱ সম্পৰ্কে আলোচনা কৰিব পাৰিব।
- ভাৰতৰ প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ ক্ষেত্ৰত গোখলেৰ প্ৰস্তাৱৰ প্ৰভাৱ চিনাক্ত কৰিব পাৰিব।

৫.২ পৰিচয়

আপোনালোকে জানে যে ২০ শতিকাটো ভাৰতৰ শিক্ষাৰ ইতিহাসৰ অতি গুৰুত্বপূৰ্ণ সময়। ২০ শতিকাৰ সময়ছোৱাত জাতীয়তাবাদৰ চেতনা জাগ্ৰত হৈ উঠিছিল। ভাৰতীয়া লোকসকলে তেওঁলোকৰ স্বাধীনতাৰ বাবে যুজ দিছিল। এই স্বাধীনতাৰ সংগ্ৰামত বহুতো বিশাল ব্যক্তিত্ব ৰাষ্ট্ৰীয় প্ৰেক্ষাপটলৈ আহিছিল। ভাৰতীয় শিক্ষাৰ ইতিহাসত এই সময়ছোৱা অতিকৈ গুৰুত্বপূৰ্ণ।

আপোনালোকে আগৰ অধ্যায়বোৰত ইতিমধ্যে পাই আহিছে যে প্ৰাথমিক শিক্ষাৰ প্ৰসাৰৰ লৰ্ড কাৰ্জনৰ শিক্ষা নীতিয়ে এক বৃহৎ গতি লাভ কৰিছিল। কিন্তু প্ৰাথমিক শিক্ষাৰ এই প্ৰসাৰৰ পিছতো ভাৰতীয়সকলৰ আশা পূৰণ কৰিব পৰা নাছিল। সেইবাবে, ভাৰতীয়সকলে বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ বাবে ব্যাপক আন্দোলন গঢ়ি তুলিছিল। গোপালকৃষ্ণ গোখলে (১৮৬৬-১৯১৫) হৈছে সেই সময়ৰ এগৰাকী বিখ্যাত ব্যক্তিত্ব। ভাৰতৰ প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰণৰ ক্ষেত্ৰত তেওঁ প্ৰধান মুখ্য অধিবক্তা আছিল। তেওঁ বহু বছৰ পুনা ফাৰ্গুচন কলেজৰ অধ্যক্ষ আছিল। তেওঁ ভাৰতীয় জাতীয় কংগ্ৰেছৰো সভাপতি আছিল। তেওঁ ভাৰতীয় সেৱা সমিতিৰ উদ্ভাৰক আছিল আৰু বোম্বে ইম্পৰিয়েল বিধানসভা পৰিষদৰ সদস্য আছিল।

বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ চাহিদা বৃদ্ধি হৈছিল যে বৰোদাৰ গেকৱাৰে ১৯০৬ চনত তেওঁৰ ৰাজ্যত বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰিছিল। ১৯১০ চনত গোখলেই বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ প্ৰস্তাৱ দাঙি ধৰিছিল কিন্তু চৰকাৰে এই বিষয়ৰ প্ৰশ্নটো ভালদৰে পৰীক্ষা কৰি চাব বুলি আশ্বাস দিয়াত তেওঁ ইয়াক উঠাই

হৈছিল। কিন্তু প্রকৃততে একো কৰা হোৱা নাছিল, ১৯১১ চনত ২৬ মার্চত ইম্পেৰিয়েল বিধানসভাত ইয়াক গোখলেই উত্থাপন কৰিছিল। এই বিলখনৰ ওপৰত দুদিন ধৰি বিৰ্তক চলিছিল আৰু ৩৮/১৩ ভোটৰ ব্যৱধানত ইয়াক অগ্রাহ্য কৰা হৈছিল। গোখলেই ইয়াক আঘাত হিচাবে লোৱা নাছিল, তেওঁ এইটোকে আশা কৰিছিল আৰু বিৰ্তকৰ আগতেই ভোটৰ পৰা এইটো ফলাফল তেওঁ আশা কৰিছিল। এই অধ্যায়টোত আমি গোখলে বিল আৰু ইয়াৰ প্রস্তাৱ সম্পর্কে বিশদভাৱে আলোচনা কৰিম।

৫.৩ ১৯১০ চনৰ গোখলেৰ প্রস্তাৱ

ওপৰত ইতিমধ্যে উল্লেখ হৈছে যে ১৯২০ চনত গোপাল কৃষ্ণ গোখলেই প্রাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰাৰ বাবে দাঙি ধৰিছিল। এই পৰিষদত গোখলেৰ প্রস্তাৱত কোৱা হৈছিল 'সমগ্র দেশৰ প্রাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰাৰ আৰম্ভণি কৰিব লাগে, এখন আয়োগ গঠনৰ বাবে কর্মচাৰী আৰু অনা-কর্মচাৰীক নিয়োগ কৰি নির্দিষ্ট সিদ্ধান্ত গঠনৰ প্রস্তাৱ ল'ব লাগে।'

- এই প্রস্তাৱৰ যোগেদি গোখলেই প্রাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ বাবে চৰকাৰক কিছুমান পৰামর্শ আগবঢ়াইছিল। প্রস্তাৱত থকা কিছুমান পৰামর্শ হৈছে এনেধৰণৰঃ
- ৬-১০ বছৰৰ ল'ৰাৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ আৰম্ভণি কৰিব লাগে।
- শিক্ষাৰ ক্ষেত্রত ব্যয়ৰ পৰিমানৰ অনুপাত চৰকাৰ আৰু স্থানীয় প্রশাসনৰ ১ঃ২ হ'ব লাগে।
- প্রাথমিক শিক্ষা সংগঠন, তত্ত্বাৱধান আৰু চাবৰ বাবে এগৰাকী সম্পাদক নিয়োগ কৰিব লাগে।
- প্রাথমিক শিক্ষাৰ প্রসাৰৰ বাবে কেন্দ্রীয় চৰকাৰৰ এটা পৃথক বিভাগ থাকিব লাগে।
- প্রাথমিক শিক্ষাৰ অগ্রগতি দেখুৱাবৰ বাবে বাজেটত এটা অংশ থাকিব লাগে।

এই প্রস্তাৱটো বিধানসভা পৰিষদত আলোচনা কৰা হৈছিল। যিহেতু, আলোচনাৰ পিছতো প্রাথমিক শিক্ষাৰ ক্ষেত্রত আশানুৰূপ অগ্রগতি হোৱা নাছিল। আগতে উল্লেখ কৰা হৈছে যে চৰকাৰৰ আশ্বাসত গোখলেই তেওঁৰ প্রস্তাৱ উঠাই লৈছিল। ১৯১০ চনত কেন্দ্রৰ চৰকাৰত এটা শিক্ষা বিভাগৰ সৃষ্টি কৰা হৈছিল আৰু তাত এগৰাকী সচিবক নিযুক্তি দিয়া হৈছিল। প্রাথমিক শিক্ষাৰ অগ্রগতি চৰকাৰে প্রকাশ কৰিছিল। যি নহওক, চৰকাৰে প্রাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰা নাছিল, যিটো গোখলেৰ প্রস্তাৱৰ প্রধান উদ্দেশ্য আছিল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ গোখলেই কিমান চনত আৰু কোনখন পৰিষদত প্রাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰাৰ প্রস্তাৱ ৰাখিছিল?

.....

প্রশ্ন নং ২ঃ ১৯১০ চনত কেন্দ্রৰ চৰকাৰত এটা ..... সৃষ্টি কৰা হৈছিল আৰু গোখলেৰ প্রস্তাৱৰ ভিত্তিত এগৰাকী সচিব নিযুক্ত কৰা হৈছিল। (খালী ঠাই পুৰণ)

.....

প্রশ্ন নং ৩ঃ গোখলেৰ প্রস্তাৱত থকা তিনিটা পৰামর্শ উল্লেখ কৰক।

.....

৫.৩ ১৯১১ চনৰ গোখলেৰ বিল

গোখলেই ভাৰতৰ লোকসকল আৰু ব্রিটিছ চৰকাৰৰ শিক্ষাৰ ক্ষেত্রত মনোযোগ আকর্ষণ কৰাৰ বাবে পুনৰ প্রচেষ্টা কৰিছিল। সেইবাবে, ১৯১১ চনৰ ১৬ মার্চত ইম্পেৰিয়েল বিধানসভাৰ পৰিষদত পুনৰ এখন ব্যক্তিগত বিল উত্থাপন কৰিছিল। এই বিলখনৰ উদ্দেশ্য আছিল ভাৰতৰ প্রাথমিক শিক্ষা ক্রমান্বয়ে বিনামূলীয়া আৰু বাধ্যতামূলক

কৰি তোলা। এই বিলখনত তলত উল্লেখ কৰা পৰামৰ্শবোৰ আগবঢ়োৱা হৈছিল।

- গোখলেই বিলখনৰ জৰিয়তে পৰামৰ্শ দিছিল যে কিছুমান অঞ্চলত বাধ্যতামূলক প্ৰাথমিক শিক্ষা আৰম্ভ কৰিব লাগে য'ত পৰিষদৰ গৱৰ্ণৰ জেনেৰেলে কিছু শতাংশ স্থিৰ কৰি থয়।
- চৰকাৰৰ অনুমোদন লাভ কৰাৰ পিছত, স্থানীয় প্ৰশাসনে নিজৰ পৰিসীমাৰ ভিতৰত বাধ্যতামূলক কৰাৰ অধিকাৰ আছে।
- বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ খৰচ বহন কৰিবলৈ স্থানীয় প্ৰশাসনক কৰ ধাৰ্য কৰাৰ অধিকাৰ প্ৰদান কৰা হৈছিল।
- শিক্ষাৰ ব্যয় স্থানীয় প্ৰশাসন আৰু প্ৰাদেশিক চৰকাৰে ১ঃ২ ত বহন কৰিব লাগিছিল।
- ৫ পৰা ১০ বছৰৰ ল'ৰাৰ বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ বাবেও গোখলেই পৰামৰ্শ আগবঢ়াইছিল।
- স্বীকৃতিপ্ৰাপ্ত প্ৰাথমিক স্কুললৈ ল'ৰা-ছোৱালী পঠোৱাৰ ক্ষেত্ৰত ব্যৰ্থ হোৱা অভিভাৱকসকলক জৰিমনা প্ৰদানৰ ব্যৱস্থা কৰিব লাগে।
- ছোৱালীৰ বাবেও প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ ইয়াত পৰামৰ্শ দিয়া হৈছিল।
- যিবোৰ অভিভাৱকৰ মাহিলি আয় ১০/- টকাতকৈ কম তেওঁলোকক কোনো মাচুল দিব কোৱা নহৈছিল।

গোখলেই বিলখন উপস্থাপন কৰাৰ পিছত, ইয়াক স্থানীয় চৰকাৰ, বিশ্ববিদ্যালয়সমূহ আৰু কিছুমান ব্যক্তিগত প্ৰশাসনৰ মাজত মতামত বিচাৰি প্ৰচাৰিত কৰা হৈছিল। বিধান সভাৰ পৰিষদত অবিতৰ্কৰ বাবে বিলখন দিয়া হৈছিল আৰু এই বিতৰ্ক দুদিনৰ বাবে চলিছিল। আমি ইতিমধ্যে আলোচনা কৰি আহিছো যে বিলখন অগ্ৰাহ্য কৰা হৈছিল, ইয়াৰ বিপথে ৩৮ টা ভোট আৰু সপক্ষে মাত্ৰ ১৩ টাহে ভোট আছিল।

প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰিব বিচৰা গোখলেৰ বিলখন ভাৰত চৰকাৰে অগ্ৰাহ্য কৰাৰ কাৰণবোৰ হৈছে-

- সেই সময়ত প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ বাবে কোনো দাবী নাছিল।
- দেশৰ মানুহে বাধ্যতামূলক শিক্ষা গ্ৰহণৰ বাবে সাজু নাছিল।
- ৰাজ্য চৰকাৰ বিলখনৰ সমৰ্থনত নাছিল।
- এচাম শিক্ষিত ভাৰতীয় লোকেও এই বিলখন সমৰ্থন কৰা নাছিল।
- স্থানীয় প্ৰশাসনেও শৈক্ষিক কৰ আদায় কৰিব বিচৰা নাছিল?
- বিলখন প্ৰয়োগত, প্ৰশাসনিক দিশৰ বহুতো সমস্যাৰ উদ্ভাৱন হোৱাৰ আশংকা আছিল।

যদিও গোখলেৰ বিলখন অগ্ৰাহ্য হৈছিল, তথাপিও ই বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত সমগ্ৰ দেশৰে মনোযোগ আকৰ্ষণ কৰিছিল। ব্ৰিটিছ চৰকাৰে ইয়াৰ শিক্ষাৰ নীতিক পুনৰ বিবেচনা কৰিছিল আৰু ১৯১৩ চনৰ ২১ ফেব্ৰুৱাৰীত নতুন শিক্ষানীতি ঘোষণা কৰিছিল।

৫.৫ গোখলেৰ প্ৰচেষ্টাৰ প্ৰভাৱ

যদিও গোখলেৰ বিলখন পাচ হোৱা নাছিল, তথাপিও এই প্ৰচেষ্টাই এক মহান উদ্দেশ্য পূৰণ কৰিছিল। পৰৱৰ্তী বছৰত প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত গোখলেৰ বিলৰ ব্যৱহাৰিক প্ৰভাৱ পৰিছিল। তেওঁ সেইসময়ৰ শিক্ষাৰ অৱস্থা খুব স্পষ্টকৈ দাঙি ধৰিছিল আৰু ইয়াৰ সংশোধনৰ বাবে উপযুক্ত পৰামৰ্শ দিবলৈ চেষ্টা কৰিছিল। ভাৰতৰ বিভিন্ন শ্ৰেণীৰ লোকৰ এই দিশত মনোযোগ অনাৰ বাবে চেষ্টা কৰিছিল। বেছি শিক্ষিতলোকসকলে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। কেন্দ্ৰীয় চৰকাৰৰ অধীনত এটা শিক্ষাৰ বিভাগৰ সৃষ্টিকৰা হৈছিল। প্ৰাথমিক শিক্ষাৰ বাবে আন্দোলন দ্ৰুত গতিত আগবাঢ়িছিল। ১৯১২ চনত, নতুনকৈ সৃষ্টি কৰা উত্তৰ পশ্চিম ফ্ৰন্টটিয়াৰ প্ৰভিন্সত প্ৰাথমিক শিক্ষা বিনামূলীয়া কৰা হৈছিল।

গোখলে বিলৰ পৰিণতি স্বৰূপে, ভাৰত চৰকাৰে প্ৰাথমিক শিক্ষাৰ বিকাশৰ বাবে পুনৰাবৃত্তিমূলক অনুদান ৫০ লাখ টকা আৰু অ-আৱৰ্তনীয় অনুদান ৮০ লাখ টকা ধাৰ্য কৰিছিল। ১৯১০ চনৰ পৰা ১৯১৭ চনৰ সময়ছোৱাৰ ভিতৰত দেশৰ প্ৰাথমিক শিক্ষাৰ যথেষ্ট অগ্ৰগতি হৈছিল। প্ৰাদেশিক চৰকাৰবোৰেও বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ

প্রয়োজন অনুভৱ কৰিছিল। ১৯১৮ চনত বিহোল ভাই পেটেলে পোন প্রথম বাৰৰ বাবে বোম্বে প্রভিন্সত প্রাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ বাবে বিল উত্থাপন কৰিছিল। ১৯২০ চনত একে ধৰণৰ আইন বেংগল, পাঞ্জাব, উত্তৰ প্রদেশ, বিহাৰ আৰু উৰিষ্যা, মাদ্রাজ আৰু কেন্দ্রীয় প্রভিন্সতো পাচ হৈছিল। আপোনালোকে জানে যে অসমৰ বাধ্যতামূলক প্রাথমিক শিক্ষা আইন ১৯২৬ চনত বলবৎ হৈছিল। আমি ক'ব পাৰো যে এই সকলোবোৰ ১৯১০-১১ চনৰ গোখলেৰ প্রচেষ্টাৰ ফলস্বৰূপে হৈছিল। চৰকাৰেও শিক্ষাৰ এই নীতি পুনৰ বিবেচনা কৰিবলৈ বাধ্য হৈছিল আৰু শিক্ষাৰ ক্ষেত্রত ১৯১৩ চনত চৰকাৰী প্রস্তাৱৰ ওপৰত এখন নতুন শিক্ষা নীতি গ্রহণ কৰা হৈছিল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ঃ খালী ঠাই পূৰ কৰক

i) গোখলেই পুনৰ ১৯১১ চনৰ ১৬ মার্চত ..... বিলখন ইম্পেৰিয়েল বিধানসভাৰ পৰিষদত উত্থাপন কৰিছিল।

ii) নতুনকৈ সৃষ্টি কৰা উত্তৰ পশ্চিম ফ্রন্টটিয়াৰ প্রভিন্স, প্রাথমিক শিক্ষা ..... বিনামূলীয়া কৰা হৈছিল।

iii) অসমত বাধত্যমূলক প্রাথমিক শিক্ষা আইন ..... বলবৎ হৈছিল।

প্রশ্ন নং ৫ঃ গোখলেই কিমান চনত আৰু কোনখন পৰিষদত প্রাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰাৰ প্রস্তাৱ ৰাখিছিল ?

.....

৫.৬ ১৯১৩ চনৰ শিক্ষানীতিৰ ওপৰত চৰকাৰৰ প্রস্তাৱ

যেতিয়া প্রাথমিক শিক্ষাৰ ক্ষেত্রত গোখলেৰ বিলখন ইম্পেৰিয়েল বিধানসভাৰ পৰিষদত ৰৈ আছিল, তেতিয়া ৰজা জর্জ V আৰু তেওঁৰ পত্নী কুইন মেৰী ভাৰত ভ্রমনলৈ আহিছিল। ১৯১১ চনৰ ১২ ডিচেম্বৰত জর্জে দিল্লী দৰবাৰত ভাষণ দিছিল, তেওঁ তাত অন্য এটা ৫০ লাখ টকা প্রাথমিক শিক্ষাৰ বাবে ঘোষণা কৰিছিল। আমি জানো যে ১৯১২ চনৰ মার্চত গোখলেৰ বিলখন অগ্রাহ্য কৰা হৈছিল। বিলখন অগ্রাহ্য হোৱাৰ পিছত, ভাৰতৰ ৰাজ্যৰ অধীনস্থ সচিবে হাউচ কমঞ্চত ইয়াৰ বিষয়ে আলোচনা কৰা হৈছিল। শিক্ষা ক্ষেত্রত এক বিস্তৃত জৰীপ আৰু অধ্যয়নৰ বাবে ভাৰত চৰকাৰে ১৯১৩ চনত ২১ ফেব্রুৱাৰীত শিক্ষাৰ নীতিৰ প্রস্তাৱ গ্রহণ কৰে। এই প্রস্তাৱৰ প্রধান পৰামর্শবোৰ হৈছে-

- নিম্ন প্রাথমিক স্কুলৰ পর্যাপ্ত পৰিমানে প্রসাৰ হ'ব লাগে, য'ত তিনিটা 'R' ৰ নির্দেশনাৰ উপৰিও ল'ৰা-ছোৱালীক ছবি আঁকা, গাঁওৰ মেপৰ জ্ঞান, অধ্যয়নৰ প্রকৃতি আৰু শাৰীৰিক অনুশীলন বিষয়ে শিকাব লাগে।
- ঠিক সেইদৰে উপযুক্ত ঠাই আৰু য'ত প্রয়োজনীয় তাত উচ্চ প্রাথমিক স্কুল খুলিব লাগে, নিম্ন প্রাথমিক স্কুলবোৰকো উচ্চ প্রাথমিকলৈ উন্নীত কৰিব লাগে।
- ব্যক্তিগত স্কুলৰ ঠাইত স্থানীয় প্রশাসনৰ স্কুল স্থাপন কৰিব লাগে।
- মক্তাব আৰু পাঠশালাসমূহক সাহায্য দিব লাগে।
- ব্যক্তিগত স্কুলৰ পৰিদর্শন আৰু পৰিচালনা বেছি ফলপ্রসু কৰিব লাগে।
- ভাৰতৰ বেছিভাগ অংশতে, গাওঁ আৰু চহৰ অঞ্চলৰ পাঠ্যাক্রম পৃথক হিচাবে প্রদান কৰাতো ব্যৱহাৰিক নহ'বও পাৰে, কিন্তু নগৰ অঞ্চলৰ স্কুলত ভূগোল শিকাবৰ বাবে ঘথেষ্ট সুবিধা আৰু স্কুলৰ ভ্রমন ইত্যাদিৰ সুবিধা আছে।
- শিক্ষকসকলক ছাত্র-ছাত্রীসকল যিটো শ্রেণীৰ অন্তর্গত সেই একেটা শ্রেণীৰ পৰা লোৱা হ'ব পাৰে। তেওঁলোকে স্থানীয় ভাষাৰ মজলীয়া পৰীক্ষা উত্তীর্ণ হ'ব লাগে আৰু এবছৰীয়া প্রশিক্ষণ প্রাপ্ত হ'ব লাগে। বন্ধৰ সময়ত

প্রাথমিক স্কুলৰ শিক্ষকৰ বাবে পুনৰুদ্দীপন পাঠ্যক্রমৰ ব্যৱস্থা থাকিব লাগে।

- এজন প্রশিক্ষণপ্রাপ্ত শিক্ষকে প্রত্যেক মাহত ১২ টকাতকৈ কম দৰমহা পাব নেলাগিব। আকৌ তেওঁ/তাইৰ দৰমহা, পেঞ্চন আৰু প্রভিডেণ্ট ফাণ্ডৰ বৃদ্ধি হোৱাৰ সুবিধা থাকিব লাগিব।
- এজন শিক্ষকৰ অধীনত সাধাৰণতে ৩০ ৰ ৪০ জনৰ ভিতৰত ছাত্র-ছাত্রী থাকিব লাগে।
- মজলীয়া আৰু মাধ্যমিক স্কুলৰ পৰিস্থিতি চাই উন্নতি কৰিব লাগে আৰু তেওঁলোকৰ সংখ্যা বৃদ্ধি কৰিব লাগে।
- স্কুলবোৰ স্বাস্থ্যসন্মত, বিশাল কিন্তু কম খৰচী বিল্ডিংত অৱস্থিত হ'ব লাগে।
- মহিলা শিক্ষাৰ ওপৰতো গুৰুত্ব প্রদান কৰিব লাগে। ছোৱালীৰ বাবে ব্যৱহাৰিক উপযোগিতা থকা পাঠ্যক্রম প্রৱর্তন কৰিব লাগে। প্রস্তাৱত এইটো স্পষ্টকৈ উল্লেখ কৰা হৈছিল যে ছোৱালীৰ শিক্ষাৰ ক্ষেত্রত পৰীক্ষাত বেছি গুৰুত্ব দিব নালাগে।
- মহিলা শিক্ষাৰ আৰু পৰিদর্শকৰ সংখ্যা বৃদ্ধি কৰিব লাগে।
- মাধ্যমিক শিক্ষাৰ ক্ষেত্রৰ পৰা ৰাজ্যিক চৰকাৰে সম্পূর্ণ অব্যাহতি ল'ব নেলাগে।
- ৰাজ্যৰ অনুষ্ঠানবোৰৰ পুনৰ স্থাপন বন্ধ হ'ব লাগে।
- চলি থকা স্কুলবোৰ আৰ্হি হিচাবে চলি থাকিব লাগে আৰু ব্যক্তিগত অনুষ্ঠানক সহায়ক অনুদান আগবঢ়াব লাগে।
- পাঠ্যক্রম আৰু পৰীক্ষা ব্যৱস্থা উন্নত হ'ব লাগে? দেশৰ প্রয়োজন আৰু চাহিদা অনুযায়ী ৫ খন বিশ্ববিদ্যালয় আৰু ১৮৫ খন মহাবিদ্যালয় পর্যাপ্ত নাছিল বুলি বিবেচনা কৰা হৈছিল।
- বিশ্ববিদ্যালয়সমূহ আৰু উচ্চ মাধ্যমিক স্কুলবোৰ নির্দিষ্ট কার্যসূচী দিব লাগে।
- হাইস্কুলবোৰক স্বীকৃতি প্রদানৰ দায়িত্বৰ পৰা বিশ্ববিদ্যালয় সমূহক ৰেহাই দিব লাগে আৰু সেইবোৰক প্রাদেশিক চৰকাৰৰ অধীনত ৰাখিব লাগে।
- শিক্ষণ আৰু পৰীক্ষাৰ পৃথক বিশ্ববিদ্যালয় স্থাপন কৰিব লাগে বুলি প্রস্তাৱত পৰামর্শ দিয়া হৈছিল।
- পাঠ্যক্রমত উদ্যোগিক গুৰুত্ব থকা বিষয়বোৰ অন্তভুর্ক্ত কৰাৰ বাবে পৰামর্শ দিয়া হৈছিল আৰু গৱেষণা কার্যৰ বাবে ইচ্ছা থকা ছাত্র-ছাত্রীক সুবিধা প্রদান কৰিব লাগে।

প্রস্তাৱৰ ওপৰত উল্লেখ কৰা সুবিধা পৰা, এইটো স্পষ্ট হয় যে ১৯১৩ চনৰ ভাৰত চৰকাৰৰ প্রস্তাৱে লর্ড কার্জনৰ নিয়ন্ত্রণ নীতিক সমর্থন কৰিছিল। এই ক্ষেত্রত চৰকাৰৰ নীতিত কোৱা হৈছিল 'চৰকাৰী পৰিদর্শন, স্বীকৃতি আৰু নিয়ন্ত্রণৰ দ্বাৰা আৰু চৰকাৰী ধনৰ সাহায্যৰ দ্বাৰা দক্ষতাত বজাই ৰখা উপযুক্ত সংস্থাৰ অধীনত ব্যক্তিগতভাৱে, প্রথম বিশ্বযুদ্ধই প্রস্তাৱৰ বিকাশমূলক পৰিকল্পনাত প্রভাৱ পেলাই আৰু অর্থৰ অভাৱৰ ফলত বহুতো গুৰুত্বপূর্ণ দিশ পিচুৰাই যায়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ঃ শিক্ষাক্ষেত্রত বিস্তৃত জৰীপ আৰু অধ্যয়ণৰ বাবে কোন দিনা ভাৰত চৰকাৰে শিক্ষা নীতি প্রস্তাৱ অনুমোদন দিছিল?

.....

প্রশ্ন নং ৭ঃ ১৯১৩ চনত চৰকাৰৰ শিক্ষা নীতিৰ প্রস্তাৱৰ তিনিটা যিকোনো পৰামর্শ উল্লেখ কৰক।

.....

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ইম্পেৰিয়েল বিধান পৰিষদৰ সদস্য, গোপাল কৃষ্ণ গোখলেই প্রাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰাৰ কথা দাঙি ধৰিছিল।

- প্রাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰাৰ বাবে ১৯১০ চনত গোখলেই এটা প্রস্তাৱ দাঙি ধৰিছিল।
- তেওঁৰ মতে ৫ ৰ ১০ বছৰৰ ল'ৰাবোৰক বিনামূলীয়া আৰু বাধ্যতামূলক প্রাথমিক শিক্ষা প্রদান কৰিব লাগে।
- বিধানসভা পৰিষদত আলোচনা হোৱা প্রস্তাৱবোৰৰ ওপৰত দুর্ভাগ্যক্রমে চৰকাৰে কোনো পদক্ষেপ গ্রহণ নকৰিলে।
- ১৯১১ চনৰ ১৬ মার্চত গোখলেই বিধানসভা পৰিষদত বিনামূলীয়া আৰু বাধ্যতামূলক প্রাথমিক শিক্ষাৰ বাবে এক শক্তিশালী আন্দোলন গঢ়ি তুলিছিল, যাক ১৯১২ চনৰ গোখলেৰ বিল বুলি জনা যায়।
- এই বিলখন নাকচ হৈ গৈছিল কাৰণ বিলখনৰ সপক্ষে ১৩ টা ভোটৰ বিপৰীতে ৩৮ টা ভোট বিপক্ষে আছিল।
- বিলখন অগ্রাহ্য হ'লেও পৰৱর্তীসময়ত প্রাথমিক শিক্ষাত ইয়াৰ যথেষ্ট প্রভাৱ পৰিছিল। ভাৰতৰ বেছিভাগ শিক্ষিত ব্যক্তিয়ে প্রাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰি তোলাৰ প্রয়োজনীয়তা অনুভৱ কৰিছিল। ১৯১৮ চনত বিহোল ভাই পেটেলে পোন প্রথমবাৰৰ বাবে বম্বে প্রভিন্সত প্রাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ বাবে বিল উত্থাপন কৰিছিল। ১৯২০ চনত একে ধৰণৰ আইন বেংগল, পাঞ্জাৱ, উত্তৰ প্রদেশ, বিহাৰ আৰু উৰিষ্যা, মাদ্রাজ আৰু কেন্দ্রীয় প্রভিন্সতো পাচ হৈছিল।
- অসমত ১৯২৬ চনত বাধ্যতামূলক প্রাথমিক শিক্ষা আইন পাচ হৈছিল।
- গোখলেৰ প্রচেষ্টাৰ ফলস্বৰূপে, চৰকাৰে শিক্ষাৰ নীতি পুনৰ বিবেচনা কৰিব লগা হৈছিল আৰু ১৯১৩ চনৰ ২১ ফেব্রুৱাৰীত এখন নতুন শিক্ষানীতি প্রৱর্তন কৰিছিল, যাক ১৯১৩ চনৰ চৰকাৰী প্রস্তাৱ হিচাবে জনা যায়।

৫.৮ অধিক জানিবলৈ

১) Aggarwal, J.C. (2005). *History of Modern Indian Education*. New Delhi: Vikas Publishing House Pvt.Ltd.

২) Chaube, S.P. (1999). *History and Problems of Indian Education*. Agra: Vinod Pustak Mandir.

৩) Dash, B.N. (2014). *History of Education in India*. New Delhi: Dominant Publishers and Distributors Pvt. Ltd.

৫.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ ১৯২০, ইম্পেৰিয়েল বিধানসভা পৰিষদ।

২ নং প্রশ্নৰ উত্তৰঃ শিক্ষা বিভাগ

৩ নং প্রশ্নৰ উত্তৰঃ গোখেলেৰ প্রস্তাৱত থকা তিনিটা পৰামর্শ হৈছে-

- ৬ বছৰৰ পৰা ১০ বছৰৰ ল'ৰাৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক প্রাথমিক শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।
- প্রাথমিক শিক্ষাৰ সংগঠন, তত্ত্বাৱধান আৰু যত্ন ল'বলৈ এগৰাকী সচিব নিয়োগ কৰিব লাগে।
- কেন্দ্রীয় চৰকাৰত এক পৃথক বিভাগ থাকিব লাগে। প্রাথমিক শিক্ষাৰ প্রসাৰ কৰিবলৈ।

৪ নং প্রশ্নৰ উত্তৰঃ

- ব্যক্তিগত

- ১৯১২
- ১৯২৬

৫ নং প্রশ্নৰ উত্তৰঃপ্রাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰিব বিচৰা গোখলেৰ বিলখন নাকচ হোৱাৰ কাৰণবোৰ তলত দাঙি ধৰা হ'ল-

- সেই সময়ত প্রাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ বাবে কোনো দাবী নাছিল।
- দেশৰ মানুহে বাধ্যতামূলক প্রাথমিক শিক্ষা গ্রহণৰ বাবে সাজু নাছিল।
- স্থানীয় প্রশাসনেও শৈক্ষিক কৰ আদায় কৰিব বিচৰা নাছিল।

৬ নং প্রশ্নৰ উত্তৰঃ ১৯১৩ চনৰ ২১ ফেব্রুৱাৰী।

৭ নং প্রশ্নৰ উত্তৰঃ ১৯১৩ চনৰ শিক্ষানীতিৰ চৰকাৰী প্রস্তাৱৰ তিনিটা প্রধান পৰামর্শ হৈছে-

- নিম্ন প্রাথমিক স্কুলৰ পর্যাপ্ত পৰিমানে প্রসাৰ হ'ব লাগে, য'ত তিনিটা 'R' ৰ নির্দেশনাৰ উপৰিও ল'ৰা-ছোৱালীক ছবি আঁকা, গাঁওৰ মেপৰ জ্ঞান, অধ্যয়নৰ প্রকৃতি আৰু শাৰীৰিক অনুশীলনৰ বিষয়ে শিকাব লাগে।
- ঠিক সেইদৰে উপযুক্ত ঠাই আৰু য'ত প্রয়োজনীয় তাত উচ্চ প্রাথমিক স্কুল খুলিব লাগে, নিম্ন প্রাথমিক স্কুললৈ উন্নীত কৰিব লাগে।
- ব্যক্তিগত স্কুলৰ ঠাইত স্থানীয় প্রশাসনৰ স্কুল স্থাপন কৰিব লাগে।

? ৫.১০ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ১৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ কোন চনত গোখলেই তেওঁৰ ব্যক্তিগত বিল উত্থাপন কৰিছিল?

প্রশ্ন ২ঃ গোখলেৰ বিনামূলীয়া আৰু বাধ্যতামূলক প্রাথমিক শিক্ষাৰ অগ্রাহ্য কৰাৰ কাৰণবোৰ লিখক।

প্রশ্ন ৩ঃ দেশৰ প্রাথমিক শিক্ষাৰ ক্ষেত্রত গোখেলেৰ প্রস্তাৱৰ প্রভাৱ সম্পর্কে এটা টোকা লিখক।

(খ) দীঘলীয়া প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ ১৯১০ চনৰ গোখলেৰ প্রাথমিক শিক্ষা বাধ্যতামূলক কৰণৰ প্রস্তাৱৰ বিষয়ে বর্ণনা কৰক।

প্রশ্ন ২ঃ ১৯১১ চনৰ গোখলে বিলৰ বৈশিষ্ট্যবোৰ আলোচনা কৰক। বিলখন কিয় নাকচ কৰা হৈছিল? প্রাথমিক শিক্ষা বিকাশৰ ক্ষেত্রত গোখলেৰ অৰিহণা বর্ণনা কৰক।

প্রশ্ন ৩ঃ ভাৰতৰ প্রাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ ক্ষেত্রত গোখলেৰ প্রচেষ্টাৰ বিষয়ে লিখক। ই ভাৰতৰ প্রথমিক শিক্ষাৰ বিকাশত কেনেকৈ সহায় কৰিছিল?

প্রশ্ন ৪ঃ ১৯১৩ চনৰ শিক্ষানীতিৰ ওপৰত চৰকাৰৰ প্রধান প্রস্তাৱবোৰ লিখক।

*** ***** ***

অধ্যায় ৬ঃ ব্রিটিছ ভাৰতৰ শিক্ষা- V
(চেডলাৰ/১৯১৭ চনৰ কলিকতা বিশ্ববিদ্যালয় আয়োগ)

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ মাধ্যমিক শিক্ষাত কলিকতা বিশ্ববিদ্যালয় আয়োগ
৬.৪ বিশ্ববিদ্যালয় শিক্ষাত চেডলাৰ আয়োগ
৬.৫ অন্য শৈক্ষিক দিশত চেডলাৰ আয়োগ
৬.৬ চেডলাৰ আয়োগৰ মূল্যায়ন আৰু সমালোচনা
৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৮ অধিক জানিবলৈ
৬.৯ অগ্রগতিৰ খতিয়ান
৬.১০ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- কলিকতা বিশ্ববিদ্যালয় আয়োগ বা চেডলাৰ আয়োগ নিযুক্তিৰ পটভূমিৰ বিষয়ে জানিব পাৰিব
- মাধ্যমিক শিক্ষাৰ ক্ষেত্রত চেডলাৰ আয়োগৰ পৰামর্শবোৰ ব্যাখ্যা কৰিব পাৰিব।
- আয়োগে বিশ্ববিদ্যালয় শিক্ষাৰ ক্ষেত্রত আগবঢ়োৱা পৰামর্শবোৰৰ বিশ্লেষণ কৰিব পাৰিব।
- ভাৰতীয় শিক্ষাৰ পৰামর্শবোৰৰ প্রভাৱ চিনাক্ত কৰিব পাৰিব।

৬.২ পৰিচয়

আমি ইতিমধ্যে শিকি আহিছো যে ভাৰত চৰকাৰে ১৯১৩ চনত শিক্ষাৰ এক প্রস্তাৱৰ অনুমোদন কৰিছিল। ১৯১৩ চনৰ শিক্ষাৰ প্রস্তাৱ প্রস্তুত কৰি থাকোতে ভাৰত চৰকাৰে বিশ্ববিদ্যালয় শিক্ষাৰ ক্ষেত্রত এখন আয়োগ নিযুক্তি দিয়াৰ পৰিকল্পনা কৰিছিল। ১৯১৪ চনত লর্ড হেলডেনৰ নেতৃত্বত ভাৰতীয় শিক্ষা ব্যৱস্থাৰ সংশোধনৰ বাবে এটা প্রস্তাৱ তৈয়াৰ কৰিছিল। ইয়াত প্রধানকৈ কোৱা হৈছিল যে প্রত্যেক প্রদেশতে একোখনকৈ বিশ্ববিদ্যালয় স্থাপন কৰিব লাগে। যি নহওক এই প্রস্তাৱটো ১৯১৪ চনৰ প্রথম বিশ্বযুদ্ধৰ বাবে আৰু লগতে লর্ড হেলডেনৰ অনিচ্ছাৰ বাবে ইয়াক কার্যকৰী কৰিব পৰা নগ'ল।

প্রথম বিশ্বযুদ্ধৰ সমাপ্তিৰ পিছত, ১৯১৭ চনত লিউচ্ বিশ্ববিদ্যালয়ৰ উপাচার্য চেডলাৰৰ অধ্যক্ষতাত ভাৰত চৰকাৰে কলিকতা বিশ্ববিদ্যালয় আয়োগ গঠন কৰে। এই আয়োগখন কলিকতা বিশ্ববিদ্যালয় আয়োগ গঠন কৰে। এই আয়োগখন কলিকতা বিশ্ববিদ্যালয়ৰ বিষয়ে অনুসন্ধান কৰি আৰু তাৰ সমাধানৰ বাবে পৰামর্শ আগবঢ়াবলৈ নিযুক্তি দিয়া হৈছিল। অধ্যক্ষ মাইকেল চেডলাৰৰ নাম অনুসৰি এই আয়োগখনক জনপ্রিয়ভাৱে চেডলাৰ আয়োগ বুলি জনা যায়। আয়োগৰ অন্য সদস্যসকল হৈছে ড° প্রেগৰি, চাৰ ফিলিপ হাৰটগ, ৰামচে মোৰ, চাৰ আশোতোষ মুখার্জী আৰু ড° জিয়া-উড দিন আহমেদ। ১৯১৬ চনত ভাৰতবর্ষত ৫ খন বিশ্ববিদ্যালয় আছিল আৰু তাৰ ভিতৰত আটাইতকৈ ডাঙৰ আছিল কলিকতা বিশ্ববিদ্যালয়। এই বিশ্ববিদ্যালয়ৰ বিভিন্ন সমস্যাবোৰ সমাধানৰ বাবে এখন আয়োগৰ প্রয়োজন হৈছিল।

১৭ মাহ কঠোৰ পৰিশ্রমৰ সময়ত আয়োগে ব্রিটিছ ভাৰতৰ অন্য বিশ্ববিদ্যালয়বোৰ পৰিদর্শন কৰিছিল, কলিকতা বিশ্ববিদ্যালয়ৰ সন্দর্ভত আয়োগে ১৩ টা খণ্ড প্রকাশ কৰিছিল আৰু ইয়াত কিছুমান শাৰী দিয়া হৈছিল য'ত ভবিষ্যতে বেংগলৰ উচ্চ শিক্ষা বিকাশৰ কথা উল্লেখ কৰা হৈছিল। প্রতিবেদনখনে ভাৰতৰ অন্য চাৰিখন বিশ্ববিদ্যালয়ৰ সাধাৰণ সমস্যাবোৰ অনুসন্ধান কৰিছিল আৰু এই প্রতিবেদনে ভাৰতৰ বিশ্ববিদ্যালয়ৰ বিকাশৰ বাবে পৰামর্শ আগবঢ়াইছিল।

কলিকতা বিশ্ববিদ্যালয় আয়োগে মাধ্যমিক শিক্ষাৰ সমস্যাবোৰ অধ্যয়ন কৰিছিল আৰু মাধ্যমিক স্কুলবোৰৰ পুনৰ সংশোধনৰ বাবে গুৰুত্বপূর্ণ পৰামর্শ আগবঢ়াইছিল। এই আয়োগে মতামত দিছিল যে শিক্ষা ব্যৱস্থাৰ উন্নতিৰ বাবে মাধ্যমিক শিক্ষাৰ উন্নতি প্রয়োজন।

৬.৩ মাধ্যমিক শিক্ষাত চেডলাৰ বা কলিকতা বিশ্ববিদ্যালয়

এই আয়োগে মাধ্যমিক শিক্ষাৰ ক্ষেত্রত এক যুগমীয়া পৰিৱর্তন আনিব বিচাৰিছিল। এই আয়োগে নিৰীক্ষণ কৰিছিল যে 'যেতিয়ালৈকে মাধ্যমিক শিক্ষাৰ এক গুৰুত্বপূর্ণ সংশোধন নহয়, তেতিয়ালৈকে বেংগলৰ বিশ্ববিদ্যালয় শিক্ষাৰ সন্তোষজনক পৰিৱর্তন সম্ভৱ হ'ব নোৱাৰে, কাৰণ মাধ্যমিক শিক্ষাৰ ওপৰত ই নির্ভৰশীল, ই ফলাফল বহন কৰে। 'এই আয়োগে প্রথমে মাধ্যমিক শিক্ষাৰ ভূলবোৰ আঙুলিয়াই দিছিল। আয়োগৰ মতে মাধ্যমিক শিক্ষাৰ ত্রুটিবোৰ হৈছে এনেধৰণৰ-

- মাধ্যমিক শিক্ষাত উপযুক্ত আহিলা আৰু আচবাৰৰ অভাৱ আছিল।
- ৰাজহুৱা পৰীক্ষাবোৰৰ প্রভাৱৰ বাবে মাধ্যমিক শিক্ষা ঠেক হৈ পৰিছিল।
- দুখ লগা পর্যায়লৈ মাধ্যমিক শিক্ষা অৱনমিত হৈছিল।
- সময়মতে মাধ্যমিক শিক্ষা পৰিদর্শন কৰা হোৱা নাছিল আৰু সেইবোৰৰ উন্নতিৰ বাবে উপযোগী পৰামর্শ আগবঢ়োৱা হোৱা নাছিল।
- পাঠ্যক্রমত মজলীয়া শ্রেণীৰ বাবে উপযোগী বিষয়বোৰ অন্তভুর্ক্ত কৰা হোৱা নাছিল।

ওপৰত উল্লেখ কৰা মাধ্যমিক শিক্ষাৰ ত্রুটিবোৰৰ সমাধান কৰিবৰ বাবে আয়োগ তলত উল্লেখ কৰা পৰামর্শবোৰ আগবঢ়াইছিল-

- বিশ্ববিদ্যালয় আৰু মাধ্যমিক শিক্ষাৰ পৃথকীকৰণ মেট্রিক হোৱাৰ ... মজলীয়া পৰীক্ষা হ'ব লাগে।
- আয়োগে পৰামর্শ দিছিল যে ডিগ্রী কলেজৰ পৰা মজলীয়া শ্রেণীবোৰ পৃথক হ'ব লাগে আৰু অন্য এক নতুন ধৰণৰ অনুষ্ঠান স্থাপন কৰিব লাগে, যাক ইণ্টাৰমিডিয়েট কলেজ বুলি জনা যায়। ইয়াৰ প্রস্তাৱত কোৱা হৈছিল যে বর্তমানৰ হাইস্কুলৰ ওপৰৰ দুটা শ্রেণী তাৰ পৰা আঁতৰাই সেই দুবছৰ ইণ্টাৰমিডিয়েট কলেজৰ পাঠক্রমত সংযোজন কৰিব লাগে। এইবোৰ স্বাধীন অনুষ্ঠান হিচাবে থাকিব লাগে বা কিছুমান নির্বাচিত হাইস্কুলৰ সৈতে থাকিব লাগে। ইণ্টাৰমিডিয়েট কলেজবোৰে কলা, বিজ্ঞান, চিকিৎসা, অভিযান্ত্রিক, শিক্ষা ইত্যাদি বিষয়ত শিক্ষা প্রদান কৰিব লাগে।
- বিশ্ববিদ্যালয় শিক্ষাত নাম ভর্তিকৰণৰ অর্হতাৰ ক্ষেত্রত ইণ্টাৰমিডিয়েট অর্হতা হ'ব লাগে, মেট্রিকৰ নহয়।
- মাধ্যমিক শিক্ষাৰবোর্ড আৰু ইণ্টাৰমিডিয়েট শিক্ষা প্রতিষ্ঠা হ'ব লাগে আৰু এইবোৰ মাধ্যমিক শিক্ষাৰ প্রশাসন আৰু নিয়ন্ত্রণৰ সৈতে সংযুক্ত হ'ব লাগে। এইবোর্ডখনত চৰকাৰৰ, বিশ্ববিদ্যালয়, মাধ্যমিক স্কুল আৰু ইণ্টাৰমিডিয়েট কলেজৰ প্রতিনিধি থাকিব লাগে। এই বোর্ডখন চৰকাৰৰ শিক্ষা বিভাগৰ পৰা পৃথক হ'ব লাগে। ইয়াৰ সদস্যবোৰৰ বেছি ভাগেই চৰকাৰী হ'ব নেলাগে আৰু ইয়াত হিন্দু, মুছলমান সকলোবে প্রতিনিধিত্ব কৰিব লাগে।
- আয়োগে পুনৰ পৰামর্শ দিছিল যে মাধ্যমিক শিক্ষাৰ উন্নতিৰ বাবে পর্যাপ্ত পৰিমাণৰ অর্থ পুঁজিৰ যোগান ধৰিব লাগে।
- আয়োগে পৰামর্শ দিছিল যে মাধ্যমিক স্কুল আৰু ইণ্টাৰমিডিয়েট কলেজৰ শিক্ষাৰ মাধ্যম মাতৃভাষা হ'ব লাগে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ কোন চনত কলিকতা বিশ্ববিদ্যালয় আয়োগ গঠন কৰা হৈছিল?

.....

প্রশ্ন নং ২ঃ কলিকতা বিশ্ববিদ্যালয় আয়োগক জনপ্রিয়ভাৱে ..... বুলি জনা যায়। (খালী ঠাইপূৰ কৰক)

প্রশ্ন নং ৩ঃ ১৯১৬ চনত ভাৰতত ..... খন বিশ্ববিদ্যালয় আছিল (খালী ঠাই পূৰ কৰক)

প্রশ্ন নং ৪ঃ কলিকতা বিশ্ববিদ্যালয় আয়োগে পৰামর্শ দিছিল যে মাধ্যমিক স্কুল আৰু ইণ্টাৰমিডিয়েট কলেজৰ শিক্ষাৰ মাধ্যম ..... হ'ব লাগে। (খালী ঠাই পূৰ কৰক)

প্রশ্ন নং ৫ঃ মাধ্যমিক শিক্ষাৰ ক্ষেত্রত কলিকতা বিশ্ববিদ্যালয়ে আঙুলিয়াই দিয়া যিকোনো দুটা ত্রুটি উল্লেখ কৰক।

.....

৬.৪ বিশ্ববিদ্যালয় শিক্ষাৰ ক্ষেত্রত চেডলাৰ আয়োগ

আমি ইতিমধ্যে ওপৰত আলোচনা কৰি আহিছো যে এই আয়োগে কলিকতা বিশ্ববিদ্যালয়ৰ সমস্যাবোৰ বিশদভাৱে পৰীক্ষা কৰিছিল যিবোৰ অন্য বিশ্ববিদ্যালয়ৰ সৈতে সম্পর্কিত আছিল। বিশদ অধ্যয়নৰ পিছত আয়োগে জানিব পাৰিছিল যে বিশ্ববিদ্যালয় প্রসাৰ ঘটিছে আৰু ছাত্র-ছাত্রী সংখ্যা আৰু ইয়াৰ সংবদ্ধ কলেজৰ সংখ্যা যথেষ্ট বৃদ্ধি হৈছে, যিটো এখন অনুষ্ঠানে ফলপ্রসূভাৱে চলোৱাটো সম্ভৱ নহয়। সেইবাবে আয়োগে উল্লেখ কৰিছিল যে বিশ্ববিদ্যালয়খনে সফলতাৰে ইয়াক চলাব নোৱাৰিব। সেইবাবে আয়োগে তলৰ পৰামর্শবোৰ আগবঢ়াইছিল।

- ঢাকাত এখন একক শিক্ষা প্রদান কৰা বিশ্ববিদ্যালয় সোনকালে স্থাপন কৰিব লাগে।
- কলিকতা বিশ্ববিদ্যালয়খনক এখন প্রকৃত শিক্ষণৰ বিশ্ববিদ্যালয় হিচাপে গঢ় দিব লাগে আৰু চহৰ অঞ্চলৰ বিভিন্ন কলেজবোৰ এখন বিশ্ববিদ্যালয়ত সংগঠিত হ'ব লাগে।
- গাওঁ অঞ্চলৰ কলেজবোৰৰ ইমানেই বিকাশ হ'ব লাগে যাতে এইবোৰক বিশ্ববিদ্যালয়ৰ কেন্দ্র হিচাবে ক্রমান্বয়ে উৎসাহিত কৰিব পৰা যায়।
- মাধ্যমিক আৰু ইণ্টাৰমিডিয়েট শিক্ষাৰ পৰা বিশ্ববিদ্যালয়ক ৰেহাই দিব লাগে।
- কলেজৰ শিক্ষকসকলক বিশ্ববিদ্যালয়ৰ শৈক্ষিক বিষয়ত অধিক ক্ষমতা অর্পন কৰিব লাগে।
- বিশ্ববিদ্যালয়ৰ নীতিবোৰ বেছি কঠোৰ হ'ব নেলাগে। চিনেট আৰু ছিন্দিকেটৰ পৰিৱর্তে প্রতিনিধিত্বমূলক প্রশাসন যেনে-'কোর্ট' আৰু 'ত্রক্সিউকিটিভ কাউন্সিল' গঠন হ'ব লাগে।
- বিদ্যায়তনিক পৰিষদৰ বিদ্যায়তনিক প্রশ্নৰ বাবে স্বাধীন ক্ষমতা থাকিব লাগে যিয়ে অধ্যয়নৰ বিষয়, পৰীক্ষা আৰু ডিগ্রীত প্রভাৱ পেলায়।
- বিভিন্ন অনুষদ আৰু অধ্যয়নৰ বোর্ড গঠন হ'ব লাগে।
- ছাত্র-ছাত্রীৰ প্রয়োজন পূৰণ, পাচ কোর্চৰ পৰা মেজৰ কোর্চৰ পৃথক কৰা আৰু ই বিশ্ববিদ্যালয়ত প্রতিষ্ঠা হ'ব লাগে।
- শিক্ষকসকল উপযুক্তভাৱে প্রশিক্ষণ প্রাপ্ত হ'ব লাগে।
- শিক্ষক প্রশিক্ষণৰ বাবে কলিকতা বিশ্ববিদ্যালয় আৰু ঢাকাত শিক্ষা বিভাগ আৰম্ভ কৰিব লাগে। M.A আৰু B.A কোর্চত শিক্ষাক এক বিষয় হিচাবে শিকাব লাগে।
- ইণ্টাৰমিডিয়েট স্তৰৰ পিছত ডিগ্রীকোর্চ তিনিবছৰীয়া হ'ব লাগে।
- পূর্ণকালীন আৰু দৰমহা পোৱা উপাচার্য এগৰাকী নিয়োগ কৰিব লাগে।
- বিশেষজ্ঞ থকা বিশেষ নির্বাচন কমিটিয়ে অধ্যাপক আৰু ৰিডাৰ নিযুক্তি দিব লাগে।
- টিভটৰিয়েলৰ কাম আৰু উচ্চ পর্যায়ৰ গৱেষণা সংগঠিত কৰিব লাগে।

- আধুনিক ভাৰতীয় ভাষাৰ অধ্যয়নক উৎসাহিত কৰিব লাগে আৰু এইবোৰ পাচকোৰ্চ আৰু অনাৰ্চকোচত অন্তর্ভুক্ত কৰিব লাগে।
- পৰীক্ষা ব্যৱস্থাৰ যথেষ্ট পৰিৱর্তন আহিব লাগে।

৬.৫ অন্যান্য শৈক্ষিক দিশত আয়োগ

আয়োগে অন্যান্য কিছুমান শৈক্ষিক দিশতো পৰামর্শ আগবঢ়াইছিল। তলত সেইবোৰ দাঙি ধৰা হ'ল-

- মুছলমানসকল পিছপৰা কাৰণে তেওঁলোকক যিমান পাৰি উৎসাহ যোগাব লাগে আৰু শিক্ষণক্ষেত্রত তেওঁলোকৰ উৎসাহ বৃদ্ধি কৰিব লাগে।
- ৰক্ষণশীল পৰিয়ালৰ ছোৱালীক শিক্ষাৰ প্রতি উৎসাহিত কৰিবৰ বাবে পর্দা স্কুল স্থাপন কৰিব লাগে। ছোৱালীবোৰৰ শিক্ষাৰ প্রতি আগ্রহ জন্মাবলৈ কলিকতা বিশ্ববিদ্যালয়ত মহিলা শিক্ষাৰ এক বিশেষ ব'র্ড গঠন কৰিব লাগে।
- প্রত্যেক বিশ্ববিদ্যালয়তে শাৰীৰিক প্রশিক্ষণৰ সঞ্চালকালয় নিয়োগ কৰিব লাগে যাৰ কর্তব্য হৈছে ছাত্র-ছাত্রীৰ স্বাস্থ্য আৰু শৰীৰৰ যত্ন লোৱা। ছাত্র-ছাত্রীৰ কল্যাণৰ তত্ত্বাৱধান ল'বলৈ প্রত্যেক বিশ্ববিদ্যালয়ত ছাত্র কল্যাণ বোর্ড গঠন কৰিব লাগে।
- বিশ্ববিদ্যালয়ে প্রয়োগিক বিজ্ঞান আৰু প্রযুক্তি পাঠ্যক্রমত অন্তভুর্ক্ত কৰিব লাগে আৰু ডিগ্রী আৰু ডিপ্র'মাৰ সৈতে সেইবোৰৰ ব্যৱহাৰিক অধ্যয়ন চিনাক্ত কৰিব লাগে।
- বৃত্তীয় শিক্ষাৰ ক্ষেত্রত আয়োগে নিৰীক্ষণ কৰিছিল যে ভাৰতৰ ছাত্র-ছাত্রীসকল সাহিত্য বিষয়ত বিশেষভাৱে আগ্রহী। এই প্রৱণতাৰ ক্ষেত্রত আয়োগে দুটা কাৰণ নিৰীক্ষণ কৰিছিল। প্রথমতে, বিশ্ববিদ্যালয়ৰ ছাত্রসকল ধনী ঘৰৰ আছিল আৰু তেওঁলোক জীৱনৰ নির্দিষ্ট বৃত্তিৰ প্রতি আগ্রহী নাছিল, কেৱল উচ্চ শিক্ষা লাভ কৰি ভাল সেৱা আগবঢ়াব বিচাৰিছিল। দ্বিতীয়তে, তাত কোনো বৃত্তিমূখী শিক্ষাৰ ব্যৱস্থা নাছিল আৰু সেইবাবে ইয়াৰ গুৰুত্ব যুৱচামে বুজাটো সম্ভৱপৰ নাছিল। ওপৰত উল্লেখ কৰা অনুসৰি, আয়োগে ইণ্টাৰমিডিয়েট স্তৰত বৃত্তীয় শিক্ষাৰ আৰম্ভণি কৰাৰ পৰামর্শ দিছিল। বিশ্ববিদ্যালয়ে দেশৰ উদ্যোগিক বিকাশৰ বাবে ব্যক্তিক উপযুক্ত প্রশিক্ষণ দিয়াৰ সুবিধা দিবলৈ পৰামর্শ দিছিল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ঃ চেডলাৰ আয়োগে পৰামর্শ দিছিল যে ইণ্টাৰমিডিয়েট স্তৰৰ পিছত ডিগ্রী কোর্চ .....
বছৰৰ হ'ব লাগে। (খালী ঠাই পূৰ কৰক)

প্রশ্ন নং ৭ঃ চেডলাৰ আয়োগ পৰামর্শ দিছিল যে ৰক্ষণশীল পৰিয়ালৰ ছোৱালীক শিক্ষা দিবৰ বাবে ..... স্কুল স্থাপন কৰিব লাগে। (খালী ঠাই পূৰণ কৰক)

প্রশ্ন নং ৮ঃ বৃত্তীয় শিক্ষাৰ ক্ষেত্রত চেডলাৰ আয়োগৰ নিৰীক্ষণ সম্পর্কে লিখক। (২০০ শব্দৰ ভিতৰত)
.....

৬.৬ চেডলাৰ আয়োগৰ মূল্যায়ন আৰু সমালোচনা

এই আয়োগৰ পৰামর্শাৱলী যদিও কেৱল কলিকতা বিশ্ববিদ্যালয়ৰ বাবেহে আছিল, তথাপিও ভাৰতৰ সমগ্র বিশ্ববিদ্যালয় শিক্ষাৰ বাবেই নির্দেশনা হিচাবে কাম কৰিছিল। কলিকতা বিশ্ববিদ্যালয় আয়োগৰ বেছিভাগ পৰামর্শ হেলডেন আয়োগৰ দ্বাৰা প্রভাৱিত হৈছিল, যিখন লণ্ডন বিশ্ববিদ্যালয়ৰ কার্যৰ অনুসন্ধানৰ বাবে গঠন কৰা হৈছিল। সেইবাবে, কলিকতা বিশ্ববিদ্যালয় আয়োগৰ কিছুমান পৰামর্শ সেই সময়ৰ ভাৰতৰ বাবে প্রযোজ্য নাছিল। উদাহৰণ স্বৰূপে, গাঁৱৰ কলেজবোৰৰ ভৱিষ্যত বিশ্ববিদ্যালয়ৰ কেন্দ্র হিচাবে বিকাশ কৰা আৰু অক্সফর্ডৰো কেমব্রিজ

বিশ্ববিদ্যালয়ৰ আৰ্হিত শিক্ষা বিশ্ববিদ্যালয় হিচাবে কলিকতা বিশ্ববিদ্যালয়ক সৃষ্টি কৰা আদিয়ে ডাঙৰ কঠিনতাৰ সৃষ্টি কৰিছিল। হাইস্কুল আৰু ইণ্টাৰমিডিয়েট শিক্ষাৰ বাবে পৃথক বোৰ্ড সৃষ্টি কৰাটোৰ সেই সময়ত বেছি আগতীয়া আছিল।

ওপৰত উল্লেখ কৰা আসোঁৱাহবোৰ থাকিলেও আয়োগৰ পৰামৰ্শবোৰক আমি আওকাণ কৰিব নোৱাৰি। আয়োগৰ পৰামৰ্শবোৰে ভাৰতৰ বিশ্ববিদ্যালয় শিক্ষাত যথেষ্ট বিকাশ আনিছিল। ১৯১৭-১৯২১ চনৰ ভিতৰত বহুতো নতুন বিশ্ববিদ্যালয় স্থাপিত হৈছিল। ঢাকাত এখন একক শিক্ষণ আৰু আবাসিক বিশ্ববিদ্যালয় স্থাপিত হৈছিল। ইয়াৰ উপৰিও, পাটনা, লক্ষ্ণৌ, আলিগড়, আগ্ৰা, দিল্লী, নাগপুৰ, হাইদৰাবাদ আৰু মাইচোৰ উল্লেখযোগ্য। আয়োগৰ পৰামৰ্শবোৰে মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত বিপ্লৱৰ সূচনা কৰিছিল।

শেষত আমি ক'ব পাৰো যে আয়োগৰ পৰামৰ্শবোৰ ভাৰতীয় শিক্ষাৰ ইতিহাসত এক গুৰুত্বপূৰ্ণ দলিল। ই ভাৰতৰ জনসাধাৰণৰ মাজত এক আবেগৰ সৃষ্টি কৰিছিল।

৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৯১৭ চনৰ ১৪ ছেপ্টেম্বৰত, ব্ৰিটিছ চৰকাৰে কলিকতা বিশ্ববিদ্যালয় আয়োগ গঠন কৰিছিল।
- তেতিয়াৰ লিড্‌চ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° মাইকেল চেডলাৰক ইয়াৰ অধ্যক্ষ হিচাবে নিয়োগ কৰা হৈছিল। সেইবাবে এই আয়োগখনক চেডলাৰ আয়োগ বুলি জনা যায়।
- ১৭ মাহ বিশদ জৰিপৰ পিছত, আয়োগে ১৯১৯ চনত ইয়াৰ ১৩ টা অংশ থকা প্ৰতিবেদন দাখিল কৰিছিল।
- আয়োগে সেই সময়ত ভাৰততে প্ৰচলিত মাধ্যমিক, কলেজিয়েট আৰু বিশ্ববিদ্যালয়ৰ শিক্ষাৰ ক্ষেত্ৰত এক বিস্তাৰিত গঠনমূলক পৰামৰ্শ আগবঢ়াইছিল।
- আয়োগে মাধ্যমিক শিক্ষা বোৰ্ড গঠনৰ পৰামৰ্শ দিছিল, ইয়াৰ লক্ষ্য আছিল মাধ্যমিক শিক্ষাৰ দায়িত্বৰ পৰা বিশ্ববিদ্যালয়ক ৰেহাই দিয়া।
- বিশ্ববিদ্যালয়সমূহ আৰু শিক্ষা বিভাগৰ মাজৰ দূৰত্ব আঁতৰাবৰ পৰামৰ্শ দিছিল।
- ইণ্টাৰমিডিয়েট কলেজৰ বাবে শিক্ষাৰ মাধ্যম মাতৃভাষা হ'ব লাগে বুলি আয়োগে পৰামৰ্শ দিছিল।
- এই আয়োগে কলিকতা বিশ্ববিদ্যালয়ৰ সমস্যাবোৰ দিশদভাৱে পৰীক্ষা কৰিছিল আৰু অনুভৱ কৰিছিল যে বিশ্ববিদ্যালয়ৰ বিস্তাৰ হৈছে আৰু ছাত্ৰ আৰু সংবদ্ধ কলেজৰ সংখ্যা বৃদ্ধি পাইছে, যি এখন অনুষ্ঠানে দায়িত্ব গ্ৰহণ কৰাতো সম্ভৱ নহয়।
- আয়োগে পৰামৰ্শ দিছিল যে শাৰীৰিক প্ৰশিক্ষণৰ সঞ্চালকালয় স্থাপন কৰিব লাগে যিয়ে ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য আৰু শাৰীৰিক কল্যাণৰ প্ৰতি গুৰুত্ব আৰোপ কৰে।
- আয়োগে শিক্ষক প্ৰশিক্ষণতো গুৰুত্ব দিছিল।
- কলিকতা বিশ্ববিদ্যালয়ত শিক্ষা বিভাগ স্থাপনৰ পৰামৰ্শও আয়োগে দিছিল।
- চেডলাৰ আয়োগৰ পৰামৰ্শৰ পিছত ১৯১৭ চনৰ পৰা ১৯২২ চনৰ ভিতৰত ভাৰততে বহুকেইখন বিশ্ববিদ্যালয় স্থাপিত হৈছিল।

৬.৮ অধিক জানিবলৈ

১) Chaube, S.P. (1999). *History and Problems of Indian Education*. Agra: Vinod Pustak Mandir.

২) Dash, B.N. (2014). *History of Education in India*. New Delhi: Dominant Publishers and Distributors Pvt. Ltd.

৩) Ghosh, Suresh C. (2007). *History of Education in India*. New Delhi: Rawat Publications.

✓ ৬.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ ১৯১৭

২ নং প্রশ্নৰ উত্তৰঃ চেদলাৰ আয়োগ, চাৰ মাইকেল চেডলাৰ।

৩ নং প্রশ্নৰ উত্তৰঃ পাঁচ, কলিকতা বিশ্ববিদ্যালয়।

৪ নং প্রশ্নৰ উত্তৰঃ মাতৃভাষা।

৫ নং প্রশ্নৰ উত্তৰঃ কলিকতা বিশ্ববিদ্যালয় আয়োগে মাধ্যমিক শিক্ষাৰ ক্ষেত্রত আঙুলিয়াই দিয়া ত্রুটি হৈছে-

- মাধ্যমিক শিক্ষাৰ মানদণ্ড নিম্নগামী হৈছে।
- ইণ্টাৰমিডিয়েট শ্রেণীত উপযুক্ত বিষয় পাঠ্যক্রমত সন্নিবিষ্ট কৰা হোৱা নাই।

৬ নং প্রশ্নৰ উত্তৰঃ তিনি।

৭ নং প্রশ্নৰ উত্তৰঃ পর্দা স্কুল।

৮ নং প্রশ্নৰ উত্তৰঃ বৃত্তীয় শিক্ষাৰ ক্ষেত্রত আয়োগে নিৰীক্ষণ কৰিছিল যে ভাৰতৰ ছাত্র-ছাত্রীসকল সাহিত্য বিষয়ত বিশেষভাৱে আগ্রহী। এই প্রৱণতাৰ ক্ষেত্রত আয়োগে দুটা কাৰণ নিৰীক্ষণ কৰিছিল। প্রথমতে, বিশ্ববিদ্যালয়ৰ ছাত্র-ছাত্রীসকল ধনী ঘৰৰ আছিল আৰু তেওঁলোক জীৱনৰ নির্দিষ্ট বৃত্তিৰ প্রতি আগ্রহী নাছিল, কেৱল উচ্চ শিক্ষা লাভ কৰি ভাল সেৱা আগবঢ়াব বিচাৰিছিল। দ্বিতীয়তে, তাত কোনো বৃত্তিমুখী শিক্ষাৰ ব্যৱস্থা নাছিল আৰু সেইবাবে ইয়াৰ গুৰুত্ব যুবচামে বুজাটো সম্ভৱপৰ নাছিল। ওপৰত উল্লেখ কৰা অনুসৰি, আয়োগে ইণ্টাৰ মিডিয়েট স্তৰত বৃত্তীয় শিক্ষাৰ আৰম্ভনি কৰাৰ পৰামর্শ দিছিল। বিশ্ববিদ্যালয়ে দেশৰ উদ্যোগিক বিকাশৰ বাবে ব্যক্তিক উপযুক্ত প্রশিক্ষণ দিয়াৰ সুবিধা দিবলৈ পৰামর্শ দিছিল।

? ৬.১০ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ১৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ চেডলাৰ আয়োগে আঙুলিয়াই দিয় মাধ্যমিক শিক্ষাৰ ত্রুটিসমূহ কি?

প্রশ্ন ২ঃ মাধ্যমিক শিক্ষাৰ উন্নতিৰ বাবে চেডলাৰ আয়োগে আগবঢ়োৱা তিনিটা গুৰুত্বপূর্ণ পৰামর্শ লিখক।

প্রশ্ন ৩ঃ বিশ্ববিদ্যালয় শিক্ষাৰ ক্ষেত্রত চেডলাৰ আয়োগৰ পাচটা পৰামর্শ লিখক।

প্রশ্ন ৪ঃ চমুটোকা লিখক- কলিকতা বিশ্ববিদ্যালয় বা চেডলাৰ আয়োগৰ আসোঁৱাহ

(খ) দীঘলীয়া প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ ১৯১৭ চনৰ চেদলাৰ আয়োগৰ গুৰুত্বপূর্ণ পৰামর্শবোৰ বর্ণনা কৰক।

প্রশ্ন ২ঃ ভাৰতৰ উচ্চ শিক্ষাৰ ক্ষেত্রত চেদলাৰ আয়োগৰ প্রভাৱ সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৩ঃ কলিকতা বিশ্ববিদ্যালয়ৰ সমস্যা সমাধানৰ ক্ষেত্রত আয়োগৰ পৰামর্শবোৰ আলোচনা কৰক।

প্রশ্ন ৪ঃ চেদলাৰ আয়োগৰ পৰামর্শবোৰে পৰৱর্তী সময়ত ভাৰতৰ বিশ্ববিদ্যালয় শিক্ষাত কেনেদৰে প্রভাৱ পেলাইছিল আলোচনা কৰক।

*** ***** ***

অধ্যায় ৭ঃ ব্রিটিছ ভাৰতৰ শিক্ষা VI

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ হাৰটগ কমিটিৰ প্রতিবেদন

- ৭.৩.১ প্রাথমিক শিক্ষাৰ ক্ষেত্রত হাৰটগ কমিটিৰ প্রতিবেদন
- ৭.৩.২ মাধ্যমিক শিক্ষাৰ ক্ষেত্রত হাৰটগ কমিটিৰ প্রতিবেদন
- ৭.৩.৩ উচ্চ শিক্ষাৰ ক্ষেত্রত হাৰটগ কমিটিৰ প্রতিবেদন
- ৭.৩.৪ হাৰটগ কমিটিৰ প্রতিবেদনৰ মূল্যায়ন

৭.৪ ১৯৩৭ চনৰ ৰাৰ্দ্ধা বা বুনিয়াদী শিক্ষা আঁচনি

- ৭.৪.১ বুনিয়াদী শিক্ষাৰ বৈশিষ্ট্যসমূহ
- ৭.৪.২ বুনিয়াদী শিক্ষাৰ পাঠ্যক্রম
- ৭.৪.৩ বুনিয়াদী শিক্ষাৰ সবলতাসমূহ
- ৭.৪.৪ বুনিয়াদী শিক্ষাৰ সমালোচনা

৭.৫ ১৯৪৪-৪৫ চনৰ চার্জেণ্ট কমিটিৰ প্রতিবেদন

- ৭.৫.১ ১৯৪৪-৪৫ চনৰ চার্জেণ্ট কমিটিৰ পৰামর্শসমূহ
- ৭.৫.২ ভাৰতীয় শিক্ষাত চার্জেণ্ট কমিটিৰ প্রভাৱ

৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৭ অধিক জানিবলৈ

৭.৮ অগ্রগতিৰ খতিয়ান

৭.৯ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- হাৰটগ কমিটিৰ প্রতিবেদনৰ বর্ণনা কৰিব পাৰিব
- ৰাৰ্দ্ধা বা বুনিয়াদী শিক্ষা আঁচনিৰ বিষয়ে বিশ্লেষণ কৰিব পাৰিব।
- ১৯৪৪-৪৫ চনৰ চার্জেণ্ট কমিটিৰ প্রতিবেদনৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

৭.২ পৰিচয়

আমি আগৰ অধ্যায়ত চেদলাৰ বা কলিকতা বিশ্ববিদ্যালয়ৰ আয়োগৰ নিযুক্তিৰ প্রেক্ষাপট সম্পর্কে জানিব পাৰিছো আৰু এই আয়োগে মাধ্যমিক শিক্ষা, বিশ্ববিদ্যালয় শিক্ষা আৰু অন্যান্য বিভিন্ন শৈক্ষিক দিশত এই আয়োগে আগবঢ়োৱা পৰামর্শবোৰৰ বিষয়ে জানিব পাৰিলো। আমি চেদলাৰ আয়োগৰ অসুবিধাবোৰ বিশ্লেষণ কৰিছো। এই অধ্যায়টোত, আমি হাৰটগ কমিটিৰ প্রতিবেদন আৰু প্রাথমিক শিক্ষাৰ বিষয়ে এটা ধাৰণা কৰিব পাৰিছো। আমি ৰাৰ্দ্ধা বা বুনিয়াদী শিক্ষা আঁচনিৰ বিষয়ে এটা ধাৰণা পাম আৰু ইয়াৰ সবলতা আৰু দুর্বলতা বিশ্লেষণ কৰিব পাৰিম।

ইয়াৰ পিছত আমি ১৯১৯-২০ চনৰ সময়ছোৱাত ভাৰতৰ ৰাজনৈতিক গতিবেগ উচ্চ আছিল। ১৯২৭ চনৰ ৮ নবেম্বৰত, ব্রিটিছ চৰকাৰে এখন ৰাজকীয় আয়োগ নিয়োগ কৰিছিল ভাৰতবর্ষৰ স্বাধীনতাৰ চর্ত আৰু নিয়ম

বান্ধি দিয়াৰ বাবে। এই আয়োগৰ নেতৃত্বৰ আছিল জন চাইমন। সেইবাবে এই আয়োগৰ নেতৃত্বত আছিল জন চাইমন। সেইবাবে এই আয়োগখনক চাইমন আয়োগ বুলি জনা গৈছিল। এই চাইমন আয়োগক শিক্ষাৰ ওপৰত প্ৰতিবেদন দাখিল কৰিবলৈ কোৱা হৈছিল। সেই উদ্দেশ্যে চাৰ ফিলিপ হাৰটগৰ সভাপতিত্বত এখন সহায়ক কমিটি গঠন কৰা হৈছিল। আপোনালোকে জানে যে চাৰ ফিলিপ হাৰটগ কলিকতা বিশ্ববিদ্যালয় আয়োগৰো এগৰাকী সদস্য আছিল। যাক চেদলাৰ আয়োগ বুলি জনা যায়। চেদলাৰ আয়োগৰ পৰামৰ্শ অনুসৰি নতুনকৈ স্থাপিত হোৱা ঢাকা বিশ্ববিদ্যালয়ৰো তেওঁ উপাচাৰ্য আছিল। সহায়ক কমিটিখনকেই জনপ্ৰিয়ভাৱে হাৰটগ কমিটি বুলি জনা যায় যি কমিটিয়ে ১৯২৯ চনত ইয়াৰ প্ৰতিবেদন প্ৰকাশ কৰিছিল।

এই কমিটিয়ে ভাৰতবৰ্ষৰ শিক্ষাৰ গুণমান আৰু পৰিমাণগত বিকাশৰ ওপৰত অধ্যয়ন কৰিছিল। কমিটিয়ে ইয়াৰ প্ৰতিবেদনত কৈছিল যে ১৯১৭ ৰ পৰা ১৯২৭ লৈ, শিক্ষাৰ এক উল্লেখনীয় অগ্ৰগতি হৈছিল। এই প্ৰতিবেদনে প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষাক সামৰি লৈছিল।

৭.২.১ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত হাৰটগ কমিটিৰ প্ৰতিবেদন

ভাৰতবৰ্ষৰ স্বাক্ষৰতাৰ ক্ষেত্ৰত কমিটি সন্তুষ্ট হোৱা নাছিল। সেইবাবে, কমিটিয়ে জনসাধাৰণৰ শিক্ষাৰ ওপৰত গুৰুত্ব দিছিল আৰু স্বাক্ষৰতাৰ গুৰুত্বৰ ওপৰত আলোচনা কৰিছিল। কমিটিয়ে নিৰীক্ষণ কৰিছিল যে ভাৰতবৰ্ষৰ প্ৰাথমিক শিক্ষাৰ প্ৰধান কাৰণ দুটা হৈছে অপচয় আৰু অনুন্নয়ন। 'অপচয়' মানে হৈছে প্ৰাথমিক শিক্ষা সম্পূৰ্ণ নকৰাকৈ যিকোনো শ্ৰেণীতে শিশুসকলে পঢ়িবলৈ বাদ দিয়া। কমিটিয়ে পাইছিল যে ১৯২২-২৩ চনত প্ৰথম শ্ৰেণীত নামভৰ্তি কৰা ১০০ ছাত্ৰৰ ভিতৰত মাত্ৰ ১৯ জন ছাত্ৰইহে ১৯২৫-২৬ চনত চতুৰ্থ শ্ৰেণীত পঢ়ে। ছোৱালীসকলৰ ক্ষেত্ৰতো অপচয় দেখিবলৈ পোৱা যায়। সেই একে সময়তে ১০০ জনী ছোৱালীৰ মাত্ৰ ১৪ জনীয়েহে চতুৰ্থ শ্ৰেণীত পঢ়ে।

ওপৰত উল্লেখ কৰা ধৰণে অপচয়ৰ নিচিনা, 'অনুন্নয়নো' হৈছে প্ৰাথমিক শিক্ষাৰ অন্য এক সমস্যা। 'অনুন্নয়ন' হৈছে ছাত্ৰ-ছাত্ৰীয়ে একেটা শ্ৰেণীতে এবছৰতকৈ বেছি বছৰ থকা। এই কমিটিয়ে মতামত দিছিল যে প্ৰাথমিক শিক্ষাৰ সমস্যা নগৰ অঞ্চলতকৈ গাঁও অঞ্চলত অধিক। কমিটিৰ প্ৰতিবেদনত গাঁও অঞ্চলৰ প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰমক সমালোচনা কৰা হৈছিল, ইয়াৰ মতে প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰমবোৰ গাঁও অঞ্চলৰ জীৱন পৰিস্থিতিৰ সৈতে সম্পৰ্কিত হ'ব লাগে। এই কমিটিৰ মতে প্ৰাথমিক শিক্ষাৰ প্ৰধান সমস্যাবোৰ হৈছে —

- বেছিভাগ পিতৃ-মাতৃ দুখীয়া। তেওঁলোকৰ অজ্ঞতাৰ বাবে তেওঁলোকে ল'ৰা-ছোৱালীক স্কুললৈ পঠিয়াব নিবিচাৰে।
- গাঁও অঞ্চলৰ স্কুলবোৰ সৰু।
- বেছিভাগ অঞ্চলেই ঢুকি পোৱাৰ বাহিৰত আৰু অৰ্থনৈতিক দিশত পিছপৰা।
- প্ৰাথমিক শিক্ষাৰ অন্য এক গুৰুতৰ সমস্যা হৈছে শৈক্ষিক সা-সুবিধাৰ ক্ষেত্ৰত থকা অসমতা। প্ৰত্যেকটো শিশুৱে শিক্ষাৰ সমান সা-সুবিধা নেপায়।
- শিক্ষকসকলৰ জীৱন ধাৰণ প্ৰক্ৰিয়া বিশেষকৈ গাঁও অঞ্চলৰ মহিলাসকলৰ, আৰ্কষণীয় নহয়।
- যোগাযোগৰ সুবিধাবোৰ দুৰ্বল আৰু সিঁচৰিত হৈ থকা গাঁওবোৰৰ বাবেও প্ৰাথমিক শিক্ষাত সমস্যাৰ সৃষ্টি হয়।
- প্ৰাথমিক শিক্ষাৰ অন্য এক সমস্যা হৈছে এজন শিক্ষক থকা।
- মহামাৰী আৰু বতৰজনিত অসুখৰ বাবে প্ৰাথমিক শিক্ষাত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি কম হয়। কম উপস্থিতিৰ অন্য এক কাৰণ হৈছে ঋতুজনিত খেতি আৰু চহ কৰা।
- জাতি, ধৰ্ম, ভাষা, লিংগ ইত্যাদিত থকা বৈষম্যও প্ৰাথমিক শিক্ষাৰ বিকাশত সমস্যাৰ সৃষ্টি কৰে।
- হাৰটগ কমিটিৰ প্ৰতিবেদন মতে প্ৰাথমিক শিক্ষাৰ অন্য এক সমস্যা হৈছে উপযুক্ত প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ অভাৱ।

- প্রাথমিক শিক্ষাৰ অনুপযুক্ত আৰু অব্যৱহাৰিক পাঠ্যক্রম হৈছে প্রাথমিক শিক্ষাৰ অন্য এক গুৰুতৰ সমস্যা।
- স্কুল পৰিদর্শকৰ অভাৱ হৈছে প্রাথমিক শিক্ষাৰ গুণগত মান উন্নত কৰাৰ ক্ষেত্রত থকা অন্য এক অসুবিধা।

প্রাথমিক শিক্ষাৰ অৱস্থা উন্নতকৰণৰ বাবে হাৰটগ কমিটিয়ে আগবঢ়োৱা পৰামর্শসমূহ

প্রাথমিক শিক্ষাৰ সমস্যাবোৰ সমাধানৰ বাবে হাৰটগ কমিটিয়ে কিছুমান পৰামর্শ আগবঢ়াইছিল। তলত সেইবোৰ দাঙি ধৰা হ'ল-

- বিদ্যালয়ৰ গুণগত নীতি অনুসৰণ কৰাৰ পৰিৱর্তে, সেই সময়ত থকা স্কুলবোৰ উন্নত কৰিব লাগে।
- প্রাথমিক পর্যায়ৰ পাঠ্যক্রম অতি কমেও চাৰিবছৰ হ'ব লাগে।
- শিক্ষণৰ পাঠ্যক্রম আৰু পদ্ধতি শিশুসকলে য'ত বাস কৰে আৰু পঢ়ে তাৰ পৰিস্থিতিৰ দৰে হ'ব লাগে।
- অপচয় আৰু অনুন্নয়ন হ্রাস কৰিবৰ বাবে বিশেষ প্রচেষ্টা হাততত ল'ব লাগে।
- শিক্ষকসকলক উপযুক্ত প্রশিক্ষণ দিব লাগে। প্রশিক্ষণৰ পাঠ্যক্রম উপযুক্ত দৈর্ঘৰ হ'ব লাগে, পুনৰুদ্দীপন পাঠ্যক্রম আৰু সন্মিলন নিয়মমিতভাৱে হ'ব লাগে। প্রাথমিক শিক্ষাৰ গুণগত মান উন্নত কৰিবলৈ দৰমহা বৃদ্ধিৰ লগতে চাকৰিৰ অৱস্থাও উন্নত কৰিব লাগে।
- ঋতুজনিত আৰু স্থানীয় প্রয়োজনীয়তাৰ ভিত্তিত স্কুলৰ সময় আৰু বন্ধৰ দিনৰ সমাযোজন কৰিব লাগে।
- প্রাথমিক শিক্ষাটো ৰাষ্ট্রীয় চিন্তা হ'ব লাগে আৰু চৰকাৰে ইয়াৰ পৰা সম্পূর্ণ অব্যাহতি ল'ব নেলাগে যিহেতু প্রাদেশিক চৰকাৰে প্রাথমিক শিক্ষাৰ বাবে প্রয়োজন হোৱা অর্থ দিবলৈ অসমর্থ।
- গাঁও অঞ্চলক উন্নত কৰি তোলাৰ কার্য কৰিব লাগে আৰু ই স্কুলৰ কর্মৰ সৈতে জড়িত হ'ব লাগে।
- চৰকাৰৰ পৰিদর্শন কর্মচাৰীৰ সংখ্যা বৃদ্ধি কৰিব লাগে।

৭.৩.২ মাধ্যমিক শিক্ষাৰ ক্ষেত্রত হাৰটগ কমিটিৰ প্রতিবেদন

এই কমিটিয়ে লক্ষ্য কৰিছিল যে প্রাথমিক শিক্ষাতকৈ মাধ্যমিক শিক্ষাৰ অৱস্থা কিছু উন্নত। অৱশ্যে কমিটিয়ে মাধ্যমিক শিক্ষাৰ ক্ষেত্রত কিছুমান আসোঁৱাহ পাইছিল। সেইবোৰ হৈছে —

- সমগ্র মাধ্যমিক শিক্ষা এটা ধাৰণাৰ বশৱর্তী আছিল যে ইয়াত অন্তর্ভুক্ত হোৱা প্রতিগৰাকী ল'ৰাই নিজকে বিশ্ববিদ্যালয় শিক্ষাৰ বাবে প্রস্তুত কৰিব লাগিব।
- মাধ্যমিক শিক্ষা ব্যৱস্থাত পৰীক্ষাই আধিপত্য বিস্তাৰ কৰিছিল।
- মেট্রিক আৰু বিশ্ববিদ্যালয়ৰ পৰীক্ষাত অতিমাত্রা অনুতীর্ণৰ প্রচেষ্টাৰ অপচয়ৰ নির্দেশনা দিছিল।
- পাঠ্যক্রমৰ দায়িত্বশীল বাচনি ব্যৱস্থাৰ অভাৱে বহু সংখ্যক ছাত্র-ছাত্রীক কলেজত নামভর্তি আৰু মেট্রিক পৰীক্ষা প্রস্তুতিৰ বাবে অনুমতি দিয়া নাছিল।
- মাধ্যমিক শিক্ষাই ছাত্র-ছাত্রীক ভৱিষ্যত জীৱনৰ বাবে প্রস্তুত কৰি তোলা নাছিল।

মাধমিক শিক্ষাৰ অৱস্থা উন্নত কৰি তুলিবৰ বাবে হাৰটগ কমিটিয়ে আগবঢ়োৱা পৰামর্শসমূহ

- ১৯২৬ চনৰ হাৰটগ কমিটিয়ে মাধ্যমিক শিক্ষাৰ সমস্যাবোৰ সমাধান কৰাৰ বাবে আগবঢ়োৱা পৰামর্শবোৰ তলত দাঙি ধৰা হ'ল।
- মজলীয়া মাতৃভাষাৰ স্কুলত ভিন্নমুখী পাঠ্যক্রমৰ ব্যৱস্থা কৰা।
- গাঁৱৰ উন্নতিৰ বাবে উদ্দেশ্য ৰাখি অধিক সংখ্যক ল'ৰাক মাধ্যমিক স্কুলত নামভর্তি কৰোৱা।
- মজলীয়া স্কুলৰ স্তৰ শেষ কৰাৰ পিছত বেছি সংখ্যক ছাত্র-ছাত্রীক উদ্যোগিক আৰু বণিজ্যিক পেচাৰ প্রতি ঢাল খুওৱা।
- হাইস্কুলৰ স্তৰত বিকল্প পাঠ্যক্রমৰ ব্যৱস্থা কৰা।
- কমিটিয়ে মন্তব্য দিছিল যে, মাধ্যমিক শিক্ষাৰ গুণগত মান উন্নত কৰিবলৈ, শিক্ষকৰ চাকৰিৰ অৱস্থা উন্নত কৰিব লাগিব। তেওঁলোকক উপযুক্তভাৱে প্রশিক্ষণ দিব লাগিব আৰু সন্তুষ্টিজনক দৰমহা প্রদান কৰিব লাগিব।

৭.৩.৩ উচ্চ শিক্ষাৰ ক্ষেত্ৰত হাৰটগ কমিটিৰ প্ৰতিবেদন

এই কমিটিখনে বিশ্ববিদ্যালয় শিক্ষাৰ ক্ষেত্ৰত সন্তুষ্টি লাভ কৰিছিল, কিন্তু উচ্চ শিক্ষাৰ ক্ষেত্ৰত কিছুমান আসোঁৱাহ পাইছিল। সেইবোৰ হৈছে-

- বিশ্ববিদ্যালয়সমূহ প্ৰধানকৈ পৰীক্ষাৰ দ্বাৰা নিয়ন্ত্ৰিত হয়।
- বিশ্ববিদ্যালয় শিক্ষাৰ ক্ষেত্ৰত অনুপযুক্ত ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা বিশ্ববিদ্যালয়বোৰ অতিমাত্ৰা ভিৰ হৈ থাকে।
- উচ্চ শিক্ষাৰ মানদণ্ড সন্তোষজনক নহয়।
- বিশ্ববিদ্যালয়সমূহে ছাত্ৰ-ছাত্ৰীক প্ৰকৃত জ্ঞান প্ৰদানৰ ক্ষেত্ৰত ব্যৰ্থ হৈছে।

উচ্চ শিক্ষাৰ পৰিস্থিতি উন্নত কৰাৰ বাবে হাৰটগ কমিটিৰ পৰামৰ্শসমূহ

- বিশ্ববিদ্যালয়ৰ শিক্ষা গ্ৰহণৰ বাবে উপযুক্ত ছাত্ৰ-ছাত্ৰী শিক্ষা প্ৰদান কৰা কাৰ্যৰ বাবে বিশ্ববিদ্যালয়ক বাধ্য কৰিব লাগে।
- উচ্চ শিক্ষাৰ চাহিদা পূৰণ কৰিবলৈ স্বীকৃতি প্ৰাপ্ত বিশ্ববিদ্যালয় স্থাপন কৰিব লাগে।
- সন্মন বিষয়ৰ পাঠ্যক্ৰম উপযুক্তভাৱে সংগঠিত কৰিব লাগে।
- ছাত্ৰ-ছাত্ৰীৰ বাবে বিশ্ববিদ্যালয়ে টিউটৰিয়েল আৰু গৱেষণা কাৰ্য অনুষ্ঠিত কৰিব লাগে।
- কলেজৰ পুথিভঁৰালবোৰ সমৃদ্ধিশালী কৰি তুলিব লাগে।

৭.৩.৪ হাৰটগ কমিটিৰ প্ৰতিবেদনৰ মূল্যায়ন

যদিও জাতীয়তাবাদী নেতাসকলে এই প্ৰতিবেদনখনক সমালোচনা কৰিছিল, কিন্তু আমোলাসকলে তাক উষ্মভাৱে আদৰণি জনাইছিল আৰু ১৯৩৭ চনলৈ তেওঁলোকৰ কাৰ্যাৱলীৰ নিৰ্দেশনা হিচাবে কাম কৰিছিল। জাতীয়তাবাদী নেতাসকলে মন্তব্য দিছিল যে প্ৰাথমিক সংখ্যাগত সম্প্ৰসাৰণ আৰু অপচয়ৰ ক্ষেত্ৰত কমিটিয়ে অতিৰঞ্জিত কৰিছে। ১৯২০ ৰ পৰা ১৯৩০ লৈ সম্প্ৰসাৰণৰ নীতি পূৰ্ণ গতিত চলিছিল। বৃহৎ সংখ্যক অঞ্চলপ্ৰসূ, অনা-অৰ্থনৈতিক আৰু অতিৰিক্ত স্কুল স্থাপনৰ অনুমতি লাভ কৰিছিল, যিবোৰ বেয়া বুলি প্ৰমাণিত হৈছিল। সম্প্ৰসাৰণৰ নীতিয়ে একাগ্ৰতা আৰু নিমূৰ্লৰ সপক্ষে প্ৰতিক্ৰিয়াৰ সূচনা কৰিছিল, যিবোৰ প্ৰাথমিক স্কুলৰ সংখ্যা কমি যোৱাৰ ক্ষেত্ৰত আংশিকভাৱে দায়ী আছিল।

সমালোচনা থকাৰ পিছতো হাৰটগ কমিটিৰ পৰামৰ্শবোৰৰ ঐতিহাসিক তাৎপৰ্য আছিল। এই প্ৰতিবেদনে প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত তাৎপৰ্যপূৰ্ণ পৰামৰ্শ আগবঢ়াইছিল। মাধ্যমিক আৰু বিশ্ববিদ্যালয় শিক্ষাৰ গুণগত মান উন্নীত হৈছিল। ই অৰ্হতাসম্পন্ন ব্যক্তিক শিক্ষক হিচাবে, নিযুক্তি দিয়া, তেওঁলোকৰ প্ৰশিক্ষণ, ছাত্ৰ-ছাত্ৰী আৰু সমাজৰ প্ৰয়োজন অনুযায়ী পাঠ্যক্ৰম পুনৰগঠন কৰাত গুৰুত্ব আৰোপ কৰিছিল। অন্য কিছুমান পৰামৰ্শ যেনে শিক্ষকৰ দৰমহা বৃদ্ধি, পৰিদৰ্শনৰ কৰ্মচাৰী বৃদ্ধি আদিয়ে শিক্ষা ক্ষেত্ৰত অৰিহণা যোগাইছিল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ হাৰটগ কমিটিয়ে নিৰীক্ষণ কৰা অনুসৰি ভাৰতৰ প্ৰাথমিক শিক্ষাৰ দুটা প্ৰধান সমস্যা উল্লেখ কৰক।

.....

প্ৰশ্ন নং ২ঃ হাৰটগ কমিটিয়ে পৰামৰ্শ দিছিল যে প্ৰাথমিক স্তৰৰ শিক্ষা অতি কমেও ..... বছৰ হ'ব লাগে। (খালী ঠাই পূৰণ)

প্ৰশ্ন নং ৩ঃ হাৰটগ কমিটিয়ে নিৰীক্ষণ কৰিছিল যে মাধ্যমিক আৰু বিশ্ববিদ্যালয় দুয়োটা শিক্ষা ব্যৱস্থা প্ৰধানকৈ ..... নিয়ন্ত্ৰিত আছিল। (খালী ঠাই পূৰ কৰক)

প্রশ্ন নং ৪ঃ হাৰটগ কমিটিয়ে আগবঢ়োৱা ভাৰতবর্ষৰ প্রাথমিক শিক্ষাৰ দুটা সমস্যা উল্লেখ কৰক।

.....

৭.৪ ৰাৰ্দ্ধা বা ১৯৩৭ চনৰ বুনিয়াদী শিক্ষা আঁচনি

আপোনালোকে লক্ষ্য কৰিছে, ৰাৰ্দ্ধা শিক্ষা আঁচনি বুনিয়াদী শিক্ষা আঁচনি ৰূপে জনা যায়। ভাৰতীয় শিক্ষা ব্যৱস্থাৰ ইতিহাসত, বুনিয়াদী শিক্ষাই এক অতি গুৰুত্বপূর্ণ আৰু একক স্থান অধিকাৰ কৰিছিল। এই আইনখনে ভাৰতৰ ৰাজনৈতিক ব্যৱস্থাত কিছুমান সংশোধনৰ ব্যৱস্থা কৰিছিল। সেই অনুযায়ী কংগ্রেছ দলে ১১ প্রদেশৰ ভিতৰত সাতখনত চৰকাৰ গঠন কৰিছিল। ইতিমধ্যে, মহাত্মা গান্ধী, যি গৰাকীয়ে ব্রিটিছ শিক্ষা ব্যৱস্থাৰ বিৰোধিতা কৰিছিল, তেওঁ সাতখন প্রদেশৰ মন্ত্রীবোৰক ভাৰতৰ শিক্ষা ব্যৱস্থাৰ ক্ষেত্রত কিবা এটা কৰাৰ বাবে প্রভাৱিত কৰিছিল। ১৯৩৫ চনৰ আইনৰ আগতে ভাৰতৰ প্রাথমিক শিক্ষা সার্বজনীন আৰু বাধ্যতামূলক কৰাৰ ক্ষেত্রত কংগ্রেছ দল সপক্ষত আছিল।

সেই সময়ত সার্বজনীন বিনামূলীয়া আৰু বাধ্যতামূলক প্রাথমিক শিক্ষা আৰু প্রয়োজনভিত্তিক ব্যৱহাৰিক শিক্ষা ব্যৱস্থা এক জটিলতা পূর্ণ বিষয় আছিল। অৱশ্যে, এই কেইটা বিষয়লৈ মহাত্মা গান্ধীয়ে আগবাঢ়ি আহিছিল। তেওঁ 'হৰিজন' কাকতত ভাৰতৰ শৈক্ষিক পুনৰীক্ষণৰ ওপৰত এলানি প্রৱন্ধ লিখিছিল। তেওঁ প্রৱন্ধবোৰত লিখিছিল যে তেওঁৰ নতুন ব্যৱস্থা ছাত্র-ছাত্রীৰ বাবে আত্মসমর্থনকাৰী আৰু সকলো দিশৰ বিকাশসাধনকাৰী হ'ব। অন্য ভাষাত, উদ্যোগিক বৃত্তিসমূহ যেনে- কপাঁহৰ প্রক্রিয়াকৰণ, ঊল আৰু পাট, কাগজ বনোৱা আৰু কাটা, কিতাপ বন্ধোৱা, বাকচ বনোৱা আদি অন্তর্ভুক্ত থাকিব। ছাত্র-ছাত্রীৰ নিজৰ শ্রমৰ উৎপাদনৰ জৰিয়তে মাচুল দিয়াত সহায় হ'ব। প্রাথমিক শিক্ষা যাক গান্ধীয়ে পিছত বুনিয়াদী শিক্ষা হিচাবে অভিহিত কৰিছিল, সেইবোৰে ল'ৰা-ছোৱালীক আর্থিকভাৱে সকাহ দিছিল, য'ত ৰাজ্য চৰকাৰৰ সমর্থনৰ প্রয়োজন থাকে।

গান্ধীজীৰ বুনিয়াদী শিক্ষাৰ ধাৰণাই সেইসময়ত এক আলোড়নৰ সৃষ্টি কৰিছিল। দেশৰ বহুতো শিক্ষাবিদৰ অনুৰোধত, ১৯৩৭ চনত ২২ আৰু ২৩ অক্টোবৰত তেওঁ ৰাৰ্দ্ধাত এক সম্মিলনৰ আহ্বান কৰিছিল। এলানি আলোচনাৰ পিছত সম্মিলনে তলৰ সিদ্ধান্তবোৰ গ্রহণ কৰিছিল।

- এই সম্মিলনৰ মতামত অনুসৰি সাত বছৰৰ কাৰণে ৰাষ্ট্রীয় ভিত্তিত বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্রদান কৰা হ'ব।
- শিক্ষাৰ মাধ্যম মাতৃভাষা হ'ব লাগে।
- এই সম্মিলনত মহাত্মা গান্ধীয়ে প্রস্তাব আগবঢ়াইছিল যে সেই সময়ত শিক্ষাৰ প্রক্রিয়াৰ কেন্দ্র বিন্দু হস্ত উৎপাদনমূলক কর্ম হ'ব লাগে আৰু অন্য সকলোবোৰ সামর্থৰ বিকাশ কৰিব লাগে বা প্রশিক্ষণ প্রদান কৰিব লাগে, যিমান দূৰ সম্ভৱ হয় কেন্দ্রীয় হস্ত শিল্পৰ সৈতে অবিচ্ছন্নভাৱে সম্পর্কিত কৰি তুলিব লাগে আৰু শিশুৰ পৰিৱেশ বিবেচনা কৰিব লাগে।
- এই সম্মিলনত এইটো আশা কৰা হৈছিল যে শিক্ষাৰ এই ব্যৱস্থাই ক্রমান্বয়ে শিক্ষকৰ দৰমহাও সামৰি ল'ব।

ইয়াৰ পিছত সম্মিলনে ড° জাকিৰ হুচেইনক অধ্যক্ষ হিচাবে নিযুক্তি দিছিল আৰু ওপৰত উল্লেখ কৰা প্রস্তাৱ অনুযায়ী বিশদভাৱে পাঠ্যক্রম প্রস্তুতিৰ দায়িত্ব অর্পণ কৰিছিল আৰু যিমান সোনকালে সম্ভৱ হয় প্রতিবেদন দাখিল কৰিবলৈ অনুৰোধ জনাইছিল। দুমাহৰ কম সময়তে জাকিব হুচেইন কমিটিয়ে ইয়াৰ প্রতিবেদন দাখিল কৰিছিল। এই প্রতিবেদনত বুনিয়াদী শিক্ষাৰ এক বিষদ বর্ণনা দাঙি ধৰা হৈছিল যিটো ভাৰতীয় শিক্ষাৰ ক্ষেত্রত গান্ধীৰ সপোনৰ আঁচনি আছিল।

৭.৪.১ বুনিয়াদী শিক্ষাৰ বৈশিষ্ট্যসমূহ

বুনিয়াদী শিক্ষাৰ বৈশিষ্ট্যসমূহ তলত আলোচনা কৰা হ'ল।

- **হস্তশিল্পৰ যোগেদি শিক্ষা ঃ** বুনিয়াদী শিক্ষাৰ প্রধান লক্ষ্য আছিল হস্তশিল্প বা উৎপাদনমূলক কর্মৰ মাধ্যমেৰে

শিক্ষা প্রদান কৰা। মৌলিক শিল্পবোৰ হৈছে কৃষি বা বোৱা-কটা বা কঠোৰ কাম আৰু ধাতু কর্ম, বাগিছাকৰণ, চর্ম কর্ম ইত্যাদি যিবোৰ স্থানীয় ব্যৱস্থাৰ সৈতে খাপ খায়। ৱার্দ্ধা আঁচনিত অনুভৱ কৰা হৈছিল এটা সুখী জীৱনৰ কাৰণে এজন ব্যক্তিয়ে নিজৰ সামর্থ অনুযায়ী জীৱন ধাৰণৰ প্রয়োজনীয়তা নিজে আহৰণ কৰিব লাগে। এই আঁচনিত উল্লেখ কৰা হৈছিল যে শিল্প এনেধৰণে নির্বাচন কৰিব লাগে যাতে বাকী বিষয়বোৰ ইয়াক কেন্দ্র কৰি শিকাব পাৰি। গান্ধীজীয়ে বিচাৰিছিল যে শিল্প বিষয়টো যান্ত্রিকভাৱে নহয়, বৈজ্ঞানিক পদ্ধতিৰে শিকাব লাগে। তেওঁৰ মতে বৈজ্ঞানিক পদ্ধতিৰ অর্থ হৈছে শিশুসকলে কাৰণ আৰু ফলাফলৰ সম্পর্ক বুজিব লাগে।

- **মাতৃভাষা ঃ** শিক্ষাৰ মাধ্যম মাতৃভাষা হ'ব লাগে বুলি গান্ধীজীয়ে হেচা দিছিল। তেওঁ অনুভৱ কৰিছিল যে শিক্ষা সদায় মাতৃভাষাৰ যোগেদি প্রদান কৰিব লাগে। তেওঁ চিন্তা কৰিছিল যে, যদি ইংৰাজী মাধ্যমেৰে শিক্ষা প্রদান কৰা হয়, তেন্তে বুজাৰ বিকাশ আৰু যর্থাথতা বা ভাবধাৰা স্পষ্টতাৰ ক্ষেত্রত প্রতিবন্ধকতাৰ সৃষ্টি হ'ব। মাতৃভাষাই শিশুসকলক ফলপ্রসূভাৱে, স্পষ্টভাৱে আৰু সুবোধ্যভাৱে নিজকে প্রকাশ কৰি তোলাত সহায় কৰে। ই শিশুসকলক নিজৰ ঐতিহ্য, নৈতিক মূল্যবোধৰ সৈতে পৰিচয় কৰাই দিব পাৰে।
- **শিশু কেন্দ্রিক শিক্ষা ঃ** বুনিয়াদী শিক্ষা ব্যৱস্থাত, শিশু হৈছে শিক্ষাৰ কেন্দ্রবিন্দু। আমি ক'ব পাৰো যে বুনিয়াদী শিক্ষাই শিশুকেন্দ্রিক শিক্ষাৰ ওপৰত গুৰুত্ব দিছিল। শিশুসকলৰ প্রয়োজন, আগ্রহ, অভিৰুচি আৰু আকাংখ্যা আদি বিবেচনা কৰা হয়। বুনিয়াদী শিক্ষা ব্যৱস্থাত, শিক্ষাৰ লক্ষ্য হৈছে ব্যক্তিত্বৰ সম্পূর্ণ বিকাশ সাধন কৰা আৰু ইয়াৰ বাবে হস্তশিল্পক এক শক্তিশালী আহিলা হিচাবে গ্রহণ কৰিব লাগে।
- **আদর্শ নাগৰিকত্ব ঃ** বুনিয়াদী শিক্ষাৰ অন্য এক গুৰুত্বপূর্ণ বৈশিষ্ট্য হৈছে নাগৰিকত্বৰ প্রশিক্ষণ। গান্ধীজীয়ে বিচাৰিছিল যে বুনিয়াদী শিক্ষাই শিশুসকলক দেশৰ ভৱিষ্যত নাগৰিকত্বৰ প্রশিক্ষণ দিব লাগে। শিশুসকলে আদর্শ নাগৰিকৰ দায়িত্ব আৰু অধিকাৰ শিকাটো গুৰুত্বপূর্ণ। সেইবাবে, বুনিয়াদী শিক্ষাৰ আঁচনিৰ অধীনত শিশুসকলক আদর্শ নাগৰিকত্বৰ দায়িত্ব আৰু অধিকাৰবোৰ সংগঠিত শিকাৰ সুবিধা থাকিব লাগে।
- **নমনীয় পাঠ্যক্রম আৰু মুক্ত পৰিৱেশ ঃ** বুনিয়াদী শিক্ষাৰ অন্য গুৰুত্বপূর্ণ বৈশিষ্ট্য হৈছে পাঠ্যক্রমৰ নমনীয়তা আৰু শিশুসকলে নিজ সামর্থ অনুযায়ী যাতে মুক্ত পৰিৱেশত পাৰদর্শিতা দেখুৱাব পাৰে। শিক্ষাৰ ৱার্দ্ধা আঁচনি সতে শিক্ষক আৰু শিক্ষার্থীসকলক তেওঁলোকৰ নিজ আগ্রহ অনুযায়ী মুক্তভাৱে কাম কৰাৰ সুবিধা প্রদান কৰিব লাগে আৰু পৰীক্ষাৰ ভয়ত কোনো এটা কাম কৰাৰ বাবে বাধ্য কৰিব নেলাগে। শিশুসকলৰ বিকাশৰ কাৰণে শিক্ষকসকলে প্রয়োজনীয় পৰিৱেশ সংগঠিত কৰাৰ মুক্ত কৰি দিব লাগে। অধ্যয়নৰ বিষয়বস্তু সম্পূর্ণ কৰাৰ বাবে তেওঁলোকৰ বাধ কৰাব নেলাগে।
- **আত্মনির্ভৰশীলতা ঃ** বুনিয়াদী শিক্ষাৰ অন্য এক বৈশিষ্ট্য হৈছে ছাত্র-ছাত্রীৰ মাজত আত্ম নির্ভৰশীলতা গঢ়ি তোলা। মহাত্মা গান্ধীয়ে অনুভৱ কৰিছিল যে অর্থৰ অভাৱৰ বাবে শিক্ষা ভূগিবলগীয়া হৈছে। সেইবাবে তেওঁ উপদেশ দিছিল টে শিশুসকলে স্কুলত প্রস্তুত কৰা প্রৱন্ধবোৰ বজাৰত বিক্রী কৰিব লাগে।
- **পদ্ধতিগত জ্ঞান ঃ** বুনিয়াদী শিক্ষা ব্যৱস্থাত সংগঠিত আৰু পদ্ধতিগতভাৱে জ্ঞান প্রদান কৰা হৈছিল। শিশুসকলে নিজ ইচ্ছা অনুসৰি শিকাৰ বাবে মুক্ত আছিল। যদিও বুনিয়াদী শিক্ষা শিল্প এটাৰ যোগেদি প্রদান কৰা হৈছিল, এনে নাছিল যে বুনিয়াদী শিক্ষা ব্যৱস্থাত কেৱল হস্ত শিল্পৰে শিক্ষা দিয়া হোৱা নাছিল। এই ব্যৱস্থাটোৱে হস্তশিল্পৰ যোগেদি সম্পূর্ণ জ্ঞান দিবলৈ চেষ্টা কৰিছিল। যদি কোনো শিশুৱে মৃৎ শিল্প চমৰা বা কাঠৰ কর্ম বা অন্য কোনো হস্ত শিল্পৰ কাম শিক্ষাৰ মাধ্যম হিচাবে হাতত লয়, তেওঁক ইতিহাস, ভূগোল, কৃষি, গণিত, অর্থনীতি, বিজ্ঞান আৰু বাণিজ্য আদিবোৰো প্রাসংগিকভাৱে শিকোৱা হয়।
- **শিক্ষাৰ মাধ্যম ঃ** শিল্পৰ সহায়ত বিভিন্ন বিষয়বোৰ শিকোৱা হয়। গোটেই আঁচনিখনক সাতটা শ্রেণীত ভাগ কৰা হৈছিল। প্রথম শ্রেণীত শিশুসকলক মৌখিক শিক্ষা দিয়া হৈছিল। ইয়াৰ পিছত তাক লিখা আৰু পঢ়াৰ বিষয়ে শিকোৱা হৈছিল। ইয়াৰ পিছত কিছুমান হস্তশিল্পৰ সৈতে তেওঁক পৰিচয় কৰি দিয়া হৈছিল। ক্রমান্বয়ে শিশুসকল অন্য শিক্ষালৈ আগবাঢ়ি গৈছিল। হস্তশিল্পৰ সহায়ত বিভিন্ন বিষয়বোৰ শিকোৱা হৈছিল।
- **পৰীক্ষা ব্যৱস্থা ঃ** বুনিয়াদী শিক্ষা আঁচনিত, পৰীক্ষা ব্যৱস্থাটো এনেধৰণে কৰা হৈছিল যে ছাত্র-ছাত্রীৰ প্রকৃত

জ্ঞান ই পৰীক্ষা কৰিব পাৰে। গান্ধীজীয়ে অনুভৱ কৰিছিল যে পৰীক্ষাই শিক্ষা ব্যৱস্থাটোৰ ওপৰত অধিপত্য বিস্তাৰ কৰিব নেলাগে। বিভিন্ন ক্ষেত্ৰত, এইটো লক্ষ্য কৰা হৈছিল যে পৰীক্ষাৰ ভয়ত ছাত্ৰ-ছাত্ৰীয়ে বিষয়বস্তু ভালদৰে বুজিবলৈ সক্ষম নহৈছিল।

৭.৪.২ বুনিয়াদী শিক্ষাৰ পাঠ্যক্ৰম

আমি ইতিমধ্যে উল্লেখ কৰি আহিছো যে বুনিয়াদী শিক্ষা ৭ বছৰৰ পৰা ১২ বছৰ বয়সৰ শিশুসকলৰ বাবে সজোৱা হৈছিল। এই শিক্ষা ব্যৱস্থাত ল'ৰাৰ কাৰণে সাধাৰণ বিজ্ঞান আৰু ছোৱালীৰ কাৰণে গাৰ্হস্থ বিজ্ঞানৰ ব্যৱস্থা কৰা হৈছিল। পঞ্চম শ্ৰেণীলৈ সহ-শিক্ষাৰ বাবে পৰামৰ্শ দিয়া হৈছিল। পঞ্চম শ্ৰেণীৰ পিছত ল'ৰা আৰু ছোৱালীৰ বাবে পৃথক স্কুলৰ পৰামৰ্শ আগবঢ়োৱা হৈছিল। বুনিয়াদী শিক্ষাৰ পাঠ্যক্ৰমৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

- **মৌলিক হস্তশিল্প ঃ** নিৰ্বাচিত হস্তশিল্পৰ যুক্তিসংগত দক্ষতা লাভ কৰিব লাগে, কিয়নো ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলে বুনিয়াদী শিক্ষাৰ পাঠ্যক্ৰম শেষ কৰাৰ পিছত ইয়াক বৃত্তি হিচাবে আগবঢ়াই নিব পাৰিব। বুনিয়াদী শিক্ষাৰ স্কুলত বিভিন্ন স্তৰত তলত উল্লেখ কৰা হস্তশিল্পবোৰ বাঁচনি কৰিব পাৰিব।
  - ➢ বোৱা-কটা
  - ➢ মিস্ত্ৰি
  - ➢ কৃষি
  - ➢ ফল আৰু ফুলৰ খেতি
  - ➢ চমৰাৰ কৰ্ম মীন পালন বা
  - ➢ মৃৎ শিল্প
  - ➢ স্থানীয় প্ৰয়োজন অনুযায়ী যিকোনো হস্তশিল্প
  - ➢ গাৰ্হস্থ্য বিজ্ঞান (ছোৱালীৰ বাবে)
- **মাতৃভাষা ঃ** শিক্ষাৰ ৰাৰ্দ্ধা আঁচনিয়ে লক্ষ্য কৰিছিল যে মাতৃভাষাৰ শিক্ষা হৈছে সকলো শিক্ষাৰ ভেটি স্বৰূপ। নিজৰ মাতৃভাষা ভালদৰে নজনাকৈ কোনেও উপযুক্তভাৱে ধাৰণাৰ বিকাশ কৰিব নোৱাৰে।
- **গণিত ঃ** বনিয়াদী শিক্ষাৰ অন্য এক গুৰুত্বপূৰ্ণ বিষয় হৈছে গণিত। অধ্যয়নৰ পাঠ্যক্ৰমত গণিত বিষয়টো অন্তৰ্ভুক্ত কৰাৰ প্ৰধান উদ্দেশ্য হৈছে হস্তশিল্প আৰু নিজৰ গৃহ আৰু সামাজিক জীৱনত উদ্ভৱ হোৱা সাধাৰণ সাংখ্যিক আৰু জ্যামিতিৰ সমস্যাবোৰৰ সমাধানৰ বাবে ছাত্ৰ-ছাত্ৰীৰ সামৰ্থৰ বিকাশ কৰা। ছাত্ৰ-ছাত্ৰীসকলে বাণিজ্য আৰু বুককিপিঙৰ জ্ঞানো অৰ্জন কৰিব লাগিছিল।
- **সমাজ অধ্যয়ন ঃ** সাধাৰণভাৱে মানৱ জাতিৰ অগ্ৰগতিৰ ক্ষেত্ৰত মানুহৰ আগ্ৰহৰ বিস্তৃত বিকাশ আৰু বিশেষকৈ ভাৰতৰ বিকাশৰ বাবে ৰাৰ্দ্ধা আঁচনিয়ে সমাজ অধ্যয়নৰ আৰম্ভণি কৰিছিল। তাৰোপৰি, এই উদ্দেশ্যৰ উপৰিও সমাজ অধ্যয়ন বিষয়ে ছাত্ৰ-ছাত্ৰীৰ সামাজিক আৰু ভৌগোলিক পৰিৱেশবোৰ উপযুক্ত বোধ আৰু বিকাশ কৰিব পাৰে মাতৃভূমি প্ৰতি ভালপোৱা, ইয়াৰ অতীতৰ প্ৰতি শ্ৰদ্ধা আনিব পাৰে।
- **সাধাৰণ বিজ্ঞান ঃ** ছাত্ৰ-ছাত্ৰীক প্ৰকৃতিৰ প্ৰতি বুদ্ধিমান আৰু প্ৰশংসাসূচক দৃষ্টিভংগী দিবলৈ বুনিয়াদী শিক্ষাই সাধাৰণ বিজ্ঞানক অধ্যয়নৰ বিষয়ে হিচাবে লৈছিল।
- **ছৱি আঁকা ঃ** আকাৰ আৰু ৰঙৰ নিৰীক্ষণ আৰু পাৰ্থক্য নিৰ্ণয়ৰ বাবে চকুক প্ৰশিক্ষণ দিবলৈ বুনিয়াদী শিক্ষাই ছৱি আঁকা বিষয়টোক অধ্যয়নৰ বিষয় হিচাবে লৈছিল ।
- **সংগীত ঃ** বুনিয়াদী শিক্ষাত সংগীতক অন্তৰ্ভুক্ত কৰাৰ প্ৰধান উদ্দেশ্য হৈছে শিক্ষাৰ্থীসকলক ধূনীয়া গীতবোৰ শিকোৱা আৰু তেওঁলোকৰ মাজত সংগীতৰ প্ৰতি ভালপোৱা জগাই তোলা।
- **হিন্দুস্থানী ঃ** বুনিয়াদী শিক্ষাৰ অন্য এক বৈশিষ্ট্য আছিল হিন্দীক দেবনাগৰী লিপি হিচাবে ব্যৱহাৰ কৰা। এই আঁচনিত ইংৰাজীক স্থান দিয়া হোৱা নাছিল।

৭.৪.৩ বুনিয়াদী শিক্ষাৰ সবলতাসমূহ

ভাৰতীয় শিক্ষা ব্যৱস্থাত ব্যর্থ হ'লেও বুনিয়াদী শিক্ষাৰ বহুতো ইতিবাচক দিশ আছিল। সেইবোৰ হৈছে-

- **শিশুকেন্দ্রিক শিক্ষা ঃ** বুনিয়াদী শিক্ষা শিশুৰ প্রয়োজন আৰু সামর্থৰ বাবে প্রস্তুত কৰা হৈছিল। ই শিশুসকলক, তেওঁলোকৰ প্রকৃতি, আগ্রহ ইত্যাদিক অগ্রাধিকাৰ প্রদান কৰিছিল। বহুতো শিক্ষাবিদে উল্লেখ কৰিছিল যে শিক্ষা সদায় শিশুকেন্দ্রিক হ'ব লাগে।
- **কর্মৰ দ্বাৰা শিক্ষা ঃ** বুনিয়াদী শিক্ষাৰ অন্য এক সবলতা হৈছে কার্যৰ দ্বাৰা শিক্ষা। বুনিয়াদী শিক্ষাই পুথিগত শিক্ষাত বিশ্বাস নকৰিছিল, ই কর্মৰ দ্বাৰা শিক্ষাত বিশ্বাস ৰাখিছিল। গান্ধীজীয়ে বিশ্বাস কৰিছিল যে স্কুলখনেই হৈছে কার্য কৰাৰ থলী। বুনিয়াদী শিক্ষাত শিশুসকলে আনুষ্ঠানিক স্কুলৰ বিষয়ৰ জ্ঞান উদ্দেশ্য প্রণোদিত কার্যকলাপৰ উৎপাদনৰ দ্বাৰা আহৰণ কৰিছিল।
- **আত্মনির্ভৰশীলতা ঃ** ভাৰতৰ দৰে দুখীয়া দেশ এখনৰ ক্ষেত্রত বুনিয়াদী শিক্ষাৰ আত্মনির্ভৰশীলতাৰ যথেষ্ট তাৎপর্যপূর্ণ আছিল। গান্ধীজীয়ে অনুভৱ কৰিছিল যে ব্রিটিছসকলে ভাৰতবর্ষত আৰম্ভ কৰা শিক্ষা খৰচী আছিল। বুনিয়াদী শিক্ষাই শিকাৰ পৰা অর্থ উপার্জনত গুৰুত্ব দিছিল।
- **শিক্ষাৰ মাধ্যম হিচাবে মাতৃভাষা ঃ** গান্ধীজীয়ে বিশ্বাস কৰিছিল প্রকৃত শিক্ষা মাতৃভাষাৰ মাধ্যমেৰেহে দিব পাৰি। গৱেষণাৰ পৰাও এইটো প্রমাণিত হৈছে যে সৰু ল'ৰা-ছোৱালীয়ে মাতৃভাষাৰ যোগেদিহে ভালকৈ শিকে।
- **সাত বছৰৰ কাৰণে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা ঃ** বুনিয়াদী শিক্ষাই সাত বছৰৰ বাবে বিনামূলীয়া শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। বিনামূলীয়া শিক্ষাই দুখীয়া ল'ৰা-ছোৱালীকো স্কুললৈ যোৱাৰ বাবে উৎসাহিত কৰে।
- **নাগৰিকত্বৰ প্রশিক্ষণ ঃ** বুনিয়াদী শিক্ষাই ছাত্র-ছাত্রীসকলৰ মাজত পাৰস্পৰিক বুজাপৰা আৰু সহযোগিতাৰ অভ্যাস বিকাশৰ ধাৰণাৰ লক্ষ্য ৰাখিছিল। বুনিয়াদী শিক্ষা ব্যৱস্থাৰ লক্ষ্য হৈছে ভৱিষ্যত নাগৰিকসকলৰ বাবে ব্যক্তিগত উদ্দীপনা, মর্যদা আৰু তীব্র অনুভূতি প্রদান কৰা।
- **জীৱনৰ সৈতে সম্পর্ক ঃ** বুনিয়াদী শিক্ষা জীৱনৰ সৈতে জড়িত। এই শিক্ষা ব্যৱস্থাটো এনেদৰে সজোৱা হৈছিল যিটোৰ জীৱনৰ সৈতে প্রত্যক্ষ সম্পর্ক আছে।

৭.৪.৪ বুনিয়াদী শিক্ষাৰ সমালোচনা

বহুতো শিক্ষিত ভাৰতীয় লোকে বুনিয়াদী শিক্ষাক সমালোচনা কৰিছিল। যদিও এই ধাৰণাটো ভাল আছিল, কিন্তু ইয়াৰ কিছুমান অসুবিধাও আছে। তলত ইয়াৰ বিষয়ে আলোচনা কৰা হ'ল।

- **শিশুসকলৰ বাবে অনুপযুক্ত ঃ** বুনিয়াদী শিক্ষা মনোবৈজ্ঞানিক দিশৰ পৰা উপযুক্ত নহয়। শিশুৰ ব্যক্তিগত বিকাশক বুনিয়াদী শিক্ষাত অৱহেলা কৰা হৈছিল। বুনিয়াদী শিক্ষাত শিশুক সমজাতীয় দলৰ এক একক হিচাবে গ্রহণ কৰা হৈছিল।
- **ধাৰণাৰ ক্ষেত্রত অস্পষ্টতা ঃ** বুনিয়াদী শিক্ষাৰ ধাৰণাটো স্পষ্ট নহয়। ৰাৰ্দ্ধা কমিটিৰ প্রতিবেদনেও বুনিয়াদী শিক্ষাৰ স্পষ্ট উদ্দেশ্য দাঙি ধৰা নাছিল। সেইবাবে দেশৰ জনসাধাৰণে বুনিয়াদী শিক্ষাক গুৰুত্বসহকাৰে লোৱা নাছিল।
- **হস্তশিল্পত গুৰুত্ব ঃ** বুনিয়াদী শিক্ষাই হস্তশিল্পক অধিক গুৰুত্ব প্রদান কৰিছিল। শিক্ষা সদায় পাঠ্যক্রমৰ ওপৰত ভিত্তি কৰি হ'ব লাগে। শিক্ষা সদায় মূর্ত হ'ব লাগে আৰু পৰিৱেশত শিশুসকলৰ সক্রিয় অনুশীলনৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিব লাগে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ মহাত্মা গান্ধীয়ে এলানি প্রবন্ধ ..... কাকতত তেওঁৰ ভাৰতীয় শিক্ষাৰ পুনৰীক্ষণৰ ধাৰণাৰ ওপৰত লিখিছিল। (খালী ঠাই পূৰণ)

প্রশ্ন নং ৬ঃ ৰাৰ্দ্ধা সন্মিলনত গ্রহণ কৰা দুটা গুৰুত্বপূর্ণ প্রস্তাৱ হৈছে ..... বছৰৰ কাৰণে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ সুবিধা প্রদান আৰু শিশুসকলক ..... মাধ্যমেৰে শিক্ষা প্রদান কৰা। (খালী ঠাই পূৰ কৰক)

প্রশ্ন নং ৭ঃ বুনিয়াদী শিক্ষাৰ আসোঁৱাহবোৰ লিখক।

.....

৭.৫ ১৯৪৪-৪৫ চনৰ চার্জেণ্ট কমিটিৰ প্রতিবেদন

আপোনালোকে ইতিমধ্যে জানিব পাৰিছে যে ভাৰতীয় শিক্ষাৰ বিকাশৰ বাবে ব্রিটিছ চৰকাৰে বিভিন্ন প্রচেষ্টা হাতত লৈছিল। এনে প্রচেষ্টাসমূহৰ বাবে ব্রিটিছ চৰকাৰে ভাৰতবর্ষত শিক্ষাৰ বিকাশৰ গুৰুত্বও উপলব্ধি কৰিছিল। যিহেতু ব্রিটিছ চৰকাৰে স্বাধীনতা আন্দোলন হ্রাস কৰিবলৈ ভাৰতীয়সকলৰ মন জয় কৰিবলৈ চেষ্টা কৰিছিল, সেইবাবে ভাৰতৰ শিক্ষাৰ ক্ষেত্রত কিবা কৰাৰ সিদ্ধান্ত লৈছিল। ভাৰতীয় শিক্ষাৰ বিকাশ কৰিবলৈ, ব্রিটিছ চৰকাৰে ভাৰতৰ শৈক্ষিক উপদেষ্টাজন চার্জেণ্টক ভাৰতীয়সকলৰ শিক্ষাৰ বাবে এক আঁচনি প্রস্তুত কৰিব দিছিল। সেইদৰে ১৯৪৪ চনত চাৰ জন চার্জেণ্ট তেওঁৰ প্রতিবেদন শিক্ষাৰ কেন্দ্রীয় উপদেষ্টা বোর্ডৰ হাতত অর্পণ কৰিছিল। তেওঁৰ প্রতিবেদনত প্রাথমিকৰ পৰা উচ্চ শিক্ষালৈ সকলো স্তৰকে সামৰি লৈছিল। শিক্ষাৰ সকলো স্তৰৰ সংশোধনৰ বাবে চার্জেণ্টে পৰামর্শ আগবঢ়াইছিল। এই আঁচনিখনকেই চার্জেণ্ট প্রতিবেদন বুলি জনা যায়, য'ত বাৰটা অধ্যায় আছিল।

৭.৫.১ চার্জেণ্টৰ প্রতিবেদনৰ পৰামর্শসমূহ

আগতেই উল্লেখ কৰা হৈছে যে প্রাথমিক পর্যায়ৰ পৰা বিশ্ববিদ্যালয় পর্যায়লৈ শিক্ষাৰ বিকাশৰ বাবে বাৰটা অধ্যায় সন্নিবিষ্ট কৰি চার্জেণ্টৰ প্রতিবেদনত পৰামর্শ আগবঢ়োৱা হৈছিল। তলত এইবোৰ আলোচনা কৰা হ'ল।

- ৬ ৰ পৰা ১৪ বছৰ বয়সলৈ সকলো ল'ৰা-ছোৱালীক বিনামূলীয়া আৰু বাধ্যতামূলক প্রাথমিক শিক্ষা প্রদান কৰিব লাগে। এনে ধৰণৰ শিক্ষাক দুটা ভাগ কৰিব লাগে- নিম্ন বুনিয়াদী আৰু উচ্চ বুনিয়াদী। নিম্ন বুনিয়াদী শিক্ষা হৈছে ৬ ৰ পৰা ১০ বছৰৰ শিশুৰ বাবে আৰু উচ্চ বুনিয়াদী হৈছে ১১ ৰ পৰা ১৪ বছৰ বয়সৰ বাবে।
- ৩ ৰ পৰা ৬ বছৰৰ শিশুসকলৰ বাবে প্রাক্-প্রাথমিক স্কুল স্থাপন কৰিব লাগে। প্রাক্-প্রাথমিক স্কুলত শিশুসকলক সামাজিক জ্ঞান, ভাল আচাৰ-ব্যৱহাৰ আদি শিকাব লাগে।
- ১১ ৰ পৰা ১৭ বছৰ বয়সৰ মেধা সম্পন্ন ছাত্র-ছাত্রীৰ বাবে হাইস্কুল খুলিব লাগে। হাইস্কুলৰ ছয়বছৰীয়া হ'ব লাগে। হাইস্কুলৰ পাঠ্যক্রমক দুটা ভাগত ভাগ কৰিব লাগে। এই দুটা হৈছে সাহিত্যৰ হাইস্কুল আৰু বৃত্তীয় হাইস্কুল। সাহিত্যৰ হাইস্কুলত ভাৰতীয় ভাষা, মাতৃভাষা, ইংৰাজী, ভূগোল পৌৰ বিজ্ঞান, গণিত, অর্থনীতি, কৃষি, সংগীত ইত্যাদিবোৰ থাকিব লাগে। আনহাতে, বৃত্তীয় স্কুলত বৃত্তীয় আৰু বাণিজ্যিক বিষয় আৰু প্রয়োগিক বিজ্ঞান শিকাব লাগে। বৃত্তীয় দলত কাঠৰ কাম, ধাতুশিল্প, কাম, অভিযান্ত্রিক বিষয়, চর্টহেণ্ড, টাইপ আৰু বাণিজ্য ইত্যাদি অন্তভূর্ক্ত কৰিব লাগে। চার্জেণ্ট প্রতিবেদনে পৰামর্শ দিছিল যে এনে স্কুলবোৰত শিক্ষাৰ মাধ্যম মাতৃভাষা হ'ব লাগে আৰু ইংৰাজীক দ্বিতীয় ভাষা হিচাবে শিকাব লাগে।
- চার্জেণ্ট প্রতিবেদনে মধ্যৱর্তী শ্রেণীবোৰ আঁতৰাই দিয়াৰ পৰামর্শ দিছিল। ইয়াৰ বাবে প্রতিবেদনে পৰামর্শ দিছিল যে একাদশ আৰু দ্বাদশ শ্রেণীটো হাইস্কুলৰ স্নাতকৰ সৈতে সংযোগ কৰিব লাগে।

- প্রতিবেদনত কোৱা হৈছিল যে ১৫ জনৰ ভিতৰত মাত্র এজন হাইস্কুলৰ ছাত্রক আগ্রহ আৰু অভিৰুচিৰ ওপৰত ভিত্তি কৰি বিশ্ববিদ্যালয় শিক্ষাৰ বাবে নির্বাচন কৰিব লাগে।
- বিশ্ববিদ্যালয় অনুদান আয়োগ গঠনৰ বাবে এই প্রতিবেদনে পৰামর্শ আগবঢ়াইছিল। বিশ্ববিদ্যালয় অনুদান আয়োগ গঠনৰ উদ্দেশ্য আছিল সমগ্র দেশতে বিশ্ববিদ্যালয় শিক্ষাৰ ক্ষেত্রত সমৰূপতা অনা।
- অনুষ্ঠানত ভাল শৈক্ষিক পৰিৱেশৰ বাবে ছাত্র-ছাত্রী আৰু শিক্ষকৰ ভাল সম্পর্ক ৰক্ষাৰ ওপৰত চার্জেণ্ট প্রতিবেদনে গুৰুত্ব দিছিল।
- প্রযুক্তি আৰু পেচাগত বিষয়ত শিক্ষা প্রদানৰ বাবে এই প্রতিবেদনত অংশকালীন আৰু সম্পূর্ণ স্কুল খোলাৰ পৰামর্শ দিছিল। এইবোৰ স্কুলৰ দ্বাৰা চাৰি প্রকাৰৰ কর্মী উৎপন্ন কৰিব লাগে। এইবোৰ হ'ল উচ্চ শ্রেণী, নিম্ন শ্রেণী, নিপুণ কলা-কৌশল আৰু সাধাৰণ শিল্পকাৰ। উচ্চ পর্যায়ৰ শ্রেণীৰ বাবে হাইস্কুল উত্তীর্ণ শিক্ষার্থীক বিশ্ববিদ্যালয়ৰ প্রযুক্তি বিভাগত নামভর্তি কৰাব লাগিছিল। নিম্ন শ্রেণীৰ বাবে, বৃত্তীয় হাইস্কুল উত্তীর্ণ ছাত্র-ছাত্রীক কর্মীবাহিনীৰ বাবে প্রশিক্ষণ দিয়া হৈছিল। নিপুণ কলা-কৌশলী শ্রেণীৰ বাবে উচ্চ হাইস্কুল উত্তীর্ণ ছাত্র-ছাত্রীক শিল্পকলাৰ প্রশিক্ষণৰ বাবে নামভর্তি কৰিছিল আৰু সাধাৰণ শিল্পকলাৰ ক্ষেত্রত অষ্টম শ্রেণী উত্তীর্ণ ছাত্র-ছাত্রীক নাম ভর্তিকৰোৱা হৈছিল আৰু তেওঁলোকক প্রশিক্ষণ দিয়া হৈছিল। উপযুক্ত দক্ষতা অর্জন কৰাৰ পিছত, তেওঁলোকক নিপুণ কলা-কৌশলীৰ দলত অন্তভুর্ক্ত কৰা হৈছিল।
- চাজেণ্ট প্রতিবেদনে প্রাপ্তবয়স্কৰ বাবে সাধাৰণ আৰু বৃত্তীয় শিক্ষা প্রয়োগ কৰাৰ বাবে পৰামর্শ দিছিল। শিক্ষাত দৃশ্য-শ্রাব্য সজুঁলি উপযুক্তভাৱে প্রয়োগ কৰিব লাগে বাবে বাস্তৱ জীৱনৰ সৈতে খাপ খায়।
- এই প্রতিবেদনে শিক্ষক প্রশিক্ষণৰ ওপৰত গুৰুত্ব প্রদান কৰিছিল। চার্জেণ্টে বিশ্বাস কৰিছিল যে শিক্ষাৰ সফলতা প্রশিক্ষণ প্রাপ্ত শিক্ষকৰ ওপৰত নির্ভৰ বাবে। প্রতিবেদনত কোৱা হৈছিল যে প্রাক্ বুনিয়াদী আৰু নিম্ন বুনিয়াদী স্কুলৰ প্রত্যেক ৩০ জন ছাত্রৰ বাবে অতি কমেও এগৰাকী প্রশিক্ষণ প্রাপ্ত শিক্ষক থাকিব লাগে। ঠিক সেইদৰে উচ্চ বুনিয়াদী স্কুল প্রত্যেক ২০ গৰাকী ছাত্র-ছাত্রীৰ বাবে এজন প্রশিক্ষণ প্রাপ্ত শিক্ষক থাকব লাগে। প্রতিবেদনত কোৱা হৈছিল যে প্রশিক্ষণ প্রাপ্ত শিক্ষকসকলক উচ্চ দৰমহা দিব লাগে যাতে মেধা সম্পন্ন লোকক শিক্ষকতা বৃত্তিলৈ আকর্ষিত কৰিব পৰা যায়।
- চার্জেণ্টৰ প্রতিবেদনে ছাত্র-ছাত্রী স্বাস্থ্যৰ ওপৰতো গুৰুত্ব দিছিল। ছাত্র-ছাত্রীৰ সুস্বাস্থ্য ৰক্ষা কৰিবলৈ প্রতিবেদনে সময় অনুযায়ী বাধ্যতামূলক স্বাস্থ্য পৰীক্ষাৰ পৰামর্শ দিছিল। সময়ে সময়ে ছাত্র-ছাত্রীসকলক স্বাস্থ্য নীতিৰ তথ্যবোৰ প্রদান কৰিব লাগে। বিনামূলীয়া চিকিৎসা সেৱাও আগবঢ়াব লাগে।
- প্রতিবেদনে মানসিক আৰু শাৰীৰিক দিশৰ বিশেষভাৱে সক্ষম ছাত্র-ছাত্রীৰ বাবে বিশেষ স্কুল স্থাপনৰ পৰামর্শ দিছিল।
- শিক্ষানুষ্ঠানসমূহৰ গুণমান আৰু মানদণ্ড বজাই ৰাখিবলৈ প্রতিবেদনে কিছুমান শিক্ষাবিদক শিক্ষানুষ্ঠানবোৰ পৰিদর্শনৰ বাবে নিয়োগৰ পৰামর্শ দিছিল।

৭.৫.২ ভাৰতীয় শিক্ষাত চার্জেণ্ট কমিটিৰ প্রভাৱ

ভাৰতৰ শিক্ষা ব্যৱস্থা উন্নত কৰিবলৈ ব্রিটিছ চৰকাৰে চার্জেণ্ট প্রতিবেদন প্রস্তুত কৰিছিল। চৰকাৰে অনুভৱ কৰিছিল যে পৃথিৱীৰ উন্নত দেশবোৰতকৈ ভাৰত যথেষ্ট পিছপৰা। এই প্রতিবেদনে প্রাক্-প্রাথমিকৰ পৰা উচ্চ শিক্ষালৈ ইয়াৰ পৰিসীমাত লৈছিল।

নীতিগতভাৱে ভাৰত চৰকাৰে চাজেণ্টৰ প্রতিবেদনক গ্রহণ কৰিছিল। ব্রিটিছ চৰকাৰে তাৰ কিছুমান ভাৰতীয় শিক্ষাৰ উন্নতিৰ বাবে প্রয়োগ কৰিবলৈ চেষ্টা কৰিছিল। এই প্রতিবেদনৰ ফলস্বৰূপে ১৯৪৫ চনত কেন্দ্রত এটা শিক্ষা বিভাগ স্থাপিত হৈছিল। ১৯৪৭-৪৮ চনৰ সময়ছোৱাত প্রাদেশিক চৰকাৰবোৰক তেওঁলোকৰ নিজ নিজ অঞ্চলত কিছুমান দিশ প্রয়োগৰ বাবে ৪০ কোটি টকা প্রদান কৰা হৈছিল। প্রাদেশিক চৰকাৰবোৰক শিক্ষাৰ বাবে পঞ্চবার্ষিক পৰিকল্পনা কৰিবলৈ উপদেশ দিয়া হৈছিল। ১৯৪৬ চনত কিছুমান প্রদেশত পৰিকল্পনা কৰা হৈছিল।

চৰকাৰে সিদ্ধান্ত লৈছিল যে প্রতিবেদনৰ পৰামর্শসমূহ ৪০ বছৰৰ পৰিৱর্তে ১৬ বছৰৰ ভিতৰত প্রয়োগ কৰা হ'ব। প্রতিবেদনৰ এটা গুৰুত্বপূর্ণ সিদ্ধান্ত ৬ ৰ পৰা ১১ বছৰ বয়সলৈ প্রাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰাটো গ্রহণ কৰা হৈছিল। শিক্ষকসকলৰ অর্থনৈতিক অৱস্থা উন্নত কৰিবলৈ প্রচেষ্টা কৰা হৈছিল। দিল্লীত সর্বভাৰতীয় প্রযুক্তিৰ শিক্ষা কমিটি স্থাপন কৰা হৈছিল। চার্জেণ্ট প্রতিবেদনৰ ফলস্বৰূপে ভাৰত চৰকাৰে বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু শৈক্ষিক দপ্তৰ কেন্দ্রত স্থাপন কৰিছিল।

কিছুমান আসোঁৱাহ থকা স্বত্বেও, এই প্রতিবেদনৰ এক ঐতিহাসিক গুৰুত্ব আছে। আমি ওপৰত আলোচনা কৰিছো যে প্রতিবেদনৰ ওপৰত ভিত্তি কৰি কেন্দ্রত পৃথক শিক্ষা বিভাগ স্থাপন কৰা হৈছিল আৰু ১৯৪৬ চনত শৈক্ষিক দপ্তৰ আৰু বিশ্ববিদ্যালয় অনুদান আয়োগ স্থাপন কৰিছিল। চৰকাৰে প্রাথমিক আৰু প্রাপ্তবয়স্ক শিক্ষা আৰু শিক্ষক প্রশিক্ষণত অতি গুৰুত্ব প্রদান কৰিবলৈ আৰম্ভ কৰিছিল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ঃ চার্জেণ্ট প্রতিবেদনত ..... টা অধ্যায় আছিল। (খালী ঠাই পূৰণ কৰক)

প্রশ্ন নং ৯ঃ চার্জেণ্ট প্রতিবেদনে ..... বছৰৰ পৰা ..... বছৰলৈ সকলো ল'ৰা-ছোৱালীক বিনামূলীয়া আৰু বাধ্যতামূলক প্রাথমিক শিক্ষা প্রদানৰ বাবে পৰামর্শ দিছিল। (খালী ঠাই পূৰ কৰক)

৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৯১৯ চনৰ ৰাজনৈতিক আৰু সাংবিধানিক দিশবোৰ অধ্যয়ন কৰিবলৈ ভাৰত চৰকাৰে ১৯২৭ চনত চাইমন কমিচন নিযুক্ত কৰিছিল।
- আয়োগে চাৰ ফিলিপ হাৰটক অধ্যক্ষ হিচাপে লৈ এখন সহায়কাৰী কমিটি গঠন কৰিছিল।
- সেইবাবে এই কমিটিখনক 'হাৰটগ কমিটি' বুলি জনা যায়।
- কমিটিয়ে লক্ষ্য কৰিছিল যে ১৯১৭ ৰ পৰা ১৯২৭ সময়ছোৱাত শিক্ষাৰ ক্ষেত্রত যথেষ্ট অগ্রগতি হৈছিল, কিন্তু কমিটিয়ে দেশৰ স্বাক্ষৰতাৰ অনুপযুক্ত বৃদ্ধিত সন্তুষ্ট হোৱা নাছিল।
- হাৰটগ কমিটিয়ে লক্ষ্য কৰিছিল যে 'অপচয়' আৰু 'অনুন্নয়ন' হৈছে প্রাথমিক শিক্ষাৰ প্রধান সমস্যা।
- প্রাথমিক শিক্ষাৰ ক্ষেত্রত কমিটিয়ে পৰামর্শ দিছিল যে যিবোৰ স্কুলত ছাত্র-ছাত্রীৰ সংখ্যা কম তেনেবোৰ স্কুল বন্ধ কৰিব লাগে। অপচয় আৰু অনুন্নয়ন ৰোধ কৰিবলৈ বিশেষ প্রচেষ্টা হাতত লোৱা উচিত। প্রাথমিক শিক্ষাৰ ন্যূনতম সময় চাৰি বছৰ হোৱা উচিত।
- মাধ্যমিক শিক্ষাৰ ক্ষেত্রত কমিটিয়ে নমনীয়, বৈচিত্রপূর্ণ পাঠ্যক্রম প্রৱর্তনৰ বাবে পৰামর্শ প্রদান কৰিছিল। কমিটিয়ে শিক্ষকৰ চাকৰি অৱস্থা উন্নত কৰাৰো পৰামর্শ দিছিল।
- উচ্চ শিক্ষাৰ ক্ষেত্রত কমিটিয়ে অধিক সংবদ্ধ বিশ্ববিদ্যালয় ভাৰতত স্থাপনৰ বাবে পৰামর্শ দিছিল।
- শিক্ষাৰ ৰার্দ্ধা আঁচনিক বুনিয়াদী শিক্ষা বুলিও জনা যায়।
- ১৯৩৭ চনৰ ২২ আৰু ২৩ অক্টোবৰত ৰার্দ্ধাত মহাত্মা গান্ধীয়ে এখন সম্মিলন অনুষ্ঠিত কৰিছিল। ফলস্বৰূপে, সম্মিলনত এখন কমিটি গঠন কৰা হৈছিল ড° জাকিৰ হুচেইনৰ অধ্যক্ষতাত যাৰ দ্বাৰা আঁচনিখনৰ ওপৰত কার্য কৰা হৈছিল।
- বুনিয়াদী শিক্ষাৰ প্রধান লক্ষ্য আছিল ছাত্র-ছাত্রী আর্জিত জ্ঞানৰ দ্বাৰা স্ব-নির্ভৰশীল হিচাবে গঢ়ি তোলা আৰু বাস্তৱ জীৱনৰ কৌশল প্রদান কৰা।
- বুনিয়াদী শিক্ষাত ছাত্র-ছাত্রীক শ্রমৰ মর্যদা সম্পর্কে শিকোৱা উচিত।
- বুনিয়াদী শিক্ষাৰ কিছুমান গুৰুত্বপূর্ণ বৈশিষ্ট্য হৈছে- শিক্ষা ব্যৱস্থাটো হস্তশিল্পক কেন্দ্র কৰি হ'ব লাগে ৬ ৰ পৰা ১৪ বছৰ বয়সৰ সকলো ল'ৰা-ছোৱালীক বিনামূলীয়া আৰু বাধ্যতামূলক আৰু সার্বজনীন

শিক্ষা প্ৰদান কৰা, শিল্পকেন্দ্রিক শিক্ষাত সকলো বিষয়ৰ নিৰ্বাচিত শিল্পটোৰ সৈতে সম্পৰ্ক থাকিব লাগে, পাঠ্যক্রম নমনীয়া আছিল, শিল্পৰ জৰিয়তে ব্যৱহাৰিক জ্ঞান প্ৰদান কৰা হৈছিল।

- বুনিয়াদী শিক্ষাৰ আঁচনি ভাৰতবৰ্ষত সফল হোৱা নাছিল।
- আমাৰ দেশৰ বেছিভাগ শিক্ষাবিদ, প্রশাসক আৰু শিক্ষকসকলৰ বুনিয়াদী শিক্ষাৰ ধাৰণা আৰু মৌলিকতা সম্পৰ্কে স্পষ্ট ধাৰণা নাছিল।
- শিক্ষাৰ কেন্দ্রীয় উপদেষ্টা বোৰ্ডে গঠন কৰা প্রথমখন বিস্তৃত শৈক্ষিক পৰিকল্পনা হৈছে চাৰ্জেণ্ট প্রতিবেদনত।
- ১৯৪৪ চনত চাৰ জন চাৰ্জেণ্টে শিক্ষাৰ কেন্দ্রীয় উপদেষ্টা বোৰ্ডক তেওঁ আঁচনি দাখিল কৰিছিল। এই প্রতিবেদনখনক জনপ্রিয়ভাৱে চাৰ্জেণ্ট প্রতিবেদন বুলি জনা যায়।
- এই প্রতিবেদন প্রাথমিকৰ পৰা বিশ্ববিদ্যালয়লৈ সামৰি লৈছিল।
- এই প্রতিবেদনৰ মতে, গাঁও অঞ্চলত প্রাক্-প্রাথমিক স্কুল প্রাথমিক স্কুলৰ সৈতে থাকিব লাগে কিন্তু নগৰ অঞ্চলত ই পৃথক হ'ব লাগে।
- প্রতিবেদনে পৰামর্শ দিছিল যে ৬- ১৪ বছৰৰ বয়সৰ বাবে প্রাথমিক শিক্ষা সার্বজনীন, বিনামূলীয়া আৰু বাধ্যতামূলক হ'ব লাগে।
- হাইস্কুল দুই প্রকাৰৰ হ'ব লাগে। এই দুটা হৈছে বিদ্যায়তনিক আৰু প্রযুক্তিমূলক।
- যিসকলৰ বিশেষ আগ্রহ আৰু যোগ্যতা আছে সেইসকলক বিশ্ববিদ্যালয় শিক্ষাৰ বাবে অনুমতি দিব লাগে।
- বিশ্ববিদ্যালয় অনুদান আয়োগ গঠন কৰিব লাগে।
- মধ্যৱর্তী পাঠ্যক্রম বন্ধ কৰিব লাগে।
- ভাৰত চৰকাৰে প্রতিবেদনৰ পৰামর্শবোৰ গ্রহণ কৰিছিল আৰু ইয়াক প্রয়োগ কৰাৰ চেষ্টা কৰিছিল।

৭.৭ অধিক জানিবলৈ

১) Aggarwal, J.C. (2005). *History of Modern Indian Education*. New Delhi: Vikas Publishing House Pvt.Ltd.

২) Chaube, S.P. (1999). *History and Problems of Indian Education*. Agra: Vinod Pustak Mandir.

৩) Dash, B.N. (2014). *History of Education in India*. New Delhi: Dominant Publishers and Distributors Pvt. Ltd.

৭.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ অপচয় আৰু অনুন্নয়ন।

২ নং প্রশ্নৰ উত্তৰঃ চাৰি বছৰ।

৩ নং প্রশ্নৰ উত্তৰঃ পৰীক্ষাবোৰ।

৪ নং প্রশ্নৰ উত্তৰঃ হাৰটগ কমিটিয়ে আগবঢ়োৱা ভাৰতৰ প্রাথমিক শিক্ষাৰ দুটা সমস্যা হৈছে

- বেছিভাগ অভিভাৱকেই দুখীয়া। তেওঁলোকৰ অজ্ঞতাৰ বাবে তেওঁলোকে ল'ৰা-ছোৱালীক স্কুললৈ পঠিয়াবলৈ ইচ্ছা নকৰে।
- শৈক্ষিক সা-সুবিধাৰ অসমতা। প্রত্যেক শিশুৱে শিক্ষাৰ সমান সুবিধা নেপায়।

৫ নং প্রশ্নৰ উত্তৰঃ হৰিজন।

৬ নং প্রশ্নৰ উত্তৰঃ সাত, মাতৃভাষা।

৭ নং প্ৰশ্নৰ উত্তৰঃ বুনিয়াদী শিক্ষাৰ প্ৰধান দুৰ্বলতাবোৰ হৈছে শিশুসকলৰ বাবে উপযোগী নহয়, বুনিয়াদী শিক্ষা ধাৰণা স্পষ্টভাৱে সংজ্ঞায়িত নোহোৱা আৰু হস্তশিল্পত অধিক গুৰুত্ব আৰোপ কৰা।

৮ নং প্ৰশ্নৰ উত্তৰঃ ১২।

৯ নং প্ৰশ্নৰ উত্তৰঃ ৫, ১৪।

? ৭.৯ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায়১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ হাৰটগ কমিটিয়ে লক্ষ্য কৰিছিল যে ভাৰতৰ প্ৰাথমিক শিক্ষাৰ প্ৰধান সমস্যা হৈছে অপচয় আৰু অনুন্নয়ন। কমিটিৰ মতে 'অপচয়' আৰু 'অনুন্নয়নৰ' অৰ্থ কি? চমুকৈ লিখক।

প্ৰশ্ন ২ঃ ভাৰতৰ প্ৰাথমিক শিক্ষাৰ সমস্যা সমাধানৰ বাবে হাৰটগ কমিটিয়ে আগবঢ়োৱা পাঁচটা পৰামৰ্শ লিখক।

প্ৰশ্ন ৩ঃ হাৰটগ কমিটিৰ মতে ভাৰতৰ মাধ্যমিক শিক্ষাৰ সমস্যাবোৰ লিখক।

প্ৰশ্ন ৪ঃ ভাৰতৰ শিক্ষা ব্যৱস্থাত হাৰটগ কমিটিৰ প্ৰতিবেদনৰ প্ৰভাৱ সম্পৰ্কে চমুকৈ লিখক।

প্ৰশ্ন ৫ঃ ১৯৩৭ চনৰ ৱাৰ্দ্ধা সন্মিলনত গ্ৰহণ কৰা প্ৰস্তাৱবোৰ চমুকৈ লিখক।

প্ৰশ্ন ৬ঃ ভাৰতৰ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত চার্জেণ্ট প্ৰতিবেদনে আগবঢ়োৱা পৰামৰ্শবোৰ চমুকৈ লিখক।

(খ) দীঘলীয়া প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ হাৰটগ কমিটি কিয় গঠন কৰা হৈছিল? হাৰটগ কমিটিৰ মতে ভাৰতৰ প্ৰাথমিক শিক্ষাৰ আসোঁৱাহবোৰ কি কি? এইবোৰ দূৰ কৰাৰ উপায়বোৰ কি কি?

প্ৰশ্ন ২ঃ মাধ্যমিক, মহিলা আৰু বিশ্ববিদ্যালয় শিক্ষাৰ ক্ষেত্ৰত হাৰটগ কমিটিৰ পৰামৰ্শবোৰ কি আছিল?

প্ৰশ্ন ৩ঃ বুনিয়াদী শিক্ষাৰ বৈশিষ্ট্যবোৰ আলোচনা কৰক। এই আঁচনিখন অকৃতকাৰ্য হোৱাৰ কাৰণ কি আছিল?

প্ৰশ্ন ৪ঃ ৱাৰ্দ্ধা আঁচনিৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ৫ঃ ভাৰতীয় শিক্ষা ব্যৱস্থাত চার্জেণ্ট কমিটিৰ অৱিহণাৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৬ঃ ১৯৪৪ চনৰ চাজেণ্ট কমিটিৰ বিষয়ে চমুকৈ লিখক।

*** ***** ***

অধ্যায় ৮ ঃ স্বাধীনোত্তৰ যুগত ভাৰতত হোৱা শিক্ষাৰ বিকাশ- ১ (ভাৰতত শিক্ষা বিষয়ত সাংবিধানিক সুবিধাসমূহ)

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ ভাৰতৰ সংবিধানত সন্নিবিষ্ট শিক্ষা বিষয়ক সাংবিধানিক সুবিধাসমূহ

- ৮.৩.১ বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা
- ৮.৩.২ সংখ্যালঘূ সম্প্ৰদায়ৰ শিক্ষালাভৰ অধিকাৰ
- ৮.৩.৩ শিক্ষাত ধৰ্মনিৰপেক্ষতাৰ নীতি
- ৮.৩.৪ সমাজৰ দুৰ্বল শ্ৰেণীৰ বাবে শিক্ষা
- ৮.৩.৫ হিন্দী শিক্ষণ
- ৮.৩.৬ চৰকাৰী ভাষা
- ৮.৩.৭ মাতৃভাষা স্থান
- ৮.৩.৮ উচ্চশিক্ষা আৰু গৱেষণা

৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৫ অধিক জানিবলৈ

৮.৬ অগ্ৰগতিৰ খতিয়ান

৮.৭ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাৰতত শিক্ষা সন্দৰ্ভত থকা বিভিন্ন সংবিধানপ্ৰদত্ত সুবিধাৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব
- ভাৰতীয় সংবিধানত সন্নিৱিষ্ট শিক্ষা বিষয়ক বিভিন্ন কথা বিচাৰি উলিয়াব পাৰিব
- ভাৰতীয় সংবিধানত অন্তৰ্ভুক্ত কৰা শিক্ষা বিষয়ক সুবিধাবোৰৰ তাৎপৰ্য বৰ্ণনা কৰিব পাৰিব।

৮.২ পৰিচয়

আমি জানো যে ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰত বৃটিছ শাসনৰ পৰা মুক্ত হৈছিল। আমি এয়াও জানো যে ১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতীয় সংবিধানখন বলবৎ কৰা হৈছিল। ভাৰতীয় সংবিধানখনে ভাৰতক এখন গণতান্ত্ৰিক দেশৰূপে প্ৰতিষ্ঠা কৰাত অনন্য আৰ্হিৰ ভূমিকা লৈছে। সংবিধান হ'ল দেশৰ নাগৰিকৰ দাপোণস্বৰূপ। বৃটিছ শাসনকালত ভাতৰ শিক্ষা ব্যৱস্থাৰ ইতিহাস অধ্যয়ন কৰিলে সহজে বুজিব পাৰি যে সেই সময়ছোৱাত দেশত শিক্ষাৰ উপযুক্ত বিকাশ ঘটা নাছিল। বৃটিছ শাসকে ভাৰতত শিক্ষা প্ৰসাৰত বিশেষ মনোযোগ দিয়া নাছিল। সেয়েহে প্ৰাক--স্বাধীনতা যুগত ভাৰতত শিক্ষা ব্যৱস্থা সম্পূৰ্ণ অৱহেলিত হৈ আছিল বুলি কোৱা হয়। এই কথাবোৰ মনত ৰাখি ভাৰতীয় সংবিধান প্ৰস্তুতকৰ্তাসকলে দেশত শিক্ষাৰ প্ৰসাৰ ঘটাবলৈ কিছুমান তাৎপৰ্যপূৰ্ণ সুবিধা সৃষ্টি কৰিছিল। ভাৰতৰ ৰাজনৈতিক, অৰ্থনৈতিক সামাজিক আৰু সাংস্কৃতিক প্ৰয়োজনীয়তাৰ সৈতে সংগতি ৰাখি সংবিধানত এই সুবিধাবোৰ অন্তৰ্ভুক্ত কৰা হৈছে। এই শিক্ষাকেন্দ্ৰিক সুবিধাসমূহৰ প্ৰধান উদ্দেশ্য হ'ল দেশৰ নাগৰিকৰ প্ৰয়োজনীয়তা আৰু আশা পূৰণ কৰা।

ভাৰতীয় সংবিধানৰ প্ৰাণ হ'ল ইয়াৰ প্ৰস্তাৱনা। প্ৰস্তাৱনাত কোৱা হৈছেঃ 'আমি, ভাৰতৰ জনসাধাৰণে, ভাৰতীয় সংবিধানৰ জৰিয়তে ভাৰতক এখন সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক গণৰাজ্যৰূপে প্ৰতিষ্ঠা কৰাৰ একাগ্ৰ পণ লৈছো আৰু ইয়াৰ সকলো নাগৰিকৰ বাবে ন্যায়, স্বাধীনতা, সমতা তথা ভ্ৰাতৃত্ববোধ সুনিশ্চিত কৰিবলৈ বদ্ধপৰিকৰ'।

ন্যায় ------- সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক

স্বাধীনতা ------- চিন্তা, ভাৱ প্ৰকাশ, বিশ্বাস, ধৰ্মীয় আস্থা আৰু উপাসনা

সমতা --------- সামাজিক স্থিতি, সুবিধা আৰু সকলোৰে মাজত ইয়াৰ পৃষ্ঠপোষকতা

ভ্ৰাতৃত্ববোধ ------- প্ৰত্যেক ব্যক্তিৰ মৰ্যাদা নিশ্চিত কৰা, দেশৰ একতা ৰক্ষা কৰা।

১৯৪৯ চনৰ ২৬ নৱেম্বৰত দেশৰ সংসদে সংবিধানখন গ্ৰহণ কৰিছিল।

ভাৰতীয় সংবিধানে দেশৰ নাগৰিকৰ আইনৰ আগত সমান ন্যায় আৰু সমতা প্ৰদান কৰে। সংবিধানে নাগৰিকক মুকলি মনেৰে চিন্তা কৰাৰ, মানৰ ভাৱ প্ৰকাশ কৰাৰ, নিজ ধৰ্মীয় আস্থা আৰু বিশ্বাসৰ অনুশীলন কৰাৰ স্বাধীনতা দিছে। সংবিধানে প্ৰত্যেক ব্যক্তিৰে মৰ্যাদা ৰক্ষাৰ নিশ্চিতি দিছে।

৮.৩ ভাৰতৰ সংবিধানত সন্নিবিষ্ট শিক্ষা বিষয়ক সাংবিধানিক সুবিধাসমূহ

তলত আলোচনা কৰা সংবিধানৰ উপ-অনুচ্ছেদসমূহত ভাৰতত থকা শিক্ষা বিষয়ক সাংবিধানিক সুবিধাসমূহ উল্লেখ কৰা হৈছে।

৮.৩.১ বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা

ভাৰতীয় সংবিধানত ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতি কিছুমান অন্তৰ্ভুক্ত কৰা হৈছে। এই নীতিসমূহৰ উল্লেখ থকা ৪৫ নং অনুচ্ছেদত কোৱা হৈছে - 'এই সংবিধান বলবৎ হোৱাৰ দহ বছৰৰ সময়সীমাৰ ভিতৰত ৰাষ্ট্ৰই ১৪ বছৰ সম্পূৰ্ণ নকৰালৈকে সকলোৰে বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা আগবঢ়োৱাৰ অভিযান চলাব লাগিব।'

৪৫ নং অনুচ্ছেদৰ মতে ১৪ বছৰ পাৰ নকৰা নাগৰিকক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰাৰ দায়িত্ব ৰাষ্ট্ৰৰ। ৬ ৰ পৰা ১৪ বছৰীয়া প্ৰতিটো শিশুৱে এই অধিকাৰ লাভ কৰিব। দেশৰ এই বয়সৰ সকলো শিশুকে শিক্ষা দিয়াৰ লক্ষ্যত দহ বছৰৰ ভিতৰত উপনীত হ'ব লাগিব।

১৯৬০ চনতেই এই দহ বছৰীয়া সময়সীমাৰ ওৰ পৰিছিল। দুৰ্ভাগ্যজনকভাৱে ভাৰত চৰকাৰে প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণ ঘটোৱাৰ লক্ষ্যত উপনীত হোৱাত ব্যৰ্থতা প্ৰদৰ্শন কৰিছিল।

৮.৩.২ সংখ্যালঘু সম্প্ৰদায়ৰ শিক্ষালাভৰ অধিকাৰ

ভাৰতীয় সংবিধানৰ বহুকেইটা অনুচ্ছেদৰ জৰিয়তে সংখ্যালঘু সম্প্ৰদায়বোৰৰ শিক্ষালাভৰ অধিকাৰক সুৰক্ষা প্ৰদান কৰা হৈছে। অনুচ্ছেদকেইটা হ'ল- ২৯, ৩০, ৩৫০(A) আৰু ৩৫০(B)।

ভাৰতীয় সংবিধানৰ ২৯ নং অনুচ্ছেদত শিক্ষা লাভত সংখ্যালঘু সম্প্ৰদায়ক সুৰক্ষা প্ৰদানৰ পোষকতা কৰা হৈছে। অনুচ্ছেদটোত কোৱা হৈছে যে কোনো ব্যক্তিকে ধৰ্ম, জাতি, সম্প্ৰদায়, ভাষা নাইবা আন কোনো এনেধৰণৰ শিতানৰ অধীনত ৰাখি ৰাষ্ট্ৰই তদাৰক কৰা কোনো শিক্ষানুষ্ঠানে নামভৰ্তি কৰাৰ সুবিধা দিবলৈ অথবা কোনো ৰাষ্ট্ৰীয় শৈক্ষিক পুঁজিৰ পৰা সাহায্য প্ৰদান কৰিবলৈ অস্বীকাৰ কৰিব নোৱাৰিব।

২৯ নং অনুচ্ছেদৰ উপ-অনুচ্ছেদ (২) ৰ দ্বাৰা অনুসূচিত জাতি আৰু জনজাতি ধৰি সমাজৰ সকলো আৰ্থিক তথা সামাজিক দুৰ্বল সম্প্ৰদায়ৰ উন্নয়নক পৰ্যাপ্ত সুবিধা প্ৰদান কৰা হৈছে।

অনুচ্ছেদটোত ইয়াকো কোৱা হৈছে যে ভাৰতৰ চাৰিসীমাৰ ভিতৰত অথবা ইয়াৰ কোনো অংশত বসবাস

কৰা যিকোনো নাগৰিকৰ ভাগ, যিসকলৰ সুকীয়া ভাষা, আখৰ অথবা সংস্কৃতি আছে, তেওঁলোকে সেয়া সংৰক্ষিত ৰখাৰ অধিকাৰ পাব।

২৯ নং অনুচ্ছেদৰ প্ৰধান বৈশিষ্ট্যসমূহ হ'ল—

- ভাৰতৰ সকলো নাগৰিকৰ নিজৰ ভাষা আৰু সংস্কৃতি সংৰক্ষণ কৰাৰ অধিকাৰ আছে।
- ৰাষ্ট্ৰীয় পুঁজিৰ দ্বাৰা পৰিচালিত যিকোনো শিক্ষানুষ্ঠানতে নামভৰ্তি কৰিবলৈ ভাৰতৰ প্ৰতিগৰাকী নাগৰিকৰে অধিকাৰ আছে।
- ধৰ্ম, জাতি আৰু ভাষাৰ দৰে বিষয়ৰ ভিত্তিত কোনো ধৰণৰ বৈষম্য প্ৰদৰ্শন কৰা নহ'ব।
- সংবিধানে সমাজৰ আৰ্থিক আৰু সামাজিকভাৱে দুৰ্বল শ্ৰেণীসমূহৰ উন্নয়নৰ স্বাৰ্থক সুৰক্ষা প্ৰদান কৰিব।

ভাৰতীয় সংবিধানৰ ৩০ নং অনুচ্ছেদৰ জৰিয়তে দেশৰ সংখ্যালঘূ সম্প্ৰদায়সমূহক শিক্ষানুষ্ঠান পতা আৰু পৰিচালনা কৰাৰ অধিকাৰ দিয়া হৈছে।

অনুচ্ছেটোত কোৱা হৈছে যে ভাষা অথবা ধৰ্মভিত্তিক সকলো সংখ্যালঘূ সম্প্ৰদায়ে নিজ পচন্দ অনুসৰি শিক্ষানুষ্ঠান স্থাপন আৰু পৰিচালনা কৰাৰ অধিকাৰ লাভ কৰিব।

অনুচ্ছেদ ৩০ (১A) ত কোৱা হৈছে যে অনুচ্ছেদৰ উপ-অনুচ্ছেদ (১) ত উল্লেখ কৰাৰ দৰে কোনো সংখ্যালঘূ সম্প্ৰদায়ে স্থাপন আৰু পৰিচালনা কৰি থকা কোনো শিক্ষানুষ্ঠানৰ কোনো সম্পত্তি যদি বাধ্যতামূলকভাৱে বাজেয়াপ্ত কৰাৰ বাবে কোনো আইন প্ৰৱৰ্তন কৰা হয়, তেন্তে ৰাষ্ট্ৰই এনে সম্পত্তি অধিগ্ৰহণ কৰাৰ আগতে সংশ্লিষ্ট আইনখনৰ অধীনৰ সম্পত্তিৰ মূল্য এটা স্থিৰ কৰিব লাগিব আৰু সম্প্ৰদায়টোক সেই মূল্য পৰিশোধ কৰি উপ-অনুচ্ছেদত উল্লেখ থকা সংখ্যালঘূ সম্প্ৰদায়ৰ নিশ্চিত অধিকাৰসমূহ অক্ষুণ্ণ ৰাখিব লাগিব।

অনুচ্ছেদ ৩০ (২) ত কোৱা হৈছে যে ৰাষ্ট্ৰই শিক্ষানুষ্ঠান স্থাপনৰ মঞ্জুৰী প্ৰদান কৰাৰ সময়ত কোনো শিক্ষানুষ্ঠানকে ধৰ্মীয় অথবা ভাষিক সংখ্যালঘূ সম্প্ৰদায়ৰ পৰিচালনাৰ অধীন বুলি কোৱা বৈষম্য প্ৰদৰ্শন কৰিব নোৱাৰিব।

অনুচ্ছেদ ৩৫০(A) ত কোৱা হৈছে যে ৰাষ্ট্ৰ আৰু ৰাষ্ট্ৰৰ চাৰিসীমাৰ ভিতৰত থকা প্ৰতিটো স্থানীয় কৰ্তৃপক্ষই ভাষিক সংখ্যালঘূ সম্প্ৰদায়ৰ প্ৰতিটো শিশুক প্ৰাথমিক শিক্ষা প্ৰদান কৰাৰ সময়ত মাতৃভাষাত শিকন নিৰ্দেশনা প্ৰদান কৰিবলৈ যথোপযুক্ত সা-সুবিধা আগবঢ়াব লাগিব। এই সা-সুবিধাবোৰ যথোপযুক্তভাৱে আগবঢ়োৱাটো নিশ্চিত কৰিবলৈ ৰাষ্ট্ৰপতিয়ে প্ৰয়োজনীয় বিবেচনা কৰিলে যিকোনো ৰাজ্যলৈ এই নিৰ্দেশনা প্ৰেৰণ কৰিব পাৰিব।

অনুচ্ছেদ ৩৫০(B) ত ভাৰতৰ ৰাষ্ট্ৰপতিক ভাষিক সংখ্যালঘূ সম্প্ৰদায়বোৰৰ বাবে একোজনকৈ বিশেষ বিষয়া নিযুক্তি দিয়াৰ অধিকাৰ প্ৰদান কৰিছে। এই বিষয়াসকলে অনুচ্ছেদত উল্লেখ কৰা অধিকাৰ তথা সা-সুবিধাবোৰৰ উপযুক্ত কাৰ্যসম্পাদনৰ দিশটোত চকু ৰাখে।

৮.৩.৩ শিক্ষাত ধৰ্মনিৰপেক্ষতাৰ নীতি

ভাৰতীয় সংবিধানে কৈছে যে ভাৰত এখন সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক গণৰাজ্য। প্ৰথম অৱস্থাত দেশক কেৱল সাৰ্বভৌম গণতান্ত্ৰিক গণৰাজ্য বুলি কোৱা হৈছিল। ৪২ সংখ্যক সংবিধান সংশোধনৰ সময়ত ইয়াৰ সৈতে সমাজবাদী আৰু ধৰ্মনিৰপেক্ষ বৈশিষ্ট্য দুটা যোগ কৰা হৈছে। ভাৰতীয় সংবিধানে জীৱনৰ সকলো দিশতে ধৰ্মনিৰপেক্ষতাৰ নীতি অৱলম্বনৰ পোষকতা কৰে।

সংবিধানৰ ২৮ (১) অনুচ্ছেদত কোৱা হৈছে যে সম্পূৰ্ণৰূপে ৰাষ্ট্ৰৰ পুঁজিৰ দ্বাৰা পৰিচালিত কোনো শিক্ষানুষ্ঠানতে কোনো ধৰণৰ ধৰ্মীয় নিৰ্দেশনা প্ৰদান কৰিব পৰা নাযাব।

সংবিধানৰ ২৮ (২) অনুচ্ছেদত কোৱা হৈছে যে উপ-অনুচ্ছেদ (১) কেৱল সম্পূৰ্ণৰূপে ৰাষ্ট্ৰৰ দ্বাৰা পৰিচালিত শিক্ষানুষ্ঠানসমূহৰ ক্ষেত্ৰতহে প্ৰযোজ্য হ'ব। যিবোৰ শিক্ষানুষ্ঠান কোনো উদ্যম নাইবা ন্যাসৰ অধীনত স্থাপন কৰা হৈছে আৰু যিবোৰৰ বাবে ধৰ্মীয় নিৰ্দেশনা প্ৰদানৰ প্ৰয়োজন, সেইবোৰত ধৰ্মীয় নিৰ্দেশনা প্ৰদান কৰিব পৰা যাব।

অনুচ্ছেদ ২৮ (৩) ত কোৱা হৈছে যে যদি ৰাষ্ট্ৰৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত কোনো শিক্ষানুষ্ঠানত শিক্ষাগ্ৰহণ কৰি

থকা অথবা ৰাষ্ট্রই যোগান ধৰা পুঁজিৰ পৰা শৈক্ষিক সাহায্য লাভ কৰি থকা শিক্ষাৰ্থীয়ে কোনো ধর্মীয় নির্দেশনা প্রদানৰ অংশ হ'বলগীয়া হয় আৰু এনে অনুষ্ঠান ৰাষ্ট্রীয় সাহায্যপ্রাপ্ত শিক্ষানুষ্ঠান চৌহদত অথবা সংলগ্ন চৌহদতো পতা হয় আৰু শিক্ষাৰ্থী যদি নাবালক হয়, তেন্তে এই কামত অভিভাৱকৰ সন্মতি থাকিব লাগিব।

৮.৩.৪ সমাজৰ দুর্বল শ্রেণীৰ বাবে শিক্ষা

ভাৰতীয় সংবিধানে প্রণেতাসকলে অনুসূচিত জাতি আৰু সমাজৰ দুর্বল শ্রেণীৰ বাবে শিক্ষালাভৰ প্রয়োজনীয় ব্যৱস্থা গ্রহণৰ আৱশ্যকতা অনুভৱ কৰিছিল। ৰাষ্ট্রৰ উন্নতি সাধন কৰিবলৈ সমামজৰ প্রতিটো শ্রেণীৰ প্রতিগৰাকী নাগৰিকক শিক্ষালাভৰ সুযোগ দিয়াটো প্রয়োজন। গণতন্ত্র সুদৃঢ় কৰি তুলিবলৈও দেশৰ প্রতিগৰাকী নাগৰিকক শিক্ষালাভৰ সুযোগ দিব লাগিব। এই চিন্তাবোৰক বাস্তৱ ৰূপ দিবলৈ সংবিধানৰ ৪৬ নং অনুচ্ছেদত দেশৰ দুর্বল শ্রেণীৰ নাগৰিকৰ শিক্ষাৰ সুবিধা অন্তর্ভুক্ত কৰা হৈছে।

অনুচ্ছেদটোত অনুসূচিত জাতি, জনজাতি আৰু অন্য দুর্বল শ্রেণীৰ নাগৰিকৰ শৈক্ষিক তথা আর্থিক স্বার্থৰ পোষকতা কৰা হৈছে। অনুচ্ছেদটোত কোৱা হৈছে যে- 'ৰাষ্ট্রই সমাজৰ দুর্বল শ্রেণীৰ লোকসকলৰ শৈক্ষিক তথা আর্থিক স্বার্থসমূহৰ বিশেষ যত্নসহকাৰে পোষকতা কৰিব আৰু অনুসূচিত জাতি তথা জনজাতি সম্প্রদায়বোৰৰ বিশেষ যত্ন ল'ব তথা এনে সম্প্রদায়সমূহক বিশেষ অন্যায় আৰু সকলো ধৰণৰ বৈষম্যৰ পৰা সুৰক্ষিত কৰি ৰাখিব।'

৮.৩.৫ হিন্দী শিক্ষণ

ভাৰতীয় জাতীয় জীৱন আৰু জাতীয় সংহতিৰ হিন্দী ভাষাৰ বিকাশৰ সৈতে গভীৰ সম্পর্ক আছে। হিন্দীক ভাৰতৰ ৰাষ্ট্রীয় ভাষা বুলি গণ্য কৰা হয়। সেয়েহে ইয়াৰ বিকাশৰ পৃষ্ঠপোষকতাৰ কৰা হয়। এই উদ্দেশ্য সফল কৰি তুলিবলৈ ভাৰতীয় সংবিধানৰ ৩৫১ নং অনুচ্ছেদত হিন্দী ভাষাৰ পৃষ্ঠপোষকতাৰ কথা অন্তর্ভুক্ত কৰা হৈছে।

অনুচ্ছেদ ৩৫০ ত থকা বিশেষ নির্দেশাত্মক নীতিত কোৱা হৈছে যে হিন্দী ভাষাৰ বিকাশৰ বাবে ইয়াৰ প্রসাৰ আৰু পৃষ্ঠপোষকতা কৰাটো ৰাষ্ট্রৰ কর্তব্য যাতে ই দেশৰ সংমিশ্রিত সংস্কৃতিৰ সকলো উপাদানৰে অভিব্যক্তি প্রকাশৰ মাধ্যম হিচাপে কাম কৰিব পাৰে। হিন্দুস্তানী ভাষাৰ অসাধাৰণত্ব, ৰূপ, শৈলী আৰু অভিব্যক্তিসমূহৰ দ্বাৰা হস্তক্ষেপ নকৰাকৈয়ে এই সংমিশ্রিত সংস্কৃতিৰ লীনভৱন ঘটাই অষ্টম অনুসূচীত নির্দিষ্ট কৰি দিয়া অন্য ভাৰতীয় ভাষাবোৰ সমৃদ্ধ কৰি তোলাৰ অৱকাশ আছে। প্রয়োজন আৰু আগ্রহ সাপেক্ষে মুখ্যত সংস্কৃতত আৰু গৌণভাৱে আন ভাষাত ইয়াৰ শব্দভাণ্ডাৰ প্রস্তুত কৰিব পাৰি।

৮.৩.৬ চৰকাৰী ভাষা

ভাৰতীয় সংবিধানৰ ৩৪৬ আৰু ৩৪৭ অনুচ্ছেদৰ সুবিধামতে ৰাজ্যসমূহে চৰকাৰী ভাষা অথবা একাধিক চৰকাৰী ভাষা স্থিৰ কৰিব পাৰিব। সংবিধানৰ ৩৪৫ নং অনুচ্ছেদত এই কথা উল্লেখ কৰা হৈছে। কোনো ৰাজ্যৰ বিধায়িনীয়ে আইনৰ সহায়ত এটা অথবা একাধিক ভাষাক চৰকাৰী ভাষা হিচাপে গ্রহণ কৰিব পাৰে। নাইবা হিন্দী ভাষাক সকলো চৰকাৰী কামত ব্যৱহাৰ কৰাৰ সিদ্ধান্ত ল'ব পাৰে। নাইবা, আইনৰ দ্বাৰা কোনো নীতি-নিয়ম স্থিৰ কৰি নিদিয়া পর্যন্ত ৰাজ্যিক বিধায়িনীবোৰে সংবিধান গ্রহণ কৰাৰ আগৰে পৰা তাৎক্ষণিকভাৱে কাম-কাজত ব্যৱহাৰ কৰি থকা ইংৰাজী ভাষাটোকে চৰকাৰী ভাষাৰূপে বাহাল ৰাখিব পাৰে।

৮.৩.৭ মাতৃভাষাৰ স্থান

সংবিধানত নির্দেশনা প্রদানৰ মাধ্যম হিচাপে মাতৃভাষাৰ বিকাশৰ সুবিধা ৰখা হৈছে। জন্ম হৈয়ে শুনা আৰু পৰৱর্তী সময়ত মাতৃ-পিতৃৰ পৰা শিকা ভাষাটোৱে সাধাৰণ অর্থত মাতৃভাষা। শিশুৰ মৌলিক চিন্তা সামর্থ আৰু

অভিব্যক্তি প্ৰকাশৰ দক্ষতা বিকশিত কৰাত মাতৃভাষাই গুৰুত্বপূৰ্ণ ভূমিকা লয়। সংবিধানৰ ৩৫০ (A) অনুচ্ছেদত মাতৃভাষাৰ গুৰুত্ব আৰু বিকাশৰ কথা অন্তৰ্ভুক্ত কৰা হৈছে।

অনুচ্ছেদটোত কোৱা হৈছে যে - 'ভাষিক সংখ্যালঘু সম্প্ৰদায়বোৰৰ প্ৰতিটো শিশুকে প্ৰাথমিক শিক্ষালাভৰ পৰ্যায়টোত মাতৃভাষাত শিকন নিৰ্দেশনা প্ৰদান কৰিবলৈ পৰ্যাপ্ত সা-সুবিধা নিশ্চিত কৰাটো প্ৰতিখন ৰাজ্য তথা ৰাজ্যৰ অধীনস্থ প্ৰতিটো স্থানীয় কৰ্তৃপক্ষৰে দায়িত্ব। ৰাষ্ট্ৰপতিয়ে প্ৰয়োজন সাপেক্ষে যিকোনো ৰাজ্যকে এনে সা-সুবিধা উপলব্ধ কৰোৱাবলৈ অথবা সংবিধান প্ৰদত্ত সুবিধাসমূহ নিশ্চিত কৰিবলৈ নিৰ্দেশনা জাৰী কৰিব পাৰে।'

৮.৩.৮ উচ্চশিক্ষা আৰু গৱেষণা

ভাৰতীয় সংবিধানে অনুচ্ছেদ ৬২, ৬৩, ৬৪, ৬৫ আৰু ৬৬ ৰ জৰিয়তে উচ্চশিক্ষা আৰু গৱেষণামূলক কাম-কাজৰ বিকাশৰ বাবে নানা সুবিধা আগবঢ়াইছে। এই অনুচ্ছেদবোৰত কোৱা হৈছে যে উচ্চশিক্ষাৰ অনুষ্ঠান (HEIs) স্থাপন কৰি শিক্ষা আৰু গৱেষণাৰ উন্নয়ণ সাধন কৰিবলৈ সংসদে আৱশ্যকীয় আইন প্ৰস্তুত কৰিব পাৰিব।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ ভাৰতীয় সংবিধানৰ ..... অনুচ্ছেদত দেশৰ ৬-১৪ বছৰীয়া ল'ৰা-ছোৱালীক বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা দিয়াৰ কথা কোৱা হৈছে। (খালী ঠাই পূৰণ কৰক)

প্ৰশ্ন নং ২ঃ শিক্ষাৰ দিশেৰে সংখ্যালঘু সম্প্ৰদায়ক সুৰক্ষা দিয়াৰ কথা সংবিধানৰ কোনটো অনুচ্ছেদত কোৱা হৈছে?

প্ৰশ্ন নং ৩ঃ ভাৰতীয় সংবিধানৰ ৩০ নং অনুচ্ছেদত ..... ক শিক্ষানুষ্ঠান স্থাপন আৰু পৰিচালনা কৰাৰ অধিকাৰ দিয়া হৈছে। (খালী ঠাই পূৰণ কৰক)

প্ৰশ্ন নং ৪ঃ ভাৰতীয় সংবিধানে কৈছে যে ভাৰত এখন ..... আৰু ..... গণৰাজ্য। (খালী ঠাই পূৰণ কৰক)

প্ৰশ্ন নং ৫ঃ ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ৬২, ৬৪, ৬৫, আৰু ৬৬ ত .....আৰু গৱেষণা উন্নয়নৰ সুবিধাসমূহ অন্তৰ্ভুক্ত কৰা হৈছে।

৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতীয় সংবিধানখন বলবৎ কৰা হৈছিল।
- ভাৰতীয় সংবিধান প্ৰস্তুতকৰ্তাসকলে দেশত শিক্ষাৰ প্ৰসাৰ ঘটাবলৈ কিছুমান তাৎপৰ্যপূৰ্ণ সুবিধা সৃষ্টি কৰিছিল। ভাৰতৰ ৰাজনৈতিক, অৰ্থনৈতিক সামাজিক আৰু সাংস্কৃতিক প্ৰয়োজনীয়তাৰ সৈতে সংগতি ৰাখি সংবিধানত এই সুবিধাবোৰ অন্তৰ্ভুক্ত কৰা হৈছে।
- ভাৰতীয় সংবিধানত ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতি কিছুমান অন্তৰ্ভুক্ত কৰা হৈছে। এই নীতিসমূহৰ উল্লেখ থকা ৪৫ নং অনুচ্ছেদত কোৱা হৈছে - 'এই সংবিধান বলবৎ হোৱাৰ দহ বছৰৰ সময়সীমাৰ ভিতৰত ৰাষ্ট্ৰই ১৪ বছৰ সম্পূৰ্ণ নকৰালৈকে সকলোৰে বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা আগবঢ়োৱাৰ অভিযান চলাব লাগিব।'
- সংবিধানৰ ২৮ (১) অনুচ্ছেদত কোৱা হৈছে যে সম্পূৰ্ণৰূপে ৰাষ্ট্ৰৰ পুঁজিৰ দ্বাৰা পৰিচালিত কোনো শিক্ষানুষ্ঠানতে কোনো ধৰণৰ ধৰ্মীয় নিৰ্দেশনা প্ৰদান কৰিব পৰা নাযাব।
- ভাৰতীয় সংবিধানৰ ৩০ নং অনুচ্ছেৰ জৰিয়তে দেশৰ সংখ্যালঘু সম্প্ৰদায়সমূহক শিক্ষানুষ্ঠান পতা আৰু পৰিচালনা কৰাৰ অধিকাৰ দিয়া হৈছে।
- সংবিধানৰ ৪৬ নং অনুচ্ছেদত দেশৰ দুৰ্বল শ্ৰেণীৰ নাগৰিকৰ শিক্ষাৰ সুবিধা অন্তৰ্ভুক্ত কৰা হৈছে।

- ভাৰতীয় সংবিধানৰ ৩৫১ নং অনুচ্ছেদত হিন্দী ভাষাৰ পৃষ্ঠপোষকতাৰ কথা অন্তর্ভুক্ত কৰা হৈছে।
- সংবিধানৰ ৩৫০ (A) অনুচ্ছেদত মাতৃভাষাৰ গুৰুত্ব আৰু বিকাশৰ কথা অন্তর্ভুক্ত কৰা হৈছে।

৮.৫ অধিক জানিবলৈ

১) Aggarwal, J.C. (2005). *History of Modern Indian Education*. New Delhi: Vikas Publishing House Pvt.Ltd.

২) Dash, B.N. (2014). *History of Education in India*. New Delhi: Dominant Publishers and Distributors Pvt. Ltd.

৮.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ ৪৫ নং।

২ নং প্রশ্নৰ উত্তৰঃ ২৯ নং।

৩ নং প্রশ্নৰ উত্তৰঃ সংখ্যালঘূ।

৪ নং প্রশ্নৰ উত্তৰঃ সার্বভৌম, সমাজবাদী, ধর্মনিৰপেক্ষ, গণতান্ত্রিক।

৫ নং প্রশ্নৰ উত্তৰঃ উচ্চশিক্ষা।

৮.৭ আৰ্হি প্রশ্ন

ক) চুটি প্রশ্ন (প্রায় ১৫০ টা মান শব্দত উত্তৰ দিয়ক)

প্রশ্ন ১ঃ ভাৰতীয় সংবিধানৰ ২৯ নং অনুচ্ছেদৰ প্রধান বৈশিষ্ট্যসমূহ কি কি?

প্রশ্ন ২ঃ ভাৰতীয় সংবিধানৰ ২৮ নং অনুচ্ছেদত কি সুবিধাৰ উল্লেখ আছে?

প্রশ্ন ৩ঃ ভাৰতৰ দুর্বল শ্রেণীৰ নাগৰিকৰ বাবে থকা শিক্ষালাভৰ সাংবিধানিক সুবিধাবোৰৰ বিষয়ে চমুকৈ উল্লেখ কৰক।

খ) ৰচনাধর্মী প্রশ্ন (প্রায় ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

প্রশ্ন ১ঃ ভাৰতৰ সংবিধানত সন্নিবিষ্ট শিক্ষা সম্পর্কীয় সাংবিধানিক সুবিধাবোৰৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ঃ ভাৰতীয় সংবিধানৰ ২৮, ৪৬ আৰু ৩৫০ (A) অনুচ্ছেদকেইটা বর্ণনা কৰক।

প্রশ্ন ৩ঃ ভাৰতীয় সংবিধানৰ ৪৫ নং অনুচ্ছেদৰ তাৎপর্য আলোচনা কৰক।

*** ***** ***

অধ্যায় ৯ ঃ স্বাধীনোত্তৰ যুগত ভাৰতত হোৱা শিক্ষাৰ বিকাশ-II (বিশ্ববিদ্যালয় শিক্ষা আয়োগ, ১৯৪৮ আৰু উচ্চতৰ মাধ্যমিক শিক্ষা আয়োগ, ১৯৫২-৫৩)

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ বিশ্ববিদ্যালয় শিক্ষা আয়োগ, ১৯৪৮
  ৯.৩.১ বিশ্ববিদ্যালয় শিক্ষাৰ লক্ষ্য
  ৯.৩.২ আয়োগৰ পৰামৰ্শাৱলী
  ৯.৩.৩ আয়োগৰ পৰামৰ্শাৱলীৰ মূল্যায়ন
৯.৪ উচ্চতৰ মাধ্যমিক শিক্ষা আয়োগ, ১৯৫২-৫৩
  ৯.৪.১ উচ্চতৰ মাধ্যমিক শিক্ষা আয়োগৰ লক্ষ্য
  ৯.৪.২ আয়োগৰ পৰামৰ্শাৱলী
  ৯.৪.৩ আয়োগৰ পৰামৰ্শাৱলীৰ মূল্যায়ন
৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৬ অধিক জানিবলৈ
৯.৭ অগ্রগতিৰ খতিয়ান
৯.৮ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- স্বাধীনোত্তৰ যুগত বিশ্ববিদ্যালয় পর্যায়ৰ শিক্ষাৰ বাবে গঠন কৰা আয়োগখনৰ বিষয়ে বিশ্লেষণ কৰিব পাৰিব
- আয়োগৰ উল্লেখযোগ্য সংজ্ঞাসমূহ চিনাক্ত কৰিব পাৰিব
- উচ্চশিক্ষাৰ বিভিন্ন দিশত আয়োগে আগবঢ়োৱা পৰামৰ্শাৱলী ব্যাখ্যা কৰিব পাৰিব
- আয়োগৰ প্ৰতিবেদনখনৰ সমালোচনাত্মক মূল্যায়ন কৰিব পাৰিব
- ১৯৫২ চনত গঠন কৰা উচ্চতৰ মাধ্যমিক শিক্ষা আয়োগৰ বিষয়ে আলোচনা কৰিব পাৰিব
- আয়োগৰ উল্লেখযোগ্য সংজ্ঞাসমূহ বিশ্লেষণ কৰিব পাৰিব
- আয়োগৰ লক্ষ্যসমূহ বিশ্লেষণ কৰিব পাৰিব
- উচ্চতৰ মাধ্যমিক পর্যায়ৰ শিক্ষা সন্দর্ভত আয়োগে আগবঢ়োৱা পৰামৰ্শাৱলী বিশ্লেষণ কৰিব পাৰিব
- আয়োগৰ পৰামৰ্শাৱলীৰ প্ৰভাৱ আলোচনা কৰিব পাৰিব।

৯.২ পৰিচয়

এই অধ্যায়টো হ'ল স্বাধীনোত্তৰ যুগত ভাৰতত হোৱা শিক্ষাৰ উন্নয়ন আৰু অগ্রগতি বিষয়ক আলোচনাৰ দ্বিতীয় ভাগ। প্রথম ভাগটোত আমি ভাৰতীয় সংবিধানত সন্নিৱিষ্ট শিক্ষা বিস্তাৰৰ বিভিন্ন সুবিধা সম্বলিত অনুচ্ছেদবোৰ আলোচনা কৰিছো। আলোচনাকালত এই সুবিধাসমূহৰ তাৎপর্য সম্পর্কেও আমি অৱগত হৈছো। এই অধ্যায়ত

১৯৪৮ চনত গঠিত বিশ্ববিদ্যালয় শিক্ষা আয়োগ আৰু ১৯৫২-৫৩ চনৰ উচ্চতৰ মাধ্যমিক শিক্ষা আয়োগৰ আলোচনাত মনোনিৱেশ কৰা হ'ব। দুয়োখন আয়োগ গঠনৰ আৱশ্যকতা, আয়োগৰ পৰামৰ্শাৱলীৰ বহল বিশ্লেষণ আৰু আয়োগ দুখনৰ প্ৰাসংগিকতাৰ আলোচনাক অধ্যায়টিত স্থান দিয়া হৈছে।

৯.৩ বিশ্ববিদ্যালয় শিক্ষা আয়োগ, ১৯৪৮

১৯৪৭ চনত ভাৰতে স্বাধীনতা লাভ কৰা পাছত চৰকাৰে শিক্ষা খণ্ডৰ বিকাশ আৰু অগ্ৰগতিৰ বাবে হাতত লোৱা প্ৰথম কামবোৰৰ এটা আছিল বিশ্ববিদ্যালয় শিক্ষা আয়োগ গঠন। উচ্চ শিক্ষা ব্যৱস্থাটোক নতুন ৰূপ দিয়াৰ প্ৰথম প্ৰচেষ্টা হিচাপে ১৯৪৮ চনত এই আয়োগ গঠন কৰা হৈছিল। বিদগ্ধ পণ্ডিত-দাৰ্শনিক ড° সৰ্ৱেপল্লী ৰাধাকৃষ্ণন আছিল এই আয়োগৰ অধ্যক্ষ। বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° ৰাধাকৃষ্ণনে পাছত ভাৰতৰ দ্বিতীয়গৰাকী ৰাষ্ট্ৰপতি হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁৰ সুনাম আৰু খ্যাতিৰ প্ৰতি সন্মান জনাই বিশ্ববিদ্যালয় শিক্ষা আয়োগখনক ৰাধাকৃষ্ণন আয়োগ নামেৰেও উল্লেখ কৰা হয়। চৰকাৰে বিচাৰিছিল আয়োগে দেশত উচ্চশিক্ষাৰ মান উন্নত আৰু এই শিক্ষা সম্প্ৰসাৰণ কৰাৰ বাবে সময় অনুকূল আৰু ভৱিষ্যদৰ্শী দিহা-পৰামৰ্শ আগবঢ়াওক। ১৯৪৮ চনৰ ৬ ডিচেম্বৰৰ পৰা ৰাধাকৃষ্ণন আয়োগে কাম আৰম্ভ কৰিছিল আৰু ১৯৪৯ চনৰ আগষ্ট মাহত নিজৰ প্ৰতিবেদন দাখিল কৰিছিল। স্বাধীনোত্তৰ ভাৰতৰ বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষাৰ বিকাশত এই আয়োগৰ পৰামৰ্শাৱলীক তাৎপৰ্যপূৰ্ণ দিক্-নিৰ্দেশক বুলি গণ্য কৰা হয়।

বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ সদস্যসকল

অধ্যক্ষ ঃ ড° সৰ্ৱেপল্লী ৰাধাকৃষ্ণন

সদস্য ঃ

- ড° তাৰাচন্দ, সচিব আৰু শিক্ষা উপদেষ্টা, ভাৰত চৰকাৰ
- ছাৰ জেমচ্ এফ. ডাফ, উপাচাৰ্য, ডাৰ্হাম বিশ্ববিদ্যালয়
- ড° জাকিৰ হুছেইন, উপাচাৰ্য, আলিগড় মুছলিম বিশ্ববিদ্যালয়
- ড° আৰ্থাৰ মাৰ্গান, প্ৰাক্তন সভাপতি, এণ্টিঅ'ক ক'লেজ
- ড° এ. লক্ষ্মণস্বামী মুডালিয়াৰ, উপাচাৰ্য, মাদ্ৰাজ বিশ্ববিদ্যালয়
- ড° মেঘনাদ সাহা, ডীন, বিজ্ঞান বিভাগ, কলিকতা বিশ্ববিদ্যালয়
- ড° কৰ্ম নাৰায়ণ ভাল, জীৱবিজ্ঞান বিভাগৰ অধ্যাপক, লক্ষ্ণৌ বিশ্ববিদ্যালয়
- ড° জন জে. টিগাট, আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰাক্তন শিক্ষাযুক্ত আৰু ফ্লৰিডা বিশ্ববিদ্যালয়ৰ প্ৰেচিডেন্ট এমেৰিটাচ
- শ্ৰী নিৰ্মল কুমাৰ সিদ্ধান্ত, ইংৰাজী বিষয়ৰ অধ্যাপক আৰু ডীন, কলা শাখা, লক্ষ্ণৌ বিশ্ববিদ্যালয়, সদস্য সচিব।

আয়োগৰ পৰামৰ্শদান ক্ষমতা

আয়োগৰ অধ্যক্ষক তলত উল্লেখ কৰা কথাবোৰ বিবেচনা কৰি যথোপযুক্ত পৰামৰ্শ আগবঢ়োৱাৰ কৰ্তৃত্ব দিয়া হৈছিল-

- ভাৰতত বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষা আৰু গৱেষণাৰ লক্ষ্য উদ্দেশ্য নিৰ্দ্ধাৰণ।
- সংবিধানত অন্তৰ্ভুক্ত সুবিধা-নিয়ম সলনি কৰাৰ আৱশ্যকতা আৰু বাঞ্ছনীয়তা বিবেচনা কৰি দিয়া পৰামৰ্শ, ভাৰতত বিশ্ববিদ্যালয়সমূহৰ নিয়ন্ত্ৰণ, কাৰ্যসম্পাদন আৰু ন্যায়িক অধিকাৰক্ষেত্ৰৰ সীমা নিৰূপণ, ভাৰত চৰকাৰ আৰু প্ৰাদেশিক চৰকাৰবোৰৰ সৈতে বিশ্ববিদ্যালয়ৰ সম্পৰ্কৰ ৰেহৰূপ নিৰ্দ্ধাৰণ।
- বিশ্ববিদ্যালয়সমূহৰ বিত্তীয় দিশটোৰ ৰূপৰেখা তৈয়াৰকৰণ।
- বিশ্ববিদ্যালয় আৰু ইয়াৰ অধীনস্থ মহাবিদ্যালয়সমূহত শিক্ষা আৰু পৰীক্ষা অনুস্থিত কৰাৰ সৰ্বোত্তম মান বৰ্তাই ৰখাৰ নিয়ম নিৰ্দ্ধাৰণ।

- বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিব পৰা পাঠ্যক্ৰম আৰু তাৰ সময় সীমা নিৰ্দ্ধাৰণ।
- বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমসমূহত নামভৰ্তি কৰাৰ মান নিৰূপণ, স্বতন্ত্ৰ বিশ্ববিদ্যালয় প্ৰৱেশ পৰীক্ষা পতাৰ প্ৰয়োজনীয়তা সম্পৰ্কীয় দিহা-পৰামৰ্শ, সংবিধানৰ ২৩ (২) নং অনুচ্ছেদত থকা নাগৰিকৰ মৌলিক অধিকাৰসমূহ খৰ্ব কৰিব পৰা যিকোনো অন্যায়পূৰ্ণ বৈষম্য প্ৰতিৰোধৰ ব্যৱস্থা নিৰ্দ্ধাৰণ।
- বিশ্ববিদ্যালয়সমূহৰ শৈক্ষিক নিৰ্দেশনা প্ৰদানৰ মাধ্যম স্থিৰকৰণ।
- ভাৰতীয় সংস্কৃতি, ইতিহাস, সাহিত্য, ভাষা, দৰ্শন আৰু বিত্ত বিষয়ক উচ্চতম অধ্যয়ন কৰাৰ সুবিধা সৃষ্টিকৰণ।
- আঞ্চলিক অথবা আন কোনো পদ্ধতিৰে অধিক বিশ্ববিদ্যালয় স্থাপনৰ আৱশ্যকতা চিনাক্তকৰণ।
- প্ৰচেষ্টা আৰু সমলৰ অপচয় এৰাই চলিবলৈ বিশ্ববিদ্যালয় তথা অন্য উচ্চতৰ গৱেষণা প্ৰতিষ্ঠানসমূহত জ্ঞানৰ সকলো শাখাতে অগ্ৰণী গৱেষণাৰ বিভাগ স্থাপন।
- বিশ্ববিদ্যালয়সমূহে দিব পৰা ধৰ্মীয় নিৰ্দেশনা স্থিৰকৰণ।
- দিল্লী, আলিগড় মুছলিম আৰু বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ বিশেষ সমস্যাসমূহৰ সমাধান।
- শিক্ষকৰ অৰ্হতা, সেৱাৰ চর্ত, দৰমহাৰ নিৰিখ, সা-সুবিধা আৰু কার্য নিৰ্দ্ধাৰণ তথা মৌলিক গৱেষণাৰ বাবে শিক্ষকসকলক উদ্‌গনি যোগোৱাৰ ব্যৱস্থা স্থিৰকৰণ।
- শিক্ষার্থী, ছাত্ৰাৱাস-ছাত্ৰীৱাসৰ লগতে শিক্ষণ কার্যত জড়িত অনুষ্ঠানসমূহৰ শৃংখলাৱদ্ধতা বর্তাই ৰখাৰ ব্যৱস্থা প্ৰৱর্তন। ভাৰতত বিশ্ববিদ্যালয় শিক্ষা আৰু অগ্ৰণী গৱেষণাৰ বিকাশ সম্ভৱ কৰি তুলিব পৰা সকলো দিশৰ সম্পূৰ্ণ তথা বিস্তৃত অনুসন্ধান কৰা।

৯.৩.১ বিশ্ববিদ্যালয় শিক্ষাৰ লক্ষ্য

ৰাধাকৃষ্ণন আয়োগৰ ভাষাত বিশ্ববিদ্যালয়ৰ কাম হ'ল 'শিকনৰ প্ৰসাৰ ঘটোৱা, নতুন জ্ঞানৰ অনুসন্ধানৰ মাত্ৰা বৃদ্ধি কৰা, জীৱনৰ অর্থ উদ্‌ঘাটনৰ প্ৰয়াস অবিৰত কৰি ৰখা আৰ সমাজৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ বৃত্তিজীৰি শিক্ষাৰ সুবিধা আগবঢ়োৱা।'

এই আটাইবোৰ কথাক বাস্তৱ ৰূপ দিবলৈ আয়োগে তলত উল্লেখ কৰা লক্ষ্য-উদ্দেশ্যসমূহক বিশ্ববিদ্যালয়ৰ শিক্ষাৰ সৈতে সংলগ্ন কৰিছিল।

- **অর্থৱহ জীৱন ঃ** ৰাধাকৃষ্ণন আয়োগৰ মতে বিশ্ববিদ্যালয় শিক্ষাৰ লক্ষ্য হ'ল জীৱন সম্পর্কে শিক্ষাদান কৰা। বিশ্ববিদ্যালয়ৰ শিক্ষার্থীয়ে এয়া জনাতো অত্যন্ত গুৰুত্বপূৰ্ণ যে জীৱনৰ একোটা অর্থ আছে। বিশ্ববিদ্যালয়ৰ শিক্ষার্থীক জীৱনৰ অর্থ সম্পর্কে শিকাব লাগিব আৰু তেওঁলোকে কৰা সকলো কামৰে অর্থ উলিওৱাত সহায় কৰিব লাগিব।
- **সাংস্কৃতিক ঐতিহ্য বর্তাই ৰখাৰ দায়িত্ব ঃ** মানুহে নিজৰ অতীত অহৰহ পুনঃ আৱিষ্কাৰ আৰু পুনঃনবীকৰণ কৰি থকাটোৱেই হ'ল আধ্যাত্মিক আপডালৰ প্ৰধান উৎস। নিজৰ সাংস্কৃতিক পৃষ্ঠভূমিক বাদ দি কোনো সমাজে উপযুক্ত ধৰণে বিকশিত হ'ব নোৱাৰে। ইয়াৰ বাবে উচ্চতম পর্যায়ৰ শিক্ষাবোৰৰ আর্হি এনে হ'ব লাগে যিটোৱে দেশৰ সাংস্কৃতিক ঐতিহ্য অহৰহ পুনঃসৃষ্টি কৰি থাকিব পাৰে। ভাৰতীয় শিক্ষাৰ আর্হিয়ে কেৱল পশ্চিমীয়া সংস্কৃতি, বিজ্ঞান আৰু সাহিত্যক ইয়াৰ আধাৰ কৰি লোৱা অনুচিত।
- **সামাজিক ফলপ্ৰসূতা ঃ** বিশ্ববিদ্যালয় শিক্ষাৰ আন এক তাৎপর্যপূৰ্ণ লক্ষ্য হ'ল সামাজিক ফলপ্ৰসূতাৰ বিকাশ সাধন কৰা। দেশৰ শিক্ষা ব্যৱস্থাই সামাজিক ক্ৰমত নিহিত লক্ষ্যসমূহৰ পৰাই নিজৰ দিক্‌-নির্দেশক নীতিসমূহ বিচাৰি উলিয়াব লাগিব। কাৰণ, এই সামাজিক ক্ৰমক আগবঢ়াই নিবলৈকে ই শিক্ষার্থীক প্ৰস্তুত কৰি তুলিব। শিক্ষাই শিক্ষার্থীক গণতান্ত্ৰিক উপায়েৰে জীৱন যাপন কৰাৰ প্ৰশিক্ষণ দিয়াৰ লক্ষ্য বান্ধি ল'ব লাগিব। বিশ্ববিদ্যালয়মূহে গণতন্ত্ৰৰ ভেটি সবল কৰিব লাগিব আৰু শিক্ষার্থীৰ উৎকর্ষ সাধন, ভ্ৰাতৃত্ববোধৰ উদ্ৰেক তথা সামাজিক ন্যায় স্থাপনৰ জৰিয়তে শিক্ষার্থীৰ মনত গণতন্ত্ৰৰ ধাৰণা সুদৃঢ় কৰাৰ স্পৃহা জগাই তুলিব

লাগিব। এই সকলোবোৰ কাম দেশৰ সংহতি বৰ্তাই ৰাখি আগবঢ়াই নিব লাগিব।

- **নেতৃত্বৰ প্ৰশিক্ষণ ঃ** বিশ্ববিদ্যালয় শিক্ষাৰ আন এটা গুৰুত্বপূৰ্ণ লক্ষ্য হ'ল বৃত্তিমূলক আৰু ৰাজহুৱা জীৱনৰ বাবে শিক্ষাৰ্থীক নেতৃত্বৰ প্ৰশিক্ষণ দিয়া। পুৰুষ-মহিলা উভয়কে জ্ঞানী নেতা হোৱাৰ প্ৰশিক্ষণ দিয়াটো হ'ল বিশ্ববিদ্যালয়ৰ কাম। বিশ্ব সাহিত্যত ব্যক্ত কৰা মানৰ অভিজ্ঞতাৰ খতিয়ানবোৰ অন্তৰ্দৃষ্টি সহকাৰে পঢ়িব পৰাকৈ বিশ্ববিদ্যালয়ে যুৱক-যুৱতীক সক্ষম কৰি তুলিব লাগিব। তেওঁলোকে নৈতিক প্ৰমূল্যসমূহৰ প্ৰকৃতি আৰু ফলাফল সম্পৰ্কে জানিব লাগিব, বৰ্তমানৰ পৃথিৱীখনত সক্ৰিয় হৈ থকা সামাজিক শক্তিবোৰৰ অৰ্থ বুজি পাব লাগিব আৰু জগতৰ জটিলতা উপলব্ধি কৰিব লাগিব।
- **চৰিত্ৰ গঠন ঃ** বিশ্ববিদ্যালয়ৰ শিক্ষাৰ লক্ষ্য হ'ল বিভিন্ন ক্ষেত্ৰত ৰাষ্ট্ৰীয় দায়িত্ব সফলতাৰে পালন কৰিব পৰা সক্ষম নাগৰিক সৃষ্টি কৰা। বিশ্ববিদ্যালয়ৰ শিক্ষাই মানুহক নিৰ্ভীক, সচেতন আৰু উদ্দেশ্য সিদ্ধিত সংহতি বৰ্তাই ৰাখিব পৰা কৰি তুলিব লাগিব।
- **অন্তৰ্নিহিত সামৰ্থ জগাই তোলা ঃ** শিক্ষাই ব্যক্তিৰ অন্তৰ্নিহিত সামৰ্থ জগাই তোলাৰ ক্ষেত্ৰত আহিলা হিচাপে কাম কৰিব লাগিব। যাতে দেশৰ যুৱ সমাজে বিকাশশীল জ্ঞানৰ গৰাকী হৈ একোটা অৰ্থবহ জীৱন যাপন কৰি পাৰে। শিক্ষিত সমাজে নতুন আৱিষ্কাৰ আৰু উদ্ভাৱনৰ জৰিয়তে সমাজক শক্তিশালী আৰু ক্ষমতাশালী কৰি তুলিব লাগিব।
- **বৌদ্ধিক অভিযান ঃ** আমি অতীতৰ সৰ্বাংগসুন্দৰ ৰূপটোৰ প্ৰতি থকা মাৰাত্মক আসক্তি পৰিহাৰ কৰিব লাগিব, বৰ্তমানত যিবোৰ কথা আৰু কামে আমাক মহত্বৰ অধিকাৰী নকৰে তেনে কথা বাদ দিব লাগিব, ইতিমধ্যে কৰা কামবোৰকে বাৰে বাৰে কৰাৰ প্ৰৱণতা ত্যাগ কৰিব লাগিব আৰু বিশ্বৰ ভৱিষ্যৎ যুগবোৰক অতীতৰ অন্ধ অনুসৰণৰ ফল কৰি তোলা সকলো কথা বাদ দিব লাগিব। বিশ্ববিদ্যালয়সমূহ নতুন বৌদ্ধিক অন্বেষণ অভিযানৰ উৎস হোৱা উচিত।
- **জীৱন যাপনৰ সংহত পথ প্ৰদৰ্শনকাৰী ঃ** প্ৰাচ্য আৰু পাশ্চাত্যৰ সকলো শিক্ষাবিদ আৰু চিন্তাবিদে মানি লৈছে যে সকলো শৈক্ষিক অভিযানৰে উদ্দেশ্য হ'ল মানুহক ব্ৰহ্মাণ্ডৰ এক সংগতিপূৰ্ণ ছবি বুজাত সহায় কৰা আৰু জীৱন যাপনৰ সংহত পথ একোটা প্ৰদৰ্শন কৰা।
- **বৃত্তিমুখী আৰু বৃত্তিজীৱি প্ৰশিক্ষণ প্ৰদানকাৰী ঃ** বিশ্ববিদ্যালয় শিক্ষাৰ এটা প্ৰধান লক্ষ্য হ'ল যুৱক-যুৱতীক বৃত্তিমুখী (Vocational) আৰু বৃত্তিজীৱি (Professional) প্ৰশিক্ষণেৰে শিক্ষিত কৰি তোলা।
- **শিক্ষাৰ্থীৰ স্ব-বিকাশ ঘটোৱা ঃ** শিক্ষাৰ লক্ষ্য শিক্ষাৰ্থীৰ স্ব-বিকাশ সাধন কৰাটো হোৱা উচিত। স্ব-বিকাশৰ পথেৰে আগবঢ়া শিক্ষাৰ্থীয়ে উৎকৰ্ষ সাধনৰ প্ৰয়াস কৰাৰ বাবে প্ৰয়োজনীয় দিক্-নিৰ্দেশনা পোৱা উচিত। ব্যক্তিৰ স্ব-বিকাশ সাধন কৰি বিশ্ববিদ্যালয়সমূহে কাৰ্যদক্ষ প্ৰশাসক আৰু বিভিন্ন ক্ষেত্ৰত যোগ্য কৰ্মী উৎপন্ন কৰিব লাগে।

অৰ্থাৎ, বিশ্ববিদ্যালয়সমূহে শিক্ষাৰ্থীক সঠিক দিশেৰে আগবাঢ়ি যাব পৰাকৈ শিক্ষিত কৰি তোলা উচিত। শিক্ষাৰ উপযুক্ত সা-সুবিধা গঢ়ি তুলি বৃহৎ সংখ্যক লোকক শিক্ষিত কৰি তোলাৰ দায়িত্ব বিশ্ববিদ্যালয়সমূহে পালন কৰে। আমি এই কাৰ্যৰ জৰুৰী দিশটো সম্পৰ্কে সোনকালে সজাগ হোৱা উচিত। এই কাৰ্যক বাস্তৱ ৰূপ দিবলৈ ইচ্ছা আৰু সাহসৰ লগতে সম্পূৰ্ণ দায়ৱদ্ধতাৰ প্ৰয়োজন।

৯.৩.২ আয়োগৰ পৰামৰ্শৱলী

ৰাধাকৃষ্ণন আয়োগে বিশ্ববিদ্যালয় শিক্ষা সন্দৰ্ভত নিজৰ পৰামৰ্শ আগবঢ়োৱাৰ আগতে সমগ্ৰ দেশৰ বিশ্ববিদ্যালয় শিক্ষাৰ পৰিস্থিতিটো নিজাববীয়াকৈ অধ্যয়ন কৰিছিল। ইয়াৰ বাবে আয়োগৰ সদস্যসকলে সমগ্ৰ ভাৰত ভ্ৰমণ কৰিছিল আৰু বিভিন্ন বিশ্ববিদ্যালয়ৰ পৰা স্মাৰক পত্ৰ গ্ৰহণ কৰিছিল। এই স্মাৰক পত্ৰসমূহে আয়োগৰ বাবে সঁহাৰিৰ ভূমিকা লৈছিল আৰু ইয়াৰ ভিত্তিতে বিশ্ববিদ্যালয় শিক্ষাৰ বিভিন্ন দিশৰ বাবে পৰামৰ্শ যুগুত কৰা হৈছিল। সমিতিৰ প্ৰধান পৰামৰ্শাৱলী আছিল এনেধৰণৰ -

- **পাঠ্যক্রমৰ সময়সীমা ঃ** ৰাধাকৃষ্ণন আয়োগে পৰামর্শ দিছিল যে ইণ্টাৰমিডিয়েট পর্যায় পাৰ হোৱাৰ পাছতেই বিশ্ববিদ্যালয় পর্যায়ৰ শিক্ষা আৰম্ভ হোৱা উচিত। এই শিক্ষাৰ সময়সীমা তিনি বছৰীয়া কৰাৰ কথা কোৱা হৈছিল। আয়োগে বিদ্যালয় পর্যায়ৰ শিক্ষা ১২ বছৰীয়া আৰু বিশ্ববিদ্যালয় পর্যায়ৰ শিক্ষা ৩ বছৰীয়া কৰাৰ পোষকতা কৰিছিল। ১৯১৭-১৯ চনত সক্রিয় হৈ থকা চেড্‌লাৰ আয়োগেও একে পৰামর্শই আগবঢ়াইছিল।
- **বিশ্ববিদ্যালয় শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য ঃ** ৰাধাকৃষ্ণন আয়োগৰ মতে বিশ্ববিদ্যালয়সমূহৰ কাম হ'ল 'সমাজৰ আৱশ্যকতাসমূহ পূৰাবলৈ শিকন সম্প্রসাৰিত কৰা, জ্ঞানৰ অন্বেষণ বৃদ্ধি কৰা, জীৱনৰ অর্থ বাহিৰ কৰিবলৈ অহৰহ প্রয়াস কৰি যোৱা আৰু বৃত্তিজীৰি শিক্ষাৰ সা-সুবিধা গঢ়ি যোৱা।' এইবোৰ কথা বাস্তৱ কৰিবলৈ আয়োগে বিশ্ববিদ্যালয় শিক্ষাৰ তলত দিয়া লক্ষ্য-উদ্দেশ্যসমূহ নির্দ্ধাৰণ কৰি দিছিল।
  - শিক্ষার্থীক অর্থ আছে বুলি শিকোৱা
  - শিক্ষার্থীৰ জ্ঞান বিকশিত কৰি আত্মিক জীৱন যাপনৰ অন্তর্নিহিত সামর্থ জগাই তোলা
  - শৈক্ষিক, অর্থনৈতিক আৰু সামাজিককে ধৰি সকলো প্রকাৰৰ অনুষ্ঠান-প্রতিষ্ঠানক নিয়ন্ত্রণ কৰিব পৰা সামাজিক দর্শনৰ সৈতে শিক্ষার্থীক পৰিচিত কৰা
  - গণতন্ত্র বর্তাই ৰখাৰ বাবে শিক্ষার্থীক প্রশিক্ষণ দিয়া
  - স্ব-বিকাশৰ প্রশিক্ষণ দিয়া
  - নির্ভীকতা, বিবেকৰ শক্তি আৰু উদ্দেশ্যৰ সংহতিৰ দৰে কিছুমান বিশেষ প্রমূল্য বিকশাই তোলা
  - পুনঃনবীনকৰণ ঘটাব পৰাকৈ সাংস্কৃতিক ঐতিহ্যৰ সৈতে চিনাকী কৰাই দিয়া
  - শিক্ষা যে এটা জীৱনজোৰা প্রক্রিয়া সেয়া শিক্ষার্থীক বুজি উঠাত সহায় কৰা
  - অতীত আৰু বর্তমান সম্পর্কে আকলন বিকশিত কৰা
  - বৃত্তিমুখী আৰু বৃত্তিজীৰি প্রশিক্ষণ প্রদান কৰা।
- **শিক্ষাকবৃন্দ ঃ** আয়োগৰ মতে বিশ্ববিদ্যালয় শিক্ষাত চাৰি প্রকাৰৰ শিক্ষক থকা উচিত- অধ্যাপক, ৰীডাৰ, প্রবক্তা আৰু শৈক্ষিক নির্দেশনা দিওঁতা নির্দেশক। আয়োগে এই পদবোৰৰ পদোন্নতিত কেৱল মেধাক আধাৰ কৰি লোৱাৰ পৰামর্শ দিছিল।
- **শিক্ষণৰ মান ঃ** বিশ্ববিদ্যালয় শিক্ষা আয়োগে ভাৰতীয় বিশ্ববিদ্যালয়সমূহৰ শিক্ষণৰ মান উন্নত কৰিবলৈ বহুকেইটা দিশ পর্যবেক্ষণ কৰি কিছুমান পৰামর্শ আগবঢ়াইছিল। সেইবোৰ হ'ল-
  - দেশৰ প্রতিখন প্রদেশতে যথেষ্ট সংখ্যক উপযুক্ত সা-সুবিধা থকা ইণ্টাৰমিডিয়েট মহাবিদ্যালয় স্থাপন কৰিব লাগিব।
  - ১০ নাইবা ১২ বছৰীয়া বিদ্যালয় পর্যায়ৰ শিক্ষা সাং কৰা শিক্ষার্থীক নানা বৃত্তিমুখী প্রশিক্ষণ দিব পৰাকৈ দেশত বুজন সংখ্যক বৃত্তিমুখী শিক্ষানুষ্ঠান স্থাপন কৰিব লাগিব।
  - উচ্চ মাধ্যমিক আৰু ইণ্টাৰমিডিয়েট মহাবিদ্যালয় স্তৰৰ শিক্ষকৰ বাবে বিশ্ববিদ্যালয়সমূহে নিয়মীয়াকৈ বিফ্রেছাৰ পাঠ্যক্রমৰ আয়োজন কৰিব লাগিব।
  - আয়োগে পৰামর্শ দিছিল যে বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহত মাত্রাধিক শিক্ষার্থী থাকিব নালাগে। সেয়েহে বিশ্ববিদ্যালয় পর্যায়ত কলা আৰু বিজ্ঞান শাখাত সর্বাধিক ৩০০০ শিক্ষার্থী আৰু বিশ্ববিদ্যালয়ৰ দ্বাৰা স্বীকৃত মহাবিদ্যালয়সমূহত সর্বাধিক ১৫০০ শিক্ষার্থী থকা উচিত।
  - আয়োগে বিশ্ববিদ্যালয়ৰ শৈক্ষিক দিনৰ সংখ্যা বছৰি ন্যূনতম ১৮০ দিন কৰাৰ পৰামর্শ দিছিল। ইয়াত পৰীক্ষাৰ দিনকেইটা ধৰা হোৱা নাছিল। তিনিবছৰীয়া শিক্ষাৰ তিনিটা পৰীক্ষাৰ বাবে প্রায় ১১ সপ্তাহৰ সময় ধার্য কৰাৰ কথা কোৱা হৈছিল।
  - আয়োগে শৈক্ষিক বক্তৃতাসমূহ সাৱধানে পৰিকল্পনা কৰিবলৈ, এইবোৰৰ সৈতে প্রয়োজনীয় টিউট'ৰিয়েল দিহা-পৰামর্শ, গ্রন্থাগাৰভিত্তিক কাম-কাজ আৰু লিখিত অনুশীলন যোগ দিয়াৰ পৰামর্শ দিছিল।
  - আয়োগে কোনো বিষয়ৰ পাঠ্যক্রমৰ বাবে নির্ধাৰিত পাঠ্যপুথি নৰখাৰ পৰামর্শ দিছিল।

- বৰ্তমান সময়ৰ বাবে প্ৰাক্-স্নাতক পৰ্যায়ৰ শিক্ষাৰ্থীৰ বাবে বক্তৃতা শ্ৰেণীত উপস্থিত থকাটো বাধ্যতামূলক কৰা হৈছিল। ব্যক্তিগত পৰীক্ষাৰ্থীসকলে মাত্ৰ কেইটামান বিষয়তহে ৰাজহুৱাকৈ পতা পৰীক্ষাত বহাৰ অনুমতি পাইছিল।
- চাকৰিয়াল আৰু কৰ্মজীৱি শিক্ষাৰ্থীৰ বাবে আয়োগে সান্ধ্য শ্ৰেণী মুকলি কৰাৰ পৰামৰ্শ দিছিল।
- বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষাদান কৰা সকলো শিক্ষানুষ্ঠানতে টিউট'ৰিয়েল নিৰ্দেশনা বিকশাই তোলাৰ পৰামৰ্শ দিয়া হৈছিল।
- আয়োগে বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰবোৰ উন্নত কৰাৰ পৰামৰ্শ দিছিল। ইয়াৰ বাবে চৰকাৰে প্ৰথম অৱস্থাত বিশ্ববিদ্যালয়সমূহক বৃহৎ পৰিমাণৰ পুঁজি অনুদান হিচাপে আগবঢ়াব লাগিব। ইয়াৰ সহায়ত গ্ৰন্থাগাৰবোৰে শিক্ষাৰ্থী অনুকূল 'মুক্ত সুচলতা ব্যৱস্থা' আৰু কৰ্মচাৰী প্ৰশিক্ষণ আদিৰ দৰে কাম কৰিব লাগিব।
- পৰীক্ষাগাৰসমূহ ভৱন, যাৱতীয় আহিলা -সঁজুলিৰ উপযুক্ত সজ্জা, যন্ত্ৰ-পাতি, কৰ্মশালা আৰু দক্ষ কাৰিকৰী কৰ্মচাৰীৰে সুফলদায়ক কৰি তুলিব লাগিব।

- **নামভৰ্তি ঃ** বিশ্ববিদ্যালয়ত নামভৰ্তি কৰিব খোজাসকলে কোনো বিদ্যালয় নাইবা ইণ্টাৰমিডিয়েট মহাবিদ্যালয়ৰ পৰা ১২ বছৰীয়া শিক্ষা সমাপ্ত কৰিব লাগিব।
- **অধ্যয়নৰ পাঠ্যক্ৰম ঃ** আয়োগে কৈছিল যে বিদ্যালয় পৰ্যায়ৰ ১২ বছৰীয়া শিক্ষা সফলতাৰে সমাপ্ত কৰাসকলে বিজ্ঞান অথবা কলা শাখাত মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত নামভৰ্তি কৰিব পাৰি। স্নাতক ডিগ্ৰী লাভ কৰা শিক্ষাৰ্থীসকলক স্নাতকোত্তৰ পাঠ্যক্ৰমৰ এবছৰ সমাপ্ত কৰাৰ পাছত অ'নাৰ্চ প্ৰদান কৰা হ'ব। অ'নাৰ্চ পোৱা শিক্ষাৰ্থীয়ে স্নাতক ডিগ্ৰী লোৱাৰ দুবছৰৰ পাছত স্নাতকোত্তৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। সাধাৰণ শৈক্ষিক পাঠ্যক্ৰমবোৰৰ বাবে পাঠ সাহিত্য যুগুত কৰা উচিত। এনে সাহিত্যই শিক্ষাৰ্থীক বিষয়সূচী বুজাত চিন্তাৰ পদ্ধতি গ্ৰহণ কৰাত আৰু বিভিন্ন ক্ষেত্ৰত কাম কৰাৰ বাবে দক্ষ কৰি তুলিব। এনে পাঠ্যক্ৰম প্ৰস্তুত কৰাৰ সময়ত বিষয়বস্তুবোৰ শিক্ষাৰ্থীৰ আগ্ৰহৰ কথা মনত ৰাখি প্ৰস্তুত কৰিব লাগে। এই শিক্ষাৰ্থীসকলৰ বিশেষ আগ্ৰহৰ প্ৰতিও মনোযোগ দিব লাগে।
- **স্নাতকোত্তৰ প্ৰশিক্ষণ আৰু গৱেষণা ঃ** আয়োগে কৈছিল যে ভাৰতৰ সকলো বিশ্ববিদ্যালয়তে এম. এ. আৰু এম এচচি ডিগ্ৰীৰ নীতি-নিয়মবোৰ একে হ'ব লাগে। পি. এইচ. ডি. ডিগ্ৰীৰ প্ৰশিক্ষণ দুবছৰীয়া আৰু নামভৰ্তি প্ৰক্ৰিয়া সৰ্বভাৰতীয় পদ্ধতিৰ হোৱা উচিত। উৎকৃষ্ট মানৰ প্ৰকাশিত কৰ্মৰ ভিত্তিত ডি. লিট. আৰু ডি. এচচি ডিগ্ৰী প্ৰদান কৰা উচিত। আয়োগে পৰামৰ্শ দিছিল যে শিক্ষা মন্ত্ৰ্যালয়ে বিভিন্ন ধৰণৰ গৱেষণা জলপানি প্ৰদানৰ ব্যৱস্থা কৰা উচিত। বিশ্ববিদ্যালয়সমূহে মৌলিক গৱেষণাক অগ্ৰাধিকাৰ দিয়া উচিত।
- **বৃত্তিজীৱি শিক্ষা ঃ** ৰাধাকৃষ্ণন আয়োগে দেশৰ বৃত্তিজীৱি আৰু বৃত্তিমুখী শিক্ষাৰ প্ৰতি বিশেষ মনোযোগ দিছিল। আয়োগে কৃষি শিক্ষা, বাণিজ্য শিক্ষা, শিক্ষকৰ শিক্ষা, চিকিৎসা শিক্ষা, কাৰিকৰী শিক্ষা, আইন শিক্ষা আদিৰ বাবে কিছুমান গঠনমূলক পৰামৰ্শ আগবঢ়াইছিল। আয়োগৰ মতে কৃষি শিক্ষাই দেশৰ এটা গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় বিষয়ৰ মৰ্যাদা পোৱা উচিত। কৃষি শিক্ষাই দেশৰ প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষাত প্ৰাপ্য স্থান পোৱা উচিত। দেশত ইতিমধ্যে খোলা কৃষি মহাবিদ্যালয়বোৰৰ অৱস্থা উন্নত কৰা উচিত। বিভিন্ন স্থানত কৃষি গৱেষণা কেন্দ্ৰ স্থাপন কৰা উচিত। আয়োগে পৰামৰ্শ দিছিল যে বাণিজ্যিক শিক্ষা অধিক ব্যৱহাৰিক কৰি তোলা উচিত। স্নাতক পৰ্যায়ত শিক্ষাৰ্থীসকলক যিকোনো এটা শাখাৰ বিশেষ জ্ঞান আহৰণ কৰিবলৈ উৎসাহিত কৰা ভাল। আয়োগে শিক্ষকৰ শিক্ষা অধিক ব্যৱহাৰিক আৰু উপযোগী কৰি তুলিবলৈ এই বিষয়ক পাঠ্যক্ৰমবোৰৰ আৰ্হি নতুনকৈ প্ৰস্তুত কৰাৰ পৰামৰ্শ দিছিল। অভিযান্ত্ৰিক আৰু প্ৰযুক্তিবিদ্যা শিক্ষাৰ সৈতে সাধাৰণ শিক্ষাৰ সংলগ্ন কৰাৰ পৰামৰ্শ দি আয়োগে কৈছিল যে অভিযান্ত্ৰিক পাঠ্যক্ৰমত প্ৰাথমিক ভৌতিক আৰু অভিযান্ত্ৰিক বিজ্ঞানৰ শিক্ষা যোগ দিয়াটো ভাল। দেশত অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ সংখ্যা বৃদ্ধি কৰিব লাগে। বিশেষ আইনী বিষয়ত তিনি বছৰীয়া স্নাতক পাঠ্যক্ৰম আৰম্ভ কৰিবলৈও আয়োগে পৰামৰ্শ দিছিল। আয়োগৰ মতে যিবোৰ শিক্ষানুষ্ঠানে আইনৰ পাঠ্যক্ৰম আগবঢ়ায় সেইবোৰৰ সম্পূৰ্ণৰূপে

পুনঃঅভিবিন্যাস ঘটোৱা উচিত। আইনৰ স্নাতক পাঠ্যক্ৰম পঢ়াৰ অনুমতি দিব নালাগে। অৱশ্যে অতি মেধাৱী শিক্ষার্থীৰ ক্ষেত্ৰত এই নিয়মৰ ব্যতিক্ৰম হ'ব পাৰে। আয়োগে পৰামৰ্শ দিছিল যে চিকিৎসা মহাবিদ্যালয়সমূহত সৰ্বাধিক ১০০ শিক্ষার্থীৰহে নামভর্তি কৰা উচিত। মহাবিদ্যালয়সমূহত শিক্ষার্থী অনুপাতে পৰ্যাপ্ত শিক্ষক-কৰ্মচাৰী আৰু সা-সঁজুলি থাকিব লাগিব। চিকিৎসালয়ৰ সুবিধাৰ প্ৰয়োজন হোৱা সকলো বিভাগেই একেটা চৌহদৰ ভিতৰত থকা উচিত বুলিও আয়োগে পৰামৰ্শ দিছিল। চিকিৎসা বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰম কেৱল উচ্চমানৰ আৰু পৰ্যাপ্ত সা-সুবিধা তথা শিক্ষক-কৰ্মচাৰী থকা মহাবিদ্যালয়সমূহতহে আগবঢ়াব লাগে।

- **ধৰ্মীয় শিক্ষা ঃ** বিশ্ববিদ্যালয় শিক্ষা আয়োগে পৰামৰ্শ দিছিল যে শিক্ষানুষ্ঠানসমূহে দিনটোৰ আৰম্ভণিতে কেইমিনিটমান মৌন ধ্যান কৰি শৈক্ষিক কার্যসূচীৰ পাতনি মেলা উচিত। স্নাতক পাঠ্যক্ৰমৰ প্ৰথম বর্ষত গৌতম বুদ্ধ, কনফুচিয়াচ, ঝাৰ'ষ্টাৰ, চক্ৰেটিছ, যিশু, শংকৰাচার্য, ৰামানুজ, মহাদেৱ, মোহম্মদ, কবীৰ, গুৰু নানক আৰু গান্ধীৰ দৰে ধৰ্মীয় আধ্যাত্মিক নেতাৰ বিষয়ে শিকোৱা উচিত। দ্বিতীয় বর্ষৰ পাঠ্যক্ৰমত বিশ্বৰ ধৰ্মগ্ৰন্থসমূহত থকা কিছুমান সার্বজনীন ব্যক্তিত্ব বাছনি কৰি লৈ তেওঁলোকৰ বিষয়ে অধ্যয়ন কৰা উচিত। তৃতীয় বর্ষত ধৰ্মৰ দর্শনৰ কেন্দ্ৰীয় বিষয়সমূহৰ অধ্যয়নক সামৰি লোৱা উচিত।
- **শিক্ষা ব্যৱস্থা ঃ** বিশ্ববিদ্যালয় শিক্ষা আয়োগে দেশৰ প্ৰচলিত শিক্ষা ব্যৱস্থাটোৰ কঠোৰ সমালোচনা কৰিছিল। এই ব্যৱস্থাটো সংশোধনৰ বাবে আয়োগে আগবঢ়োৱা সুদূৰ-প্ৰসাৰী পৰামর্শসমূহৰ মাজৰে দুটামান এনেধৰণৰ-
  - অনতিপলমে বস্তুনিষ্ঠ প্ৰকৃতিৰ প্ৰশ্ন সম্বলিত পৰীক্ষা নীতিৰ প্ৰচলন।
  - প্ৰতিখন বিশ্ববিদ্যালয়তে একোখন পৰীক্ষা বোর্ড গঠন। এই বোর্ডসমূহে বিশ্ববিদ্যালয় অথবা মহাবিদ্যালয়সমূহৰ শৈক্ষিক নির্দেশনা প্ৰদানকাৰী কর্মীৰ সৈতে সম্পর্ক ৰক্ষা কৰি বস্তুনিষ্ঠ পৰীক্ষা পতাৰ কৌশল বাহিৰ অথবা প্ৰস্তুত কৰিব। শ্ৰেণী পৰীক্ষাসমূহত এই নতুন নীতি প্ৰয়োগ কৰাৰ দিহা কৰিব। সমগ্ৰ পাঠ্যবিষয়ৰ নিয়মীয়া পুনৰীক্ষণৰ বাবে আৱশ্যকীয় সা-সুবিধা আৰু সামগ্ৰীৰ যোগান ধৰিব।
  - সকলো চৰকাৰী প্ৰশাসনীয় সেৱাৰ বাবে বিশ্ববিদ্যালয় স্তৰৰ ডিগ্ৰীক প্ৰয়োজনীয় অর্হতা ৰূপে স্থিৰ কৰা। বিভিন্ন সেৱাৰ বাবে প্ৰার্থী বাছনি কৰিবলৈ বিশেষ ৰাজ্যিক পৰীক্ষা অনুস্থিত কৰা উচিত।
  - শ্ৰেণীকার্যৰ বিপৰীতে শিক্ষার্থীক ক্ৰেডিট প্ৰদান। প্ৰতিটো বিষয়তে লাভ কৰা মুঠ নম্বৰৰ এক তৃতীয়াংশ এই শ্ৰেণীকার্যৰ বাবে সংৰক্ষিত ৰখা উচিত। কোনো এটা সম্পূর্ণ পাঠ্যক্ৰম ম্যাদৰ ভিতৰত এই নম্বৰ গণনা কৰা উচিত।
  - সকলো বিশ্ববিদ্যালয়তে বিভিন্ন পৰীক্ষাৰ সফলতা জোখাৰ মান একে হোৱা উচিত। যেনে- প্ৰথম বিভাগৰ বাবে ৭০% অথবা ততোধিক নম্বৰ, দ্বিতীয় বিভাগৰ বাবে ৬৫%-৬৯% নম্বৰ আৰু তৃতীয় বিভগত উত্তীর্ণ হ'বৰ বাবে অতি কমেও ৪০% নম্বৰ। শিক্ষার্থীৰ নামসমূহ বর্ণক্ৰমত সজাই ল'ব লাগিব। প্ৰতিটো তিনি বছৰীয়া শ্ৰেণীৰ ক্ষেত্ৰতে এই নিয়ম প্ৰযোজ্য হ'ব। 'গ্ৰেচ মার্ক' অথবা দয়াভিত্তিক নম্বৰ দিয়াৰ প্ৰথা বিলুপ্ত কৰা হ'ব।
  - কেৱল বৃত্তিজীৰি আৰু স্নাতকোত্তৰ পর্যায়ৰ ডিগ্ৰীবোৰৰ ক্ষেত্ৰতহে মৌখিক পৰীক্ষা (Viva-voce) পতা হ'ব।
  - ৰচনাধৰ্মী প্ৰশ্নৰ উত্তৰ লিখিবলগীয়া পৰীক্ষাবোৰ অব্যাহত থাকিব। কিন্তু ইয়াত বস্তুনিষ্ঠ প্ৰকৃতিৰ প্ৰশ্নৰ যোগ কৰা হ'ব। কিন্তু প্ৰশ্নৰ প্ৰকাৰ, পৰীক্ষা পতাৰ পদ্ধতি আদি সম্পূর্ণৰূপে সলনি কৰি ইয়াক অধিক বৈধ তথা ভাৰসাযোগ্য কৰি তোলা হ'ব।
- **শৈক্ষিক নির্দেশনাৰ মাধ্যম ঃ** বিশ্ববিদ্যালয় শিক্ষা আয়োগে উচ্চতৰ শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা হ'ব লাগে বুলি মত পোষণ কৰিছিল। কিন্তু এই ব্যৱস্থাত সংঘীয় (Federal) ভাষা এটা ব্যৱহাৰ কৰি কিছুমান বিষয় অথবা সকলোবোৰ বিষয়ৰ শিক্ষাদান কৰাৰো সুবিধা ৰখাতো আয়োগে বিচাৰিছিল। সংঘীয় আৰু আঞ্চলিক ভাষাৰ বিকাশৰ বাবে বিজ্ঞানী আৰু ভাষাতত্ত্ববিদৰ বোর্ড গঠন কৰি একো একোটা বিজ্ঞানসন্মত

শব্দভাণ্ডাৰ গঢ়ি তোলাৰ কথা কোৱা হৈছিল। এই শব্দভাণ্ডাৰক সকলো ভাৰতীয় ভাষাৰে উমৈহতীয়া শব্দভাণ্ডাৰ কৰি তোলাৰ পৰামৰ্শ দিয়া হৈছিল। বিজ্ঞানৰ বিভিন্ন বিষয়ৰ পাঠ্য কিতাপ প্ৰস্তুত কৰি সেইবোৰ ভাৰতীয় ভাষাসমূহলৈ অনুবাদ কৰাৰ কথা কোৱা হৈছিল। সকলো প্ৰাদেশিক চৰকাৰে এই সংঘীয় ভাষাটো সকলো শ্ৰেণীতে প্ৰচলিত কৰিবলৈ উপযুক্ত ব্যৱস্থা লোৱা উচিত বুলিও আয়োগে মত প্ৰকাশ কৰিছিল। আয়োগৰ পৰামৰ্শ অনুসৰি এই সংঘীয় ভাষাটোৰ বাবে মাত্ৰ এটা লিপি 'দেৱনাগৰী' ব্যৱহাৰ কৰা উচিত। কিন্তু তাৰ আগতে এই লিপি ব্যৱহাৰত ধৰা পৰা কিছুমান অসুবিধা আঁতৰ কৰি লোৱা উচিত।

- **মহিলাৰ শিক্ষা ঃ** আয়োগৰ মতে মহিলাসকল শিক্ষিত নোহোৱালৈকে শিক্ষিত জনসংখ্যাৰ ধাৰণাটো বাহুল্য কৰি তুলিব পৰা নাযাব। এই উদ্দেশ্য সিদ্ধি কৰিবলৈ আয়োগে পৰামৰ্শ দিছিল যে কন্যাশিশুৰ শিক্ষাৰ ধাৰণাটোক গৃহ ব্যৱস্থাপনাৰ সমস্যাৰ সৈতে যুক্ত কৰি সকলোৱে বুজি পোৱা ৰূপ এটা দিয়া উচিত। মহিলা আৰু কন্যা শিশুৱে আৱশ্যকীয় অৰ্হতা-যোগ্যতা আহৰণ কৰিবলৈ দক্ষতা বিকাশ কৰিব লাগিব। মহিলাসকলক শিশু গৃহ আৰু নাৰ্চাৰী বিদ্যালয়সমূহত 'পৰীক্ষাগাৰভিত্তিক অভিজ্ঞতা' জমা কৰাৰ সুবিধা দিব লাগিব। মহিলাৰ বাবে গৃহ অৰ্থনীতি, নাৰ্চিং, শিক্ষণ, সুকুমাৰ কলা আদিৰ দৰে বিষয়ৰ পাঠ্যক্ৰম প্ৰস্তুত কৰা উচিত। আয়োগে কৈছিল যে সাধাৰণভাৱে মহিলা শিক্ষাৰ্থীসকলক সাধাৰণ সমাজত নিজৰ স্বাভাৱিক স্থান সম্পৰ্কে সজাগ কৰি তোলাৰ প্ৰয়োজনীয়তা আছে। তেওঁলোকে মহিলা আৰু নাগৰিক হিচাপে সমাজত নিজৰ স্থান বুজি পোৱা উচিত। ইয়াৰ বাবে আয়োগে পুৰুষ শিক্ষাৰ্থীসকলক মহিলা শিক্ষাৰ পৃষ্ঠপোষকতা কৰাৰ বিশেষ দায়িত্ব দিছিল। সহঃশিক্ষাৰ অনুষ্ঠানসমূহত পুৰুষ শিক্ষাৰ্থীসকলে সৌজন্যতা আৰু সামাজিক দায়িত্বৰ কাংক্ষিত মান ৰক্ষা কৰি চলা উচিত বুলি আয়োগে মত প্ৰকাশ কৰিছিল।
- **বিশ্ববিদ্যালয়ৰ সাংবিধানিক স্থিতি, নিয়ন্ত্ৰণ ব্যৱস্থা আৰু প্ৰশাসন ঃ** আয়োগে পৰামৰ্শ দিছিল যে বিশ্ববিদ্যালয় শিক্ষাক সাধাৰণ সূচী (Concurrent list) ত ৰাখিব লাগে। কেন্দ্ৰীয় চৰকাৰে বিশ্ববিদ্যালয়সমূহৰ বিত্ত, পাঠ্য বিষয়ৰ সা-সুবিধাবোৰৰ মাজত সমন্বয় সাধন, ৰাষ্ট্ৰীয় নীতি গ্ৰহণত সহায়, ফলপ্ৰসূ প্ৰশাসনৰ ন্যূনতম মান নিশ্চিতকৰণ, বিশ্ববিদ্যালয় আৰু ৰাষ্ট্ৰীয় গৱেষণামূলক পৰীক্ষাগাৰসমূহৰ মাজৰ সম্পৰ্ক ৰক্ষাকাৰী আৰু বৈজ্ঞানিক সমীক্ষাৰ সমন্বয়ৰক্ষাকাৰীৰ ভূমিকা পালন কৰিব লাগে। আয়োগে কৈছিল যে বিশ্ববিদ্যালয়সমূহক আনুদান আবণ্টন কৰাৰ বাবে এখন কেন্দ্ৰীয় অনুদান আয়োগ গঠন কৰা উচিত। চৰকাৰী মহাবিদ্যালয়সমূহক পৰ্যায়ক্ৰমে বিশ্ববিদ্যালয়ৰ স্বীকৃতিপ্ৰাপ্ত মহাবিদ্যালয়লৈ ৰূপান্তৰ কৰা উচিত। মহাবিদ্যালয়সমূহৰ গভৰ্নিং বডীবোৰ উপযুক্ত ধৰণে গঠন কৰা উচিত।
- **বিশ্ববিদ্যালয়ৰ বিত্তীয় দিশ ঃ** আয়োগে দেশৰ বিশ্ববিদ্যালয়সমূহৰ আৰ্থিক দিশটোক লৈ উদ্বিগ্নতা প্ৰকাশ কৰিছিল। বিশ্ববিদ্যালয়সমূহক বিত্তীয় অসুবিধাৰ পৰা মুক্ত হোৱাত সহায় কৰিবলৈ আয়োগে বিশ্ববিদ্যালয় অনুদান আয়োগ এখন গঠনৰ পৰামৰ্শ দিছিল। এই আয়োগৰ হাতত বিশ্ববিদ্যালয় সমূহক অনুদান আগবঢ়োৱাৰ ক্ষমতা থাকিব।
- **গ্ৰাম্য বিশ্ববিদ্যালয় স্থাপন ঃ** ৰাধাকৃষ্ণন আয়োগে দেশত গ্ৰাম্য মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় স্থাপনৰ পোষকতা কৰিছিল। আয়োগৰ মতে গ্ৰাম্য ভাৰতৰ সাধাৰণ অগ্ৰগতি সম্ভৱ কৰি তুলিবলৈ অহৰহ দক্ষতা আৰু প্ৰশিক্ষণৰ মান তথা পৰিসৰ উন্নত কৰি গৈ থাকিব লাগিব। এই সুবিধাসমূহ যোগান ধৰাৰ লগতে দেশৰ শিক্ষিত নাগৰিকৰ আৱশ্যকতা পুৰাবলৈ গ্ৰাম্য মহাবিদ্যালয় তথা বিশ্ববিদ্যালয় স্থাপন কৰাতো আৱশ্যকীয়। উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত এক নতুন আৰম্ভণি হোৱা উচিত। ইয়াত শিক্ষাৰ উদ্দেশ্য, আত্মা আৰু পদ্ধতিবোৰ প্ৰতিষ্ঠা কৰি এক সুকীয়া আৰু বিশেষ পৰম্পৰা সৃষ্টিৰ স্বাধীনতা থাকিব।

৯.৩.৩ আয়োগৰ পৰামৰ্শাৱলী মূল্যায়ন

বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ প্ৰতিবেদনখন অধ্যয়ন কৰি নাইক আৰু নুৰুল্লাই কৈছিল, '১৯৪৯ চন দাখিল কৰা আয়োগৰ প্ৰতিবেদনখন অত্যন্ত তাৎপৰ্যপূৰ্ণ আছিল। ই স্বাধীনোত্তৰ ভাৰতত বিশ্ববিদ্যালয় শিক্ষাৰ

বিকাশত পথ-প্রদর্শকৰ ভূমিকা লৈছিল।' ভাৰতৰ প্রথমগৰাকী ৰাষ্ট্রপতি ডঃ ৰাজেন্দ্র প্রসাদে কৈছিল যে দেশৰ শিক্ষাৰ লগত জড়িত বিষয়-কথাবোৰৰ সজ্জাটোত মৌলিক পৰিৱর্তন সাধনৰ আৱশ্যকতাক স্বীকৃতি দিয়াটোতে বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ প্রকৃত মূল্য নিহিত আছে। দেশে ইয়াৰ আধাৰতে শৈক্ষিক সমস্যাবোৰৰ সমাধান বাহিৰ কৰাৰ চেষ্টা আৰম্ভ কৰিছিল।

- আয়োগে দেশত বিশ্ববিদ্যালয় শিক্ষা আৰম্ভ কৰাৰ সঠিক স্তৰসমূহ দেখুৱাই দিছিল। আয়োগে বিশ্ববিদ্যালয়ৰ শিক্ষা গ্রহণৰ বাবে ইচ্ছুক শিক্ষার্থীৰ বাবে ১২ বছৰীয়া প্রাক্-বিশ্ববিদ্যালয় শিক্ষা ব্যৱস্থা প্রচলনৰ পৰামর্শ দিছিল। ৰাধাকৃষ্ণন আয়োগে বহু সময়ত ১৯১৭-১৯ চনৰ কলিকতা বিশ্ববিদ্যালয় আয়োগৰ পৰামর্শাৱলী দোহাৰিছিল যদিও মনত ৰখা উচিত হ'ব যে এই আয়োগৰ পৰামর্শ অনুসৰিয়ে ১৯৭৫ চনৰ আৰম্ভণিৰে পৰা দেশত ১০+২+৩ সংৰচনাৰ প্রাক্-বিশ্ববিদ্যালয় পর্যায়ৰ শিক্ষা ব্যৱস্থাটো প্রচলিত কৰা হৈছিল আয়োগে পৰামর্শ দিয়াৰ ১৫ বছৰৰ পাছত ই বাস্তৱ ৰূপ লৈছিল।
- আয়োগে গৱেষণামূলক কাম-কাজক উৎসাহিত কৰাত বিশ্ববিদ্যালয়ে ল'ব পৰা ভূমিকাত জোৰ দিছিল। আয়োগৰ মতে এনে কাম-কাজে বিশ্ববিদ্যালয় স্তৰৰ শিক্ষণ আকর্ষণীয় আৰু প্রেৰণাদায়ক কৰি তুলিব।
- আয়োগে বিশ্ববিদ্যালয়ৰ শিক্ষা আৰু গৱেষণাত সঠিক মনোভাৰ প্রয়োগ কৰি ইয়াৰ গুণ আৰু পৰিমাণ উন্নততৰ কৰাত জোৰ দিছিল। শিক্ষার্থী বাছনি, পাঠ্যক্রমৰ সময়সীমা, স্নাতকোত্তৰ ডিগ্রীবোৰৰ প্রশিক্ষণৰ গুণ আদিত সমৰূপতা তথা মান বর্তাই ৰখাত আয়োগে জোৰ দিছিল।
- আয়োগে বিশ্ববিদ্যালয়ৰ শিক্ষকসকলক চাৰিটা ভাগত ভগাইছিল- অধ্যাপক, ৰীডাৰ, প্রবক্তা আৰু শৈক্ষিক নির্দেশক। শিক্ষকৰ শিক্ষণ মান উন্নত কৰাৰ বাবেও আয়োগে বিভিন্ন পৰামর্শ দিছিল। যেনে- পুঁজি আগবঢ়োৱাৰ উন্নতৰ সা-সুবিধা নূন্যতম ভাৰাত বাসগৃহৰ সুবিধা, গৱেষণাৰ কামত অধ্যয়ন ছুটী, অৱসৰৰ বয়স ৬০ বছৰ কৰা ইত্যাদি।
- আয়োগ আছিল পৰীক্ষা ব্যৱস্থাৰ সংস্কাৰ সাধনৰ পক্ষপাতী। মাত্র এবাৰ পৰীক্ষা ব্যৱস্থাৰ সংস্কাৰ সাধন কৰিলেই ভাৰতীয় শিক্ষাৰ সমগ্র ছবিখনেই সলনি হৈ যাব বুলি আয়োগে বিশ্বাস কৰিছিল।
- আয়োগে পৰামর্শ দিছিল যে মূল্যবোধৰ শিক্ষাৰ সৈতে বিজ্ঞানসম্মত চিন্তা সংযুক্ত কৰা উচিত। আয়োগে বিজ্ঞানসম্মত জ্ঞান আৰু চিন্তাৰ প্রসাৰত গুৰুত্ব দিছিল। শিক্ষাৰ বস্তুবাদী দিশত প্রয়োজনাধিক গুৰুত্ব দিয়াৰ বিৰূপ পৰিমাণৰ বিষয়েও আয়োগে সঁকিয়াই দিছিল। বিজ্ঞানসম্মত চিন্তা আৰু নৈতিক মূল্যবোধৰ সু-সমন্বয় সাধন কৰি শিক্ষার্থীৰ বিজ্ঞানসম্মত মেজাজ সৃষ্টিত আয়োগে গুৰুত্ব দিছিল।
- আয়োগে বৃটিছ শাসন কালত উপেক্ষিত হৈ ৰোৱা মহিলাসকলৰ শিক্ষাৰ দিশটোলৈ চকু দিছিল। মহিলাসকলক শিক্ষিত কৰি তোলাৰ তাৎপর্যৰ প্রসাৰ ঘটোৱাত আয়োগে জোৰ দিছিল।
- আয়োগে দেশৰ গ্রামাঞ্চলত কৃষি শিক্ষাৰ ভেটি স্থাপন কৰাৰ প্রয়োজনীয়তাত জোৰ দিছিল। ইয়াৰ বাবে আয়োগে দেশত গ্রাম্য বিশ্ববিদ্যালয় স্থাপনৰ পৰামর্শ দিছিল।
- ধর্মীয় শিক্ষা সন্দর্ভত আয়োগে আগবঢ়োৱা পৰামর্শক দেশৰ শিক্ষা ক্ষেত্রৰ এক ইতিবাচক পদক্ষেপ বুলি ধৰা হয়। ভাৰতত ধর্মৰ প্রভাৱ সুদূৰপ্রসাৰী। আয়োগে সেয়েহে বিশ্ববিদ্যালয় পর্যায়ৰ শিক্ষাতো কিছুম পৰিমাণে ধর্মীয় শিক্ষা যুক্ত কৰাটো তাৎপর্যপূর্ণ হ'ব বুলি উপলব্ধি কৰিছিল। অৱশ্যে আয়োগে সাৱধান কৰি দিছিল যে এই শিক্ষা সকলো প্রকাৰৰ ধর্মান্ধতা আৰু ৰীতি-নীতিৰ হেচাৰ পৰা সম্পূর্ণ মুক্ত হ'ব লাগিব।
- শিক্ষানুষ্ঠানত নিয়মানুৱর্তিতাৰ অভাৱ সন্দর্ভত আয়োগে কঠোৰ স্থিতি গ্রহণ কৰিছিল। এই বিষয়ত আয়োগে গ্রহণ কৰা দৃষ্টিংভগী বর্তমান সময়তো প্রাসংগিক হৈ আছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ ভাৰত চৰকাৰে ..... চনত ..... ক অধ্যক্ষৰূপে নিযুক্তি দি বিশ্ববিদ্যালয় শিক্ষাআয়োগ গঠন কৰিছিল।

প্ৰশ্ন নং ২ঃ দেশৰ সাংস্কৃতিক ঐতিহ্য বৰ্তাই ৰখাৰ বাবে বিশ্ববিদ্যালয় আয়োগে কেনে মত পোষণ কৰিছিল?

.....

প্ৰশ্ন নং ৩ঃ বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ মতে বিদ্যালয় পৰ্যায়ৰ শিক্ষা ..... বছৰীয়া আৰু বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষা ..... বছৰীয়া হ'ব লাগে?

প্ৰশ্ন নং ৪ঃ মহিলা শিক্ষাৰ সন্দৰ্ভত বিশ্ববিদ্যালয় আয়োগৰ পৰামৰ্শসমূহ কেনেধৰণৰ আছিল?

.....

.....

৯.৪ উচ্চতৰ মাধ্যমিক শিক্ষা আয়োগ, ১৯৫২-৫৩

ভাৰতৰ শিক্ষা ব্যৱস্থা উন্নত কৰি তুলিবলৈ অতীজৰে পৰা বিভিন্ন আয়োগ গঠন কৰি দিহা-পৰামৰ্শ লৈ থকা হৈছে। এনে দুখনমান আয়োগ হ'ল- ১৮৮২ চনৰ ভাৰতীয় শিক্ষা আয়োগ, ১৯৪৮-৪৯ চনৰ বিশ্ববিদ্যালয় শিক্ষা আয়োগ। কিন্তু এই সময়ছোৱালৈ দেশৰ উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ শিক্ষা ব্যৱস্থাৰ সমস্যাসমূহৰ সমীক্ষা কৰিবলৈ কোনো আয়োগ গঠন কৰা হোৱা নাছিল।

১৯৪৮ চনত শিক্ষাৰ কেন্দ্ৰীয় উপদেষ্টা বোৰ্ড (CABE) এ ইয়াৰ চতুদৰ্শ অধিৱেশনত দেশৰ উচ্চতৰ মাধ্যামিক পৰ্যায়ৰ শিক্ষাৰ সাম্প্ৰতিক দশা পৰীক্ষা কৰি প্ৰয়োজনীয় দিহা-পৰামৰ্শ দিবলৈ এখন আয়োগ গঠন কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰক পৰামৰ্শ দিছিল। এই পৰামৰ্শ অনুসৰি কেন্দ্ৰীয় চৰকাৰে ১৯৫২ চনৰ ২৩ চেপ্তেম্বৰৰ সিদ্ধান্ত নং F9-5/52-B-1 ৰ জৰিয়তে উচ্চতৰ মাধ্যমিক শিক্ষা আয়োগ গঠন কৰিছিল। আয়োগৰ সদস্যসকলে সমগ্ৰ দেশ ভ্ৰমণ কৰি ক্ষেত্ৰভিত্তিক সমীক্ষাৰ অন্তত ১৯৫৩ চনৰ ২৯ আগষ্টত নিজৰ প্ৰতিবেদন দাখিল কৰিছিল। সেই চনৰে ৯ আৰু ১০ নৱেম্বৰত CABE- এ দিল্লীত এই প্ৰতিবেদনখন আলোচনা কৰিছিল।

উচ্চতৰ মাধ্যমিক শিক্ষা আয়োগৰ সদস্যকল আছিল—

- ড° এ. লক্ষ্মণাস্বামী মুডালিয়াৰ, উপাচার্য, মাদ্ৰাজ বিশ্ববিদ্যালয়, (অধ্যক্ষ)
- অধ্যক্ষ জন খ্ৰিষ্টি, জিজাচ ক'লেজ, অক্সফোৰ্ড
- ড° কেনেথ ৰাষ্ট উইলিয়ামচ্, সহযোগী নিৰ্দেশক, চাউদার্ন ৰিজিঅ'নেল এডুকেছনেল বোৰ্ড, আটলাণ্টা, আমেৰিকা যুক্তৰাষ্ট্ৰ
- শ্ৰীমতী হংসা মেহতা, উপাচার্য, বৰোদা বিশ্ববিদ্যালয়, বৰোদা
- শ্ৰী জে. এ. তাৰাপোৰৱালা, নিৰ্দেশক, কাৰিকৰী শিক্ষা, বোম্বে চৰকাৰ
- ড° কে. এল. শ্ৰীমালি, অধ্যক্ষ, বিদ্যাভৱন শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়, উদয়পুৰ
- শ্ৰী এম. টি. ব্যাস, অধ্যক্ষ, নিউ এৰা স্কুল, বোম্বে
- শ্ৰী কে. জি. চৈয়াদ্দিন, যুটীয়া সচিব, ভাৰত চৰকাৰ, শিক্ষা মন্ত্ৰ্যালয় (পদেন সদস্য)
- অধ্যক্ষ এ. এন. বাসু, চেণ্টেল ইনষ্টিটিউট অব এডুকেশ্যন, দিল্লী (সদস্য-সচিব)
- ড° এছ. এম. ছাৰি, শিক্ষা বিষয়া, শিক্ষা মন্ত্ৰ্যালয়, (আয়োগৰ উপাধ্যক্ষ)

আয়োগ গঠন কৰাৰ উদ্দেশ্য

- সাম্প্ৰতিক ৰাষ্ট্ৰীয় আৱশ্যকতা পূৰণ কৰিবলৈ দেশৰ উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ শিক্ষা ব্যৱস্থাটোৰ জৰুৰীভাৱে পুনৰীক্ষণ কৰাৰ তাগিদা সৃষ্টি হৈছিল।
- উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ শিক্ষা হ'ল বিদ্যালয় আৰু বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষাৰ মাজৰ সেতু। ইয়াক বিশ্ববিদ্যালয়ত প্ৰৱেশ কৰাৰ পৰম্পৰাগত দুৱাৰ হিচাপে নকৈ সজাই-পৰাই তোলাৰ আৱশ্যকতা অনুভৱ কৰা হৈছিল।
- ইতিমধ্যে দেশৰ প্ৰাথমিক আৰু বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষা ব্যৱস্থাবোৰ সময়ে সময়ে পুনৰীক্ষণ কৰা

হৈছিল। গতিকে উচ্চতৰ মাধ্যমিক পর্যায়ৰ শিক্ষা ব্যৱস্থাৰো ৰূপান্তৰ সাধন কৰাতো প্রয়োজনীয় হৈ পৰিছে বুলি ভবা হৈছিল।

- ভাৰতীয় সংবিধানৰ ৪৫ নং অনুচ্ছেদৰ দ্বাৰা বিনামূলীয়া আৰু বাধ্যতামূলক প্রাথমিক শিক্ষা আগবঢ়োৱাৰ কথা কোৱা হৈছে। এই উদ্দেশ্য সিদ্ধি কৰিবলৈ প্রাথমিক বিদ্যালয়সমূহত দক্ষ শিক্ষকৰ প্রয়োজন হ'ব। এনে শিক্ষকৰ নূন্যতম শিক্ষাগত অর্হতা হ'ব উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীর্ণ। আশা কৰা হৈছিল যে এই পর্যায়ৰ শিক্ষা লাভ কৰি অহা শিক্ষকসকল বহুমুখী প্রতিভাৰ গৰাকী হ'ব। সেয়েহে দেশৰ এই শিক্ষা ব্যৱস্থাটোলৈও ইতিবাচক পৰিৱর্তন অনাৰ চেষ্টা চলোৱা হৈছিল।

আয়োগৰ পৰামর্শদান ক্ষমতা

ভাৰতত প্রচলিত উচ্চতৰ মাধ্যমিক পর্যায়ৰ শিক্ষাৰ অৱস্থা পুনৰীক্ষণ কৰাৰ লগতে আয়োগে ব্যৱস্থাটো পুনঃসংগঠিত তথা উন্নত কৰাৰ বাবে তলত দিয়া বিষয়বোৰত নিজৰ পৰামর্শ আগবঢ়োৱাৰ ক্ষমতা লাভ কৰিছিল।

- দেশৰ উচ্চতৰ মাধ্যমিক পর্যায়ৰ শিক্ষাৰ সকলো দিশৰ সাম্প্রতিক স্থিতিৰ অনুসন্ধান কৰি প্রতিবেদন প্রস্তুতকৰণ।
- ব্যৱস্থাটো পুনঃসংগঠিত আৰু উন্নত কৰাৰ উপায় প্রদান।
- এই শিক্ষা ব্যৱস্থাৰ লক্ষ্য, সাংগঠনিক সংৰচনা আৰু অধ্যয়নৰ বিষয়সূচী সন্দর্ভত প্রয়োজনীয় পৰামর্শ প্রদান।
- ইয়াৰ প্রাথমিক শিক্ষা, বুনিয়াদী শিক্ষা আৰু উচ্চতৰ শিক্ষাৰ সৈতে থকা সম্পর্ক নির্দ্ধাৰণ।
- বিভিন্ন ধৰণৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মাজত থকা আন্তঃসম্পর্ক নির্দ্ধাৰণ।
- দেশৰ সকলো স্থানতে নাগৰিকৰ সাম্প্রতিক প্রয়োজনীয়তা পূৰাব আৰু সমলৰ সদ্ব্যৱহাৰ কৰিব পৰা এটা সুস্থ, যৌক্তিক আৰু একৰূপী উচ্চতৰ মাধ্যমিক শিক্ষা ব্যৱস্থাৰ প্রচলন ঘটাবলৈ ব্যৱস্থাটোৰ আনুষংগিক সমস্যাসমূহ সমাধানৰ উপায় উলিওৱা।

৯.৪.১ উচ্চতৰ মাধ্যমিক শিক্ষা আয়োগৰ লক্ষ্য

উচ্চতৰ মাধ্যামিক শিক্ষা আয়োগৰ লক্ষ্য আছিল-

- **গণতান্ত্রিক নাগৰিকত্বৰ বিকাশ ঃ** গণতন্ত্রৰ বাবে গুৰুত্বপূর্ণ বিষয় এটা হ'ল ভাল নাগৰিক বিকশিত কৰা। এই কামত সহায় কৰিব পৰাকৈ দেশৰ উচ্চতৰ মাধ্যমিক শিক্ষাৰ স্তৰটোত শিক্ষার্থীক সাৱধানে প্রশিক্ষণ দিয়াৰ ব্যৱস্থা থাকিব লাগিব। ইয়াৰ বাবে শিক্ষার্থীক বিভিন্ন বৌদ্ধিক, নৈতিক আৰু সামাজিক গুণৰ অধিকাৰী কৰি তুলিব লাগিব। আয়োগৰ মতে গণতান্ত্রিক নাগৰিক বিকশিত কৰাৰ সময়ত উচ্চতৰ মাধ্যমিক পর্যায়ৰ শিক্ষাই তলত উল্লেখ কৰা গুণবোৰৰ বিকাশ নিশ্চিত কৰিব লাগে।
  - ➢ **স্পষ্ট চিন্তা ঃ** এই শিক্ষা ব্যৱস্থাই শিক্ষার্থীক স্পষ্টকৈ চিন্তা কৰা আৰু নতুন চিন্তা-ধাৰণা মুকলি মনেৰে গ্রহণ কৰিব পৰা গুণৰ অধিকাৰী কৰি তুলিব লাগে।
  - ➢ **বিজ্ঞানসন্মত দৃষ্টিভংগী ঃ** এই দৃষ্টিভংগীৰ গৰাকী হ'ব পৰা শিক্ষার্থীসকলে কথাবোৰ বস্তুনিষ্ঠভাৱে চিন্তা কৰিবলৈ শিকে। শুদ্ধ তথ্য আৰু পৰীক্ষা কৰি চোৱা ডেটাৰ ভিত্তিত শিক্ষার্থীয়ে নিজৰ সচেনতা বিকশিত কৰাৰ প্রশিক্ষণ পোৱা উচিত। এনে শিক্ষাই শিক্ষার্থীৰ বুজা শক্তি বৃদ্ধি কৰে, সত্য-অসত্যৰ মাজত পার্থক্য নির্ণয়ৰ বৌদ্ধিক সংহতিৰ অধিকাৰী কৰে, উদ্দেশ্যধর্মী প্রচাৰত ব্যৱহাৰ কৰা তথ্যবোৰ ধৰিব পৰা হয়, সকলো প্রকাৰৰ মতান্ধতা আৰু অন্ধবিশ্বাস প্রত্যাখ্যান কৰিবলৈ শিকে।
- **স্পষ্ট আৰু মুকলি ভাৱ প্রকাশ ঃ** গণতন্ত্রত সফলভাৱে বাস কৰাৰ বাবে বল প্রয়োগৰ প্রয়োজন নহয়। এনে পৰিৱেশে মুক্ত আলোচনা, যৌক্তিকভাৱে প্রত্যয় জন্মোৱা আৰু বন্ধুসুলভভাৱে চিন্তা-ধাৰণা আদান-প্রদান কৰাৰ সুযোগ দিয়ে। গতিকে শিক্ষাই শিক্ষার্থীৰ স্পষ্ট আৰু মুকলি মনেৰে ভাৱ প্রকাশ কৰিব পৰা গুণসমূহ বিকশিত কৰিব লাগে।

- **সামাজিক সহযোগিতা ঃ** সুনাগৰিক গঢ়াৰ অভিযানত শিক্ষাই শিক্ষার্থীৰ মনত নিয়মানুৱর্তিতা, সহযোগিতা, সামাজিক সংবেদনশীলতা আৰু সহিষ্ণুতা আদিৰ দৰে গুণ বিকশিত কৰিব লাগে।
- **বিশুদ্ধ দেশপ্রেম ঃ** উচ্চতৰ মাধ্যমিক শিক্ষা ব্যৱস্থাৰ এটা উল্লেখযোগ্য কর্তব্য হ'ল শিক্ষার্থীৰ মনত বিশুদ্ধ দেশপ্রেমৰ ভাৱনা জগাই তোলা। অৱশ্যে ইয়াত সংকীর্ণ ৰূপৰ দেশপ্রেমৰ কথা কোৱা হোৱা নাই। বহল অর্থৰ দেশপ্রেমত থাকিবলগীয়া প্রধান বৈশিষ্ট্য তিনিটা হ'ল -
  - নিজৰ দেশৰ সামাজিক তথা সাংস্কৃতিক সফলতাসমূহৰ প্রতি সপ্রশংস হোৱা
  - নিজৰ দুর্বলতা চিনাক্ত কৰাত তৎপৰতা দেখুওৱা আৰু সেইবোৰ অতিক্রম কৰাৰ বাবে কাম কৰা
  - নিজ সাধ্য অনুসাৰে দেশৰ প্রতি সর্বোত্তম সেৱা আগবঢ়োৱাৰ অটল মনোভাৱৰ গৰাকী হোৱা। দেশৰ স্বার্থত ব্যক্তিগত স্বার্থ গৌণ কৰাৰ মানসিকতা প্রদর্শন কৰিবলৈ শিকা।
- **বিশ্ব নাগৰিকত্বৰ অধিকাৰী হোৱা ঃ** এই শিক্ষা ব্যৱস্থাই শিক্ষার্থীৰ মনত বিশ্ব নাগৰিকত্বৰ ধাৰণাটো সম্পর্কে চিন্তা ভাৱনাৰ উদ্রেক কৰিব লাগিব। বিশ্বৰ দেশসমূহৰ মাজৰ আন্তঃসম্পর্ক প্রগাঢ়ৰ পৰা প্রগাঢ়তৰ হৈ পৰিছে। বর্তমান আৰু কোনো দেশে অকলশৰীয়াকৈ আগবাঢ়িব নোৱাৰে। এখন দেশৰ নাগৰিকে বিশ্বৰ আন যিকোনো দেশতে নিজকে খাপ খুৱাই লৈ বসবাস কৰিবলগীয়া পৰিস্থিতি স্বাভাৱিক হৈ পৰা বাবে বিশ্ব নাগৰিকত্বৰ ধাৰণাটো শিক্ষাৰো অংগ হোৱা উচিত।
- **শিক্ষার্থীৰ বৃত্তিমুখী দক্ষতা উন্নতকৰণ ঃ** ৰাষ্ট্র এখনৰ উৎপাদনশীলতা উন্নত হ'লেহে ৰাষ্ট্রখনৰ উন্নয়ন সাধন হয়। শিক্ষা আয়োগে এই উৎপাদনশীলতা বৃদ্ধিৰ বাবে উচ্চতৰ মাধ্যমিক পর্যায়ৰ শিক্ষার্থীৰ বৃত্তিমুখী (Vocational) কর্মদক্ষতা বৃদ্ধিত জোৰ দিছিল। ইয়াৰ বাবে ব্যৱস্থাটোত তলৰ কথাবোৰ যোগ দিয়াৰ পৰামর্শ আগবঢ়োৱা হৈছিল-
  - কর্মৰ প্রতি নতুন মনোভাৱ আৰু স্পৃহা জগাই তোলা। কামৰ সৰু-বৰ বিচাৰ নকৰাকৈ সকলো কামকে মর্যাদা আৰু প্রশংসাৰ দৃষ্টিৰে গ্রহণ কৰা।
  - শিক্ষার্থীৰ মনত এই কথা সুমুৱাই দিয়া যে সকলোৰে অংশগ্রহণেৰে সম্পন্ন কৰা কার্যবোৰৰ মাধ্যমেৰেহে ৰাষ্ট্রীয় সমৃদ্ধি সম্ভৱ হ'ব।
  - শিক্ষার্থীৰ মনত নিখুঁতভাৱে কাম কৰাৰ আগ্রহ জগাই তোলা, সুন্দৰকৈ শেষ কৰা কাম এটাক লৈ গর্বিত হ'বলৈ শিকোৱা।

  আয়োগে কৈছিল যে শৈক্ষিক কার্যকলাপক ব্যৱহাৰিক কার্যকলাপৰ অংশ কৰি তুলিবলৈ উচ্চতৰ মাধ্যমিক শিক্ষা স্তৰত ভিন্নধর্মী পাঠ্যক্রম অন্তর্ভুক্ত কৰা উচিত। আগ্রহী শিক্ষার্থীসকলে নিজৰ ৰুচি অনুসৰি কৃষি, কাৰিকৰী শিক্ষা, বাণিজ্য অথবা আন যিকোনো ব্যৱহাৰিক পাঠ্যক্রম শিকাৰ সুযোগ পোৱা উচিত। এনেকৈ শিক্ষার্থীসকলক তেওঁলোকৰ ভিন ভিন শিকন দক্ষতা অনুসৰি প্রশিক্ষিত কৰি তুলি বিদ্যালয়ৰ শিক্ষা সমাপ্ত হোৱাৰ পাছত বৃত্তিমুখী কাম-কাজত জড়িত হোৱাৰ বাবে সক্ষম কৰি তুলিব পৰা যাব।
- **ব্যক্তিত্বৰ বিকাশ ঃ** উচ্চতৰ মাধ্যমিক শিক্ষা আয়োগৰ মতে শিক্ষার্থীৰ ব্যক্তিত্বৰ বিকাশ এই শিক্ষা ব্যৱস্থাটোৰ এটা প্রধান উদ্দেশ্য হ'ব লাগে। উচ্চতৰ মাধ্যমিক পর্যায়ৰ শিক্ষাই শিক্ষার্থীৰ সৃজনশীল শক্তিবোৰক বাস্তৱ হোৱাৰ পথ প্রদর্শন কৰিব লাগে। এই স্তৰৰ শিক্ষার্থীয়ে -
  - নিজৰ সাংস্কৃতিক ঐতিহ্যক প্রশংসা কৰিবলৈ শিকা উচিত।
  - অৱসৰৰ সময়ত কৰিব পৰাকৈ কিছুমান সমৃদ্ধিশালী অভিৰুচি কর্ষণ কৰা উচিত।
  - নিজৰ ঐতিহ্যলৈ অৱদান আগবঢ়াবলৈ সক্ষম হোৱা উচিত। ইয়াৰ বাবে পাঠ্যবিষয়ত কলা, হস্তশিল্প, সংগীত আদিৰ দৰে বিষয় অন্তর্ভুক্ত কৰাত অগ্রাধিকাৰ দিব লাগে। উচ্চতৰ মাধ্যমিক স্তৰৰ বিদ্যালয় পাঠক্রমত এনে অথবা সদৃশ অভিৰুচি সৃষ্টিকাৰী বিষয় থকা উচিত।
- **নেতৃত্ব দিব পৰা শিক্ষা ঃ** শিক্ষাৰ নেতৃত্ব দিব পৰা ব্যক্তি গঢ়াৰ সামর্থও এক উল্লেখযোগ্য বৈশিষ্ট্য। উচ্চতৰ মাধ্যমিক পর্যায়ত এই বৈশিষ্ট্যটোৰ অৱদান গুৰুত্বপূর্ণ। এই শিক্ষাই শিক্ষার্থীক নিজ দেশ অথবা সম্প্রদায়ৰ সামাজিক, ৰাজনৈতিক, ঔদ্যোগিক আৰু জীৱনত নেতৃত্ব দিব পৰা দক্ষতাৰ অধিকাৰী কৰি তোলা উচিত।

'নেতৃত্ব' শব্দটো কেৱল ৰাজনৈতিক নেতৃত্বতে সীমাৱদ্ধ নাৰাখি ইয়াক সামাজিক আৰু বৃহত্তৰ কাৰিকৰী কার্যদক্ষতাৰ ক্ষেত্রলৈ ব্যাপ্ত কৰা উচিত।

৯.৪.২ আয়োগৰ পৰামর্শৱলী

উচ্চতৰ মাধ্যমিক শিক্ষা আয়োগ, ১৯৫২-৫৩ ৰ সদস্যসকলে লক্ষ্য কৰিছিল যে ইয়াৰ পূর্বৱর্তী আয়োগসমূহে দিয়া পৰমর্শবোৰ কার্যৰূপায়িত কৰা হোৱা নাই। এই আয়োগখনে নিজৰ পৰামর্শসমূহ বাস্তৱ হোৱাটো চাব বিচাৰিছিল। সেয়েহে আয়োগে নিজৰ পৰামর্শসমূহক হ্রস্বম্যাদী ৰূপত উপস্থাপন কৰিছিল। আয়োগে ইয়াকো কৈছিল যে পৰামর্শাৱলী পুনৰীক্ষণ কৰাৰ প্রয়োজনীয়তা আছে। কিন্তু গ্রহণ কৰা পৰামর্শাৱলী এছোৱা নির্দিষ্ট সময়ৰ বাবে স্থিৰ হৈ থকা উচিত।

- **উচ্চতৰ মাধ্যমিক শিক্ষাৰ লক্ষ্য**
  - শিক্ষার্থীৰ গুণৰ বিকাশ, সৃজনশীল নাগৰিক হ'বলৈ প্রয়োজনীয় বৈশিষ্ট্যৰ বিকাশ
  - বৃত্তিমুখী কার্যদক্ষতা গঢ়াৰ প্রয়াস
  - ব্যক্তিত্বৰ বিকাশ
  - নেতৃত্বৰ প্রশিক্ষণ।
- **উচ্চতৰ মাধ্যমিক শিক্ষাৰ সাংগঠনিক আৰ্হি ঃ** আয়োগে কৈছিল যে প্রায় ১১ বছৰৰ পৰা ১৭ বছৰ বয়সলৈ শিক্ষার্থীয়ে উচ্চতৰ মাধ্যমিক পর্যায়ৰ শিক্ষা গ্রহণ কৰে বুলি সাধাৰণভাৱে মানি লোৱা হৈছে (মাধ্যমিক আৰু উচ্চ মাধ্যমিকৰ সৈতে)। সুপৰিকল্পিতভাৱে প্রস্তুত কৰা এই শিক্ষাৰ ম্যাদ প্রায় ৭ বছৰ। এই সময়ছোৱাৰ ভিতৰত শিক্ষার্থীয়ে বাছি লোৱা পাঠ্যবিষয়সমূহৰ বিশদ প্রশিক্ষণ দিব পৰা যায়। শিক্ষা সমাপ্ত কৰা শিক্ষার্থীসকলে জ্ঞানৰ পৰিপক্কতা, বুজি শক্তি আৰু বিচাৰ-বুদ্ধি প্রয়োগ কৰাৰ দিশেৰে একোটা যুক্তিসংগত দক্ষতা মাত্রাত উপনীত হয় বুলি ধৰা হয়। ই শিক্ষার্থীক জীৱন সুচাৰুৰূপে আগবঢ়াই নিয়াত সহায় কৰে। এই সন্দর্ভত আয়োগে আগবঢ়োৱা পৰামর্শসমূহ আছিল-
  - প্রাথমিক অথবা কনিষ্ঠ বুনিয়াদী শিক্ষা লাভৰ ৫-৪ বছৰৰ ভিতৰত উচ্চতৰ মাধ্যমিক পর্যায়ৰ শিক্ষা আৰম্ভ হোৱা উচিত। ইয়াত মাধ্যমিক অথবা জ্যেষ্ঠ বুনিয়াদী অথবা কনিষ্ঠ মাধ্যমিক পর্যায়ৰ ৩ বছৰীয়া শিক্ষা তথা উচ্চতৰ মাধ্যমিক পর্যায়ৰ ৪ বছৰীয়া শিক্ষাক সামৰি লোৱা উচিত। সক্রিয় হৈ থকা উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়বোৰে এই পৰিৱর্তনশীল স্তৰটোত নির্দ্ধাৰিত ধৰণে নিজ প্রকার্য সম্পাদন কৰা উচিত। মধ্যৱর্তী স্তৰটোৰ স্থান উচ্চতৰ মাধ্যমিক স্তৰটোৱে ল'ব আৰু ইয়াৰ সময়সীমা হ'ব ৪ বছৰ (ইয়াৰে এবছৰ হ'ল মধ্যৱর্তী শিক্ষাকাল)।
  - বিশ্ববিদ্যালয় পর্যায়ৰ স্নাতক পাঠ্যক্রমসমূহ তিনি বছৰীয়া হ'ব। উচ্চতৰ মাধ্যমিক শিক্ষা সমাপ্ত কৰা অথবা কোনো স্নাতক/বৃত্তিজীৰি পাঠ্যক্রমৰ মহাবিদ্যালয়ত এবছৰীয়া প্রাক্-বিশ্ববিদ্যালয় শিক্ষা লোৱা শিক্ষার্থীৰ বাবে বৃত্তিজীৰি মহাবিদ্যালয়ত নামভর্তি কৰাৰ সুবিধা মুকলি থাকিব।
  - বিভিন্ন জীৱনৰ লক্ষ্য, শিকন সামর্থ আৰু দক্ষতা থকা শিক্ষার্থীৰ আগ্রহ তথা ৰুচি অনুসৰি অধ্যয়ন কৰিব পৰা ভিন্নধর্মী পাঠ্যবিষয় থকা বহুমুখী বিদ্যালয় স্থাপন কৰিব লাগিব। এনে বিদ্যালয়ৰ পৰা অধ্যয়ন সফলতাৰে সমাপ্ত কৰা শিক্ষার্থীক প'লিটেকনিক অথবা প্রযুক্তিভিত্তিক অনুষ্ঠানত উচ্চতৰ পর্যায়ৰ বিশেষীকৃত পাঠ্যক্রম অধ্যয়নৰ সুবিধা দিব লাগিব।
  - সকলো ৰাজ্যই গ্রামাঞ্চলৰ বিদ্যালয়সমূহত কৃষি শিক্ষাৰ বিশেষ ব্যৱস্থা গঢ়ি তুলিব লাগিব। এই বিষয়ৰ পাঠ্যক্রমত উদ্যান কৃষি, পশুপালন আৰু কুটীৰ শিল্প অন্তর্ভুক্ত কৰিব লাগিব।
  - উচ্চ মাধ্যমিক বিদ্যালয়সমূহক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰাৰ বিশেষ ব্যৱস্থা ল'ব লাগিব। ইয়াৰ সৈতে শিক্ষার্থীৰ সংখ্যা, সাজ-সৰঞ্জাম, আচবাব-পত্র, শিক্ষক-কর্মচাৰীৰ যোগ্যতা-অর্থতা, দৰমহা আৰু দৰমহাৰ নিৰিখ, পর্যাপ্ত পুঁজিৰ ব্যৱস্থা আদি বিষয় যুক্ত হৈ থাকিব।

- **ভাষাৰ ব্যৱহাৰ ঃ** আয়োগে উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্রয়োগ হ'বলগীয়া ভাষাবোৰৰ এক অধ্যয়ন কৰাৰ পৰামর্শ দিছিল। যেনে-
  - মাতৃভাষা
  - মাতৃভাষাৰ ব্যৱহাৰত অসুবিধা থাকিলে আঞ্চলিক ভাষা
  - সংঘীয় ভাষাৰূপে ব্যৱহৃত চৰকাৰী ভাষা
  - আন্তর্জাতিক ভাষাৰূপে ইংৰাজী ভাষা
  - উচ্চ মাধ্যমিক পর্যায়ত শিক্ষাদানৰ মাধ্যম হিচাপে মাতৃভাষা নাইবা আঞ্চলিক ভাষাৰ ব্যৱহাৰ
  - কেন্দ্রীয় চৰকাৰৰ চৰকাৰী ভাষা হিচাপে সংবিধানত হিন্দী ভাষা গ্রহণ কৰা হৈছে। গতিকে কেন্দ্র আৰু ৰাজ্য চৰকাৰৰ মাজত চলা সকলো চৰকাৰী পত্রালাপ আৰু সাধাৰণ নাগৰিকৰ সংযোগ স্থাপনৰ মাধ্যম হিচাপে হিন্দীৰ ব্যৱহাৰ। হিন্দী ভাষাই জাতীয় একতা আৰু ভ্রাতৃত্ববোধৰ পৃষ্ঠপোষকতা কৰিব।
  - যদি উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহৰ পাঠ্যক্রমৰ পৰা ইংৰাজী ভাষাটো আঁতৰোৱা হয়, তেন্তে ই ভাৰতীয় শিক্ষা ব্যৱস্থাত ক্ষতিকাৰক প্রভাৱ পেলাব।
- **উচ্চতৰ মাধ্যমিক শিক্ষা ব্যৱস্থাৰ পাঠ্যক্রম ঃ** আয়োগে দেশত প্রচলিত উচ্চতৰ মাধ্যমিক শিক্ষাৰ পাঠ্যক্রমক সংকীর্ণ, কিতাপকেন্দ্রিক, ব্যক্তিত্ব বিকাশৰ বাবে অনুপযোগী আৰু পৰীক্ষাকেন্দ্রিক বুলি অভিহিত কৰিছিল। এই বিষয়ত আয়োগৰ পৰামর্শসমূহ আছিল এনেধৰণৰ-
  - পাঠ্যক্রম প্রস্তুতৰ নীতিয়ে অভিজ্ঞতাৰ সামগ্রিকতা প্রতিফলিত কৰা উচিত। ইয়াত বৈচিত্র্যতা আৰু নমনীয়তা, মুখ্য বিষয়, সামূহিক জীৱনৰ সৈতে সম্পর্ক থকা বিষয়, অৱসৰৰ সময় ব্যৱহাৰ কৰাৰ নিয়ম আৰু বিষয়বোৰৰ মাজত থকা আন্তঃসম্পর্কৰ ধাৰণা অন্তর্ভুক্ত হ'ব লাগে।
  - মাধ্যমিক অথবা জ্যেষ্ঠ বুনিয়াদী বিদ্যালয়সমূহৰ পাঠ্যক্রম প্রস্তুতকাৰী আঁচনিৰ ইংৰাজী, সমাজ অধ্যয়ন, সাধাৰণ বিজ্ঞান, গণিত, কলা আৰু সংগীত, হস্তশিল্প আৰু শাৰীৰিক শিক্ষাক স্থান দিব লাগে।
  - উচ্চ আৰু উচ্চতৰ মাধ্যমিক পর্যায়ৰ পাঠ্যক্রম প্রস্তুতকাৰী আঁচনিৰ মাতৃভাষা অথবা আঞ্চলিক ভাষাক বাধ্যতামূলক বিষয় কৰিব লাগে। ইয়াত মাতৃভাষাত অথবা কোনো এটা ধ্রুপদী ভাষাত অথবা হিন্দীত অথবা হিন্দী মাতৃভাষা নোহোৱাসকলৰ বাবে আন যিকোনো ভাষাত, মাধ্যমিক পর্যায়ত ইংৰাজী নিশিকাসকলৰ বাবে প্রাথমিক স্তৰৰ ইংৰাজী ভাষাত, উচ্চ পর্যায়ৰ ইংৰাজী ভাষাত, হিন্দীৰ বাহিৰে আন যিকোনো এটা আধুনিক ভাৰতীয় ভাষাত, ইংৰাজী আৰু ধ্রুপদী ভাষাৰ বাহিৰে আধুনিক বিদেশী ভাষাত ৰচিত পাঠ্যপুথি থাকিব লাগে।
  - সমাজ অধ্যয়নৰ পাঠ্যক্রম কেৱল প্রথম দুটা বছৰতহে থাকিব।
  - সাধাৰণ বিজ্ঞান আৰু গণিত কেৱল প্রথম দুটা বছৰতহে থাকিব।
  - দহটা বিষয়ৰ মাজৰ পৰা শিক্ষার্থীয়ে এটা হস্তশিল্প শিকিব পাৰিব। যেনে-সূতা কটা আৰু তাঁত বোৱা, কাঠৰ কাম, ধাতুৰ কাম, মৃৎশিল্প ইত্যাদি।
  - সাতটা গোটত বিকল্প বিষয়বোৰ ভগোৱা হ'ব- কলা, বিজ্ঞান, কাৰিকৰী বিষয়, বাণিজ্য, কৃষি, সুকুমাৰ কলা আৰু গার্হস্থ্য বিজ্ঞান (বিশেষভাৰে ছাত্রীৰ বাবে)।
- **পাঠ্যপুথি সন্দর্ভত আয়োগৰ পৰামর্শ ঃ** আয়োগে এখন উচ্চ ক্ষমতাসম্পন্ন আৰু স্বতন্ত্র পাঠ্যপুথি সমিতি গঠনৰ পৰামর্শ দিছিল। ইয়াৰ মুখ্য উদ্দেশ্য হ'ব পাঠ্যপুথিৰ মান উন্নত কৰা। সমিতিয়ে পাঠ্যপুথি প্রকাশত ব্যৱহাৰ কৰা কাগজৰ বিক্রী, চিত্রাংকন, ছপা আৰু গাঁথনিক আর্হি সম্পর্কে স্পষ্ট নীতি-নির্দেশনা যুগুত কৰিব। পাঠ্যপুথিৰ উপৰি সাধাৰণ অধ্যয়নৰ বাবে প্রকাশিত কিতাপবোৰো উচ্চমানৰ হ'ব লাগিব। প্রকাশিত পুথি বিক্রীৰ কৰা ধনেৰে এটা পুঁজি গঠন কৰা হ'ব। সেই ধনেৰে শিক্ষার্থীক জলপানি দিয়া, শিক্ষার্থীক কিতাপ যোগান ধৰা আৰু অন্য সা-সুবিধা আগবঢ়োৱা হ'ব। সঘনাই পাঠ্যপুথি আৰু অন্য কিতাপ সলনি

কৰাৰ কামটোক আয়োগে বাধা দিছিল।

- **শিক্ষণৰ পদ্ধতি ঃ** আয়োগে শিক্ষণ পদ্ধতিক সর্বাধিক গুৰুত্ব দিছিল। ফলপ্রসূ ধৰণে জ্ঞান বিলাব পাৰিলে শিক্ষার্থীৰ মনত প্রত্যাশিত মূল্যবোধ আৰু উপযুক্ত মনোভাৰ জগাই তুলিব পাৰি। শিক্ষার্থীয়ে এনে শিক্ষাৰ দ্বাৰা কর্ম অভ্যাসৰ গৰাকী হয়। বিদ্যালয় শিক্ষাৰ অনুশীলনত কার্যকলাপ আৰু প্রকল্প পদ্ধতিৰ নীতি অৱলম্বন কৰা উচিত। শিক্ষণ পদ্ধতিৰে শিক্ষার্থীক অধ্যয়নৰ কৌশলসমূহৰ প্রশিক্ষণ দিয়া উচিত। তেতিয়াহে তেওঁলোকে স্ব-অধ্যয়নৰ সময়ত আর্জিত জ্ঞান প্রয়োগ কৰিবলৈ শিকিব। এটা সুসজ্জিত সাধাৰণ গ্রন্থাগাৰ, বিষয় অনুসৰি কিতাপ থকা গ্রন্থাগাৰ, প্রশিক্ষণপ্রাপ্ত গ্রন্থাগাৰিক আদিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আৱশ্যকীয় অংশ বুলি ধৰা হয়।
- **পৰীক্ষা ব্যৱস্থা ঃ** আয়োগে পৰামর্শ দিছিল যে বস্তুনিষ্ঠ প্রশ্নৰ পৰীক্ষা ব্যৱস্থাৰ প্রচলন ঘটাই বাহ্যিক প্রকৃতিৰ পৰীক্ষাৰ সংখ্যা কম কৰা উচিত। প্রতিগৰাকী শিক্ষার্থীৰ অগ্রগতি লিপিৰদ্ধ কৰি বিদ্যালয় ৰেক'র্ড ৰখাৰ ব্যৱস্থা কৰা উচিত। উচ্চতৰ মাধ্যমিক পর্যায়ৰ পাঠ্যক্রম অন্ত পৰাৰ পাছত মাত্র এটা চূড়ান্ত পৰীক্ষা পতা উচিত।
- **বিদ্যালয় প্রশাসন ঃ** আয়োগে বিদ্যালয়সমূহক স্ব-শাসিত কৰাৰ পৰামর্শ দিছিল। শ্রেণীকোঠাবোৰত 'হাউচ চিষ্টেম' প্রৱর্তন কৰি 'প্রিফেক্ট' আৰু 'মণিটৰ' নিযুক্তি দিয়াৰ কথা কোৱা হৈছিল। শিক্ষার্থীক নিজৰ আচাৰ সংহিতা প্রস্তুত আৰু প্রৱর্তন কৰাৰ সুবিধা দিব লাগে। শিক্ষকে শিক্ষার্থীক চৰিত্র গঠনৰ শিক্ষা দিব, শিক্ষার্থীৰ সৈতে ওতঃপ্রোত সম্পর্ক ৰক্ষা কৰিব আৰু পাঠ্যক্রম বর্হিভূত গঠনমূলক কার্যকলাপক দিক্-নির্দেশনা প্রদান কৰিব। শিক্ষার্থীয়ে স্বৈচ্ছিকভাৱে ধর্মীয় আৰু নৈতিক জ্ঞানৰ শিক্ষা ল'ব পাৰিব। বিদ্যালয়ৰ নিয়মীয়া পাঠদান শেষ হোৱাৰ পাছত এনে শ্রেণীসমূহ বহিব। বিদ্যালয়ত সৌহার্দমূলক পৰিৱেশ বিৰাজ কৰিলে শিক্ষার্থীৰ সুচৰিত্র গঠন হয়। বিদ্যালয়ত শিক্ষার্থীৰ সঞ্চয়ী ৰেক'র্ড ৰখাৰ ব্যৱস্থা থকা উচিত।
- **দিক্-নির্দেশনা আৰু পৰামর্শদান ঃ** আয়োগৰ পর্যবেক্ষণত ধৰা পৰিছিল যে শৈক্ষিক দিক্-নির্দেশনা প্রদানৰ ব্যৱস্থাটো উন্নত কৰাত অধিক মনোযোগৰ প্রয়োজন হৈছে। বিভিন্ন বৃত্তি আৰু উদ্যোগৰ পৰিসৰ, প্রকৃতি আৰু তাৎপর্য বুজাত শিক্ষার্থীৰ দক্ষতা বৃদ্ধি কৰিবলৈ কথাছবি আদি প্রদর্শন কৰিব লাগিব। উচ্চতৰ মাধ্যমিক বিদ্যালয়বোৰত প্রশিক্ষণপ্রাপ্ত দিক্-নির্দেশক বিষয়া আৰু কর্মসংস্থাপনৰ পথ বাছনি কৰাত সহায় কৰা শিক্ষক নিযুক্তি দিব লাগিব। চৰকাৰে এনে লোকক প্রশিক্ষণ দিবলৈ প্রশিক্ষণ কেন্দ্র স্থাপন কৰিব লাগিব।
- **শিক্ষার্থী কল্যাণ ঃ** শিক্ষার্থীৰ কল্যাণ সাধন কৰিবলৈ আয়োগে কেইবাটাও পৰামর্শ আগবঢ়াইছিল। আয়োগে প্রতি বছৰে শিক্ষার্থীসকলৰ সম্পূর্ণ স্বাস্থ্য পৰীক্ষাৰ দিহা কৰাৰ কথা কৈছিল। প্রতিখন ৰাজ্যৰে শিক্ষার্থীয়ে লাভ কৰা চিকিৎসা সেৱাৰ অৱস্থা পৰীক্ষা কৰি চোৱা উচিত বুলিও আয়োগে পৰামর্শ দিছিল। শিক্ষকসকলৰ কিছুমানক প্রাথমিক চিকিৎসা সেৱাৰ নীতি আৰু শাৰীৰিক শিক্ষাৰ প্রশিক্ষণ দিয়া উচিত। শাৰীৰিক শিক্ষাদান কৰাসকলে মানৱ শৰীৰ বিজ্ঞন আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ শিক্ষা দিয়া উচিত। এইবোৰ বিষয়ৰ প্রশিক্ষণ দিবলৈ সক্রিয় মহাবিদ্যালয়সমূহত আসনৰ লগতে আন সা-সুবিধা বৃদ্ধি কৰা আৰু নতুন মহাবিদ্যালয় স্থাপন কৰা উচিত।
- **শিক্ষক প্রশিক্ষণ ঃ** আয়োগে কৈছিল যে সমগ্র দেশতে শিক্ষক বাছনি আৰু নিযুক্তি প্রক্রিয়া একে হোৱা উচিত। ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰে অধ্যক্ষ সহিতে গঠিত এখন সমিতিৰ জৰিয়তে শিক্ষক বাছনি কৰিব। যিমানদূৰ সম্ভৱ এবছৰীয়া প্র'বেছন (শিক্ষানবিচ) কাল ৰাখি প্রশিক্ষণপ্রাপ্ত শিক্ষক বাছনি কৰা উচিত। একে অর্হতা থকা শিক্ষকৰ দৰমহা একে হোৱা উচিত। মাধ্যমিক স্তৰৰ শিক্ষকসকল প্রশিক্ষণপ্রাপ্ত স্নাতক আৰু উচ্চতৰ মাধ্যমিক পর্যায়ৰ শিক্ষকসকলৰ অর্হতা মধ্যৱর্তী মহাবিদ্যালয় স্তৰৰ শিক্ষকৰ সমপর্যায়ৰ হোৱা উচিত। শিক্ষকসকলৰ বাবে সকলো ৰাজ্যতে পেন্সন, প্র'ভিডেন্ট ফাণ্ড আৰু বীমাৰ ত্রি-সুবিধাযুক্ত ব্যৱস্থাৰ প্রচলন ঘটোৱা উচিত। শাৰীৰিকভাৱে সুস্থ আৰু দক্ষ শিক্ষকক ৬০ বছৰলৈকে কাম কৰাৰ সুবিধা দিয়া উচিত। শিক্ষকৰ আপীল, অভিযোগ আৰু অনুশাসনমূলক বিষয় সমাধান কৰিবলৈ বিদ্যালয়মূহত একোখন অভিযোগ বোর্ড থকা উচিত।

- **বিত্ত ঃ** আয়োগে কৈছিল যে দেশৰ উচ্চতৰ মাধ্যমিক পর্যায়ৰ শিক্ষা উন্নত কৰিবলৈ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত সহযোগিতামূলক সম্বন্ধ থকা উচিত। এই স্তৰত কাৰিকৰী আৰু বৃত্তিমুখী শিক্ষাৰ অগ্রগতিৰ বাবে এটা ঔদ্যোগিক শিক্ষা পুঁজি গঠন আৰু এনে ধনৰ সদ্ব্যৱহাৰ হোৱা উচিত। ৰেলৱে' সংযোগ, ডাকসেৱা আৰু টেলিগ্রাফ সেৱাৰ দৰে বিভাগে সংগ্রহ কৰা ৰাজহৰ এটা অংশ কাৰিকৰী শিক্ষাৰ পোষকতাকাৰী কাম-কাজত ব্যৱহাৰ কৰিব পৰাকৈ উপলব্ধ কৰোৱা উচিত। ৰাজ্য চৰকাৰসমূহে বিদ্যালয় স্থাপনৰ বাবে মাটিৰ ব্যৱস্থা কৰি দিয়া উচিত। এনে মাটিত বিনামূলীয়াকৈ খেলপথাৰ, ভৱন আৰু কৃষি পাম নির্মাণৰ সুবিধা কৰি দিয়া উচিত।

৯.৪.৩ আয়োগৰ পৰামর্শৱলীৰ মূল্যায়ন

শিক্ষা ব্যৱস্থাৰ এটা গুৰুত্বপূর্ণ পর্যায় হ'ল উচ্চতৰ মাধ্যমিক শিক্ষা। এই শিক্ষা ব্যৱস্থা উন্নত কৰাৰ উদ্দেশ্যেৰে গঠিত আয়োগৰ দিহা-পৰামর্শক ভাৰতীয় উচ্চতৰ মাধ্যমিক শিক্ষা ব্যৱস্থাৰ 'বাইবেল' বুলি অভিহিত কৰা হয়। আয়োগৰ পৰামর্শ মতে ভাৰত চৰকাৰে শিক্ষা ব্যৱস্থাটোৰ উন্নতিৰ বাবে বহুতো নতুন আঁচনি প্ৰৱর্তন কৰিছিল। উচ্চতৰ মাধ্যমিক শিক্ষা আয়োগ, ১৯৫২-৫৩ হ'ল দেশৰ এই পর্যায়ৰ শিক্ষা ব্যৱস্থাটোত থকা সমস্যাসমূহৰ বিস্তৃত মূল্যায়ন কৰা এখন তাৎপর্যপূর্ণ আয়োগ। আয়োগে ব্যৱস্থাটোৰ লক্ষ্য আৰু উদ্দেশ্যৰ পুনঃঅভিবিন্যাসকৰণৰ প্রয়োজনীয়তাত জোৰ দিছিল। আয়োগে এই পর্যায়ৰ শিক্ষার্থীক ব্যৱহাৰিক শিক্ষাৰে শিক্ষিত কৰি তুলিবলৈ গণতান্ত্রিক নাগৰিকত্ব, বৃত্তিমুখী দক্ষতা উন্নতকৰণ, ব্যক্তিত্বৰ বিকাশ আদিৰ দৰে নানা লক্ষ্য বান্ধি লোৱাত জোৰ দিছিল। ভাৰতৰ আধুনিক উচ্চতৰ মাধ্যমিক পর্যায়ৰ শিক্ষাত এই কথাবোৰ যুক্ত কৰা হৈছে।

আয়োগে আগবঢ়োৱা পৰামর্শমতে দেশৰ কেইবাখনো ৰাজ্যত উচ্চতৰ মাধ্যমিক শিক্ষাৰ নতুন আর্হি প্রচলিত হৈছে। অৱশ্যে আয়োগে পৰামর্শ দিয়াৰ দৰে এই পর্যায়ৰ শিক্ষা ৪ বছৰীয়া নকৰি ৩ বছৰীয়া কৰা হৈছে। ভাৰত চৰকাৰে লোৱা সিদ্ধান্ত অনুসৰি উচ্চতৰ মাধ্যমিক শিক্ষাৰ নতুন আর্হিটো এনেধৰণৰ-

- ৮ বছৰীয়া সংহত প্রাথমিক (বুনিয়াদী) শিক্ষা। এই পর্যায়ত সাধাৰণতে ৬-১৪ বছৰীয়া শিক্ষার্থী গোটটোক ধৰা হয়।
- ৩ বছৰীয়া উচ্চতৰ মাধ্যমিক শিক্ষা। এই পর্যায়ত পাঠ্যক্রমসমূহ ভিন্নমুখী হ'ব। ১৪-১৭ বছৰীয়া শিক্ষার্থী গোটটোক ধৰা হয়।
- উচ্চতৰ মাধ্যমিক শিক্ষা সমাপ্ত কৰাৰ পাছত ৩ বছৰীয়া বিশ্ববিদ্যালয় শিক্ষা। ইয়াৰ দ্বাৰা শিক্ষার্থীয়ে প্রথমটো প্রথমটো শৈক্ষিক ডিগ্রী আহৰণ কৰিব।

আয়োগে এই শিক্ষাৰ নিয়ন্ত্রণ বিশ্ববিদ্যালয়ৰ হাতৰ পৰা নি বিশেষভাৱে গঠিত উচ্চতৰ মাধ্যমিক শিক্ষা বোর্ডক অর্পণ কৰাৰ পৰামর্শ দিছিল। এই বোর্ডসমূহে উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষা পতাৰ দায়িত্ব লাভ কৰিছিল। আয়োগৰ পৰামর্শ অনুসৰি উচ্চতৰ মাধ্যমিক পর্যায়ৰ শিক্ষাৰ শিক্ষাদান তথা পৰীক্ষা পতাৰ মাধ্যম হিচাপে আঞ্চলিক ভাষা ব্যৱহাৰ কৰা হয়।

আয়োগে আগবঢ়োৱা আন কিছুমান গুৰুত্বপূর্ণ পৰামর্শ আছিল শিক্ষণৰ মান উন্নত কৰা, শিক্ষকৰ বাবে প্রশিক্ষণৰ ব্যৱস্থা কৰা, মাধ্যমিক বিদ্যালয়ত কাৰিকৰী শিক্ষাৰ প্রচলন কৰা, উচ্চতৰ মাধ্যমিক পর্যায়ৰ শিক্ষাৰ সময়সীমা আৰু এবছৰ বৃদ্ধি কৰা, প'লিটেকনিক শিক্ষানুষ্ঠানৰ সুবিধা গঢ়া, কুটীৰ শিল্পানুষ্ঠান প্রতিষ্ঠা কৰা, বাণিজ্যিক শিক্ষা সম্প্রসাৰিত কৰা আদিষ সামগ্রিকভাৱে এই কথাবোৰে দেশৰ উচ্চতৰ মাধ্যমিক শিক্ষাক এক নতুন অভিবিন্যাসেৰে সজাই তুলিছিল। CABE ৰ অধ্যক্ষই ১৯৫৩ চনত বিভিন্ন আচনি কার্যৰূপায়িত কৰিবলৈ এখন বিশেষ কার্যৰূপায়ণ সমিতি গঠন কৰিছিল। এই সমিতিখনে দেশত বহুমুখী বিদ্যালয় স্থাপন, শিক্ষক প্রশিক্ষণ, বিদ্যালয়ৰ গ্রন্থাগাৰসমূহৰ অৱস্থা উন্নতকৰণ, সক্রিয় হৈ থকা বিদ্যালয়সমূহৰ শিক্ষণৰ মান উন্নতকৰণ আদি কাম কৰিছিল।

উচ্চতৰ মাধ্যমিক শিক্ষা আয়োগৰ পৰামর্শৰ আন এটা তাৎপর্যপূর্ণ সুফল আছিল ১৯৫৫ চনত গঠিত

সৰ্বভাৰতীয় উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদ। ইয়াৰ প্ৰধান কাম হ'ল নিয়মীয়াকৈ উচ্চতৰ মাধ্যমিক শিক্ষাৰ অগ্ৰগতি পুনৰীক্ষণ কৰা। ইয়াৰ উপৰি পৰিষদে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক উচ্চতৰ মাধ্যমিক শিক্ষাৰ উন্নতি তথা সম্প্ৰসাৰণৰ বাবে পৰামৰ্শ দিয়ে।

আয়োগে প্ৰতিখন ৰাজ্যতে একোটাকৈ শৈক্ষিক আৰু বৃত্তিমুখী দিক্-নিৰ্দেশনা প্ৰদানৰ বাবে ব্যুৰ' গঠনৰো পৰামশ দিছিল। ই উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ্থীৰ বিশেষ বৃত্তিমুখী প্ৰয়োজন পূৰণ কৰিব বুলি কোৱা হৈছিল। ১৯৫৪ চনৰ অক্টোবৰ মাহত চৰকাৰে এই ব্যুৰ'সমূহ স্থাপন কৰিছিল।

ওপৰৰ আলোচনাৰ পৰা এয়া স্পষ্ট হ'ল যে আয়োগৰ পৰামৰ্শসমূহে পাঠ্যক্ৰমৰ ভিন্নমুখীতা, পৰীক্ষা আৰু মূল্যাংকন ব্যৱস্থাৰ সংস্কাৰ সাধন, উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ সম্প্ৰসাৰণ আদিৰ দৰে বিষয়ত জোৰ দিছিল। এই পৰামৰ্শসমূহ সময়োপযোগী আছিল আৰু নৱভাৰতৰ শৈক্ষিক প্ৰয়োজনীয়তাবোৰ পূৰ কৰাৰ প্ৰতিশ্ৰুতি বহন কৰিছিল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ উচ্চতৰ মাধ্যমিক শিক্ষা আয়োগ কেতিয়া গঠন কৰা হৈছিল আৰু ইয়াৰ অধ্যক্ষ কোন আছিল?

.....

প্ৰশ্ন নং ৬ঃ উচ্চতৰ মাধ্যমিক শিক্ষা আয়োগ, ১৯৫২ -ই এই শিক্ষাৰ লক্ষ্য কি হ'ব লাগে বুলি কৈছিল?

.....

৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৯৪৭ চনত ভাৰতে স্বাধীনতা লাভ কৰা পাছত চৰকাৰে শিক্ষা খণ্ডৰ বিকাশ আৰু অগ্ৰগতিৰ বাবে হাতত লোৱা প্ৰথম কামবোৰৰ এটা আছিল বিশ্ববিদ্যালয় শিক্ষা আয়োগ গঠন। উচ্চ শিক্ষা ব্যৱস্থাটোক নতুন ৰূপ দিয়াৰ প্ৰথম প্ৰচেষ্টা হিচাপে ১৯৪৮ চনত এই আয়োগ গঠন কৰা হৈছিল। বিদগ্ধ পণ্ডিত-দাৰ্শনিক ড° সৰ্বেপল্লী ৰাধাকৃষ্ণন আছিল এই আয়োগৰ অধ্যক্ষ।
- স্বাধীনোত্তৰ ভাৰতৰ বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষাৰ বিকাশত এই আয়োগৰ পৰামৰ্শাৱলীক তাৎপৰ্যপূৰ্ণ দিক্-নিৰ্দেশক বুলি গণ্য কৰা হয়।
- ৰাধাকৃষ্ণন আয়োগে বিশ্ববিদ্যালয় শিক্ষা সন্দৰ্ভত নিজৰ পৰামৰ্শ আগবঢ়োৱাৰ আগতে সমগ্ৰ দেশৰ বিশ্ববিদ্যালয় শিক্ষাৰ পৰিস্থিতিটো নিজাববীয়কৈ অধ্যয়ন কৰিছিল। ইয়াৰ বাবে আয়োগৰ সদস্যসকলে সমগ্ৰ ভাৰত ভ্ৰমণ কৰিছিল আৰু বিভিন্ন বিশ্ববিদ্যালয়ৰ পৰ স্মাৰক পত্ৰ গ্ৰহণ কৰিছিল। এই স্মাৰক পত্ৰসমূহে আয়োগৰ বাবে সঁহাৰিৰ ভূমিকা লৈছিল আৰু ইয়াৰ ভিত্তিতে বিশ্ববিদ্যালয় শিক্ষাৰ বিভিন্ন দিশৰ বাবে পৰামৰ্শ যুগুত কৰা হৈছিল।
- বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ প্ৰতিবেদনখন অধ্যয়ন কৰি নাইক আৰু নুৰুল্লাই কৈছিল, '১৯৪৯ চন দাখিল কৰা আয়োগৰ প্ৰতিবেদনখন অত্যন্ত তাৎপৰ্যপূৰ্ণ আছিল। ই স্বাধীনোত্তৰ ভাৰতত বিশ্ববিদ্যালয় শিক্ষাৰ বিকাশত পথ-প্ৰদৰ্শকৰ ভূমিকা লৈছিল।'
- ভাৰতৰ প্ৰথমগৰাকী ৰাষ্ট্ৰপতি ড° ৰাজেন্দ্ৰ প্ৰসাদে কৈছিল যে দেশৰ শিক্ষাৰ লগত জড়িত বিষয়-কথাবোৰৰ সজ্জাটোত মৌলিক পৰিৱৰ্তন সাধনৰ আৱশ্যকতাক স্বীকৃতি দিয়াটোতে বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ প্ৰকৃত মূল্য নিহিত আছে। দেশে ইয়াৰ আধাৰতে শৈক্ষিক সমস্যাবোৰৰ সমাধান বাহিৰ কৰাৰ চেষ্টা আৰম্ভ কৰিছিল।
- ১৯৪৮ চনত শিক্ষাৰ কেন্দ্ৰীয় উপদেষ্টা বোৰ্ড (CABE) এ ইয়াৰ চতুৰ্দশ অধিৱেশনত দেশৰ উচ্চতৰ

মাধ্যামিক পর্যায়ৰ শিক্ষাৰ সাম্প্রতিক দশা পৰীক্ষা কৰি প্রয়োজনীয় দিহা-পৰামর্শ দিবলৈ এখন আয়োগ গঠন কৰাৰ বাবে কেন্দ্রীয় চৰকাৰক পৰামর্শ দিছিল। এই পৰামর্শ অনুসৰি কেন্দ্রীয় চৰকাৰে ১৯৫২ চনৰ ২৩ চেপ্টেম্বৰৰ সিদ্ধান্ত নং F9-5/52-B-1 ৰ জৰিয়তে উচ্চতৰ মাধ্যমিক শিক্ষা আয়োগ গঠন কৰিছিল।

- ৰাষ্ট্ৰ এখনৰ উৎপাদনশীলতা উন্নত হ'লেহে ৰাষ্ট্ৰখনৰ উন্নয়ন সাধন হয়। শিক্ষা আয়োগে এই উৎপাদনশীলতা বৃদ্ধিৰ বাবে উচ্চতৰ মাধ্যমিক পর্যায়ৰ শিক্ষার্থীৰ বৃত্তিমুখী (Vocational) কর্মদক্ষতা বৃদ্ধিত জোৰ দিছিল।
- উচ্চতৰ মাধ্যমিক শিক্ষা আয়োগ, ১৯৫২-৫৩ ৰ সদস্যসকলে লক্ষ্য কৰিছিল যে ইয়াৰ পূৰৱর্তী আয়োগসমূহে দিয়া পৰমর্শবোৰ কার্যৰূপায়িত কৰা হোৱা নাই। এই আয়োগখনে নিজৰ পৰামর্শসমূহ বাস্তৱ হোৱাটো চাব বিচাৰিছিল। সেয়েহে আয়োগে নিজৰ পৰামর্শসমূহক হ্রস্বম্যাদী ৰূপত উপস্থাপন কৰিছিল। আয়োগে ইয়াকো কৈছিল যে পৰামর্শাৱলী পুনৰীক্ষণ কৰাৰ প্রয়োজনীয়তা আছে। কিন্তু গ্রহণ কৰা পৰামর্শাৱলী এছোৱা নির্দিষ্ট সময়ৰ বাবে স্থিৰ হৈ থকা উচিত।
- শিক্ষা ব্যৱস্থাৰ এটা গুৰুত্বপূর্ণ পর্যায় হ'ল উচ্চতৰ মাধ্যমিক শিক্ষা। এই শিক্ষা ব্যৱস্থা উন্নত কৰাৰ উদ্দেশ্যেৰে গঠিত আয়োগৰ দিহা-পৰামর্শক ভাৰতীয় উচ্চতৰ মাধ্যমিক শিক্ষা ব্যৱস্থাৰ 'বাইবেল' বুলি অভিহিত কৰা হয়। আয়োগৰ পৰামর্শ মতে ভাৰত চৰকাৰে শিক্ষা ব্যৱস্থাটোৰ উন্নতিৰ বাবে বহুতো নতুন আঁচনি প্রৱর্তন কৰিছিল।

৯.৬ অধিক জানিবলৈ

১) Aggarwal, J.C. (2005). *History of Modern Indian Education*. New Delhi: Vikas Publishing House Pvt.Ltd.

২) Dash, B.N. (2014). *History of Education in India*. New Delhi: Dominant Publishers and Distributors Pvt. Ltd.

৩) Thakur, A.S. and Thakur, A. (2015). *Development of Education System in India: Problems and Prospects*. Agra: Agarwal Publications.

৯.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ ১৯৪৮, ড° সর্বপল্লী ৰাধাকৃষ্ণন।

২ নং প্রশ্নৰ উত্তৰঃ নিজৰ সাংস্কৃতিক পৃষ্ঠভূমিক বাদ দি কোনো সমাজে উপযুক্ত ধৰণে বিকশিত হ'ব নোৱাৰে। ইয়াৰ বাবে উচ্চতম পর্যায়ৰ শিক্ষাবোৰৰ আর্হি এনে হ'ব লাগে যিটোৱে দেশৰ সাংস্কৃতিক ঐতিহ্য অহৰহ পুনঃসৃষ্টি কৰি থাকিব পাৰে। ভাৰতীয় শিক্ষাৰ আর্হিয়ে কেৱল পশ্চিমীয়া সংস্কৃতি, বিজ্ঞান আৰু সাহিত্যক ইয়াৰ আধাৰ কৰি লোৱা অনুচিত।

৩ নং প্রশ্নৰ উত্তৰঃ ১২ বছৰীয়া, ৩ বছৰীয়া।

৪ নং প্রশ্নৰ উত্তৰঃ আয়োগৰ মতে মহিলাসকল শিক্ষিত নোহোৱালৈকে শিক্ষিত জনসংখ্যাৰ ধাৰণাটো বাহুল্য কৰি তুলিব পৰা নাযাব। এই উদ্দেশ্য সিদ্ধি কৰিবলৈ আয়োগে পৰামর্শ দিছিল যে কন্যাশিশুৰ শিক্ষাৰ ধাৰণাটোক গৃহ ব্যৱস্থাপনাৰ সমস্যাৰ সৈতে যুক্ত কৰি সকলোৱে বুজি পোৱা ৰূপ এটা দিয়া উচিত। মহিলা আৰু কন্যা শিশুৱে আৱশ্যকীয় অর্হতা-যোগ্যতা আহৰণ কৰিবলৈ দক্ষতা বিকাশ কৰিব লাগিব। মহিলাসকলক শিশু গৃহ আৰু নার্চাৰী বিদ্যালয়সমূহত 'পৰীক্ষাগাৰভিত্তিক অভিজ্ঞতা' জমা কৰাৰ সুবিধা দিব লাগিব। মহিলাৰ বাবে গৃহ অর্থনীতি, নার্চিং, শিক্ষণ, সুকুমাৰ কলা আদিৰ দৰে বিষয়ৰ পাঠ্যক্রম প্রস্তুত কৰা উচিত। আয়োগে কৈছিল যে সাধাৰণভাৱে মহিলা শিক্ষার্থীসকলক

সাধাৰণ সমাজত নিজৰ স্বাভাৱিক স্থান সম্পৰ্কে সজাগ কৰি তোলাৰ প্ৰয়োজনীয়তা আছে। তেওঁলোকে মহিলা আৰু নাগৰিক হিচাপে সমাজত নিজৰ স্থান বুজি পোৱা উচিত।

৫ নং প্ৰশ্নৰ উত্তৰঃ ১৯৫২, ড° এ. লক্ষ্মণাস্বামী মুডালিয়াৰ

৬ নং প্ৰশ্নৰ উত্তৰঃ উচ্চতৰ মাধ্যমিক শিক্ষা আয়োগ, ১৯৫২ ৰ মতে এই পৰ্যায়ৰ শিক্ষাৰ লক্ষ্য হ'ল-

- শিক্ষাৰ্থীৰ গুণৰ বিকাশ, সৃজনশীল নাগৰিক হ'বলৈ প্ৰয়োজনীয় বৈশিষ্ট্যৰ বিকাশ
- বৃত্তিমুখী কাৰ্যদক্ষতা গঢ়াৰ প্ৰয়াস
- ব্যক্তিত্বৰ বিকাশ
- নেতৃত্বৰ প্ৰশিক্ষণ।

? ৯.৮ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (প্ৰায় ১৫০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ বিশ্ববিদ্যালয় শিক্ষা আয়োগ, ১৯৪৮ ৰ যিকোনো ছটা পৰামৰ্শদান ক্ষমতা উল্লেখ কৰক।

প্ৰশ্ন ২ঃ বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ পৰামৰ্শাৱলী চমুকৈ উল্লেখ কৰি বিশ্ববিদ্যালয়ৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে আয়োগে কি কৈছিল লিখক।

প্ৰশ্ন ৩ঃ বৃত্তিজীৱি আৰু বৃত্তিমুখী শিক্ষা সন্দৰ্ভত বিশ্ববিদ্যালয় শিক্ষা আয়োগে কি পৰামৰ্শ আগবঢ়াইছিল?

প্ৰশ্ন ৪ঃ উচ্চতৰ মাধ্যমিক শিক্ষা আয়োগ গঠনৰ আঁৰত থকা কেইটামান প্ৰধান কাৰণ উল্লেখ কৰক।

প্ৰশ্ন ৫ঃ গণতান্ত্ৰিক নাগৰিকত্ব আৰু বিশ্ব নাগৰিকত্বৰ ধাৰণা বিকাশ কৰিবলৈ উচ্চতৰ মাধ্যমিক শিক্ষাই কেনে লক্ষ্য বান্ধি লোৱা উচিত বুলি আয়োগে মত প্ৰকাশ কৰিছিল?

(খ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰায় ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ বিশ্ববিদ্যালয় শিক্ষা আয়োগ, ১৯৪৮ ৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ বৰ্ণনা কৰক।

প্ৰশ্ন ২ঃ উচ্চ শিক্ষা সন্দৰ্ভত ৰাধাকৃষ্ণন আয়োগে কি পৰামৰ্শ আগবঢ়াইছিল?

প্ৰশ্ন ৩ঃ ভাৰতত বিশ্ববিদ্যালয় শিক্ষাৰ বিকাশত ৰাধাকৃষ্ণন আয়োগৰ প্ৰভাৱ আলোচনা কৰক।

প্ৰশ্ন ৪ঃ ভাৰতৰ উচ্চতৰ মাধ্যমিক শিক্ষা উন্নত কৰি তোলাৰ বাবে গঠন কৰা আয়োগে দিয়া পৰামৰ্শসমূহ কি?

প্ৰশ্ন ৫ঃ উচ্চতৰ মাধ্যমিক শিক্ষা ব্যৱস্থাটো পুনঃসংগঠিত কৰিবলৈ মুডালিয়াৰ সমিতিয়ে দিয়া পৰামৰ্শসমূহ আলোচনা কৰক।

প্ৰশ্ন ৬ঃ ভাৰতৰ উচ্চতৰ মাধ্যমিক স্তৰৰ শিক্ষাৰ বিকাশত মুডালিয়াৰ সমিতিৰ পৰামৰ্শাৱলীৰ প্ৰভাৱ মূল্যায়ন কৰক।

*** ***** ***

অধ্যায় ১০ঃ স্বাধীনোত্তৰ যুগত ভাৰতত হোৱা শিক্ষাৰ বিকাশ- III
(শিক্ষা আয়োগ ১৯৬৪- ৬৬ আৰু শিক্ষা বিষয়ক ৰাষ্ট্ৰীয় নীতি, ১৯৬৮)

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ শিক্ষা আয়োগ, ১৯৬৪- ৬৬
  ১০.৩.১ চর্ত আৰু ক্ষমতা
  ১০.৩.২ শিক্ষা আয়োগৰ প্ৰধান পৰামৰ্শাৱলী
  ১০.৩.৩ শিক্ষা আয়োগৰ প্ৰতিবেদনৰ মূল্যায়ন
১০.৪ শিক্ষা বিষয়ক ৰাষ্ট্ৰীয় নীতি, ১৯৬৮
  ১০.৪.১ প্ৰধান বিবেচনাধীন বিষয়
  ১০.৪.২ নীতিৰ মূল্যাংকন
১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৬ অধিক জানিবলৈ
১০.৭ অগ্ৰগতিৰ খতিয়ান
১০.৮ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ১৯৬৪ চনত শিক্ষা আয়োগ গঠন কৰাৰ আঁৰত থকা কাৰণসমূহ আলোচনা কৰিব পাৰিব।
- আয়োগ গঠনৰ চর্ত আৰু আয়োগক দিয়া ক্ষমতাসমূহ বর্ণনা কৰিব পাৰিব
- আয়োগৰ প্ৰধান পৰামৰ্শাৱলী সম্পৰ্কে বুজিব পাৰিব
- ভাৰতীয় শিক্ষা ব্যৱস্থাত আয়োগৰ পৰামৰ্শাৱলীৰ প্ৰভাৱ সমালোচনাত্মক দৃষ্টিভংগীৰে আলোচনা কৰিব পাৰিব
- ১৯৬৮ চনৰ শিক্ষা বিষয়ক ৰাষ্ট্ৰীয় নীতি গঠনৰ পৃষ্ঠভূমি ব্যাখ্যা কৰিব পাৰিব
- ১৯৬৮ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ মূল বিষয়বোৰৰ তালিকা প্ৰস্তুত কৰিব পাৰিব।

১০.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ৰ আলোচনাৰ বিষয় আছিল বিশ্ববিদ্যালয় শিক্ষা বিষয়ক আৰু উচ্চতৰ মাধ্যমিক পর্যায়ৰ শিক্ষা বিষয়ক আয়োগ আৰু ইয়াৰ কাম-কাজ। ভাৰত চৰকাৰে দেশৰ শিক্ষাৰ প্ৰতিটো স্তৰ আৰু দিশ চালিজাৰি চাবলৈ ১৯৬৪ চনৰ আন এখন আয়োগ গঠন কৰিছিল। সেই সময়ত বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC) ৰ অধ্যক্ষ পদত কার্যনির্বাহ কৰি থকা ড° ডি. এচ. কোঠাৰীক এই নতুন আয়োগখনৰ অধ্যক্ষ নির্বাচিত কৰা হৈছিল। তেওঁৰ নামেৰে পাছত এই আয়োগখন 'কোঠাৰী আয়োগ' বুলি জনাজাত হৈছিল। অধ্যক্ষকে ধৰি আয়োগত মুঠ ১৬ গৰাকী সদস্য আছিল। আয়োগৰ সদস্য-সচিব আছিল শ্ৰী জে.পি. নাঈক। তেওঁ সেই সময়ত শিক্ষা পৰিকল্পনা, প্ৰশাসন আৰু বিত্ত বিভাগ (গোখলে ইনষ্টিটিউট অব্ পলিটিক্স এণ্ড ইক'নমিক্স, পুনা)ৰ মুৰব্বী আছিল। ইয়াৰ উপৰি আয়োগত এগৰাকী সহযোগী সচিব আৰু আন ১৪ গৰাকী সদস্য আছিল। দেশী-বিদেশী

সদস্য অন্তর্ভুক্ত কৰা আয়োগত পূর্বৰ চোভিয়েট ইউনিয়নৰ এচ.এ. শ্ৰুম'ভ্স্কী, ইউনেস্ক'ৰ প্রতিনিধি এম.জ্যাঁ থ'মাছ আৰু আমেৰিকা যুক্তৰাষ্ট্রৰ ৰ'জাৰ ৰেভিলে সদস্যৰূপে কার্যনির্বাহ কৰিছিল।

অধ্যায়টিত ১৯৬৮ চনত প্রস্তুত কৰা শিক্ষা বিষয়ক ৰাষ্ট্রীয় নীতিৰ বিষেয়ও আলোচনা কৰা হ'ব।

১০.৩ শিক্ষা আয়োগ, ১৯৬৪-৬৬

কোঠাৰী আয়োগ আছিল ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত গঠন কৰা তৃতীয়খন শিক্ষা আয়োগ। সংখ্যাৰ ফালৰ পৰা ভাৰতীয় শিক্ষা ইতিহাসত ইয়াৰ স্থান ষষ্ঠ। স্বাধীন ভাৰতৰ প্রথম দুখন শিক্ষা আয়োগ আছিল ১৯৪৮ চনত গঠিত বিশ্ববিদ্যালয় শিক্ষা আয়োগ আৰু ১৯৫২ চনত গঠিত উচ্চতৰ মাধ্যমিক শিক্ষা আয়োগ। পূর্বৰ পাঁচখন শিক্ষা আয়োগে ভাৰতীয় শিক্ষাক সামগ্রিকভাৱে বিচাৰ কৰি চোৱা নাছিল। প্রতিখন আয়োগৰে বিচাৰ ক্ষেত্র আছিল কিছুমান বিশেষ দিশ। কোঠাৰী আয়োগৰে বিচাৰ ক্ষেত্র আছিল কিছুমান বিশেষ দিশ। কোঠাৰী আয়োগে দেশৰ শিক্ষা ব্যৱস্থাৰ সকলো দিশ বিচাৰ-বিশ্লেষণ কৰি শিক্ষাৰ ৰাষ্ট্রীয় ব্যৱস্থাটোৰ ক্রমবিকাশ সাধনৰ বাবে ভাৰত চৰকাৰক প্রয়োজনীয় দিহা-পৰামর্শ দিছিল। কোঠাৰী আয়োগৰ আন এটা বৈশিষ্ট্য আছিল ইয়াৰ আন্তর্জাতিক সদস্যেৰে গঠিত সংৰচনাটো। আয়োগত ১১ গৰাকী ভাৰতীয় আৰু ৫ গৰাকী বিদেশ সদস্য আছিল। বিদেশী সদস্যকেইগৰাকী ফ্রান্স, জাপান, ইউনাইটেড কিংড'ম, আমেৰিকা যুক্তৰাষ্ট্রৰ আৰু চোভিয়েট ৰাছিয়াৰ পৰা বাছনি কৰা হৈছিল।

প্রায় ১০০ দিন ধৰি আয়োগৰ সদস্যসকলে ভাৰতৰ ৰাজ্য আৰু কেন্দ্রীয় শাসিত প্রদেশবোৰ ভ্রমণ কৰিছিল। ভ্রমণকালত সদস্যসকলে বিভিন্ন বিশ্ববিদ্যালয়, মহাবিদ্যালয় আৰু বিদ্যালয় পৰিদর্শন কৰিছিল। আয়োগে দেশৰ শিক্ষাবিদ, প্রশাসনীয় কর্তৃপক্ষ, শিক্ষক আৰু শিক্ষার্থীৰ সৈতে নানা ধৰণৰ আলাপ-আলোচনাত মিলিত হৈছিল। শৈক্ষিক আৰু কল্যাণমূলক ক্ষেত্রবোৰত থকা বিভিন্ন সমস্যাৰ তথ্য আহৰণ কৰিবলৈ বিশ্ববিদ্যালয় পর্যায়ৰ শিক্ষার্থীসকলৰ বাবে আয়োগে দুখনকৈ সন্মিলনৰো আয়োজন কৰিছিল। উদ্যোগ, বিজ্ঞান, গৱেষণা আৰু শিক্ষাৰ সৈতে জড়িত বিভিন্ন ব্যক্তিৰ সাক্ষাৎকাৰ লোৱা হৈছিল। নৰ্দ্ধ তথ্য অনুসৰি আয়োগে প্রায় ৯০০০ ব্যক্তিৰ সাক্ষাৎকাৰ লৈছিল। আয়োগে শিক্ষানুষ্ঠান আৰু সংশ্লিষ্ট পক্ষবোৰক দিয়া প্রশ্নাৱলীৰ সঁহাৰিৰূপে লাভ কৰা স্মাৰক পত্র, লিখিত প্রতিবেদন আৰু প্রত্যুত্তৰসমূহ সংগ্রহ কৰিছিল। লৰ্দ্ধ তথ্য অনুসৰি আয়োগৰ হাতত ২৪০০ খনতকৈও অধিক স্মাৰক পত্র আৰু লিখিত টোকা গোট খাইছিল। সন্মিলন আৰু বিশেষ অধ্যায়নৰ আয়োজন কৰা হৈছিল। আয়োগে সমান গুৰুত্ব সহকাৰে ৰাষ্ট্রপতি, উপ-ৰাষ্ট্রপতি, প্রধানমন্ত্রী আৰু শিক্ষামন্ত্রীৰ সৈতে বিভিন্ন আলোচনাত মিলিত হৈছিল। এই আলোচনাবোৰে সকলো পক্ষকে উপকৃত কৰিছিল। কার্যসম্পাদন গোট আৰু কার্যকাৰিণী গোট গঠন কৰি দেশৰ শিক্ষাৰ বিভিন্ন দিশ তন্নকৈ পৰীক্ষা কৰি চোৱা হৈছিল।

১৯৬৪ চনৰ ১ অক্টোবৰৰ পৰা কাম আৰম্ভ কৰা আয়োগে ১৯৬৬ চনৰ ২৯ জুনত ইয়াৰ প্রতিবেদন দাখিল কৰিছিল। আয়োগে নিজৰ কার্যকালত কৰা মুঠ ব্যয়ৰ পৰিমাণ আছিল ১৫ লাখ ৯ হাজাৰ ১৮৫ টকা আৰু ১৬ পইচা।

১০.৩.১ চর্ত আৰু ক্ষমতা

তলত দিয়া চর্ত আৰু ক্ষমতাসমূহৰ ভিত্তিত কোঠাৰী আয়োগে নিজৰ কাম-কাজ আগবঢ়াই নিছিল।

- **শিক্ষাৰ এটা ৰাষ্ট্রীয় ব্যৱস্থাৰ বিকাশ ঃ** আয়োগক দেশৰ শিক্ষাৰ ৰাষ্ট্রীয় ব্যৱস্থাটোৰ ক্রমবিৱর্তন সাধন কাৰিব পৰা সকলো দিশ মূল্যাংকন কৰাৰ দায়িত্ব দিয়া হৈছিল। আয়োগে দেশৰ প্রমূল্য আৰু পৰম্পৰাবোৰ মনত ৰাখি নাগৰিকৰ প্রয়োজন আৰু প্রত্যাশা পূৰাব পৰা ব্যৱস্থা এটাৰ বিকাশৰ পৰিকল্পনা কৰাৰ ভাৰ পাইছিল।
- **শিক্ষাক ৰাষ্ট্রীয় উন্নতি আৰু কল্যাণৰ সোপান কৰ তোলা ঃ** আয়োগক শিক্ষাক দেশৰ উন্নতি আৰু কল্যাণ সাধনৰ প্রধান আহিলা কৰি তোলাৰ আৱশ্যকতাক বাস্তৱ ৰূপ দিয়াৰ দায়িত্ব অর্পণ কৰা হৈছিল।

- **সকলো স্তৰত শিক্ষাৰ গুণগত উৎকর্ষ সাধন কৰা ঃ** দেশত শিক্ষাৰ সংখ্যাগত সম্প্রসাৰণ (শিক্ষানুষ্ঠানৰ বর্দ্ধিত সংখ্যা) ৰ বিপৰীতে গুণগত উৎকর্ষ সাধনৰ প্রচেষ্টা কিয় পিছপৰি ৰৈছে তাৰ কাৰণ পৰীক্ষা কৰিবলৈ আয়োগক দায়িত্ব দিয়া হৈছিল। আয়োগে দেশৰ শিক্ষা ব্যৱস্থাৰ সকলো স্তৰতে গুণগত উৎকর্ষ সাধনকাৰী ৰাষ্ট্রীয় নীতি আৰু কার্যসূচী প্রস্তুত কৰাৰ গুৰুদায়িত্ব লাভ কৰিছিল।
- **দেশৰ শিক্ষা ব্যৱস্থাৰ সামগ্রিক সমীক্ষা ঃ** আয়োগক দেশৰ শিক্ষা ব্যৱস্থাটোৰ বিষয়ে এক বিস্তৃত দৃষ্টিভংগী গঠনৰ আহ্বান জনোৱা হৈছিল আৰু সকলো কাল্পনিক দৃষ্টিভংগী পৰিহাৰ কৰি অৱলোকনমূলক সমীক্ষা চলাবলৈ কোৱা হৈছিল। আয়োগৰ দায়িত্ব আছিল শিক্ষাৰ খণ্ডিত ৰূপবোৰৰ বিচাৰ-বিশ্লেষণ বাদ দি সামগ্রিক ৰূপটো পৰীক্ষা কৰা। দেশৰ সমগ্র শিক্ষা ব্যৱস্থাটোৰ এটা বিস্তৃত পুনৰীক্ষণ কৰাৰ ভাৰ আয়োগে গ্রহণ কৰিছিল।

  আয়োগে ভাৰত চৰকাৰক শিক্ষাৰ ৰাষ্ট্রীয় আর্হি, শিক্ষাৰ সকলো স্তৰ তথা দিশৰ অগ্রগতিৰ বাবে প্রয়োজনীয় সাধাৰণ আদর্শ আৰু নীতি গ্রহণৰ বিভিন্ন পৰামর্শ দিছিল। কোঠাৰী আয়োগে নিজৰ দায়িত্বৰ পৰা চিকিৎসাৰ বিজ্ঞান আৰু আইন শিক্ষাৰ সমস্যাবোৰৰ পৰীক্ষাক বাদ দিছিল। কিন্তু নিজৰ বিস্তৃত অনুসন্ধানৰ সময়ত প্রয়োজনীয় বুলি বিবেচিত হোৱা দিশবোৰ পৰীক্ষা কৰিবলৈ উক্ত শিক্ষাক্ষেত্র দুখনো ব্যৱহাৰ কৰিছিল।

১০.৩.২ শিক্ষা আয়োগৰ প্রধান পৰামর্শাৱলী

কোঠাৰী আয়োগে ভাৰতীয় শিক্ষা ব্যৱস্থাত থকা বিভিন্ন সমস্যা ধৰা পেলাইছিল। ১৯৬৬ চনৰ ২৯ জুনত আয়োগে ইয়াৰ ১৬০০ পৃষ্ঠাৰ প্রতিবেদনখন কেন্দ্রীয় শিক্ষামন্ত্রীৰ হাতত অর্পণ কৰিছিল।

প্রতিবেদনখন চাৰিটা ভাগত ভগোৱা হৈছিল। প্রথম ভাগত দেশৰ শৈক্ষিক উদ্দেশ্য, ৰাষ্ট্রীয় উদ্দেশ্য, শিক্ষা ব্যৱস্থাৰ সংৰচনা, শিক্ষাৰ স্বীকৃত মান, শিক্ষকৰ সামাজিক স্থিতি, শিক্ষকৰ শিক্ষা, নামভর্তি, মানৰ শক্তি, শৈক্ষিক সামাজিক স্থিতি, শিক্ষকৰ শিক্ষা, নামভর্তি, মানৰ শক্তি, শৈক্ষিক সুবিধাবোৰৰ সমতাপূর্ণ প্রয়োগ আদি বিষয় ৰখা হৈছিল। দ্বিতীয় ভাগত বিদ্যালয় পর্যায়ৰ শিক্ষা, ইয়াৰ সম্প্রসাৰণত দেখা দিয়া সমস্যা, বিদ্যালয়ৰ পাঠ্যক্রম, শিক্ষা পদ্ধতি, শিক্ষকৰ দিক্-নির্দেশনা, শিক্ষার্থীৰ মূল্যায়ন, প্রশাসন, পৰিদর্শন, উচ্চতৰ শিক্ষাৰ উদ্দেশ্য, উন্নতি সাধন, বিশ্ববিদ্যালয়ৰ প্রশাসন, কৃষি শিক্ষা, বৃত্তিমুখী শিক্ষা, কাৰিকৰী শিক্ষা, অভিযান্ত্রিক শিক্ষা, বিজ্ঞান শিক্ষা, গৱেষণা আৰু প্রাপ্তবয়স্কৰ শিক্ষা সম্পর্কে আলোচনা কৰা হৈছিল। তৃতীয় ভাগৰ আলোচনাৰ বিষয় আছিল আয়োগৰ পৰামর্শাৱলী প্রযোজ্যকৰণ, শৈক্ষিক পৰিকল্পনা, শৈক্ষিক প্রশাসন আৰু শিক্ষালৈ বিত্ত যোগান। চতুর্থ ভাগটোত কিছুমান পৰিপূৰক পত্র আৰু শৈক্ষিক স্বার্থ জড়িত অন্য প্রাসংগিক তথ্য ৰখা হৈছিল।

আয়োগে আগবঢ়োৱা প্রধান পৰামর্শসমূহ তলত আলোচনা কৰা হ'ল।

- **শিক্ষাৰ ৰাষ্ট্রীয় উদ্দেশ্য ঃ** কোঠাৰী আয়োগৰ পর্যবেক্ষণত ধৰা পৰিছিল যে ভাৰতত সেই সময়ত প্রচলিত শিক্ষা ব্যৱস্থাটো সাম্রাজ্যবাদী প্রশাসনৰ প্রয়োজনীয়তা পূৰণ কৰিব পৰাকৈ সজাই লোৱা হৈছিল। এই ব্যৱস্থাত দেশৰ সামন্তবাদী আৰু পৰম্পৰাগত সমাজবোৰে নানা সীমাৱদ্ধতা আৰোপ কৰি থৈছিল।সেয়েহে শিক্ষা ব্যৱস্থাত আমূল পৰিৱর্তনৰ প্রয়োজন বুলি আয়োগে মন প্রকাশ কৰিছিল। আয়োগে পৰামর্শ দিছিল যে শিক্ষাৰ জীৱনৰ সৈতে, আৱশ্যকতা আৰু প্রত্যাশাৰ সৈতে সম্পর্ক থাকিব লাগে। ভাৰতৰ শিক্ষা ব্যৱস্থাৰ লক্ষ্য কি হোৱা উচিত সেই সন্দর্ভত আয়োগে আগবঢ়োৱা পৰামর্শসমূহ তলত আলোচনা কৰা হ'ল।
- **শিক্ষা আৰু উৎপাদনশীলতা ঃ** কোঠাৰী আয়োগে উপলব্ধি কৰিছিল যে দেশৰ অর্থনৈতিক উন্নয়ণৰ দ্রুত কৰি তুলিবলৈ শিক্ষাক উৎপাদনশীলতাৰ সৈতে যুক্ত কৰিব লাগিব। শিক্ষাৰ সম্প্রসাৰণে ৰাষ্ট্রীয় আয় বৃদ্ধিত অৰিহণা আগবঢ়াব লাগিব। এই উদ্দেশ্যত উপনীত হ'বলৈ তলৰ কামবোৰ কৰিব লাগিব-
  - বিদ্যালয় পর্যায়ৰ শিক্ষাত বিজ্ঞান শিক্ষা অন্তর্ভুক্ত কৰিব লাগিব। বিজ্ঞান বিষয়টো শিক্ষাৰ অবিচ্ছেদ্য অংশ হৈ পৰিলেহে উৎপাদনশীলতা বাঢ়িব। আধুনিক সমাজৰ উৎপাদন বিজ্ঞান নির্ভৰ। বিজ্ঞানৰ জ্ঞানে শিক্ষার্থীক ভৌতিক জগতৰ মৌলিক নীতিসমূহৰ বিষয়ে বুজাত সহায় কৰিব, শিক্ষার্থীৰ

বিশ্লেষণাত্মক দক্ষতা বৃদ্ধি কৰিব। শিক্ষার্থীয়ে পাছত ভৌতিক পৰিৱেশত উদ্ভৱ হোৱা বিভিন্ন সমস্যা সমাধান কৰাত এই সামর্থ ব্যৱহাৰ কৰিব পাৰিব।

- সাধাৰণ আৰু বৃত্তিমুখী উভয় ধৰণৰ সকলো শিক্ষাতে কর্ম-অভিজ্ঞতাক এক অবিচ্ছেদ্য অংগ তুলিব লাগিব।
- শিক্ষাৰ বৃত্তিমুখীকৰণ প্রক্রিয়া কার্যকৰী কৰিব লাগিব। মাধ্যমিক বিদ্যালয়সমূহৰ পাঠ্যক্রমত বিভিন্ন ব্যৱহাৰিক বিষয় অন্তর্ভুক্ত কৰি শিক্ষার্থীসকলক জীৱিকা অর্জনৰ বিভিন্ন দিশত গতি কৰাৰ সুবিধা কৰি দিব লাগিব।
- উৎপাদনশীলতাৰ বিকাশ সাধনত বিজ্ঞানৰ জ্ঞান প্রয়োগ কৰিব লাগিব।

- **সামাজিক আৰু ৰাষ্ট্রীয় সংহতি ঃ** কোঠাৰী আয়োগৰ মূল্যায়ন অনুসৰি শিক্ষাই সামাজিক সংহতি সুদৃঢ় কৰাৰ লগতে গণতন্ত্রক চৰকাৰৰ এটা ৰূপ হিচাপে প্রতিষ্ঠা কৰাত সহায় কৰা উচিত। শিক্ষিত নাগৰিকে গণতন্ত্রক দেশৰ জীৱন যাপনৰ পন্থা হিচাপে গ্রহণ কৰা উচিত। ভাৰতক শক্তিশালী আৰু ঐক্যৱদ্ধ শিক্ষাই সামাজিক আৰু ৰাষ্ট্রীয় সংহতি স্থাপনৰ লক্ষ্য আগত ৰাখি কাম কৰা উচিত। এই লক্ষ্যত উপনীত হ'বলৈ আয়োগে চৰকাৰক তলৰ কার্যসূচীসমূহ আৰম্ভ কৰাৰ পৰামর্শ দিছিল-
  - এক উমৈহতীয়া বিদ্যালয় ব্যৱস্থা গ্রহণ। এই বিদ্যালয়সমূহ জাতি-ধর্ম-বর্ণ-সম্প্রদায়-পৰিয়ালৰ অর্থনৈতিক স্থিতি নির্বিশেষে সকলো ল'ৰা-ছোৱালীৰ বাবে মুকলি থাকিব।
  - সকলো শিক্ষার্থীৰ বাবে সামাজিক আৰু ৰাষ্ট্রীয় সেৱা আগবঢ়োৱাতো বাধ্যতামূলক কৰা। ই শিক্ষার্থীৰ চৰিত্র গঠন কৰিব, অনুশাসনবোধ বৃদ্ধি কৰিব, শাৰীৰিক চৰিত্র গঠন কৰিব, অনুশাসনবোধ বৃদ্ধি কৰিব, শাৰীৰিক শ্রমৰ মর্যাদাৰ প্রতি বিশ্বাস গঢ় দিব আৰু সামাজিক দায়িত্ববোধৰ ভাৱনা বিকশিত কৰিব।
  - শিক্ষাদানৰ সময়ত ব্যৱহাৰ কৰিবলগীয়া ভাষা বিকাশৰ বাবে যথোপযুক্ত ব্যৱস্থা গ্রহণ। আঞ্চলিক ভাষাৰ পৃষ্ঠপোষকতা কৰাৰ প্রয়াস।
  - জাতীয় সচেতনতাৰ পোষকতাক বিদ্যালয় পর্যায়ৰ শিক্ষা ব্যৱস্থাৰ এক গুৰুত্বপূর্ণ উদ্দেশ্য কৰি লোৱা। শিক্ষার্থীয়ে নিজৰ সাংস্কৃতিক ঐতিহ্যৰ মূল বুজি পোৱা উচিত। ইয়াৰ সঠিক মূল্যায়ন কৰিবলৈ সক্ষম হোৱা উচিত। তেতিয়াহে ভৱিষ্যতে সিহঁত দৃঢ় বিশ্বাসী হৈ জীৱনৰ আগবাঢ়িব পাৰিব।
  - সম্প্রদায়বোৰৰ উন্নয়ন সাধন কৰা কার্যসূচীবোৰত শিক্ষার্থীৰ অংশগ্রহণ নিশ্চিত কৰা। প্রাথমিকৰ পৰা প্রাক্-স্নাতক পর্যায়ৰ শিক্ষাত ৰাষ্ট্রৰ পুনৰ গঠনত সহায়ক হ'ব পৰা এনে অংশগ্রহণ ব্যৱস্থাবোৰক অবিচ্ছেদ্য অংগ কৰি তোলা উচিত।

- **শিক্ষা আৰু আধুনিকীকৰণ ঃ** কোঠাৰী আয়োগে নিজৰ কাম আৰম্ভ কৰাৰ সময়ত ভাৰতত বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ অগ্রগতিৰ যুগ আৰম্ভ হৈছিল। দেশে লাহে লাহে আধুনিকীকৰণ প্রক্রিয়াবোৰ গ্রহণ কৰিছিল। আয়োগৰ মতে শিক্ষাই এই প্রক্রিয়া ত্বৰান্বিত কৰিব পাৰে। সেয়েহে শৈক্ষিক পুনৰ গঠনৰ সময়ত চৰকাৰৰক তলত কথাবোৰ মনত ৰাখিবলৈ আয়োগে পৰামর্শ দিছিল—
  - আধুনিক বিশ্বত জ্ঞানৰ মহান বিস্ফোৰণ ঘটিছে। ভাৰতত শিক্ষা ব্যৱস্থাই ইয়াৰ সৈতে ফেৰ মাৰিব পৰাকৈ নিজকে সাজু কৰি তোলা উচিত। অন্যথা আধুনিকীকৰণ প্রক্রিয়াত ভাৰত আন দেশতকৈ পিছপৰি ৰ'ব।
  - শিক্ষাই শিক্ষার্থীৰ মনত অনুসন্ধিৎসাৰ উদ্রেক কৰা উচিত। ই শিক্ষার্থীৰ মনত উপযুক্ত আগ্রহ, মনোভাৱৰ বিকাশ ঘটোৱা উচিত। উচিত মূল্যবোধৰ অধিকাৰী শিক্ষার্থী গঢ়ি তোলা উচিত। শিক্ষার্থীৰ মন অধ্যয়নপুষ্ট হ'লে সঠিক চিন্তা আৰু বিবেচনা কৰাৰ সামর্থ বাঢ়িব।
  - আধুনিকীকৰণ প্রক্রিয়াৰ বাবে এটা গুৰুত্বপূর্ণ কথা হ'ল নতুন সামাজিক শৃংখলাৰ সৃষ্টি। এই নতুন সামাজিক শৃংখলাৰ সামাজিক, অর্থনৈতিক, সাংস্কৃতিক আৰু ৰাজনৈতিক সমস্যাসমূহ সমাধান কৰিব পৰাকৈ শিক্ষাৰ অভিবিন্যাস ঘটাব লাগিব।

- শিক্ষাই উপযুক্ত আকাৰ আৰু সক্ষমতাযুক্ত বৌদ্ধিক মহল এটা সৃষ্টিৰ চেষ্টা কৰিব লাগিব। সমাজৰ সকলো শ্ৰেণীৰ লোক এই বৌদ্ধিক মহলৰ সদস্য হ'ব লাগিব। এই শ্ৰেণীটোৰ প্ৰত্যাশা আৰু আনুগত্য ভাৰতৰ মাটিত শিপাই থাকিব।

- **সামাজিক, নৈতিক আৰু আধ্যাত্মিক মূল্যবোধৰ কৰ্ষণ ঃ** কোঠাৰী আয়োগৰ মতে শিক্ষাই শিক্ষাৰ্থীৰ মনত সামাজিক, নৈতিক আৰু আধ্যাত্মিক মূল্যবোধ কৰ্ষণ কৰিব লাগিব। ইয়াৰ বাবে আয়োগে আগবঢ়োৱা পৰামৰ্শসমূহ আছিল এনেধৰণৰ—
  - সকলো চৰকাৰী আৰু ব্যক্তিগত শিক্ষানুষ্ঠানত সামাজিক, নৈতিক আৰু আধ্যাত্মিক মূল্যবোধৰ শিক্ষাদান ব্যৱস্থাৰ প্ৰচলন কৰা উচিত।
  - এনে শিক্ষাক ব্যৱস্থাৰ অবিচ্ছেদ্য অংশ কৰি তোলা উচিত। শ্ৰেণীৰ ৰুটিন প্ৰস্তুত কৰোঁতে এই বিষয়বোৰৰ শিক্ষাদান কৰাৰ বাবে দুটামান শ্ৰেণীৰ সময় আছুতীয়াকৈ ৰখা উচিত।
  - শিক্ষাৰ্থীক প্ৰতিটো প্ৰধান ধৰ্মৰ সাৱধানে আৰু সুবিবেচিতভাৱে বাছনি কৰা তথ্য অৱগত কৰোৱা উচিত। ইয়াৰ বাবে পাঠ্যক্ৰমটো সু-সংগঠিত কৰি লোৱা উচিত। এই বিশেষ পাঠ্যক্ৰমটোৱে বিশ্বৰ মহান ধৰ্মসমূহৰ মৌলিক সাদৃশ্যবোৰত আলোকপাত কৰা উচিত।
  - মূল্যবোধ বিষয়ৰ এটা উমৈহতীয়া পাঠ্যক্ৰম যুগুত কৰিব পাৰিলে ই সকলোকে উপকৃত কৰিব। এই ৰাষ্ট্ৰীয় স্তৰত প্ৰস্তুত কৰা এই পাঠ্যক্ৰমটো দেশৰ সমগ্ৰ অঞ্চলতে উমৈহতীয়া পাঠ্যপুথি হিচাপে ব্যৱহাৰ কৰিব পৰা যাব।

- **গণতন্ত্ৰৰ বাবে শিক্ষা ঃ** কোঠাৰী আয়োগে উপলব্ধি কৰিছিল যে শিক্ষাই শিক্ষাৰ্থীক গণতন্ত্ৰক গ্ৰহণ কৰিব পৰাকৈ সাজু কৰি তোলা উচিত। গণতন্ত্ৰক শিক্ষাৰ জৰিয়তে সুদৃঢ় কৰি তুলিবলৈ আয়োগে চৰকাৰক দিয়া পৰামৰ্শসমূহ হ'ল—
  - ভাৰতীয় সংবিধানৰ ৪৫ নং অনুচ্ছেদক কোৱাৰ দৰে দেশৰ ল'ৰা-ছোৱালীক ১৪ বছৰ বয়স পৰ্যন্ত উচ্চমানৰ বাধ্যতামূলক আৰু বিনামূলীয়া শিক্ষা প্ৰদান কৰা।
  - প্ৰাপ্তবয়স্ক শিক্ষাৰ কাৰ্যসূচীবোৰৰ পোষকতা কৰা। এই শিক্ষাৰ লক্ষ্য কেৱল নিৰক্ষতাৰ হাৰ কম কৰা হ'ব নালাগিব। এই শিক্ষাৰ জৰিয়তে দেশৰ নাগৰিকৰ পৌৰ চেতনা, বৃত্তিমুখী কাৰ্যকুশলতা আৰু সাধাৰণ সাংস্কৃতিক স্তৰ ঊৰ্দ্ধগামী কৰিব লাগিব।
  - উচ্চতৰ মাধ্যমিক আৰু উচ্চ শিক্ষাৰ সম্প্ৰসাৰণ ঘটাই সমাজৰ সকলো স্তৰতে কাৰ্যদক্ষ নেতৃত্ব গঢ়াৰ প্ৰশিক্ষণ দিয়া। ইয়াৰ বাবে অৰ্থনৈতিক স্থিতি-জাতি-ধৰ্ম-বৰ্ণ-সামাজিক লিংগ বাসস্থান নিৰ্বিশেষে সকলো মেধাৰী আৰু সম্ভাৱনাপূৰ্ণ ল'ৰা-ছোৱালীক সকলো ক্ষেত্ৰতে সমান সুবিধা দিব লাগিব।
  - শিক্ষাৰ্থীৰ বিজ্ঞান মনস্কতা আৰু বিজ্ঞানসম্মত দৃষ্টিভংগীৰ বিকাশ ঘটোৱা। শিক্ষাৰ্থীক সহিষ্ণু, ৰাজহুৱা স্বাৰ্থজড়িত বিষয়ৰ প্ৰতি চিন্তাশীল, ৰাজহুৱা সেৱাৰ প্ৰতি আগ্ৰহী, আত্মসংযমী, স্ব-নিৰ্ভৰশীল, উদ্যমী আৰু কামৰ প্ৰতি ইতিবাচক মনোভাৱৰ গৰাকী কৰি তোলা।

ওপৰৰ আলোচনা গঢ়ি পোৱা যায় যে কোঠাৰী আয়োগৰ মতে শিক্ষাৰ লক্ষ্য হ'ল গণতান্ত্ৰিক নাগৰিকত্বৰ বিকাশ ঘটোৱা, ব্যক্তিৰ বৃত্তিমুখী কাৰ্যকুশলতা বিকশিত কৰা, ব্যক্তিৰ উৎপাদন দক্ষতা বৃদ্ধি কৰা, ব্যক্তিত্বৰ বিকাশ সাধন কৰা, নেতৃত্ব দিব পৰা শ্ৰেণী এটাৰ সৃষ্টি কৰা, আধুনিকীকৰণ প্ৰক্ৰিয়া ত্বৰান্বিত কৰা আৰু ব্যক্তিক সামাজিক-নৈতিক-আধ্যাত্মিক মূল্যবোধৰ গৰাকী কৰি তোলা। অৱশ্যে এই কথাটো মনত ৰাখি থোৱা ভাল হ'ব যে সমাজ আৰু দেশ-জাতিৰ প্ৰয়োজনসমূহ সৰ্বদা পৰিৱৰ্তশীল প্ৰকৃতিৰ। শিক্ষাই সদায় এই পৰিৱৰ্তনসমূহৰ সৈতে নিজকে খাপ খুৱাই ল'ব লাগিব।

- **শিক্ষা ব্যৱস্থাৰ সংৰচনা আৰু মান ঃ** কোঠাৰী আয়োগে ভাৰতৰ পিৰামিড প্ৰকৃতিৰ শিক্ষা ব্যৱস্থাটোক বিভিন্ন স্তৰত ভগাই লৈ স্তৰসমূহৰ মাজত আন্তঃসম্পৰ্ক স্থাপন কৰাৰ পৰামৰ্শ দিছিল। আয়োগে প্ৰতিটো শিক্ষা স্তৰৰ সময়সীমা, স্তৰভেদে শিক্ষকৰ থাকিবলগীয়া বৈশিষ্ট্য, পাঠ্যক্ৰম, শিক্ষা আৰু মূল্যায়ন পদ্ধতি, শৈক্ষিক আহিলা-সঁজুলি, শিক্ষানুষ্ঠানৰ ভৱন আৰু উপলব্ধ সা-সুবিধাবোৰৰ যথোচিত প্ৰয়োগ সম্পৰ্কে

নানা পৰামৰ্শ দিছিল।

- প্ৰাথমিক শিক্ষাৰ নতুন সংৰচনাটো আছিল এনেধৰণৰ—
  - প্ৰাক্-প্ৰাথমিক শিক্ষা ঃ প্ৰাক্-প্ৰাথমিক, প্ৰাক্-বুনিয়াদী, কিণ্ডাৰগার্টেন, মণ্টেচ্চ'ৰী
  - প্ৰাথমিক শিক্ষা ঃ প্ৰথম শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈ অথবা প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ। ইয়াত দুটা ভাগ থাকিব- নিম্ন প্ৰাথমিক (প্ৰথম শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈ অথবা প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ)। কিছুমান ৰাজ্যই নিম্ন প্ৰাৰম্ভিক শিক্ষা হিচাপে এই শিক্ষা আগবঢ়াই নিব পাৰিব।
  - উচ্চ প্ৰাথমিক শিক্ষা ঃ পঞ্চম শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈ অথবা ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ। পাঞ্জাবৰ দৰে কিছুমান ৰাজ্যত ইয়াক 'মিডল্ শিক্ষা' বোলা হয়। উত্তৰ প্ৰদেশৰ দৰে কিছুমান ৰাজ্যত ইয়াক 'জুনিয়ৰ হাই শিক্ষা' বোলা হ'ব, গুজৰাটত ইয়াক 'আপাৰ প্ৰাইমেৰী' বোলা হ'ব আৰু মাদ্ৰাজত ইয়াক 'চিনিয়ৰ বেচিক' 'হায়াৰ এলিমেণ্টেৰী' নামেৰে জনা যাব।
- উচ্চতৰ মাধ্যমিক শিক্ষাৰ নতুন সংৰচনাটো আছিল এনেধৰণৰ—
  - নিম্ন উচ্চতৰ মাধ্যমিক শিক্ষা ঃ অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ অথবা নৱম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ। এই স্তৰটোক উচ্চ মাধ্যমিক স্তৰ বোলা হ'ব।
  - উচ্চতৰ মাধ্যমিক শিক্ষা ঃ একাদশ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ। ৰাজস্থানত ইয়াত একাদশ শ্ৰেণী অথবা পিউচি শ্ৰেণীটোক ধৰা হ'ব, কেৰালাত ইয়াক 'জুনিয়ৰ ক'লেজ' নামেৰে জনা যাব, উত্তৰ প্ৰদেশত ইয়াৰ নাম হ'ব 'ইণ্টাৰমিডিয়েট ক্লাচেছ'। কিছুমান ৰাজ্যত এই স্তৰটোত প্ৰাক্-চিকিৎসা বিজ্ঞান আৰু প্ৰাক্-অভিযান্ত্ৰিক শিক্ষাৰ পাঠ্যক্ৰম চলোৱা হ'ব।
  - **উচ্চ শিক্ষা ঃ**
    - বৃত্তিজীৱি ডিগ্ৰী ঃ স্নাতকোত্তৰ (কলা), স্নাতকোত্তৰ (বিজ্ঞান), অভিযান্ত্ৰিক স্নাতক, এম বি বি এছ. স্নাতক (আইন) আদি
    - সাধাৰণ ডিগ্ৰী ঃ বৃত্তিজীৱি বিষয়বোৰক বাদ দি আন সকলো বিষয়ত আহৰণ কৰা ডিগ্ৰী।
    - প্ৰাক্-স্নাতক ঃ প্ৰথম স্নাতক ডিগ্ৰী আহৰণ কৰাৰ আগতে সম্পূৰ্ণ কৰা সকলো পাঠ্যক্ৰম।
    - স্নাতকোত্তৰ ঃ প্ৰথম স্নাতক ডিগ্ৰীৰ পাছত পঢ়া সকলো পাঠ্যক্ৰম (এই তালিকাৰ পৰা বি. এড. ৰ দৰে প্ৰথম স্নাতক ডিগ্ৰী আহৰণ কৰাৰ পাছত পঢ়া কেইটামান বিশেষ পাঠ্যক্ৰমক বাহিৰত ৰখা হয়)।

  কোঠাৰী আয়োগে বিশ্ববিদ্যালয় আৰু স্বীকৃতিপ্ৰাপ্ত মহাবিদ্যালয়বোৰৰ প্ৰশাসনীয় ব্যৱস্থাবোৰক স্ব-নিয়ন্ত্ৰণৰ সুবিধা দিয়াৰ পৰামৰ্শ আগবঢ়াইছিল।

- **শিক্ষাৰ ৰাষ্ট্ৰীয় আৰ্হি ঃ** আমি ইতিমধ্যে পঢ়ি আহিছো যে উচ্চতৰ মাধ্যমিক শিক্ষা আয়োগে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰক বিদ্যালয় পৰ্যায়ৰ শিক্ষা ব্যৱস্থাৰ এটা নতুন ৰাষ্ট্ৰীয় আৰ্হি বিকাশৰ পৰামৰ্শ দিছিল। এই আৰ্হিত মুঠ ১১ বছৰ ৰখাৰ কথা কোৱা হৈছিল। ইয়াৰে পাঁচ বছৰ প্ৰাথমিক শিক্ষা, তিনি বছৰ মাধ্যমিক শিক্ষা আৰু তিনি বছৰ উচ্চ/উচ্চতৰ মাধ্যমিক শিক্ষাকাল কৰাৰ পৰামৰ্শ দিয়া হৈছিল। বিশেষীকৃত বিষয়ৰ শিক্ষা নৱম শ্ৰেণীৰ পৰা আৰম্ভ হ'ব আৰু উচ্চতৰ মাধ্যমিক পৰ্যায়ত তিনি বছৰীয়া সংহত পাঠ্যক্ৰম থাকিব। কোঠাৰী আয়োগে এই আৰ্হি প্ৰত্যাখ্যান কৰি কৈছিল যে বিশেষীকৃত বিষয় পঢ়িবলৈ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সাজু নহয় আৰু তিনি বছৰীয়া উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ শিক্ষাও শৈক্ষিক দিশেৰে স্বাস্থ্যকৰ নহয়। কোঠাৰী আয়োগে আগবঢ়োৱা শিক্ষা আৰ্হিটো আছিল এনেধৰণৰ -
  - **সময়সীমা ঃ** কোঠাৰী আয়োগে উচ্চতৰ মাধ্যমিক পৰ্যায়ত আৰু এটা বছৰ যোগ দি বিদ্যালয় শিক্ষাৰ মুঠ সময়সীমা দীঘলীয়া কৰাৰ পক্ষপাতী আছিল। আয়োগৰ শিক্ষা ব্যৱস্থাৰ সংৰচনাটো আছিল এনেধৰণৰঃ

- প্ৰাক্-বিদ্যালয় স্তৰ- এবছৰৰ পৰা তিনি বছৰীয়া।
- প্ৰাথমিক স্তৰ- সাত অথবা আঠ বছৰীয়া। দুটা ভাগত বিভক্ত।
- নিম্ন প্ৰাথমিক স্তৰ- চাৰিৰ পৰা পাঁচ বছৰীয়া
- উচ্চ প্ৰাথমিক স্তৰ- তিনি বছৰীয়া।
- নিম্ন উচ্চতৰ মাধ্যমিক/উচ্চ মাধ্যমিক- দুইৰ পৰা তিনি বছৰীয়া (সাধাৰণ শিক্ষা) অথবা একৰ পৰা তিনি বছৰায়া (বৃত্তিমুখী শিক্ষা)।
- উচ্চতৰ মাধ্যমিক স্তৰ- দুবছৰীয়া (সাধাৰণ শিক্ষা) অথবা একৰ পৰা তিনি বছৰীয়া (বৃত্তিমুখী শিক্ষা)

- **দহ বছৰীয়া সাধাৰণ শিক্ষা ঃ** বিদ্যালয়ৰ স্তৰৰ শিক্ষাৰ প্ৰথম দহ বছৰ। ইয়াত সাতৰ পৰা আঠ বছৰীয়া প্ৰাথমিক শিক্ষা আৰু তিনি নাইবা দুবছৰীয়া নিম্ন মাধ্যমিক স্তৰৰ শিক্ষাক অন্তৰ্ভুক্ত কৰা হৈছিল। এই স্তৰত কোনো বিশেষীকৃত বিষয় নাৰাখি কেৱল সাধাৰণ শিক্ষাৰ পাঠ্যক্ৰম ৰখাৰ পৰামৰ্শ দিয়া হৈছিল।
- **বৃত্তিমুখী পাঠ্যক্ৰমৰ সুবিধা ঃ** সাধাৰণ শিক্ষাৰ ১০ বছৰ পাৰ হোৱাৰ পাছত বিদ্যালয়বোৰৰ প্ৰায় ৪০% ছাত্ৰ-ছাত্ৰীয়ে কৰ্মজীৱনত প্ৰৱেশ কৰিবলগীয়া হয়। বাকী ৰোৱাসকলৰ ৩০% ছাত্ৰ-ছাত্ৰীয়ে এবছৰৰ পৰা তিনিবছৰীয়া বৃত্তিমুখী পাঠ্যক্ৰম আৰু আন ৩০% শতাংশই দুবছৰীয়া সাধাৰণ শিক্ষা গ্ৰহণ কৰা উচিত।
- **উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰকাৰ দুটা ঃ** উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়বোৰক দুটা ভাগত ভগোৱা উচিত। ইয়াৰে এটাক উচ্চ মাধ্যমিক বোলা হ'ব আৰু ইয়াত ১০ বছৰীয়া পাঠ্যক্ৰম থাকিব। আনটো ভাগত উচ্চতৰ মাধ্যমিক বিদ্যালয় থাকিব আৰু ইয়াত ১২ বছৰীয়া পাঠ্যক্ৰম থাকিব।
- **কেৱল ডাঙৰ উচ্চ মাধ্যমিক বিদ্যালয়বোৰহে উন্নীতকৰণ সুবিধা থাকিব ঃ** কেৱল ডাঙৰ আৰু উন্নত, পাৰদৰ্শিতা দেখুওৱা উচ্চ মাধ্যমিক বিদ্যালয়বোৰকহে উচ্চতৰ মাধ্যমিকলৈ উন্নীত কৰা হ'ব। সমগ্ৰ উচ্চতৰ মাধ্যমিক স্তৰৰ বিদ্যালয়ৰ ভিতৰত বাৰ বছৰীয়া পাঠ্যক্ৰম থকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সংখ্যা হ'ব এক চতুৰ্থাংশ।
- **প্ৰাক্-বিশ্ববিদ্যালয় পাঠ্যক্ৰম বিলুপ্ত কৰাৰ পৰামৰ্শ ঃ** মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহে চলাই থকা প্ৰাক্-বিশ্ববিদ্যালয় পাঠ্যক্ৰমবোৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ স্থানান্তৰ কৰা হ'ব। ফলত উচ্চতৰ মাধ্যমিক বিদ্যালয়বোৰৰ দুবছৰীয়া পাঠ্যক্ৰমবোৰত অতিৰিক্তভাৱে আৰু এবছৰ যোগ হ'ব। উচ্চতৰ মাধ্যমিক বিদ্যালয়বোৰৰ পাঠ্যক্ৰম দীঘলীয়া কৰাৰ কাৰ্যসূচী পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ত আৰম্ভ কৰি সপ্তম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ শেষত শেষ কৰিব লাগিব। (১৯৮৫-৮৬ চনৰ ভিতৰত)।

কেন্দ্ৰীয় চৰকাৰে কোঠাৰী আয়োগৰ পৰামৰ্শাৱলী মানি লৈছিল। সেইমতে দেশৰ শিক্ষাৰ আৰ্হি সলনি কৰি ১০+২+৩ ৰ নিয়ম প্ৰৱৰ্তন কৰা হৈছিল। বহুতো ৰাজ্যই এই আৰ্হিটো গ্ৰহণ কৰিছিল। অৱশ্যে আৰ্হিটোৰ উপযোগিতাক লৈ বিতৰ্কবো সূত্ৰপাত হৈছিল। অৱশ্যে এই বিষয়ত সকলো সহমত আছিল যে বিদ্যালয় পৰ্যায়ৰ শিক্ষা ১১ বছৰীয়া হোৱাৰ পৰিৱৰ্তে ১২ বছৰীয়া হোৱা উচিত। কাৰণ, পৰিপক্ক বয়সৰ ছাত্ৰ-ছাত্ৰীয়ে বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষা গ্ৰহণৰ সুবিধা পোৱা উচিত।

- **শিক্ষক বিষয়ক পৰামৰ্শাৱলী ঃ** কোঠাৰী আয়োগৰ মতে শিক্ষকৰ বৃত্তিজীৱি প্ৰস্তুতি শিক্ষাৰ গুণগত উৎকৰ্ষ সাধনৰ বাবে আন এক গুৰুত্বপূৰ্ণ দিশ। তেওঁলোকক বিশ্ববিদ্যালয় শৈক্ষিক জীৱনৰ মূলসুঁতিলৈ আনিব লাগিব। প্ৰতিখন শিক্ষানুষ্ঠানত সম্প্ৰসাৰণ সেৱা বিভাগ স্থাপন কৰিব লাগিব। বিভিন্ন পৰ্যায় আৰু ক্ষেত্ৰৰ শিক্ষকৰ বাবে দেশৰ প্ৰতিখন ৰাজ্যতে শিক্ষাৰ বিস্তৃত জ্ঞান যোগাব পৰা মহাবিদ্যালয় স্থাপন কৰিব লাগিব। সকলো পৰ্যায়ৰ শিক্ষাতে উপযুক্ত শিক্ষকৰ শিক্ষা প্ৰয়োগ কৰিব পৰাকৈ দেশৰ প্ৰতিখন ৰাজ্যত শিক্ষকৰ শিক্ষা বোৰ্ড গঠন কৰিব লাগিব।

আয়োগে বিভিন্ন স্তৰৰ শিক্ষকৰ বাবে দৰমহাৰ নিৰিখ ধাৰ্য কৰি দিছিল। উচ্চ মাধ্যমিক স্তৰৰ শিক্ষা সমাপ্ত কৰা আৰু দুবছৰীয়া বৃত্তিজীৰি প্ৰশিক্ষণ পোৱা শিক্ষকৰ দৰমহা মাহে ১৫০ টকাৰ পৰা আৰম্ভ হৈ বাছনি গ্ৰেড পোৱালৈ ৩০০ টকা হ'ব। এবছৰীয়া বৃত্তিজীৰি প্ৰশিক্ষণ পোৱা স্নাতক শিক্ষকৰ দৰমহা মাহে ২২০ টকাৰ পৰা আৰম্ভ হৈ বাছনি গ্ৰেড পোৱালৈ ৫০০ টকা হ'ব। উচ্চতৰ মাধ্যমিক স্তৰৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী শিক্ষকৰ দৰমহা ৩০০ টকাৰ পৰা আৰম্ভ হৈ ৬০০ টকা হ'বগৈ। স্বীকৃতিপ্ৰাপ্ত সংযোগী মহাবিদ্যালয়ৰ শিক্ষকৰ দৰমহা কণিষ্ঠ স্কেলত মাহে ৩০০ টকা পৰা আৰম্ভ হৈ ৬০০ টকা হ'বগৈ। জ্যেষ্ঠ স্কেলৰ শিক্ষকৰ দৰমহা মাহে ৪০০ টকাৰ পৰা আৰম্ভ হৈ ৮০০ টকা হ'বগৈ। জ্যেষ্ঠ প্ৰবক্তা, ৰীডাৰ আৰু গ্ৰেড I স্তৰৰ অধ্যক্ষৰ দৰমহা মাহে ৭০০ টকাৰ পৰা আৰম্ভ হৈ ১১০০ টকা হ'বগৈ। গ্ৰেড II স্তৰৰ অধ্যক্ষৰ দৰমহা ৮০০ ৰ টকা পৰা ১২৫০ টকাৰ ভিতৰত থাকিব। গ্ৰেড III স্তৰৰ অধ্যক্ষৰ দৰমহা মাহে ১০০০ টকাৰ পৰা ১৫০০ টকা হ'বগৈ। অনুমোদন প্ৰাপ্ত বিশ্ববিদ্যালয় বিভাগৰ প্ৰবক্তাৰ দৰমহা মাহে ১১০০ টকাৰ পৰা ১৬০০ টকা হ'বগৈ। আয়োগে অতি কমেও পাঁচ বছৰৰ ভিতৰত এবাৰ দৰমহাৰ নিৰিখ সংশোধনৰ পৰামৰ্শ দিছিল।

- **ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ঃ** কোঠাৰী আয়োগৰ মতে জ্ঞানৰ বিস্ফোৰণ আৰু ভৌতিক- জীৱবিজ্ঞানগত- সামাজিক বিজ্ঞানৰ মৌলিক ধাৰণাবোৰৰ পুনৰ গঠন হোৱালৈ চাই বিদ্যালয় স্তৰৰ শিক্ষাৰ পাঠ্যক্ৰমৰ আমূল পৰিৱৰ্তন সাধন কৰাতো আৱশ্যক হৈ পৰিছে। দেশত প্ৰচলিত বিদ্যালয় পাঠ্যক্ৰম সমালোচনা কৰি আয়োগে কৈছিল যে এই পাঠ্যক্ৰমৰ পৰিকল্পনা সংকীৰ্ণ প্ৰকৃতিৰ, আওপুৱণি, পুথিগত বিদ্যাভিত্তিক, পৰীক্ষাকেন্দ্ৰিক, ব্যৱহাৰিক কাৰ্যকলাপ ৰহিত আৰু অভিজ্ঞতা অৰ্জনৰ সুবিধাহীন। এই শিক্ষাৰ মানৰ জীৱনৰ সৈতে কোনো সম্পৰ্ক নাই, ই শিক্ষাৰ্থীৰ মনত উচিত প্ৰকৃতিৰ আগ্ৰহৰ জন্ম দিব নোৱাৰে আৰু শিক্ষাৰ্থীৰ আৱশ্যকীয় মূল্যবোধ তথা মনোভাৱৰ গৰাকী কৰি তুলিবলৈ অসমৰ্থ।

  দেশৰ শিক্ষাৰ পাঠ্যক্ৰম উন্নতৰ কৰি তুলিবলৈ কোঠাৰী আয়োগে আগবঢ়োৱা পৰামৰ্শসমূহ হ'ল—

  - পাঠ্যক্ৰম উন্নয়ন বিষয়ক গৱেষণামূলক কাম-কাজৰ জৰিয়তে পাঠ্যক্ৰম উন্নীতকৰণ।
  - সংশোধিত পাঠ্যক্ৰম অনুসৰি পাঠ্যপুথি আৰু অন্যান্য শিক্ষণ আহিলাসমূহৰ নিয়মীয়া পুনৰীক্ষণ।
  - কৰ্মৰত অৱস্থাত দিয়া শিক্ষা আৰু প্ৰশিক্ষণেৰে শিক্ষকসকলক নতুন পাঠ্যক্ৰমৰ সৈতে পৰিচিত কৰি তোলা।
  - বিদ্যালয়সমূহক নিজৰ প্ৰয়োজন আৰু উপলব্ধ সা-সুবিধাৰ সৈতে খাপ খোৱাকৈ নতুন পাঠ্যক্ৰমৰ বাবে প্ৰয়োজনীয় শিক্ষণ আহিলা তথা সম্পৰীক্ষা বিকশিত কৰাৰ স্বাধীনতা দিয়া। শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহে এই কথাত দিক্-নিৰ্দেশকৰ ভূমিকা লৈ এনে আহিলা আৰু সম্পৰীক্ষাসমূহ বিদ্যালয়ত প্ৰদৰ্শন কৰাৰ দিহা কৰিব পাৰে।
  - যিবোৰ বিদ্যালয়ত উপযুক্ত সংখ্যক শিক্ষক-কৰ্মচাৰী আৰু অন্যান্য প্ৰয়োজনীয় সা-সুবিধা আছে সেইবোৰত পৰ্যায়ক্ৰমে সকলো বিষয়ৰে সাধাৰণ আৰু উচ্চতৰ দুয়োধৰণৰ পাঠ্যক্ৰম প্ৰচলিত কৰিব লাগে। উচ্চতৰ পাঠ্যক্ৰম আগবঢ়াই নিবলৈ শিক্ষকসকলক উপযুক্ত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে।
  - সম্পৰীক্ষা সম্পাদনত উদ্দীপনা যোগাবলৈ আৰু নিয়মীয়াকৈ পাঠ্যক্ৰম উন্নীত কৰাত সহায় কৰিবলৈ বিষয় শিক্ষকৰ সস্থা গঠন কৰিব লাগে।
  - অ-বৃত্তিমুখী শিক্ষাদান কৰা বিদ্যালয়বোৰত প্ৰথম ১০ বছৰৰ বাবে এটা উমৈহতীয়া পাঠ্যক্ৰম থকা উচিত। অধ্যয়নৰ বহুমুখীতা আৰু বিশেষীকৃত বিষয়বোৰ বাছনি কৰাৰ সুযোগ উচ্চতৰ মাধ্যমিক স্তৰত ৰখা উচিত।
  - অধ্যয়নৰ প্ৰতিটো উপ-স্তৰৰ অন্তত সফলতাৰ মান স্পষ্টকৈ প্ৰকাশ কৰা উচিত। এই মান শিক্ষাৰ্থীৰ জ্ঞান, দক্ষতা, সামৰ্থ আৰু মনোভাৱৰ ভিত্তিত কৰা উচিত। বিদ্যালয় স্তৰৰ শিক্ষাৰ প্ৰতিটো ঢাপতে এই বৈশিষ্ট্যবোৰ বিকশিত হ'ব বুলি কৰা অনুমানৰ আধাৰত মান নিৰূপন কৰা হয়।

    কোঠাৰী আয়োগে বিদ্যালয় বন্ধ ৰখাৰ দিন কম কৰাৰ, কৰ্ম সময় দীঘলীয়া কৰাৰ, পৰীক্ষাৰ

দিন কম কৰাৰ, দীঘলীয়া বন্ধৰ সময়ত গৃহকার্য দিয়াৰ আৰু পুথিভঁৰাল-পঠন গৃহ-পৰীক্ষাগাৰ-কর্মশালা আদি ব্যৱহাৰ কৰি শিক্ষার্থীৰ স্ব-অধ্যয়নৰ সময় বঢ়োৱাৰ পৰামর্শ দিছিল।

- **পাঠ্যক্রম ঃ** পাঠ্যপুথি সন্দর্ভত কোঠাৰী আয়োগে তলৰ পৰামর্শসমূহ আগবঢ়াইছিল।
  - ৰাষ্ট্রীয় পর্যায়ত পাঠ্যপুথি প্রস্তুত কৰাৰ কামত নিয়োগ কৰিবলৈ দেশৰ সকলো অঞ্চলৰে উৎকৃষ্ট প্রতিভাধৰসকলক বিচাৰি উলিওৱা আৱশ্যক। এনে পাঠ্যপুথিয়ে শিক্ষাৰ প্রত্যাশিত মান স্পষ্টৰূপত প্রতিফলিত কৰিব লাগিব। পাঠ্যপুথিয়ে ৰাষ্ট্রীয় সংহতি সুদৃঢ় কৰাত সহায় কৰিব লাগিব।
  - পাঠ্যপুথি উৎপাদন কৰিবলৈ ৰাষ্ট্রীয় স্তৰৰ সংস্থা এটা গঠন কৰিব লাগিব।
  - ৰাষ্ট্রীয় পর্যায়ত বিশেষ বিজ্ঞান আৰু কাৰিকৰী বিষয়ৰ কিতাপ প্রস্তুত কৰিব লাগিব।
  - ৰাষ্ট্রীয় পর্যায়ত প্রস্তুত কৰা কিতাপবোৰৰ মূল্য কম হ'ব লাগিব আৰু সময়ে সময়ে এইবোৰৰ গুণগত মান উন্নত কৰি থাকিব লাগিব।
- **ৰাজ্যসমূহৰ পাঠ্যপুথি সন্দর্ভত কৰণীয় ঃ**
  - ৰাজ্যিক শিক্ষা বিভাগে পাঠ্যপুথি প্রস্তুত আৰু মূল্যায়নৰ দায়িত্ব পালন কৰিব লাগিব। বিভিন্ন উৎসৰ পৰা পাঠ্যপুথিৰ পাণ্ডুলিপি বিচাৰিব লাগিব। এই পাণ্ডুলিপিবোৰৰ পৰা উৎকৃষ্ট পাণ্ডুলিপি বাছনি কৰিবলৈ প্রতিষ্ঠিত বৃত্তিজীৱিৰে এখন উচ্চস্তৰীয় সমিতি গঠন কৰিব লাগিব।
  - প্রতিটো বিষয়ৰ বিপৰীতে চাৰিখন পাঠ্যপুথি থাকিব লাগিব। ইয়াৰে যিকোনো এখন পছন্দ কৰাৰ স্বাধীনতা বিদ্যালয়মূহক দিব লাগিব।
  - লেখকক মাননী দিয়াৰ উদাৰ নীতি গ্রহণ কৰিব লাগিব।
  - পৰিপূৰক পাঠ্যপুথি, শিক্ষকৰ হাতপুথি আৰু অন্য নির্দেশনাজ্ঞাপক সামগ্রী প্রস্তুত আৰু প্রকাশ কৰিব লাগিব।
  - শিক্ষার্থী সমবায় সমিতিসমূহে এই পাঠ্যপুথিবোৰত চীল-মোহৰ মাৰি বিতৰণ কৰিব। পাঠ্যপুথি উৎপাদন আৰু বিক্রী এটা অনা-লাভ উপার্জনকাৰী, অনা-লোকচান সৃষ্টিকাৰী কার্য হ'ব লাগিব।
  - পাঠ্যপুথিবোৰ অবিৰতভাৱে সংশোধন আৰু উন্নত কৰি গৈ থাকিব লাগিব।
  - শিক্ষকসকলক পাঠ্যপুথি ৰচনাৰ বাবে বিশেষভাৱে উৎসাহিত কৰিব লাগিব।
  - প্রতিখন ৰাজ্যতে পাঠ্যপুথি উৎপাদনৰ কামত দিহা-পৰামর্শ দিবলৈ একোখন বিশেষজ্ঞ সমিতি গঠন কৰিব লাগিব। এই সমিতিবোৰে ৰাষ্ট্রীয় পাঠ্যপুথি প্রস্তুতকাৰী সমিতিৰ সৈতে ঘনিষ্ঠ সম্পর্ক ৰক্ষা কৰি আগবাঢ়িব লাগিব।

ওপৰৰ আলোচনাৰ আধাৰত ক'ব পাৰি যে কোঠাৰী আয়োগে পাঠ্যপুথি উৎপাদনৰ বিষয়টোত অহৰহ চোকা দৃষ্টি ৰখাৰ পোষকতা কৰিছিল। কাৰণ, শিক্ষাৰ মান উন্নত কৰাৰ বাবে প্রয়োজনীয় ভেটি গঢ়াত পাঠ্যপুথিয়ে সর্বাধিক সহায় কৰে। পাঠ্যপুথিবোৰ শিক্ষার্থীৰ বাবে সহজলভ্য কৰি তুলিবলৈকো আয়োগে পৰামর্শ দিছিল।

- **শিক্ষা পদ্ধতি, দিক-নির্দেশনা প্রদান আৰু মূল্যায়নৰ নিয়ম ঃ** কোঠাৰী আয়োগৰ মতে এটা গতিশীল, নমনীয় আৰু বিভিন্ন স্তৰত বিভাজিত শিক্ষা ব্যৱস্থা আগবঢ়াই নিবলৈ শৈক্ষিক প্রশাসনে অনুমতি প্রদান আৰু প্রত্যয় জন্মোৱা পদ্ধতি ব্যৱহাৰ কৰি নতুন শিক্ষা পদ্ধতি ব্যৱহাৰ কৰাৰ বাবে বিদ্যালয়সমূহক উৎসাহিত কৰা উচিত আৰু দ্রুত গতিত এই পদ্ধতিৰ প্রচলন ঘটোৱাৰ দিহা উচিত। আয়োগে নতুন পদ্ধতিৰ ব্যৱহাৰ সফল কৰি তুলিবলৈ উপযুক্ত হাতপুথি, অন্য শিক্ষা সামগ্রী আদিৰ যোগান ধৰি শিক্ষকক কর্মৰত অৱস্থাতে প্রশিক্ষণ দিয়াৰ পোষকতা কৰিছিল। এই সামগ্রীবোৰ অবিৰতভাৱে সংশোধন কৰি গৈ থকাটোও আয়োগৰ পৰামর্শৰ অংশ আছিল।

কোঠাৰী আয়োগে শিক্ষণ পদ্ধতি সন্দর্ভত তলৰ পৰামর্শসমূহ আগবঢ়াইছিল-

- **নতুন শিক্ষা পদ্ধতি প্রয়োগত উদ্ভৱ হোৱা বাধা ঃ** আয়োগৰ মতে শিক্ষা বিষয়ক নির্দেশনা প্রদানৰ নতুন কৌশলবোৰ ব্যৱহাৰ কৰাৰ সময়ত তলত দিয়া কথাবোৰে বাধাৰ সৃষ্টি কৰিব পাৰে।

- অধিকাংশ মধ্যমীয়া বুদ্ধিমত্তাৰ শিক্ষকে প্ৰদৰ্শন কৰা দুৰ্বলতা
- শিক্ষা পদ্ধতি সম্পৰ্কে উপযুক্ত শৈক্ষিক গৱেষণাৰ অভাৱ
- প্ৰচলিত পৰীক্ষা ব্যৱস্থাৰ অনমনীয়তা
- শিক্ষণৰ নতুন আৰু গতিশীল পদ্ধতি প্ৰচলিত কৰাত শৈক্ষিক প্ৰশাসনৰ ব্যৰ্থতা।

আয়োগে কৈছিল যে এই বাধাবোৰ আঁতৰাব নোৱাৰিলে শিক্ষা পদ্ধতিৰ উন্নতি সাধন অসম্ভৱ।

- **সম্পৰীক্ষামূলক শিক্ষা ঃ** কোঠাৰী আয়োগৰ পৰামৰ্শমতে শৈক্ষিক প্ৰশাসনে সম্পৰীক্ষামূলক শিক্ষা প্ৰয়াসক অনুপ্ৰাণিত কৰা উচিত। বিদ্যালয়সমূহৰ মুৰব্বীসকলৰ অনুপ্ৰেৰণামূলক দিক্‌নিৰ্দেশনাৰে বিদ্যালয়ত সংস্কাৰ সাধনৰ এক সাধাৰণ পৰিৱেশ গঢ় লৈ উঠিব লাগে। প্ৰশিক্ষণ প্ৰতিষ্ঠানবোৰে সম্পৰীক্ষামূলক শিক্ষাৰ নেতৃত্ব দিয়া উচিত।
- **দক্ষতাসম্পন্ন ব্যক্তিৰ সহায় গ্ৰহণৰ সুবিধা ঃ** শিক্ষকসকলক দক্ষতাসম্পন্ন ব্যক্তিৰ সহায় গ্ৰহণৰ সুবিধা কৰি দিব লাগিব। বিদ্যালয়ৰ সামৰ্থ অনুসৰি গ্ৰহণ কৰা নতুন শিক্ষা পদ্ধতিসমূহ প্ৰয়োগ কৰাত এনে ব্যক্তিয়ে শিক্ষকক সহায় কৰিব। নতুন শিক্ষা পদ্ধতিসমূহৰ সুফল পাবলৈ শিক্ষকক কৰ্মৰত অৱস্থাতে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগিব।
- **শিক্ষকক দিক্‌-নিৰ্দেশনা দিয়া সামগ্ৰী ঃ** শিক্ষকসকলৰ বাবে শিক্ষা পদ্ধতি প্ৰয়োগৰ দিহা আৰু নিৰ্দেশনা দিব পৰা উপযুক্ত হাতপুথি আদি থাকিব লাগিব। এনে দিক্‌-নিৰ্দেশক সামগ্ৰীবোৰ অবিৰতভাৱে পুনৰীক্ষণ আৰু সংশোধন কৰি থাকিব লাগিব।
  - প্ৰতিখন বিদ্যালয়কে উচ্চতৰ অগ্ৰাধিকাৰৰ ভিত্তিত ন্যূনতম শিক্ষা আহিলা-সঁজুলি যোগান ধৰিব লাগিব।
  - শিক্ষকসকলক স্থানীয়ভাৱে উপলব্ধ আৰু সাল-সলনি কৰি উপযুক্ত ৰূপ দি লোৱা শিক্ষা আহিলা ব্যৱহাৰ কৰাৰ প্ৰশিক্ষণ দিব লাগিব। বিদ্যালয় আৰু স্থানীয় সম্প্ৰদায়বোৰে মিলি ব্যয়বহুল আহিলা-সঁজুলিৰ খৰছ বহন কৰিব লাগিব।
  - শিক্ষা বিভাগ আৰু আকাশবাণীৰ মাজত সমন্বয় স্থাপন কৰি বিদ্যালয়ৰ বাবে উপযুক্ত ৰেডিঅ'পাঠ যুগুত কৰাৰ পৰিকল্পনা কৰিব লাগিব। শিক্ষকক পাঠ পৰিকল্পনা প্ৰস্তুত কৰাত সহায় কৰিবলৈ শিক্ষকৰ বাবেও বিশেষ ৰেডিঅ' কথিকা সম্প্ৰচাৰৰ দিহা কৰিব লাগিব।
  - মাত্ৰাধিক শিক্ষাৰ্থীৰে ভৰা শ্ৰেণীকোঠাবোৰেও সুফলদায়ক শিক্ষাত বাধাৰ সৃষ্টি কৰে। নিম্ন মাধ্যমিক পৰ্যায়ৰ শ্ৰেণীকোঠাত শিক্ষাৰ্থীৰ সংখ্যা ৪৫ তকৈ আৰু উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ শ্ৰেণীকোঠাত শিক্ষাৰ্থীৰ সংখ্যা ৪০ তকৈ অধিক হ'ব নালাগে।
- **শৈক্ষিক সুযোগৰ সমতা ঃ** কোঠাৰী আয়োগে শিক্ষা খণ্ডত দুই ধৰণৰ অসমতা ধৰা পেলাইছিল। ইয়াৰে এটা হ'ল ল'ৰা আৰু ছোৱালীৰ শিক্ষা গ্ৰহণৰ অসমতা আৰু আনটো হ'ল উন্নত-অনুন্নত শ্ৰেণীৰ ল'ৰা-ছোৱালীৰ শিক্ষা গ্ৰহণৰ অসমতা।

এই অসমতা আঁতৰ কৰিবলৈ কোঠাৰী আয়োগে দিয়া প্ৰথম পৰামৰ্শটো আছিল সকলো চৰকাৰে প্ৰাথমিক স্তৰৰ শিক্ষাৰ ক্ষেত্ৰত টিউচন মাচুল লোৱাৰ নিয়ম প্ৰত্যাহাৰ কৰিব লাগে। চতুৰ্থ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ অন্ত পৰাৰ আগতেই এই নিয়ম চৰকাৰ, স্থানীয় কৰ্তৃপক্ষ আৰু সাহায্যপ্ৰাপ্ত ব্যক্তিগত বিদ্যালয়বোৰে আৰম্ভ কৰা উচিত বুলি আয়োগে মত পোষণ কৰিছিল। নিম্ন মাধ্যমিক পৰ্যায়ৰ শিক্ষা পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ ম্যাদ শেষ হোৱাৰ আগতে বিনামূলীয়া কৰি তুলিবলৈ আয়োগে পৰামৰ্শ দিছিল। ইয়াৰ পাছৰ ১০ বছৰত উচ্চতৰ মাধ্যমিক আৰু বিশ্ববিদ্যালয় পৰ্যায়ৰ যোগ্য আৰু অভাৰী শিক্ষাৰ্থীৰ বাবে টিউচন মাচুলৰ সম্পূৰ্ণ ৰেহাইৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ আয়োগে পৰামৰ্শ দিছিল।

আয়োগে দিয়া পৰামৰ্শ অনুসৰি প্ৰাথমিক পৰ্যায়ৰ শিক্ষাত পাঠ্যপুথি আৰু কাগজ-কলম আদি বিনামূলীয়াকৈ যোগান ধৰা উচিত। উচ্চতৰ মাধ্যমিক আৰু বিশ্ববিদ্যালয়সমূহে নিজা নিজা 'গ্ৰন্থ বেংক' আৰু গ্ৰন্থাগাৰ গঢ়ি তুলিব লাগিব। ইয়াত শিক্ষাৰ্থীয়ে ব্যৱহাৰ কৰিব পৰাকৈ সকলো পাঠ্যপুথিৰ সংগ্ৰহ

থাকিব লাগিব।

প্ৰাথমিক বিদ্যালয় পৰ্যায়ত অভাৱী শিক্ষাৰ্থীক জলপানি প্ৰদানৰ ব্যৱস্থা কৰিব লাগিব। মাধ্যমিক পৰ্যায়ত নামভৰ্তিৰ কৰা শিক্ষাৰ্থীৰ ভিতৰত অতি কমেও ২৫% শিক্ষাৰ্থীৰ বাবে জলপানিৰ ব্যৱস্থা থাকিব। ১৯৭০ চনলৈকে স্নাতকোত্তৰ পৰ্যায়ৰ ২৫% শিক্ষাৰ্থীৰ বাবে জলপানিৰ ব্যৱস্থা আছিল। ১৯৮৬ চনত ইয়াৰ পৰিমাণ ৫০% কৰা হৈছিল। বৃত্তিমুখী শিক্ষা আৰু বিদেশত শিক্ষা গ্ৰহণৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ত জলপানি দিয়াৰ ব্যৱস্থা কৰিবলৈ কোঠাৰী আয়োগে পৰামৰ্শ দিছিল। অন্য জলপানিৰ পৰিপূৰক হিচাপে শিক্ষাৰ্থীক ঋণ জলপানি প্ৰদানৰ ব্যৱস্থা কৰিবলৈও পৰামৰ্শ দিয়া হৈছিল।

মহিলাৰ শিক্ষা সম্প্ৰসাৰিত কৰিবলৈ আয়োগে সাহসী আৰু দৃঢ়সংকল্পৱদ্ধ প্ৰয়াস চলাবলৈ পৰামৰ্শ দিছিল। কেন্দ্ৰীয় আৰু ৰাজ্যিক স্তৰত মহিলাৰ শিক্ষা সম্প্ৰসাৰণৰ উদ্দেশ্যে বিশেষ আঁচনি আৰু পৰিচালনা ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ পৰামৰ্শ দিয়া হৈছিল। মহিলা শিক্ষাৰ বিকাশৰ বাবে বিশেষ বিত্তীয় সাহায্য প্ৰদান কৰিবলৈ আয়োগে চৰকাৰক পৰামৰ্শ দিছিল।

- **কৰ্ম অভিজ্ঞতা ঃ** কোঠাৰী আয়োগৰ বহুকেইটা উদ্ভাৱনীমূলক চিন্তাৰ এটা আছিল কৰ্ম অভিজ্ঞতা গোটোৱাত দিয়া গুৰুত্ব। ইয়াৰ বাবে পৰিকল্পনা কৰা কাৰ্য সম্পাদন পদ্ধতিৰ আৰম্ভণিতে আছিল সৰল প্ৰকৃতিৰ হাতৰ কাম। প্ৰাথমিক বিদ্যালয়ত পঢ়ি থকা ল'ৰা-ছোৱালীবোৰৰ আৱেগিক আৰু বৌদ্ধিক বিকাশত এনে কামে সহায় কৰিব। ওপৰৰ শ্ৰেণীবোৰত কোনো এবিধ হস্তকলা শিকাব পৰা যাব। ই শিক্ষাৰ্থীৰ কাৰিকৰী চিন্তা আৰু সৃজনাত্মক সামৰ্থ বৃদ্ধি কৰিব। কৃষিপাম আৰু পৰিয়ালত কৰা কামৰ দ্বাৰা ব্যৱহাৰিক কৰ্ম অভিজ্ঞতা অৰ্জন কৰিব পৰা যাব। নিম্ন মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ্থীক কৰ্ম অভিজ্ঞতা গোটাবলৈ কৰ্মশালাভিত্তিক প্ৰশিক্ষণ দিয়া হ'ব। প্ৰতিখন বিদ্যালয় অথবা বিদ্যালয় গোট এটাৰ মাজত একোখন কৰ্মশালা স্থাপনৰ প্ৰস্তাৱ দিয়া হৈছিল। ১০ বছৰীয়া পাঠ্যক্ৰম চলোৱা বিদ্যালয়বোৰৰ ক্ষেত্ৰত এই ব্যৱস্থা ল'ব লাগিব। উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ্থীয়ে বিদ্যালয়ৰ কৰ্মশালা, কৃষিপাম, ঔদ্যোগিক প্ৰতিষ্ঠান নাইবা ব্যৱসায়িক প্ৰতিষ্ঠানত কাম কৰি কৰ্ম অভিজ্ঞতা গোটাব পাৰিব।
- **পৰীক্ষা আৰু মূল্যায়ন ঃ** কোঠাৰী আয়োগে বুজি পাইছিল যে ভাৰতীয় শিক্ষা ব্যৱস্থাটোৱে সম্পূৰ্ণৰূপে পৰীক্ষা আৰু মূল্যায়ন প্ৰক্ৰিয়াক নিৰ্ভৰ কৰে। আয়োগে পৰামৰ্শ দিছিল যে মূল্যায়ন এক অবিৰত প্ৰক্ৰিয়া হোৱা উচিত। ই শিক্ষাৰ অবিচ্ছেদ্য অংগ। মূল্যায়নৰ সৈতে শৈক্ষিক উদ্দেশ্যসমূহ যোগ দিয়া উচিত। মূল্যায়ন উন্নতি সাধনৰ বাবে আয়োগে দিয়া পৰামৰ্শসমূহ এনেধৰণৰ-

  বাহ্যিক পৰীক্ষাসমূহৰ মান উন্নত কৰিবলৈ 'পেপাৰ চেটাৰ'ৰ কাৰিকৰী দক্ষতা বৃদ্ধি কৰিব লাগিব। প্ৰশ্নকাকতবোৰত পৰীক্ষাৰ্থীৰ জ্ঞান আহৰণৰ দক্ষতা জোখাৰ লগতে শৈক্ষিক উদ্দেশ্যসমূহ ফলৱৰ্তী হৈছেনে নাই সেয়া জুখিব পৰা ধৰণৰ প্ৰশ্নও থাকিব লাগিব। প্ৰশ্নবোৰৰ প্ৰকৃতি উন্নত হ'ব লাগিব। বিজ্ঞানসন্মত নম্বৰ দিয়াৰ প্ৰক্ৰিয়া গ্ৰহণ কৰিব লাগিব। উত্তৰ বহীত নম্বৰ দিয়াৰ বিজ্ঞানসন্মত ব্যৱস্থা আৰু ফলাফল সংসাধন কৰাৰ প্ৰণালীৱদ্ধ উপায় গ্ৰহণ কৰিব লাগিব।

১০.৩.৩ শিক্ষা আয়োগৰ প্ৰতিবেদনৰ মূল্যায়ন

শিক্ষা আয়োগ ১৯৬৪-৬৬ ৰ কিছুমান ইতিবাচক দিশ হ'ল এনেধৰণৰ

- কোঠাৰী আয়োগে ৰাষ্ট্ৰীয় উন্নয়নক পৃষ্ঠভূমিক ৰাখি দেশৰ শৈক্ষিক সমস্যাবোৰৰ সমাধান বাহিৰ কৰাৰ বিস্তৃত দৃষ্টিভংগী আগবঢ়াইছিল।
- আয়োগে শিক্ষা-অৰ্থনৈতিক বিকাশ আৰু দ্ৰুত সমাজ-সাংস্কৃতিক ৰূপান্তৰৰ যোগসূত্ৰ স্থাপন কৰি দেখুৱাইছিল।
- আয়োগৰ পৰামৰ্শাৱলীয়ে দেশৰ শিক্ষা বিষয়ক ৰাষ্ট্ৰীয় নীতিৰ ভৱিষ্যৎ দৰ্শনযুক্ত ভেটিৰূপে কাম কৰিছিল।
- আয়োগে দেশৰ বিভিন্ন অনুন্নত শ্ৰেণীৰ শিক্ষাৰ বিশেষ যত্ন লোৱাত গুৰুত্ব আৰোপ কৰিছিল।
- আয়োগে শিক্ষকৰ দৰমহা বৃদ্ধি কৰি তেওঁলোক সামাজিক স্থিতিৰ বিকাশ ঘটোৱাৰ পৰামৰ্শ দিছিল।

- আয়োগে সমগ্ৰ দেশৰ বাবে শিক্ষাৰ এক অনন্য সংৰচনা গঢ়ি দিছিল।
  কোঠাৰী আয়োগৰ পৰামৰ্শাৱলীক কিছুমান নেতিবাচক দিশৰ আধাৰত সমালোচনাও কৰা হৈছিল। যেনে-
- আয়োগে বিদ্যালয়ৰ মুৰব্বীসকলৰ ভূমিকা আৰু স্থিতিক আওকাণ কৰিছিল।
- ভাষাৰ ক্ষেত্ৰত আয়োগে সংঘাতপূৰ্ণ আৰু বিভ্ৰান্তকাৰী দৃষ্টিভংগী ব্যক্ত কৰিছিল।
- আয়োগে গান্ধীৰ বুনিয়াদী শিক্ষাৰ ধাৰণাটো সম্পূৰ্ণৰূপে আওকাণ কৰিছিল। এই ধাৰণাটোকো ব্যক্তিত্বৰ বিকাশ আৰু অৰ্থনৈতিক উন্নতিৰ বাবে আৱশ্যকীয় বুলি বিবেচনা কৰা হৈছিল।
- আয়োগৰ পৰামৰ্শাৱলীত থকা প্ৰাথমিক শিক্ষা স্তৰৰ বিভাজন সম্পৰ্কীয় ব্যাখ্যা যথোপযুক্ত নাছিল।
- কোঠাৰী আয়োগৰ পৰামৰ্শ মানি যদি দেশত প্ৰধান বিশ্ববিদ্যালয় কেইখনমান স্থাপন কৰা হয়, তেন্তে ই আন বিশ্ববিদ্যালয়সমূহত ক্ষেত্ৰত বৈষম্যৰ সৃষ্টি কৰিব।
  কোঠাৰী আয়োগৰ পৰামৰ্শাৱলীৰ সামগ্ৰিক মূল্যাংকন কৰি ক'ব পৰা যায় যে দেশৰ শিক্ষা ব্যৱস্থা বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাকেন্দ্ৰিক কৰিবলৈ ই দিয়া পৰামৰ্শ প্ৰাসংগিক আছিল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ শিক্ষা আয়োগ, ১৯৬৪-৬৬ ৰ জনপ্ৰিয় নামটো কি?

.....

প্ৰশ্ন নং ২ঃ শিক্ষা আয়োগ, ১৯৬৪-৬৬ ৰ অধ্যক্ষ কোন আছিল?

.....

প্ৰশ্ন নং ৩ঃ কোঠাৰী আয়োগৰ প্ৰতিবেদনখন কেইটা ভাগত ভগোৱা হৈছিল?

.....

প্ৰশ্ন নং ৪ঃ কোঠাৰী আয়োগ গঠনৰ চর্ত আৰু আয়োগক প্ৰদান কৰা ক্ষমতাবোৰৰ বিষয়ে লিখক।

.....

১০.৪ শিক্ষা বিষয়ক ৰাষ্ট্ৰীয় নীতি, ১৯৬৮

শিক্ষা আয়োগ, ১৯৬৪-৬৬ এ চৰকাৰক পৰামৰ্শ দিছিল যে দেশৰ শিক্ষা ব্যৱস্থাৰ সাধাৰণ আদৰ্শ আৰু নীতি বিকশিত কৰিবলৈ এখন ৰাষ্ট্ৰীয় নীতি নিৰ্দ্ধাৰক সমিতি গঠন কৰা উচিত। এই আলোচনা আৰু পৰামৰ্শৰ আঁত ধৰি শিক্ষা বিষয়ক ৰাষ্ট্ৰীয় নীতি গ্ৰহণ সম্পৰ্কে এক সহমতৰ সৃষ্টি হৈছিল। সেইমৰ্মে ১৯৬৮ চনৰ ২৪ জুলাইত সংসদত শিক্ষা বিষয়ক ৰাষ্ট্ৰীয় নীতি গ্ৰহণৰ সিদ্ধান্ত উপস্থাপন কৰা হৈছিল।

১০.৪.১ প্ৰধান বিবেচনাধীন বিষয়

- ভাৰতীয় সমাজত শিক্ষাই সদায় এক সন্মানীয় আসন দখল কৰি আহিছে।
- শিক্ষা আয়োগ, ১৯৬৪-৬৬ ৰ প্ৰতিবেদনখন বিস্তৃতভাৱে আলোচনা কৰি বিভিন্ন মতামত সংগ্ৰহ কৰা হৈছল। এসময়ত চৰকাৰ এই কথাত পতিয়ন গৈছিল যে এই আলোচনাবোৰৰ পৰা শিক্ষা বিষয়ক ৰাষ্ট্ৰীয় নীতি এটা গ্ৰহণৰ ক্ষেত্ৰত এক সাধাৰণ ঐক্যমতৰ সৃষ্টি হৈছে।
- কেন্দ্ৰীয় চৰকাৰ এই কথাত পতিয়ন গৈছিল যে দেশৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক বিকাশৰ লগতে ৰাষ্ট্ৰীয় সংহতি স্থাপন আৰু সমাজৰ সমাজবাদী আদৰ্শটোক বাস্তৱ ৰূপ দিবলৈ শিক্ষা আয়োগৰ পৰামৰ্শাৱলীৰ আধাৰত শিক্ষাৰ আমুল সংস্কাৰ সাধন আৰু ইয়াৰ সংৰচনাৰ পুনৰ বিন্যাস কৰা উচিত। ইয়াৰ বাবে শিক্ষা ব্যৱস্থাটোৰ ৰূপান্তৰ ঘটাই ব্যৱস্থাটোক মানুহৰ জীৱনৰ অধিক কায চপাব লাগিব, শৈক্ষিক সা-সুবিধাবোৰ সম্প্ৰসাৰিত কৰিবলৈ অবিৰত প্ৰয়াস কৰিব লাগিব আৰু সমগ্ৰ স্তৰতে শিক্ষাৰ গুণগত উৎকৰ্ষ সাধন কৰিবলৈ

অবিৰত তথা বিস্তৃত প্ৰচেষ্টা চলাব লাগিব। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিকাশত জোৰ দিয়াৰ লগতে শিক্ষাৰ জৰিয়তে নৈতিক তথা সামাজিক মূল্যবোধ কৰ্ষণ কৰিব লাগিব।

- ভাৰত চৰকাৰে তলত উল্লেক কৰা আদৰ্শবোৰৰ ভিত্তিত দেশত শিক্ষাৰ পৃষ্ঠপোষকতা কৰিব আৰু বিকাশ ঘটাবলৈ সংকল্পৰদ্ধ হৈছিল।

বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা ঃ

- ভাৰতীয়া সংবিধানৰ অনুচ্ছেদ ৪৫ ত থকা নিৰ্দেশাত্মক নীতিক বাস্তৱ ৰূপ দিয়াৰ প্ৰয়াস কৰিব লাগিব। ইয়াত দেশৰ ল'ৰা-ছোৱালীক ১৪ বছৰ বয়সীয়া হোৱালৈকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা দিয়াৰ কথা কোৱা হৈছিল।
- বিদ্যালয়বোৰৰ পৰা অপচয় আৰু স্থবিৰতা নাইকিয়া কৰিবলৈ বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিব লাগিব। বিদ্যালয়ত নামভৰ্তি কৰা প্ৰতিটো ল'ৰা-ছোৱালীয়ে যাতে সফলতাৰে নিৰ্দ্ধাৰিত পাঠ্যক্ৰমৰ পঢ়া শেষ কৰে সেয়া নিশ্চিত কৰিব লাগিব।

শিক্ষকৰ সামাজিক স্থিতি, পাৰিশ্ৰমিক আৰু শিক্ষা ঃ

- শিক্ষাৰ গুণগত উৎকৰ্ষ সাধন আৰু ৰাষ্ট্ৰীয় উন্নয়লৈ শিক্ষাৰ অৱদান আগবঢ়োৱাৰ প্ৰকাৰ-প্ৰকৃতি নিৰ্দ্ধাৰণ কৰাৰ সবাতোকৈ গুৰুত্বপূৰ্ণ কাৰকটো হ'ল শিক্ষকসকল। শিক্ষকৰ ব্যক্তিগত বৈশিষ্ট্য আৰু চৰিত্ৰ, শিক্ষাগত অৰ্হতা আৰু বৃত্তিজীৱি পাৰদৰ্শিতাই সকলোবোৰ শৈক্ষিক প্ৰয়াসৰ সফলতা নিৰ্দ্ধাৰণ কৰে। সেয়েহে শিক্ষকসকলক সমাজত এক সন্মানজনক স্থিতিত ৰখা উচিত। শিক্ষকৰ দৰমহা তথা আন সেৱাৰ চৰ্তসমূহ যথোপযুক্ত আৰু সন্তোষজনক হোৱা উচিত। শিক্ষকৰ অৰ্হতা আৰু দায়িত্বৰ প্ৰতি লক্ষ্য ৰাখি এই সা-সুবিধাবোৰ নিৰূপণ কৰা উচিত।
- শিক্ষকক স্বতন্ত্ৰভাৱে অধ্যয়ন তথা গৱেষণা কৰাৰ শৈক্ষিক স্বাধীনতা দিয়া উচিত। তেওঁলোকে মুকলিকৈ ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক বিষয়ৰ সমস্যা সন্দৰ্ভত মৌখিক আৰু লিখিত মত প্ৰকাশৰ স্বাধীনতা পোৱা উচিত। এনেবোৰ মতক যথোপযুক্ত সুৰক্ষা প্ৰদান কৰিব লাগিব।
- শিক্ষকৰ শিক্ষা, বিশেষকৈ কাৰ্যৰত অৱস্থাত লাভ কৰা শিক্ষাক যথোপযুক্ত গুৰুত্ব দিব লাগিব।

ভাষাৰ বিকাশ ঃ

- **আঞ্চলিক ভাষা ঃ** শৈক্ষিক আৰু সাংস্কৃতিক উন্নয়নৰ আপোচহীন চৰ্ত হ'ল ভাৰতীয় ভাষা-সাহিত্যৰ শক্তিশালী বিকাশ। প্ৰাথমিক আৰু মাধ্যমিক স্তৰৰ শিক্ষাত আঞ্চলিক ভাষাৰ ব্যৱহাৰ চলিয়েই আছে। বিশ্ববিদ্যালয় পৰ্যায়তো আঞ্চলিক ভাষাত শৈক্ষিক নিৰ্দেশনা প্ৰদানৰ বাবে জৰুৰী ব্যৱস্থা গ্ৰহণ কৰাৰ সময় আহি পৰিছে।
- **ত্ৰি-ভাষিক সূত্ৰ ঃ** মাধ্যমিক পৰ্যায়ৰ শিক্ষাত ৰাজ্য চৰকাৰেসমূহে ত্ৰি-ভাষিক সূত্ৰটো গ্ৰহণ কৰি ইয়াৰ প্ৰচলনৰ বাবে যথাসম্ভৱ চেষ্টা কৰা উচিত। হিন্দীভাষী ৰাজ্যবোৰত ইংৰাজী আৰু হিন্দীৰ লগতে আন এটা বিশেষকৈ আধুনিক ভাৰতীয় ভাষাৰ অধ্যয়ন অন্তৰ্ভুক্ত কৰিব লাগে। অ-হিন্দীভাষী ৰাজ্যত নিজৰ ভাষাটোৰ লগতে ইংৰাজী আৰু হিন্দী ভাষাৰ অধ্যয়নক অন্তৰ্ভুক্ত কৰা উচিত। মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় পৰ্যায়ত হিন্দী আৰু / নাইবা ইংৰাজীৰ উপযুক্ত পাঠ্যক্ৰম উপলব্ধ কৰোৱা উচিত। এনে পাঠ্যক্ৰমৰ উদ্দেশ্য হ'ল শিক্ষাৰ্থীক একাধিক ভাষাত দক্ষ কৰি তোলা।
- **হিন্দী ঃ** হিন্দী ভাষাৰ বিকাশৰ পৃষ্ঠপোষকতাকাৰী প্ৰয়াস চলাব লাগিব। ভাৰতৰ সংমিশ্ৰিত সংস্কৃতিৰ সকলো উপাদানৰ অভিব্যক্তি প্ৰকাশৰ মাধ্যম হিচাপে ভাৰতীয় সংবিধানৰ ৩৫১ নং অনুচ্ছেদত সন্নিৱিষ্ট সকলো সুবিধা আগবঢ়াব পৰাকৈ হিন্দী ভাষাৰ সমুচিত যত্ন ল'ব লাগিব।
- **সংস্কৃত ঃ** ভাৰতীয় ভাষাৰ বিকাশত সংস্কৃতৰ বিষয়ে গুৰুত্বৰ কথা বিবেচনা কৰি বিদ্যালয় আৰু বিশ্ববিদ্যালয় পৰ্যায়ত সংস্কৃত শিক্ষাৰ সা-সুবিধা গঢ়ি তুলিব লাগে। দেশৰ সাংস্কৃতিক ঐক্য বৰ্তাই ৰখাত সংস্কৃত ভাষাই আগবঢ়োৱা অনন্য অৱদানৰ কথা মনত ৰাখি এক অধিক উদাৰবাদী পৰিসৰত সংস্কৃত ভাষা শিক্ষাৰ পথ সুচল কৰি তোলা উচিত।
- **আন্তৰ্জাতিক ভাষা ঃ** ইংৰাজী অন্য আন্তৰ্জাতিক ভাষা শিক্ষাৰ বাবে বিশেষ গুৰুত্ব আৰোপ কৰা উচিত।

শৈক্ষিক সা-সুবিধা লাভত সমতা স্থাপন ঃ

শৈক্ষিক সা-সুবিধাবোৰ সকলোকে সমানভাৱে আগবঢ়াবলৈ সম্ভৱপৰ সকলো ধৰণৰ প্ৰয়াস চলোৱা উচিত।

- শৈক্ষিক সা-সুবিধাৰ ক্ষেত্ৰত থকা আঞ্চলিক অসমতা যিমান সোনকালে পাৰি আঁতৰ কৰিব লাগে। গ্ৰামাঞ্চল আৰু অন্য পিছপৰা অঞ্চলত শিক্ষাৰ উন্নত সা-সুবিধা আগবঢ়াব লাগে।
- সামাজিক সমন্বয় আৰু ৰাষ্ট্ৰীয় সংহতিৰ পোষকতা কৰিবলৈ দেসত উমৈহতীয়া বিদ্যালয় ব্যৱস্থা প্ৰৱৰ্তন কৰিব লাগে। ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ দৰে সকলো বিশেষ বিদ্যালয়ে মেধাৰ ভিত্তিত শিক্ষাৰ্থীৰ নামভৰ্তি কৰা উচিত। সামাজিক শ্ৰেণীবোৰৰ মাজত বিভাজন ৰোধ কৰিবলৈ মুক্ত জলপানি প্ৰদানৰ এটা অনুপাত এই শ্ৰেণীৰ মেধাৱী শিক্ষাৰ্থীক আগবঢ়াব লাগে।
- কন্যা শিশুৰ শিক্ষাৰ বিষয়টোৱে প্ৰাপ্য গুৰুত্ব পোৱা উচিত। বিষয়টোক কেৱল সামাজিক ন্যায়ৰ দিশেৰে বিবেচনা কৰা অনুচিত। কাৰণ, কন্যা শিশুৰ শিক্ষাই সামাজিক ৰূপান্তৰৰ প্ৰক্ৰিয়াটোকো ত্বৰান্বিত কৰে।
- দেশৰ পিছপৰা সম্প্ৰদায়, বিশেষকৈ জনজাতি সম্প্ৰদায়বোৰৰ মাজত শিক্ষাৰ প্ৰসাৰ ঘটোৱাৰ বাবে অধিক বিস্তৃত আৰু গভীৰ প্ৰয়াস চলোৱা উচিত।
- শাৰীৰিক আৰু মানসিকভাৱে বাধাগ্ৰস্ত শিশুৰ বাবে থকা শৈক্ষিক সা-সুবিধাবোৰ সম্প্ৰসাৰিত কৰা উচিত। এনে শিশুৱে নিয়মীয়া বিদ্যালয়ত পঢ়িব পৰাকৈ সংহত শৈক্ষিক কাৰ্যসূচী বিকাশৰ প্ৰচেষ্টা চলোৱা উচিত।

প্ৰতিভা চিনাক্তকৰণ ঃ

উৎকৰ্ষ কৰ্ষণ কৰিবলৈ শিক্ষাৰ বিভিন্ন ক্ষেত্ৰত থকা প্ৰতিভাধৰ সকলক চিনাক্ত কৰি উলিওৱা আৱশ্যক। যিমান কম বয়সতে এই প্ৰতিভাধৰসকলক চিনি উলিয়াব পৰা যাব, সিমান সোনকালে তেওঁলোকৰ পূৰ্ণ বিকাশৰ বাবে প্ৰয়োজনীয় সকলো প্ৰকাৰৰ উদ্দীপক আৰু সুযোগ আগবঢ়াব পৰা যাব।

কৰ্ম অভিজ্ঞতা আৰু ৰাষ্ট্ৰীয় সেৱা ঃ

পাৰস্পৰিক সেৱা কাৰ্যসূচী আৰু সমৰ্থনমূলক কাম-কাজেৰে বিদ্যালয় আৰু সম্প্ৰদায়বোৰৰ মাজত সম্বন্ধ ঘনিষ্ঠ কৰি তোলাৰ প্ৰয়াস চলোৱা উচিত। সামূহিক সেৱাৰ অৰ্থৱহ আৰু প্ৰত্যাহ্বানমূলক কাৰ্যসূচীত অংশগ্ৰহণ আৰু ৰাষ্ট্ৰীয় পুনৰ নিৰ্মাণৰ কামত অংশীদাৰিত্ব আদিৰে শিক্ষাৰ্থীয়ে কৰ্ম অভিজ্ঞতা গোটাব তথা ৰাষ্ট্ৰীয় সেৱা আগবঢ়াব পাৰে বাবে এনে কামক শিক্ষাৰ অবিচ্ছেদ্য অংগ কৰি তোলা উচিত।

বিজ্ঞান শিক্ষা আৰু গৱেষণা ঃ

ৰাষ্ট্ৰীয় অৰ্থনীতিৰ বিকাশৰ বাবে বিজ্ঞান শিক্ষা আৰু গৱেষণাক উচ্চ অগ্ৰাধিকাৰ দিব লাগিব। বিদ্যালয় পৰ্যায়ৰ সাধাৰণ শিক্ষা সমাপ্ত নোহোৱা পৰ্যন্ত বিজ্ঞান আৰু গণিত বিষয় দুটা পাঠ্যক্ৰমৰ অবিচ্ছেদ্য অংশ হ'ব লাগিব।

কৃষি আৰু উদ্যোগ শিক্ষা ঃ

- দেশৰ প্ৰতিখন ৰাজ্যতে অতি কমেও এখন কৃষি বিশ্ববিদ্যালয় থাকিব লাগিব। অন্য বিশ্ববিদ্যালয়সমূহেও কৃষিৰ এটা নাইবা একাধিক দিশৰ অধ্যয়ন কৰিব পৰাকৈ একোটা শক্তিশালী কৃষি বিভাগ গঢ়ি তুলিব লাগিব।
- উদ্যোগৰ ব্যৱহাৰিক প্ৰশিক্ষণক কাৰিকৰী শিক্ষাৰ অবিচ্ছেদ্য অংশ কৰি তোলা উচিত।
- দেশৰ কৃষি, উদ্যোগ আৰু মানৱ শক্তিৰ প্ৰয়োজন হোৱা আন আন কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰবোৰ অবিৰতভাৱে পুনৰীক্ষণ কৰি থাকিব লাগিব। শিক্ষানুষ্ঠান আৰু নিয়োগ সুবিধাৰ মাজত উপযুক্ত সমতা বৰ্তাই ৰাখিবলৈও অবিৰত প্ৰচেষ্টা চলাব লাগিব।

কিতাপ প্ৰস্তুতকৰণ ঃ

পাঠ্যপুথিৰ গুণগত উৎকৰ্ষ সাধনক লক্ষ্য কৰি লৈ সমগ্ৰ দেশৰে শ্ৰেষ্ঠ লেখকসকলক পাঠ্যপুথি ৰচনাৰ বাবে আকৰ্ষিত কৰিব লাগিব। তেওঁলোকক উদ্‌গনি যোগাবলৈ আৰু মাননি দিবলৈ উদাৰবাদী নীতি গ্ৰহণ কৰিব লাগিব। ব্যৱসায়িকভাৱে এটা স্ব-নিয়ন্ত্ৰিত পাঠ্যপুথি নিগম গঢ়ি তোলাৰ সম্ভাৱনীয়তাৰ চিন্তা-চৰ্চা কৰিব লাগিব। সমগ্ৰ দেশতে মৌলিক পাঠ্যপুথিৰ শৃংখলা এটাক উমৈহতীয়া কৰি তুলি সেয়া সহজলভ্য কৰি তুলিব লাগিব। সৰু

ল'ৰা-ছোৱালীৰ বাবে প্ৰস্তুত কৰা কিতাপবোৰত বিশেষ মনোযোগ দিব লাগিব। বিশ্ববিদ্যালয় পৰ্যায়ৰ কিতাপবোৰ আঞ্চলিক ভাষাত উপলব্ধ কৰোৱাৰ দিহা কৰিব লাগিব।

পৰীক্ষা ঃ

পৰীক্ষা ব্যৱস্থাৰ সংস্কাৰ সাধনৰ এটা প্ৰধান লক্ষ্য হ'ল পৰীক্ষাৰ ভাৰসাযোগ্যতা আৰু বৈধতাৰ মান উন্নত কৰা। শিক্ষাৰ্থীৰ শিক্ষাৰ মূল্যায়নক এক অবিৰত প্ৰক্ৰিয়া কৰি তোলা। কোনো এক প্ৰদত্ত সময়ত শিক্ষাৰ্থীৰ পাৰদৰ্শিতাৰ গুণগত মানক কেৱল 'প্ৰমাণপত্ৰ' দিয়াৰ সলনি অনবৰতে শিক্ষাৰ্থীৰ সফলতাৰ স্তৰ উন্নত কৰি যোৱাৰ চেষ্টা কৰা।

মাধ্যমিক স্তৰৰ শিক্ষা ঃ

- সামাজিক পৰিৱৰ্তন আৰু ৰূপান্তৰৰ এবিধ প্ৰধান আহিলা হ'ল মাধ্যমিক (উচ্চ আৰু উচ্চতৰ) স্তৰত থকা শিক্ষাৰ সুবিধা। সেয়েহে এই স্তৰটোৰ শিক্ষাক সমৃদ্ধ কৰি তুলিবলৈ উপযুক্ত সা-সুবিধা গঢ়ি তোলা উচিত। অতীতত এনে সা-সুবিধাৰ পৰা বঞ্চিত হৈ থকা বিশেষ শিক্ষা ক্ষেত্ৰ অথবা শ্ৰেণীবোৰলৈ এনে সা-সুবিধা পৰ্যাপ্ত পৰিমাণে যোগান ধৰা উচিত।
- মাধ্যমিক আৰু বৃত্তিমুখী শিক্ষাৰ ক্ষেত্ৰত সা-সুবিধাৰ পৰিমাণ বৃদ্ধি কৰা উচিত। উন্নয়নশীল অৰ্থনীতি আৰু প্ৰকৃত নিয়োগ সুবিধাৰ সৈতে সংগতি থকা সা-সুবিধা বিকশাই তোলা উচিত। মাধ্যমিক স্তৰত শিক্ষাক সুফলদায়ক কৰি তুলিবলৈ ইয়াত কাৰিকৰী আৰু বৃত্তিমুখী শিক্ষা যোগ কৰাতো আৱশ্যক।

বিশ্ববিদ্যালয় স্তৰৰ শিক্ষা ঃ

- মহাবিদ্যালয়ৰ পৰীক্ষাগাৰ, গ্ৰন্থাগাৰ, অন্য সা-সুবিধা তথা শিক্ষক কৰ্মচাৰীৰ সংখ্যা অনুসৰি মহাবিদ্যালয় অথবা বিশ্ববিদ্যালয় এখনত নামভৰ্তিৰ সুযোগ দিব খোজা পূৰ্ণকালীন শিক্ষাৰ্থীৰ সংখ্যাটো নিৰ্দ্ধাৰণ কৰা উচিত।
- নতুন বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰোতে উপযুক্ত সাৱধানতা অৱলম্বন কৰিব লাগিব। এই উদ্দেশ্যত ব্যৱহাৰ কৰিবলৈ পৰ্যাপ্ত পুঁজি থাকিলেহে নিৰ্মাণৰ কামত হাত দিয়া উচিত। বিশ্ববিদ্যালয় এখনে সকলো দিশতে উপযুক্ত মান বৰ্তাই ৰাখিব লাগিব।
- স্নাতকোত্তৰ পৰ্যায়ৰ পাঠ্যক্ৰমসমূহ প্ৰস্তুত কৰোতে বিশেষ মনোযোগ দিব লাগিব। বিশ্ববিদ্যালয় পৰ্যায়ৰ প্ৰশিক্ষণ আৰু গৱেষণাৰ মান উন্নত কৰিবলৈ চেষ্টা চলাব লাগিব।
- উচ্চশিক্ষা অধ্যয়নৰ কেন্দ্ৰবোৰ শক্তিশালী কৰি তুলিব লাগিব। গৱেষণা আৰু প্ৰশিক্ষণৰ সম্ভাব্য উচ্চতৰ মান প্ৰতিষ্ঠা কৰাৰ লক্ষ্যৰে এনে কেন্দ্ৰবোৰৰ একোটা ক্ষুদ্ৰ ক্ষুদ্ৰ গোট (Clusters of centres) গঠন কৰিব লাগিব।
- বিশ্ববিদ্যালয়ত গৱেষণাৰ বাবে সহায়-সমৰ্থনৰ মাত্ৰা বাঢ়িব লাগিব।

অংশকালীন শিক্ষা আৰু ডাক পাঠ্যক্ৰম ঃ

বিশ্ববিদ্যালয় স্তৰত অংশকালীন শিক্ষা আৰু ডাকযোগে গ্ৰহণ কৰিব পৰা পাঠ্যক্ৰম বিকশিত কৰা উচিত। উচ্চতৰ মাধ্যমিক স্তৰৰ শিক্ষাথী, শিক্ষক, কৃষি শিক্ষা, উদ্যোগিক শিক্ষা আৰু অন্য কৰ্মজীৱি লোক এনে পাঠ্যক্ৰমৰ দ্বাৰা উপকৃত হোৱা উচিত। এই পাঠ্যক্ৰমবোৰক পূৰ্ণকালীন শিক্ষাৰ সম মৰ্যদা দিয়া উচিত।

সাক্ষৰতা আৰু প্ৰাপ্তবয়স্ক শিক্ষাৰ প্ৰসাৰ ঃ

- দেশৰ গণতান্ত্ৰিক অনুষ্ঠানবোৰত নাগৰিকৰ অংশগ্ৰহণ আৰু উৎপাদনমুখী কাৰ্যসূচীবোৰৰ অগ্ৰগতি ত্বৰান্বিত কৰিবলৈ নিৰক্ষৰতাৰ সংখ্যা হ্ৰাস কৰা আৱশ্যক। কৃষি বিষয়ক উৎপাদনমুখী কাৰ্যসূচীৰ ক্ষেত্ৰত বিশেষভাৱে আৰু সাধাৰণ ৰাষ্ট্ৰীয় উন্নয়নৰ বাবে এই কথা গুৰুত্বপূৰ্ণ। বৃহৎ বৃহৎ ব্যৱসায়িক, ঔদ্যোগিক অথবা তেনে কোনো প্ৰতিষ্ঠানত কৰ্মৰতসকলক যিমান সোনকালে সম্ভৱ কাম চলাব পৰাকৈ সাক্ষৰ কৰি তোলাতো প্ৰয়োজনীয়।
- যুৱা খেতিয়ক আৰু কৰ্মসংস্থাপনৰ সুযোগ বিচাৰি বিভিন্ন প্ৰশিক্ষণত অংশ লোৱাসকলক অনতিপলমে সাক্ষৰ কৰি তোলাত বিশেষ জোৰ দিয়া উচিত।

খেল আৰু ক্রীড়া ঃ

মধ্যমীয়া শিক্ষার্থী আৰু খেল-ধেমালিত বিশেষ সফলতা প্রদর্শন কৰাসকলৰ শাৰীৰিক সুস্থতা আৰু খেলুৰৈসুলভ মনোভাৰ উন্নত কৰিবলৈ দেশৰ সকলো অঞ্চলতে বৃহৎ পৰিসৰত খেল-ধেমালি আৰু ক্রীড়াৰ পৰিৱেশ গঢ়ি তোলা উচিত।

সংখ্যালঘূসকলৰ বাবে শিক্ষা ঃ

দেশৰ সংখ্যালঘূ সম্প্রদায়বোৰৰ শৈক্ষিক স্বার্থৰ পোষকতা কৰিবলৈ আৰু তেওঁলোকৰ অধিকাৰক সুৰক্ষা প্রদান কৰিবলৈ উপযুক্ত ব্যৱস্থা গ্রহণ কৰা উচিত।

শৈক্ষিক সংৰচনা ঃ

দেশত ১০+২+৩ আৰ্হিৰ এটা একৰূপী শৈক্ষিক সংৰচনা প্রচলিত কৰা হ'ব। ইয়াৰে দুবছৰীয়া উচ্চতৰ মাধ্যমিক স্তৰৰ শিক্ষাক স্থানীয় পৰিস্থিতিৰ সৈতে খাপ খোৱাকৈ বিদ্যালয় অথবা মহাবিদ্যালয়ৰ সৈতে সংযুক্ত কৰা হ'ব?

১০.৪.২ নীতিৰ মূল্যায়ন

শিক্ষা বিষয়ক ৰাষ্ট্রীয় নীতিৰ তলত উল্লেখ কৰা বৈশিষ্ট্যসমূহে প্রশংসা লাভ কৰিছিল।

- দেশৰ গ্রামাঞ্চল আৰু পিছপৰা এলেকাবোৰত শিক্ষাৰ সম-সুবিধা আৰু শৈক্ষিক সা-সুবিধা গঢ়ি তোলাৰ দিশত আয়োগে সমুচিত গুৰুত্ব আৰোপ কৰিছিল।
- শিক্ষা খণ্ডত কৰা বিনিয়োগৰ পৰিমাণ প্রায় ২.৭ শতাংশৰ পৰা ৬ শতাংশলৈ বৃদ্ধি কৰিবলৈ লোৱা সিদ্ধান্তই প্রশংসা আদায় কৰিছিল।
- দেশৰ সকলোতে একৰূপী শৈক্ষিক সংৰচনাৰ প্রচলন এক সময়োপযোগী সিদ্ধান্ত আছিল। ১০ বছৰীয়া উচ্চ মাধ্যমিক শিক্ষা, ২ বছৰীয়া উচ্চতৰ মাধ্যমিক শিক্ষা আৰু ৩ বছৰীয়া স্নাতক শিক্ষাৰে এই সংৰচনাটো সৃষ্টি কৰা হৈছিল।
- নীতিয়ে স্বতন্ত্র পদ্ধতিৰে অধ্যয়ন আৰু গৱেষণা কৰিবলৈ শিক্ষকসকলক শৈক্ষিক স্বাধীনতা দিয়াৰ কথা কৈছিল। শিক্ষখসকলে তাৎপর্যপূর্ণ ৰাষ্ট্রীয় আৰু আন্তর্জাতিক বিষয়-সমস্যা সন্দর্ভত নিজৰ মতামত দাঙি ধৰাৰো স্বাধীনতা পাইছিল।
- নীতিত সংখ্যালঘূ সম্প্রদায়ৰ বাবে শৈক্ষিক সা-সুবিধা গঢ়ি তোলাত গুৰুত্ব দিয়া হৈছিল।

পৰিতাপৰ কথা এয়ে যে ইমানবোৰ প্রাসংগিক বিষয় সামৰি লোৱা সত্বেও এই নীতিৰ সফল প্রয়োগত দেশে ব্যর্থতাৰ পৰিচয় দিছিল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ ..... চনত শিক্ষা বিষয়ক ৰাষ্ট্রীয় নীতি গঠন কৰা হৈছিল।

প্রশ্ন নং ৬ঃ শিক্ষা বিষয়ক ৰাষ্ট্রীয় নীতিয়ে নির্দ্ধাৰণ কৰা শৈক্ষিক সংৰচনাটো কি?

.....

প্রশ্ন নং ৭ঃ শিক্ষা বিষয়ক ৰাষ্ট্রীয় নীতিয়ে কোৱা বাধ্যতামূলক শিক্ষা সম্পর্কে এটা টোকা লিখক।

.....

১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰত চৰকাৰে দেশৰ শিক্ষাৰ প্রতিটো স্তৰ আৰু দিশ চালিজাৰি চাবলৈ ১৯৬৪ চনৰ আন এখন আয়োগ গঠন কৰিছিল। সেই সময়ত বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC) ৰ অধ্যক্ষ পদত কার্যনির্বাহ

কৰি থকা ড° ডি. এচ. কোঠাৰীক এই নতুন আয়োগখনৰ হিচাপে অধ্যক্ষ নিৰ্বাচিত কৰা হৈছিল। তেওঁৰ নামেৰে পাছত এই আয়োগখন 'কোঠাৰী আয়োগ' বুলি জনাজাত হৈছিল।

- কোঠাৰী আয়োগে ভাৰতীয় শিক্ষা ব্যৱস্থাত থকা বিভিন্ন সমস্যা ধৰা পেলাইছিল। ১৯৬৬ চনৰ ২৯ জুনত আয়োগে ইয়াৰ ১৬০০ পৃষ্ঠাৰ প্ৰতিবেদনখন কেন্দ্ৰীয় শিক্ষামন্ত্ৰীৰ হাতত অৰ্পণ কৰিছিল।

  প্ৰতিবেদনখন চাৰিটা ভাগত ভগোৱা হৈছিল। প্ৰথম ভাগত দেশৰ শৈক্ষিক উদ্দেশ্য, ৰাষ্ট্ৰীয় উদ্দেশ্য, শিক্ষা ব্যৱস্থাৰ সংৰচনা, শিক্ষাৰ স্বীকৃত মান, শিক্ষকৰ সামাজিক স্থিতি, শিক্ষকৰ শিক্ষা, নামভৰ্তি, মানৰ শক্তি, শৈক্ষিক সামাজিক স্থিতি, শিক্ষকৰ শিক্ষা, নামভৰ্তি, মানৰ শক্তি, শৈক্ষিক সুবিধাবোৰৰ সমতাপূৰ্ণ প্ৰয়োগ আদি বিষয় ৰখা হৈছিল। দ্বিতীয় ভাগত বিদ্যালয় পৰ্যায়ৰ শিক্ষা, ইয়াৰ সম্প্ৰসাৰণত দেখা দিয়া সমস্যা, বিদ্যালয়ৰ পাঠ্যক্ৰম, শিক্ষা পদ্ধতি, শিক্ষকৰ দিক্-নিৰ্দেশনা, শিক্ষাৰ্থীৰ মূল্যায়ন, প্ৰশাসন, পৰিদৰ্শন, উচ্চতৰ শিক্ষাৰ উদ্দেশ্য, উন্নতি সাধন, বিশ্ববিদ্যালয়ৰ প্ৰশাসন, কৃষি শিক্ষা, বৃত্তিমুখী শিক্ষা, কাৰিকৰী শিক্ষা, অভিযান্ত্ৰিক শিক্ষা, বিজ্ঞান শিক্ষা, গৱেষণা আৰু প্ৰাপ্তবয়স্কৰ শিক্ষা সম্পৰ্কে আলোচনা কৰা হৈছিল। তৃতীয় ভাগৰ আলোচনাৰ বিষয় আছিল আয়োগৰ পৰামৰ্শাৱলী প্ৰযোজ্যকৰণ, শৈক্ষিক পৰিকল্পনা, শৈক্ষিক প্ৰশাসন আৰু শিক্ষালৈ বিত্ত যোগান। চতুৰ্থ ভাগটোত কিছুমান পৰিপূৰক পত্ৰ আৰু শৈক্ষিক স্বাৰ্থ জড়িত অন্য প্ৰাসংগিক তথ্য ৰখা হৈছিল।
- শিক্ষা আয়োগ, ১৯৬৪-৬৬ এ চৰকাৰক পৰামৰ্শ দিছিল যে দেশৰ শিক্ষা ব্যৱস্থাৰ সাধাৰণ আদৰ্শ আৰু নীতি বিকশিত কৰিবলৈ এখন ৰাষ্ট্ৰীয় নীতি নিৰ্দ্ধাৰক সমিতি গঠন কৰা উচিত। এই আলোচনা আৰু পৰামৰ্শৰ আঁত ধৰি শিক্ষা বিষয়ক ৰাষ্ট্ৰীয় নীতি গ্ৰহণ সম্পৰ্কে এক সহমতৰ সৃষ্টি হৈছিল। সেইমৰ্মে ১৯৬৮ চনৰ ২৪ জুলাইত সংসদত শিক্ষা বিষয়ক ৰাষ্ট্ৰীয় নীতি গ্ৰহণৰ সিদ্ধান্ত উপস্থাপন কৰা হৈছিল।
- ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ অধীনত দেশত তলত উল্লেখ কৰা কথাবোৰ প্ৰযোজ্য কৰিছিল-
  - বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা
  - শিক্ষকৰ সামাজিক স্থিতি, দৰমহা আৰু শিক্ষা উন্নীতকৰণ
  - ভাষাৰ বিকাশ
  - শৈক্ষিক সা-সুবিধাবোৰৰ সম-বিতৰণ
  - প্ৰতিভা চিনাক্তকৰণ, কৰ্ম অভিজ্ঞতা অৰ্জনৰ সুযোগ, ৰাষ্ট্ৰীয় সেৱালৈ অৱদান
  - বিজ্ঞান শিক্ষা আৰু গৱেষণাৰ পৃষ্ঠপোষকতা
  - কৃষি আৰু ঔদ্যোগিক শিক্ষাৰ সম্প্ৰসাৰণ
  - কিতাপ/পাঠ্যপুথি প্ৰস্তুতকৰণ
  - পৰীক্ষা ব্যৱস্থাৰ সংশোধন
  - উচ্চতৰ মাধ্যমিক শিক্ষাৰ সংশোধন
  - বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষাৰ উন্নতি সাধন
  - অংশকালীন শিক্ষা আৰু ডাক পাঠ্যক্ৰমৰ প্ৰচলন
  - সাক্ষৰতা আৰু প্ৰাপ্তবয়স্ক শিক্ষাৰ প্ৰসাৰ
  - খেল আৰু ক্ৰীড়াৰ পোষকতা, সংখ্যালঘুৰ শিক্ষা নিশ্চিকৰণ
  - শৈক্ষিক সংৰচনাৰ সংশোধন

১০.৬ অধিক জানিবলৈ

১) Aggarwal, J.C. (2004). *Landmarks in the History of Modern Indian Education*. New Delhi: Vikas Publishing House.

২) Ghosh, S. C. (2007). *History of Education in India*. Delhi: Rawat Publications.
৩) Nurullah and Naik. (1951). *A History of Education in India*. Bombay: Macmillan Publishers.
৪) Saikia, S. (1998). *History of Education in India*. Guwahati: Mani Manik Prakash.
৫) Ravi, S. Samuel. (2015). *Education in Emerging India*. Delhi: PHI Learning Pvt. Ltd.
৬) Thakur & Thakur (2014/15). *Development of Education System in India: Problems and Prospects*. Agra: Agrawal Publications.

✓ ১০.৭ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ কোঠাৰী আয়োগ।

২ নং প্ৰশ্নৰ উত্তৰঃ ড° ডি এচ. কোঠাৰী।

৩ নং প্ৰশ্নৰ উত্তৰঃ চাৰি ভাগত।

৪ নং প্ৰশ্নৰ উত্তৰঃ তলত দিয়া চর্ত আৰু ক্ষমতাসমূহৰ ভিত্তিত কোঠাৰী আয়োগে নিজৰ কাম-কাজ আগবঢ়াই নিছিল।

- **শিক্ষাৰ এটা ৰাষ্ট্ৰীয় ব্যৱস্থাৰ বিকাশ ঃ** আয়োগক দেশৰ শিক্ষাৰ ৰাষ্ট্ৰীয় ব্যৱস্থাটোৰ ক্ৰমবিৱর্তন সাধন কৰিব পৰা সকলো দিশ মূল্যাংকন কৰাৰ দায়িত্ব দিয়া হৈছিল। আয়োগে দেশৰ প্ৰমূল্য আৰু পৰম্পৰাবোৰ মনত ৰাখি নাগৰিকৰ প্ৰয়োজন আৰু প্ৰত্যাশা পূৰাব পৰা ব্যৱস্থাৰ এটাৰ বিকাশৰ পৰিকল্পনা কৰাৰ ভাৰ পাইছিল।
- **শিক্ষাক ৰাষ্ট্ৰীয় উন্নতি আৰু কল্যাণৰ সোপান কৰ তোলা ঃ** শিক্ষাক দেশৰ উন্নতি আৰু কল্যাণ সাধনৰ প্ৰধান আহিলা কৰি তোলাৰ আৱশ্যকতাক বাস্তৱ ৰূপ দিয়াৰ বাবে আয়োগক দায়িত্ব অর্পন কৰা হৈছিল।
- **সকলো স্তৰত শিক্ষাৰ গুণগত উৎকর্ষ সাধন কৰা ঃ** দেশত শিক্ষাৰ সংখ্যাগত সম্প্ৰসাৰণ (শিক্ষানুষ্ঠানৰ বর্দ্ধিত সংখ্যা) ৰ বিপৰীতে গুণগত উৎকর্ষ সাধনৰ প্ৰচেষ্টা কিয় পিছপৰি ৰৈছে তাৰ কাৰণ পৰীক্ষা কৰিবলৈ আয়োগক দায়িত্ব দিয়া হৈছিল। আয়োগে দেশৰ শিক্ষা ব্যৱস্থাৰ সকলো স্তৰতে গুণগত উৎকর্ষ সাধনকাৰী ৰাষ্ট্ৰীয় নীতি আৰু কার্যসূচী প্ৰস্তুত কৰাৰ গুৰু দায়িত্ব লাভ কৰিছিল।
- **দেশৰ শিক্ষা ব্যৱস্থাৰ সামগ্ৰিক সমীক্ষা ঃ** আয়োগক দেশৰ শিক্ষা ব্যৱস্থাটোৰ বিষয়ে এক বিস্তৃত দৃষ্টিভংগী গঠনৰ আহ্বান জনোৱা হৈছিল আৰু সকলো কাল্পনিক দৃষ্টিভংগী পৰিহাৰ কৰি অৱলোকনমূলক সমীক্ষা চলাবলৈ কোৱা হৈছিল। আয়োগৰ দায়িত্ব আছিল শিক্ষাৰ খণ্ডিত ৰূপবোৰৰ বিচাৰ-বিশ্লেষণ বাদ দি সামগ্ৰিক ৰূপটো পৰীক্ষা কৰা। দেশৰ সমগ্ৰ শিক্ষা ব্যৱস্থাটোৰ এটা বিস্তৃত পুনৰীক্ষণ কৰাৰ ভাৰ আয়োগে গ্ৰহণ কৰিছিল।

৫ নং প্ৰশ্নৰ উত্তৰঃ ১৯৬৮।

৬ নং প্ৰশ্নৰ উত্তৰঃ ১০+২+৩ বছৰীয়া সংৰচনা।

৭ নং প্ৰশ্নৰ উত্তৰঃ ভাৰতীয়া সংবিধানৰ অনুচ্ছেদ ৪৫ ত থকা নির্দেশাত্মক নীতিক বাস্তৱ ৰূপ দিয়াৰ প্ৰয়াস কৰিব লাগিব। ইয়াত দেশৰ ল'ৰা-ছোৱালীক ১৪ বছৰ বয়সীয়া হোৱালৈকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা দিয়াৰ কথা কোৱা হৈছিল।

বিদ্যালয়বোৰৰ পৰা অপচয় আৰু স্থবিৰতা নাইকিয়া কৰিবলৈ বিশেষ কার্যসূচী গ্ৰহণ কৰিব লাগিব। বিদ্যালয়ত নামভর্তি কৰা প্ৰতিটো ল'ৰা-ছোৱালীয়ে যাতে সফলতাৰে নির্দ্ধাৰিত পাঠ্যক্ৰমৰ পঢ়া শেষ কৰে সেয়া নিশ্চিত কৰিব লাগিব।

? ১০.৮ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (প্ৰায় ১৫০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ কোঠাৰী আয়োগে উপস্থাপন কৰা শৈক্ষিক সংৰচনাটোৰ বিষয়ে লিখক।

প্ৰশ্ন ২ঃ কোঠাৰী আয়োগে শিক্ষাৰ ৰাষ্ট্ৰীয় আৰ্হিটো কেনেধৰণৰ হ'ব লাগে বুলি পৰামৰ্শ দিছিল?

প্ৰশ্ন ৩ঃ শিক্ষা বিষয়ক ৰাষ্ট্ৰীয় নীতি, ১৯৬৮ ৰ ইতিবাচক দিশবোৰ উল্লেখ কৰক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰায় ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ কোঠাৰী আয়োগৰ মতে শিক্ষাৰ লক্ষ্য কি হোৱা উচিত?

প্ৰশ্ন ২ঃ শিক্ষণ পদ্ধতি আৰু পাঠক্ৰম সন্দৰ্ভত কোঠাৰী আয়োগে আগবঢ়োৱা পৰামৰ্শসমূহ আলোচনা কৰক।

প্ৰশ্ন ৩ঃ কোঠাৰী আয়োগৰ পৰামৰ্শাৱলীৰ সমালোচনামূলক মূল্যায়ন কৰক।

প্ৰশ্ন ৪ঃ শিক্ষা বযয়ক ৰাষ্ট্ৰীয় নীতি, ১৯৬৮-ত গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ সিদ্ধান্তবোৰ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১১ঃ স্বাধীনোত্তৰ যুগত ভাৰতত হোৱা শিক্ষাৰ বিকাশ- IV
(শিক্ষাৰ ৰাষ্ট্ৰীয় নীতি, ১৯৮৬ আৰু কার্য সম্পাদন পৰিযোজনা, ১৯৯২)

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ শিক্ষাৰ ৰাষ্ট্ৰীয় নীতি (NPE) ৰ উদ্দেশ্য
১১.৪ প্ৰাথমিক শিক্ষা বিষয়ক পৰামৰ্শাৱলী
১১.৫ মাধ্যমিক শিক্ষা বিষয়ক পৰামৰ্শাৱলী
১১.৬ বিশ্ববিদ্যালয় শিক্ষা বিষয়ক পৰামৰ্শাৱলী
১১.৭ শিক্ষাৰ ৰাষ্ট্ৰীয় নীতিৰ মূল্যায়ন
১১.৮ কার্য সম্পাদন পৰিযোজনা, ১৯৯২
১১.৮.১ পৰিযোজনাৰ পৰামৰ্শাৱলী
১১.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.১০ অধিক জানিবলৈ
১১.১১ অগ্ৰগতিৰ খতিয়ান
১১.১২ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ উদ্দেশ্যসমূহত আলোকপাত কৰিব পাৰিব
- এই নীতিয়ে দেশৰ প্ৰাথমিক শিক্ষা সন্দর্ভত আগবঢ়োৱা প্ৰধান পৰামৰ্শাৱলীৰ তালিকা প্ৰস্তুত কৰিব পাৰিব
- এই নীতিয়ে দেশৰ মাধ্যমিক শিক্ষা সন্দর্ভত আগবঢ়োৱা প্ৰধান পৰামৰ্শাৱলীৰ তালিকা প্ৰস্তুত কৰিব পাৰিব
- এই নীতিয়ে দেশৰ বিশ্ববিদ্যালয় স্তৰৰ শিক্ষা সন্দর্ভত আগবঢ়োৱা প্ৰধান পৰামৰ্শাৱলীৰ তালিকা প্ৰস্তুত কৰিব পাৰিব
- ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ মূল্যায়ন কৰিব পাৰিব
- কার্য সম্পাদন পৰিযোজনা, ১৯৯২ ৰ প্ৰধান পৰামৰ্শবোৰ ব্যাখ্যা কৰিব পাৰিব।

১১.২ পৰিচয়

স্বাধীন ভাৰতত প্ৰচলিত শিক্ষা ব্যৱস্থাটোৰ সংস্কাৰ সাধন আৰু ন-ৰূপত প্ৰচলন কৰাৰ নতুন চিন্তাই গা কৰি উঠিছিল। এই নতুন শিক্ষাই আধুনিক যুগৰ প্ৰত্যাহ্বান, প্ৰত্যাশা আদি পূৰণ কৰাৰ লগতে মুক্ত ভাৰতৰ নতুন প্ৰয়োজনীয়তাবোৰৰ অনুকূলকৈ শিক্ষা খণ্ডৰ বিকাশ ঘটাব বুলি ভবা হৈছিল। এই কথাবোৰক বাস্তৱ ৰূপ দিবলৈ ১৯৪৮ চনত বিশ্ববিদ্যালয় শিক্ষা আয়োগ, ১৯৫২-৫৩ চনত উচ্চতৰ মাধ্যমিক শিক্ষা আয়োগ আৰু ১৯৬৪-৬৬ চনত শিক্ষা আয়োগ গঠন কৰা হৈছিল। আটাইকেইখন আয়োগে দেশৰ সামগ্ৰিক শিক্ষা ব্যৱস্থাটোত প্ৰয়োজন হোৱা পৰিৱৰ্তনবোৰ বিবেচনা কৰি চাইছিল। সমাজৰ পৰিৱৰ্তিত প্ৰয়োজন তথা প্ৰত্যাশা পূৰণ কৰিব পৰাকৈ দেশৰ

প্ৰচলিত শিক্ষা ব্যৱস্থাটোক এক নতুন দিশেৰে আগুৱাই নিবলৈ তিনিওখন আয়োগে অত্যন্ত স্পষ্ট, অৰ্থৱহ আৰু প্ৰাসংগিক পৰামৰ্শ আগবঢ়াইছিল। কিন্তু পৰিতাপৰ কথা এয়ে যে শিক্ষা ব্যৱস্থাটোত সামান্য ইফাল-সিফাল কৰি ইয়াৰ সংৰচনা আৰু পৰিচালনা প্ৰণালী একেই কৰি ৰখা হ'ল। বাধ্যতামূলক সাৰ্বজনীন শিক্ষা এতিয়ালৈকে এক সপোন হৈয়েই ৰ'ল। কেৱল কাগজে-পত্ৰইহে মাধ্যমিক/উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ শিক্ষাক বৃত্তিমুখী কৰি তোলাৰ চিন্তা-চৰ্চাবোৰ কৰি থকা হ'ল। শিক্ষাৰ মান উন্নতকৰণৰ চিন্তাও শ্লোগান হৈয়ে ৰৈ গ'ল। দেশৰ শিক্ষা ব্যৱস্থাটোৱে কৰ্মসংস্থাপন লাভত সহায় কৰিব বুলি ভবাটোও বাস্তৱ হৈ নুঠিল। উচ্চতৰ শিক্ষাৰ লক্ষ্যবোৰৰ কোনো সুনিৰ্দিষ্ট সংজ্ঞা স্থিৰ কৰা নহ'ল, লক্ষ্যবোৰক মূৰ্ত ৰূপ দিব পৰা নগ'ল। মহাবিদ্যালয়, বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষা সমাপ্ত কৰা সকলেও কৰ্মসংস্থাপন যোগাৰ কৰাত ব্যৰ্থ হ'ল।

এনে পৰিস্থিতিৰ মাজতে ১৯৮৫ চনৰ আগষ্ট মাহত তদানীন্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে 'শিক্ষাৰ প্ৰত্যাহ্বানঃ এক নীতি নিৰ্দ্ধাৰক দৃষ্টিভংগী' নামৰ এক ভৱিষ্যদৰ্শী নথি দেশৰ নাগৰিকৰ আগত উপস্থাপন কৰিছিল। দেশৰ শিক্ষা ব্যৱস্থাৰ পুনৰীক্ষণ আৰু পুনৰ্গঠন প্ৰক্ৰিয়াত এই নথিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। ইয়াত দেশৰ শিক্ষা ব্যৱস্থাৰ ফলপ্ৰসূতা আৰু গুণগত উৎকৰ্ষ বৃদ্ধিৰ লগতে ভৱিষ্যৎ প্ৰত্যাহ্বানৰ মুখামুখি হ'ব পৰাকৈ ব্যৱস্থাটোক সাজু কৰি তোলাৰ কথা কোৱা হৈছিল। এই নথিক লৈ চলা আলাপ-আলোচনাৰ অন্তত ১৯৮৬ চনৰ ৮ মে' তাৰিখে লোকসভা আৰু ১৩ মে' তাৰিখে ৰাজ্যসভাই শিক্ষা বিষয়ক ৰাষ্ট্ৰীয় নীতিখন গৃহিত কৰিছিল। এই নীতিত প্ৰায় ১০ হাজাৰ শব্দ আছে। ২৯ পৃষ্ঠাৰ এই নীতিখনক ১২ টা ভাগত ভগোৱা হৈছে। ১৫৭ টা অনুচ্ছেদ থকা নীতিখনৰ প্ৰতিটো অনুচ্ছেদৰে প্ৰসংগ হ'ল একবিংশ শতিকাৰ শৈক্ষিক প্ৰত্যাহ্বানবোৰৰ কথা মনত ৰাখি মানৱ সম্পদৰ বিকাশ ঘটোৱা।

১১.৩ শিক্ষাৰ ৰাষ্ট্ৰীয় নীতি (NPE) ৰ উদ্দেশ্য

শিক্ষাৰ ৰাষ্ট্ৰীয় নীতিৰ প্ৰধান লক্ষ্য আছিল ব্যক্তিগত কল্যাণৰ পোষকতা কৰা, দক্ষতা বিকশিত কৰা, সমতা আৰু সামাজিক ন্যায়ৰ পোষকতা কৰা, শিক্ষাৰ্থীৰ মনত নৈতিক মূল্যবোধৰ উদ্ৰেক কৰা আৰু দেশত এটা অংশগ্ৰহণমূলক সামাজিক শৃংখলা প্ৰতিষ্ঠা কৰা। শিক্ষাৰ ৰাষ্ট্ৰীয় নীতিৰ বাবে কেইটামান উদ্দেশ্যও স্থিৰ কৰি লোৱা হৈছিল। উদ্দেশ্যবোৰ হ'ল-

- শিক্ষাৰ ৰাষ্ট্ৰীয় প্ৰণালী বোলা ধাৰণাটোৱে ইয়াকে বুজায় যে এক প্ৰদত্ত স্তৰলৈ জাতি-বৰ্ণ-ভাষা-ধৰ্ম-সম্প্ৰদায়-সামাজিক লিংগ-বাসস্থান আদি নিৰ্বিশেষে সকলো শিক্ষাৰ্থীয়ে তুলনামূলক গুণমান বিশিষ্ট সুচল শিক্ষা গ্ৰহণ সুবিধা পাব। এই লক্ষ্যত উপনীত হ'বলৈ চৰকাৰে যথোপযুক্তভাৱে পুঁজিৰ যোগান ধৰি বিভিন্ন কাৰ্যসূচীৰ কাম আগবঢ়াই নিব। ১৯৬৮ চনৰ শিক্ষা নীতিয়ে দিয়া পৰামৰ্শ অনুসৰি দেশত এটা উমৈহতীয়া বিদ্যালয় ব্যৱস্থা গঢ়ি তুলিবলৈ চৰকাৰে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিব।
- শিক্ষাৰ ৰাষ্ট্ৰীয় ব্যৱস্থাত এটা উমৈহতীয়া শৈক্ষিক সংৰচনা প্ৰচলিত কৰাৰ কথা কোৱা হৈছে। এই ১০+২+৩ আৰ্হিৰ সংৰচনাটো বৰ্তমান দেশৰ প্ৰায় সকলো অংশৰ শিক্ষানুষ্ঠানে গ্ৰহণ কৰিছে। এই সংৰচনাৰ প্ৰথম ১০ বছৰ প্ৰাথমিক শিক্ষা ব্যৱস্থাৰ বাবে ৰখা হৈছে। ইয়াৰ প্ৰথম ৫ বছৰ প্ৰাথমিক, তাৰ পাছৰ ৩ বছৰ উচ্চ প্ৰাথমিক আৰু তাৰ পাছৰ ২ বছৰ উচ্চ মাধ্যমিক শিক্ষাৰ বাবে ধাৰ্য কৰা হৈছে।
- শিক্ষাৰ ৰাষ্ট্ৰীয় ব্যৱস্থাটো ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখা এটাৰ আধাৰত পৰিচালনা কৰা হ'ব। এই পাঠ্যক্ৰমৰ এটা উমৈহতীয়া কেন্দ্ৰীয় ৰূপ থাকিব, ইয়াৰ অন্য উপাদানবোৰ নমনীয় প্ৰকৃতিৰ হ'ব।
- আন্তৰ্জাতিক সহযোগিতা, বুজাবুজি আৰু বিশ্ব শান্তিৰ দৰে ধাৰণাবোৰ বাস্তৱ কৰাৰ পৰিৱেশ গঢ়ি তুলিব লাগিব। এনে পৰিৱেশত ভৱিষ্যৎ প্ৰজন্মক সমতা আৰু সফলতাৰে আগবাঢ়ি যোৱাৰ অনুপ্ৰেৰণা যোগাব লাগিব।
- শিক্ষাই সামাজিক সমতা প্ৰতিষ্ঠাত আৰু সামাজিক সংকীৰ্ণতা-মানসিক জটিলতা আদি আঁতৰ কৰাত সহায় কৰিব লাগিব।
- শিক্ষাই শিক্ষাৰ্থীক দেশৰ ভিন্নধৰ্মী সংস্কৃতি তথা সামাজিক ঐতিহ্যৰ জ্ঞান দিব লাগিব। শিক্ষাৰ্থীয়ে দেশৰ

ভিন ভিন অঞ্চলত প্ৰচলিত ৰীতি-নীতি আদিৰ বিষয়েও জানিব লাগিব।

- উচ্চৰ শিক্ষানুষ্ঠানসমূহৰ মাজত সাধাৰণ আৰু কাৰিকৰী শিক্ষানুষ্ঠানসমূহৰ মাজত বিশেষ পাৰস্পৰিক সম্বন্ধ থাকিব লাগিব।
- উচ্চ শিক্ষানুষ্ঠানসমূহে সাৰ্বজনীনতাৰ মনোভাৱ তথা বৈশিষ্ট্য অনুসৰণ কৰিব লাগিব।
- বিজ্ঞান আৰু প্ৰযক্তিবিদ্যাৰ গৱেষণা তথা বিকাশৰ বাবে শিক্ষানুষ্ঠানসমূহৰ মাধ্যমেৰে আয়োজন কৰা কাৰ্যসূচীবোৰৰ জৰিয়তে শিক্ষাৰ্থীয়ে বিভিন্ন ৰাষ্ট্ৰীয় প্ৰকল্পত ভাগ লোৱাৰ সুযোগ পাব লাগিব। ইয়াক সমলৰ উপযুক্ত ব্যৱহাৰলৈ আগবঢ়োৱা অৱদান বুলি গণ্য কৰা হ'ব।
- শিক্ষাক্ষেত্ৰৰ বৈষম্য আঁতৰাবলৈ দেশে সামগ্ৰিকভাৱে শৈক্ষিক ৰূপান্তৰৰ কাৰ্যসূচীবোৰ কাৰ্যৰূপায়িত কৰাত প্ৰয়োজনীয় সমল আগবঢ়াই, প্ৰাথমিক শিক্ষা সাৰ্বজনীন কৰি তথা প্ৰাপ্তবয়স্কৰ সাক্ষৰতা অভিযানৰ পৃষ্ঠপোষকতা কৰি নিজৰ দায়িত্ব পালন কৰিব লাগিব।
- দেশৰ যুৱসমাজ, গৃহিণী, কৃষি-ঔদ্যোগিক কৰ্মী আৰু বৃত্তিজীৱিসকলক 'জীৱন জোৱা শিক্ষা'ৰ ধাৰণাটোৰ মাধ্যমেৰে শিক্ষা গ্ৰহণ প্ৰক্ৰিয়া অব্যাহত ৰখাৰ সা-সুবিধা গঢ়ি দিব লাগিব।
- শিক্ষা নীতিখন এনেদৰে প্ৰস্তুত কৰিব লাগিব যাতে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে সমানে দায়িত্ব পালন কৰিব পাৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ ..... হ'ল ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে দিয়া পৰামৰ্শ অনুসৰি প্ৰযোজ্য হোৱা শৈক্ষিক সংৰচনা।

.....

প্ৰশ্ন নং ২ঃ কোন চনত শিক্ষাৰ ৰাষ্ট্ৰীয় নীতি নিৰ্দ্ধাৰক কাৰ্যসূচী আৰম্ভ কৰা হৈছিল?

.....

১১.৪ প্ৰাথমিক শিক্ষা বিষয়ক পৰামৰ্শাৱলী

শিক্ষা বিষয়ক ৰাষ্ট্ৰীয় নীতিয়ে সৰ্বাধিক গুৰুত্ব আৰোপ কৰা দিশটো আছিল দেশৰ প্ৰাথমিক শিক্ষা। নীতিত এই শিক্ষা স্তৰৰ দুটা দিশত বিশেষ জোৰ দিছিল-

- সাৰ্বজনীন নামভৰ্তিকৰণ আৰু ১৪ বছৰ বয়স পৰ্যন্ত সকলো ল'ৰা-ছোৱালীকে বাধ্যতামূলকভাৱে শিক্ষা গ্ৰহণ কৰাৰ ব্যৱস্থা প্ৰচলিত কৰা।
- শিক্ষাৰ গুণগত উৎকৰ্ষ তাৎপৰ্যপূৰ্ণভাৱে উন্নত কৰা।

- **প্ৰাথমিক শিক্ষাক শিশুকেন্দ্ৰিক কৰি তোলাৰ পন্থা গ্ৰহণ ঃ**

নীতি নিৰ্দ্ধাৰকসকলে বিশ্বাস কৰিছিল যে শিশুক বিদ্যালয়লৈ অহা আৰু শিকাৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ সৰ্বোৎকৃষ্ট উপায়টো হ'ল সিহঁতক উষ্মভাৱে আদৰণি জনোৱা আৰু অনুপ্ৰণিত কৰা। সেয়েহে প্ৰাথমিক স্তৰৰ শিক্ষাক শিশু তথা কাৰ্যকলাপকেন্দ্ৰিক কৰি তোলা উচিত। এনে পৰিৱেশত শিকন প্ৰক্ৰিয়া সহজে সংঘটিত হয়। প্ৰথমে শিক্ষাৰ্থীসকলক শিকনৰ নিজ নিজ গতি স্থিৰ কৰি ল'ৰলৈ সময় দিব লাগে। তাৰপাছত প্ৰয়োজন সাপেক্ষে পৰিপূৰক নিদানমূলক শৈক্ষিক নিৰ্দেশনা (Remedial instruction) দিব লাগে। শিশু এটি ডাঙৰ হোৱাৰ লগে লগে ইয়াৰ প্ৰজ্ঞাত্মক শিকন (Cognitive Learning) সামৰ্থ বিকশিত হ'ব। অনুশীলনৰ জৰিয়তে দক্ষতাবোৰে সংগঠিত ৰূপ গ্ৰহণ কৰিব। প্ৰাথমিক স্তৰত কোনো শিক্ষাৰ্থীৰে অনুত্তীৰ্ণ কৰি ৰখাই থোৱাৰ নিয়ম বিলুপ্ত কৰা হ'ব। পৰীক্ষাত নম্বৰ দিয়া প্ৰক্ৰিয়াটোত গড় নম্বৰতকৈ কম পোৱা বুলি ধৰাৰ ব্যৱস্থা নাৰাখি ইয়াক নমনীয় কৰি তোলা হ'ব। কোনো ধৰণৰ শাৰীৰিক শাস্তিৰ ব্যৱস্থা নাথকিব। বিদ্যালয় বহা আৰু বন্ধৰ সময় ল'ৰা-ছোৱালীৰ সুবিধা অনুসাৰে মিলাই লোৱা হ'ব।

- **বিদ্যালয়ত থাকিবলগীয়া সা-সুবিধা ঃ**

নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিত পৰামর্শ দিয়া হৈছিল যে প্ৰাথমিক বিদ্যালয়সমূহত সকলোবোৰ অত্যাৱশ্যকীয় সা-সুবিধা থাকিব লাগিব। এনে বিদ্যালয়ত অতি কমেও দুটা আহল-বহল কোঠা থাকিব লাগিব। এই কোঠা দুটা যিকোনো বতৰতে ব্যৱহাৰৰ উপযোগী হৈ থাকিব লাগিব। বিদ্যালয়ত উচিত সংখ্যক খেলৰ সামগ্ৰী, ব্লেকবোর্ড, মানচিত্ৰ, বিভিন্ন বিষয়ৰ চিত্ৰ সাৰণী আৰু অন্য শিকন সামগ্ৰী থাকিব লাগিব। বিদ্যালয়ত অতি কমেও দুগৰাকীকৈ শিক্ষক থাকিব লাগিব। ইয়াৰে এগৰাকী মহিলা হ'ব লাগিব। লাহে লাহে প্ৰতিখন বিদ্যালয়তে প্ৰতিটো শ্ৰেণীতে এগৰাকীকৈ শিক্ষক থকাৰ ব্যৱস্থা কৰিব লাগিব। প্ৰথম অৱস্থাত এই কার্যসূচীখনক প্ৰতীকিভাৱে 'অপাৰেশ্যন ব্লেকবোর্ড' (OBB) নাম দিয়া হৈছিল। সমগ্ৰ দেশৰ তাৎক্ষণিকভাৱে আৰম্ভ কৰা হৈছিল। OBB সফল কৰি তুলিবলৈ চৰকাৰ, স্থানীয় অভিকৰ্ষণ, স্বেচ্ছিক অতিকর্তা আৰু নাগৰিক সকলোৱে সম্পূর্ণ সহায় আগবঢ়াইছিল।

- **অনানুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ প্ৰৱর্তন ঃ**

নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে দেশৰ বিদ্যালয় শিক্ষা আধাতে এৰা, বিদ্যালয় নথকা অঞ্চলৰ পৰা অহা শিশু, পৰিয়াল চলাবলৈ কাম কৰি থকা শিশু আৰু গোটেই দিনটোৰ বাবে বিদ্যালয়লৈ গৈ পঢ়িব নোৱাৰা কন্যাশিশুৰ বাবে NFE (non-formal education) ৰ এক ব্যাপক আৰু প্ৰণালীৱদ্ধ কার্যসূচী প্ৰৱর্তনৰ পৰামর্শ দিছিল। NFE কেন্দ্ৰসমূহৰ শিকন পৰিৱেশ উন্নত কৰি তুলিবলৈ আধুনিক প্ৰযুক্তিভিত্তিক শিক্ষণ আহিলা-সঁজুলি ব্যৱহাৰ কৰা হৈছিল। কেন্দ্ৰবোৰ আশেপাশে থকা সম্প্ৰদায়সমূহৰ প্ৰতিভাৱান আৰু নিষ্ঠাৱান পুৰুষ-মহিলাক এনে কেন্দ্ৰৰ শৈক্ষিক নির্দেশনা প্ৰদানকাৰী হিচাপে বাছনি কৰা হৈছিল। এই লোকসকলক শিকাই-বুজাই ল'বলৈ উপযুক্ত প্ৰশিক্ষণ দিয়াত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছিল। শিক্ষার্থীসকলৰ ক্ষেত্ৰতো যোগ্য শিক্ষার্থীক আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ অন্তর্ভুক্ত কৰাৰ বিশেষ ব্যৱস্থা লোৱা হৈছিল। অনানুষ্ঠানিক শিক্ষাৰ মান আনুষ্ঠানিক শিক্ষাৰ সৈতে তুলনা কৰিব পৰাকৈ সকলো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছিল।

অনানুষ্ঠানিক শিক্ষাৰ পাঠ্যক্ৰমৰ ৰূপৰেখাটো ৰাষ্ট্ৰীয়ভাৱে স্বীকৃত কেন্দ্ৰীয় পাঠ্যক্ৰমৰ সৈতে সংগতি ৰাখি প্ৰস্তুত কৰিবলৈ সুফলদায়ক ব্যৱস্থা লোৱা হৈছিল। কেৱল প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰমচো স্থানীয় পৰিৱেশ-পৰিস্থিতিৰ সৈতে ৰজিতা খোৱা শিক্ষার্থীৰ প্ৰয়োজনীয়তাবোৰৰ ভিত্তিত স্থিৰ কৰা হৈছিল। উচ্চমানৰ শিকন সামগ্ৰী বিকশিত কৰি সেইবোৰ বিনামূলীয়াকৈ বিতৰণ কৰা হৈছিল। অনানুষ্ঠানিক শিক্ষা কার্যসূচীসমূহে অংশগ্ৰহণমূলক শিকন পৰিৱেশ গঢ়ি তুলিছিল। এই পাঠ্যক্ৰমত খেল-ধেমালি, সাংস্কৃতিক কার্যসূচী আৰু শিক্ষামূলক ভ্ৰমণৰ দৰে কার্যকলাপ অন্তর্ভুক্ত কৰা হৈছিল।

ওপৰত আলোচনা কৰা পৰামর্শসমূহৰ জৰিয়তে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে প্ৰাথমিক শিক্ষাৰ সার্বজনীনকৰণৰ নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে প্ৰাথমিক শিক্ষাৰ সার্বজনীনকৰণৰ লক্ষ্য আৰু নিৰক্ষৰতাৰ সমস্যা নির্মূল কৰাৰ উদ্দেশ্যত সফল হোৱাৰ পথ দেখুৱাইছিল। নীতিয়ে এই কথা দুটা বাস্তৱ কৰাৰ বাবে বান্ধি দিয়া চর্তবোৰ হ'ল-

- ১৯৯০ চনৰ ভিতৰত প্ৰায় ১১ বছৰীয়া হ'বলগীয়া প্ৰতিটো শিশুৱে যাতে ৫ বছৰীয়া প্ৰাথমিক শিক্ষা লাভৰ সুবিধা পায় সেয়া নিশ্চিত কৰিব লাগিব। আকৌ, ১৯৯৫ চনৰ ভিতৰত ১৪ বছৰ বয়সলৈকে দেশৰ সকলো শিশুৱে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা গ্ৰহণৰ সুযোগ পোৱাটো নিশ্চিত কৰিব লাগিব।
- সমগ্ৰ দেশৰ নাগৰিকে ১৫-৩৫ বছৰ বয়স গোটৰ নাগৰিকসকল বিশেষভাৱে আন সকলো নাগৰিক সাধাৰণভাৱে নিৰক্ষতাৰ অভিশাপৰ পৰা মুক্ত হ'ব বুলি দৃঢ়প্ৰতিজ্ঞ হ'ব লাগিব।

১১.৫ মাধ্যমিক শিক্ষা বিষয়ক পৰামর্শাৱলী

মাধ্যমিক স্তৰৰ শিক্ষার্থীক কলা (মানৱিক বিষয়), বিজ্ঞান আৰু সমাজ বিজ্ঞানৰ ভিন্নধর্মী ভূমিকা সৈতে পৰিচয় কৰাই দিব লাগিব। এই স্তৰত শিক্ষার্থীক ইতিহাস শিক্ষাৰ জৰিয়তে জাতীয়তাবোধৰ গৰাকী কৰ তোলাৰ

চেষ্টা কৰা হয়। মাধ্যমিক স্তৰৰ শিক্ষার্থীয়ে নিজৰ সাংবিধানিক কর্তব্য আৰু নাগৰিকৰ হিচাপে সংবিধানে প্রদান কৰা অধিকাৰসমূহৰ কথা শিকে। উপযুক্ত পাঠ্যক্রম বিকশিত কৰি মাধ্যমিক পর্যায়ৰ শিক্ষার্থীৰ মনত সুস্থ কার্যনিষ্ঠা, মানৱিক মূল্যবোধ আৰু সংমিশ্রিত সংস্কৃতিৰ প্রতি শ্রদ্ধাশীলতাৰ ভাৱনা জাগৃত কৰিব পাৰি। এই স্তৰৰ শিক্ষাক বৃত্তিমুখী কৰি তোলা উচিত। ইয়াৰ বাবে বিশেষ সা-সুবিধাযুক্ত শিক্ষানুষ্ঠান খুলি মাধ্যমিক শিক্ষা ব্যৱস্থাক নতুন ৰূপ দিব পৰা যায়। এনে শিক্ষাই অর্থনৈতিক বিকাশৰ বাবে প্রয়োজনীয় মানৱ শক্তি সৃষ্টি কৰিব। মাধ্যমিক স্তৰৰ শিক্ষাকো সকলোৰে বাবে সহজলভ্য কৰি তোলা উচিত। এই স্তৰৰ শিক্ষা সন্দর্ভত NPE- এ আগবঢ়োৱা প্রধান পৰামর্শসমূহ হ'ল-

- **শিকনৰ গতি স্থিৰকাৰী বিদ্যালয় অথবা নৱোদয় বিদ্যালয় ঃ**

নতুন NPE- ৰ সদস্য বিশেষজ্ঞমণ্ডলীয়ে মত প্রকাশ কৰিছিল যে বিশেষ প্রতিভাসম্পন্ন অথবা শিকন দক্ষতা থকা ল'ৰা-ছোৱালীক দ্রুত গতিত নিজৰ শিকন প্রক্রিয়া আগবঢ়াই নিয়াৰ সুবিধা দিয়া উচিত। ইয়াৰ বাবে এনেবোৰ ল'ৰা-ছোৱালীক উচ্চ মানবিশিষ্ট শিক্ষা লাভৰ সুযোগ দিব লাগে। ল'ৰা-ছোৱালীহঁতৰ পৰিয়ালৰ যদি এনে শিক্ষাৰ মাচুল পৰিশোধ কৰাৰ সামর্থ নাথাকে, তেন্তে তেওঁলোকক বিশেষ ৰেহাই দিয়া উচিত। এনে কাৰণতে দেশৰ নির্বাচিত স্থানত শিকনৰ গতি স্থিৰকাৰী বিদ্যালয় (Pace setting School) অথবা নৱোদয় বিদ্যালয় স্থাপন কৰা উচিত। উদ্ভাৱন আৰু সম্পৰীক্ষাৰ সম্পূর্ণ সা-সুবিধা থকা এনে বিদ্যালয়বোৰ আৱাসিক প্রকৃতিৰ হ'ব। এই বিদ্যালয়বোৰৰ প্রধান লক্ষ্য হ'ব-

- উৎকৃষ্টতাৰ উদ্দেশ্যক বাস্তৱ ৰূপ দিয়া, সমতা আৰু সামাজিক ন্যায়ৰ পোষকতা কৰা (অনুসূচিত জাতি আৰু জনজাতি শিক্ষার্থীক বাবে আসন সংৰক্ষণ কৰা)।
- ভাৰতৰ বিভিন্ন স্থানৰ, বিশেষকৈ গ্রামাঞ্চলৰ প্রতিভাৱান ল'ৰা-ছোৱালীক একেলগে থকা আৰু শিকাৰ সুযোগ দি সিহঁতৰ মাজত ৰাষ্ট্রীয় সংহতিৰ ভাৱনা বিয়পোৱা।
- শিক্ষার্থীৰ পূর্ণ সম্ভাৱনীয়তাৰ বিকাশ।
- বিদ্যালয়ৰ দশা উন্নতকৰণৰ ৰাষ্ট্রভিত্তিক কার্যসূচীটো সফল কৰি তোলাত অনুঘটকৰ কাম কৰা।

- **শিক্ষাৰ বৃত্তিমুখী প্রক্রিয়া ঃ**

মাধ্যমিক শিক্ষাৰ বৃত্তিমুখীকৰণে দেশৰ মানৱ শক্তি বিকশিত কৰিব। NPE- এ এই সন্দর্ভত তলত দিয়া পৰামর্শসমূহ আগবঢ়াইছিল।

- বৃত্তিমুখী শিক্ষা এক সুকীয়া ধাৰা হ'ব। ইয়াৰ উদ্দেশ্য হ'ব শিক্ষার্থীক কার্যকলাপৰ বিভিন্ন ক্ষেত্রৰ পৰা গ্রহণ কৰিব পৰা জীৱিকা বিচাৰি উলিওৱাত সহায় কৰা আৰু তেনে জীৱিকা গ্রহণৰ বাবে প্রস্তুত কৰি তোলা।
- প্রাথমিক আৰু মাধ্যমিক পর্যায়ত দিয়া স্বাস্থ্য শিক্ষাৰ লক্ষ্য হ'ল ব্যক্তিৰ পৰিয়াল তথা সম্প্রদায়ৰ স্বাস্থ্য সম্পর্কীয় দায়ৱদ্ধতা সুনিশ্চিত কৰা। উচ্চতৰ মাধ্যমিক (+২ স্তৰ) শিক্ষাত স্বাস্থ্য বিষয়ক বৃত্তিমুখী পাঠ্যক্রম গ্রহণৰ বাবে ই শিক্ষার্থীক উৎসাহিত কৰিব।
- একেদৰে, কৃষি, সমাজ সেৱা, উদ্যোগ আদিৰ বাবেও সদৃশ বৃত্তিমুখী পাঠ্যক্রম তোলাৰ প্রয়াস কৰা হ'ব। এনে পাঠক্রমে শিক্ষার্থীৰ মনোভাৱ, জ্ঞান আৰু দক্ষতা বিকশিত কৰি তেওঁলোকক উদ্যমিতা আৰু স্ব-নিয়োজনৰ দিশে আগবঢ়াই নিব।
- চৰকাৰ, ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ নিয়োগ কর্তাই বৃত্তিমুখী পাঠ্যক্রম প্রচলিত কৰাৰ দায়িত্ব ল'ব।
- নব্য-সাক্ষৰ যুৱা সমাজৰ বাবে অনানুষ্ঠানিক, নমনীয় আৰু আৱশ্যকতাভিত্তিক বৃত্তিমুখী শৈক্ষিক কার্যসূচী প্রস্তুত কৰা উচিত। নব্য-সাক্ষৰ সমাজত প্রাথমিক শিক্ষা সমাপ্ত কৰা, পঢ়া আধাতে এৰা, কাম কৰি থকা, নিবনুৱা অথবা আংশিকভাৱে কর্ম নিয়োজিকসকলক সামৰি লোৱা হয়।
- প্রস্তাৱ দিয়া হৈছিল যে ১৯৯০ চনলৈ ১০% আৰু ১৯৯৫ চনলৈ ২৫% উচ্চতৰ মাধ্যমিক স্তৰৰ শিক্ষার্থীক বৃত্তিমুখী শিক্ষাৰে শিক্ষিত কৰি তোলা হওক।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ শিকনৰ গতি স্থিৰকাৰী বিদ্যালয়বোৰৰ যিকোনো এটা লক্ষ্য উল্লেখ কৰক।

.....

প্রশ্ন নং ৪ঃ মাধ্যমিক শিক্ষা স্তৰত বৃত্তিমুখী শিক্ষাৰ প্রচলনৰ বাবে আগবঢ়োৱা পৰামর্শ এটা উল্লেখ কৰক।

.....

প্রশ্ন নং ৫ঃ বৃত্তিমুখী শিক্ষা এটা ..... হ'ব।

১১.৬ বিশ্ববিদ্যালয় শিক্ষা বিষয়ক পৰামর্শাৱলী

উচ্চতৰ শিক্ষাই ব্যক্তিক সমাজে সন্মুখীন হোৱা গুৰুতৰ সামাজিক, অর্থনৈতিক, সাংস্কৃতিক, নৈতিক আৰু আধ্যাত্মিক সমস্যাবোৰৰ বিষয়ে জনাত সহায় কৰে। এনে শিক্ষাই জ্ঞান আৰু দক্ষতাৰ প্রসাৰ ঘটাই ৰাষ্টৰ বিকাশলৈ অৱদান আগবঢ়ায়। উচ্চতৰ শিক্ষাই শিক্ষকৰ বিকাশতো গুৰুত্বপূর্ণ ভূমিকা লয়। ৰাষ্ট্রীয় শিক্ষানীতিয়ে বিশ্ববিদ্যালয় পর্যায়ৰ শিক্ষা সন্দর্ভত আগবঢ়োৱা গুৰুত্বপূর্ণ পৰামর্শসমূহ হ'ল-

- উচ্চতৰ শিক্ষাক স্ব-নিয়ন্ত্রণৰ অধিকাৰ প্রদান ঃ

১৯৮৫-৮৬ চনত ভাৰতত মহাবিদ্যালয়ৰ সংখ্যা প্রায় ৫০০০ খন আৰু বিশ্ববিদ্যালয় প্রায় ১৫০ খন আছিল। এই শিক্ষানুষ্ঠানসমূহৰ সংযুক্তকৰণ আৰু সম্প্রসাৰণ ঘটাব পাৰি বুলি পৰামর্শ আগবঢ়োৱা হৈছিল। বৃহৎ সংখ্যক স্ব-নিয়ন্ত্রিত মহাবিদ্যালয়ৰ স্থাপনত চৰকাৰী সাহায্য আগবঢ়াব লাগিব। এনে মহাবিদ্যালয়ৰ সহায়ত মহাবিদ্যালয়ক বিশ্ববিদ্যালয়ৰ সৈতে সংযুক্ত কৰাৰ ব্যৱস্থা অপ্রচলিত কৰি তুলি বিশ্ববিদ্যালয়সমূহৰ মহাবিদ্যালয়ৰ সৈতে থকা সম্বন্ধক অধিক মুক্ত আৰু সৃজনাত্মক কৰি তুলিব লাগিব। পাঠ্যক্রম আৰু কার্যসূচীবোৰৰ নতুন নক্সা প্রস্তুত কৰি বিশেষীকৃত শিক্ষাৰ উন্নতৰ ৰূপৰ বাবে সৃষ্টি হোৱা দাবী পূৰণ কৰিব লাগিব।

- **শিক্ষা পদ্ধতিৰ পৰিৱর্তন ঃ**

শিক্ষা পদ্ধতি পৰিৱর্তনৰ বাবে গভীৰ প্রচেষ্টা চলাব লাগিব। বিজ্ঞান আৰু প্রযুক্তিবিদ্যা, পাঠ্যক্রম আৰু শিক্ষা-শিকন সামগ্রী, গৱেষণা আৰু শিক্ষকৰ অভিবিন্যাসকৰণ আদি কার্যৰ বিকাশক প্রণালীৱদ্ধ ৰূপ দিবলৈ শিক্ষণৰ দৃশ্য-শ্রব্য আহিলা আৰু বৈদ্যুতিক সঁজুলি আদি ব্যৱহাৰ কৰিব লাগিব। কর্মত যোগদান কৰাৰ আৰম্ভণিতে আৰু কর্মতৰত অৱস্থাত অবিৰতভাৱে শিক্ষকসকলক এই কামৰ বাবে প্রস্তুত কৰিব লাগিব। শিক্ষকৰ পাৰদর্শিতা প্রণালীৱদ্ধভাৱে মূল্যায়ন কৰি থাকিব লাগিব। বিশ্ববিদ্যালয়ত যাতে গুণমানবিশিষ্ট গৱেষণা কার্য সম্পাদন কৰা হয় সেয়া নিশ্চিতকাৰী প্রয়োজনীয় ব্যৱস্থা গ্রহণ কৰিব লাগিব। জ্ঞানৰ সংশ্লেষণৰ প্রয়োজনীয়তাক বাস্তৱ ৰূপ দিবলৈ আন্তঃবিভাগীয় গৱেষণা কৰিবলৈ শিক্ষার্থীক উৎসাহিত কৰিব লাগিব।

- **মুক্ত বিশ্ববিদ্যালয় স্থাপন আৰু দূ�ৰৱর্তী শিক্ষাৰ প্রচলন ঃ**

উচ্চতৰ শিক্ষাৰ সুবিধা বৃদ্ধিৰ লক্ষ্য আগত ৰাখি দেশত মুক্ত বিশ্ববিদ্যালয় ব্যৱস্থাৰ প্রচলন আৰম্ভ কৰা উচিত। ইয়াক শিক্ষাৰ গণতান্ত্রিককৰণৰ এক আহিলাৰূপে ব্যৱহাৰ কৰা উচিত। এই পৰামর্শৰ ভিত্তিতে ১৯৮৫ চনত ইন্দিৰা গান্ধী ৰাষ্ট্রীয় মুক্ত বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল। এই শক্তিশালী আহিলাবিধৰ যত্ন সহকাৰে বিকশিত তথা সাবধানতা সহকাৰে সম্প্রসাৰিত কৰা উচিত।

- **ডিগ্রী আৰু চাকৰিৰ মাজৰ সম্পর্ক চ্ছেদ কৰা ঃ**

কিছুমান নির্বাচিত ক্ষেত্রত ডিগ্রী আৰু চাকৰিৰ মাজৰ সম্পর্ক চ্ছেদ কৰা উচিত। অভিযান্ত্রিক, চিকিৎসা, আইন, শিক্ষণ আদিৰ দৰে বৃত্তিজীৱিতাৰ দিশেৰে বিশেষ পাঠ্যক্রমৰ ক্ষেত্রত অৱশ্যে এই নিয়ম প্রযোজ্য নহ'ব। এই চ্ছেদন ব্যৱস্থা তেনেবোৰ সেৱাত প্রযোজ্য হ'ব যিবোৰৰ বাবে বিশ্ববিদ্যালয়ৰ ডিগ্রীধাৰী হোৱাটো আৱশ্যকীয় অর্হতা নহয়। এই নিয়মৰ প্রচলন ঘটিলে চাকৰিৰ নিশ্চিতি থকা পাঠ্যক্রমসমূহৰ আর্হি নতুনকৈ প্রস্তুত কৰিব লাগিব। এই নিয়মে কোনো এক প্রদত্ত কামৰ বাবে অর্হতাসম্পন্ন অথচ বিশ্ববিদ্যালয় ডিগ্রীৰ পৰা বঞ্চিলসকলক পূর্বতকৈ অধিক ন্যায় প্রদান কৰিব পৰা যাব। বহুতো চাকৰিৰ বাবে অপ্রয়োজনীয়াভাৱে ন্যূনতম শিক্ষাগত অর্হতা

স্নাতক বুলি ধৰা হয়। কোনো নির্দিষ্ট চাকৰিৰ বাবে প্ৰাৰ্থীৰ উপযুক্ততা জুখিবলৈ আৰু সমগ্ৰ দেশতে তুলনামূলক সামৰ্থ জোখাৰ এক স্বীকৃত মান নিৰূপণৰ পথ প্ৰশস্ত কৰিবলৈ সময় উপযোগী কাৰ্যঢাপ অনুসৰি ৰাষ্ট্ৰীয় পৰীক্ষা সেৱা (National Testing Services) ৰ শাখা খোলা উচিত।

- **গ্ৰাম্য বিশ্ববিদ্যালয় ঃ**

গ্ৰাম্য বিশ্ববিদ্যালয়ৰ আৰ্হিটো নতুন। ইয়াক মহাত্মা গান্ধীৰ বৈপ্লৱিক ধাৰণাবোৰৰ ভিত্তিত বিকশাই তোলা আৰু অন্য উপাদানৰ সৈতে সম্বন্ধযুক্ত কৰি তোলা উচিত। গ্ৰামাঞ্চলৰ পৰিৱেশৰ ৰূপান্তৰ কৰিবলৈ তৃণমূল স্তৰত ক্ষুদ্ৰ পৰিকল্পনা কৰাৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিব লাগিব। গান্ধীবাদী বুনিয়াদী শিক্ষাৰ কাৰ্যসূচী চলাই যোৱা শিক্ষানুষ্ঠানসমূহলৈ সহায়-সমৰ্থন আগবঢ়োৱা উচিত।

১১.৭ শিক্ষাৰ ৰাষ্ট্ৰীয় নীতিৰ মূল্যায়ন

শিক্ষাৰ ৰাষ্ট্ৰীয় নীতি, ১৯৮৬ ৰ সবলতা আৰু দুৰ্বলতাসমূহ তলত আলোচনা কৰা হ'ল।

সবলতাসমূহ ঃ

- দেশৰ নাগৰিকৰ অজ্ঞতা আৰু নিৰক্ষৰতা দূৰ কৰিবলৈ এই নীতিয়ে প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণত জোৰ দিছিল।
- এই নীতিয়ে প্ৰাথমিক শিক্ষাৰ গুণগত উৎকৰ্ষ সাধনৰ বাবে 'অপাৰেচন ব্লেকবোৰ্ড' প্ৰৱৰ্তনৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰিছিল।
- এই নীতিয়ে বিশেষ প্ৰতিভা অথবা শিকন দক্ষতা থকা শিক্ষাৰ্থীৰ বাবে বিনামূলীয়া শিকনৰ গতি স্থিৰকাৰী বিদ্যালয় খোলাত জোৰ দিছিল।
- এই নীতিয়ে মাধ্যমিক স্তৰৰ শিক্ষাক বৃত্তিমুখী কৰি তোলাত গুৰুত্ব আৰোপ কৰিছিল। ইয়াৰ ফলত দেশৰ মানৱ শক্তি বিকশিত হ'ব বুলি কোৱা হৈছিল।
- জ্ঞান বিস্ফোৰণৰ বিষয়টোৰ প্ৰতি লক্ষ্য ৰাখি এই নীতিয়ে এক নতুন গণতান্ত্ৰিক শিক্ষা নীতি গ্ৰহণৰ আৰু বিশ্ববিদ্যালয়ৰ স্তৰৰ শিক্ষাত স্ব-নিয়ন্ত্ৰণ তথা নমনীয়তাৰ নীতি প্ৰচলনৰ পোষকতা কৰিছিল।
- চাকৰিৰ সৈতে ডিগ্ৰীৰ সম্পৰ্ক চ্ছেদ কৰিলে চাকৰি প্ৰত্যাশীৰ দক্ষতা অনুসৰি নিয়োজনৰ সুবিধা পাব বুলি এই নীতিয়ে মত পোষণ কৰিছিল।
- এই নীতিয়ে বিশ্ববিদ্যালয় স্তৰৰ শিক্ষাৰ শিক্ষণ পদ্ধতি সলনি কৰাত জোৰ দিছিল।
- ভাৰতৰ গ্ৰামাঞ্চলৰ উন্নয়ণৰ বাবে এই নীতিৰ জৰিয়তে গ্ৰাম্য বিশ্ববিদ্যালয় স্থাপনত জোৰ দিয়া হৈছিল।

দুৰ্বলতাসমূহ ঃ

- ভাৰতৰ জনসংখ্যা বিস্ফোৰণৰ হাৰ অতি উচ্চ হোৱাৰ ফলত নীতিত সন্নিৱিষ্ট কথাবোৰৰ বাস্তৱ ৰূপায়ণ বিষয়ক পৰিকল্পনা কৰাতো জটিল হৈ পৰিছিল।
- আলোচিত নীতিত 'ৰাজহুৱা বিদ্যালয়' সম্পৰ্কে কোনো উল্লেখ নাছিল।
- বিদ্যালয় স্তৰৰ শিক্ষাত বুনিয়াদী শিক্ষাৰ ধাৰণাটো সংযোজন কৰাৰ বিষয়টো আওকাণ কৰা হৈছিল।
- বিশ্ববিদ্যালয় স্তৰৰ শিক্ষাত নামভৰ্তিৰ বাবে কোনো সংৰক্ষণ নীতি গ্ৰহণৰ পৰামৰ্শ দিয়া হোৱা নাছিল।
- মানৱ সম্পদৰ সৰ্বোত্তম ব্যৱহাৰ কৰিব পৰাকৈ বিদ্যালয় কাৰ্য সময় বৃদ্ধিৰ কোনো উল্লেখ কৰা হোৱা নাছিল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ঃ ভাৰতত গ্ৰাম্য বিশ্ববিদ্যালয় স্থাপন কৰাৰ কথা কিহৰ ভিত্তিৰ চিন্তা কৰা হৈছিল?

.....

প্ৰশ্ন নং ৭ঃ শিক্ষাৰ ৰাষ্ট্ৰীয় নীতি, ১৯৮৬ ৰ এটা সবলতা আৰু এটা দুৰ্বলতা উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৮ঃ ১৯৮৫-৮৬ চনত ভাৰতত প্ৰায় ..... খন মহাবিদ্যালয় আছিল।

১১.৮ কাৰ্য সম্পাদন পৰিযোজনা, ১৯৯২

১৯৮৯ চনত নেচনেল ফ্ৰ'ণ্টৰ চৰকাৰে কেন্দ্ৰীয় শাসনভাৰ লোৱাৰ পাছতেই ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিখন পুনৰীক্ষণ তথা সংশোধন কৰিবলৈ অধ্যাপক ৰামমূৰ্তিৰ অধ্যক্ষতাত এখন পুনৰীক্ষণ সমিতি গঠন কৰিছিল। ৰামমূৰ্তি সমিতিয়ে ইয়াৰ প্ৰতিবেদনত শৈক্ষিক প্ৰশাসন, শিক্ষালৈ বিত্ত যোগান, প্ৰাক্-প্ৰাথমিকৰ পৰা উচ্চতৰ স্তৰৰ শিক্ষা, বৃত্তিমুখী আৰু কাৰিকৰী শিক্ষা, শিক্ষকৰ শিক্ষা, প্ৰাপ্তবয়স্কৰ শিক্ষা আৰু আন আন বিষয়ত বহুতো পৰামৰ্শ আগবঢ়াইছিল। অৱশ্যে সমিতিৰ প্ৰতিবেদনত প্ৰতিবেদনত কোনো নতুন ধাৰণাৰ প্ৰস্তাৱ দিয়া হোৱা নাছিল।

১৯৯১ চনৰ জুলাই মাহত কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ শিক্ষা বিষয়ৰ কেন্দ্ৰীয় উপদেষ্টা বোৰ্ড (CABE) এ জনাৰ্দন জেড্ডীক অধ্যক্ষ পাতি আন এখন পুনৰীক্ষণ সমিতি গঠন কৰিছিল। ১৯৯২ চনৰ জানুৱাৰী মাহত এই সমিতিয়ে ইয়াৰ প্ৰতিবেদন দাখিল কৰিছিল। প্ৰতিবেদনত কোৱা হৈছিল যে ১৯৮৬ চনৰ NPE খনক সংশোধন কৰাৰ প্ৰয়োজন নাই বুলিয়েই ক'ব পাৰি। কিন্তু ইয়াৰ কাৰ্য সম্পাদন পৰিযোজনাখন বহুখিনি সংশোধন কৰিব লাগিব। CABE- এ সমিতিৰ প্ৰতিবেদনখন বিবেচনা কৰি ইয়াক পাছত সংশোধিত ৰাষ্ট্ৰীয় শিক্ষানীতি অথবা কাৰ্য সম্পাদন পৰিযোজনা, ১৯৯২ বুলি গ্ৰহণ কৰিছিল। ১৯৯২ চনৰ মে' মাহৰ ৫ তাৰিখে সংসদত এই কথা ঘোষণা কৰা হৈছিল।

১১.৮.১ পৰিযোজনাৰ পৰামৰ্শাৱলী

- **উমৈহতীয়া বিদ্যালয় ব্যৱস্থা ঃ**

  এই শিতানত পুনৰীক্ষণ সমিতিয়ে আগবঢ়োৱা পৰমৰ্শসমূহ হ'ল-

  - দেশত ইমানদিনে অৱহেলিত হৈ থকা পিছপৰা শ্ৰেণীবোৰক প্ৰয়োজনীয় শিক্ষা সুবিধা আগবঢ়াই এটা উমৈহতীয়া বিদ্যালয় ব্যৱস্থা বিকশাই তোলা উচিত।
  - কেন্দ্ৰীয় চৰকাৰৰ সহযোগিতাৰে ৰাজ্য চৰকাৰসমূহে নিজ নিজ উৎসৰ পৰা সংগ্ৰহ কৰা ধনেৰে এটা পৃথক পুঁজি সৃষ্টি কৰি এই ব্যৱস্থাৰ বাবে ধন আবণ্টন কৰা উচিত।

- **নৱোদয় বিদ্যালয় ঃ**

  এই শিতানত পুনৰীক্ষণ সমিতিয়ে আগবঢ়োৱা পৰামৰ্শসমূহ হ'ল-

  - প্ৰতিখন ৰাজ্যৰ প্ৰতিখন জিলাত এখনকৈ নৱোদয় বিদ্যালয় স্থাপন কৰা উচিত। অষ্টম পঞ্চবাৰ্ষিক পৰিকল্পনাকাল শেষ হোৱালৈ দেশৰ প্ৰতিখন জিলাতে এই পৰিকল্পনাই বাস্তৱ ৰূপ লোৱা উচিত।
  - কেন্দ্ৰীয় চৰকাৰৰ আংশিক সহায় লৈ ৰাজ্য চৰকাৰসমূহে আন ব্যয়ৰ জো�ৱা মাৰি এই বিদ্যালয়বোৰ স্থাপন কৰিব।
  - নৱোদয় বিদ্যালয়ৰ বাবে প্ৰতিভাসম্পন্ন শিক্ষকক নিযুক্তি দিয়া হ'ব, কৰ্মৰত অৱস্থাতে এই শিক্ষকসকলৰ বাবে প্ৰশিক্ষণ পাঠ্যক্ৰম আগবঢ়োৱা হ'ব। এই বিদ্যালয়সমূহে ৰাষ্ট্ৰীয় সংহতিৰ পোষকতা কৰিব।
  - নৱোদয় বিদ্যালয়বোৰে শিক্ষক নিযুক্তি আৰু শিক্ষাৰ্থীৰ নামভৰ্তিৰ দিশ দুটা পুংখানুপুংখকৈ পৰীক্ষা কৰি চাব।
  - ভাৰত চৰকাৰে গঠন কৰি দিয়া কেন্দ্ৰীয় সমিতি এখনে বিভিন্ন নৱোদয় বিদ্যালয় প্ৰকৃতি নিৰূপণ কৰিব দিব।
  - নৱোদয় বিদ্যালয় পৰা শিক্ষা সমাপ্ত কৰাসকলক উচ্চতৰ শিক্ষা লাভৰ বাবে বিশেষ বিদ্যালয় আৰু

শিক্ষানুষ্ঠানত নামভর্তি কৰাৰ সুবিধা কৰি দিয়া হ'ব।

- **সার্বজনীন শিক্ষা ঃ**

এই শিতানত পুনৰীক্ষণ সমিতিয়ে আগবঢ়োৱা পৰামর্শসমূহ হ'ল-

- সকলোৰে বাবে শিক্ষাৰ ধাৰণাটোক অনুপ্রাণিত কৰা উচিত। সংবিধানত দেশৰ সকলো শিশুৰ বাবে সার্বজনীন বিনামূলীয়া শিক্ষাৰ সুবিধা দিয়াৰ নীতি অন্তর্ভুক্ত কৰা উচিত।
- শ্রেণীবোৰৰ পৰা পঢ়া আধাতে বাদ দিয়া শিক্ষার্থীৰ সংখ্যা ৬০ শতাংশৰ পৰা কমাই প্রায় ৪০-৫০ শতাংশ কৰাৰ চেষ্টা চলোৱা উচিত।
- অনুসূচিত জাতি আৰু জনজাতি সম্প্রদায়ৰ কন্যা শিশুহঁতক বাধ্যতামূলকভাৱে বিদ্যালয়লৈ পঠিওৱাৰ ব্যৱস্থা কৰা উচিত।
- এক কিলোমিটাৰৰ পৰিধিৰ ভিতৰত অতি কমেও এখন প্রাথমিক বিদ্যালয় স্থাপন কৰা উচিত।
- বিদ্যালয়লৈ অনা কিতাপ-বহীৰ বোজা আৰু শৈক্ষিক বোজাৰ ভৰ কম কৰা উচিত।
- প্রাথমিক বিদ্যালয়ত নামভর্তি কৰা শিশুৰ সংখ্যা বঢ়াবলৈ অহা-যোৱা কৰা যান-বাহনৰ দৰে ভৌতিক সহায় আগবঢ়োৱাৰ ব্যৱস্থা লোৱা উচিত।
- 'অপাৰেচন ব্লেকর্বোড' নীতি গ্রহণ কৰা উচিত। শিক্ষাৰ অগ্রগতি তদাৰক কৰিবলৈ সৰু সৰু সমিতি গঠন কৰা উচিত।

- **মাধ্যমিক শিক্ষা ঃ**

এই শিতানত পুনৰীক্ষণ সমিতিয়ে আগবঢ়োৱা পৰামর্শসমূহ হ'ল-

- ১০+২+৩ গাঁথনিৰ এটা উমৈহতীয়া বিদ্যালয় ব্যৱস্থা প্রৱর্তন।
- শিক্ষাৰ গুণগত উৎকর্ষ, আধুনিকীকৰণ আৰু ভিন্নমুখীকৰণৰ বাবে গৌণ সুবিধাৰ ব্যৱস্থা।
- মাধ্যমিক শিক্ষা বোর্ডৰ বিভিন্ন ভূমিকা সুদৃঢ় কৰি তোলা।
- মাধ্যমিক স্তৰৰ শিক্ষাৰ জীৱিকাকেন্দ্রিক কৰি তুলিবলৈ ৰাষ্ট্রীয় শিক্ষা নীতি সংশোধন।
- প্রতিখন বিদ্যালয়ত কম্পিউটাৰ চালনাৰ প্রশিক্ষণ দিয়াৰ বিশেষ ব্যৱস্থা।

- **বিশ্ববিদ্যালয় শিক্ষা ঃ**

- উচ্চতৰ শিক্ষানুষ্ঠানসমূহৰ সম্প্রসাৰণ ঘটোৱা আৰু পাঠ্যক্রমৰ নতুন আৰ্হি প্রস্তুত কৰা।
- মান জ্ঞাপক (Accreditation) আৰু মূল্যাংকন পৰিষদ গঠনৰ প্রস্তাৱ।
- নতুন মহাবিদ্যালয় স্থাপনৰ খৰচ কম কৰিবলৈ উচ্চতৰ শিক্ষাৰ ৰাজ্যিক পৰিষদ গঠনৰ প্রস্তাৱ।
- স্ব-নিয়ন্ত্রিত মহাবিদ্যালয় আৰু বিভাগ খোলাৰ প্রস্তাৱ।
- বিশ্ববিদ্যালয়সমূহত বিজ্ঞান শিক্ষা আৰু গৱেষণাৰ কাম চলোৱাৰ পোষকতা। এনচিচি কার্যসূচীবোৰ প্রচলনৰ উদ্‌গতি।

- **মুক্ত শিক্ষাঃ**

- প্রতিখন ৰাজ্যতে মুক্ত বিশ্ববিদ্যালয় স্থাপনৰ পৰামর্শ।
- মুক্ত শিক্ষাৰ প্রসাৰৰ বাবে বৈদ্যুতিক মাধ্যমৰ প্রগতিশীল প্রয়োগ।
- ইন্দিৰা গান্ধী ৰাষ্ট্রীয় মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা এখন দূৰৱর্তী শিক্ষা পৰিষদ গঠন।

- **শিক্ষকৰ প্রশিক্ষণ ঃ**

- বিশ্ববিদ্যালয়সমূহত শিক্ষা বিভাগ খোলা আৰু এইবোৰ সুদৃঢ় কৰি তোলা।
- ৰাজ্য চৰকাৰসমূহৰ সৈতে আলোচনা কৰি ভাৰতীয় শিক্ষা ব্যৱস্থা এটা প্রৱর্তন কৰা।
- এবছৰীয়া শিক্ষকৰ শিক্ষা ডিগ্রী পাঠ্যক্রম প্রৱর্তন কৰা। এই পাঠ্যক্রম ডাকযোগে প্রদান নকৰাৰ সিদ্ধান্ত লোৱা আৰু কেৱল মহাবিদ্যালয় অথবা বিশ্ববিদ্যালয়ৰ পাঠ্যক্রম হিচাপে আৰম্ভ কৰা।

- **মহিলাৰ শিক্ষা ঃ**

- মহিলা সবলীকৰণ এক ফলপ্রসূ আহিলা হিচাপে শিক্ষা বিকশিত কৰা।

- ১৫-৩৫ বয়স গোটৰ মহিলাৰ দৃষ্টি আকর্ষণ কৰিব পৰা সাক্ষৰতা অভিযানৰ ব্যৱস্থা কৰা।
- মহিলাৰ শিক্ষা অবিৰত ৰখা কার্যসূচী প্রচলন কৰা।
- শিক্ষানুষ্ঠানসমূহত কাৰিকৰী আৰু বৃত্তিমুখী শিক্ষা শাখাবোৰ মহিলা শিক্ষার্থীৰ বাবে সুচল কৰি তোলা।

- **অনুসূচিত জাতি-জনজাতিৰ শিক্ষা**
  - জনজাতি এলেকাত থকা সকলো বিদ্যালয়কে 'অপাৰেচন ব্লেকবোর্ড' কার্যসূচীত সামৰি লোৱা।
  - অনুসূচিত জাতি-জনজাতিৰ ল'ৰা-ছোৱালীক উপযুক্ত বিত্তীয় ভাট্টা প্রদান কৰা।
  - জনজাতি এলেকাৰ ল'ৰা-ছোৱালীক মাতৃভাষাৰ মাধ্যমেৰে শিক্ষাদান কৰা।
  - জনজাতি সম্প্রদায়ৰ প্রাপ্তবয়স্ক সদস্যৰ বাবে প্রাপ্তবয়স্ক শিক্ষাৰ ব্যৱস্থা কৰা।
- **দিব্যাংগৰ শিক্ষা ঃ**
  - দিব্যাংগ ল'ৰা-ছোৱালীৰ বাবে সংহত শিক্ষাৰ ব্যৱস্থা গঢ়ি তোলা।
  - বিশেষভাৱে সক্ষম শিক্ষার্থীৰ বাবে বিশেষ বিদ্যালয় আৰু বৃত্তিমুখী শিক্ষাৰ ব্যৱস্থা কৰা।
  - এনে বিদ্যালয়ত বিশেষ শিক্ষক আৰু শৈক্ষিক বৃত্তিমুখী দিক্-নির্দেশনা দিব পৰা বিষয়া-কর্মী নিযুক্তি দিয়া।
  - দৃষ্টিশক্তিহীন ল'ৰা-ছোৱালীৰ বাবে ব্রেইলী পদ্ধতিৰ গণ-মাধ্যম আৰু শিকন সামগ্রী বিকশিত কৰা।
- **প্রাৰম্ভিক শিশুকালৰ যত্ন আৰু শিক্ষা ঃ**
  - বালৰাড়ি, দিবা-যত্ন কেন্দ্র আৰু প্রাক্-প্রাথমিক বিদ্যালয় স্থাপন কৰি এই বয়সৰ শিশুৰ যত্ন লোৱা আৰু শিক্ষা দিয়া।
  - এনে অনুষ্ঠানত পর্যাপ্তসংখ্যক কর্মী নিযুক্তি দিয়া আৰু তেওঁলোকৰ কর্ম-চর্ত আদি আলোচনা কৰা।
- **বৃত্তিমুখী শিক্ষা ঃ**
  - বিদ্যালয়ত বৃত্তিমুখী শৈক্ষিক দিক্-নির্দেশনা আৰু শিক্ষানবিচৰ প্রশিক্ষণ দিয়াৰ ব্যৱস্থা গঢ়ি তোলা।
  - শিক্ষাৰ বিভিন্ন স্তৰত ছাত্রীৰ বাবে বৃত্তিমুখী শিক্ষা গ্রহণ কৰিব পৰা ব্যৱস্থা ৰখা।
- **কাৰিকৰী শিক্ষা ঃ**
  - কাৰিকৰী শিক্ষাৰ প্রয়োজনীয়তাৰ দিশটো চোৱাচিতা কৰিবলৈ কেন্দ্র আৰু ৰাজ্য চৰকাৰে কাৰিকৰী শিক্ষাৰ সর্বভাৰতীয় পৰিষদ গঠন কৰিব লাগে।
  - কাৰিকৰী শিক্ষাৰ পাঠক্রম আৰম্ভ কৰাৰ আগতে ইয়াৰ বাবে অনুমোদন আদায় কৰাতো বাধ্যতামূলক কৰা।
- **শাৰীৰিক শিক্ষা ঃ**
  - বিদ্যালয়সমূহত প্রতিদিনে কমেও ৪৫ মিনিটৰ বাবে শাৰীৰিক শিক্ষা আৰু যোগ শিক্ষাৰ সুবিধা গঢ়ি তোলা।
  - যোগ, ক্রীয়া আৰু অন্যান্য খেলৰ বাবে বিশেষ বিত্তীয় ভাট্টা দিয়াৰ ব্যৱস্থা কৰা।
  - নেচনেল চার্ভিচ স্কীম, নেহৰু য়ুবা কেন্দ্র, ভাৰত স্কাউট আৰু গাইড, নেচনেল কেডেট কোৰ আদিৰ দৰে সেৱাবোৰ সম্প্রসাৰিত কৰা।
- **পৰীক্ষা ঃ**
  - বিশ্ববিদ্যালয়ৰ পাঠ্যক্রমত নামভর্তিৰ বাবে বাছনি পৰীক্ষা পতা। উচ্চতৰ শিক্ষাত ষান্মাসিক ব্যৱস্থা প্রৱর্তন কৰা।
  - পৰীক্ষা ব্যৱস্থাৰ সংশোধন কৰিবলৈ কেন্দ্র আৰু ৰাজ্য চৰকাৰে যৌথ প্রচেষ্টা হাতত লোৱা।
  - পৰীক্ষা ব্যৱস্থাত কেনেধৰণৰ সংশোধন ঘটোৱা উচিত সেই বিষয়ে শিক্ষানুষ্ঠানসমূহৰ পৰা চৰকাৰীভাৱে তথ্য আহৰণ কৰা।

- **গ্ৰাম্য শিক্ষানুষ্ঠান ঃ**
  - ➢ প্ৰতিখন ৰাজ্যত একোখনকৈ গ্ৰাম্য শিক্ষানুষ্ঠানক কেন্দ্ৰীয় পৰিষদ গঠন কৰা।
  - ➢ এই পৰিষদবোৰক গ্ৰামীন বাসিন্দাৰ শৈক্ষিক প্ৰয়োজনসমূহ পূৰণৰ দায়িত্ব অৰ্পণ কৰা।
- **চাকৰিৰ পৰা ডিগ্ৰীৰ আৱশ্যকতা নাইকিয়া কৰা ঃ**
  - ➢ বিশেষ ক্ষেত্ৰত, সেৱাখণ্ডৰ চাকৰিবোৰত বিশেষকৈ, বিশ্ববিদ্যালয় ডিগ্ৰীৰ আৱশ্যকতা নাইকিয়া কৰা। ডিগ্ৰীক আৱশ্যকীয় অৰ্হতাৰ তালিকাৰ পৰা বাদ দিয়া।
- **বিত্তীয় সুবিধা ঃ**
  - ➢ শিক্ষাৰ নামত ৰাষ্ট্ৰীয় বাজেটৰ অতি কমেও ৬% ধন ধাৰ্য কৰা।
  - ➢ শৈক্ষিক বাজেটৰ ধন বিশ্ববিদ্যালয় শিক্ষা আৰু প্ৰাপ্তবয়স্ক শিক্ষা কাৰ্যসূচীলৈ প্ৰবাহিত কৰা।
  - ➢ স্থানীয় এলেকাৰ প্ৰয়োজন অনুসাৰে বিত্তীয় সাহায্য আগবঢ়োৱা। বিত্তীয় সহায়ক 'প্ৰয়োজনকেন্দ্ৰিক' কৰি তোলা।
  - ➢ কাৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষাক স্ব-ব্যয়নিৰ্ভৰ উদ্যম কৰি তোলা। এনে শিক্ষা আগবঢ়োৱা কেন্দ্ৰবোৰৰ মাচুল সংগ্ৰহৰ স্বীকৃত মান চৰকাৰে নিয়ন্ত্ৰণ কৰা উচিত।

১৯৯২ চনৰ মে' মাহত সংসদত এই পৰামৰ্শ আৰু কাৰ্যসূচীসমূহ ঘোষণা কৰা হৈছিল। ৰেড্ডী সমিতিয়ে ১৯৮৬ চনৰ শিক্ষাৰ ৰাষ্ট্ৰীয় নীতিৰ কোনো বিশেষ সাল-সলনি নকৰাকৈ নিজৰ পৰামৰ্শ আগবঢ়াইছিল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ঃ কোন চনত জনার্দন ৰেড্ডী সমিতিয়ে ইয়াৰ পৰামৰ্শসমূহ সম্বলিত প্ৰতিবেদন দাখিল কৰিছিল ?

.....

প্ৰশ্ন নং ১০ঃ অতি কমেও ..... ৰাষ্ট্ৰীয় বাজেটৰ ধন শিক্ষাৰ নামত ধাৰ্য কৰা উচিত।

১১.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৯৮৬ চনৰ ৮ মে' তাৰিখে লোকসভা আৰু ১৩ মে' তাৰিখে ৰাজ্যসভাই শিক্ষা বিষয়ক ৰাষ্ট্ৰীয় নীতিখন গৃহিত কৰিছিল। এই নীতিত প্ৰায় ১০ হাজাৰ শব্দ আছে। ২৯ পৃষ্ঠাৰ এই নীতিখনক ১২ টা ভাগত ভগোৱা হৈছে। ১৫৭ টা অনুচ্ছেদ থকা নীতিখনৰ প্ৰতিটো অনুচ্ছেদৰে প্ৰসংগ হ'ল একবিংশ শতিকাৰ শৈক্ষিক প্ৰত্যাহ্বানবোৰৰ কথা মনত ৰাখি মানৰ সম্পদৰ বিকাশ ঘটোৱা।
- শিক্ষাৰ ৰাষ্ট্ৰীয় নীতিৰ প্ৰধান লক্ষ্য আছিল ব্যক্তিগত কল্যাণৰ পোষকতা কৰা, দক্ষতা বিকশিত কৰা, সমতা আৰ সামাজিক ন্যায়ৰ পোষকতা কৰা, শিক্ষাৰ্থীৰ মনত নৈতিক মূল্যবোধৰ উদ্ৰেক কৰা আৰু দেশত এটা অংশগ্ৰহণমূলক সামাজিক শৃংখলা প্ৰতিষ্ঠা কৰা।
- শিক্ষাৰ ৰাষ্ট্ৰীয় ব্যৱস্থাত এটা উমৈহতীয়া শৈক্ষিক সংৰচনা প্ৰচলিত কৰাৰ কথা কোৱা হৈছে। এই ১০+২+৩ আৰ্হিৰ সংৰচনাটো বৰ্তমান দেশৰ প্ৰায় সকলো অংশৰ শিক্ষানুষ্ঠানে গ্ৰহণ কৰিছে।
- প্ৰাথমিক স্তৰৰ শিক্ষাক শিশু তথা কাৰ্যকলাপ কেন্দ্ৰিক কৰি তোলা উচিত। এনে পৰিৱেশত শিকন প্ৰক্ৰিয়া সহজে সংঘটিত হয়।
- প্ৰাথমিক বিদ্যালয়সমূহত সকলোবোৰ অত্যাৱশ্যকীয় সা-সুবিধা থাকিব লাগিব। এনে বিদ্যালয়ত অতি কমেও দুটা আহল-বহল কোঠা থাকিব লাগিব। এই কোঠা দুটা যিকোনো বতৰতে ব্যৱহাৰৰ উপযোগী হৈ থাকিব লাগিব। বিদ্যালয়ত উচিত সংখ্যক খেলৰ সামগ্ৰী, ব্লেকবোৰ্ড, মানচিত্ৰ, বিভিন্ন বিষয়ৰ চিত্ৰ সাৰণী আৰু অন্য শিকন সামগ্ৰী থাকিব লাগিব।
- প্ৰথম অৱস্থাত এই কাৰ্যসূচীখনক প্ৰতীকিভাৱে 'অপাৰেশ্যন ব্লেকবোৰ্ড' (OBB) নাম দিয়া হৈছিল।
- নতুন NPE- ৰ সদস্য বিশেষজ্ঞমণ্ডলীয়ে মত প্ৰকাশ কৰিছিল যে বিশেষ প্ৰতিভাসম্পন্ন অথবা শিকন

দক্ষতা থকা ল'ৰা-ছোৱালীক দ্রুত গতিত নিজৰ শিকন প্রক্রিয়া আগবঢ়াই নিয়াৰ সুবিধা দিয়া উচিত। ইয়াৰ বাবে এনেবোৰ ল'ৰা-ছোৱালীক উচ্চ মানবিশিষ্ট শিক্ষা লাভৰ সুযোগ দিব লাগে। ল'ৰা-ছোৱালীহঁতৰ পৰিয়ালৰ যদি এনে শিক্ষাৰ মাচুল পৰিশোধ কৰাৰ সামর্থ নাথাকে, তেন্তে তেওঁলোকক বিশেষ ৰেহাই দিয়া উচিত। এনে কাৰণতে দেশৰ নির্বাচিত স্থানত শিকনৰ গতি স্থিৰকাৰী বিদ্যালয় (Pace setting School) অথবা নৱোদয় বিদ্যালয় স্থাপন কৰা উচিত।

- বৃত্তিমুখী শিক্ষা এক সুকীয়া ধাৰা হ'ব। ইয়াৰ উদ্দেশ্য হ'ব শিক্ষার্থীক কার্যকলাপৰ বিভিন্ন ক্ষেত্রৰ পৰা গ্রহণ কৰিব পৰা জীৱিকা বিচাৰি উলিওৱাত সহায় কৰা আৰু তেনে জীৱিকা গ্রহণৰ বাবে প্রস্তুত কৰি তোলা। এই পাঠ্যক্রমবোৰ মাধ্যমিক পর্যায়ৰ শিক্ষা সমাপ্ত কৰাৰ পাছত সাধাৰণতে শিকোৱা হ'ব যদিও আঁচনিবোৰ নমনীয় প্রকৃতিৰ হোৱা বাবে অষ্টম শ্রেণীৰ পাছতেই ইচ্ছুক শিক্ষার্থীৰ বাবে উপলব্ধ কৰি তোলা হ'ব।
- চৰকাৰ, ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ নিয়োগ কর্তাই বৃত্তিমুখী পাঠ্যক্রম প্রচলিত কৰাৰ দায়িত্ব ল'ব।
- প্রস্তাৱ দিয়া হৈছিল যে ১৯৯০ চনলৈ ১০% আৰু ১৯৯৫ চনলৈ ২৫% উচ্চতৰ মাধ্যমিক স্তৰৰ শিক্ষার্থীক বৃত্তিমুখী শিক্ষাৰে শিক্ষিত কৰি তোলা হওক।
- উচ্চতৰ শিক্ষাই ব্যক্তিক সমাজে সন্মুখীন হোৱা গুৰুতৰ সামাজিক, অর্থনৈতিক, সাংস্কৃতিক, নৈতিক আৰু আধ্যাত্মিক সমস্যাবোৰৰ বিষয়ে জনাত সহায় কৰে। এনে শিক্ষাই জ্ঞান আৰু দক্ষতাৰ প্রসাৰ ঘটাই ৰাষ্টৰ বিকাশলৈ অৱদান আগবঢ়ায়। উচ্চতৰ শিক্ষাই শিক্ষকৰ বিকাশতো গুৰুত্বপূর্ণ ভূমিকা লয়।
- কিছুমান নির্বাচিত শিক্ষাৰ ক্ষেত্রত ডিগ্রী আৰু চাকৰিৰ মাজৰ সম্পর্ক চ্ছেদ কৰা উচিত। অভিযান্ত্রিক, চিকিৎসা, আইন, শিক্ষণ আদিৰ দৰে বৃত্তিজীৱিতাৰ দিশেৰে বিশেষ পাঠ্যক্রমৰ ক্ষেত্রত অৱশ্যে এই নিয়ম প্রযোজ্য নহ'ব। এই চ্ছেদন ব্যৱস্থা তেনেবোৰ সেৱাত প্রযোজ্য হ'ব যিবোৰৰ বাবে বিশ্ববিদ্যালয়ৰ ডিগ্রীধাৰী হোৱাটো আৱশ্যকীয় অর্হতা নহয়।
- গ্রাম্য বিশ্ববিদ্যালয়ৰ আর্হিটো নতুন। ইয়াক মহাত্মা গান্ধীৰ বৈপ্লৱিক ধাৰণাবোৰৰ ভিত্তিত বিকশাই তোলা আৰু অন্য উপাদানৰ সৈতে সম্বন্ধযুক্ত কৰি তোলা উচিত। গ্রামাঞ্চলৰ পৰিৱেশৰ ৰূপান্তৰ কৰিবলৈ তৃণমূল স্তৰত ক্ষুদ্র পৰিকল্পনা কৰাৰ প্রত্যাহ্বান গ্রহণ কৰিব লাগিব। গান্ধীবাদী বুনিয়াদী শিক্ষাৰ কার্যসূচী চলাই যোৱা শিক্ষানুষ্ঠানসমূহলৈ সহায়-সমর্থন আগবঢ়োৱা উচিত।
- ১৯৯১ চনৰ জুলাই মাহত কেন্দ্রীয় চৰকাৰৰ অধীনস্থ শিক্ষা বিষয়ৰ কেন্দ্রীয় উপদেষ্টা বোর্ড (CABE) এ জনার্দন জেড্ডীক অধ্যক্ষ পাতি আন এখন পুনৰীক্ষণ সমিতি গঠন কৰিছিল। ১৯৯২ চনৰ জানুৱাৰী মাহত এই সমিতিয়ে ইয়াৰ প্রতিবেদন দাখিল কৰিছিল। প্রতিবেদনত কোৱা হৈছিল যে ১৯৮৬ চনৰ NPE খনক সংশোধন কৰাৰ প্রয়োজন নাই বুলিয়েই ক'ব পাৰি। কিন্তু ইয়াৰ কার্য সম্পাদন পৰিযোজনাখন বহুখিনি সংশোধন কৰিব লাগিব। CABE- এ সমিতিৰ প্রতিবেদনখন বিবেচনা কৰি ইয়াক পাছত সংশোধিত ৰাষ্ট্রীয় শিক্ষানীতি অথবা কার্য সম্পাদন পৰিযোজনা, ১৯৯২ বুলি গ্রহণ কৰিছিল। ১৯৯২ চনৰ মে' মাহৰ ৫ তাৰিখে সংসদত এই ঘোষণা কৰা হৈছিল।

১১.১০ অধিক জানিবলৈ

১) Nurullah and Naik. (1951). *A History of Education in India*. Bombay: Macmillan Publishers.

২) Saikia, S. (1998). *History of Education in India*. Guwahati: Mani Manik Prakash.

৩) Aggarwal, J.C. (2004). *Landmarks in the History of Modern Indian Education*. New Delhi: Vikas Publishing House.

৪) Ghosh, S. C. (2007). *History of Education in India*. Delhi: Rawat Publications.

৫) Ravi, S. Samuel. (2015). *Education in Emerging India*. Delhi: PHI Learning Pvt. Ltd.

৬) Thakur & Thakur (2014/15). *Development of Education System in India: Problems and Prospects*. Agra: Agrawal Publications.

✓ ১১.১১ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ ১০+২+৩।

২ নং প্ৰশ্নৰ উত্তৰঃ ১৯৮৬ চনত।

৩ নং প্ৰশ্নৰ উত্তৰঃ উৎকৃষ্টতাৰ উদ্দেশ্যক বাস্তৱ ৰূপ দিয়া, সমতা আৰু সামাজিক ন্যায়ৰ পোষকতা কৰা (অনুসূচিত জাতি আৰু জনজাতি শিক্ষার্থীক বাবে আসন সংৰক্ষণ কৰা)।

৪ নং প্ৰশ্নৰ উত্তৰঃ বৃত্তিমুখী শিক্ষা এক সুকীয়া ধাৰা হ'ব। ইয়াৰ উদ্দেশ্য হ'ব শিক্ষার্থীক কার্যকলাপৰ বিভিন্ন ক্ষেত্ৰৰ পৰা গ্ৰহণ কৰিব পৰা জীৱিকা বিচাৰি উলিওৱাত সহায় কৰা আৰু তেনে জীৱিকা গ্ৰহণৰ বাবে প্ৰস্তুত কৰি তোলা। এই পাঠ্যক্ৰমবোৰ মাধ্যমিক পর্যায়ৰ শিক্ষা সমাপ্ত কৰাৰ পাছত সাধাৰণতে শিকোৱা হ'ব যদিও আঁচনিবোৰ নমনীয় প্ৰকৃতিৰ হোৱা বাবে অষ্টম শ্ৰেণীৰ পাছতেই ইচ্ছুক শিক্ষার্থীৰ বাবে উপলব্ধ কৰি তোলা হ'ব।

৫ নং প্ৰশ্নৰ উত্তৰঃ সুকীয়া ধাৰা।

৬ নং প্ৰশ্নৰ উত্তৰঃ মহাত্মা গান্ধীৰ শিক্ষা বষয়ক বৈপ্লৱিক চিন্তা-ধাৰণাসমূহ।

৭ নং প্ৰশ্নৰ উত্তৰঃ এই নীতিয়ে প্ৰাথমিক শিক্ষাৰ গুণগত উৎকর্ষ সাধনৰ বাবে 'অপাৰেচন ব্লেকবোর্ড' প্ৰৱর্তনৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰিছিল।
আলোচিত নীতিত 'ৰাজহুৱা বিদ্যালয়' সম্পর্কে কোনো উল্লেখ নাছিল।

৮ নং প্ৰশ্নৰ উত্তৰঃ ৫০০০।

৯ নং প্ৰশ্নৰ উত্তৰঃ ১৯৯২ চনত।

১০ নং প্ৰশ্নৰ উত্তৰঃ ৬%।

? ১১.১২ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (প্ৰায় ১৫০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ ১৯৮৬ চনৰ শিক্ষাৰ ৰাষ্ট্ৰীয় নীতিৰ দুটা উদ্দেশ্য উল্লেখ কৰক।

প্ৰশ্ন ২ঃ ১৯৮৬ চনৰ শিক্ষাৰ ৰাষ্ট্ৰীয় নীতিয়ে শিক্ষাৰ সার্বজনীনকৰণ সন্দর্ভত আগবঢ়োৱা চাৰিটা পৰামর্শ উল্লেখ কৰক

প্ৰশ্ন ৩ঃ ১৯৮৬ চনৰ শিক্ষাৰ ৰাষ্ট্ৰীয় নীতিৰ সবলতাবোৰ উল্লেখ কৰক।

খ) ৰচনাধর্মী প্ৰশ্ন (প্ৰায় ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ ১৯৮৬ চনৰ শিক্ষাৰ ৰাষ্ট্ৰীয় নীতিৰ উদ্দেশ্যসমূহ বর্ণনা কৰক।

প্ৰশ্ন ২ঃ বিদ্যালয় শিক্ষা সন্দর্ভত ১৯৮৬ চনৰ শিক্ষাৰ ৰাষ্ট্ৰীয় নীতিয়ে আগবঢ়োৱা পৰামর্শসমূহ আলোচনা কৰক।

প্ৰশ্ন ৩ঃ ১৯৮৬ চনৰ শিক্ষাৰ ৰাষ্ট্ৰীয় নীতিৰ পৰামর্শাৱলীৰ সমালোচনাত্মক আলোচনা কৰক।

প্ৰশ্ন ৪ঃ জনার্দন ৰেড্ডী সমিতিৰ শিক্ষাৰ ৰাষ্ট্ৰীয় নীতি সংশোধনী বিষয়ক পৰামর্সসমূহ আলোচনা কৰক।

প্ৰশ্ন ৫ঃ জনার্দন ৰেড্ডী সমিতিৰ গুৰুত্বপূর্ণ পৰামর্শ দুটামান বহলাই আলোচনা কৰক।

*** ***** ***

অধ্যায় ১২ঃ স্বাধীনোত্তৰ যুগত ভাৰতত হোৱা শিক্ষাৰ বিকাশ V (ৰাষ্ট্ৰীয় জ্ঞান আয়োগ আৰু য়শপাল সমিতিৰ প্ৰতিবেদন)

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ ৰাষ্ট্ৰীয় জ্ঞান আয়োগ
  ১২.৩.১ ৰাষ্ট্ৰীয় জ্ঞান আয়োগৰ কৰ্তব্য, ক্ষমতা তথা ইয়াৰ সাংগঠনিক সংৰচনা
  ১২.৩.২ ৰাষ্ট্ৰীয় জ্ঞান আয়োগে গ্ৰহণ কৰা প্ৰণালীবিদ্যা
  ১২.৩.৩ ৰাষ্ট্ৰীয় জ্ঞান আয়োগৰ পৰামৰ্শাৱলী
১২.৪ য়শপাল সমিতিৰ প্ৰতিবেদন
  ১২.৪.১ এখন বিশ্ববিদ্যালয়ৰ ধাৰণা
  ১২.৪.২ উচ্চ শিক্ষা খণ্ডৰ প্ৰত্যাহ্বানসমূহ
  ১২.৪.৩ বিশ্ববিদ্যালয় ধাৰণাৰ উন্নতকৰণ
১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৬ অধিক জানিবলৈ
১২.৭ অগ্ৰগতিৰ খতিয়ান
১২.৮ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ৰাষ্ট্ৰীয় জ্ঞান আয়োগৰ কৰ্তব্য আৰু ক্ষমতাৰ লগতে ইয়াৰ সাংগঠনিক সংৰচনাটো বৰ্ণনা কৰিব পাৰিব
- ৰাষ্ট্ৰীয় জ্ঞান আয়োগৰ পৰামৰ্শাৱলী বৰ্ণনা কৰিব পাৰিব
- য়শপাল সমিতিৰ বিশ্ববিদ্যালয়ৰ ধাৰণাটো ব্যাখ্যা কৰিব পাৰিব
- য়শপাল সমিতিৰ প্ৰতিবেদনত উল্লেখ কৰা উচ্চ শিক্ষা খণ্ডৰ প্ৰত্যাহ্বানসমূহ আলোচনা কৰিব পাৰিব
- বিশ্ববিদ্যালয়ৰ ধাৰণাটো কেনেদৰে সংশোধন আৰু সংশোধন কৰিব পাৰি সেয়া ব্যাখ্যা কৰিব পাৰিব।

১২.২ পৰিচয়

প্ৰাক্-স্বাধীনতা আৰু স্বাধীনতা লাভৰ পৰৱৰ্তী কিছুসময়ৰ শিক্ষাতকৈ বৰ্তমান ভাৰতৰ শিক্ষাই এক সম্পূৰ্ণ নতুন ৰূপ লাভ কৰিছে। ভাৰতীয় শিক্ষা ব্যৱস্থাই ক্ৰমবিৱৰ্তন আৰু পৰিৱৰ্তনৰ এক দীঘলীয়া পৰিক্ৰমা অতিক্ৰম কৰিছে। আধুনিক ভাৰতৰ শিক্ষা ব্যৱস্থাক বিভিন্ন লক্ষ্য-উদ্দেশ্যই দিক্-নিৰ্দেশনা প্ৰদান কৰে। অৱশ্যে এয়া সত্য যে অতীজৰ শিক্ষা নীতিবোৰৰ ভেটিটোতেই নতুন ব্যৱস্থাটো ন-ৰূপত গঢ়ি তোলা হৈছে। একবিংশ শতিকাত বিশ্বত তিনি প্ৰকাৰৰ বিস্ফোৰণ ঘটিছে- জনসংখ্যা বিস্ফোৰণ, আশা-প্ৰত্যাশ্যাৰ বিস্ফোৰণ আৰু জ্ঞানৰ বিস্ফোৰণ। দেশত জ্ঞানৰ বিস্ফোৰণে উদ্ভৱ কৰা চাহিদাৰ জোৰা মাৰিবলৈ ভাৰত চৰকাৰে নানা ধৰণৰ উদ্যম আৰম্ভ কৰিছে। শিক্ষাৰ বিভিন্ন নীতি আৰু কাৰ্যসূচীয়ে খণ্ডটোক নতুন গতি দিছে। এই অধ্যায়টিত ভাৰত চৰকাৰৰ দুটা প্ৰধান শৈক্ষিক কাৰ্যসূচী- ৰাষ্ট্ৰীয় জ্ঞান আয়োগ আৰু য়শপাল সমিতিৰ প্ৰতিবেদনৰ বিষয়ে আলোচনা কৰা হ'ব।

১২.৩ ৰাষ্ট্ৰীয় জ্ঞান আয়োগ

জ্ঞানৰ সুবিধা গ্ৰহণ কৰিব পৰা একমাত্ৰ জীৱ হ'ল মানুহ। একবিংশ শতিকাত জ্ঞানক বশ্বৰ চালিকা শক্তি বুলি স্বীকৃতি দিয়া হৈছে। এক বিশ্বজনীন প্ৰতিদ্বন্দ্বিতা আগবঢ়াব পৰা শক্তিশালী পক্ষৰূপে ভাৰতৰ সমৰ্থ শক্তিশালী কৰি তুলিবলৈ দেশৰ জ্ঞান সম্পদ সমৃদ্ধ কৰি তুলিবলৈ লাগিব। এই কথাবোৰ বিবেচনা কৰি চাই ২০০৫ চনৰ জুন মাহত তদানীন্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙে ৰাষ্ট্ৰীয় জ্ঞান আয়োগ (National Knowledge Commission/ NKC) গঠন কৰিছিল। শ্ৰী চেম পিট্ৰ'ডা আছিল এই আয়োগৰ অধ্যক্ষ। সমিতিৰ প্ৰধান কৰণীয় আছিল জ্ঞান অৰ্থনীতিত ভাৰতক অধিক প্ৰতিদ্বন্দ্বিতাপূৰ্ণ কৰি তুলিবলৈ শিক্ষা ব্যৱস্থা, গৱেষণা প্ৰতিষ্ঠান আৰু শিক্ষা খণ্ডৰ সংস্কাৰ সাধন বিষয়ক নীতি গ্ৰহণৰ সময়ত প্ৰধানমন্ত্ৰী কাৰ্যালয়ক প্ৰয়োজনীয় দিহা-পৰামৰ্শ দিয়া। সমিতিক দেশৰশিক্ষা খণ্ডৰ আৱশ্যকীয় সংস্কাৰ সাধন কৰাৰ দায়িত্ব দিয়াৰ লগতে গৱেষণাৰ বাবে ব্যৱহৃত পৰীক্ষাগাৰ আৰু আনুষ্ঠানিক সম্পত্তি বিষয়ক আৱশ্যকীয় বিধি-বিধান যুগুত কৰাৰ কাম দিয়া হৈছিল। সমিতিয়ে চৰকাৰী কাম-কাজবোৰ অধিক স্বচ্ছ কৰি তুলিবলৈ শেহতীয়া প্ৰযুক্তিবিদ্যা প্ৰয়োগ কৰাৰ সন্দৰ্ভতো চৰকাৰক দিহা-পৰামৰ্শ দিছিল। ২০০৬ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা ৰাষ্ট্ৰীয় জ্ঞান আয়োগে নিজৰ কাম-কাজ আৰম্ভ কৰিছিল

NKC- ৰ সদস্যসকল আছিল-

- শ্ৰী চেম পিট্ৰ'ডা, অধ্যক্ষ
- ড° আশোক গাংগুলী, কৰ্প'ৰেট নেতা
- ড° পি. বলৰাম, নিৰ্দেশক, ভাৰতীয় বিজ্ঞান প্ৰতিষ্ঠান
- ড° জয়তী ঘোষ, অধ্যাপিকা, অৰ্থনীতি বিজ্ঞান
- ড°দীপক নায়াৰ, প্ৰাক্তন উপাচাৰ্য, দিল্লী বিশ্ববিদ্যালয়
- শ্ৰী নন্দন নিলেকানী, অধ্যক্ষ, ভাৰতীয় বিশিষ্ট চিনাক্তকৰণ প্ৰাধিকৰণ (Unique Identification Authority of India)
- ড° সুজাতা ৰামদোৰাই, অধ্যাপিকা, অংকশাস্ত্ৰ
- ড° অমিতাভ মাত্তু, প্ৰাক্তন উপাচাৰ্য, জম্মু বিশ্ববিদ্যালয়

১২.৩.১ ৰাষ্ট্ৰীয় জ্ঞান আয়োগৰ কৰ্তব্য, ক্ষমতা আৰু ইয়াৰ সাংগঠনিক সংৰচনা

ড° মনমোহন সিঙৰ ভাষাত, 'শিক্ষানুষ্ঠান গঢ়া আৰু শিক্ষা গৱেষণা-সামৰ্থ নিৰ্মাণৰ ক্ষেত্ৰত উৎকৰ্ষতাৰ শিখৰলৈ উঠাৰ দ্বিতীয় লহৰটো সৃষ্টি কৰাৰ সময় আহি পৰিছে।' প্ৰধানমন্ত্ৰীৰ এই মন্তব্যৰ মাজতে NKC- ৰ লক্ষ্য -উদ্দেশ্য স্পষ্টৰূপত প্ৰতিফলিত হৈছে। NKC- ৰ কৰ্তব্য আৰু ক্ষমতাসমূহ তলত দিয়া ধৰণে সংক্ষিপ্ত ৰূপত প্ৰকাশ কৰিব পাৰি-

- একবিংশ শতিকাৰ জ্ঞান প্ৰত্যাহ্বানসমূহৰ মুখামুখি হ'ব পৰাকৈ ভাৰতীয় শিক্ষা ব্যৱস্থাৰ উৎকৰ্ষ সাধন কৰা আৰু জ্ঞান ক্ষেত্ৰত ভাৰতৰ প্ৰতিদ্বন্দ্বিতামূলক কাৰ্যকলাপ বৃদ্ধি কৰা।
- বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ পৰীক্ষাগাৰসমূহত জ্ঞান সৃষ্টিৰ পোষকতা কৰা।
- বৌদ্ধিক সম্পত্তিৰ অধিকাৰ সুৰক্ষিত ৰখাৰ কামত লাগি থকা অনুষ্ঠানবোৰৰ ব্যৱস্থাপনা উন্নত কৰা।
- কৃষি আৰু উদ্যোগত জ্ঞান প্ৰয়োগৰ পোষকতা কৰা।
- জ্ঞান সামৰ্থ ব্যৱহাৰৰ পোষকতা কৰি চৰকাৰক নাগৰিকৰ বাবে সুফলদায়ক, স্বচ্ছ আৰু ভাৰসাযোগ্য সেৱা যোগনিয়াৰ কৰি তোলা তথা ৰাজহুৱা লাভালাভ সৰ্বাধিক কৰি তুলিবলৈ জ্ঞানৰ বিস্তৃত ভাগ -বাটোৱাৰাৰ পোষকতা কৰা।

আয়োগক ২০০৫ চনৰ ২ অক্টোবৰৰ পৰা ২০০৮ চনৰ ২ অক্টোবৰলৈ মুঠ তিনি বছৰ সময় দিয়া হৈছিল। পাছত এই সময়সীমা ২০০৯ চনৰ ৩১ মাৰ্চলৈ বৃদ্ধি কৰা হৈছিল।

১২.৩.২ ৰাষ্ট্ৰীয় জ্ঞান আয়োগে গ্ৰহণ কৰা প্ৰণালীবিদ্যা

NKC- এ নিজৰ কাম-কাজ আগবঢ়াই নিবলৈ গ্ৰহণ কৰা প্ৰণালীবিদ্যাৰ বিশেষভাৱে উল্লেখযোগ্য দিশবোৰ হ'ল-

- মনোনিৱেশ কৰিবলগীয়া প্ৰধান ক্ষেত্ৰবোৰৰ চিনাক্তকৰণ।
- বিভিন্ন শ্ৰেণীৰ হিতধাৰক (Stake holder) সকলক চিনাক্ত কৰি উলিওৱা আৰু প্ৰধান সমস্যাবোৰ বুজাৰ চেষ্টা কৰা।
- কাৰ্য-সম্পাদনকাৰী গোট গঠন কৰা, সংশ্লিষ্ট বিষয়ৰ বিশেষজ্ঞ আৰু হিতধাৰকসকলৰ সৈতে মিলি বিস্তৃত আলোচনা কৰাৰ লগতে কৰ্মশালা, আলোচনা চক্ৰ আদিৰ আয়োজন কৰা।
- প্ৰশাসনীয় মন্ত্ৰ্যালয় আৰু পৰিকল্পনা আয়োগৰ সৈতে আলাপ-আলোচনাত মিলিত হোৱা।
- NKC- ত হোৱা আলোচনাৰ পৰা চূড়ান্তকৰ পৰামৰ্শসমূহ পত্ৰৰ ৰূপত অধ্যক্ষৰ জৰিয়তে প্ৰধানমন্ত্ৰীলৈ প্ৰেৰণ কৰা।
- প্ৰধানমন্ত্ৰীক পত্ৰযোগে মুখ্য পৰামৰ্শাৱলী, গ্ৰহণ কৰিবলগীয়া প্ৰথম ব্যৱস্থা, বিত্তীয় সাহায্যৰ ব্যৱহাৰ আদিৰ বিষয়ে প্ৰাসংগিক ব্যাখ্যামূলক নথি-পত্ৰসহ অৱগত কৰোৱা।
- পৰামৰ্শাৱলী ৰাজ্য চৰকাৰ, নাগৰিকৰ সমাজ আৰু অন্য হিত ধাৰকসকলৰ মাজত প্ৰচাৰ কৰা।
- প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ কাৰ্যক্ষমতা ক্ষেত্ৰৰ অধীনত পৰামৰ্শাৱলী কাৰ্যৰূপায়ণৰ উদ্যম লোৱা।
- প্ৰস্তাৱবোৰৰ কাৰ্যৰূপায়ণৰ দিশটো চোৱাচিতা কৰা সমন্বয়ৰক্ষীৰ ভূমিকা গ্ৰহণ কৰা আৰু এইবোৰৰ তথ্য ৰখা।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ ..... ৰ জুন মাহত ৰাষ্ট্ৰীয় জ্ঞান আয়োগ গঠন কৰা হৈছিল।

প্ৰশ্ন নং ২ঃ ..... ৰাষ্ট্ৰীয় জ্ঞান আয়োগৰ অধ্যক্ষ আছিল।

প্ৰশ্ন নং ৩ঃ ৰাষ্ট্ৰীয় জ্ঞান আয়োগৰ কৰ্তব্য আৰু ক্ষমতা সম্পৰ্কে চমুকৈ লিখক।

.....

১২.৩.৩ ৰাষ্ট্ৰীয় জ্ঞান আয়োগৰ পৰামৰ্শাৱলী

ৰাষ্ট্ৰীয় জ্ঞান আয়োগৰ পৰামৰ্শাৱলীক তলত দিয়া বিভাগবোৰত ভগাব পাৰি।

Diagram add

Access of Knowledge Concepts = জ্ঞানৰ সুচলতা

Knowledge Concepts = জ্ঞানৰ ধাৰণা

Creation of Knowledge = জ্ঞান সৃষ্টি

Knowledge Application = জ্ঞান প্ৰয়োগ

Delivery of Services = সেৱা বিতৰণ

বিভাগবোৰৰ বৈশিষ্ট্যসমূহ হ'ল এনেধৰণৰ-

- জ্ঞানৰ সুচলতা ঃ ব্যক্তি আৰু ব্যক্তিগোটসমূহৰ শিক্ষা লাভৰ সুযোগ সুবিধা বৃদ্ধিৰ সবাতোকৈ মৌলিক উপায়টো হ'ল তেওঁলোকৰ বাবে জ্ঞান সুচল কৰি তোলা। বৰ্তমান সমাজত জ্ঞানৰ প্ৰসাৰক পুনৰুজ্জীৱিত তথা ব্যাপ্ত কৰি তোলাচো প্ৰয়োজনীয় হৈ পৰিছে। জ্ঞান সকলোৰে বাবে সুচল কৰি তুলিবলৈ NKC- এ তলৰ পৰামৰ্শাৱলী আগবঢ়াইছিল

- শিক্ষাৰ অধিকাৰ ঃ ৮৬ সংখ্যক সংবিধান সংশোধনী আইনৰ জৰিয়তে ভাৰতৰ নাগৰিকৰ বাবে শিক্ষাক এটা মৌলিক অধিকাৰ হিচাপে বিকশিত কৰা হৈছিল। গুণগত উৎকৃষ্টতা থকা সার্বজনীন শিক্ষাক সকলোৰে বাবে সুচল কৰি তুলিবলৈ NKC- এ আগবঢ়োৱা পৰামর্শসমূহ হ'ল-
  (ক) শিক্ষাৰ অধিকাৰ সুনিশ্চিত কৰিবলৈ এক কেন্দ্ৰীয় বিধান প্ৰৱর্তন কৰিব লাগিব।
  (খ) শিক্ষাৰ অধিকাৰৰ প্ৰয়োজনীয়তাক বাস্তৱ ৰূপ দিবলৈ কেন্দ্ৰীয় চৰকাৰে অতিৰিক্ত পুঁজি যোগান ধৰিব লাগিব।
  (গ) বিধায়িনীয়ে বিদ্যালয় পর্যায়ৰ শিক্ষাৰ ন্যূনতম গুণগত মান নির্দ্ধাৰণ কৰি দিব লাগিব।
  (ঘ) শিক্ষাৰ বিভিন্ন স্তৰত চৰকাৰৰ দায়িত্ব সুনিৰ্দ্ধাপিত হ'ব লাগিব আৰু এই দায়িত্বৰ ফলপ্ৰসূ কার্যৰূপায়ণ পদ্ধতিবোৰ যুক্তিৰ দ্বাৰা প্ৰতিষ্ঠিত কৰাব পাৰিব লাগিব।
- **ভাষা ঃ** NKC-এ বিবেচনা কৰিছিল যে ভাৰতৰ সাম্প্ৰতিক পৰিস্থিতিত উচ্চ শিক্ষাৰ বাবে ইংৰাজী ভাষাটোৱেই সবাতোকৈ গুৰুত্বপূর্ণ মাধ্যম। NKC- ৰ পৰামর্শ অনুসৰি-
  - বিদ্যালয়সমূহত প্ৰথম শ্ৰেণীৰ পৰাই প্ৰথম ভাষাৰ লগতে ইংৰাজী ভাষাত শিক্ষাদান কৰাৰ নিয়ম আৰম্ভ কৰিব লাগে (প্ৰথম ভাষা 'মাতৃভাষা' অথবা 'আঞ্চলিক ভাষা' হ'ব)।
  - ইংৰাজী ভাষা শিক্ষণৰ 'শিক্ষণ বিধি' (Pedagogy)- ৰ সংস্কাৰ সাধন কৰা উচিত আৰু পৰম্পৰাগত শিক্ষা পদ্ধতিবোৰৰ অনুপূৰক হিচাপে সকলোবোৰ উপলব্ধ মাধ্যম ব্যৱহাৰ কৰিব লাগে।
- **অনুবাদ ঃ** ভাৰতৰ দৰে বহুভাষিক দেশৰ বিভিন্ন ভাষিক গোটৰ অন্তর্গত নাগৰিকৰ বাবে জ্ঞান উপলব্ধ কৰি তোলাত অনুবাদে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। অনুবাদ সন্দর্ভত NKC- এ আগবঢ়োৱা পৰামর্শবোৰ হ'ল-
  - অনুবাদক এক উদ্যোহৰ ৰূপ দি বিকশিত কৰা। দেশত এখন ৰাষ্ট্ৰীয় অনুবাদ আয়োগ গঠন কৰা। এই আয়োগে দেশৰ সকলো অঞ্চলতে অনুবাদ কার্যকলাপৰ পৃষ্ঠপোষকতা কৰিব।
  - অনুবাদৰ সকলোবোৰ দিশৰে তথ্য জমা থকা এক ভাণ্ডৰ সৃষ্টি কৰা উচিত। অনুবাদকসকলক উচ্চমানৰ প্ৰশিক্ষণ আৰু শিক্ষা দিয়া উচিত। অনুবাদৰ বিভিন্ন আহিলা বিকশিত তথা সৈইবোৰৰ তদাৰক কৰা উচিত।
- **গ্ৰন্থাগাৰ ঃ** দেশৰ গ্ৰন্থাগাৰ আৰু তথ্য সেৱা (LIS) ক ন-ৰূপত সজাই তুলিবলৈ NKC-এ তলৰ পৰামর্শসমূহ আগবঢ়াইছিল।
  - দেশৰ গ্ৰন্থাগাৰসমূহৰ বিস্তৃত জৰীপ কৰি গ্ৰন্থাগাৰ ব্যৱস্থাপনাক আধুনিক ৰূপ দিয়া। গ্ৰন্থাগাৰসমূহত সামূহিক অংশগ্ৰহণৰ মাত্ৰা বৃদ্ধি কৰা। LIS ৰ বিকাশত ৰাজহুৱা ব্যক্তিগত অংশীদাৰত্বৰ আৰ্হি অন্তর্ভুক্ত কৰা আৰু গ্ৰন্থাগাৰত বিভিন্ন সেৱা প্ৰচলনৰ বাবে তথ্য তথা সংযোগ প্ৰযুক্তিৰ সহায় লোৱা।
  - দেশত এক স্বতন্ত্ৰ ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰ আয়োগ প্ৰতিষ্ঠা কৰা। এই আয়োগে গ্ৰন্থাগাৰ খণ্ডৰ সকলো উন্নয়নমূলক উদ্যমৰ তদাৰক কৰিব।
- **ৰাষ্ট্ৰীয় জ্ঞান নেটৱৰ্ক ঃ** বর্তমান সময়ত সফল গৱেষণা এটাৰ চাবিকাঠি হ'ল ডেটা আৰু সমলৰ ভাগ-বাটোৱাৰা। সফল গৱেষণাৰ বাবে পোনপটীয়া পৰামর্শ দান-গ্ৰহণ আৱশ্যকীয় হৈ পৰিছে। এই বিষয়ত NKC- এ আগবঢ়োৱা পৰামর্শবোৰ হ'ল-
  - দেশত এটা উচ্চ ক্ষমতাসম্পন্ন অত্যাধুনিক ৰাষ্ট্ৰীয় জ্ঞান নেটৱৰ্ক গঢ়ি তোলা উচিত। ইয়াত বিভিন্ন ক্ষেত্ৰৰ জ্ঞান অনুষ্ঠান-প্ৰতিষ্ঠানসমূহক যুক্ত কৰি ৰখা হ'ব। দেশৰ বিভিন্ন স্থানত থকা জ্ঞান কেন্দ্ৰবোৰ এই নেটৱৰ্কৰ দ্বাৰা পৰস্পৰ সংযোজিত হৈ থাকিব।
  - এই নেটৱৰ্কটোৰ হ'ব বৈদ্যুতিক ডিজিটেল ব্ৰডবেণ্ড নেটৱৰ্ক প্ৰকৃতিৰ হ'ব। ইয়াৰ গিগাবাইট পর্যায়ৰ ক্ষমতা থাকিব।
- **জ্ঞান পোর্টেল ঃ** NKC- এ দেশত কম্পিউটাৰ নেটৱৰ্কৰ দ্বাৰা পৰিচালিত এটা জ্ঞান পোর্টেল প্ৰৱর্তন কৰাৰো পৰামর্শ দিছিল।

- দেশত এটা ৰাষ্ট্ৰীয় ৰেব ভিত্তিক পোৰ্টেল সৃষ্টি কৰা উচিত। কিছুমান নিৰ্দিষ্ট আৰু প্ৰধান খণ্ড, যেনে- পানী, শক্তি, পাৰিপাৰ্শ্বিক, জৈৰ বৈচিত্ৰ্য, স্বাস্থ্য, কৃষি, নিয়োগ সুবিধা, নাগৰিকৰ অধিকাৰ, শিক্ষক আদিৰ বিষয়ে এনে পোৰ্টেলত তথ্য মজুত থাকিব।
- এই পোৰ্টেলটোৱে তথ্যৰ এক একক খিৰিকী (Single window) হিচাপে সেৱা আগবঢ়াব। সংলগ্ন ক্ষেত্ৰবোৰৰ সকলো হিতধাৰকে ইয়াৰ পৰা যাৱতীয় তথ্য লাভ কৰিব। পোৰ্টেলটো বিভিন্ন খণ্ডৰ হিতধাৰকসকলেই তদাৰক কৰিব। ইয়াৰ দ্বাৰা সংশ্লিষ্ট খণ্ডৰ তথ্যসমূহত একোটা ৰাষ্ট্ৰীয় চৰিত্ৰ আৰোপিত হ'ব।

- **স্বাস্থ্য তথ্য নেটৱৰ্ক ঃ** এই সন্দৰ্ভত NKC- এ আগবঢ়োৱা পৰামৰ্শসমূহ হ'ল-
  - স্বাস্থ্য তথ্য বিষয়ক এটা ৰেব ভিত্তিক নেটৱৰ্ক সৃষ্টি কৰা উচিত। ই দেশৰ ব্যক্তিগত আৰু ৰাজহুৱা দুয়োটা খণ্ডৰ সকলোবোৰ স্বাস্থ্য যত্ন সেৱা তথা অনুষ্ঠানকে সামৰি লৈ কাম কৰিব।
  - দেশত এক উমৈহতীয়া বৈদ্যুতিক স্বাস্থ্য অভিলেখ (EHR) ব্যৱস্থা গঢ়ি তোলা হ'ব। এই বৈদ্যুতিক জৰিয়তে বিভিন্ন স্বাস্থ্য বিষয়ক তথ্যৰ অভিলেখ বিস্তৃতভাৱে বিতৰণ কৰা হ'ব।
- **জ্ঞানৰ ধাৰণা ঃ** শিক্ষা ব্যৱস্থাৰ জৰিয়তে জ্ঞানৰ ধাৰণাবোৰ সংগঠিত আৰু সম্প্ৰসাৰিত কৰা হয়। NKC-এ সেয়েহে দেশৰ শিক্ষা খণ্ডটোৰ সংস্কাৰ সাধনত মনোনিৱেশ কৰিছিল। এই সন্দৰ্ভত আয়োগৰ পৰামৰ্শাৱলী আছিল এনেধৰণৰ-
  - **বিদ্যালয় পৰ্যায়ৰ শিক্ষা ঃ** দেশৰ প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ৰ শিক্ষা সম্প্ৰসাৰিত কৰা উচিত। তেতিয়াহে উচ্চমানৰ বিদ্যালয় পৰ্যায়ৰ শিক্ষা সকলোৰে বাবে সুচল কৰি তুলিব পৰা যাব। এই দিশটো সবল কৰি তুলিবলৈ NKC- এ আগবঢ়োৱা পৰামৰ্শসমূহ আছিল এনেধৰণৰ-
    (ক) NKC- এ দেশৰ বিদ্যালয় ব্যৱস্থাটো সলনি কৰাৰ প্ৰস্তাৱ দিছিল। ইয়াৰ দ্বাৰা শিক্ষা ব্যৱস্থাটো বিকেন্দ্ৰীভূত হ'ব, বিদ্যালয় ব্যৱস্থাপনা স্থানীয় স্ব-শাসনৰ প্ৰচলন ঘটিব আৰু পুঁজি বিতৰণ ব্যৱস্থাটো নমনীয় হ'ব।
    (খ) বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নত কৰিব লাগিব, বিদ্যালয় পৰিদৰ্শন ব্যৱস্থাটোৰ সংস্কাৰ সাধন কৰিব লাগিব, স্থানীয় হিতধাৰকসকলৰ ভূমিকা আগতকৈ অধিক গুৰুত্বপূৰ্ণ কৰি তুলিব লাগিব আৰু শিক্ষা ব্যৱস্থাটোৰ স্বচ্ছতা উন্নতৰ কৰিব লাগিব।
  - তথ্য আৰু কম্পিউটাৰ প্ৰযুক্তি শিক্ষক, শিক্ষাৰ্থী তথা প্ৰশাসনৰ বাবে সুচল কৰি তুলিব লাগিব।
  - পাঠ্যক্ৰম আৰু পৰীক্ষা ব্যৱস্থাৰ সংস্কাৰ সাধন কৰিব লাগিব। শিক্ষাৰ্থীক মুখস্থ বিদ্যাৰ পৰা আঁতৰাই নি ধাৰণাবোৰ সমালোচনামূলকভাৱে বুজিব পৰা কৰি তুলিব লাগিব।
- **বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণ** (VET) ঃ দেশৰ বৃত্তিমুখী শিক্ষা (Vocational education) আৰু পৰামৰ্শাৱলী আগবঢ়াইছিল।
  - মূলসুঁতিৰ শিক্ষা ব্যৱস্থাৰ ভিতৰতে VET ৰ নমনীয়তা বৃদ্ধি কৰা।
  - উদ্ভাৱনীমূলক শিক্ষা প্ৰসাৰণ আৰ্হি আৰু শক্তিশালী ৰাজহুৱা ব্যক্তিগত অংশীদাৰত্বৰ মাধ্যমেৰে বৃত্তিমুখী শিক্ষাৰ সামৰ্থ বৃদ্ধি কৰা।
  - নিয়ন্ত্ৰণ নীতি-নিয়মবোৰ সুদৃঢ় কৰাৰ লগতে স্বীকৃতি/মান্যতা লাভৰ নীতি-নিয়মবোৰ উন্নততৰ কৰি তোলা। বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণৰ অন্তত উপযুক্ত ধৰণৰ প্ৰমাণ-পত্ৰ দিয়াৰ ব্যৱস্থা কৰা।
- **উচ্চ শিক্ষা ঃ** উচ্চ শিক্ষা সন্দৰ্ভত NKC- এ আগবঢ়োৱা পৰামৰ্শবোৰ এনে ধৰণৰ আছিল-
  - ২০১৫ চনৰ ভিতৰত উচ্চতৰ শিক্ষাৰ সৰ্বমুঠ নামভৰ্তি অনুপাত (GER) ১৫ শতাংশ অথবা ততোধিক কৰা আৰু ২০১৫ চনৰ ভিতৰত দেশত বিশ্ববিদ্যালয়ৰ সংখ্যা ১৫০০ কৰা। আগৰেপৰা থকা বিশ্ববিদ্যালয়সমূহৰ পুনঃগঠন কৰি আংশিকভাৱে এই সংখ্যাত তেনে বিশ্ববিদ্যালয়বোৰো যোগ কৰা।
  - উচ্চতৰ শিক্ষাৰ স্বতন্ত্ৰ নিয়ামক প্ৰাধিকৰণ (IRAHE) গঠন কৰা। এই প্ৰাধিকৰণে সকলো হিতধাৰকৰ

বাবে সুচল হৈ থাকি নিজৰ কাম-কাজ আগুৱাই নিব।

- আগৰেপৰা চলি থকা বিশ্ববিদ্যালয়সমূহৰ সংস্কাৰ সাধন কৰা, সঘনাই পাঠ্যক্ৰম পুনৰীক্ষণ কৰা, পাঠ্যবিষয়ৰ ক্ৰেডিট ব্যৱস্থা প্ৰচলন কৰা, আভ্যন্তৰীণ মূল্যাংকন ব্যৱস্থাৰ ওপৰত নিৰ্ভৰশীলতা বৃদ্ধি কৰা, গৱেষণা কাৰ্যক অনুপ্ৰাণিত কৰা আৰু শিক্ষানুষ্ঠানসমূহৰ প্ৰশাসনীয় ব্যৱস্থাৰ সংস্কাৰ সাধন কৰা।
- বিশ্ববিদ্যালয়ৰ স্বীকৃতিপ্ৰাপ্ত প্ৰাক্-স্নাতক স্তৰৰ মহাবিদ্যালয়সমূহৰ স্বীকৃতি লাভৰ ব্যৱস্থাটো পুনঃসংগঠিত কৰা।
- সামূহিক মহাবিদ্যালয়ৰ আৰ্হি সৃষ্টি কৰা। এনে মহাবিদ্যালয়ত ক্ৰেডিট ক্ৰেডিটবিহীন প্ৰকৃতিৰ পাঠ্যক্ৰম থাকিব। এনে পাঠ্যক্ৰমবোৰে দুবছৰীয়া সহযোগী ডিগ্ৰী লাভৰ সুযোগ আগবঢ়াব।
- যোগ্য শিক্ষাৰ্থীক উচ্চতৰ শিক্ষা লাভৰ সহায় কৰিবলৈ জলপানি প্ৰদানৰ ব্যৱস্থা কৰা।

- **গণিত আৰু বিজ্ঞান বিষয়ত প্ৰতিভাৱান শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধি ঃ** বিজ্ঞান শিক্ষা আৰু গৱেষণাৰ মান উন্নত কৰিবলৈ NKC- এ তলত দিয়া পৰামৰ্শসমূহ আগবঢ়াইছিল-
  - এক ব্যাপক পৰিসৰত বিজ্ঞান শিক্ষা প্ৰসাৰিত কৰাৰ কাৰ্যসূচী হাতত লোৱা।
  - উপলব্ধ আন্তঃগাঁথনিবোৰৰ মান উন্নত কৰা, শিক্ষণৰ বৃত্তিটো পুৰুজ্জীৱিত কৰি তোলা, শিক্ষাৰ সকলো স্তৰতে শিক্ষকৰ প্ৰশিক্ষণ ব্যৱস্থাবোৰৰ সংস্কাৰ সাধন কৰা।
- **বৃত্তিজীৱি শিক্ষা ঃ** বৃত্তিজীৱি শিক্ষাৰ মান উন্নত কৰি তুলিবলৈ NKC- এ আগবঢ়োৱা পৰামৰ্শসমূহ আছিল এনেধৰণৰ-
  - চিকিৎসা শাস্ত্ৰ, আইন শাস্ত্ৰ, ব্যৱস্থাপনা আৰু অভিযান্ত্ৰিক শিক্ষাৰ দৰে সাম্প্ৰতিক বৃত্তিজীৱি শিক্ষাৰ ধাৰণাসমূহৰ স্থানত বিভিন্ন ধাৰাৰ উপ-ভাগ কিছুমানৰ প্ৰচলন ঘটাব লাগে। এনে প্ৰতিটো ধাৰাৰ বাবে স্বতন্ত্ৰ নিয়ন্ত্ৰণ ব্যৱস্থা গঢ়াৰ প্ৰস্তাৱ দিয়া হৈছিল।
  - শিক্ষানুষ্ঠানসমূহক আগতকৈ অধিক স্ব-নিয়ন্ত্ৰণৰ সুবিধা দিব লাগে, সাম্প্ৰতিক পৰীক্ষা ব্যৱস্থাৰ সংস্কাৰ সাধন কৰিব লাগে, প্ৰচলিত পাঠ্যক্ৰম উন্নততৰ ৰূপত বিকশাই তুলিব লাগে আৰু গৱেষণামূলক কাম-কাজক উদ্গনি যোগাব লাগে।
- **উৎকৃষ্টমানৰ গৱেষক/গৱেষণা পত্ৰ সৃষ্টিৰ প্ৰয়াস ঃ** গৱেষণা কাৰ্যৰ মান উন্নত কৰিবলৈ NKC- এ তলৰ পৰামৰ্শসমূহ আগবঢ়াইছিল।
  - শিক্ষাৰ সকলো স্তৰতে শিক্ষাৰ মান উন্নতকৰণ তথা গৱেষণাৰ কাম-কাজক উৎসাহিত কৰাৰ বাবে বৃহঠৎ পৰিমাণৰ পুঁজি বিনিয়োগ কৰা। বিশ্ববিদ্যালয় স্তৰৰ শিক্ষা ব্যৱস্থাৰ সংস্কাৰ সাধন তথা মেৰামতি কৰা।
  - ডক্তৰেট উপাধি প্ৰদানকাৰী শৈক্ষিক কাৰ্যসূচীসমূহ সকলো বিষয়তে পুনৰুজ্জীৱিত কৰা। বিভিন্ন ধৰণৰ ঔদ্যোগিক শৈক্ষিক জগত আন্তঃক্ৰিয়াৰ বিকাশ ঘটোৱা এইবোৰ সুদৃঢ় কৰা।
  - দেশত প্ৰয়োজনীয় গৱেষণাকেন্দ্ৰিক পাৰিপাৰ্শ্ব প্ৰণালী গঢ়ি তুলিবলৈ এটা ৰাষ্ট্ৰীয় গৱেষণা অভিযান স্থাপন কৰা।
- **মুক্ত আৰু দূ�ৰৱৰ্তী শিক্ষা তথা মুক্ত শৈক্ষিক সমল ঃ** NKC- এ মুক্ত আৰু দূৰৱৰ্তী শিক্ষা ক্ষেত্ৰৰ বাবে তলত দিয়া পৰামৰ্শসমূহ আগবঢ়াইছিল।
  - এটা ৰাষ্ট্ৰীয় পৰ্যায়ৰ তথ্য-সংযোগ প্ৰযুক্তি আন্তঃগাঁথনি (ICT infrastructure) সৃষ্টি কৰা, ৱেব ভিত্তিক উমৈহতীয়া মুক্ত সমল কেন্দ্ৰ বিকশিত কৰা, ক্ৰেডিট বেংক গঠন কৰা আৰু এটা ৰাষ্ট্ৰীয় পৰীক্ষা সেৱা ব্যৱস্থা প্ৰৱৰ্তন কৰা।
  - উচ্চ গুণমান বিশিষ্ট অধ্যয়ন সূচী উৎপন্ন কৰা আৰু বিশ্বজনীন মুক্ত শৈক্ষিক সমলবোৰ ব্যৱহাৰ কৰাৰ সুবিধা গঢ়ি তোলা।
- **জ্ঞান সৃষ্টি ঃ** নতুন জ্ঞান সৃষ্টি আৰু প্ৰচলিত সমলবোৰৰ সুৰক্ষা হ'ল বিশ্বজনীন জ্ঞান অৰ্থনীতিৰ বাবে অত্যন্ত

গুৰুত্বপূৰ্ণ দুটা বিষয় INKC- এ দেশত জ্ঞান সৃষ্টিৰ বাবে তলত দিয়া পৰামৰ্শসমূহ আগবঢ়াইছিল-

(ক) **বৌদ্ধিক সম্পত্তিৰ অধিকাৰ** (IPR)- **ৰ সুৰক্ষা ঃ** জ্ঞান সৃষ্টিৰ প্ৰক্ৰিয়াটো সুচল কৰি তুলিবলৈ তলত দিয়া কামবোৰ কৰিব লাগিব।

- এক বিশ্বমানৰ IPR আন্তঃগাঁথনি নিৰ্মাণ কৰিব লাগিব। ইয়াত পেটেণ্ট কাৰ্যালয় (এদনীয়া স্বত্ব প্ৰদানকাৰী কাৰ্যালয়) টোক আধুনিক ৰূপ দিব লাগিব আৰু পেটেণ্ট প্ৰাপক সামগ্ৰী/সেৱাবোৰ বিশ্বমানৰ হ'ব লাগিব।
- বৌদ্ধিক সম্পত্তিৰ কাৰ্যালয় আৰু শিক্ষানুষ্ঠানবোৰত দিয়া IPR প্ৰশিক্ষণৰ পৰিমাণ বঢ়াব লাগিব। প্ৰয়োজন সাপেক্ষে IPR কোষ গঠন কৰিব লাগিব।
- পৰম্পৰাগত জ্ঞান সুৰক্ষিত কৰিব লাগিব। এনে জ্ঞান সুৰক্ষিত কৰি ৰখাসকলৰ বাবে বিত্তীয় ভাট্টা প্ৰদানৰ ব্যৱস্থা কৰিব লাগিব। নব্য প্ৰযুক্তিৰ ক্ষেত্ৰসমূহত উদ্ভৱ হোৱা প্ৰধান IPR ভিত্তিক সমস্যাবোৰ চিনি উলিয়াবলৈ উপযুক্ত ব্যৱস্থা প্ৰচলনৰ উপায় অন্বেষণ কৰিব লাগিব।

(খ) **ৰাজহুৱাভাৱে পুঁজিৰ যোগান ধৰা গৱেষণাৰ সৈতে জড়িত আইনী সংৰচনা ঃ** বিশ্ববিদ্যালয়সমূহত চলা গৱেষণা প্ৰক্ৰিয়াবোৰ পুনৰুজ্জীৱিত কৰি তুলিবলৈ NKC- এ তলৰ পৰামৰ্শসমূহ আগবঢ়াইছিল।

- এক বিধানৰ প্ৰৱৰ্তন। ইয়াৰ দ্বাৰা বিশ্ববিদ্যালয় আৰু গৱেষণা প্ৰতিষ্ঠানসমূহক গৱেষণাৰ মালিকীস্বত্ব তথা এদনীয়া স্বত্বাধিকাৰ দিয়া হ'ব। চৰকাৰে পুঁজিৰ যোগান ধৰা গৱেষণা তথা এনে গৱেষণাৰ দ্বাৰা কৰা উদ্ভাৱনৰ ক্ষেত্ৰত এই বিধান প্ৰযোজ্য হ'ব।
- অনুজ্ঞাপত্ৰ প্ৰদান/আহৱণ প্ৰক্ৰিয়াৰ মাধ্যমেৰে এনে উদ্ভাৱনৰ ব্যৱসায়িকীকৰণৰ বাবে উপযুক্ত পৰিৱেশ সৃষ্টি কৰা হ'ব।

(গ) **ৰাষ্ট্ৰীয় বিজ্ঞান আৰু সমাজ বিজ্ঞান সংস্থা গঠন ঃ** সকলো জ্ঞানকে এক অখণ্ড সত্ত্বা হিচাপে চাব পৰাকৈ দেশত এটা ৰাষ্ট্ৰীয় বিজ্ঞান আৰু সমাজ বিজ্ঞান সংস্থা (NSSSF) গঠন কৰা উচিত। এই সংস্থাৰ পৰামৰ্শৰ ভিত্তিত এনে কিছুমান নীতি প্ৰস্তুত কৰা হ'ব যিবোৰে প্ৰাকৃতিক, ভৌতিক, কৃষি, স্বাস্থ্য আৰু সমাজ বিজ্ঞানৰ প্ৰয়োগ শিতানত ভাৰতক নেতৃস্থানীয় কৰি ৰাখিব।

(ঘ) **উদ্ভাৱন ঃ** উদ্ভাৱন সন্দৰ্ভত NKC এ আগবঢ়োৱা প্ৰধান পৰামৰ্শসমূহ হ'ল-

- দেশৰ বৃহৎ, মজলীয়া আৰু ক্ষুদ্ৰ উদ্যোগবোৰত উদ্ভাৱনীমূলক কাম-কাজৰ নতুন দুৱাৰ খোল খাইছে। এই দিশত বিভিন্ন ধৰণৰ উদ্যম আৰম্ভ কৰিব লাগে।
- উদ্ভাৱনৰ সমানে সম্পৰীক্ষণ আৰু সমস্যা সমাধানমূলক কাম-কাজত জোৰ দিব লাগে।

(ঙ) **উদ্যমিতা ঃ** জ্ঞান সৃষ্টিৰ চালিকা শক্তি হ'ল উদ্যমিতা এই ক্ষেত্ৰত NKC-এ আগবঢ়োৱা পৰামৰ্শবোৰ হ'ল-

- এনে কাৰকৰ অন্বেষণ কৰা উচিত যিবোৰে উদ্যমিতাৰ পোষকতা কৰে আৰু ইয়াৰ উন্নতৰ বিকাশৰ পথ সুচল কৰি তুলিব পাৰে।
- 'ৰান ষ্টপ শ্বপ' (এনে স্থানতে সকলো লাগতীয়াল বস্তু পোৱা ব্যৱস্থা) ৰ মাজেৰে তথ্য প্ৰবাহিত হোৱাৰ পথ সুচল কৰি তোলা। ৰেব ভিত্তিক পোৰ্টেল সৃষ্টি কৰা আৰু উদ্যমিসকলৰ বাবে তথ্য যোগান ধৰা হাতপুথি প্ৰস্তুত কৰা।

- **জ্ঞানৰ প্ৰয়োগ ঃ** NKC-এ পৰামৰ্শাৱলীৰ এক উল্লেখনীয় কৃতি হ'ল জ্ঞানৰ প্ৰয়োগ সম্পৰ্কীয় পৰামৰ্শসমূহ। আয়োগে কৈছিল-
  - শিক্ষাৰ্থীক পৰম্পৰাগত দৰৱৰ উৎকৃষ্ট জ্ঞান দিয়া উচিত।
  - প্ৰচলিত শৈক্ষিক সংৰচনাটোত প্ৰমাণভিত্তিক শিক্ষা পদ্ধতি অন্তৰ্ভুক্ত কৰা উচিত।
  - উচ্চতৰ বিনিয়োগৰ দ্বাৰা গৱেষণামূলক কাম-কাজবোৰ শক্তিশালী কৰি তোলা উচিত। দেশৰ ভেষজ দৰৱৰ তথ্য লিপিৱদ্ধকৰণৰ নিয়ম তথা এনে দৰৱ প্ৰস্তুতকৰণৰ বিধিসমূহ আন্তৰ্জাতিকভাৱে গ্ৰহণযোগ্য কৰি তোলা উচিত।
- **কৃষি খণ্ড ঃ** কৃষি ভাৰতৰ প্ৰাণস্পন্দন স্বৰূপ। NKC-এ কৃষিখণ্ডৰ বিকাশৰ বাবে আগবঢ়োৱা পৰামৰ্শসমূহ

হ'ল-

- কৃষি গৱেষণা প্ৰতিষ্ঠানসমূহক আধুনিক ৰূপ দিবলৈ গঠনমূলক ব্যৱস্থা লোৱা উচিত। গৱেষণাবোৰৰ মাজত সমন্বয় সাধন কৰাৰ লগতে গৱেষণা সমৰ্থনকাৰী সেৱাবোৰ অধিক নমনীয় কৰি তোলা উচিত।
- কৃষি গৱেষণাকাৰী সংস্থাবোৰৰ মান উন্নত কৰা, অৱহেলিত হৈ ৰোৱা দিশবোৰত অধিক গৱেষণা আৰম্ভ কৰা, গৱেষকক উৎসাহজনক বিত্তীয় ভাট্টা আগবঢ়োৱা আৰু কৃষি বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ সংস্কাৰ সাধন কৰা।

- **জীৱনৰ মান উন্নত কৰা ঃ** জীৱনৰ মান উন্নত কৰিবলৈ NKC-এ আগবঢ়োৱা প্ৰধান পৰামৰ্শবোহ হ'ল-
  - পঞ্চায়ত জ্ঞান কেন্দ্ৰ (PGKs)-স্থাপন কৰা।
  - শ্ৰমৰ মৰ্যাদাৰ দিশটো উন্নত কৰিবলৈ শ্ৰমিকে ব্যৱহাৰ কৰা সঁজুলিৰ আৰ্হি প্ৰস্তুত কৰাৰ সময়ত নতুন দৃষ্টিভংগী আৰু ধাৰণা বিবেচনা কৰি চোৱা, শ্ৰমিকৰ দক্ষতাপূৰ্ণ কৰ্ম সম্পাদন সুনিশ্চিত কৰা উৎপাদনশীলতা বৃদ্ধি কৰা।
- **জ্ঞান সেৱা ঃ** এখন প্ৰকৃত জ্ঞান সমাজ গঢ়িবলৈ একোটা ফলপ্ৰসূ জ্ঞান সেৱা উপলব্ধ কৰোৱাটো অত্যন্ত গুৰুত্বপূৰ্ণ কাম। এই দিশত সহায় কৰিব পৰা এটা উপায় হ'ল ই- গৰ্ভনেন্স (অথবা বৈদ্যুতিক প্ৰশাসন) সেৱাৰ প্ৰচলন।
  - ই-গৰ্ভনেন্স ঃ ই- গৰ্ভনেন্সে চৰকাৰী তথ্য-বাৰ্তা আদি বিতৰণৰ সেৱাবোৰ দ্ৰুত আৰু ফলপ্ৰসূ কৰি তোলা। এই ক্ষেত্ৰত NKC-এ আগবঢ়োৱা পৰামৰ্শসমূহ হ'ল-
    (ক) পুৰণি কাৰ্য প্ৰক্ৰিয়াসমূহক ই গৰ্ভনেন্স সেৱাৰ জৰিয়তে কম্পিউটাৰত উপলব্ধ সেৱাৰ ৰূপ দিয়া আৰু প্ৰচলিত কাৰ্য প্ৰণালীবোৰৰ বিষয়ে পুনঃচিন্তন আৰম্ভ কৰা।
    (খ) প্ৰশাসনৰ মৌলিক আৰ্হিবোৰ সলনি কৰি ইয়াক সৰল, স্বচ্ছ, উৎপাদনশীল তথা ফলপ্ৰসূ কৰি তুলিবলৈ চৰকাৰী প্ৰক্ৰিয়াসমূহৰ পুনৰ্বিন্যাসত মনোনিৱেশ কৰা।

গঠন কৰাৰ সময়ৰে পৰা ৰাষ্ট্ৰীয় জ্ঞান আয়োগে বিভিন্ন গঠন কৰাৰ সময়ৰে পৰা ৰাষ্ট্ৰীয় জ্ঞান আয়োগে বিভিন্ন ধৰণৰ বিতৰ্কৰ মাজত সোমাবলগীয়া হৈছে। তথাপিও আজি পৰ্যন্ত জ্ঞান আয়োগৰ অধিকাংশ পৰামৰ্শৰে প্ৰাসংগিকতা অক্ষুণ্ণ হৈ আছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ঃ জ্ঞানৰ সুচলতা বুলিলে কি বুজে?

.....

প্ৰশ্ন নং ৫ঃ উচ্চ শিক্ষা সন্দৰ্ভত ৰাষ্ট্ৰীয় জ্ঞান আয়োগে আগবঢ়োৱা পৰামৰ্শাৱলী উল্লেখ কৰক।

.....

১২.৪ য়শপাল সমিতিৰ প্ৰতিবেদন

২০০৮ চনৰ ফেব্ৰুৱাৰী মাহত ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰ্যালয়ে এখন জাননীৰ জৰিয়তে বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC) ৰ প্ৰাক্তন অধ্যক্ষ অধ্যাপক য়শপালৰ নেতৃত্বত এখন সমিতি গঠন কৰিছিল। ২০০৯ চনৰ জুলাই মাহত সমিতিয়ে চৰকাৰৰ হাতত ইয়াৰ প্ৰতিবেদন দাখিল কৰিছিল। সমিতিখনৰ নাম ৰখা হৈছিল। ভাৰতত উচ্চত শিক্ষা ব্যৱস্থাটোৰ পুনগঠন আৰু পুনৰুজ্জীৱিতকৰণৰ পৰামৰ্শদান সমিতি।' অধ্যক্ষকে ধৰি সমিতিখনত মুঠ ২২ গৰাকী সদস্য আছিল আৰু অধ্যক্ষ য়শপালৰ নামেৰে 'য়শপাল সমিতি' বুলি জনাজাত হৈছিল।

সমিতিৰ হাতত অৰ্পণ কৰা দায়িত্ব আৰু ক্ষমতাসমূহ আছিল এনেধৰণৰ-

- UGC/AICTE-ৰ দৰে অনুষ্ঠানসমূহৰ কার্য সম্পাদন প্রক্রিয়াৰ পুনৰীক্ষণ কৰা, UGC/AICTE-ৰ ভূমিকাৰ সমালোচনাত্মক মূল্যাংকন কৰা, দেশৰ উচ্চতৰ শিক্ষা/কাৰিকৰী শিক্ষা/বিশ্ববিদ্যালয় শিক্ষা ব্যৱস্থাত উদ্ভৱ হোৱা সুচলতা-সমতা-প্রাসংগিকতা-উৎকর্ষতাৰ চাহিদা পূৰণ কৰিব পৰাকৈ UGC/AICTE-এ আনুষ্ঠানিক নেতৃত্ব প্রদান কৰাৰ বাবে নিজকে প্রস্তুত কৰি ৰাখিছেনে নাই সেয়া পৰীক্ষা কৰা।
- বিশ্ববিদ্যালয় অনুদান আয়োগ আইন (UGC Act), ১৯৫৬ আৰু সর্বভাৰতীয় কাৰিকৰী শিক্ষা পৰিষদ আইন (AICTE Act), ১৯৮৭ ৰ নীতি-বিধিসমূহ পুনৰীক্ষণ কৰা। পূর্বে গঠন কৰা বিভিন্ন সমিতি, যেনে- অধ্যাপক অমৃত সিং সমিতিয়ে আগবঢ়োৱা আইন সংশোধনী বিষয়ক পৰামর্শসমূহ বিবেচনা কৰি তাৰ আধাৰত প্রাসংগিক দিহা-পৰামর্শ আগবঢ়োৱা।
- উচ্চতৰ শিক্ষাৰ মান ধৰি ৰখাৰ UGC ৰ সমন্বয়ৰক্ষীৰ ভূমিকা পুনৰীক্ষণ কৰা। UGC-এ অন্য বিধিসন্মত অভিকৰণ, যেনে- AICTE, MC, DCI, NCI, NCTE, DEC আদিৰ সৈতে প্রকার্যাত্মক ভূমিকা পালন কৰে।
- UGC-ৰ স্ব-নিয়ন্ত্রণ প্রয়োজনীয়তাৰ মূল্যায়ন কৰা। কেন্দ্রীয় চৰকাৰৰ পৰা ই স্ব-নিয়ন্ত্রণৰ সুবিধা পোৱা উচিত আৰু UGC ৰ পৰা বিশ্ববিদ্যালয় শিক্ষা ব্যৱস্থাই কিমান স্ব-নিয়ন্ত্রণৰ সুবিধা পাব সেয়া বিবেচনা কৰি চোৱাৰ দায়িত্ব য়শপাল সমিতিক দিয়া হৈছিল।
- ৰাজ্যিক বিশ্ববিদ্যালয়সমূহত উচ্চতৰ শিক্ষা/কাৰিকৰী শিক্ষাৰ উন্নতৰ মান নির্দ্ধাৰণ তথা বলবৎ কৰাত UGC/AICTE ৰ ভূমিকা নিৰূপণ কৰা, উদ্‌গনিমূলক আর্থিক অনুদান দিব পৰা অথবা এনে অনুদান দিয়া বন্ধ কৰাৰ ব্যৱস্থা প্রচলিত কৰিব পৰা সম্ভাৱনীয়তা বিচাৰি উলিওৱা যাতে উচ্চতৰ শিক্ষা / কাৰিকৰী শিক্ষাৰ ৰাষ্ট্ৰীয় মানত কোনো আপোচ কৰা নহয় অথবা এই মান নিম্নগামী নহয়।
- UGC ৰ পৰা বিশ্ববিদ্যালয়সমূহলৈ যোৱা সমল প্রবাহৰ সময় অনুকূল ব্যৱহাৰ সুনিশ্চিত কৰিবলৈ আৰু সঁহাৰি/প্রত্যুত্তৰ লাভৰ একোটা ফলপ্রসূ আৰু প্রভাৱশালী ব্যৱস্থা গঢ়িবলৈ উপযুক্ত দিহা-পৰামর্শ আগবঢ়োৱা।
- কোনো উচ্চতৰ শিক্ষানুষ্ঠানক 'ডীমড্ বিশ্ববিদ্যালয়' বুলি ঘোষণা কৰাত UGC এ ল'বলগীয়া ভূমিকা নির্দ্ধাৰণ কৰা আৰু এই প্রক্রিয়াক সুচাৰুৰূপে আগবঢ়াই নিবলৈ UGC এ গ্রহণ কৰিবলগীয়া ব্যৱস্থাবোৰৰ বিষয়ে পৰামর্শ আগবঢ়োৱা।
- UGC আইন, ১৯৫৬ ৰ ধাৰা ১২ B-ৰ অধীনত অনুদান পোৱাৰ যোগ্যতা লাভৰ নীতি-নিয়মবোৰ সলনি কৰাৰ প্রয়োজনীয়তা বিষয়ক দিহা-পৰামর্শ আগবঢ়োৱা।
- ওপৰত আলোচনা কৰা দায়িত্ব আৰু ক্ষমতাৰ সৈতে সংগতি থকা যিকোনো সমস্যা সমাধান কৰাৰ লগতে চৰকাৰ অথবা সমিতিয়ে নিজ ইচ্ছা অনুসৰি UGC/AICTE-ৰ যিকোনো কার্য সম্পাদন প্রক্রিয়া বিবেচনা/পৰীক্ষা কৰি চাব পাৰে।

১২.৪.১ এখন বিশ্ববিদ্যালয়ৰ ধাৰণা

বিশ্ববিদ্যালয়ক সাধাৰণতে নতুন চিন্তা-ধাৰণাৰ উন্মেষ ঘটাৰ স্থান বুলি ধৰ হয়। বিশ্ববিদ্যালয়ৰ সাৰুৱা পৰিৱেশত এনে চিন্তা-ধাৰণাই পুলি-পোখা মেলি ঠন ধৰি উঠে। বিশ্ববিদ্যালয়সমূহ অনন্য স্থানৰ নিদর্শন। ই জ্ঞানৰ বিশাল জগত এখন নিজৰ মাজত ধৰি ৰাখে। ইয়াতেই সৃজনাত্মক মনবোৰে নিজৰ সৃজনী শক্তি বিয়পাই দিয়ে, পৰস্পৰৰ সৈতে ভাবৰ আদান-প্রদান কৰে আৰু নতুন বাস্তৱৰ মানস ছবি নির্মাণ কৰ। জ্ঞানৰ অন্বেষণ কৰাৰ সময়ত সত্যৰ প্রতিষ্ঠিত ধাৰণাবোৰৰ প্রতি প্রত্যাহ্বানৰ সৃষ্টি কৰা হয়। ইয়াকে কৰবলৈ যাওঁতে বিশ্ববিদ্যালয়সমূহক যথেষ্ট পৰিমাণৰ স্ব-নিয়ন্ত্রণ যাওঁতে বিশ্ববিদ্যালয়সমূহক যথেষ্ট পৰিমাণৰ স্ব-নিয়ন্ত্রণ ক্ষেত্রৰ প্রয়োজন হয়। নতুন চিন্তা-ধাৰণাৰ আৰ্হি আৰু সংগঠনৰ প্রকৃতি বিচিত্র। এনে চিন্তা-ধাৰণাই শিক্ষার্থীৰ অতুলনীয় ঐতিহাসিক আৰ সমাজ-সাংস্কৃতিক পৃষ্ঠভূমিৰ কথা প্রতিফলিত কৰে। বিশ্ববিদ্যালয়ক পৃথিৱীৰ মানৱিক পৰম্পৰাৰ ন্যাসৰক্ষী বুলিও

বিবেচনা কৰা হয়। বিশ্বজনীন জ্ঞান নিজৰ মাজত ধৰি ৰাখিবলৈ বিশ্ববিদ্যালয়ে অবিৰতভাৱে চলাই যোৱা প্ৰয়াসবোৰৰ দ্বাৰা এই অভিযানে বাস্তৱ ৰূপ লয়। জ্ঞান আহৰণৰ প্ৰক্ৰিয়াত বিশ্ববিদ্যালয়ে ভৌগোলিক, সাংস্কৃতিক আৰু ৰাজনৈতিক চাৰিসীমা অতিক্ৰম কৰি আগবাঢ়ি যায়।

১২.৪.২ উচ্চ শিক্ষা খণ্ডৰ প্ৰত্যাহ্বানসমূহ

ভাৰতৰ উচ্চতৰ শিক্ষা ব্যৱস্থাটোৰ সংস্কাৰ সাধন আৰু পুনৰুজ্জীৱিতকৰণৰ কাম হাত দিয়া অথবা এই বিষয়ত কোনো দিহা-পৰামৰ্শ আগবঢ়োৱাৰ আগতে ব্যৱস্থাটোৰ সৈতে জড়িত বিভিন্ন সমস্যাৰ কথা বুজি পাব লাগিব। এই ক্ষেত্ৰখনত থকা প্ৰধান সমস্যা নাইবা প্ৰত্যাহ্বান কেইটামান হ'ল-

- **দূৰত্ব আৰু সংযোগ বিচ্ছিন্নতা ঃ**
  - দেশৰ প্ৰাক্-স্নাতক আৰু স্নাতক পৰ্যায়ৰ শৈক্ষিক কাৰ্যসূচীবোৰ অত্যন্ত 'তাত্ত্বিক' প্ৰকৃতিৰ। ইয়াৰ অৰ্থ হ'ল এই কাৰ্যসূচীবোৰত কোনো ধৰণৰ 'ব্যৱহাৰিক অভিজ্ঞতা' লাভৰ সুযোগ নাই।
  - গৱেষণা অভিকৰণ আৰু বিশ্ববিদ্যালয়সমূহৰ মাজত বিস্তৰ প্ৰভেদ আছে। শিক্ষণ আৰু গৱেষণা দুটা পৃথক কাৰ্য বুলি বিবেচনা কৰা হয়।
  - ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (IIT) আৰু ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান (IIM) বোৰক অন্য উচ্চ শিক্ষানুষ্ঠানৰ পৰা বিচ্ছিন্ন কৰি ৰখা হয়।
  - উচ্চ শিক্ষানুষ্ঠানসমূহে একোটা শান্তিপূৰ্ণ পৰিৱেশত বিৰোধী সামাজিক শক্তি আৰু আদৰ্শবোৰৰ মাজত আলাপ-আলোচনা চলাৰ একোখন মঞ্চ গঢ়ি দিবলৈ সক্ষম হৈছে। কিন্তু ভাৰতৰ বিভিন্ন প্ৰান্তত এই মঞ্চত অবাঞ্ছিত শক্তিৰ অনধিকাৰ প্ৰৱেশ ঘটাৰ ইংগিত পোৱা গৈছে।
- **সংৰচনা, সম্প্ৰসাৰণ আৰু সুচলতা ঃ**
  - বৰ্তমান দেশত প্ৰচলিত পাঠ্যক্ৰম আৰু পাঠ্যবিষয়ৰ আৰ্হিবোৰক প্ৰতিষ্ঠিত পৰীক্ষাভিত্তিক ব্যৱস্থাৰ প্ৰতিফলন বুলি ক'ব পাৰি। শিক্ষাৰ্থীয়ে বছৰৰ শেষত একোখন প্ৰশ্নকাকতত থকা প্ৰশ্নৰ উত্তৰ লিখিব লাগে। কিছুমান বিশ্ববিদ্যালয়ে পৰীক্ষা পতাৰ যান্মাসিক ব্যৱস্থা গ্ৰহণ কৰিছে। এই প্ৰাচীন পৰীক্ষা ব্যৱস্থা শিক্ষাৰ্থীৰ সামৰ্থক প্ৰমাণ-পত্ৰৰে জোখাৰ উপায় হিচাপে কাম কৰে। পৰিতাপৰ কথা এয়ে যে এই ব্যৱস্থাৰে বিশুদ্ধ তাত্ত্বিক জ্ঞানৰ অন্বেষণ নাইবা বাস্তৱ জগতৰ ব্যৱহাৰিক পৰিস্থিতিত সফলতা লাভ কৰিব পৰাকৈ শিক্ষাৰ্থীক যি ধৰণৰ দক্ষতাৰ প্ৰয়োজন সেই দক্ষতাবোৰ পৰীক্ষা কৰি চাব নোৱাৰি।
  - বৰ্তমান আমাৰ দেশত উচ্চ শিক্ষাৰ বাবে উপলব্ধ অধিকাংশ বিষয়েই হ'ল একক বিষয়কেন্দ্ৰিক অথবা এক সংকীৰ্ণ পৰিধিৰ ভিতৰত আৱদ্ধ প্ৰকৃতিৰ।
  - বিশ্ববিদ্যালয়সমূহক বিদ্যালয় স্তৰৰ শিক্ষকৰ শিক্ষা আগবঢ়াই নিয়াৰ দায়িত্ব দিয়া হৈছে। কিন্তু বিশ্ববিদ্যালয়সমূহে এতিয়ালৈকে নিজকে উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ শিক্ষককহে শিক্ষা দি আছে। বি. এড. ডিগ্ৰী কাৰ্যসূচীৰ অধীনত শিক্ষকসকলক শিক্ষা সেৱা আৰম্ভ কৰাৰ আগতেই প্ৰশিক্ষণ দিয়া হয়। প্ৰাথমিক অথবা প্ৰাক্ প্ৰাথমিক স্তৰৰ শিক্ষকসকলক শিক্ষাদান কৰিব পৰাকৈ প্ৰস্তুত কৰি লোৱাত বিশ্ববিদ্যালয়ে এতিয়ালৈকে কোনো প্ৰকাৰে নিজকে জড়িত কৰা নাই।
  - বিশ্ববিদ্যালয় আৰু বৃত্তিজীৱি শিক্ষাদানকাৰী অনুষ্ঠানসমূহক পৰস্পৰৰ পৰা পৃথক কৰাৰ ফলত শিক্ষা ব্যৱস্থা গুৰুতৰ ধৰণে ক্ষতিগ্ৰস্ত হৈছে। বিশেষকৈ মহাবিদ্যালয় অথবা বৃত্তিজীৱি শিক্ষানুষ্ঠানত অভিযান্ত্ৰিক আৰু চিকিৎসা বিদ্যা শিকাৰ সুবিধাও কমি গৈছে। যিসকলে সুবিধা পায় তেওঁলোকেও ইয়াৰ বাবদ অভাৱনীয় ধৰণৰ সামাজিক আৰু সাংস্কৃতিক ব্যয়ৰ সন্মুখীন হ'বলগীয়া হয়।
  - ভাৰতত বেছিভাগ সময়তে প্ৰাক্-স্নাতক পৰ্যায়ৰ শিক্ষাবৰ্ষবোৰ কোনো বিশ্ববিদ্যালয় স্বীকৃতিপ্ৰাপ্ত মহাবিদ্যালয়তে পাৰ কৰিবলগীয়া হয়। ই মুলসঁতিৰ বিশ্ববিদ্যালয় জীৱনৰ অংশ নহয়। এই ব্যৱস্থাটোৰ

বাবেই দেশৰ প্ৰাক্-স্নাতক (UG) স্তৰ দুটাৰ মাজত বৃহৎ পাৰ্থক্য দেখা যায়। প্ৰাক্-স্নাতক পৰ্যায়ৰ শিক্ষাক 'নিম্ন স্তৰ'ৰ বুলি গণ্য কৰি ভাৰতীয় বিশ্ববিদ্যালয় শিক্ষা ব্যৱস্থাই নিজেই নিজৰ বৌদ্ধিক অপুষ্টিৰ এক উৎস হৈ পৰিছে।

- যিকোনো শিক্ষানুষ্ঠানৰ ভাৰসাযোগ্যতাৰ দিশটো সবল কৰি তুলিবলৈ কিছুমান সুনিৰ্দিষ্ট পাৰদৰ্শিতাৰ মাপকাঠি অথবা শিতান স্থিৰ কৰি লোৱাতো হ'ল এটা সাধাৰণ উপায়।

- **প্ৰশাসন আৰু স্বায়ত্ব-শাসন ঃ**
  - ভাৰতীয় বিশ্ববিদ্যালয় ব্যৱস্থাৰ বৰ্তমান সংৰচনাটোত বৃহৎ সংখ্যক স্বীকৃতিপ্ৰাপ্ত মহাবিদ্যালয় সাঙোৰ খাই আছে। এই মহাবিদ্যালয়সমূহ একো একোখন কেন্দ্ৰীয় অথবা ৰাজ্যিক পৰ্যায়ৰ বিশ্ববিদ্যালয়ৰ দ্বাৰা স্বীকৃতিপ্ৰপ্ত। মহাবিদ্যায়সমূহতে গৰিষ্ঠ সংখ্যক নামভৰ্তি কৰা হয়। এই সংৰচনাটো বহুতো বিশ্ববিদ্যালয়ৰ বাবে বোজাস্বৰূপ হৈ পৰিছে। শৈক্ষিক বিষয়সূচী, পৰীক্ষা আৰু মহাবিদ্যালয়সমূহৰ গুণগত উৎকৰ্ষ ধৰি ৰখা আদি কামৰ ব্যৱস্থাপনা কৰাটো বিশ্ববিদ্যালয়সমূহৰ বাবে অসুবিধাজনক হৈ পৰিছে।
  - এখন কাৰিকৰী শিক্ষানুষ্ঠান প্ৰতিষ্ঠা তথা পৰিচালনা কৰিবলৈ ব্যক্তিগত বিনিয়োগকাৰীক কি কি যোগ্যতা অৰ্হতাৰ প্ৰয়োজন সেয়া জোখৰ কোনো সুনিৰ্দিষ্ট নীতি অথবা দিক্-নিৰ্দেশনা নাই। ইয়াত প্ৰযোজ্য হোৱা একমাত্ৰ চৰ্তটো হ'ল এয়ে যে শিক্ষানুষ্ঠানখন এখন অনা-লাভ উপাৰ্জনকাৰী অনুষ্ঠান অথবা দাতব্য ন্যাস অথবা দাতব্য সমাজ হিচাপে পঞ্জীয়নভুক্ত হ'ব লাগিব।
  - নতুনকৈ খোলা শিক্ষানুষ্ঠান আৰু ডীমড্ বিশ্ববিদ্যালয়ৰ সংখ্যা দ্ৰুত গতিত বৃদ্ধি হোৱাটোৱেও সমস্যাৰ আগজাননী কঢ়িয়াইছে বুলি ক'ব পাৰি।
  - বহুতো ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানে বিহিত নীতি-নিয়ম উলংঘা কৰি অভাৱনীয় উচ্চহাৰত মাচুল আদায় কৰে। কোনো ৰচিদ বহী অথবা অভিলেখত প্ৰমাণ নৰখাকৈ বিভিন্ন ধৰণৰ শিতানত এই মাচুল আদায় কৰা হয়। কিন্তু এনে শিক্ষানুষ্ঠানবোৰে পাৰদৰ্শিতাসম্পন্ন শিক্ষকৰ ন্যূনতম প্ৰয়োজনীয় সংখ্যাটো বৰ্তাই ৰখাতো অসমৰ্থতাৰ পৰিচয় দিয়ে।
  - সমল ব্যৱস্থাপনা আৰু বিত্ত যোগানৰ দিশত বিশ্ববিদ্যালয়সমূহে ভিন ভিন ধৰণৰ সমস্যাৰ সৈতে যুঁজিবলগীয়া হয়।
  - বিশ্ববিদ্যালয়সমূহ হ'ল ভাৰতীয় সমাজত থকা সবাতোকৈ দুৰ্বল ধৰণে পৰিচালিত সংস্থা/অনুষ্ঠানবোৰৰ এটা। ইয়াৰ প্ৰশাসন ব্যৱস্থা প্ৰাচীন। পৰিৱৰ্তিত সময়ত বিভিন্ন হিতধাৰকৰ প্ৰত্যাশা পূৰণ কৰিব পৰাকৈ এতিয়াও বিশ্ববিদ্যালয়সমূহৰ প্ৰশাসনীয় ব্যৱস্থাৰ বিশেষ সলনি হোৱা নাই।
  - বিভিন্ন ৰাজনৈতিক আৰু ব্যৱসায়িক ন্যস্ত স্বাৰ্থ জড়িত পক্ষই বিশ্ববিদ্যালয়ৰ কাম-কাজত হস্তক্ষেপ কৰে। এই হস্তক্ষেপ বিভিন্ন ৰূপত বিশ্ববিদ্যালয় পৰিচালনাত তথা অগ্ৰাধিকাৰত বাধাৰ সৃষ্টি কৰে। উচ্চতৰ শিক্ষাৰ সকলো স্তৰতে এই হস্তক্ষেপ দৃষ্টিগোচৰ হয়। অনুপযুক্ত পদ্ধতিৰে নামভৰ্তি, শিক্ষক বাছনি প্ৰক্ৰিয়াত বাহিৰৰ পৰা দিয়া হেঁচা, উপাচাৰ্য-পঞ্জীয়ক ডীন আদিৰ দৰে শীৰ্ষ পদত নিযুক্তি দিয়াৰ ক্ষেত্ৰত বাহ্যিক প্ৰভাৱ, সা-সঁজুলি ক্ৰয় প্ৰক্ৰিয়া আৰু নিৰ্মাণ কাৰ্যৰ ঠিকা আবণ্টন আদি ক্ষেত্ৰত এনে হস্তক্ষেপ সাধাৰণ হৈ পৰিছে।

- **নিয়ন্ত্ৰক ব্যৱস্থাসমূহৰ বিবিধতা ঃ**
  - বিশ্ববিদ্যালয় স্থাপন কৰাৰ দায়িত্ব, বিশ্ববিদ্যালয় পাৰদৰ্শিতাত চকু ৰখাৰ দায়িত্ব আদি কামবোৰ বিভিন্ন বিধিসন্মত নিয়ন্ত্ৰক কৰ্তৃত্বৰ হাতত অৰ্পণ কৰা হৈছে। ইয়াৰ উপৰি চৰকাৰ আৰু বিশ্ববিদ্যালয়সমূহৰ হাততো কিবাকিবি ব্যৱস্থা থাকে। পৰিণামস্বৰূপে বিশ্ববিদ্যালয় নিয়ন্ত্ৰণ কৰিবলৈ একাধিক ভিন্নধৰ্মী কৰ্তৃপক্ষৰ সৃষ্টি হৈছে। ইয়াৰ প্ৰতিটোৱে পৰিদৰ্শন আৰু নিয়ন্ত্ৰণ পদ্ধতি বেলেগ বেলেগ হোৱা বাবে বিশ্ববিদ্যালয় পৰিচালনাত কেতিয়াবা অসুবিধাৰ সৃষ্টি হ'ব পাৰে।

১২.৪.৩ বিশ্ববিদ্যালয়ৰ ধাৰণা উন্নতকৰণ

য়শপাল সমিতিয় বিশ্ববিদ্যালয়ৰ ধাৰণাটো উন্নত কৰিবলৈ তলৰ কথাবোৰত মনোনিৱেশ কৰাৰ পৰামৰ্শ দিছিল।

- তত্ত্ব আৰু অনুশীলনৰ মাজৰ ব্যৱধান কম কৰা।
- উচ্চ শিক্ষানুষ্ঠানসমূহে নিজে দৈনন্দিন জীৱনৰ সমস্যাসমূহৰ সৈতে সংগতি থকা শৈক্ষিক কার্যসূচী বিকশিত কৰাৰ প্ৰয়াস কৰা উচিত।
- পঠ্যক্ৰম আৰু পাঠ্যবিষয় প্ৰস্তুত কৰোঁতে দেখা দিয়া সমস্যাবোৰ সমাধান কৰা।
- শিক্ষার্থীৰ কর্ম অভিজ্ঞতাক শিকনৰ এটা অবিচ্ছেদ্য দিশ ৰূপে অন্তর্ভুক্ত কৰা উচিত।
- বহুবিভাগীয় শিকনত গুৰুত্ব দিয়া উচিত।
- বিশ্ববিদ্যালয় শিক্ষাত বৃত্তিজীৱি শিক্ষাৰ পুনসংস্থাপন ঘটোৱা উচিত।
- বিদ্যালয় শিক্ষাৰ সকলো স্তৰৰে শিক্ষকৰ শিক্ষাক উচ্চতৰ শিক্ষা খণ্ডই স্বীকৃতি দি শিক্ষক গঢ়াৰ কামত অৱদান আগবঢ়াব লাগে।
- বিশ্ববিদ্যালয়ৰ স্ব-নিয়ন্ত্রণ বিষয়ক সমস্যাবোৰ সমাধানৰ চেষ্টা কৰিব লাগে।

য়শপাল সমিতিয়ে আগবঢ়োৱা আন দুটামান গুৰুত্বপূর্ণ পৰামর্শ হ'ল—

- দেশত উচ্চতৰ শিক্ষাৰ সকলো দিশ সামৰি লোৱা এক সাংবিধানিক অভিকৰণ গঠন কৰা উচিত। ইয়াৰ নাম হ'ব ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা আৰু গৱেষণা আয়োগ (NCHER)। এই আয়োগে UGC, AICTE, NCTE আৰু DEC ৰ দৰে সকলো চলিত নিয়ন্ত্রক অভিকৰণৰ স্থান ল'ব। আয়োগৰ কাম-কাজ সুচাৰু ৰূপে আগবঢ়াই নিবলৈ সংবিধান সংশোধন প্রক্রিয়াৰ জৰিয়তে উপযুক্ত আইন গৃহিত কৰা হ'ব।
- বিশ্ববিদ্যালয়সমূহ সকলোবোৰ বৃত্তিজীৱি শিক্ষাৰ পাঠ্যক্ৰমকে ধৰি আন সকলো পাঠ্যক্ৰম আৰু শৈক্ষিক কার্যসূচীৰ শৈক্ষিক বিষয়সূচী প্রস্তুত তথা প্রচলনৰ বাবে দায়ৱদ্ধ হৈ ৰ'ব। AICTE, NCTE, MCI, BCI, COA, INC, আৰু PCI- ৰ বৃত্তিজীৱি শিক্ষানুষ্ঠানসমূহে এই ক্ষেত্রত থকা সমস্ত দায়িত্ব বিশ্ববিদ্যালয়সমূহক অর্পণ কৰিব।
- নৱগঠিত NCHER- ৰ প্রধান অগ্রাধিকাৰ ভিত্তিক কাম হ'ব পাঠ্যক্ৰমৰ পুনগঠন। গতিশীলতাৰ নীতিৰ ভিত্তিত নতুন পাঠ্যক্ৰমৰ ৰূপৰেখা তৈয়াৰ কৰা হ'ব। পাঠ্যবিষয়ৰ এলানি বিস্তৃত শৃংখলাৰ সৈতে শৈক্ষিক গভীৰতা থকা দক্ষতাকো শিক্ষাৰ সৈতে সংহত কৰা হ'ব।
- একো একোটা সমৃদ্ধ প্রাক্-স্নাতক শৈক্ষিক কার্যসূচী চলাই থকাটো সকলো বিশ্ববিদ্যালয়ৰ বাবে বাধ্যতামূলক কাম হ'ব। প্রাক্-স্নাতক পর্যায়ৰ শিক্ষার্থীসকলেও শ্রেষ্ঠ শিক্ষকৰ পৰা শিকাব সুযোগ পাব। বিশ্ববিদ্যালয়ত শিক্ষক নিযুক্তি দিয়াৰ সময়ত এনে শিক্ষকৰ বাবে ধার্য কৰা বিশেষ মহাবিদ্যালয়ৰ নাম উল্লেখ কৰিব লাগিব। তেওঁলোকে এই মহাবিদ্যালয়বোৰলৈ গৈ প্রাক্-স্নাতক শ্রেণীৰ শিক্ষার্থীক পাঠদান কৰিব লাগিব।
- প্রাক্-স্নাতক স্তৰৰ শৈক্ষিক কার্যসূচীবোৰ পুনসংগঠিত কৰিব লাগিব। এই স্তৰৰ শিক্ষার্থীয়ে স্নাতক স্তৰলৈ গতি কৰাৰ সময়ত প্রয়োজন হ'ব পৰা সকলো পাঠ্যক্ৰমকেন্দ্রিক বিষয় জনাৰ সুযোগ পাব লাগিব।
- বিশ্ববিদ্যালয়সমূহে দেশৰ বৃত্তিমুখী শিক্ষা খণ্ডটো নিজৰ নিয়ন্ত্রণত ৰাখিব লাগিব। পলিটেকনিক সংস্থা, ঔদ্যোগিক প্রশিক্ষণ প্রতিষ্ঠান আদিত উপলব্ধ পাঠ্যক্ৰমবোৰ বিশ্ববিদ্যালয়ৰ দ্বাৰা স্বীকৃতিপ্রাপ্ত হ'ব লাগিব। বৃত্তিমুখী শিক্ষা গ্রহণ কৰা শিক্ষার্থীৰ বিশ্ববিদ্যালয় শিক্ষা গ্রহণ কৰাত থকা বাধাবোৰৰ পৰিমাণ কমাব লাগিব। এনে শিক্ষার্থীক জীৱিকা অর্জন কৰি থকাৰ যিকোনো স্তৰত নিজৰ জ্ঞানৰ শেহতীয়াকৰণ ঘটোৱাত সহায় কৰিব লাগিব।
- NCHER- এ বিশ্ববিদ্যালয় শিক্ষা ব্যৱস্থাত এটা ৰাষ্ট্ৰীয় গৱেষণা সংস্থা গঢ়ি তুলি গৱেষণামূলক কাম-কাজবোৰ পূর্বতকৈ অধিক গতিশীল কৰি তুলিব লাগিব।
- নতুন প্রশাসনীয় সংৰচনাটোৱে বিশ্ববিদ্যালয়সমূহক নিজ নিজ স্ব-নিয়ন্ত্রণ ক্ষমতা সংৰক্ষিত কৰি ৰাখিব পৰা

কৰি তুলিব লাগিব। এই স্ব-নিয়ন্ত্ৰণৰ প্ৰকৃতি স্বচ্ছ আৰু ভাৰসাযোগ্য হ'ব লাগিব।

- NCHER- এ সম্পূৰ্ণৰূপে বিবেচনা কৰি নোচোৱা পৰ্যন্ত ডীমড্ বিশ্ববিদ্যালয়সমূহে লাভ কৰা স্বীকৃতিসূচক স্থিতিৰ অনুশীলন বন্ধ ৰখা হ'ব। সক্ৰিয় হৈ থকা ডীমড্ বিশ্ববিদ্যালয়সমূহে নতুন স্বীকৃতি লাভৰ নীতি-নিয়ম অনুসৰি প্ৰয়োজনীয় তথ্য দাখিল কৰিব লাগিব। য়শপাল সমিতিৰ প্ৰতিবেদনত প্ৰস্তাৱ কৰা আৰ্হিৰ ভিত্তিত স্বীকৃতি লাভৰ নীতি-নিয়মসমূহ প্ৰস্তুত কৰা হ'ব। নিয়ম প্ৰযোজ্য হোৱাৰ তিনি বছৰৰ ভিতৰত নতুনকৈ স্বীকৃতি লাভ নকৰা বিশ্ববিদ্যালয়সমূহৰ স্থিতি প্ৰত্যাহাৰ কৰা হ'ব। অৱশ্যে, কিছুমান একক আৰু অনন্য শৈক্ষিক উদ্যমৰ ক্ষেত্ৰত এনে স্বীকৃতি বাতিল কৰা নহয়। কিন্তু এই উধ্যমসমূহে একোটা নিৰ্দিষ্ট সময়ৰ ভিতৰত উচ্চতৰ শিক্ষাৰ ক্ষেত্ৰখনক নিজৰ উদ্ভাৱনীমূলক অৱদানেৰে সমৃদ্ধ কৰিব লাগিব। এই ক্ষেত্ৰত স্বীকৃতিৰ লগতে এনে উদ্যমলৈ উপযুক্ত সহায়-সমৰ্থন আগবঢ়োৱা হ'ব।
- আধুনিনক উচ্চতৰ শিক্ষা ব্যৱস্থাত সম্প্ৰসাৰণ সুবিধা, অত্যাধুনিক আহিলা-সঁজুলি, অতি বিশেষীকৃত জ্ঞান আৰু পাৰদৰ্শী শিক্ষক যুক্ত কৰাটো আৱশ্যক। তেতিয়াহে দেশৰ প্ৰতিখন বিশ্ববিদ্যালয়ে এই আটাইবোৰ আন্তঃগাঁথনিৰ সদ্ব্যৱহাৰ কৰিব পাৰিব। এই উদ্দেশ্যক বাস্তৱ ৰূপ দিবলৈ NCHER- ক কেইবাটাও আন্তঃবিশ্ববিদ্যালয় কেন্দ্ৰ (IUCS)- স্থাপনৰ দায়িত্ব দিয়া হৈছিল। বিভিন্ন বিষয়ক আধাৰ কৰি লৈ স্থাপন কৰা এনে কেন্দ্ৰবোৰে ওপৰত উল্লেখ কৰা সম্ভাৱনীয়তাবোৰক বাস্তৱ কৰাৰ পৰিকল্পনা কাৰ্যৰূপায়িত কৰাৰ লগতে অন্য উচ্চতৰ শিক্ষাৰ অনুষ্ঠান-প্ৰতিষ্ঠানসমূহক এই সুযোগ গ্ৰহণৰ বাবে আকৰ্ষিত কৰাৰ চেষ্টা চলাইছিল।
- উৎকৰ্ষতাৰ প্ৰতীকস্বৰূপ IIT আৰু IIM ৰ দৰে শিক্ষানুষ্ঠানসমূহক নিজ নিজ পৰিসৰ সম্প্ৰসাৰিত কৰি পূৰ্ণাংগ বিশ্ববিদ্যালয়ৰ দৰে কাম কৰিবলৈ উৎসাহিত কৰা হৈছিল। এনে অনুষ্ঠানসমূহক নিজ নিজ বৈশিষ্ট্য অক্ষুণ্ণ ৰাখি গতি নিৰ্ণায়ক তথা আদৰ্শ প্ৰশাসনীয় ব্যৱস্থাৰ ভূমিকা লৈ বিশ্ববিদ্যালয়বোৰক অনুপ্ৰাণিত কৰিবলৈ কোৱা হৈছিল।
- NCHER- এ দেশৰ ১৫০০ খন উৎকৃষ্ট মহাবিদ্যালয় বাছনি কৰাৰ দায়িত্ব দিয়া হৈছিল। এই মহাবিদ্যালয় কেইখনক বিশ্ববিদ্যালয়লৈ উন্নীত কৰাৰ উদ্দেশ্য আগত ৰখা হৈছিল। বিশ্ববিদ্যালয়লৈ উন্নীত কৰিব পৰাৰ সম্ভাৱনা থকা আন ভাল মহাবিদ্যালয়সমূহৰ একো একোটা থূপ (Cluster) গঠন কৰা হৈছিল।
- বিশ্ববিদ্যালয়সমূহক বাস্তৱ জগতৰ সৈতে পোনপটীয়া সম্পৰ্ক স্থাপন কৰাৰ পৰামৰ্শ দিয়া হৈছিল। কোৱা হৈছিল যে দেশৰ গ্ৰাম্য-নগৰীয় অৰ্থনীতি তথা সংস্কৃতিয়ে মুখামুখি হোৱা প্ৰত্যাহ্বানসমূহ যথোচিত উপায়েৰে সমাধান কৰিবলৈ বিশ্ববিদ্যালয়বোৰে নিজ নিজ সামৰ্থ বিকশিত কৰা উচিত।
- উচ্চতৰ শিক্ষা ব্যৱস্থাৰ পৰিধিয়ে দেশৰ সকলো স্তৰৰ শিক্ষাৰ বাবে শিক্ষকৰ শিক্ষাৰ দিশটো সামৰি ল'ব লাগিব।
- ৰাষ্ট্ৰই বিত্তৰ যোগান ধৰা বিশ্ববিদ্যালয়সমূহৰ বাবে থকা কেন্দ্ৰীয় বিত্ত সমৰ্থনৰ পৰিমাণ বৃদ্ধি কৰিব লাগিব। ইয়াৰ বাবে বিত্তীয় ভাট্টা প্ৰদানৰ আৰ্হি এটা গঢ়ি ল'ব লাগিব। বিকাশৰ প্ৰয়োজনীয়তা অনুসৰি পুঁজিৰ পৰিমাণ নিৰ্দ্ধাৰণ কৰা হ'ব।
- উচ্চতৰ শিক্ষা ব্যৱস্থাৰ সম্প্ৰসাৰণ প্ৰক্ৰিয়াটো মূল্যায়ণ আৰু মূল্যাংকন কৰা হ'ব। উৎকৰ্ষতাৰ অবিৰত ধাৰা আৰু দেশৰ বিভিন্ন অঞ্চলৰ শৈক্ষিক প্ৰয়োজনীয়তা পূৰণৰ প্ৰতি বিশ্ববিদ্যালয়সমূহে দিয়া সঁহাৰিৰ ভিত্তিত এই মূল্যায়ন প্ৰক্ৰিয়াবোৰ আগবঢ়াই নিয়া হ'ব। বিশ্ববিদ্যালয়সমূহে শিক্ষাত সমতা আৰু সুচলতা স্থাপনৰ লগতে গুণগত মান তথা বিকাশৰ সুযোগ আৰু শৈক্ষিক পৰিস্থিতিৰ উলম্ব গতি সুনিশ্চিত কৰিব লাগিব। NCHER-ও প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে আভ্যন্তৰীণ পুনৰীক্ষণৰ সন্মুখীন হ'ব লাগিব।
- সমিতিয়ে দেশত এক ৰাষ্ট্ৰীয় শিক্ষা ন্যায়াধিকৰণ স্থাপনৰ পৰামৰ্শ আগবঢ়াইছিল। এই ন্যায়াধিকৰণে শিক্ষানুষ্ঠানৰ ভিতৰুৱা হিতধাৰকৰ মাজত আৰু শিক্ষানুষ্ঠানবোৰৰ মাজত উদ্ভৱ হোৱা যিকোনো বিবাদ-সমস্যা নিষ্পত্তিৰ ক্ষমতা লাভ কৰিব। ইয়াৰ ফলত আদালতত দাখিল হোৱা বিশ্ববিদ্যালয় আৰু উচ্চতৰ শিক্ষানুষ্ঠানসমূহ জড়িত হৈ থকা গোচৰবোৰৰ সংখ্যা কমাব পৰা যাব।

- সমিতিয়ে নিজৰ পৰামৰ্শাৱলীৰ আধাৰত প্ৰৱৰ্তন কৰা নীতি-নিয়মবোৰৰ কাৰ্য ৰূপায়ণ তথা এক নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত গ্ৰহণ কৰা কাৰ্য সম্পাদন পৰিকল্পনাবোৰৰ দৃষ্টি ৰাখিবলৈ এটা 'টাস্ক ফোৰ্চ' গঠনৰো পৰামৰ্শ আগবঢ়াইছিল।
- য়শপাল সমিতিয়ে আগবঢ়োৱা পৰামৰ্শাৱলী মাজৰে কিছুমান তাৎক্ষণিকভাৱে কাৰ্যৰূপায়িত কৰিব পৰা ধৰণৰ আছিল। আন কিছুমান পৰামৰ্শক বাস্তৱ ৰূপ দিবলৈ অভূতপূৰ্ব ব্যৱস্থা তথা প্ৰক্ৰিয়া সক্ৰিয়কৰণৰ আৱশ্যক বুলি বিবেচনা কৰা হৈছিল। তথাপিও আশা কৰা হৈছিল যে এই পৰামৰ্শাৱলীৰ আঁৰত থকা ধাৰণাসমূহ সক্ৰিয় তথা বিস্তৃত আলাপ-আলোচনাৰ মাধ্যমেৰে সজীৱ কৰি ৰাখিব পৰা যাব।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ঃ অধ্যাপক য়শপালে অধ্যক্ষতা কৰা সমিতিখন নাম কি আছিল ?

.....

প্ৰশ্ন নং ৭ঃ য়শপাল সমিতিয়ে কোৱা উচ্চতৰ শিক্ষা খণ্ডত থকা যিকোনো দুটা প্ৰত্যাহ্বান উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৮ঃ বিশ্ববিদ্যালয়ৰ ধাৰণাটোৰ বিষয়ে চমুকৈ লিখক।

.....

১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ২০০৫ চনৰ জুন মাহত তদানীন্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙে ৰাষ্ট্ৰীয় জ্ঞান আয়োগ (National Knowledge Commission/NKC) গঠন কৰিছিল। শ্ৰী চেম পিট্ৰ'ডা আছিল এই আয়োগৰ অধ্যক্ষ।
- সমিতিৰ প্ৰধান কৰণীয় আছিল জ্ঞান অৰ্থনীতিত ভাৰতক অধিক প্ৰতিদ্বন্দ্বিতাপূৰ্ণ কৰি তুলিবলৈ শিক্ষা ব্যৱস্থা, গৱেষণা প্ৰতিষ্ঠান আৰু শিক্ষা খণ্ডৰ সংস্কাৰ সাধন বিষয়ক নীতি গ্ৰহণৰ সময়ত প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ক প্ৰয়োজনীয় দিহা-পৰামৰ্শ দিয়া। সমিতিক দেশৰ শিক্ষা খণ্ডৰ আৱশ্যকীয় সংস্কাৰ সাধন কৰাৰ দায়িত্ব দিয়াৰ লগতে গৱেষণাৰ বাবে ব্যৱহৃত পৰীক্ষাগাৰ আৰু আনুষ্ঠানিক সম্পত্তি বিষয়ক আৱশ্যকীয় বিধি-বিধান যুগুত কৰাৰ কাম দিয়া হৈছিল। সমিতিয়ে চৰকাৰী কাম-কাজবোৰ অধিক স্বচ্ছ কৰি তুলিবলৈ শেহতীয়া প্ৰযুক্তিবিদ্যা প্ৰয়োগ কৰা সন্দৰ্ভতো চৰকাৰক দিহা-পৰামৰ্শ দিছিল।
- ড°মনমোহন সিঙৰ ভাষাত, 'শিক্ষানুষ্ঠান গঢ়া আৰু শিক্ষা গৱেষণা-সামৰ্থ নিৰ্মাণৰ ক্ষেত্ৰত উৎকৰ্ষতাৰ শিখলৈ উঠাৰ দ্বিতীয় লহৰটো সৃষ্টি কৰাৰ সময় আহি পৰিছে।' প্ৰধানমন্ত্ৰীৰ এই মন্তব্যৰ মাজতে NKC- ৰ লক্ষ্য -উদ্দেশ্য স্পষ্টৰূপত প্ৰতিফলিত হৈছে।
- আয়োগক ২০০৫ চনৰ ২ অক্টোবৰৰ পৰা ২০০৮ চনৰ ২ অক্টোবৰলৈ মুঠ তিনি বছৰ সময় দিয়া হৈছিল। পাছত এই সময়সীমা ২০০৯ চনৰ ৩১ মাৰ্চলৈ বৃদ্ধি কৰা হৈছিল।
- ৰাষ্ট্ৰীয় জ্ঞান আয়োগৰ পৰামৰ্শাৱলীক প্ৰধানকৈ পাঁচটা বহল ভাগত ভগাব পাৰি- জ্ঞানৰ সুচলতা, জ্ঞানৰ ধাৰণা, জ্ঞান সৃষ্টি, জ্ঞান প্ৰয়োগ আৰু সেৱা বিতৰণ।
- ২০০৮ চনৰ ফেব্ৰুৱাৰী মাহত ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ে এখন জাননীৰ জৰিয়তে বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC) ৰ প্ৰাক্তন অধ্যক্ষ অধ্যাপক য়শপালৰ নেতৃত্বত এখন সমিতি গঠন কৰিছিল। ২০০৯ চনৰ জুলাই মাহত সমিতিয়ে চৰকাৰৰ হাতত ইয়াৰ প্ৰতিবেদন দাখিল কৰিছিল। সমিতিখনৰ নাম ৰখা হৈছিল। ভাৰতত উচ্চত শিক্ষা ব্যৱস্থাটোৰ পুনগঠন আৰু পুনৰুজ্জীৱিতকৰণৰ পৰামৰ্শদান সমিতি।
- য়শপাল সমিতিৰ মতে ভাৰতৰ উচ্চ শিক্ষা খণ্ডৰ প্ৰধান প্ৰত্যাহ্বানবোৰ হ'ল- দূৰত্ব আৰু সংযোগ বিচ্ছিন্নতা, সংৰচনা-সম্প্ৰসাৰণ-সুচলতাজনিত সমস্যা, প্ৰশাসন আৰু স্বায়ত্ব-শাসনৰ সমস্যা তথা

নিয়ন্ত্ৰক ব্যৱস্থাসমূহৰ বিবিধতা।

- য়শপাল সমিতিয়ে আগবঢ়োৱা পৰামৰ্শাৱলী মাজৰে কিছুমান তাৎক্ষণিকভাৱে কাৰ্যৰূপায়িত কৰিব পৰা ধৰণৰ আছিল। আন কিছুমান পৰামৰ্শক বাস্তৱ ৰূপ দিবলৈ অভূতপূৰ্ব ব্যৱস্থা তথা প্ৰক্ৰিয়া সক্ৰিয়কৰণৰ আৱশ্যক বুলি বিবেচনা কৰা হৈছিল। তথাপিও আশা কৰা হৈছিল যে এই পৰামৰ্শাৱলীৰ আঁৰত থকা ধাৰণাসমূহ সক্ৰিয় তথা বিস্তৃত আলাপ-আলোচনাৰ মাধ্যমেৰে সজীৱ কৰি ৰাখিব পৰা যাব।

১২.৬ অধিক জানিবলৈ

১) Aggarwal, J.C. (2013). *Landmarks in the History of Modern Indian Education*. New Delhi: Vikas Publishing House Pvt. Ltd.

২) Das, Sonmoni Kalita (2014). *Contemporary Concerns and Issues in Education.* Guwahati: Shanti Prakashan.

৩) Ravi, S. Samuel. (2015). *Education in Emerging India*. Delhi: PHI Learning Pvt. Ltd.

৪) Thakur & Thakur (2014/15). *Development of Education System in India: Problems and Prospects*. Agra: Agrawal Publications.

১২.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ ২০০৫ চন।

২ নং প্ৰশ্নৰ উত্তৰঃ চেম পিট্ৰ'ডা।

৩ নং প্ৰশ্নৰ উত্তৰঃ
- একবিংশ শতিকাৰ জ্ঞান প্ৰত্যাহ্বানসমূহৰ মুখামুখি হ'ব পৰাকৈ ভাৰতীয় শিক্ষা ব্যৱস্থাৰ উৎকৰ্ষ সাধন কৰা আৰু জ্ঞান ক্ষেত্ৰত ভাৰতৰ প্ৰতিদ্বন্দ্বিতামূলক কাৰ্যকলাপ বৃদ্ধি কৰা।
- বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ পৰীক্ষাগাৰসমূহত জ্ঞান সৃষ্টিৰ পোষকতা কৰা।

৪ নং প্ৰশ্নৰ উত্তৰঃ ● জ্ঞানৰ সুচলতা ঃ ব্যক্তি আৰু ব্যক্তিগোটসমূহৰ শিক্ষা লাভৰ সুযোগ সুবিধা বৃদ্ধিৰ সবাতোকৈ মৌলিক উপায়টো হ'ল তেওঁলোকৰ বাবে জ্ঞান সুচল কৰি তোলা। বৰ্তমান সমাজত জ্ঞানৰ প্ৰসাৰক পুনৰুজ্জীৱিত তথা ব্যাপ্ত কৰি তোলাচো প্ৰয়োজনীয় হৈ পৰিছে।

৫ নং প্ৰশ্নৰ উত্তৰঃ

উচ্চ শিক্ষা সন্দৰ্ভত NKC- এ আগবঢ়োৱা পৰামৰ্শবোৰ এনে ধৰণৰ আছিল-

- ২০১৫ চনৰ ভিতৰত উচ্চতৰ শিক্ষাৰ সৰ্বমুঠ নামভৰ্তিৰ অনুপাত (GER) ১৫ শতাংশ অথবা ততোধিক কৰা আৰু ২০১৫ চনৰ ভিতৰত দেশত বিশ্ববিদ্যালয়ৰ সংখ্যা ১৫০০ কৰা। আগৰেপৰা থকা বিশ্ববিদ্যালয়সমূহৰ পুনঃগঠন কৰি আংশিকভাৱে এই সংখ্যাত তেনে বিশ্ববিদ্যালয়বোৰো যোগ কৰা।
- উচ্চতৰ শিক্ষাৰ স্বতন্ত্ৰ নিয়ামক প্ৰাধিকৰণ (IRAHE) গঠন কৰা। এই প্ৰাধিকৰণে সকলো হিতধাৰকৰ বাবে সুচল হৈ থাকি নিজৰ কাম-কাজ আগুৱাই নিব।
- আগৰেপৰা চলি থকা বিশ্ববিদ্যালয়সমূহৰ সংস্কাৰ সাধন কৰা, সঘনাই পাঠ্যক্ৰম পুনৰীক্ষণ কৰা, পাঠ্যবিষয়ৰ ক্ৰেডিট ব্যৱস্থা প্ৰচলন কৰা, আভ্যন্তৰীণ মূল্যাংকন ব্যৱস্থাৰ ওপৰত নিৰ্ভৰশীলতা বৃদ্ধি কৰা, গৱেষণা কাৰ্যক অনুপ্ৰাণিত কৰা আৰু শিক্ষানুষ্ঠানসমূহৰ প্ৰশাসনীয় ব্যৱস্থাৰ সংস্কাৰ সাধন কৰা।
- বিশ্ববিদ্যালয়ৰ স্বীকৃতিপ্ৰাপ্ত প্ৰাক্-স্নাতক স্তৰৰ মহাবিদ্যালয়সমূহৰ স্বীকৃতি লাভৰ ব্যৱস্থাটো

পুনঃসংগঠিত কৰা।

- সামূহিক মহাবিদ্যালয়ৰ আৰ্হি সৃষ্টি কৰা। এনে মহাবিদ্যালয়ত ক্ৰেডিট ক্ৰেডিটবিহীন প্ৰকৃতিৰ পাঠ্যক্ৰম থাকিব। এনে পাঠ্যক্ৰমবোৰে দুবছৰীয়া সহযোগী ডিগ্ৰী লাভৰ সুযোগ আগবঢ়াব।
- যোগ্য শিক্ষার্থীক উচ্চতৰ শিক্ষা লাভৰ সহায় কৰিবলৈ জলপানি প্ৰদানৰ ব্যৱস্থা কৰা।

৬ নং প্ৰশ্নৰ উত্তৰঃ 'ভাৰতত উচ্চতৰ শিক্ষা ব্যৱস্থাটোৰ পুনগঠন আৰু পুনৰুজ্জীৱিতকৰণৰ পৰামৰ্শদান সমিতি'।

৭ নং প্ৰশ্নৰ উত্তৰঃ

- দেশৰ প্ৰাক্-স্নাতক আৰু স্নাতক পৰ্যায়ৰ শৈক্ষিক কাৰ্যসূচীবোৰ অত্যন্ত 'তাত্ত্বিক' প্ৰকৃতিৰ। ইয়াৰ অৰ্থ হ'ল এই কাৰ্যসূচীবোৰত কোনো ধৰণৰ 'ব্যৱহাৰিক অভিজ্ঞতা' লাভৰ সুযোগ নাই।
- গৱেষণা অভিকৰণ আৰু বিশ্ববিদ্যালয়সমূহৰ মাজত বিস্তৰ প্ৰভেদ আছে। শিক্ষণ আৰু গৱেষণা দুটা পৃথক কাৰ্য বুলি বিবেচনা কৰা হয়।

৮ নং প্ৰশ্নৰ উত্তৰঃ বিশ্ববিদ্যালয়ক সাধাৰণতে নতুন চিন্তা-ধাৰণাৰ উন্মেষ ঘটাৰ স্থান বুলি ধৰ হয়। বিশ্ববিদ্যালয়ৰ সাৱঁৰা পৰিৱেশত এনে চিন্তা-ধাৰণাই পুলি-পোখা মেলি ঠন ধৰি উঠে। বিশ্ববিদ্যালয়সমূহ অনন্য স্থানৰ নিদৰ্শন। ই জ্ঞানৰ বিশাল জগত এখন নিজৰ মাজত ধৰি ৰাখে। ইয়াতেই সৃজনাত্মক মনবোৰে নিজৰ সৃজনী শক্তি বিয়পাই দিয়ে, পৰস্পৰৰ সৈতে ভাবৰ আদান-প্ৰদান কৰে আৰু নতুন বাস্তৱৰ মানস ছবি নিৰ্মাণ কৰা।

বিশ্ববিদ্যালয়ক পৃথিৱীৰ মানৱিক পৰম্পৰাৰ ন্যাসৰক্ষী বুলিও বিবেচনা কৰা হয়। বিশ্বজনীন জ্ঞান নিজৰ মাজত ধৰি ৰাখিবলৈ বিশ্ববিদ্যালয়ে অবিৰতভাৱে চলাই যোৱা প্ৰয়াসবোৰৰ দ্বাৰা এই অভিযানে বাস্তৱ ৰূপ লয়। জ্ঞান আহৰণৰ প্ৰক্ৰিয়াত বিশ্ববিদ্যালয়ে ভৌগলিক, সাংস্কৃতিক আৰু ৰাজনৈতিক চাৰিসীমা অতিক্ৰম কৰি আগবাঢ়ি যায়।

? ১২.৮ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায়১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ বিদ্যালয় স্তৰৰ শিক্ষা সন্দৰ্ভত ৰাষ্ট্ৰীয় জ্ঞান আয়োগে আগবঢ়োৱা পৰামৰ্শাৱলী চমুকৈ বৰ্ণনা কৰক।

প্ৰশ্ন ২ঃ বৃত্তিমুখী শিক্ষা সন্দৰ্ভত ৰাষ্ট্ৰীয় জ্ঞান আয়োগে আগবঢ়োৱা পৰামৰ্শাৱলী চমুকৈ বৰ্ণনা কৰক।

প্ৰশ্ন ৩ঃ উচ্চতৰ শিক্ষা ব্যৱস্থাৰ সংৰচনাটোত থকা প্ৰত্যাহ্বানসমূহ কি কি বুলি য়শপাল সমিতিয়ে চিনাক্ত কৰিছিল?

(খ) দীঘলীয়া প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ জ্ঞানৰ সুচলতা সন্দৰ্ভত NKC- এ আগবঢ়োৱা পৰামৰ্শাৱলী আলোচনা কৰক।

প্ৰশ্ন ২ঃ জ্ঞানৰ ধাৰণা সন্দৰ্ভত NKC- এ আগবঢ়োৱা পৰামৰ্শাৱলী আলোচনা কৰক।

প্ৰশ্ন ৩ঃ জ্ঞান সৃষ্টি সন্দৰ্ভত NKC- এ আগবঢ়োৱা পৰামৰ্শাৱলী আলোচনা কৰক।

প্ৰশ্ন ৪ঃ য়শপাল সমিতিয়ে চিনাক্ত কৰি উলিওৱা উচ্চতৰ শিক্ষা ব্যৱস্থাৰ প্ৰত্যাহ্বানসমূহ আলোচনা কৰক।

প্ৰশ্ন ৫ঃ য়শপাল সমিতিয়ে উচ্চতৰ শিক্ষা সন্দৰ্ভত আগবঢ়োৱা পৰামৰ্শাৱলী বহলাই ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ১৩ঃ অসমত শিক্ষাৰ বিকাশ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ অসমত প্রাথমিক শিক্ষাৰ বিকাশ

১৩.৩.১ প্রাক্-স্বাধীনতা কালত হোৱা বিকাশ

১৩.৩.২ স্বাধীনোত্তৰ কালত হোৱা বিকাশ

১৩.৪ অসমত মাধ্যমিক শিক্ষাৰ বিকাশ

১৩.৪.১ প্রাক্-স্বাধীনতা কালত হোৱা বিকাশ

১৩.৪.২ স্বাধীনোত্তৰ কালত হোৱা বিকাশ

১৩.৫ অসমত উচ্চ শিক্ষাৰ বিকাশ

১৩.৫.১ প্রাক্-স্বাধীনতা কালত হোৱা বিকাশ

১৩.৫.২ স্বাধীনোত্তৰ কালত হোৱা বিকাশ

১৩.৫.৩ অসমত উচ্চ শিক্ষাৰ শেহতীয়া স্থিতি

১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৭ অধিক জানিবলৈ

১৩.৮ অগ্রগতিৰ খতিয়ান

১৩.৯ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাৰত স্বাধীন হোৱাৰ পূৰ্বে আৰু পৰৱৰ্তী সময়ত অসমত হোৱা প্রাথমিক শিক্ষাৰ বিকাশৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ভাৰত স্বাধীন হোৱাৰ পূৰ্বে আৰু পৰৱৰ্তী সময়ত অসমত হোৱা মাধ্যমিক শিক্ষাৰ বিকাশৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ভাৰত স্বাধীন হোৱাৰ পূৰ্বে আৰু পৰৱৰ্তী সময়ত অসমত হোৱা উচ্চ শিক্ষাৰ বিকাশৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১৩.২ পৰিচয়

আপুনি নিশ্চয় এই বিষয়ে অৱগত যে প্রাচীন অসমত বহুকেইটা খিলঞ্জীয়া জ্ঞান প্রদানকাৰী ব্যৱস্থা আছিল। পাঠশালা, টোল, মোক্তাব আৰু সত্রৰ দৰে আনুষ্ঠানিক শিক্ষানুষ্ঠানসমূহৰ জৰিয়তে শিক্ষার্থীৰ মনত জ্ঞানৰ সঞ্চাৰ কৰা হৈছিল। এই শিক্ষানুষ্ঠানসমূহ সিমান সু-সংগঠিত নাছিল যদিও সৰ্বসাধাৰণৰ মাজত শিক্ষাৰ প্রসাৰ ঘটোৱাত অত্যন্ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। বিখ্যাত চীনা পৰিব্রাজক হিউয়েন-চাঙৰ টোকাত উল্লেখ আছে যে অসমৰ ৰজা ভাস্কৰ বর্মা শিক্ষা প্রসাৰত আগ্রহী আছিল। সপ্তম শতিকাতে এইগৰাকী ৰজাৰ পৃষ্ঠপোষতাত শিক্ষাই উন্নতি কৰিছিল। প্রাচীন অসমৰ অধিকাংশ শিক্ষা-শিকন প্রক্রিয়া 'গুৰুকূল' প্রণালীৰ মাজেদি আগবাঢ়িছিল। গুৰুকূলবোৰত বেদ, বেদাংগ, স্মৃতি আৰু অন্য ধর্মীয় গ্রন্থসমূহৰ শিক্ষা দিয়া হৈছিল। সাঁচিপাতত কিতাপ লিখাৰ

নিয়ম আৰম্ভ নোহোৱালৈকে শিক্ষাৰ মাধ্যম আছিল প্ৰধানতঃ মৌখিক। ১২২৮ চনৰ পৰা আহোম ৰাজবংশই অসমক প্ৰায় ছশ বছৰ শাসন কৰিছিল। আহোম ৰাজসকলৰ অধিকাংশই শিক্ষাক যথাযোগ্য গুৰুত্ব দিছিল। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ ফলস্বৰূপে অসমৰ শাসন ক্ষমতা বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতলৈ গৈছিল। বৃটিছসকলে লাহে লাহে অসমত আধুনিক আৰু ধৰ্মনিৰপেক্ষ শিক্ষাৰ প্ৰসাৰ ঘটাৰ পথ প্ৰশস্ত কৰি তুলিছিল।

এই অধ্যায়টিত অসমত স্বাধীনতা লাভৰ আগৰ আৰু পাছৰ সময়ছোৱাত হোৱা আধুনিক শিক্ষাৰ বিকাশ সম্পৰ্কে আলোচনা কৰা হ'ব। আলোচনাত সুবিধা হোৱাকৈ শিক্ষাৰ বিকাশক প্ৰাথমিক, মাধ্যমিক, উচ্চ আৰু স্ত্ৰীশিক্ষা শিতানত ভগাই লোৱা হৈছে। আলোচনাটোৰ দ্বাৰা অসমত প্ৰাক্-ঔপনিৱেশিক যুগৰ পৰা বৰ্তমান সময়লৈ হোৱা শিক্ষাৰ ক্ৰমবিকাশ আৰু অসমৰ শিক্ষা ব্যৱস্থাটোৰ নিৰ্মাণ সম্পৰ্কে এক স্পষ্ট ধাৰণা সৃষ্টিৰ প্ৰয়াস কৰা হৈছে।

১৩.৩ অসমত প্ৰাথমিক শিক্ষাৰ বিকাশ

অসমৰ শিক্ষাৰ ইতিহাস ভূ-খণ্ডডোখৰৰ সমানেই প্ৰাচীন পুৰণি অসমৰ শিক্ষা ব্যৱস্থাৰ পৰম্পৰা-সংস্কৃতি-ধৰ্মৰ সৈতে ওতঃপ্ৰোত সম্পৰ্ক আছিল। স্থানীয় ৰজা আৰু গাঁৱৰ পূজাৰী অথবা প্ৰধান ধৰ্মগুৰুসকলে সাধাৰণতে শিক্ষাৰ বিষয়টো চোৱাচিতা কৰিছিল। অসমত আহোম ৰাজবংশৰ শাসনৰ ওৰ নপৰা পৰ্যন্ত শিক্ষা-শিকন প্ৰক্ৰিয়াটো আগবঢ়াই নিয়াত পৃষ্ঠপোষকতা আগবঢ়োৱা অবিৰত পৰম্পৰা চলি আছিল। মধ্যযুগৰ অসমত শিক্ষা সন্দৰ্ভত এচ.এন. শৰ্মাই তেওঁৰ গ্ৰন্থ 'A Socio-Economic and Cultural History of Medieval Assam' ত লিখিছে, 'সেই সময়ছোৱাত শিক্ষাক প্ৰধানকৈ ব্যক্তিয়ে নিজাববীয়াকৈ আৰু ব্যক্তিগত স্বাৰ্থত আগবঢ়াই নিছিল, কিন্তু শিকন প্ৰক্ৰিয়াৰ প্ৰসাৰত তাৎপৰ্যপূৰ্ণ অৱদান আগবঢ়োৱা আৰু অগাধ পাণ্ডিত্যৰ পৰিচয় দিয়া বিদ্বান-পণ্ডিতসকলে মাজে মাধ্যে ৰাজ পোষকতা লাভ কৰিছিল।' (২০০১ চন) মধ্যযুগত পাঠশালা, টোল, মোক্তাব আৰু সত্ৰৰ দৰে থলুৱা শিক্ষানুষ্ঠান সক্ৰিয় হৈ থকাৰ প্ৰমাণ পোৱা গৈছে। মধ্যযুগৰ অসমৰ পাঠশালাবোৰ বৰ্তমান সময়ৰ প্ৰাথমিক বিদ্যালয়ৰ সম-পৰ্যায়ৰ আছিল। সেই সময়ত কোনো পাঠ্যপুথি নাইবা বিদ্যালয় ভৱন নাছিল। কাৰ্য দিৱসবোৰ সমাজৰ স্থানীয় প্ৰয়োজন অনুসাৰে খাপ খুৱাই লোৱা হৈছিল। বিদ্যালয়সমূহৰ আকাৰ সৰু আৰু শিক্ষাৰ্থীৰ সংখ্যা কম আছিল। সেই সময়ত পৰিয়াল পৰম্পৰা আৰু দক্ষতাৰ পৰিচায়ক বৃত্তিজীৱি শিক্ষা ব্যৱস্থাত শিল্পী কাৰিকৰৰ সন্তানেও একে বৃত্তিকে গ্ৰহণ কৰিছিল। এই পৰম্পৰা প্ৰজন্মৰ পাছত প্ৰজন্ম ধৰি অবিৰতভাৱে চলি আছিল। ইছলামীয় শিক্ষাদান কৰা অনুষ্ঠানৰ সংখ্যা আছিল সীমিত। ভাৰতৰ আন অংশৰ দৰে অসমতো স্ত্ৰীশিক্ষাৰ দিশটো উপেক্ষিত আছিল। বৃটিছসকল অহাৰ আগৰ সময়ছোৱাত অসমৰ শিক্ষা সন্দৰ্ভত হেম বৰুৱাই কৈছিল, 'প্ৰাক্-ব্ৰিটিছ সময়ত শিক্ষা আছিল বৈষ্ণৱ সত্ৰ, সংস্কৃত টোল আৰু গুৰু গৃহই পৰিচালনা কৰা বিষয়। স্বাভাৱিক কাৰণতে এই যুগৰ শিক্ষা আছিল মূলতঃ ধৰ্মীয় বিধি-বিধানকেন্দ্ৰিক। সৰ্বসাধাৰণ এনে শিক্ষাৰ পৰা আঁতৰত আছিল। শিক্ষা বৃত্তিমুখী ব্যৱহাৰযোগ্যতা অথবা বিজ্ঞানসম্মত বৈশিষ্ট্যসমূহৰ সেই সময়ছোৱাত বিকাশ ঘটা নাছিল।'

অসমত শিক্ষাৰ বিকাশত দুগৰাকী মহান ধৰ্মীয় নেতাৰ অৱদানক শ্ৰদ্ধাৰে স্মৰণ কৰা হয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱে অসমৰ শিক্ষা সংস্কৃতিৰ বিকাশৰ অতুলনীয় অৱদান আগবঢ়াই থৈ গৈছে। দুয়োগৰাকী মহাপুৰুষে স্থাপন কৰা সত্ৰ আৰু নামঘৰসমূহ সৰ্বসাধাৰণ নাগৰিকৰ বাবে একো একোটা শিক্ষাগ্ৰহণ কেন্দ্ৰত পৰিণত হৈছিল।

ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে প্ৰাচীন আৰু মধ্যযুগৰ অসমত থলুৱা অনুষ্ঠান কিছুমানৰ মাধ্যমেৰে প্ৰাথমিক পৰ্যায়ৰ শিক্ষাৰ প্ৰসাৰ ঘটিছিল। সৰ্বসাধাৰণ লোকৰ অধিকাংশই অনানুষ্ঠানিকভাৱেহে শিক্ষা লাভ কৰিছিল। স্ত্ৰীশিক্ষাৰ দিশটো সিমান উৎসাহজনক নাছিল। ১৮২৬ চনত অসম শাসনৰ ভাৰ বৃটিছসকলৰ হাতলৈ যোৱাৰ পাছৰ পৰাহে অসমত আধুনিক প্ৰাথমিক শিক্ষাৰ প্ৰচলন আৰম্ভ হৈছিল।

১৩.৩.১ প্ৰাক্-স্বাধীনতা কালত হোৱা বিকাশ

ইয়াণ্ডাবু সন্ধিৰ পাছত অসমৰ বাবে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে নিযুক্তি দিয়া প্ৰথমজন এজেণ্ট ডেভিদ স্কটে অসমত পদাৰ্পণ কৰিছিল। অসম আহি পায়েই তেওঁ শিক্ষাৰ থলুৱা ব্যৱস্থাটোৰ পৃষ্ঠপোষকতা কৰাৰ আগ্ৰহ দেখুৱাইছিল। অসমীয়াৰ বিশ্বাস জয় কৰিবলৈ ডেভিদ স্কটে নামনি অসমৰ বিভিন্ন স্থানত প্ৰায় ১১ খনমান বিদ্যালয় স্থাপন কৰিছিল। তেওঁ গাৰো পাহাৰ অঞ্চলতো এখন বিদ্যালয় স্থাপন কৰি পাৰ্বত্য জনজাতি সম্প্ৰদায়সমূহৰ মাজত প্ৰাথমিক শিক্ষা সম্প্ৰসাৰিত কৰাৰ চেষ্টা কৰিছিল। এই বিদ্যালয়বোৰৰ পৰা উত্তীৰ্ণ হোৱা ছাত্ৰসকলক বিভিন্ন চৰকাৰী চাকৰি যঁচা হৈছিল।

১৮৫৪ চনত 'উডৰ ঘোষণাপত্ৰ'ত থকা শিক্ষা বিষয়ক পৰামৰ্শাৱলীৰ আধাৰত থলুৱা ব্যৱস্থাৰে পৰিচালিত প্ৰাথমিক বিদ্যালয়সমূহেও আংশিক বিত্তীয় অনুদান (grant-in-aid) লাভ কৰিবলৈ সক্ষম হৈছিল। এই অনুদান ব্যৱস্থাই অসমৰ প্ৰাথমিক শিক্ষা খণ্ডটোৰ বিকাশ ঘটাত সহায় কৰিছিল। ১৮৫৭-৫৮ চনৰ লিখিত অভিলেখৰ মতে শিৱসাগৰ জিলাত ৭৫০ জন আৰু কামৰূপ জিলাত ৬০০ জন ছাত্ৰই প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা গ্ৰহণ কৰিছিল। ১৮৫৭ চনৰ বিদ্ৰোহৰ পাছত ইষ্ট ইণ্ডিয়া কোম্পানীৰ পৰা বৃটিছ ৰাজে অসমৰ প্ৰশাসনৰ ভাৰ নিজৰ হাতলৈ নিয়ে। প্ৰশাসনত হোৱা পৰিৱৰ্তনে শিক্ষা ব্যৱস্থাতো প্ৰভাৱ পেলাইছিল। ১৮৮২ চনত হাণ্টাৰ আয়োগে প্ৰাথমিক শিক্ষাৰ দায়িত্ব স্থানীয় বোৰ্ডসমূহক অৰ্পণ কৰিছিল। আয়োগে দিয়া আন এটা গুৰুত্বপূৰ্ণ পৰামৰ্শ আছিল 'ফলাফলৰ ভিত্তিত ধম পৰিশোধ' কৰা ব্যৱস্থাৰ প্ৰচলন ঘটোৱা। প্ৰাদেশিক চৰকাৰে স্থানীয় বোৰ্ডসমূহৰ সৰ্বমুঠ ব্যয়ৰ কেৱল এক তৃতীয়াংশহে অনুদান হিচাপে আগবঢ়াইছিল। এই নীতিবোৰে ৰাজ্যখনৰ প্ৰাথমিক শিক্ষাৰ বিকাশ প্ৰক্ৰিয়াত বিৰূপ প্ৰভাৱ পেলাইছিল। অৱশ্যে বিভিন্ন অসুবিধা সত্বেও সেই সময়ত মুঠ প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা ১৮০০ খনৰ পৰা বৃদ্ধি হৈ ৩৫৩৪ খন হৈছিল। বিদ্যালয়ৰ সংখ্যা বঢ়াৰ অনুপাতে শিক্ষাৰ্থীৰ সংখ্যাও বাঢ়িছিল। ১৮৯৭ চনত ৰাজ্যখনত শিক্ষাৰ্থীৰ সংখ্যা আছিল ৮৩০০। ১৯০২ চনলৈ এই সংখ্যা বাঢ়ি ১০৩৫৪১ হৈছিলগৈ।

এইখিনি সময়তে মূলতঃ ধৰ্ম প্ৰচাৰৰ স্বাৰ্থত খৃষ্টান মিছনেৰীসকলেও বিদ্যালয় স্থাপনৰ কাম আৰম্ভ কৰিছিল। ১৮৩৭ চনত আমেৰিকান বেপ্টিষ্ট মিছনেৰী নাথাল ব্ৰাউন আৰু অ'লিভাৰ কাট্টাৰে শদিয়াত এখন প্ৰাথমিক বিদ্যালয় স্থাপন কৰিছিল। তাৰ পাছত ১৮৪৫ চনৰ ভিতৰত মিছনেৰীসকলে শিৱসাগৰত ১৪ খন, নগাওঁত ৩ খন আৰু কামৰূপত ৫ খন প্ৰাথমিক বিদ্যালয় স্থাপন কৰিছিল। মিছনেৰীসকলে ছাত্ৰ-ছাত্ৰীক ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাই অধ্যয়ন কৰিবলৈ উৎসাহিত কৰিছিল। পাহাৰীয়া আৰু সমতল উভয় এলেকাৰে ছোৱালীবোৰৰ বাবেও শিক্ষাৰ দুৱাৰ মিছনেৰীসকলেই মুকলি কৰি দিছিল। বিংশ শতিকাৰ আৰম্ভণিৰ সময়ছোৱাত লৰ্ড কাৰ্জনৰ উদাৰ নীতিৰ সুফলস্বৰূপে প্ৰাথমিক শিক্ষাই যথেষ্ট পৃষ্ঠপোষকতা লাভ কৰিছিল আৰু খণ্ডটো তাৎপৰ্যপূৰ্ণ অগ্ৰগামী হৈছিল। ১৯১০-১১ চনত গোপাল কৃষ্ণ গোকলেই দেশত বাধ্যতামূলক প্ৰাথমিক শিক্ষা নীতি প্ৰৱৰ্তন কৰিবলৈ অক্লান্ত পৰিশ্ৰম কৰিছিল। তেওঁৰ প্ৰচেষ্টাতে প্ৰাদেশিক চৰকাৰসমূহে সাৰ্বজনীন শিক্ষাৰ গুৰুত্ব সম্পৰ্কে সজাগ হৈ উঠিছিল। ১৯১৮-২০ চনত চৰকাৰসমূহে 'বাধ্যতামূলক প্ৰাথমিক শিক্ষা আইন'খন গৃহিত কৰিছিল। ভাৰত চৰকাৰে ১৯১৩ চনত 'শিক্ষা নীতি বিষয়ক সিদ্ধান্ত' গ্ৰহণ কৰিছিল। পৰিতাপৰ কথাটো হ'ল এই নীতিবোৰৰ প্ৰভাৱ অসমত পৰা নাছিল।

১৯২৬ চনতহে অসমত প্ৰথমখন বাধ্যতামূলক প্ৰাথমিক শিক্ষা আইন গৃহিত কৰা হৈছিল। ইয়াৰ দুটামান গুৰুত্বপূৰ্ণ নীতি আছিল এনেধৰণ-

- আইনখন সমগ্ৰ অসমতে প্ৰযোজ্য হ'ব।
- যিকোনো স্থানীয় কৰ্তৃপক্ষই আহ্বান কৰা সভাত উপস্থিত দুই তৃতীয়াংশ সদস্যৰ সংখ্যাগৰিষ্ঠ সন্মতিয়ে এই নীতি প্ৰৱৰ্তনৰ সিদ্ধান্ত ল'ব পাৰিব। নিজৰ কাৰ্যাধিকাৰ ক্ষেত্ৰত ভিতৰৰ ৬ ৰ পৰা ১১ বছৰ বয়সীয়া শিশুৰ ক্ষেত্ৰত এই আইন বলবৎ কৰিব পাৰিব।
- স্থানীয় কৰ্তৃপক্ষই নিজৰ সিদ্ধান্ত চৰকাৰলৈ বিবেচনাৰ অৰ্থে প্ৰেৰণ কৰিব।
- স্থানীয় কৰ্তৃপক্ষই সকলো বিৱৰণী সহিতে চৰকাৰৰ হাতত এটা টোকা দাখিল কৰিব লাগিব। তাত স্থানীয়

কর্তৃপক্ষ আৰু চৰকাৰে নিজ নিজ ফালৰ পৰা কৰা সৰ্বমুঠ চলিত ব্যয়ৰ হিচাব থাকিব। বাধ্যতামূলক প্রাথমিক শিক্ষাৰ প্রচলন কামত কৰিবলগীয়া হোৱা অতিৰিক্ত ব্যয়ৰ হিচাবো টোকাটোত উল্লেখ কৰিব লাগিব।

- যিকোনো এলেকাৰ স্থানীয় কর্তৃপক্ষই চলিত ব্যয়ৰ মাত্রা হ্রাস নকৰাকৈ অতিৰিক্ত ব্যয়ৰ এক তৃতীয়াংশৰ দায়িত্ব বহন কৰিব লাগিব।
- যদি চৰকাৰে স্থানীয় কর্তৃপক্ষৰ প্রস্তাৱত অনুমোদন জনায়, তেন্তে অতিৰিক্ত ব্যয়ৰ বাকী থকা দুই তৃতীয়াংশ ধন মোকলাই দিব লাগিব।
- যদি কোনো স্থানীয় কর্তৃপক্ষই চৰকাৰক আঁচনি জমা দিয়াত ব্যর্থ হয়, তেন্তে চৰকাৰে তেনে কর্তৃপক্ষৰ হৈ আঁচনি প্রস্তুত কৰিব লাগিব।
- চৰকাৰে জাননীৰ সহায়ত শৈক্ষিক প্রক্রিয়া সম্বন্ধীয় নীতি-নিয়মবোৰ জাৰি কৰিব লাগিব। এনে জাননীত শৈক্ষিক কার্যত ব্যয়ৰ বাবে যোগান ধৰা পুঁজি কেনেকৈ ব্যৱহাৰ কৰা আৰু তাৰ হিচাব ৰখা হ'ব সেই বিষয়ে উল্লেখ থাকিব লাগিব।
- কোনো ছাত্র-ছাত্রীৰ পৰা কোনোধৰণৰ মাচুল আদায় কৰিব পৰা নাযাব? দুখীয়া পৰিয়ালৰ ল'ৰা-ছোৱালীক কিতাপৰ লগতে ফলি-বহী আদিৰ যোগান ধৰিব লাগিব। শিক্ষা সমিতিয়ে দিয়া পৰামর্শমতে এই ব্যৱস্থা কার্যকৰী কৰা হ'ব।
- স্থানীয় কর্তৃপক্ষ আৰু সংশ্লিষ্ট শিক্ষা সমিতিবোৰে এই আইনৰ নীতি-নিয়মসমূহ বলবৎ কৰাৰ দায়িত্ব ল'ব।

অৱশ্যে আইনখন বলবৎ হোৱাৰ পাছতো অসমত প্রাথমিক শিক্ষাৰ প্রগতি ভবা ধৰণে হোৱা নাছিল।

১৩.৩.২ স্বাধীনোত্তৰ কালত হোৱা বিকাশ

১৯৪৭ চনত অসম বিধানসভাই 'অসম প্রাথমিক শিক্ষা আইন'খন গৃহিত কৰিছিল। এই আইনখনৰ লক্ষ্য আছিল ৰাজ্যৰ প্রাথমিক শিক্ষা খণ্ডটোৰ বিকাশ সাধন কৰা। ১৯৫৪ চনত 'অসম বুনিয়াদী শিক্ষা আইন'-এ আগৰ আইনখনৰ স্থান লৈছিল। বুনিয়াদী (Basic) শিক্ষাৰ বিকাশ, সম্প্রসাৰণ, ব্যৱস্থাপনা আৰু নিয়ন্ত্রণৰ লক্ষ্য বান্ধি লৈ নতুন আইনখন গৃহিত কৰা হৈছিল। ইয়াৰ উদ্দেশ্য আছিল অসমত লাহে লাহে পর্যায়ক্রমে সার্বজনীন, বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ প্রচলন ঘটোৱা। এই আইনখনে আগবঢ়োৱা প্রধান পৰামর্শ কেইটামান আছিল-

- আইনখন সমগ্র আসমতে প্রযোজ্য হ'ব।
- অসম ৰাজপত্রত আনুষ্ঠানিক সূচনা জাৰি কৰাৰ দিনটোৰ পৰাই আইনখন বলবৎ হোৱা বুলি ধৰা হ'ব।
- চৰকাৰে ১০ গৰাকী সদস্যেৰে এখন ৰাজ্যিক বুনিয়াদী শিক্ষা বোর্ড গঠন কৰিব।
- ৰাজ্যিক বোর্ডে অনুদান, বিদ্যালয় প্রশাসন, শিক্ষক প্রশিক্ষণ, পাঠ্যক্রম, পাঠ্যপুথি আৰু পাঠ্যক্রম সমাপ্ত কৰাৰ সময় সীমা আদি বিষয়ত চৰকাৰ পৰামর্শ আগবঢ়াব।
- ৰাজ্যিক শিক্ষা বোর্ডে ৰাজহুৱা নির্দেশনা সঞ্চালকালয় (DPI) ৰ তত্ত্বাৱধানত এটা পুঁজি জমা ৰাখিব।
- ৰাজ্যিক শিক্ষা বোর্ডে ৰাজ্যৰ বিভিন্ন অঞ্চলত DPI ৰ অধীনত আঞ্চলিক বুনিয়াদী শিক্ষা বোর্ড গঠন কৰি দিব।
- এই আইনখনৰ উদ্দেশ্য পূৰণ কৰাৰ স্বার্থত ৰাজ্য চৰকাৰে ৰাজ্যৰ যিকোনো এলেকাতে একোটা শৈক্ষিক কৰ আৰোপ কৰিব পাৰিব। শিশুৰ বয়স, পাঠ্যক্রম, পাঠ্যক্রম সমাপ্তিৰ সময়সীমা আৰু শিক্ষাৰ মানৰ দৰে বিষয়বোৰত ৰাজ্য চৰকাৰে প্রয়োজনীয় নীতি-নিয়ম প্রস্তুত তথা নিয়ন্ত্রণ কৰিব পাৰিব।

এই আইনখনে প্রশাসনীয় স্তৰত কিছুমান নীতি-নিয়ম সলনি কৰাৰ চেষ্টা কৰিছিল। চৰকাৰক আগতকৈ অধিক ক্ষমতা দিয়া হৈছিল। ইমানবোৰ পৰিৱর্তনমূলক ব্যৱস্থা লোৱাৰ পাছতো অসমতো বুনিয়াদী শিক্ষা পদ্ধতি বিফল হৈছিল। দেশৰ বাকী অঞ্চলতো ই ব্যর্থতাৰ মুখ দেখিছিল। আধুনিক সমাজৰ চাহিদা পূৰাব পৰাকৈ বুনিয়াদী শিক্ষাৰ ব্যৱহাৰিক গুণ নাই আৰু ই অপর্যাপ্ত বুলি বিবেচনা কৰা হৈছিল।

স্থানীয় স্ব-শাসন ব্যৱস্থাৰ অংশ হিচাপে ১৯৫৯ চনত অসম পঞ্চায়ত আইন প্রৱর্তন কৰা হৈছিল। ১৯৭২,

১৯৮৬ আৰু ১৯৯৪ চনত এই আইনখন তিনিবাৰ সংশোধন কৰা হৈছে। আইনৰ জৰিয়তে পঞ্চায়তসমূহক নিজ নিজ এলেকাত কৰি দেখুৱাবলৈ কিছুমান সাংস্কৃতিক আৰু শৈক্ষিক দায়িত্ব অর্পণ কৰা হৈছে।

১৯৬২ চনৰ অসম প্ৰাথমিক শিক্ষা আইনে ১৯৫৪ চনৰ অসম বুনিয়াদী শিক্ষা আইনৰ স্থান লৈছিল। এই আইনখন প্ৰস্তুত আৰু প্ৰৱৰ্তন কৰাৰ কাৰণ আছিল ৰাজ্যৰ প্ৰাথমিক শিক্ষা ব্যৱস্থাটো পৰিচালনা তথা নিয়ন্ত্ৰণৰ কিছুমান সা-সুবিধা সৃষ্টি কৰা। আইনখনৰ জৰিয়তে অসমত পৰ্যায়ক্ৰমে বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰো প্ৰসাৰ ঘটাব খোজা হৈছিল। আইনখনত সন্নিবিষ্ট দুটামান উল্লেখযোগ্য নীতি-নিয়ম হ'ল-

- স্বায়ত্বশাসিত জিলাসমূহৰ বাহিৰে অসমৰ আন সকলো ঠাইতে এই আইনখন প্ৰয়োজ্য হ'ব।
- ৰাজ্য চৰকাৰে ৰাজ্যিক প্ৰাথমিক শিক্ষা বোৰ্ডে গঠন কৰিব।
- বোৰ্ডৰ সদস্যসকলে পাঁচ বছৰৰ বাবে কাৰ্যনিৰ্বাহ কৰিব।
- স্থানীয় কৰ্তৃপক্ষসমূহক ধন পৰিশোধ কৰিবলৈ ৰাজ্যিক বোৰ্ডে নিজৰ অধীনত এটা শৈক্ষিক পুঁজি সৃষ্টি কৰিব।
- ৰাজ্য চৰকাৰে কিছুমান নিৰ্দিষ্ট এলেকাত জাননী জাৰি কৰি প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰিব পাৰিব।
- ৰাজ্য চৰকাৰে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলৰ প্ৰশাসন, তত্ত্বাৱধান আৰু প্ৰশিক্ষণৰ দায়িত্ব বহন কৰিব লাগিব।

এই আইনখনক আগৰ আইনবোৰৰ উন্নত সংস্কৰণ বুলি ক'ব পাৰি। নতুন আইনখনে প্ৰাথমিক শিক্ষাৰ সৈতে জড়িত কিছুমান নিৰ্দিষ্ট বিষয়ত ৰাজ্য চৰকাৰক দায়ৱদ্ধ কৰিছে। আইনখনৰ জৰিয়তে স্থানীয় কৰ্তৃপক্ষসমূহক নিজ নিজ এলেকাৰ প্ৰাথমিক শিক্ষাৰ ব্যৱস্থাটো সঠিকভাৱে আগবঢ়াই নিয়াৰ দায়িত্ব সঁপি দিছে।

১৯৬৪-৬৫ চনৰ কোঠাৰী আয়োগৰ পৰামৰ্শাৱলীত অনাগত ১০ বছৰ (১৯৬৬-৭৬ চন) ৰ ভিতৰত দেশত প্ৰাথমিক শিক্ষাক বাধ্যতামূলক কৰি তোলাৰ কথা কোৱা হৈছিল। ইয়াৰ বাবে এনে শিক্ষা আৰু পাঠ্যপুথি দুয়োটাকে বিনামূলীয়া কৰাৰ পৰামৰ্শও দিয়া হৈছিল। প্ৰাথমিক শিক্ষাত হোৱা অপচয় ৰোধ কৰাৰ দিহা দিয়া হৈছিল। অসমত ১৯৭৪ চনৰ প্ৰাথমিক শিক্ষা আইনৰ জৰিয়তে প্ৰাথমিক শিক্ষা ব্যৱস্থাটোক প্ৰাদেশীকৃত ৰূপ দিয়া হৈছিল।

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে ১৪ বছৰ বয়সলৈকে দেশৰ ল'ৰা-ছোৱালীৰ বাবে প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণ ঘটোৱাৰ কথা কৈছিল। এই নীতিয়ে শিক্ষাৰ গুণগত উৎকৰ্ষ সাধন কৰাতো গুৰুত্ব দিছিল। ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে 'অপাৰেছন ব্লেকৰ্বোড' আঁচনি ৰূপায়ণৰ পৰামৰ্শ দিছিল। অসমত ১৯৮৭-৮৮ চনত এই আঁচনিখনৰ কাম আৰম্ভ হৈছিল। এই আঁচনিৰ অধীনত প্ৰতিখন প্ৰাথমিক বিদ্যালয়তে অতি কমেও দুটা তুলনামূলকভাৱে আহল-বহল শ্ৰেণীকোঠা সজাৰ কথা কোৱা হৈছিল। এটা কোঠা দুটা সকলো ধৰণৰ বতৰতে ব্যৱহাৰযোগ্য হৈ থাকিব লাগিব। ইয়াৰ লগতে প্ৰাথমিক বিদ্যালয়সমূহত আৱশ্যকীয় পুতলা, ব্লেক বোৰ্ড, মানচিত্ৰ, বিভিন্ন তালিকা-সাৰণী আৰু অন্য শিকন সামগ্ৰী থাকিব লাগিব। এই সময়ছোৱাতে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকক প্ৰশিক্ষণ দিবলৈ ৰাজ্যৰ বিভিন্ন স্থানত DIET কেন্দ্ৰ স্থাপন কৰা হৈছিল।

১৯৯৪ চনত 'জিলা প্ৰাথমিক শিক্ষা কাৰ্যসূচী' (DPEP) ৰ পাতনি মেলা হৈছিল। ইয়াৰ লক্ষ্য আছিল প্ৰাথমিক শিক্ষা ব্যৱস্থাটো পুনৰ প্ৰাণৱন্ত কৰি তোলা তথা প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনভৱনৰ উদ্দেশ্যক বাস্তৱ ৰূপ দিয়া। কাৰ্যসূচীখনৰ জৰিয়তে বিদ্যালয়লৈ যাবলগীয়া বয়সত ভৰি দিয়া প্ৰতিটো শিশুৱেই যাতে প্ৰাথমিক শিক্ষা গ্ৰহণৰ সুচলতা সুবিধা উপভোগ কৰিব পাৰে সেয়াই এই কাৰ্যসূচীখনৰ লক্ষ্য আছিল। শিশু এটাক প্ৰাথমিক বিদ্যালয়ত নামভৰ্তি কৰাই দিয়াৰ পাছত শিশুটিক ব্যৱস্থাটোক ধৰি ৰাখিব পাৰিব লাগিব। দেশৰ মুঠ আঠখন ৰাজ্যৰ বাবে প্ৰস্তুত কৰা এই আঁচনিখন অসমতো প্ৰয়োগ কৰা হৈছিল।

২০০১-০২ চনত অসমে 'সৰ্ব শিক্ষা অভিযান' আঁচনিৰ শুভাৰম্ভ কৰিছিল। আঁচনিখনৰ প্ৰধান লক্ষ্যবোৰ আছিল-

- ২০০৩ চনৰ ভিতৰত ৰাজ্যৰ সকলোবোৰ প্ৰাথমিক বিদ্যালয়ক এই আঁচনিৰ অন্তৰ্ভুক্ত কৰা।
- ২০০৭ চনৰ ভিতৰত উপযুক্ত বয়স গোটৰ ভিতৰুৱা সকলো ল'ৰা-ছোৱালীক ৫ বছৰীয়া প্ৰাথমিক শিক্ষা

সম্পূর্ণ কৰাত সহায় কৰা।

- ২০১০ চনৰ ভিতৰত উপযুক্ত বয়স গোটৰ ভিতৰুৱা সকলো ল'ৰা-ছোৱালীক ৮ বছৰীয়া প্ৰাথমিক শিক্ষা সম্পূর্ণ কৰাত সহায় কৰা।
- ২০১০ চনৰ ভিতৰত শিক্ষা খণ্ডৰ পৰা সকলো ধৰণৰ সামাজিক আৰু সামাজিক লিংগভিত্তিক বৈষম্য আঁতৰ কৰা।

'সর্ব শিক্ষা' অভিযানে অসমৰ প্ৰাথমিক শিক্ষাৰ সামগ্ৰিক ছবিখন যথেষ্ট পৰিৱৰ্তন কৰিছিল। এই অভিযানৰ অধীনত ৰাজ্যখনৰ ৫-৬ বছৰ বয়স গোটৰ অন্তৰ্গত ৯০% ল'ৰা-ছোৱালীয়ে বিদ্যালয়ত নামভর্তি কৰিছিল।

সংবিধানৰ ৮৬ সংখ্যক সংশোধনীৰ জৰিয়তে অনুচ্ছেদ ২১A ত সন্নিৱিষ্ট কৰা নিয়ম অনুসাৰে দেশৰ ৬-১৪ বছৰ বয়স গোটৰ প্ৰত্যেক ল'ৰা-ছোৱালীৰে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা লাভৰ অধিকাৰ আইনখন গৃহিত কৰা হৈছিল। আইনখনৰ প্ৰধান বৈশিষ্ট্যসমূহ হ'ল-

- ৰাজ্যসমূহে ৬-১৪ বছৰ বয়স গোটৰ ভিতৰুৱা প্ৰতিটো শিশুকে প্ৰাথমিক শিক্ষা লাভৰ সুযোগ দিয়াটো বাধ্যতামূলক। কোনো শিশুৱে কিতাপ-বহী-ইউনিফ'র্ম আদিৰ বাবে কোনো মূল্য পৰিশোধ কৰিব নালাগে।
- শিক্ষাবর্ষ এটাৰ যিকোনো সময়তে শিশুৱে বিদ্যালয়লৈ যোৱা আৰম্ভ কৰিব পাৰে আৰু নিজৰ শিক্ষা লাভৰ অধিকাৰ বিচাৰিব পাৰে। সকলোৱে এই অধিকাৰক সন্মান জনাব লাগিব।
- প্ৰতিখন বিদ্যালয়তে পর্যাপ্ত শিক্ষক, খেলপথাৰ আৰু আন্তঃগাঁথনিৰ দৰে কিছুমান ন্যূনতম সা-সুবিধা থাকিব লাগিব।

চমুকৈ, ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছৰ সময়খিনিত দেশৰ প্ৰাথমিক শিক্ষা ব্যৱস্থাটো উন্নত কৰি তুলিবলৈ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ উভয়ে সময়ে সময়ে নানা ব্যৱস্থা গ্ৰহণ কৰি আহিছে। কিন্তু ইমানৰ পাছতো নানা সমস্যা আৰু বাধাৰ বাবে অসমত এতিয়াও 'প্ৰাথমিক শিক্ষাৰ সার্বজনীনকৰণ' (Universalisation of Elementary Education/ UEE) ৰ ধাৰণাটো বাস্তৱ হৈ উঠা নাই। ২০১৮-১৯ চনৰ কেন্দ্ৰীয় বাজেটত বিদ্যালয় স্তৰৰ শিক্ষা (প্ৰাক্-প্ৰাথমিকৰ পৰা দ্বাদশ শ্ৰেণী পর্যন্ত) ক কোনো বিভাজন-বৈষম্য নৰখাকৈ এক সর্বাত্মক উন্নতিৰ প্ৰয়াসৰূপে আগবঢ়াই নিয়াৰ কথা কোৱা হৈছে। এই উদ্দেশ্য আগত ৰাখি বিদ্যালয় স্তৰৰ শিক্ষা খণ্ডৰ বাবে 'সমগ্ৰ শিক্ষা' নামৰ আন এক ব্যাপক কার্যসূচী প্ৰস্তুত কৰা হৈছে। বিদ্যালয়ত শিক্ষা লাভৰ সমান সুযোগ আৰু শিকনৰ সম-ফলাফল প্ৰদর্শনৰ লক্ষ্যত বিদ্যালয়সমূহ যাতে উপনীত হ'ব পাৰে তাৰবাবে বিদ্যালয়ৰ ফলপ্ৰসূতা বৃদ্ধিকাৰী ব্যৱস্থাবোৰ উন্নত কৰি তোলাৰ প্ৰয়াস কৰা হৈছে। নতুন কার্যসূচীখনে পূর্বৰ সর্বশিক্ষা অভিযান (SSA), ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান (RMSA) আৰু শিক্ষকৰ শিক্ষা (TE) আঁচনিৰ স্থান লৈছে।

'সমগ্ৰ শিক্ষা' আঁচনিৰ প্ৰধান উদ্দেশ্যবোৰ হ'ল শিক্ষার্থীক উৎকৃষ্ট মানৰ শিক্ষাদান কৰা, শিক্ষার্থীৰ শিকন ফলাফল উন্নত কৰা, সামাজিক তথা সামাজিক লিংগ ভিত্তিক ব্যৱধান নাইকীয়া কৰা, বিদ্যালয় স্তৰৰ শিক্ষাত সমতা তথা সকলোকে সামৰি লোৱাৰ নীতি সুনিশ্চিত কৰা, বিদ্যালয়ত উপলব্ধ সা-সুবিধাবোৰৰ ন্যূনতম মান নিশ্চিত কৰা, শিক্ষাৰ বৃত্তিমুখীকৰণৰ প্ৰয়াসবোৰৰ পৃষ্ঠপোষকতা কৰা, ২০০৯ চনৰ 'শিশুৰ বিনামূলীয়া আৰু বাধত্যামূলক শিক্ষা লাভৰ অধিকাৰ আইনখন কার্যৰূপায়িত কৰা, SCERTs/ SIEs/ DIET- ৰ দৰে অনুষ্ঠানবোৰ সবল তথা উন্নীত কৰি এইবোৰক শিক্ষক প্ৰশিক্ষণৰ ন'ডেল অভিকর্তাৰ ৰূপ দিয়া। আশা কৰা হৈছে যে শিক্ষাৰ এই নতুন সংহত প্ৰয়াসবোৰে শিক্ষাৰ সার্বজনীনকৰণৰ সপোনটো অতি সোনকালে বাস্তৱ কৰি তুলিব।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ 'অসমৰ বাধ্যতামূলক প্ৰাথমিক শিক্ষা আইন'খন কোন চনত গৃহিত কৰা হৈছিল।

.....

প্ৰশ্ন নং ২ঃ DPEP ৰ সম্পূর্ণ ৰূপটো কি?

.....

প্ৰশ্ন নং ৩ঃ ২০০৯ চনৰ শিক্ষাৰ অধিকাৰ আইনৰ যিকোনো এটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

১৩.৪ অসমত মাধ্যমিক শিক্ষাৰ বিকাশ

আধুনিক সময়ত মাধ্যমিক পৰ্যায়ৰ শিক্ষাক এটা অত্যন্ত গুৰুত্বপূৰ্ণ কাৰ্যকৌশলগত স্থানত ৰখা হয়। প্ৰাথমিক আৰু উচ্চ শিক্ষাৰ মাজত অৱস্থান লোৱা মাধ্যমিক শিক্ষাই পূৰৱৰ্তী আৰু পৰৱৰ্তী উভয় স্তৰৰ শিক্ষাৰে প্ৰভাৱিত হয়। মধ্যৱৰ্তী যোগসূত্ৰ হিচাপে ই নিম্ন স্তৰৰ শিক্ষাৰ গতি স্থিৰ কৰি দিয়ে আৰু উচ্চ শিক্ষাৰ ভেটি নিৰ্মাণ কৰে। মাধ্যমিক শিক্ষাক দুটা বহল ভাগত ভগোৱা হয়- উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক।

১৩.৪.১ প্ৰাক্-স্বাধীনতা কালত হোৱা বিকাশ

আগতেই উল্লেখ কৰা হৈছে যে ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত অসমৰ শাসন বৃটিছৰ হাতলৈ যায়। সেই সময়ত লিখা-পঢ়া জনা লোক বিচাৰি পোৱাটো কষ্টসাধ্য আছিল। নৰ্থ-ইষ্ট ফ্ৰণ্টিয়াৰ এজেন্সীৰ প্ৰথমজন গৰ্ভণৰৰ দায়িত্বভাৰ পোৱা ডেভিদ স্ক'টে এই অৱস্থাটো অতি সোনকালে বুজি উঠিছিল। তেওঁ অঞ্চলটোত ইংৰাজী মাধ্যমৰ বিদ্যালয় স্থাপনৰ চেষ্টা চলাইছিল। তেওঁৰ পাছত অহা বিষয় কেপ্টেইন জেন্‌কিন্সে ১৮৩৫ চনৰ ১৫ জুনত গুৱাহাটীত 'গুৱাহাটী চেমিনাৰী' নামৰ প্ৰথমখন ইংৰাজী ভাষা শিকোৱা বিদ্যালয় স্থাপন কৰিছিল। বৰ্তমান এই বিদ্যালয়খনক 'কটন কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয়' নামেৰে জনা যায়। এইখন বিদ্যালয়ক অসমত উচ্চ শিক্ষাৰ দুৱাৰ মুকলি কৰা প্ৰথমখন শিক্ষানুষ্ঠান বুলি অভিহিত কৰা হয়। ১৮৪১ চনত শিৱসাগৰত দ্বিতীয়খন উচ্চ মাধ্যমিক বিদ্যালয় (হাইস্কুল) খোলা হয়। বৰ্তমান এই বিদ্যালয়খনৰ নাম হ'ল 'শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়'। ১৮৭৩-৭৪ চনৰ ভিতৰত বৃটিছ প্ৰশাসনে অসমৰ বিভিন্ন স্থানত মুঠ ৬ খন উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰিছিল।

'উডৰ ঘোষণাপত্ৰ'ই ভাৰতৰ আন অঞ্চলৰ দৰে অসমৰো মাধ্যমিক শিক্ষা খণ্ডক প্ৰভাৱিত কৰিছিল। ঘোষণাপত্ৰত থকা পৰামৰ্শৰ আধাৰত ১৮৭৪ চনত অসমত এটা শিক্ষা বিভাগ গঠন কৰা হৈছিল। এই বিভাগৰ অধীনত এজন ৰাজহুৱা প্ৰশাসন নিৰ্দেশক নিযুক্তি দিয়া হৈছিল। বিদ্যালয়সমূহ পৰিদৰ্শন কৰিবলৈ বিদ্যালয় পৰিদৰ্শক নিযুক্তি দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল।

১৮৮২ চনৰ হাণ্টাৰ আয়োগৰ পৰামৰ্শৰ ভিত্তিত আসমৰ মাধ্যমিক শিক্ষা স্তৰৰ বিকাশ ঘটোৱাৰ প্ৰয়াস কৰা হৈছিল। আয়োগে মাধ্যমিক শিক্ষা খণ্ডৰ পৰা চৰকাৰী দায়িত্ব প্ৰত্যাহাৰ কৰি ব্যক্তিগত উদ্যোগক সেই দায়িত্ব সঁপি দিয়াৰ পৰামৰ্শ আগবঢ়াইছিল। প্ৰতিখন জিলাতে ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰৰ আৰ্হি হ'ব পৰাকৈ একোখন চৰকাৰী বিদ্যালয় থাকিব, ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহক সাহায্যৰূপী অনুদান আগবঢ়োৱা হ'ব। কিন্তু অসমত ব্যৱহাৰিকভাৱে এই পৰামৰ্শসমূহ কাৰ্যৰূপায়িত কৰিব পৰা নগ'ল। ইয়াৰ পৰিণামস্বৰূপে ৰাজ্যত উচ্চ মাধ্যমিক বিদ্যালয়ৰ সংখ্যা ভবা ধৰণে নাবাঢ়িল। ১৯০০ চনলৈ অসমত মাত্ৰ ২০ খন উচ্চ মাধ্যমিক বিদ্যালয় থকাৰ খতিয়ান পোৱা যায়। ইয়াৰে ১০ খন চৰকাৰী আৰু ১০ খন আছিল ব্যক্তিগত খণ্ডৰ বিদ্যালয়। ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহ পৰিচালনা কৰিবলৈ বিদ্যালয় ব্যৱস্থাপনা সমিতি গঠন কৰা হৈছিল।

১৯০৪ চনত লৰ্ড কাৰ্জনে তেওঁৰ শিক্ষানীতি ঘোষণা কৰিছিল। ইয়াত স্পষ্টকৈ কোৱা হৈছিল যে সকলো সম্প্ৰদায়ৰ স্বাৰ্থ ৰক্ষাৰ খাটিৰত চৰকাৰে সকলো বিদ্যালয়ে আগবঢ়োৱা শিক্ষাত দৃষ্টি ৰখাটো বাধ্যতামূলক। বিদ্যালয়সমূহ ব্যক্তিগত অথবা ৰাজহুৱা কৰ্তৃপক্ষ যিয়েই পৰিচালনা নকৰক কিয়, বিদ্যালয়সমূহে ৰাজহুৱা পুঁজিৰ পৰা কোনো অনুদান লাভ কৰক অথবা নকৰক- চৰকাৰৰ বাধ্যবাধকতা হ'ল সকলো বিদ্যালয়ে যাতে সুস্থ শিক্ষা দিয়ে তালৈ চকু দিয়া। এই নীতি কাৰ্যৰূপায়িত কৰাৰ তাৎক্ষণিক পৰিণামস্বৰূপে অসমৰ কেইবাখনো উচ্চ মাধ্যমিক বিদ্যালয় বন্ধ কৰা হৈছিল। ১৯০৫ চনত কাৰ্জনে অসমৰ প্ৰশাসনক পূৰ্ববংগ প্ৰশাসনৰ সৈতে সংলগ্ন কৰিছিল। ইয়াৰ পাছতে ঢাকাৰ পৰা অসমৰ শিক্ষা ব্যৱস্থা নিয়ন্ত্ৰণ কৰা হৈছিল। এই সময়ছোৱাত ধুবুৰী, নগাঁও, তেজপুৰ,

শিৱসাগৰ, ডিব্ৰুগড় আৰু গুৱাহাটীত কেইখনমান বিদ্যালয় স্থাপন কৰা হৈছিল। ১৯১২ চনত অসমক সুকীয়া ৰাজ্যৰ মর্যদা দিয়াৰ পাছতহে ৰাজ্যখনত মাধ্যমিক শিক্ষাৰ ভেটিটো সবল হৈছিল।

১৯১৯ চনত ভাৰত চৰকাৰে দ্বৈত শাসন নীতি প্ৰৱর্তন কৰিছিল। এই নীতিৰ ফলত প্ৰশাসনীয় প্ৰক্ৰিয়াবোৰলৈ বহুতো পৰিৱর্তন আহিছিল। শিক্ষাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰসমূহক স্বাধীনতা দিয়া হৈছিল। ১৯১২-১৯৪৭ চনৰ ভিতৰত অসমৰ মাধ্যমিক শিক্ষা ব্যৱস্থালৈও তাৎপর্যপূর্ণ পৰিৱর্তন আহিছিল।

স্বাধীনতা লাভৰ আগৰ সময়ছোৱাত বৃটিছ শাসিত ভাৰতৰ মাধ্যমিক শিক্ষা ব্যৱস্থাটোক তিনিটা ভাগত ভগোৱা হৈছিল-

- মধ্য ইংৰাজী বিদ্যালয় (চতুর্থ শ্ৰেণীৰ পৰা ষষ্ঠ শ্ৰেণীলৈ)
- মাধ্যমিক ভাষা বিদ্যালয় (চতুর্থ শ্ৰেণীৰ পৰা ষষ্ঠ শ্ৰেণীলৈ)
- উচ্চ মাধ্যমিক বিদ্যালয় (সপ্তম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ)

স্বাধীনতা লাভৰ আগৰ সময়ছোৱাত অসমৰ উচ্চ মাধ্যমিক বিদ্যালয়সমূহক কলিকতা বিশ্ববিদ্যালয়ে অনুমোদন আৰু স্বীকৃতি দিছিল। কাৰণ, ভাৰত স্বাধীন হোৱাৰ সময়লৈকে অসমত কোনো বিশ্ববিদ্যালয় নাছিল। কলিকতা বিশ্ববিদ্যালয়ে অসমৰ 'মেট্ৰিকুলেশ্যন' পৰীক্ষা পৰিচালনা কৰিছিল।

সাৰণী নং ১৩.১-ত ১৯১৯-২০ চনৰ পৰা ভাৰত স্বাধীন হোৱাৰ সময়লৈকে অসমত স্থাপন কৰা মধ্য ইংৰাজী বিদ্যালয় আৰু উচ্চ মাধ্যমিক বিদ্যালয়বোৰৰ সংখ্যা তুলি দিয়া হৈছে।

বর্ষ	উচ্চ মাধ্যমিক বিদ্যালয়	মধ্য ইংৰাজী বিদ্যালয়
১৯১৯-২০	৩৮	২৫৮
১৯৩৬-৩৭	৮৪	৪৬৬
১৯৪৬-৪৭	১৯১	৭৪২

উৎসঃ 'Education in Assam 1947-48', অসম চৰকাৰ

১৩.৪.২ স্বাধীনোত্তৰ কালত হোৱা বিকাশ

ভাৰত স্বাধীন হোৱাৰ পাছত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ উভয়ে দেশৰ মাধ্যমিক শিক্ষা খণ্ডটোক আধুনিক ৰূপ দিবলৈ নানা ব্যৱস্থা গ্ৰহণ কৰিছিল। এই সময়ছোৱাত মাধ্যমিক শিক্ষাৰ প্ৰগতিৰ বাবে গ্ৰহণ কৰা দুটামান উল্লেখযোগ্য ব্যৱস্থা হ'ল-

- **গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনঃ** ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল। ইয়াৰ পাছতে ৰাজ্যৰ মাধ্যমিক শিক্ষা ব্যৱস্থা পৰিচালনা তথা প্ৰশাসনৰ ভাৰ কলিকতা বিশ্ববিদ্যালয়ৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়লৈ স্থানান্তৰ কৰা হৈছিল। ই মাধ্যমিক শিক্ষাৰ দ্ৰুত প্ৰসাৰত সহায় কৰিছিল। ১৯৫৩-৫৪ চনত আসমত ৩৩৮ খন উচ্চ মাধ্যমিক বিদ্যালয়ে সক্ৰিয়ভাৱে শিক্ষাদান কৰি আছিল।
- **মাধ্যমিক শিক্ষা আয়োগৰ পৰামর্শাৱলী ঃ** মাধ্যমিক শিক্ষা আয়োগৰ পৰামর্শ মতে আসমত ১১ বছৰীয়া বিদ্যালয় পর্যায়ৰ শিক্ষানীতি আৰম্ভ হৈছিল। ইয়াৰ লগে লগে পূর্বৰ দুবছৰীয়া মধ্যৱর্তী শিক্ষা স্তৰটো অপ্ৰচলিত হৈ পৰিছিল। ইয়াৰে প্ৰথম বছৰটো মহাবিদ্যালয় স্তৰৰ শিক্ষাৰ সৈতে যোগ হৈছিল। বিদ্যালয় স্তৰৰ শিক্ষাক ১০ বছৰীয়া উচ্চ মাধ্যমিক শিক্ষা স্তৰৰ পৰা ১১ বছৰীয়া উচ্চতৰ মাধ্যমিক শিক্ষালৈ উন্নীত কৰা হৈছিল।
- **অসম মাধ্যমিক শিক্ষা আইন, ১৯৬১ ঃ** ১৯৬২ চনৰ আগলৈকে অসম চৰকাৰ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ক ৰাজ্যৰ মাধ্যমিক শিক্ষা ব্যৱস্থাটোৰ নিয়ন্ত্ৰক কর্তৃপক্ষ বুলি গণ্য কৰা হৈছিল। বিশ্ববিদ্যালয়ে শৈক্ষিক দিশবোৰ আৰু চৰকাৰে প্ৰশাসনীয় বিষয়বোৰ চোৱাচিতা কৰিছিল। এই পৰিচালনাই মাধ্যমিক শিক্ষাৰ প্ৰসাৰত কিছুমান সমস্যাৰ সৃষ্টি কৰিছিল। অৱশেষত চৰকাৰে ১৯৬১ চনত মাধ্যমিক শিক্ষা আইন গৃহিত কৰিছিল। আইনখনৰ উল্লেখযোগ্য বৈশিষ্ট্যবোৰ হ'ল-

- আইনখন সমগ্ৰ অসমতে প্ৰযোজ্য হ'ব।
- চৰকাৰে স্বীকৃতি দিয়া কোনো মাধ্যমিক স্তৰৰ বিদ্যালয়তে বিশ্ববিদ্যালয় নাইবা আন কোনো বোৰ্ডৰ নিয়ন্ত্ৰণ কৰ্তৃত্ব নাথাকিব।
- ৰাজ্যৰ মাধ্যমিক স্তৰৰ শিক্ষা ব্যৱস্থাটো পৰিচালনা, নিয়ন্ত্ৰণ তথা বিকাশৰ বাবে এখন মাধ্যমিক শিক্ষা বোৰ্ড গঠন কৰা হ'ব। ৰাজহুৱা নিৰ্দেশনা বিভাগৰ সঞ্চালক গৰাকী এই বোৰ্ডৰ অধ্যক্ষৰ আসনত বহিব।

- **মাধ্যমিক শিক্ষা বোৰ্ডৰ কৰ্তব্য আৰু দায়িত্ব ঃ**
  - পাঠ্যক্ৰম প্ৰস্তুতকৰণ,
  - পৰীক্ষা আয়োজন তথা পৰিচালনা,
  - প্ৰমাণপত্ৰ প্ৰদান,
  - পাঠ্যপুথি বাছনি,
  - বিদ্যালয়ক স্বীকৃতি প্ৰদানকাৰী নীতি-নিয়ম প্ৰস্তুতকৰণ আৰু
  - শিক্ষকৰ শিক্ষাগত অৰ্হতা নিৰূপণ ইত্যাদি।
- **অসম মাধ্যমিক শিক্ষা বোৰ্ড (SEBA)ৰ গঠন, ১৯৬২ চন ঃ** মাধ্যমিক শিক্ষা আইনৰ ফলাফল স্বৰূপে অসমৰ মাধ্যমিক স্তৰৰ শিক্ষা ব্যৱস্থাৰ প্ৰশাসন তথা পৰিচালনাৰ দিশ দুটাৰ তদাৰক কৰিবলৈ ১৯৬২ চনত অসম মাধ্যমিক শিক্ষা বোৰ্ড গঠন কৰা হৈছিল। বোৰ্ডে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা প্ৰশাসনীয় ক্ষমতা নিজৰ হাতলৈ আনিছিল। বোৰ্ডক ১০ বছৰীয়া মেট্ৰিকুলেশ্যন পৰীক্ষা (বৰ্তমান হাইস্কুল শিক্ষান্ত পৰীক্ষা বুলি জনাজাত) আৰু ১১ বছৰীয়া উচ্চতৰ মাধ্যমিক পৰীক্ষা পতাৰ ক্ষমতা দিয়া হৈছিল। ৰাজ্যিক শিক্ষা আয়ুক্তক SEBA ৰ অধ্যক্ষৰ দায়িত্ব দিয়া হৈছিল। ইয়াৰ মুখ্যালয় গুৱাহাটীত।
- **কোঠাৰী আয়োগৰ পৰামৰ্শাৱলী ঃ** ১৯৬৪-৬৬ চনৰ ভাৰতীয় শিক্ষা আয়োগ (কোঠাৰী আয়োগ)ৰ প্ৰতিবেদনখনক আধুনিক ভাৰতীয় বিদ্যালয় শিক্ষা ব্যৱস্থাত নতুন যুগৰ সূচনাকাৰী পৰামৰ্শাৱলীৰ সমষ্টি বুলি বিবেচনা কৰা হয়। আয়োগৰ পৰামৰ্শসমূহৰ কাৰ্যৰূপায়ণ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ পাছতেই অসমৰ উচ্চ মাধ্যমিক বিদ্যালয়বোৰে তাৎপৰ্যপূৰ্ণ বিকাশ প্ৰদৰ্শন কৰিছে। আয়োগৰ পৰামৰ্শ মানি SEBA- য়ো অসমত ১০+২+৩ গাঁথনিৰ শিক্ষা ব্যৱস্থাৰ প্ৰচলন আৰম্ভ হোৱাৰ পাছতেই অসমত মাধ্যমিক বিদ্যালয়ৰ সংখ্যা দ্ৰুত গতিত বৃদ্ধি পাইছে। ১৯৮৪ চনত শিক্ষা সম্প্ৰসাৰণৰ লক্ষ্যক অধিক গতিশীল কৰিবলৈ অসম উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদ (AHSEC) গঠন কৰা হৈছিল। এই পৰিষদখন গঠন কৰোতে কোঠাৰী আয়োগৰ পৰাৰ্শাৱলী মানি চলা হৈছিল। উচ্চতৰ মাধ্যমিক স্তৰৰ শিক্ষাৰ প্ৰশাসনীয় তথা শৈক্ষিক দিশবোৰ পৰিষদে চোৱা-চিতা কৰিছিল।
- **১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ প্ৰভাৱ ঃ** ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে সমগ্ৰ দেশত ১০+২+৩ পদ্ধতিৰ শিক্ষা ব্যৱস্থা প্ৰৱৰ্তনৰ পৰামৰ্শ দিছিল। NPE ৰ মতে বিজ্ঞান, কলা, সমাজ বিজ্ঞান তথা বাণিজ্য শাখাক আধাৰ কৰি লৈ মাধ্যমিক পৰ্যায়ৰ শিক্ষা প্ৰদান কৰা উচিত। উচ্চ মাধ্যমিক স্তৰৰ শিক্ষাত বৃত্তিমুখী শিক্ষাক এক বাধ্যতামূলক শিক্ষাৰূপে সংলগ্ন কৰা উচিত। কোঠাৰী আয়োগৰ প্ৰতিবেদনত 'নৱোদয় বিদ্যালয়' স্থাপনৰ পৰামৰ্শ দিয়া হৈছিল। দেশৰ দূৰ্গম আৰু দূৰণিবটীয়া অঞ্চলত স্থাপন কৰিব খোজা এই বিদ্যালয়বোৰে সমাজৰ পিছপৰা সম্প্ৰদায়ৰ ল'ৰা-ছোৱালীক শিক্ষা গ্ৰহণৰ সমান সুযোগ দিব বুলি ভবা হৈছিল। ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ ১৯৯২ চনত সংশোধন কৰা হৈছিল। সংশোধিত নীতিতো দেশৰ ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থাৰ আৰ্হিটো উমৈহতীয়া কৰি ৰখাৰ কথা কোৱা হৈছিল। এই পৰামৰ্শ অনুসৰি সমগ্ৰ দেশতে ১০+২+৩ গাঁথনিটো গ্ৰহণ কৰা হৈছিল। প্ৰাথমিক পৰ্যায়ৰ ১০ বছৰীয়া শিক্ষাকালটোক পুনৰ তিনিটা ভাগত ভগাই প্ৰথম ৫ বছৰ প্ৰাথমিক, তাৰ পাছৰ ৩ টা বছৰ উচ্চ প্ৰাথমিক আৰু শেষৰ ২ টা বছৰ উচ্চ মাধ্যমিক কৰা হৈছে। সমগ্ৰ দেশতে +২ স্তৰৰ শিক্ষাক বিদ্যালয় শিক্ষাৰ অংশৰূপে গ্ৰহণ কৰোৱাৰ প্ৰয়াস চলি আছে। অসমতো এই নীতি প্ৰয়োগ কৰাৰ ফলত নগৰ তথা গ্ৰামঞ্চল উভয়ৰে মাধ্যমিক স্তৰৰ শিক্ষাৰ মান আৰু

বিদ্যালয়ৰ সংখ্যা দুয়োটা উন্নত হৈছে।

- **ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান** (RMSA) ঃ ২০০৯ চনৰ মাৰ্চ মাহত 'ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান' নামৰ আঁচনিৰখনৰ পাতনি মেলা হৈছিল। ইয়াৰ উদ্দেশ্য আছিল দেশৰ মাধ্যমিক স্তৰৰ শিক্ষাৰ মান তথা সুচলতা বৃদ্ধি কৰা। ২০০৯-১০ চনৰ পৰা আঁচনিখন কাৰ্যকৰী কৰা হৈছে। ২০০৫-০৬ চনত দেশত মাধ্যমিক স্তৰৰ শিক্ষা গ্ৰহণৰ বাবে নামভৰ্তি কৰা শিক্ষাৰ্থীৰ পৰিমাণ আছিল ৫২.২৬%। নতুন আঁচনিখন প্ৰৱৰ্তন কৰাৰ পাছত এই পৰিমাণ ৭৫% হ'ব বুলি আশা কৰা হৈছিল। যিকোনো প্ৰকাৰৰ বসতিস্থলৰ পৰা যুক্তিসংগত দূৰত্বত থকা সকলো বিদ্যালয়তে নামভৰ্তিৰ সংখ্যা বাঢ়িব বুলি ভবা হৈছিল। আঁচনিখনৰ আন এটা উদ্দেশ্য আছিল শিক্ষাৰ উৎকৰ্ষ সাধন কৰা। ইয়াৰ বাবে দেশৰ সকলো মাধ্যমিক বিদ্যালয়কে অনুমোদিত নীতি-নিয়ম মানি চলি নিজ নিজ বিদ্যালয়ৰ পৰা সামাজিক লিংগভিত্তিক বৈষম্য, আৰ্থ-সামাজিক বৈষম্য আৰু শাৰীৰিক বিকলাংগতাৰ বাধা আঁতৰোৱাৰ পৰামৰ্শ দিয়া হৈছিল। দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনা কালৰ সামৰণি পৰালৈকে, অৰ্থাৎ ২০১৭ চনৰ ভিতৰত দেশৰ মাধ্যমিক স্তৰৰ শিক্ষাক সাৰ্বজনীনভাৱে সুচল কৰি তোলা আৰু ২০২০ চনৰ ভিতৰত আধাতে শিক্ষা বাদ দিয়াৰ সমস্যাটো নাইকিয়া কৰি সাৰ্বজনীন শিক্ষা সমাপ্তিৰ লক্ষ্যত উপনীত হোৱাৰ কথা ভবা হৈছিল। অসমত বৰ্তমানেও এই আঁচনিখন প্ৰযোজ্য হৈ আছে।
- **সমগ্ৰ শিক্ষা** (SEBA) ঃ অনুগ্ৰহ কৰি প্ৰাথমিক শিক্ষা শিতানটো আকৌ এবাৰ পঢ়ি চাওক।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ঃ অসমত কোন চনত প্ৰথমখন উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰা হৈছিল।

.....

প্ৰশ্ন নং ৫ঃ SEBA ৰ সম্পূৰ্ণ ৰূপটো কি?

.....

১৩.৫ অসমত উচ্চ শিক্ষাৰ বিকাশ

উচ্চ শিক্ষাৰ ধাৰণাটোৱে মহাবিদ্যালয়, বিশ্ববিদ্যালয়, প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান আদিত গ্ৰহণ কৰা শিক্ষাৰ কথা বুজায়। এনে শিক্ষা সাধাৰণতে প্ৰাপ্তবয়স্ক ব্যক্তিয়ে গ্ৰহণ কৰে। জটিলতা আৰু আকলনৰ দিশেৰে ইয়াক জ্ঞানৰ 'উচ্চতৰ' স্তৰ বুলি ধৰা হয়। উচ্চ শিক্ষাই শিক্ষাৰ্থীক সু-সংস্কৃত আৰু প্ৰবুদ্ধ কৰি তোলে। এনে শিক্ষাই সচেতনতা বঢ়ায়, মনৰ দিগন্ত প্ৰসাৰিত কৰে, বোধশক্তি ব্যাপক কৰি তোলে, দৃষ্টিভংগী তীক্ষ্ণ কৰে আৰু সংবেদনশীলতা গভীৰ কৰে। উচ্চ শিক্ষাই ব্যক্তিক অজ্ঞানতা আৰু অন্ধবিশাসৰ পৰা মুক্ত কৰে। অৰ্থনৈতিক বিকাশ আৰু বিজ্ঞান তথা প্ৰযুক্তিৰ জ্ঞানৰ ক্ষেত্ৰত ব্যক্তিক আত্মনিৰ্ভৰশীল কৰি তোলাত এনে শিক্ষাই তাৎপৰ্যপূৰ্ণ ভূমিকা লয়। মানৱ সম্পদৰ বিকাশ তথা একত্ৰকৰণ, নেতৃত্ব দিব পৰা ব্যক্তিৰ বিকাশ আৰু সামাজিক সমালোচনা কৰিব পৰা চিন্তাশীল নাগৰিক সৃষ্টিতো উচ্চ শিক্ষাৰ ভূমিকা গুৰুত্বপূৰ্ণ।

১৩.৫.১ প্ৰাক্-স্বাধীনতা কালত হোৱা বিকাশ

১৮৬৬ চনত 'গুৱাহাটী চেনিমালী' বিদ্যালয়ত পোন প্ৰথমবাৰৰ বাবে কলা শাখাৰ শ্ৰেণীসমূহ আৰম্ভ কৰা হৈছিল। অসমৰ উচ্চ শিক্ষা খণ্ডৰ বিকাশত এই সংযোজনে এক নতুন অধ্যায়ৰ সূচনা কৰিছিল। এই শ্ৰেণীসমূহক 'ফাৰ্ষ্ট আৰ্টচ্ ক্লাছেচ' (F.A Classes) বুলি কোৱা হৈছিল। এই শ্ৰেণীবোৰৰ ব্যৱস্থাপনা, প্ৰশাসন আৰু পৰীক্ষা সংক্ৰান্তীয় সকলো দিশ কলিকতা বিশ্ববিদ্যালয়ৰ অধীন আছিল। ১৮৭৬ চনৰ শেষৰ ফালে কিছুমান বিশেষ অসুবিধাৰ বাবে 'F.A. Class' বোৰ উঠাই দিয়া হৈছিল।

১৮৯২ চনত তেতিয়াৰ অসম (বৰ্তমান বাংলাদেশ)ৰ চিলেট জিলাত মূৰাৰী চান্দ মহাবিদ্যালয় স্থাপন

কৰা হৈছিল। মহাবিদ্যালয়খনে দ্রুত গতিত উন্নতিৰ পথেৰে আগবাঢ়ি গৈছিল। ১৯১৫-১৬ চনত কলিকতা বিশ্ববিদ্যালয়ে মূৰাৰীচান্দ মহাবিদ্যালয়ক 'ফার্ষ্ট গ্রেড ক'লেজ' (উৎকৃষ্ট মহাবিদ্যালয়)ৰ স্বীকৃতি প্রদান কৰিছিল।

১৮৯৯ চনত মাণিক চন্দ্র বৰুৱাই অসমত এখন মহাবিদ্যালয় স্থাপন কাৰ গুৰুভাৰ কান্ধ পাতি লৈছিল। তেওঁৰ নেৰাপেপেৰা উদ্যম আৰু প্রয়াসৰ ফলতে ১৯০১ চনত কটন মহাবিদ্যালয়ে আত্মপ্রকাশ কৰিছিল। এইখন হ'ল অসমৰ প্রথমখন পূর্ণাংগ উচ্চ শিক্ষানুষ্ঠান। বর্তমান ই এখন বিশ্ববিদ্যালয়ত পৰিণত হৈছে।

১৯৩০ চনত অসমৰ প্রসিদ্ধ চাহ ব্যৱসায়ী মূৰুলীধৰ বৰুৱাই যোৰহাট নগৰৰ কেন্দ্রস্থলত থকা এটা বিশাল চৌহদ আৰু এটা সুবৃহৎ ভৱন এখন মহাবিদ্যালয় স্থাপন কৰাৰ কামত ব্যৱহাৰৰ অর্থে দান দিছিল। তাত তেওঁৰ ককাদেউতাক জগন্নাথ বৰুৱাৰ স্মৃতিত এখন মহাবিদ্যালয় স্থাপন কৰা হৈছিল। বর্তমান মহাবিদ্যালয়খন 'জে.বি.কলেজ' নামেৰে সুপৰিচিত। ইয়াত কলা, বিজ্ঞান আৰু বাণিজ্য শাখাৰ উচ্চশিক্ষা আগবঢ়োৱা হয়। প্রথমে কেৱল স্নাতক পর্যায়ৰ শিক্ষালাভৰ সুযোগ থকা মহাবিদ্যালয়খনত বর্তমান কলা আৰু বাণিজ্য শাখাৰ বিভিন্ন বিষয়ত স্নাতকোত্তৰ পাঠ্যক্রম পঢ়াৰো সুবিধা আছে। ১৯৩৫ চনত অসমত কেইবাখনো মহাবিদ্যালয় স্থাপন কৰা হৈছিল। ইয়াৰে চেইণ্ট এন্থ'নীজ ক'লেজ, লেডী কীন ক'লেজ আৰু চেইণ্ট এডমাণ্ড্ ক'লেজ স্থাপন কৰা হৈছিল শ্বিলঙত। গুৰুচৰণ মহাবিদ্যালয় শিলচৰত আৰু সন্দিকৈ ছোৱালী মহাবিদ্যালয় স্থাপন কৰা হৈছিল গুৱাহাটীত। শ্বিলং স্থিত মহাবিদ্যালয় তিনিখন মেঘালয়ে পৃথক ৰাজ্যৰ স্বীকৃতি নোপোৱালৈকে অসমৰ ক্ষেত্রাধিকাৰৰ অন্তর্গত আছিল।

১৯৪৭ চনলৈ অসমত স্থাপন হোৱা মুঠ মহাবিদ্যালয়ৰ সংখ্যা আছিল ১৬ খন। ইয়াৰে ভিতৰত কটন মহাবিদ্যালয় আছিল একমাত্র চৰকাৰী মহাবিদ্যালয়।

১৩.৫.২ স্বাধীনোত্তৰ কালত হোৱা বিকাশ

১৯৪৭ চনৰ পাছত অসমৰ উচ্চ শিক্ষা খণ্ডই নতুন গতি লাভ কৰিছিল। ১৯৪৭ চনত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন কৰাৰ লগে লগে এই অগ্রগতি আৰম্ভ হৈছিল। ১৯৪৭-৪৮ চনত অসমৰ মুঠ মহাবিদ্যালয়ৰ সংখ্যা আছিল ১৮ খন। ১৯৬৪-৬৫ চনত এই সংখ্যা ৭৭ খনলৈ বৃদ্ধি হৈছিল। ১৯৬৫ চনত ডিব্রুগড় বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল। লগে লগে অসমৰ উচ্চ শিক্ষা ব্যৱস্থাটোৰ সম্প্রসাৰণ ঘটিছিল। উচ্চ শিক্ষানুষ্ঠানৰ সংখ্যা বঢ়াৰ সমানে নামভর্তি কৰা শিক্ষার্থীৰ সংখ্যাও বাঢ়িছিল। ২০১২ চনৰ তথ্য অনুসৰি অসমত বর্তমান মুঠ ৬৩৮ খন মহাবিদ্যালয় আৰু ৮ খন বিশ্ববিদ্যালয় আছে।

১৯৮৬ চনৰ ৰাষ্ট্রীয় শিক্ষানীতিৰ নিয়ম অনুসৰি বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC) এ ইয়াৰ ক্ষমতা আৰু কর্তৃত্বৰ বিকেন্দ্রীকৰণ ঘটাই ৭টা আঞ্চলিক কার্যালয় স্থাপন কৰিছিল। ফলত বিভিন্ন ৰাজ্যৰ ভিন্নিধর্মী শৈক্ষিক প্রয়োজনীয়তা পূৰণৰ কাম সহজ হৈ পৰিছিল। UGC-NER কার্যালয়টো ১৯৯৫ চনত গুৱাহাটীত মুকলি কৰা হৈছিল। এই কার্যালয়ে পৰিচালনা কৰা বিভিন্ন আঁচনিয়ে উত্তৰ-পূর্বাঞ্চলৰ ৰাজ্যসমূহৰ থকা মহাবিদ্যালয় তথা বিশ্ববিদ্যালয়বোৰৰ ভিন্নমুখী প্রয়োজনীয়তা পূৰণৰ চেষ্টা কৰে। এনে দুটামান প্রয়োজনীয়তা হ'ল- মহিলা শিক্ষার্থীৰ বাবে আৱাসিক পৰিসৰ, খেল-ধেমালিৰ বাবে ক্রিয়াকেন্দ্রিক আন্তঃগাঁথনি, শিক্ষক বিকাশ কার্যসূচী (FDP), সামগ্রী আৱশ্যকতা পৰিকল্পনা (MRP), আলোচনা চক্র/ সন্মিলন/ কর্মশালাৰ আয়োজন, সাধাৰণ কর্তব্য সহায়ক (GDA), কার্যসূচী/মহাবিদ্যালয় উন্নয়ন, আভ্যন্তৰীণ গুণমান নিশ্চিতকাৰী কোষ (IQAC), গঠন, স্ব-নিয়ন্ত্রিত মহাবিদ্যালয় স্থাপনত সহায় আৰু ৰাজ্যিক/চৰকাৰী মহাবিদ্যালয়সমূহলৈ সাধাৰণ উন্নয়ন অনুদান আগবঢ়োৱা আদি। আঞ্চলিক কার্যালয়টো স্থাপন হোৱাৰ পাছৰে পৰা অসমৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহে আন্তঃগাঁথনি, গৱেষণা তথা অন্য উন্নয়নমূলক উদ্দেশ্যত নিয়মীয়াকৈ আয়োগৰ পৰা অনুদান লাভ কৰি আহিছে।

বিংশ শতিকাৰ শেষৰটো দশকত অসমত হোৱা উচ্চ শিক্ষাৰ বিকাশে এক নতুন যুগৰ সূচনা কৰিছে। ১৯৯৩ চনত তেজপুৰ আৰু শিলচৰত দুখন কেন্দ্রীয় বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল। ১৯৯৪ চনত গুৱাহাটীত ভাৰতীয় প্রযুক্তিবিদ্যা প্রতিষ্ঠান (IIT)ৰ শাখা খোলা হৈছিল। ১৯৯০ ৰ দশকৰ উদাৰীকৰণ- ব্যক্তিগতকৰণ-বিশ্বায়ন

নীতিৰ উত্থানে সমগ্ৰ ভাৰতৰ শিক্ষা খণ্ডক তাৎপর্যপূর্ণভাৱে সলনি কৰিছিল। ভাৰত চৰকাৰৰ সহযোগত বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু সর্বভাৰতীয় কাৰিকৰী শিক্ষা পৰিষদ (AICTE), ৰ দৰে আনুষ্ঠানে শিক্ষাৰ গুণগত উৎকর্ষৰ আপোচ নকৰাকৈ শিক্ষা খণ্ডত ব্যক্তিগত পক্ষৰ বিনিয়োগক পৃষ্ঠপোষকতা আগবঢ়াই আহিছে। এই সময়ছোৱাতে সমগ্ৰ ভাৰতৰ লগতে অসমতো ব্যক্তিগত খণ্ডৰ উচ্চ শিক্ষানুষ্ঠানে লাহে লাহে গা কৰি উঠা পৰিলক্ষিত হৈছে।

শিক্ষাক গণতান্ত্রিককৰণ প্রক্রিয়াৰ এক আহিলা হিচাপে ব্যৱহাৰ কৰিবলৈ তথা উচ্চ শিক্ষাক লাভৰ সুবিধা ব্যাপক কৰি তুলিবলৈ অসমত মুক্ত আৰু দুৰৱর্তী শিকন (ODL), ব্যৱস্থাৰ প্রচলন ঘটোৱা হৈছে। ১৯৯৮ চনৰ মে' মাহৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ে 'স্নাতকোত্তৰ ডাক শিক্ষা সত্র' (PGCS), ৰ জৰিয়তে শিক্ষাদান আৰম্ভ কৰিছিল। পাছত এই শাখাটোক 'মুক্ত আৰু দূৰৱর্তী শিকন প্রতিষ্ঠান' (IDOL), বুলি নামকৰণ কৰা হৈছিল। একবিংশ শতিকাৰ প্রথমটো দশকতে অসম চৰকাৰে 'কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আইন, ২০০৫' ৰ জৰিয়তে অসমৰ প্রথমখন পূর্ণাংগ দূৰৱর্তী তথা মুক্ত শিকন বিশ্ববিদ্যালয় স্থাপন কৰে। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে ২০০৬ চনৰ ১১ ডিচেম্বৰৰ পৰা ইয়াৰ কাম-কাজ আৰম্ভ কৰে। পৰৱর্তী সময়ত আন কেইবাখনো কেন্দ্রীয় তথা ৰাজ্যিক বিশ্ববিদ্যালয়ে দূৰৱর্তী শিকন সেৱা আগবঢ়াবলৈ নিজ নিজ নির্দেশালয় (সুকীয়া শাখা) খোলে।

অসমত স্ত্রী শিক্ষাৰ বিকাশ তথা অগ্রগতি ত্বৰান্বিত কৰিবলৈ বহুকেইখন ছোৱালী মহাবিদ্যালয় আৰু এখন বিশ্ববিদ্যালয় স্থাপন কৰা হৈছে। অসম বিধানসভাই ২০১৩ চনৰ XXII আইনৰ জৰিয়তে যোৰহাটত ৰাজ্যৰ প্রথমখন মহিলা বিশ্ববিদ্যালয় স্থাপন কৰিছে। শেহতীয়া তথ্য অনুসৰি ৰাজ্যত উচ্চ শিক্ষানুষ্ঠানত নামভর্তি কৰা মহিলা শিক্ষার্থীৰ সংখ্যা পুৰুষতকৈ ভালেখিনি অধিক। ২৯১৮-১৯ চনৰ সর্বভাৰতীয় উচ্চ শিক্ষা সমীক্ষাৰ চূড়ান্ত প্রতিবেদনৰ মতে অসমত উচ্চ শিক্ষা লাভৰ বাবে নামভর্তি কৰা মুঠ শিক্ষার্থীৰ সংখ্যা হ'ল ৭,০০.১৬৩ গৰাকী। ইয়াৰে ৩,৪৭,৪৮৪ জন পুৰুষ আৰু ৩,৫২,৬৭৯ জনী মহিলা শিক্ষার্থী। এয়া এক উৎসাহৱর্দ্ধক কথা।

২০১৩ চনত কেন্দ্রীয় চৰকাৰৰ পৃষ্ঠপোষকতাত ৰাষ্ট্রীয় উচ্চতৰ শিক্ষা অভিযান (RUSA) ৰ পাতনি মেলা হৈছে। ইয়াৰ লক্ষ্য হ'ল ৰাজ্যিক স্তৰৰ উচ্চ শিক্ষানুষ্ঠানসমূহক যোগ্যতাৰ ভিত্তিত কার্যকৌশলগত পুঁজিৰ যোগান ধৰা। অসমৰ বহুতো মহাবিদ্যালয় RUSA ৰ পুঁজিৰে উপকৃত হৈছে। ইয়াৰে বহুতে আন্তঃগাঁথনি উন্নয়ন, সমতা সৃষ্টিকাৰী উদ্যম অনুদান, আর্হি মহাবিদ্যালয়লৈ উন্নীত ভৱন আদিৰ দৰে বিভিন্ন শিতানত RUSA ৰ পৰা অনুদান লাভ কৰিছে।

শেহতীয়াভাৱে অসমৰ গ্রামাঞ্চলত উচ্চ শিক্ষাৰ পোষকতা কৰিবলৈ অসম চৰকাৰে বিভিন্ন স্থানত বহুকেইখন 'চৰকাৰী আদর্শ মহাবিদ্যালয়' স্থাপন কৰিছে।

১৩.৫.৩ অসমত উচ্চ শিক্ষাৰ শেহতীয়া স্থিতি

অসমত উচ্চ শিক্ষাৰ শেহতীয়া স্থিতি জানিবলৈ আমি সর্বভাৰতীয় উচ্চ শিক্ষা সমীক্ষা (AISHE) ৰ ২০১৮-১৯ চনৰ চূড়ান্ত প্রতিবেদনখনৰ সহায় ল'ব পাৰোঁ। প্রতিবেদনখনত থকা তলত উল্লেখ কৰা পৰিমাণগত সাৰণীসমূহ পৰীক্ষা কৰিলে আমি ৰাজ্যৰ শেহতীয়া স্থিতি সম্পর্কে অৱগত হ'ব পাৰিম।

সাৰণী নং ১৩.২ ঃ অসমৰ বিশেষীকৃত পাঠ্যক্রমভিত্তিক বিশ্ববিদ্যালয়ৰ প্রকাৰ আৰু সংখ্যা (২০১৮-১৯ বর্ষ)

বিশ্ববিদ্যালয় প্রকাৰ	সংখ্যা
কেন্দ্রীয় বিশ্ববিদ্যালয়	০২
ৰাষ্ট্রীয় গুৰুত্ব থকা শিক্ষানুষ্ঠান	০৩
ৰাজ্যিক ৰাজহুৱা বিশ্ববিদ্যালয়	১০
ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	০১

বিশ্ববিদ্যালয়ৰ বিশেষীকৃতকৰণ	সংখ্যা
সাধাৰণ	১৩
কৃষি	০১
সাংস্কৃতিক অধ্যয়ন	০১
চিকিৎসা	০১

ৰাজ্যিক ব্যক্তিগত বিশ্ববিদ্যালয়	০৬
প্রকাৰভিত্তিক মুঠ বিশ্ববিদ্যালয়	২২

কাৰিকৰী	০৪
অন্য	০১
	মুঠ = ২২

উৎস ঃ AISHE, চূড়ান্ত প্রতিবেদন (২০১৮-১৯ বর্ষ), শিক্ষা মন্ত্রালয়, ভাৰত চৰকাৰ

সাৰণী নং ১৩.৩ ঃ প্রতি লাখ জনসংখ্যাৰ বিপৰীতে মহাবিদ্যালয় (১৮-২৩ বছৰ বয়স) আৰু প্রতিখন মহাবিদ্যালয়ৰ গড় নামভর্তি (২০১৮-১৯ বর্ষ)

মহাবিদ্যালয়ৰ সংখ্যা	প্রতি লাখ জনসংখ্যাৰ বিপৰীতে	প্রতিখন মহাবিদ্যালয়ৰ গড় নামভর্তি
৫৪৪	১৫ খন	৯৭১ গৰাকী

উৎস ঃ AISHE, চূড়ান্ত প্রতিবেদন (২০১৮-১৯ বর্ষ), শিক্ষা মন্ত্রালয়, ভাৰত চৰকাৰ

সাৰণী নং ১৩.৪ ঃ অসমত বিশেষীকৃত পাঠ্যক্রমভিত্তিক মহাবিদ্যালয়ৰ সংখ্যা (২০১৮-১৯ বর্ষ)

বিশেষীকৃত পাঠ্যক্রমৰ মহাবিদ্যালয়	সংখ্যা
সাধাৰণ	৩৫৯
কৃষি	০২
স্থাপত্য বিদ্যা	০১
কলা	৩৭
বাণিজ্য	১১
শিক্ষা/ শিক্ষকৰ শিক্ষা	৪২
অভিযান্ত্রিক/কাৰিকৰী	০৬
সুকুমাৰ কলা	০৩
মীন বিজ্ঞান	০১
সংৰদ্ধ স্বাস্থ্যসেৰা (পেৰা মেজিকেল)	০২
ফার্মাচী	০৫
ফিজিঅ'থেৰাপী	০১
সংস্কৃত	০১
বিজ্ঞান	০৫
সমাজ কার্য	০১
ক্রীড়া/য়োগ/ শাৰীৰিক শিক্ষা	০১
পশু চিকিৎসা	০২
হোটেল আৰু পর্যটন ব্যৱস্থাপনা	০১
আইন	১৮
ব্যৱস্থাপনা	০২
চিকিৎসা বিজ্ঞান- এল'পেথি	০৫
চিকিৎসা বিজ্ঞান-আয়ুর্বেদ	০১
চিকিৎসা বিজ্ঞান হোমিঅ'পেথি	০১
চিকিৎসা- অন্য	০৩
নাচিং	১০
অন্য	০২

উৎস ঃ AISHE, চূড়ান্ত প্রতিবেদন (২০১৮-১৯ বর্ষ), শিক্ষা মন্ত্রালয়, ভাৰত চৰকাৰ

সাৰণী নং ১৩.৫ ঃ উচ্চ শিক্ষাৰ বিভিন্ন স্তৰত শৈক্ষিক কার্যসূচী ভিত্তিক নামভর্তি (২০১৮-১৯ বর্ষ)

ক্রমিক নং	শৈক্ষিক কার্যসূচী/স্তৰ	পুৰুষ	মহিলা	মুঠ নামভর্তি
১	পি.এইচ.ডি	২৯৭০	১৯৭০	৪৯৪০
২	এম.ফিল	১৯২	২৭২	৪৬৪
৩	স্নাতকোত্তৰ	২৬৭০৯	৩৮৭২০	৬৫৪২৯
৪	স্নাতক	৩০০০৮২	২৯৬০৩৭	৫৯৬১১৯
৫	স্নাতকোত্তৰ ডিপ্ল'মা	১৬৯৪	১৫৬৪	৩২৫৮
৬	ডিপ্ল'মা	১২৭০৮	১০৯১০	২৩৬১৪
৭	চার্টিফিকেট	৭৫৬	১০৩৪	১৭৯০
৮	সংহত পাঠক্রম	২৩৭৭	২১৭২	৪৫৪৯
মুঠ		৩,৪৭,৪৮৪	৩,৫২,৬৭৯	৭,০০.১৬৩

উৎস ঃ AISHE, চূড়ান্ত প্রতিবেদন (২০১৮-১৯ বর্ষ), শিক্ষা মন্ত্রালয়, ভাৰত চৰকাৰ

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ঃ গুৱাহাটী বিশ্ববিদ্যালয় কোন চনত স্থাপন কৰা হৈছিল?

.....

প্রশ্ন নং ৭ঃ RUSA ৰ প্রধান লক্ষ্য কি?

.....

প্রশ্ন নং ৮ঃ ১৯৪৭-৪৮ চনত অসমত মুঠ কেইখন মহাবিদ্যালয় আছিল?

.....

১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মধ্যযুগত পাঠশালা, টোল, মোক্তাব আৰু সত্রৰ দৰে থলুৱা শিক্ষানুষ্ঠান সক্রিয় হৈ থকাৰ প্রমাণ পোৱা গৈছে। মধ্যযুগৰ অসমৰ পাঠশালাবোৰ বর্তমান সময়ৰ প্রাথমিক বিদ্যালয়ৰ সম-পর্যায়ৰ আছিল।
- মূলতঃ ধর্ম প্রচাৰৰ স্বার্থত খৃষ্টান মিছনেৰীসকলেও বিদ্যালয় স্থাপনৰ কাম আৰম্ভ কৰিছিল। মিছনেৰীসকলে ছাত্র-ছাত্রীক ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাই অধ্যয়ণ কৰিবলৈ উৎসাহিত কৰিছিল। পাহাৰীয়া আৰু সমতল উভয় এলেকাৰে ছোৱালীবোৰৰ বাবেও শিক্ষাৰ দুৱাৰ মিছনেৰীসকলেই মুকলি কৰি দিছিল।
- ১৯২৬ চনতহে অসমত প্রথমখন বাধ্যতামূলক প্রাথমিক শিক্ষা আইন গৃহিত কৰা হৈছিল।
- স্থানীয় স্ব-শাসন ব্যৱস্থাৰ অংশ হিচাপে ১৯৫৯ চনত অসম পঞ্চায়ত আইন প্রৱর্তন কৰা হৈছিল। ১৯৭২, ১৯৮৬ আৰু ১৯৯৪ চনত এই আইনখন তিনিবাৰ সংশোধন কৰা হৈছে। আইনৰ জৰিয়তে পঞ্চায়তসমূহক নিজ নিজ এলেকাত কৰি দেখুৱাবলৈ কিছুমান সাংস্কৃতিক আৰু শৈক্ষিক দায়িত্ব অর্পণ কৰা হৈছে।
- কেপ্টেইন জেন্‌কিন্সে ১৮৩৫ চনৰ ১৫ জুনত গুৱাহাটীত 'গুৱাহাটী চেমিনাৰী' নামৰ প্রথমখন ইংৰাজী ভাষা শিকোৱা বিদ্যালয় স্থাপন কৰিছিল। বর্তমান এই বিদ্যালয়খনক 'কটন কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয়' নামেৰে জনা যায়।

- ১৯০০ চনলৈ অসমত মাত্র ২০ খন উচ্চ মাধ্যমিক বিদ্যালয় থকাৰ খতিয়ান পোৱা যায়। ইয়াৰে ১০ খন চৰকাৰী আৰু ১০ খন আছিল ব্যক্তিগত খণ্ডৰ বিদ্যালয়। ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহ পৰিচালনা কৰিবলৈ বিদ্যালয় ব্যৱস্থাপনা সমিতি গঠন কৰা হৈছিল।
- স্বাধীনতা লাভৰ আগৰ সময়ছোৱাত অসমৰ উচ্চ মাধ্যমিক বিদ্যালয়সমূহক কলিকতা বিশ্ববিদ্যালয়ে অনুমোদন আৰু স্বীকৃতি দিছিল। কাৰণ, ভাৰত স্বাধীন হোৱাৰ সময়লৈকে অসমত কোনো বিশ্ববিদ্যালয় নাছিল। কলিকতা বিশ্ববিদ্যালয়ে অসমৰ 'মেট্রিকুলেশ্যন' পৰীক্ষা পৰিচালনা কৰিছিল।
- **গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনঃ** ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল। ইয়াৰ পাছতে ৰাজ্যৰ মাধ্যমিক শিক্ষা ব্যৱস্থা পৰিচালনা তথা প্রশাসনৰ ভাৰ কলিকতা বিশ্ববিদ্যালয়ৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়লৈ স্থানান্তৰ কৰা হৈছিল।
- ১৮৬৬ চনত 'গুৱাহাটী চেমিনাৰী' বিদ্যালয়ত পোন প্রথমবাৰৰ বাবে কলা শাখাৰ শ্রেণীসমূহ আৰম্ভ কৰা হৈছিল। অসমৰ উচ্চ শিক্ষা খণ্ডৰ বিকাশত এই সংযোজনে এক নতুন অধ্যায়ৰ সূচনা কৰিছিল। এই শ্রেণীসমূহক 'ফার্ষ্ট আর্টচ্ ক্লাছ্চে' (F.A Classes) বুলি কোৱা হৈছিল। এই শ্রেণীবোৰৰ ব্যৱস্থাপনা, প্রশাসন আৰু পৰীক্ষা সংক্রান্তীয় সকলো দিশ কলিকতা বিশ্ববিদ্যালয়ৰ অধীন আছিল।
- ১৮৯৯ চনত মাণিক চন্দ্র বৰুৱাই অসমত এখন মহাবিদ্যালয় স্থাপন কাৰ গুৰুভাৰ কান্ধ পাতি লৈছিল। তেওঁৰ নেৰাপেপেৰা উদ্যম আৰু প্রয়াসৰ ফলতে ১৯০১ চনত কটন মহাবিদ্যালয়ে আত্মপ্রকাশ কৰিছিল। এইখন হ'ল অসমৰ প্রথমখন পূর্ণাংগ উচ্চ শিক্ষানুষ্ঠান। বর্তমান ই এখন বিশ্ববিদ্যালয়ত পৰিণত হৈছে।
- ২০১৩ চনত কেন্দ্রীয় চৰকাৰৰ পৃষ্ঠপোষকতাত ৰাষ্ট্রীয় উচ্চতৰ শিক্ষা অভিযান (RUSA) ৰ পাতনি মেলা হৈছে। ইয়াৰ লক্ষ্য হ'ল ৰাজ্যিক স্তৰৰ উচ্চ শিক্ষানুষ্ঠানসমূহক যোগ্যতাৰ ভিত্তিত কার্যকৌশলগত পুঁজিৰ যোগান ধৰা।

১৩.৭ অধিক জানিবলৈ

১) Borua, Jatin. (2013). Bharatar Shiksha Itihasor Adhyayan. Guwahati: Lawyer's Book Stall.

২) Goswami & Sarma. (2012). Development of Education in India. Guwahati: Shanti Prakashan.

৩) Nurullah and Naik. (1951). A History of Education in India. Bombay: Macmillan Publishers.

৪) Ravi, S. Samuel. (2015). Education in Emerging India. Delhi: PHI Learning Pvt. Ltd.

৫) Saikia, S. (1998). History of Education in India. Guwahati: Mani Manik Prakash.

৬) Sarma, S.N.(2001): A Socio-Economic and Cultural History of Medieval Assam. Guwahati: Bina Library.

৭) Thakur & Thakur. (2014/15). Development of Education System in India: Problems and Prospects. Agra: Agrawal Publications.

✓ ১৩.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ১৯২৬ চনত।

২ নং প্রশ্নৰ উত্তৰ ঃ District Primary Education Programme।

৩ নং প্রশ্নৰ উত্তৰ ঃ শিক্ষাবর্ষ এটাৰ যিকোনো সময়তে শিশুৱে বিদ্যালয়লৈ গৈ নিজৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা গ্রহণৰ অধিকাৰ বিচাৰিব পাৰে আৰু এই অধিকাৰৰ প্রতি সন্মান প্রদর্শনৰ দাবী জনাব পাৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ ১৮৩৫ চনত।

৫ নং প্রশ্নৰ উত্তৰ ঃ Secondary Education Board of Assam.

৬ নং প্রশ্নৰ উত্তৰ ঃ ১৯৪৮ চনত।

৭ নং প্রশ্নৰ উত্তৰ ঃ ৰাজ্যিক স্তৰৰ উচ্চ শিক্ষানুষ্ঠানলৈ যোগ্যতাৰ ভিত্তিত কৌশলগতভাৱে পুঁজিৰ যোগান ধৰা।

৮ নং প্রশ্নৰ উত্তৰ ঃ ১৬ খন।

? ১৩.৯ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ১৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ অসমৰ থলুৱা প্রাথমিক শিক্ষা ব্যৱস্থাটো চমুকৈ বর্ণনা কৰক।

প্রশ্ন ২ঃ অসম প্রাথমিক শিক্ষা আইন, ১৯২৬ ৰ যিকোনো চাৰিটা নীতি উল্লেখ কৰক।

প্রশ্ন ৩ঃ ৰাষ্ট্রীয় মাধ্যমিক শিক্ষা অভিযানৰ বিষয়ে এটা টোকা প্রস্তুত কৰক।

প্রশ্ন ৪ঃ অসমৰ শেহতীয়া উচ্চ শিক্ষাৰ স্থিতি ব্যাখ্যা কৰক।

(খ) দীঘলীয়া প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ প্রাক্-স্বাধীনতা যুগৰ অসমত হোৱা প্রাথমিক শিক্ষা ব্যৱস্থাৰ বিকাশ আলোচনা কৰক।

প্রশ্ন ২ঃ স্বাধীনোত্তৰ যুগৰ অসমত হোৱা মাধ্যমিক শিক্ষা ব্যৱস্থাৰ বিকাশ আলোচনা কৰক।

প্রশ্ন ৩ঃ স্বাধীনোত্তৰ যুগৰ অসমত হোৱা উচ্চ শিক্ষা ব্যৱস্থাৰ বিকাশ আলোচনা কৰক।

প্রশ্ন ৪ঃ স্বাধীনোত্তৰ যুগৰ অসমত হোৱা মহিলা শিক্ষাৰ বিকাশ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৪ঃ শিক্ষা সার্বজনীনকৰণৰ নতুন উদ্যম

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ প্ৰাথমিক শিক্ষা সার্বজনীনকৰণৰ অর্থ
১৪.৩.১ প্ৰাথমিক শিক্ষা সার্বজনীনকৰণৰ অর্থ
১৪.৩.২ শিক্ষা সার্বজনীনকৰণৰ গুৰুত্ব
১৪.৪ শিক্ষা সার্বজনীনকৰণৰ সমস্যা
১৪.৫ সর্বশিক্ষা অভিযান আৰু শিক্ষা সার্বজনীনকৰণ
১৪.৬ মাধ্যমিক শিক্ষা সার্বজনীনকৰণ আৰু ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ ভূমিকা
১৪.৭ সমগ্ৰ শিক্ষা
১৪.৮ ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান আৰু শিক্ষা সার্বজনীনকৰণ
১৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.১০ অধিক জানিবলৈ
১৪.১১ অগ্ৰগতিৰ খতিয়ান
১৪.১২ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- প্ৰাথমিক শিক্ষা সার্বজনীনকৰণৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- প্ৰাথমিক শিক্ষা সার্বজনীনকৰণৰ স্তৰবোৰ চিনাক্ত কৰিব পাৰিব
- শিক্ষা সার্বজনীনকৰণৰ আৱশ্যকতা বর্ণনা কৰিব পাৰিব
- শিক্ষা সার্বজনীনকৰণৰ সমস্যাসমূহ চিনাক্ত কৰি সেইবোৰৰ সমাধান উলিয়াব পাৰিব
- সর্বশিক্ষা অভিযান, ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান আৰু ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানে শিক্ষা সার্বজনীনকৰণত লোৱা ভূমিকা ব্যাখ্যা কৰিব পাৰিব
- শিক্ষা সার্বজনীনকৰণত সমগ্ৰ শিক্ষাৰ ভূমিকা বিচাৰ কৰি চাব পাৰিব।

১৪.২ পৰিচয়

শিক্ষা ব্যক্তিৰ জন্মস্বত্ব। জাতি-বর্ণ-ভাষা-লিংগ নির্বিশেষে প্ৰতিগৰাকী ব্যক্তিৰে শিক্ষা অর্জন কৰাৰ অধিকাৰ আছে। উপযুক্ত বয়সত যিকোনো আনুষ্ঠানিক শিক্ষানুষ্ঠানৰ পৰা ব্যক্তিয়ে শিক্ষা গ্ৰহণৰ সুযোগ পোৱা উচিত। যিকোনো জাতিৰ অগ্ৰগতিৰ বাবে শিক্ষা হ'ল এক শক্তিশালী আহিলা। শিক্ষাৰ অবিহনে কোনো উন্নয়নৰ সপোনক বাস্তৱ ৰূপ দিব পৰা নাযায়। সেয়েহে, শিক্ষাগ্ৰহণৰ সুযোগ-সুবিধা সকলোৱে পোৱা উচিত। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে শিক্ষা প্ৰসাৰৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা উচিত। এই অধ্যায়টিৰ আলোচ্য বিষয় হ'ল শিক্ষা সার্বজনীনকৰণৰ ধাৰণা আৰু ভাৰতত প্ৰচলিত সর্বশিক্ষা অভিযান, ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান তথা ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানত এই ধাৰণাটোৰ ভূমিকা।

১৪.৩ প্রাথমিক শিক্ষা সার্বজনীনকৰণৰ অর্থ

প্রাথমিক শিক্ষা সার্বজনীনকৰণ মানে হ'ল কোনো ধৰণৰ ভেদাভেদ নৰখাকৈ দেশৰ ১৪ বছৰৰ ভিতৰত থকা সকলো ল'ৰা-ছোৱালীকে গুণগত দিশেৰে উৎকৃষ্ট শিক্ষা প্রদান কৰা। শিক্ষা সার্বজনীনকৰণৰ আন এক অর্থ হ'ল শিক্ষা গ্রহণ ব্যৱস্থাটো বিনামূলীয়া কৰি তোলা। ভাৰতীয় সংবিধানৰ ৪৫ নং অনুচ্ছেদৰ মতে কোনো বৈষম্য নৰখাকৈ দেশৰ ৬-১৪ বছৰ বয়স গোটৰ সকলো ল'ৰা-ছোৱালীকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা গ্রহণৰ সুযোগ দিব লাগিব।

আগতেই কোৱা হৈছে যে শিক্ষা সকলো ব্যক্তিৰে জন্মস্বত্ব অধিকাৰ। সেইবাবেই ৰাষ্ট্ৰ আৰু ৰাজ্যই জাতি-ধর্ম-লিংগ-সামাজিক স্থিতি-ভাষা নির্বিশেষে সকলো ল'ৰা-ছোৱালীকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্রদানৰ ব্যৱস্থা গঢ়ি তুলিব লাগিব।

১৪.৩.১ প্রাথমিক শিক্ষা সার্বজনীনকৰণৰ স্তৰ

প্রাথমিক শিক্ষা সার্বজনীনকৰণৰ প্রধান স্তৰ তিনিটা।

- **সা-সুবিধাৰ সার্বজনীনকৰণ ঃ** এই স্তৰটো বাস্তৱ কৰিবলৈ দেশৰ প্রতিটো এলেকাৰ শিশুৰে খোজ কাঢ়ি উপস্থিত হ'ব পৰা দূৰত্ব (প্রায় ১ কিলোমিটাৰ)ত প্রাথমিক পর্যায়ৰ শিক্ষা গ্রহণ কৰিব পৰাকৈ বিদ্যালয় স্থাপন কৰিব লাগিব। ৬-১৪ বছৰীয়া বয়স গোটৰ প্রতিটো ল'ৰা-ছোৱালীয়ে ঘৰৰ পৰা এক কিলোমিটাৰৰ ভিতৰত থকা বিদ্যালয়লৈ যোৱাৰ সুযোগ পাব লাগিব। বিদ্যালয়ৰ দূৰত্বই পিতৃ-মাতৃ আৰু অভিভাৱকক নিজৰ ল'ৰা-ছোৱালীক বিদ্যালয়লৈ পঠিয়াবলৈ উৎসাহিত কৰিব লাগিব।
- **নামভর্তিকৰণ প্রক্রিয়াৰ সার্বজনীনকৰণ ঃ** ইয়াৰ অর্থ হ'ল ৬-১৪ বছৰ বয়স গোটৰ প্রতিটো ল'ৰা-ছোৱালীয়ে প্রাথমিক বিদ্যালয়ত নামভর্তি কৰিব লাগিব। বিদ্যালয়সমূহে নিজ নিজ এলেকাৰ বয়সৰ দিশেৰে যোগ্য প্রতিটো শিশুকে বাধ্যতামূলকভাৱে নামভর্তি কৰোৱাৰ উদ্যম লোৱাতো জৰুৰী। দেশৰ বিভিন্ন আয়োগ তথা শিক্ষানীতিয়ে এই বিষয়টোত গুৰুত্ব দি আহিছে। কিন্তু পৰিতাপৰ কথা যে এই প্রচেষ্টা এতিয়াও সম্পূর্ণৰূপে সফল হোৱা নাই। পিতৃ-মাতৃৰ লগতে সামগ্রিকভাৱে গণসমাজৰ অজ্ঞতাই হ'ল ইয়াৰ প্রধান কাৰণ।
- **শিক্ষার্থীক বিদ্যালয়ত ধৰি ৰখা প্রক্রিয়াৰ সার্বজনীনকৰণ ঃ** শিক্ষার্থীক বিদ্যালয়ত ধৰি ৰখা প্রক্রিয়াৰ সার্বজনীনকৰণ মানে হ'ল এবাৰ নামভর্তি কৰাৰ পাছত প্রাথমিক বিদ্যালয়ৰ শিক্ষা সমাপ্ত নকৰাকৈ কোনো শিক্ষার্থীকে পঢ়া আধাতে বাদ দিব নোৱাৰাকৈ ৰখা। পঢ়া আধৰুৱা কৰাৰ অর্থ হ'ল প্রাথমিক শিক্ষা সার্বজনীনভাৱে শিক্ষার্থীক পাঠ্যক্রম সমাপ্ত কৰিবলৈ ধৰি ৰখাৰ আন এক অর্থ হ'ল প্রাথমিক শিক্ষাৰ প্রতিটো বছৰতে নিয়মীয়াকৈ প্রতিটো শিশুৰ শিকন অগ্রগতি নিশ্চিত কৰা। ইয়াকে কৰিবলৈ কোনো শিশুকে একেটা শ্রেণীতে অনুত্তীর্ণ কৰি ৰাখিব নালাগিব আৰু কোনো শিশুৰেই নির্দিষ্ট বয়স আৰু শ্রেণী অনুসৰি পঢ়া সমাপ্ত নকৰাকৈ বিদ্যালয়লৈ অহাতো বাদ দিব নোৱাৰিব। কিন্তু দুর্ভাগ্যজনকভাৱে আমাৰ দেশত বহুতো শিশুৰে এতিয়াও যিকোনো সময়তে পঢ়া বাদ দি বিদ্যালয়লৈ আহিবলৈ এৰে।

১৪.৩.২ শিক্ষা সার্বজনীনকৰণৰ গুৰুত্ব

এটা শিশুৰ সর্বাংগীন বিকাশত প্রাথমিক স্তৰৰ শিক্ষাই এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। তলত উল্লেখ কৰা বিষয়বোৰে প্রাথমিক শিক্ষা সার্বজনীনকৰণৰ গুৰুত্বৰ কথা স্পষ্ট ৰূপত প্রকাশ কৰে।

- প্রাথমিক শিক্ষা হ'ল প্রতিটো শিশুৰে জন্মজাত অধিকাৰ। ১৯৯২ চনৰ জুলাই মাহত দিয়া এক ঐতিহাসিক ৰায়ত ভাৰতৰ উচ্চতম ন্যায়ালয়ে ঘোষণা কৰিছিল ঃ 'এই দেশৰ নাগৰিক শিক্ষা গ্রহণৰ মৌলিক অধিকাৰ আছে। এই দেশৰ প্রতিগৰাকী নাগৰিকে ১৪ বছৰ বয়স সম্পূর্ণ কৰাৰ সময়লৈকে বিনামূলীয়া শিক্ষা লাভৰ

অধিকাৰ উপভোগ কৰিব পাৰে।' ১৯৯৩ চনত সাৰমর্ম একেই ৰাখি ৰায়টো এবাৰ সংশোধন কৰা হৈছে।

- ভাৰত এতিয়ালৈকে এখন সম্পূর্ণ উন্নত দেশ হ'ব পৰা নাই। ইয়াৰ প্রধান কাৰণ হ'ল শিক্ষা সম্পর্কে সাধাৰণ মানুহৰ অজ্ঞতা। যদি শিক্ষা সার্বজনীনকৰণৰ ধাৰণাটো উপযুক্তভাৱে কার্যৰূপায়িত কৰা হয়, তেন্তে ই তলৰ কথাবোৰত সহায় কৰিব-
  - দৰিদ্রতা নির্মূল কৰিব পৰা যাব
  - অর্থনৈতিক বিকাশৰ পোষকতা কৰিব
  - জনসংখ্যা বৃদ্ধিৰ হাৰ নিয়ন্ত্রণ কৰিব আৰু
  - এটা পৰিষ্কাৰ তথা স্বাস্থ্যকৰ পৰিৱেশ গঢ়ি তুলিব।
- প্রাথমিক শিক্ষা সার্বজনীনকৰণ হ'ল এক সুবিধা। ইয়াৰ জৰিয়তে জাতি-বর্ণ-ধর্ম-লিংগ নির্বিশেষে সমাজৰ প্রতিটো ল'ৰা-ছোৱালীকে বিনামূলীয়াকৈ শৈক্ষিক সুবিধা লাভৰ সুযোগ দিয়া হ'ব।
- শিক্ষা সার্বজনীনকৰণৰ ধাৰণা আৰু মানুহৰ জীৱন যাপনৰ মান উন্নত হোৱাৰ মাজত ঘনিষ্ঠ সম্বন্ধ আছে। যিহেতু ভাৰতৰ এক বুজন সংখ্যক নাগৰিকে দাৰিদ্র ৰেখা তলত বাস কৰে, সেয়েহে ল'ৰা-ছোৱালীক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্রদান কৰি এই দশা আঁতৰোৱাৰ চেষ্টা কৰা হৈছে।
- শিক্ষা সার্বজনীনকৰণে দেশৰ উন্নয়ণ দ্রুততৰ কৰি তুলিব। শিক্ষাই সমাজৰ সকলো শ্রেণীৰ লোককে সমানে উপকৃত কৰে।

১৪.৪ শিক্ষা সার্বজনীনকৰণৰ সমস্যা

ভাৰতৰ সংবিধানে ভালেসংখ্যক সুবিধাৰ কথা কোৱা আৰু চৰকাৰসমূহে বিভিন্ন ধৰণে প্রয়াস চলোৱাৰ পাছতো প্রাথমিক শিক্ষা সার্বজনীনকৰণৰ ধাৰণাটো এতিয়াও বাস্তৱ হৈ উঠা নাই। কেৱল কাগজী ধাৰণা হৈ ৰোৱা বিষয়টোৰ সৈতে জড়িত সমস্যাসমূহ তলত উল্লেখ কৰা হ'ল-

- **সামাজিক সমস্যা**
  - পিতৃ-মাতৃ আৰু অভিভাৱকৰ উদাসীনতা
  - সহঃশিক্ষাৰ প্রতি পিতৃ-মাতৃ আৰু অভিভাৱকৰ ৰক্ষণশীল মনোভাৱ
  - মাত্রাধিক জনসংখ্যা
  - কন্যা সন্তানক কম বয়সতে বিয়া দিয়াৰ প্রথা
- **অর্থনৈতিক সমস্যা**
  - পিতৃ-মাতৃ আৰু অভিভাৱকৰ দাৰিদ্র্য
  - ল'ৰা-ছোৱালীৰ দেহত পুষ্ঠিৰ অভাৱ
  - বাজেটত শিক্ষা শিতানত তেনেই সামান্য পুঁজি অনুমোদন
- **ৰাজনৈতিক সমস্যা**
  - প্রাথমিক শিক্ষাক অগ্রাধিকাৰ দিয়াত অনীহা
  - স্থানীয় প্রশাসনসমূহৰ পাৰস্পৰিক বৈৰীতা
  - স্থানীয় ৰাজনীতিকৰ ন্যস্তস্বার্থ জড়িত আচৰণ
- **শৈক্ষিক সমস্যা**
  - অনুসূচিত জাতি-জনজাতি আৰু সমাজৰ অন্যান্য পিছপৰা সম্প্রদায়ৰ ল'ৰা-ছোৱালীৰ নামভর্তিৰ সংখ্যা নিম্ন
  - কন্যা শিশুৰ নামভর্তিৰ সংখ্যা নিম্ন
  - দিব্যাংগ শিশুৰ নামভর্তিৰ সংখ্যা নিম্ন
  - একেটা শ্রেণীতে বহুবছৰ ৰাখি থোৱা শিক্ষার্থীৰ উচ্চ হাৰ

- শৈক্ষিক সমল/আহিলা/সময়ৰ অপচয় ঘটাৰ উচ্চ হাৰ
- বিসংগতিৰে ভৰা পাঠ্যক্ৰম/পাঠ্যসূচী
- শিক্ষণৰ অনাকৰ্ষণীয় পদ্ধতি
- সুযোগ্য শিক্ষকৰ অভাৱ

- **ভৌগলিক সমস্যা**
  - দূৰ্গ এলেকা
  - সৰু আৰু বিক্ষিপ্ত বসতিস্থল। বিশেষকৈ জনজাতি তথা পাৰ্বত্য এলেকাবোৰৰ ক্ষেত্ৰত প্ৰযোজ্য।
- **প্ৰশাসনীয় সমস্যা**
  - শৈক্ষিক সা-সুবিধাবোৰৰ অসমতা
  - যথোপযুক্ত তত্ত্বাৱধানৰ অভাৱ
  - মহিলা শিক্ষয়িত্ৰীৰ অভাৱ
  - বাধ্যতামূলক শিক্ষা বলবৎকৰণত ব্যৰ্থতা
  - উপযুক্ত পঠন আৰু লেখন সামগ্ৰীৰ অভাৱ
  - সুফলদায়ক নামভৰ্তি নীতিৰ অভাৱ
  - শিক্ষাৰ্থীক আকৰ্ষণ কৰিব নোৱাৰা বিদ্যালয় ভৱন
  - শিক্ষকৰ নাটনি
  - শিক্ষণ-শিকন সামগ্ৰীৰ অভাৱ
  - অসম্পূৰ্ণ হৈ ৰোৱা প্ৰাথমিক বিদ্যালয়ৰ সংখ্যাধিক্য
  - অনানুষ্ঠানিক আৰু প্ৰাপ্তবয়স্ক শিক্ষাৰ সা-সুবিধাবোৰৰ অভাৱ।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ প্ৰাথমিক শিক্ষা সার্বজনীনকৰণৰ বাবে লক্ষ্য কৰি লোৱা বয়সৰ গোটটোত ..... বয়সৰ ল'ৰা-ছোৱালী থাকে।

.....

প্ৰশ্ন নং ২ঃ ১৯৯২-৯৩ চনত প্ৰাথমিক শিক্ষা সার্বজনীনকৰণ সন্দৰ্ভত ভাৰতৰ উচ্চতৰ ন্যায়ালয়ে দিয়া ৰায়টো কি?

.....

১৪.৫ সর্বশিক্ষা অভিযান আৰু শিক্ষা সার্বজনীনকৰণ

ওপৰৰ শিতানৰ পৰা আমি গম পালোঁ যে শিক্ষা সার্বজনীনকৰণৰ ভালেমান সমস্যা আছে। এই সমস্যাবোৰৰ মাত্ৰা কমাবলৈ চৰকাৰে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাৰ মাজেৰে এটা কার্যসূচী হ'ল 'সর্বশিক্ষা অভিযান' (SSA)।

ভাৰতৰ নাগৰিকে সর্বত্ৰ বুনিয়াদী শিক্ষা সম্প্ৰসাৰিত কৰিবলৈ জনোৱা দাবীৰ সঁহাৰি হিচাপে SSA ৰ পাতনি মেলা হৈছিল। ২০০০ চনত জিলা প্ৰাথমিক শিক্ষা কার্যসূচী (DPEP) ক SSA লৈ সম্প্ৰসাৰিত কৰা হৈছিল। SSA হ'ল ভাৰত চৰকাৰে আৰম্ভ কৰা এক সর্বাত্মক, বিস্তৃত আৰু সংহত শৈক্ষিক উদ্যম। ইয়াৰ জৰিয়তে এক সময়সীমা নির্দ্ধাৰিত সংহত পন্থাৰে প্ৰাথমিক শিক্ষা সার্বজনীনকৰণৰ লক্ষ্যত উপনীত হোৱাৰ চেষ্টা চলোৱা হৈছিল। ২০০০ চনত 'সকলোৰে বাবে শিক্ষা'ৰ লক্ষ্য আগত ৰাখি বিভিন্ন শৈক্ষিক কার্যসূচী আৰু দৃষ্টিভংগীৰ সমাযোজন ঘটাই আগবঢ়াৰ এক সচেতন প্ৰয়াস চলোৱা হৈছিল। এই প্ৰয়াসৰ অংশ হিচাপে সমগ্ৰ দেশতে সর্বশিক্ষা অভিযান আৰম্ভ কৰা হৈছিল। এই অভিযানৰ জৰিয়তে ভাৰতৰ প্ৰাথমিক শিক্ষা খণ্ডৰ ছবিখন সলনি কৰিব খোজা হৈছিল। ইয়াৰ লক্ষ্য আছিল ২০১০ চনৰ ভিতৰত দেশৰ ৬-১৪ বয়স গোটৰ সকলো ল'ৰা-ছোৱালীক উপকাৰী

তথা উৎকৃষ্ট মানৰ প্ৰাথমিক শিক্ষা প্ৰদান কৰা। SSA হ'ল বিদ্যালয় ব্যৱস্থাৰ পাৰদৰ্শিতা উন্নত কৰাৰ প্ৰয়োজনীয়তাক স্বীকৃতি দিয়া এক প্ৰয়াস। এই প্ৰয়াসে সম্প্ৰদায়বোৰৰ স্বত্ব থকা উৎকৃষ্ট মানৰ প্ৰাথমিক শিক্ষা সম্প্ৰসাৰিত কৰাৰ এক অভিযানৰ সূচনা কৰিছিল।

- SSA- **ৰ প্ৰধান বৈশিষ্ট্যসমূহ**
  - প্ৰাথমিক শিক্ষা সার্বজনীনকৰণৰ লক্ষ্যেৰে আগবঢ়া SSA হ'ল এক স্পষ্ট সময়সীমা নির্দ্ধাৰিত শৈক্ষিক কার্যসূচী।
  - SSA হ'ল সমগ্ৰ ভাৰততে উত্থাপিত হোৱা উৎকৃষ্ট মানৰ বুনিয়াদী শিক্ষাৰ দাবীৰ প্ৰতি জনোৱা এক সবল সঁহাৰি।
  - SSA ই বিশ্বাস কৰে যে ভাৰতৰ সকলো নাগৰিকে শৈক্ষিক উন্নতিৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰবোৰে ক্ষমতা আৰু কর্তৃত্ব বিকেন্দ্ৰীকৰণৰ নীতি গ্ৰহণ কৰিব লাগিব।
  - SSA ই বুনিয়াদী শিক্ষাৰ জৰিয়তে সামাজিক ন্যায়ৰ পোষকতাকাৰী সুবিধাবোৰ আগবঢ়োৱাৰ চেষ্টা কৰে।
  - SSA ই সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ শৈক্ষিক দশা উন্নত কৰাত সহায় কৰে। যেনে- মহিলা, অনুসূচিত জাতি, অনুসূচিত জনজাতি, শাৰীৰিকভাৱে অক্ষম, মানসিকভাৱে বাধাগ্ৰস্ত, দাৰিদ্ৰ্যৰেখাৰ তলৰ নাগৰিক ইত্যাদি।
  - SSA ই আধুনিক শিশুকেন্দ্ৰিক শিক্ষণ পদ্ধতিক অধিক গুৰুত্ব দিয়ে। যেনে- আনন্দময় শিকন পদ্ধতি, দেখি-শুনি শিকাৰ পদ্ধতি ইত্যাদি।
  - SSA হ'ল এনে এক প্ৰয়াস যিটোৰ সৈতে পঞ্চায়তীৰাজ সংস্থা, বিদ্যালয় পৰিচালনা সমিতি, গাঁও আৰু বস্তি স্তৰৰ শিক্ষা সমিতি, শিক্ষক সন্থা আদিৰ দৰে অনুষ্ঠানবোৰ ফলপ্ৰসূভাৱে জড়িত হৈ থাকে।
- SSA- **ৰ লক্ষ্য**
  - ২০১০ চনৰ ভিতৰত দেশৰ ৬-১৪ বছৰ বয়স গোটৰ সকলো ল'ৰা-ছোৱালীক উপকাৰী তথা প্ৰাসংগিক প্ৰাথমিক শিক্ষা গ্ৰহণৰ সুবিধা দিয়া।
  - বিদ্যালয় পৰিচালনা কার্যত সম্প্ৰদায়বোৰৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰি সামাজিক, আঞ্চলিক আৰু সামাজিক লিংগ ব্যৱধান হ্ৰাস কৰা।
  - ল'ৰা-ছোৱালীৰ আধ্যাত্মিক আৰু ভৌতিক উভয় ধৰণৰ মানৱিক সম্ভাৱনীয়তাৰ পূর্ণ বিকাশ ঘটোৱাত সহায়কাৰী বিষয়ে বুজাত তথা এনে পৰিৱেশ নিজৰ নিয়ন্ত্ৰণাধীন কৰি ৰখাত পার্গত কৰি তোলা।
  - প্ৰমূল্যভিত্তিক শিকনৰ সুযোগ দিয়া যাতে ল'ৰা-ছোৱালীহঁতে নিজ নিজ স্বার্থজড়িত পার্থিৰ সা-সুবিধা নিবিচাৰি পৰস্পৰৰ কল্যাণৰ হকে কাম কৰিবলৈ শিকে।
- SSA- **ৰ উদ্দেশ্য**
  - সকলো ল'ৰা-ছোৱালীকে বিদ্যালয়লৈ অনা, শিক্ষা নিশ্চিতি কেন্দ্ৰ খোলা, বিকল্প বিদ্যালয় স্থাপন কৰা আৰু ২০০৩ চনৰ ভিতৰত 'বিদ্যালয় চৌহদলৈ পুনৰ উভতি ব'লা কার্যসূচীৰ সফল ৰূপায়ন কৰা।
  - ২০০৭ চনৰ ভিতৰত দেশৰ সকলো ল'ৰা-ছোৱালীক সম্পূর্ণকৈ পাঁচ বছৰীয়া প্ৰাথমিক শিক্ষা লাভৰ সুযোগ দিয়া।
  - ২০১০ চনৰ ভিতৰত দেশৰ সকলো ল'ৰা-ছোৱালীক সম্পূর্ণকৈ আঠ বছৰীয়া বিদ্যালয় স্তৰৰ শিক্ষা লাভৰ সুযোগ দিয়া।
  - সন্তোষজনক প্ৰাথমিক শিক্ষা প্ৰচলনত মনোনিৱেশ কৰা আৰু এই শিক্ষাত 'জীৱনৰ বাবে শিক্ষা'ৰ ধাৰণাটো সংযেজিত কৰাত জোৰ দিয়া।
  - ২০০৭ চনৰ ভিতৰত প্ৰাথমিক স্তৰত আৰু ২০১০ চনৰ ভিতৰত প্ৰাক্-প্ৰাথমিক স্তৰত থকা সকলো

ধৰণৰ সামাজিক লিংগভিত্তিক তথা সামাজিক শ্রেণীভিত্তিক ব্যৱধান আঁতৰ কৰা।

- ২০১০ চনৰ ভিতৰত বিদ্যালয়ত শিক্ষার্থী শেষলৈকে ধৰি ৰখা প্রক্রিয়াটোৰ সার্বজনীনকৰণ ঘটোৱা।

- SSA **কার্যসূচীৰ বিস্তৃত কার্যকৌশল ঃ** সমগ্র ভাৰততে SSA কার্যসূচীখন কার্যৰূপায়িত কৰাতো এটা অত্যন্ত কঠিন কাম আছিল। সেয়েহে কার্যৰূপায়ণৰ বাবে প্রথমে এটা বিস্তৃত কার্যকৌশল ঠিক কৰি লোৱা হৈছিল। সেইবোৰ তলত আলোচনা কৰা হ'ল--

  - **আনুষ্ঠানিক সংস্কাৰ সাধন ঃ** SSA কার্যৰূপায়ণ ব্যৱস্থাটোৰ অংশ হিচাপে কার্যসূচীখনৰ ফলপ্রসূতা বৃদ্ধি কৰিবলৈ কেন্দ্রীয় তথা ৰাজ্য চৰকাৰসমূহে শিক্ষা খণ্ডৰ সৈতে জড়িত অনুষ্ঠানসমূহৰ সংস্কাৰ সাধনৰ কাম হাতত লৈছিল। ৰাজ্য চৰকাৰসমূহে শৈক্ষিক প্রশাসন, বিদ্যালয়ৰ সফলতাৰ স্তৰ, বিত্তীয় সমস্যা, বিকেন্দ্রীকৰণ আৰু সামূহিক মালিকীস্বত্ব আদিৰ দৰে শিতানসমূহৰ অধীনত নিজ নিজ ৰাজ্যত প্রচলিত শিক্ষা ব্যৱস্থাটোৰ বস্তুনিষ্ঠ মূল্যাংকন কৰিছিল। ইয়াৰ উপৰি ৰাজ্যিক শিক্ষা আইনৰ পুনৰীক্ষণ, শিক্ষক নিযুক্তি প্রক্রিয়াটোৰ যুক্তিসংগতকৰণ, শিক্ষক বিচৰা ব্যৱস্থাটোৰ সংশোধন, এই ব্যৱস্থাসমূহৰ তদাৰক তথা মূল্যায়ন, ৰাজ্যত কন্যা শিশুৰ শিক্ষাৰ শেহতীয়া স্থিতি, অনুসূচিত জাতি-জনজাতি, অন্য বঞ্চিত জাতি-জনগোষ্ঠীৰ শিক্ষাৰ শেহতীয়া দশা, ব্যক্তিগত বিদ্যালয়ৰ বাবে থকা নীতি আৰু ECCE ব্যৱস্থাকো এনে সংশোধন তথা মূল্যায়ণৰ অংগ কৰা হৈছিল। প্রাথমিক শিক্ষা আগবঢ়োৱাৰ ব্যৱস্থাবোৰ উন্নত কৰি তুলিবলৈ বহুতো ৰাজ্যই বিভিন্ন ধৰণৰ পৰিৱর্তন সাধনকাৰী কামকাজ ৰূপায়ণ কৰিছিল।
  - **বহনক্ষম বিত্তীয় প্রবাহ ঃ** SSA ৰ আধাৰ মন্ত্র হ'ল প্রাথমিক শিক্ষা সম্প্রসাৰণৰ সৈতে জড়িত সকলো প্রকাৰৰ কামত প্রয়োজন হোৱা ধন বহনক্ষম উপায়েৰে আহৰণ কৰা হ'ব। কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰৰ মাজত স্থাপন হোৱা বিত্তীয় অংশীদাৰত্বক এই পদ্ধতিৰে দীর্ঘম্যাদী ৰূপ দিব খোজা হৈছিল।
  - **সামূহিক মালিকীস্বত্ব ঃ** SSA হ'ল বিদ্যালয় ভিত্তিক কামকাজত সামূহিক মালিকীস্বত্বৰ আহ্বান জনোৱা অভিযান। ইয়াৰ বাবে বিদ্যালয়ৰ সৈতে জড়িত ক্ষমতা তথা কর্তৃত্বৰ ফলপ্রসূ বিকেন্দ্রীকৰণৰ আৱশ্যক। এনে কৰাৰ ফলত বিদ্যালয়ৰ কার্যকলাপত মহিলা গোট, SSA, সদস্য, পঞ্চায়তী ৰাজ সংস্থাবোৰৰ সদস্যৰ অংশগ্রহণ পূর্বতকৈ অধিক দৃঢ় হ'ব।
  - **আনুষ্ঠানিক সামর্থ বৃদ্ধি ঃ** SSA কার্যৰূপায়িত হোৱাৰ ফলত NIEPA, NCERT, NCTE, SCERT, SIEMAT আৰু DIET আদিৰ দৰে বিভিন্ন ৰাষ্ট্রীয়, ৰাজ্যিক তথা জিলা স্তৰৰ আনুষ্ঠানৰ সামর্থ গুৰুত্বপূর্ণভাৱে বৃদ্ধি হ'ব। শিক্ষাৰ গুণগত উৎকর্ষ সাধন কৰিবলৈ সমল ব্যক্তি তথা সমল অনুষ্ঠানসমূহে মিলি এক বহনক্ষম সমর্থন প্রদানকাৰী ব্যৱস্থা গঢ়ি তুলিব লাগিব।
  - **মূলসুতিৰ শৈক্ষিক প্রশাসনৰ স্থিতি উন্নতকৰণ ঃ** আনুষ্ঠানিক উন্নয়ন, নতুন কার্যপন্থা সংযোজন আৰু কমখৰছী ফলপ্রসূ পদ্ধতি গ্রহণ আদিৰ দৰে কার্যকলাপৰ সহায়ত মূলসুতিৰ শৈক্ষিক প্রশাসনৰ স্থিতি উন্নত কৰি তুলিব লাগিব।
  - **সম্পূর্ণ স্বচ্ছতাসহ সম্প্রদায় ভিত্তিক নিৰীক্ষণৰ ব্যৱস্থা ঃ** SSA এটা সম্পূর্ণ স্বচ্ছ সম্প্রদায় ভিত্তিক নিৰীক্ষণ ব্যৱস্থা সংযোজিত কৰা হৈছে। 'শৈক্ষিক ব্যৱস্থাপনা তথ্য প্রণালী' (Education Management information system/EMIS) য়ে সূক্ষ্ম পৰিকল্পনা আৰু সমীক্ষাৰ পৰা সম্প্রদায় ভিত্তিক তথ্য আহৰণ কৰি সেইবোৰৰ বিদ্যালয় স্তৰৰ ডেটাৰ সৈতে সহঃসম্বন্ধ স্থাপন কৰিব। ইয়াৰ উপৰি প্রতিখন বিদ্যালয়কে নিজ নিজ সম্প্রদায়ৰ সৈতে বিভিন্ন ধৰণৰ অনুদানৰ বিষয়কে ধৰি সকলো প্রকাৰৰ তথ্য ভাগ-বাটোৱাৰা কৰিবলৈ অনুপ্রেৰণা যোগোৱা হ'ব।
  - **পৰিকল্পনাৰ একককৰূপে বসতিস্থল ঃ** SSA ই কোনো স্থানৰ বাসিন্দাৰ সৈতে মিলি অভিযান আগবঢ়োৱাৰ পৰিকল্পনা কৰে। এই সম্প্রদায়ভিত্তিক পন্থাটোক পৰিকল্পনাৰ একককৰূপে বসতিস্থল বোলা হয়। বসতিস্থল পৰিকল্পনাই জিলা পৰিকল্পনাৰ আধাৰ হিচাপে কাম কৰে।

- **সম্প্রদায়ৰ ভাৰসাৰ যোগ্য হৈ উঠা ঃ** SSA ৰ কার্যপন্থাত শিক্ষক, পিতৃ-মাতৃ আৰু PRI সকলৰ মাজত সহযোগিতাৰ পৰিৱেশ সৃষ্টি কৰাৰ কথা কোৱা হৈছে। ই সম্প্রদায়ৰ মাজত অভিযানটোৰ ভাৰসাযোগ্যতা আৰু স্বচ্ছতা নিশ্চিত কৰিব।
- **ছোৱালীক শিক্ষাদান কৰাত অগ্রাধিকাৰ ঃ** SSA ৰ দ্বাৰা ছোৱালীক শিক্ষা দিয়াটোক অগ্রাধিকাৰ প্রদান কৰা হৈছে। SSA ৰ বাবে প্রধান চিন্তনীয় বিষয়বোৰৰ এটা হ'ল অনুসূচিত জাতি-জনজাতি-সংখ্যালঘূ সম্প্রদায়বোৰৰ কন্যাশিশুৰ শিক্ষা।
- **বিশেষ গোটত মনোনিৱেশ ঃ** SSA ৰ দ্বাৰা সমাজৰ সকলো শ্রেণীৰ ল'ৰা-ছোৱালীকে প্রাথমিক বিদ্যালয়ৰ শিক্ষাত সামৰি লোৱাত মনোনিৱেশ কৰা হৈছিল। এই বিয়য়ত অনুসূচিত জাতি, অনুসূচিত জনজাতি, সংখ্যালঘূ সম্প্রদায়, নগৰাঞ্চলৰ সা-সুবিধা বঞ্চিল শিশু, সমাজৰ সকলো স্তৰতে অৱহেলিত গোটবোৰ আৰু বিশেষ আৱশ্যকতা থকা শিশুবোৰে অগ্রাধিকাৰ পাইছিল।
- **গুণগত উৎকর্ষত গুৰুত্ব ঃ** SSA ই বিশেষভাৱে শিক্ষাৰ গুণগত উৎকর্ষ সাধনত গুৰুত্ব দিছিল। প্রাথমিক স্তৰৰ শিক্ষাক কামত খটুৱাব পৰা আৰু শিশুৰ বাবে প্রাসংগিক কৰি তুলিবলৈ পাঠ্যক্রম উন্নতকৰণ ব্যৱস্থা শিশুকেন্দ্রিক কার্যকলাপৰ সংযোজন তথা ফলপ্রসূ শিক্ষণ-শিকন কৌশল গ্রহণ কৰা হৈছিল।
- **শিক্ষকৰ ভূমিকা ঃ** SSA ই শিক্ষকৰ গুৰুত্বপূর্ণ আৰু কেন্দ্রীয় ভূমিকাক স্বীকৃতি দিছিল। এই অভিযানে শিক্ষকৰ উন্নয়নমূলক প্রয়োজনীয়তাত মনোনিৱেশ কৰাৰ পোষকতা কৰিছিল। ইয়াৰ বাবে ব্লক স্তৰৰ সমল কেন্দ্র, ক্লাষ্টাৰ স্তৰৰ সমল কেন্দ্র স্থাপন কৰা হৈছিল। অর্হতা-যোগ্যতাসম্পন্ন শিক্ষক নিয়োগ কৰা, পাঠ্যক্রম বিষয়ক সামগ্রী বিকাশৰ কামত অংশগ্রহণৰ সুবিধা দি শিক্ষকক উন্নতি কৰাৰ অৱকাশ দিয়া, শ্রেণীকোঠাৰ ভিতৰত চলা প্রক্রিয়াবোৰত মনোনিৱেশ কৰা আৰু শিক্ষকৰ বাবে উন্মোচনকাৰী ভ্রমণ আদিৰ আয়োজন কৰা ইত্যাদি কার্যক SSA ই আর্হি হিচাপে লৈ শিক্ষক সমাজক মানৰ সম্পদৰূপে বিকশিত কৰাৰ চেষ্টা চলাইছিল।
- **জিলা প্রাথমিক শিক্ষা পৰিকল্পনা ঃ** SSA ৰ গাঁথনি অনুসৰি প্রতিখন জিলাকে একোটা 'জিলা প্রাথমিক শিক্ষা পৰিকল্পনা' প্রস্তুত কৰিবলৈ কোৱা হৈছিল। এই পৰিকল্পনাত জিলাখনৰ প্রাথমিক শিক্ষা খণ্ডৰ বাবে আৱশ্যক হ'ব পাৰ বিনিয়োগ কৰা সকলো পুঁজিৰ কথা উল্লেখ থাকে। ইয়াৰ উপৰি পৰিকল্পনাত শিক্ষা সম্প্রসাৰণৰ এক সর্বাংগীন আৰু সন্মিলিত পন্থাও সংযোজন কৰা হয়। আন এক পৰিকল্পনাৰ নাম হ'ল 'দৃষ্টিভংগী পৰিকল্পনা'। ইয়াৰ জৰিয়তে প্রাথমিক শিক্ষা সার্বজনীনকৰণৰ লক্ষ্যত উপনীত হ'বলৈ এছোৱা দীঘলীয়া সময়ৰ বাবে কৰি যাবলগীয়া কার্যকলাপৰ ৰূপৰেখা প্রস্তুত কৰা হয়। ইয়াৰ উপৰি থাকে একোখন 'বছৰেকীয়া কার্য পৰিকল্পনা' আৰু 'বাজেট'। বাজেটত অগ্রাধিকাৰভিত্তিত বছৰ এটাত শেষ কৰিবলগীয়া কার্যকলাপসমূহ অন্তর্ভুক্ত কৰা হয়। 'দৃষ্টিভংগী পৰিকল্পনা' হ'ল এখন গতিশীল নথি। কার্যসূচীখন ৰূপায়ণ কৰি গৈ থকাৰ সময়তে এই পৰিকল্পনা অবিৰতভাৱে উন্নত কৰি লৈ গৈ থাকিব পাৰি।

- **SSA- ৰ প্রধান বৈশিষ্ট্যসমূহ ঃ** SSA ৰ পর্যবেক্ষণত এয়া ধৰা পৰিছে যে চৰকাৰী আৰু চৰকাৰী সাহায্যপ্রাপ্ত বিদ্যালয়সমূহৰ লগতে প্রাথমিক শিক্ষা প্রসাৰিত কৰাত ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহেও গুৰুত্বপূর্ণ ভূমিকা পালন কৰিবলৈ লৈছে। কিন্তু আর্থিকভাৱে দুর্বল পৰিয়ালবোৰে ব্যক্তিগত বিদ্যালয়ে দাবী কৰা মাচুল পৰিশোধ কৰিব নোৱাৰে। ভাৰতৰ বিভিন্ন অঞ্চলত এয়া এক ৰূঢ় সত্য। সেয়েহে, শিক্ষাক 'সকলোৰে বাবে সুচল' কৰি তোলা আৰু শিক্ষা গ্রহণ প্রক্রিয়াত সমতা স্থাপনৰ প্রয়াস কৰাৰ সময়ত আর্থিক দিশেৰে টনকিয়াল চৰকাৰী সাহায্য অবিহনে চলা ব্যক্তিগত বিদ্যালয়বোৰৰ ক্ষেত্রত কেনে নীতি-নিয়ম প্রযোজ্য কৰা হ'ব সেই বিষয়ে গুণাগথা চলি আছে। ৰাজহুৱা-ব্যক্তিগত অংশীদাৰত্বৰ দিশটো চালিজাৰি চোৱাৰ প্রচেষ্টা আৰম্ভ কৰা হৈছে।
- **SSA- ৰ অধীনত প্রযোজ্য হোৱা বিত্তীয় নীতি-নিয়ম ঃ** SSA ৰ অধীনত কেন্দ্রই আগবঢ়োৱা বিত্তীয়

সাহায্যৰ অনুপাত পঞ্চবার্ষিক পৰিকল্পনাভেদে বেলেগ বেলেগ কৰা হৈছিল। নৱম পঞ্চবার্ষিক পৰিকল্পনাত এই অনুপাত আছিল ৮৫ ঃ ১৫ আৰু দশম পঞ্চবার্ষিক পৰিকল্পনাত এই অনুপাত ৭৫ ঃ ২৫ কৰা হৈছিল। ইয়াৰ পাছত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে ৫০ ঃ ৫০ অনুপাতত এই কার্যসূচীৰ ব্যয় ভগাই লৈছিল। ৰাজ্য চৰকাৰবোৰৰ পৰা লিখিত ৰূপত ব্যয় ভাগ-বাটোৱাৰাৰ দায়ৱদ্ধতা বিচৰা হৈছিল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ সর্বশিক্ষা অভিযানৰ লক্ষ্য এটা উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৪ঃ সর্বশিক্ষা অভিযানৰ যিকোনো এটা উদ্দেশ্য উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৫ঃ সর্বশিক্ষা অভিযানৰ অধীনত দেশৰ সকলো শিশুকে ..... চনৰ ভিতৰত ৫ বছৰীয়া প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰাৰ সুযোগ দিয়াৰ কথা কোৱা হৈছিল।

১৪.৬ মাধ্যমিক শিক্ষা সার্বজনীনকৰণ আৰু ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ ভূমিকা

সার্বজনীন মাধ্যমিক শিক্ষা মানে হ'ল দেশৰ সকলো ল'ৰা-ছোৱালীৰ বাবে মাধ্যমিক শিক্ষা গ্ৰহণ কৰিব পৰা সুচলতা আৰু সুযোগ সৃষ্টি কৰা। আন্তজার্তিক অভিজ্ঞতাবোৰ বিচাৰ কৰি চাই গম পোৱা গৈছে যে প্ৰাথমিক শিক্ষা ব্যৱস্থাটো সার্বজনীন কৰি তুলিব পাৰিলেই মাধ্যমিক শিক্ষা ব্যৱস্থাটো সার্বজনীন কৰি তুলিব পাৰিলেই মাধ্যমিক শিক্ষা ব্যৱস্থাটো স্বাভাৱিকভাৱে সার্বজনীন হৈ পৰে। ভাৰতত সর্বশিক্ষা অভিযানৰ জৰিয়তে প্ৰাথমিক শিক্ষা সার্বজনীন কৰি তোলাৰ লগে লগে মাধ্যমিক শিক্ষাকো সার্বজনীন ৰূপ দিয়াৰ দাবী উত্থাপিত হ'ল। ২০০৫ চনত গঠন কৰা মাধ্যমিক শিক্ষা সার্বজনীনকৰণ বিষয়ক CABE সমিতিয়ে দেশত ২০১৫ চনৰ ভিতৰত মাধ্যমিক শিক্ষাও সার্বজনীন কৰি তোলাৰ পৰামর্শ দিছিল। সমিতিৰ প্ৰতিবেদন অনুসৰি প্ৰাথমিক বিদ্যালয়ৰ নামভর্তি আৰু পৰীক্ষাত উত্তীর্ণ হৈ ওপৰৰ শ্ৰেণী পোৱা শিক্ষার্থীৰ হাৰে ইয়াকে সূচায় যে ২০১৫ চনৰ ভিতৰত দেশৰ মাধ্যমিক শিক্ষাত সার্বজনীন নামভর্তিকৰণ প্ৰক্ৰিয়া সংঘটিত হোৱাৰ পূর্ণ সম্ভাৱনা আছে। ইয়াৰ পাছত ২০২০ চনৰ ভিতৰত সার্বজনীন নামভর্তিকৰণৰ লগতে সকলো শিক্ষার্থীকে শিক্ষা সমাপ্ত নোহোৱা পর্যন্ত বিদ্যালয় নেৰাকৈ ৰখা, সকলো ধৰণৰ শিকন কার্যৰ দ্বাৰা শিকা কামটোত পার্গত কৰি তোলা (৬০ শতাংশতকৈও অধিক শিক্ষার্থীৰ ক্ষেত্ৰত) আদিৰ দৰে লক্ষ্য স্থিৰ কৰি লোৱা উচিত। ২০২০ চনৰ ভিতৰতে উচ্চতৰ মাধ্যমিক শিক্ষাৰ সার্বজনীনকৰণ আৰু শিক্ষা সমাপ্ত নোহোৱা পর্যন্ত শিক্ষার্থীক বিদ্যালয় নেৰাকৈ ৰখাৰ প্ৰয়াস আৰম্ভ কৰিব লাগে। দশম শ্ৰেণীৰ পৰা একাদশ শ্ৰেণীলৈ উত্তীর্ণ হোৱা শিক্ষার্থীৰ হাৰ উচ্চ হোৱালৈ চাই এই লক্ষ্যত সহজে উপনীত হ'ব পৰা যাব। বর্তমানেও উচ্চতৰ মাধ্যমিক পর্যায়ৰ শ্ৰেণীবোৰত শিক্ষা সমাপ্ত কৰা শিক্ষার্থীৰ সংখ্যা অধিক হৈয়েই আছে। এইবোৰ কথা বিবেচনাৰ অন্তত দেশত মাধ্যমিক শিক্ষা সার্বজনীনকৰণৰ কার্যসূচীখন ৰূপায়ণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাত 'ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান' (RMSA)ৰ মূল উদ্দেশ্য হ'ল- উপলব্ধ উৎকৃষ্ট মানসম্পন্ন মাধ্যমিক শিক্ষা প্ৰদান কৰা, দেশৰ সকলো ল'ৰা-ছোৱালীক সুলভ আৰু সুচল মাধ্যমিক শিক্ষা গ্ৰহণৰ সুবিধা দিয়া। এই আঁচনিৰ অধীনত নৱম আৰু দশম শ্ৰেণীত নামভর্তিৰ সংখ্যা বৃদ্ধি কৰিব খোজা হৈছিল। ইয়াৰ বাবে প্ৰতিটো জনবসতিপূর্ণ স্থানৰ পৰা যুক্তিযুক্ত দূৰত্বত একোখনকৈ উচ্চতৰ মাধ্যমিক বিদ্যালয় খোলাৰ কথা কোৱা হৈছিল। মাধ্যমিক স্তৰত প্ৰদান কৰা শিক্ষাৰ উৎকর্ষ সাধন কৰিবলৈ সকলো উচ্চতৰ/উচ্চ মাধ্যমিক বিদ্যালয়ে যাতে নির্দ্ধাৰিত/স্বীকৃত মানৰ সৈতে সংগতি থকা নীতি-নিয়ম মানি চলিব লাগিব। ২০০৯ চনত প্ৰৱর্তন কৰা RMSA কার্যসূচীৰ উদ্দেশ্য আছিল ২০১৭ চনৰ ভিতৰত মাধ্যমিক স্তৰৰ শিক্ষাক সার্বজনীনভাৱে সুচল কৰি তোলা, বিদ্যালয়ত সামাজিক লিংগভিত্তিক বৈষম্য আঁতৰ কৰা আৰু আর্থ-সামাজিক তথা বিকলাংগতাই সৃষ্টি কৰা অন্তৰায়বোৰ নাইকিয়া কৰা।

বর্তমান RMSA ৰ অধীনত দেশৰ ১৪-১৮ বছৰ বয়স গোটৰ ল'ৰা-ছোৱালীৰ বাবে মাধ্যমিক শিক্ষা সুচল তথা ব্যয়সাধ্য কৰি তোলাৰ লক্ষ্যেৰে কাম কৰি থকা হৈছে। অনাগত ৫ বছৰৰ ভিতৰত নৱম-দশম শ্ৰেণীৰ সাধাৰণ নামভর্তি অনুপাত (GER) ৭৫% কৰি তোলাটোও RMSA ৰ আন এক উদ্দেশ্য।

- **RMSA ৰ উদ্দেশ্য**

RMSA ৰ প্ৰধান উদ্দেশ্যসমূহ হ'ল-

- চৰকাৰী অথবা স্থানীয় অভিকৰণৰ দ্বাৰা পৰিচালিত আৰু চৰকাৰী অনুদানপ্ৰাপ্ত মাধ্যমিক বিদ্যালয়সমূহলৈ বিত্তীয় সমর্থন আগবঢ়াই সেইবোৰত নির্দ্ধাৰিত মানৰ আন্তঃগাঁথনি, অন্য ভৌতিক সা-সুবিধা, শিক্ষক-কর্মচাৰী আৰু সামগ্ৰী যোগান সুনিশ্চিত কৰা। ইয়াৰ উপৰি অন্য বিদ্যালয়ৰ ক্ষেত্ৰত যথোপযুক্ত নিয়ন্ত্ৰক ব্যৱস্থাৰে একেবাৰে সা-সুবিধা নিশ্চিত কৰা।
- প্ৰতিষ্ঠিত নীতি-নিয়ম অনুসাৰে দেশৰ সকলো নৱযুৱাৰ বাবে মাধ্যমিক বিদ্যালয়ৰ শিক্ষা সুচল কৰি তোলা। ইয়াৰ বাবে-
  - ঘৰৰ ওচৰতে বিদ্যালয় স্থাপন কৰা হয় (মাধ্যমিক বিদ্যালয় বসতিস্থানৰ পৰা ৫ কি. মি.ৰ ভিতৰত থাকে)।
  - ফলপ্ৰসূ আৰু নিৰাপদ যাতায়তৰ ব্যৱস্থা কৰা হয়।
  - আবাসিক পৰিসৰৰ সুবিদা গঢ়ি তোলা হয়।
  - স্থানীয় পৰিস্থিতি অনুসৰি মুক্ত বিদ্যালয় ব্যৱস্থা প্ৰচলিত কৰা হয়।
- সামাজিক লিংগ, বিকলাংগতা, আর্থ-সামাজিক স্থিতি আৰু অন্য কোনো বাধাৰ বাবে যাতে কোনো ল'ৰা-ছোৱালীয়ে সন্তোষজনক মানৰ মাধ্যমিক শিক্ষা লাভৰ পৰা বঞ্চিত হ'বলগীয়া নহয় সেয়া নিশ্চিত কৰা।
- শিক্ষার্থীৰ বৌদ্ধিক, সামাজিক আৰু সাংস্কৃতিক শিকন উন্নত কৰি তুলিব পৰা উৎকৃষ্ট মানৰ মাধ্যমিক শিক্ষা আগবঢ়োৱা।
- মাধ্যমিক শিক্ষা গ্ৰহণ কৰি থকা প্ৰতিটো শিক্ষার্থীয়ে যাতে উচ্চ মানবিশিষ্ট শিক্ষা গ্ৰহণ কৰিবলৈ পায় সেয়া নিশ্চিত কৰা।

- **RMSA ৰ উদ্দেশ্য**

দেশৰ মাধ্যমিক শিক্ষা সার্বজনীনকৰণৰ বাবে RMSA ই গ্ৰহণ কৰা দর্শনসমূহ হ'ল-

- যিকোনো বসতিস্থলৰ পৰা যুক্তিসংগত দূৰত্বত থকা স্থানত একোখনকৈ মাধ্যমিক বিদ্যালয়ৰ সুবিধা আগবঢ়োৱা।
- সাধাৰণ নামভর্তিকৰণ হাৰ ১০০% কৰি ২০১৭ চনৰ ভিতৰত মাধ্যমিক শিক্ষাৰ সার্বজনীন সুচলতা নিশ্চিত কৰা।
- ২০২০ চনক ভিচকচ শিক্ষা সমাপ্ত নোহোৱালৈকে শিক্ষার্থীক বিদ্যালয়ত ধৰি ৰখাৰ সার্বজনীন লক্ষ্যত উপনীত হোৱা।
- সমাজৰ আর্থিকভাৱে দুর্বল শ্ৰেণী, শৈক্ষিক দিশত পিছপৰা সম্প্ৰদায়, কন্যা সন্তান, শাৰীৰিতভাৱে অক্ষম ল'ৰা-ছোৱালী, গ্ৰামাঞ্চলৰ ল'ৰা-ছোৱালী, অনুসূচিত জাতি-জনজাতি-অন্য পিছপৰা জাতি শৈক্ষিকভাৱে পিছপৰা সংখ্যালঘু সম্প্ৰদায়ক বিশেষভাৱে আৰু সকলোলৈকে সাধাৰণভাৱে মাধ্যমিক স্তৰৰ শিক্ষা গ্ৰহণৰ সুযোগ তথা সুচলতা প্ৰদান কৰা।

- **RMSA ৰ কার্য পৰিকল্পনা**

মাধ্যমিক শিক্ষাৰ পোষকতা কৰিবলৈ RMSA ই দেশৰ মাধ্যমিক বিদ্যালয়সমূহত তলত উল্লেখ কৰা আন্তঃগাঁথনিবোৰ গঢ়ি তুলিব খুজিছিল।

- অতিৰিক্ত শ্ৰেণী কোঠা,
- পৰীক্ষাগাৰ,

- গ্রন্থাগাৰ,
- কলা আৰু হস্তশিল্প কোঠা
- শৌচালয়,
- খোৱাপানীৰ ব্যৱস্থা আৰু
- দুর্গম এলেকাত কর্মৰত শিক্ষকৰ বাবে আৱাসিক হোষ্টেল খোলা।

- RMSA আঁচনিৰ অধীনত শিক্ষাৰ গুণগত উৎকর্ষ সাধনৰ বাবে লোৱা দুটামান গুৰুত্বপূর্ণ ব্যৱস্থা হ'ল-
  - শিক্ষার্থী শিক্ষকৰ অনুপাত ৩০ঃ১ কৰিবলৈ অতিৰিক্ত শিক্ষক নিযুক্তি
  - বিজ্ঞান, গণিত আৰু ইংৰাজী শিক্ষাত বিশেষ মনোনিৱেশ
  - কর্মৰত অৱস্থাতে শিক্ষকক প্রশিক্ষণ দিয়া
  - বিজ্ঞানাগাৰ স্থাপন কৰা
  - তথ্য আৰু সংযোগ প্রযুক্তিবিদ্যাভিত্তিক শিক্ষাদান
  - পাঠ্যক্রমৰ সংস্কাৰ সাধন আৰু
  - শিক্ষণ-শিকন পদ্ধতিৰ সংস্কাৰ সাধন।
- RMSA আঁচনিৰ দ্বাৰা কৰা কিছুমান গুৰুত্বপূর্ণ সমতা স্থাপনকাৰী হস্তক্ষেপ হ'ল-
  - সূক্ষ্মতৰ পৰিকল্পনাৰ মনোনিৱেশ
  - আশ্রম পদ্ধতিৰ বিদ্যালয়সমূহৰ উন্নীতকৰণক অগ্রাধিকাৰ
  - অনুসূচিত জাতি-জনজাতি সংখ্যালঘু সম্প্রদায় থকা এলেকাবোৰত বিদ্যালয় খোলাক অগ্রাধিকাৰ
  - সমাজৰ দুর্বল শ্রেণীৰ লোকৰ বাবে বিশেষ নামভর্তিকৰণ অভিযান
  - বিদ্যালয়সমূহত পূর্বতকৈ অধিক মহিলা শিক্ষয়িত্রীক নিযুক্তি
  - ছাত্রীৰ বাবে পৃথক শৌচালয় ব্যৱস্থা।
- RMSA ৰ দুটামান প্রধান বৈশিষ্ট্য হ'ল-
  - **শিক্ষাৰ গুণগত উৎকর্ষ সাধন ঃ** বিদ্যালয়সমূহত বিজ্ঞানাগাৰ স্থাপনৰ পোষকতা কৰা হৈছে, পৰিৱেশ শিক্ষা দিয়া হৈছে, য়োগ শিক্ষাৰ প্রতি সমর্থন জনোৱা হৈছে। কেন্দ্রীয় চৰকাৰৰ সমর্থন প্রাপ্ত জনসংখ্যা শিক্ষা প্রকল্প, আন্তর্জাতিক গণিত-বিজ্ঞান-অলিম্পিয়াড আদিৰো বিদ্যালয়সমূহত আয়োজন কৰা হয়। ৰাজ্য চৰকাৰে শিক্ষকসকলক সেৱাৰত অৱস্থাতে প্রশিক্ষণ দিয়াৰ দিহা কৰে, বিদ্যালয়সমূহত আন্তঃগাঁথনি গঢ়ি তোলে আৰু গৱেষণা নিৱেশ (research input) আগবঢ়ায়।
  - **তথ্য আৰু সংযোগ প্রযুক্তি** (ICT) **ব্যৱহাৰ ঃ** ICT সেৱাত কেন্দ্রীয় চৰকাৰৰ পৃষ্ঠপোষকতাত চলি থকা বিদ্যালয়ত কম্পিউটাৰ সাক্ষৰতা আৰু অধ্যয়ন (CLASS) আঁচনি, নানা প্রকল্প, শৈক্ষিক প্রযুক্তি (ET) ৰ ব্যৱহাৰ আদি অন্তর্ভুক্ত কৰা হৈছে। এই কার্যকলাপৰ জৰিয়তে শিক্ষার্থী তথ্য প্রযুক্তি (IT) ৰ সৈতে পৰিচিত হয়। বর্তমান IT ৰ জ্ঞানৰ চাহিদা উর্দ্ধগামী হৈছে। সেয়েহে বিষয়টোত বিদ্যালয় স্তৰৰ শিক্ষাৰ পৰাই গুৰুত্ব দিয়া হৈছে। বিদ্যালয়ৰ বাবে প্রস্তুত কৰা ICT আঁচনিবোৰত নিহিত উপাদান দুটামান হ'ল-
    - কম্পিউটাৰ শিক্ষা পৰিকল্পনাবোৰলৈ বিত্তীয় সমর্থন আগবঢ়োৱা
    - ৰাজ্যিক শৈক্ষিক প্রযুক্তিবিদ্যা প্রতিষ্ঠান (SIETs) বোৰৰ কর্মচাৰীৰ দক্ষতা তথা অভিবিন্যাস সুদৃঢ়কৰণ
    - SIETs ৰ দ্বাৰা প্রস্তুত দৃশ্য-শ্রব্য কেছেটবোৰৰ কোনো NGo ৰ সৈতে অংশীদাৰত্ব স্থাপন কৰি ডিজিটেলাইজ্যেশ্যন ঘটোৱা আৰু
    - SIETs ক ইণ্টাৰনেট ভিত্তিক শিক্ষাদান ব্যৱস্থাটো পৰিচালনা কৰিবলৈ দিয়া।
- **সুচলতা আৰু সমতা ঃ** RMSA ৰ জৰিয়তে দেশৰ মাধ্যমিক স্তৰৰ শিক্ষাত থতা আর্থ-সামাজিক তথা সামাজিক লিংগ ভিত্তিক বৈষম্যসমূহ আঁতৰ কৰাত গুৰুত্ব দিয়া হৈছে। এনে বৈষম্যৰ বলি হোৱাসকলক দুর্বল/সা-সুবিধা বঞ্চিত গোটত ভাগ কৰা হৈছে। এই শ্রেণীৰ পৰিয়ালৰ ল'ৰা-ছোৱালীৰ বাবে মাধ্যমিক

শিক্ষা বিনামূলীয়াকৈ সুচল কৰি তুলিবলৈ প্ৰচলন ঘটোৱা দুটামান উল্লেখযোগ্য কাৰ্যকৌশল হ'ল-

- **সা-সুবিধাৰ পৰা বঞ্চিত গোটবোৰৰ চিনাক্তকৰণ ঃ** এই উদ্দেশ্যত সৰ্বমুঠ নামভৰ্তি অনুপাত (GER), শুদ্ধ নামভৰ্তি অনুপাত (NER), পঢ়া আধাতে বাদ দিয়া শিক্ষাৰ্থীৰ হাৰ, শিক্ষা সমাপ্ত হোৱালৈকে বিদ্যালয়লৈ অহা শিক্ষাৰ্থীৰ হাৰ, শিক্ষা সমাপ্ত হোৱালৈকে বিদ্যালয়লৈ অহা শিক্ষাৰ্থীৰ হাৰ, সামাজিক লিংগভিত্তিক তাৰতম্য সূচ্যাংক (GPI), সামাজিক লিংগভিত্তিক ব্যৱধান আদিৰ দৰে কিছুমান শৈক্ষিক সূচক ব্যৱহাৰ তথা বিশ্লেষণ কৰা হয়।
- **প্ৰয়োজনীয়া মূল্যায়ন ঃ** সমতা স্থাপনকাৰী পৰিকল্পনা প্ৰস্তুত কৰাৰ আগতে সম্পন্ন কৰা এটা গুৰুত্বপূৰ্ণ কাৰ্যটাপ হ'ল প্ৰয়োজনীয় মূল্যায়ণ। সামাজিকভাৱে বঞ্চিত শ্ৰেণীটোৰ ল'ৰা-ছোৱালীৰ শিক্ষাক প্ৰভাৱিত কৰা কাৰকবোৰ বিচাৰি উলিয়াই সেইবোৰৰ মূল্যাংকন কৰা হয়। ইয়াত সম্প্ৰদায়ৰ সদস্য, শিক্ষক, নাগৰিক সমাজ আদিৰ অংশগ্ৰহণো জড়িত হৈ থাকে।
- **সকলো প্ৰকাৰৰ ব্যৱধান আঁতৰ কৰিবলৈ উপযুক্ত কাৰ্যকৌশল নিৰ্দ্ধাৰণ কৰা ঃ** এনে ব্যৱধান সৃষ্টিৰ আঁৰত একাধিক আন্তঃসম্পৰ্কযুক্ত সক্ৰিয় হৈ থাকে। এইবোৰে মিলি অসম পৰিস্থিতিৰ সৃষ্টি কৰে। ইয়াৰ বাবে গ্ৰহণ কৰা কাৰ্যকৌশলবোৰ হ'ল বহুমাত্ৰিক কাৰ্যকলাপৰ এক সমষ্টি।
- **প্ৰকল্পভিত্তিক প্ৰস্তাৱ ঃ** প্ৰকল্পভিত্তিক প্ৰস্তাৱ বিকাশৰ কাৰ্যকৌশল গ্ৰহণ কৰাৰ ফলত RMSA ই প্ৰয়োজন সাপেক্ষে প্ৰমাণভিত্তিক আৰু ফলাফলকেন্দ্ৰিক কাৰ্যকৌশল গ্ৰহণ কৰিব পাৰে।

- **শাৰীৰিকভাৱে বাধাগ্ৰস্ত ল'ৰা-ছোৱালীৰ বাবে সংহত শিক্ষা** (IEDC) ঃ মানসিক আৰু শাৰীৰিকভাৱে বাধাগ্ৰস্ত ল'ৰা-ছোৱালীৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পৰাকৈ সাধাৰণ শিক্ষাক সম্প্ৰসাৰিত কৰি এক সমাৱেশী শিক্ষা ব্যৱস্থা প্ৰচলিত কৰাত জোৰ দিয়া হৈছে। এই আঁচনিখন কেন্দ্ৰীয় চৰকাৰে পোষকতা কৰা এখন পৃথক আঁচনি হৈ থাকিব। আঁচনিখনত এনে বহুতো উপাদান সন্নিৱিষ্ট কৰা হৈছে যিবোৰৰ বাবে ইয়াক সংহত শিশু উন্নয়ন সেৱাৰ সৈতে সমাযোজিত কৰি শিশুৰ জীৱনৰ প্ৰাৰম্ভিক অৱস্থাতে অসুবিধাবোৰ আঁতৰোৱাৰ প্ৰয়াস কৰিব পাৰি। প্ৰাথমিক স্তৰত এনে বিশেষ গোটৰ তদাৰকৰ বাবে সৰ্বশিক্ষা অভিযান তথা বিশেষীকৃত বিদ্যালয়সমূহক দায়িত্ব দিয়া হয়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ঃ RMSA- ৰ সম্পূৰ্ণ ৰূপটো কি?

.....

প্ৰশ্ন নং ৭ঃ RMSA- ৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি?

.....

প্ৰশ্ন নং ৮ঃ ..... বয়স গোটৰ সকলো ল'ৰা-ছোৱালীৰ বাবে RMSA- ই সুচল আৰু ব্যয়সাধ্য মাধ্যমিক শিক্ষা গ্ৰহণৰ সুযোগ আগবঢ়ায়।

১৪.৭ সমগ্ৰ শিক্ষা

২০১৮-১৯ চনৰ কেন্দ্ৰীয় বাজেটত বিদ্যালয় পৰ্যায়ৰ শিক্ষাক সৰ্বাংগীন উন্নতি সাধনকাৰী শিক্ষা কৰি তোলাৰ প্ৰস্তাৱ দিয়া হৈছিল। ইয়াত বিদ্যালয়ৰ শিক্ষাক প্ৰাক্-প্ৰাথমিকৰ পৰা দ্বাদশ শ্ৰেণীলৈ বিভিন্ন শিতানত ভগোৱাৰ পৰামৰ্শ দিয় হৈছিল। ইয়াৰ বাবে বিদ্যালয় স্তৰৰ শিক্ষা খণ্ডৰ প্ৰযোজ্য কৰিবলৈ সৰ্বব্যাপক কাৰ্যসূচী 'সমগ্ৰ শিক্ষা'ৰ কাম আৰম্ভ কৰ হৈছিল। কাৰ্যসূচীখন প্ৰস্তুত কৰাৰ সময়ত বিদ্যালয়ৰ ফলপ্ৰসূতা উন্নততৰ কৰি তোলাৰ বৃহত্তৰ লক্ষ্য স্থিৰ কৰি লোৱা হৈছিল। বিদ্যালয়ৰ ফলপ্ৰসূতাক বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিবলৈ সকলোৱে সমান সুবিধা লাভ কৰা আৰু সমপৰ্যায়ৰ শিকন ফলাফলৰ দিশেৰে জোখা হৈছিল। 'সমগ্ৰ শিক্ষা' ই পূৰ্বৰ সৰ্বশিক্ষা অভিযান (SSA), ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান (RMSA) আৰু শিক্ষকৰ শিক্ষা (TE) ৰ স্থান লৈছে।

এই খণ্ডব্যাপ্ত উন্নয়নমূলক কার্যসূচী অথবা আঁচনিখনে শিক্ষাৰ সকলো স্তৰতে কার্যৰূপায়ণ ব্যৱস্থা আৰু বিত্তীয় লেনদেন ব্যয়ৰ মাজত সামঞ্জস্য স্থাপনত সহায় কৰিব। ৰাজ্যিক, জিলা আৰু উপ-জিলা স্তৰৰ ব্যৱস্থা তথা সমলৰ ক্ষেত্ৰত এয়া বিশেষভাৱে প্ৰযোজ্য হ'ব। ইয়াৰ উপৰি 'সমগ্ৰ শিক্ষা'ই জিলা স্তৰত বিদ্যালয় পৰ্যায়ৰ শিক্ষাৰ বিকাশ ঘটাবলৈ এক বিস্তৃত কার্যকৌশলগত পৰিকল্পনা আগবঢ়ায়। প্ৰকল্পভিত্তিক উদ্দেশ্য ফলৱতীকৰণৰ পৰা ব্যৱস্থা স্তৰৰ পা�ৱদৰ্শিতা উন্নয়ন দিশলৈ মনোযোগ সলনি কৰাত এই কার্যসূচীৰ অৱদান আছে। বিভিন্ন আঁচনি যুক্ত কৰি বিদ্যালয় শিক্ষাৰ ফলাফল উন্নত কৰা আৰু ৰাজ্যবোৰক আর্থিক সাহায্যেৰে উদ্‌গতি যোগোৱা কার্যই শিক্ষাৰ গুণগত উৎকর্ষ সাধন কৰিব।

'সমগ্ৰ শিক্ষা' আঁচনিয়ে 'বিদ্যালয়'ক এক অবিৰত প্ৰক্ৰিয়া বুলি বিবেচনা কৰে। প্ৰাক্-প্ৰাথমিক, প্ৰাথমিক, উচ্চ প্ৰাথমিক, মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক স্তৰৰ মাজেদি এই প্ৰবাহ অবিৰত হৈ ৰয়। আঁচনিখনৰ ভৱিষ্য দৰ্শন হ'ল প্ৰাক্-প্ৰাথমিকৰ পৰা উচ্চতৰ মাধ্যমিক পর্যন্ত শিক্ষাৰ প্ৰতিটো স্তৰতে সকলোকে সামৰি লোৱা তথা সমতাপূর্ণ শিক্ষাৰ প্ৰসাৰ নিশ্চিত কৰা। এই কাম শিক্ষাৰ বাবে নির্দ্ধাৰণ কৰা বহনক্ষম উন্নয়ন লক্ষ্য (SDG) ৰ সৈতে সংগতি ৰাখি আগবঢ়াই নিয়া হয়।

- **সমগ্ৰ শিক্ষা আঁচনিৰ প্ৰধান উদ্দেশ্য ঃ** সমগ্ৰ শিক্ষা আঁচনিৰ প্ৰধান উদ্দেশ্যসমূহ হ'ল- গুণমান বিশিষ্ট শিক্ষা গ্ৰহণৰ সুবিধা আগবঢ়োৱা, শিক্ষার্থীৰ শিকন ফলাফল সমৃদ্ধ কৰা, বিদ্যালয় স্তৰৰ শিক্ষাত সামাজিক সমতা স্থাপন তথা সামাজিক লিংগভিত্তিক ব্যৱধান আঁতৰ কৰা, বিদ্যালয় স্তৰৰ সকলো ঢাপতে সমতা আৰু সর্বাত্মক সমাৱেশ নিশ্চিত কৰা, বিদ্যালয়ৰ বাবে অত্যাৱশ্যকীয় সা-সুবিধাবোৰৰ ন্যূনতম মান নিশ্চিত কৰা, শিক্ষাক বৃত্তিমুখী কৰাৰ প্ৰয়াসবোৰৰ পোষকতা কৰা, ৰাজ্যসমূহক ২০০৯ চনৰ শিশুৰ বিনামূলীয়া তথা বাধ্যতামূলক শিক্ষা লাভৰ অধিকাৰ আইন (RTE) খন প্ৰৱর্তন কৰাৰ কামত সমর্থন আগবঢ়োৱা আৰু SCERT, SIE তথা DIET ৰ দৰে অনুষ্ঠানসমূহক সুদৃঢ় তথা উন্নীত অভিকর্তাৰ ৰূপ দিয়া।
- **সমগ্ৰ শিক্ষা আঁচনিৰ প্ৰধান ফলাফলসমূহ ঃ** আঁচনিখনৰ প্ৰধান ফলাফল হিচাপে শিক্ষাৰ সার্বজনীন সুচলতা, সমতা আৰু উৎকর্ষ, বৃত্তিমুখী শিক্ষাৰ প্ৰসাৰ তথা শিক্ষকৰ শিক্ষানুষ্ঠানসমূহ (TELs) ৰ সুদৃঢ়কৰণ ঘটাৰ দৰে দিশবোৰত জোৰ দিয়া হৈছে।
- **সমগ্ৰ শিক্ষা আঁচনিৰ কার্যৰূপায়ণ ঃ** কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাৰে সমগ্ৰ শিক্ষা আঁচনিখন প্ৰযোজ্য কৰা হৈছে। ইয়াৰ বাবে দেশৰ প্ৰতিখন ৰাজ্য তথা প্ৰতিটো কেন্দ্ৰীয় শাসিত অঞ্চলতে একোখনকৈ ৰাজ্যিক কার্যৰূপায়ণ সমাজ (SIS) গঠন কৰা হৈছে। ৰাষ্ট্ৰীয় স্তৰত শিক্ষামন্ত্ৰী (পূর্বৰ মানৰ সম্পদ বিকাশ মন্ত্ৰী) ৰ অধ্যক্ষতাত এটা গভর্নিং বডী (পৰিচালনা সমিতি) আৰু এখন প্ৰকল্প অনুমোদন বোর্ড (PAB) গঠন কৰা হৈছে। বিদ্যালয় শিক্ষা তথা সাক্ষৰতা বিভাগৰ সচিব এই বোর্ডৰ মুৰব্বী। পৰিচালনা পৰিষদখনক সমগ্ৰ শিক্ষাৰ বিত্তীয় তথা কার্যসূচীভিত্তিক নীতি-নিয়মবোৰ সংশোধন কৰা আৰু আঁচনিখনৰ সামগ্ৰিক গাঁথনিৰ ভিতৰত কার্যৰূপায়ণ পদ্ধতি বিষয়ক বিস্তৃত দিক্-নির্দেশনাত অনুমোদন জনোৱাৰ কর্তৃত্ব দিয়া হৈছিল। এনে সংশোধনত উদ্ভাৱনীমূলক বিষয় আৰু হস্তক্ষেপৰ সুবিধা ৰাখি বিদ্যালয় স্তৰৰ শিক্ষা উন্নত কৰি তোলাৰ প্ৰয়াস কৰা হয়। সমগ্ৰ শিক্ষা পৰিচালনাৰ বাবে স্থাপন কৰা বিভাগটোক সহায় কৰিবলৈ ভাৰতীয়া শৈক্ষিক পৰামর্শদান লিমিটেড (EdCIL) নামৰ প্ৰতিষ্ঠানটোত এটা কাৰিকৰী সমর্থন গোট (TSG) সষ্টম হৈ থাকে। এই গোটটোৱে বিভাগক কার্য সম্পাদনমূলক দিশবোৰত, যেনে- শিক্ষা সুচল কৰি তোলা, শিক্ষাত সমতা স্থাপন কৰা আৰু শিক্ষাৰ গুণগত উৎকর্ষ সাধন কৰাত কাৰিকৰী সমর্থন আগবঢ়ায়। ইয়াৰ বাবে পূর্বৰ SSA, RMSA আৰু TE আঁচনিৰ কাৰিকৰী সমর্থন গোট তিনিটা লগ লগাই এটা কৰা হৈছে। ৰাজ্যসমূহক বিদ্যালয় শিক্ষা খণ্ডৰ বাবে একোটা গাইগুটীয়া পৰিকল্পনা প্ৰস্তুত কৰিবলৈ দিয়া হয়।
- **বিত্ত ঃ** সমগ্ৰ শিক্ষাৰ পুঁজি ভাগ-বাটোৱাৰা কৰাৰ অনুপাত অঞ্চলভেদে ভিন ভিন। উত্তৰ পূর্বাঞ্চলৰ অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, চিকিম আৰু ত্ৰিপুৰাৰ লগতে হিমালয় আঞ্চলৰ জম্মু-কাশ্মীৰ, হিমাচল প্ৰদেশ তথা উত্তৰাখণ্ড ৰাজ্যৰ বাবে এই অনুপাত হ'ল ৯০:১০। অন্য ৰাজ্য তথা কেন্দ্ৰীয় শাসিত প্ৰদেশৰ ক্ষেত্ৰত এই অনুপাত হ'ল ৬০:৪০। যিবোৰ কেন্দ্ৰীয় শাসিত প্ৰদেশত কোনো

বিধানসভা নাই সেইবোৰত কেন্দ্রীয় চৰকাৰে ১০০% পুঁজিৰ যোগান ধৰে। এই পুঁজি বিতৰণ প্রক্রিয়াটো ২০১৫ চনৰ অক্টোবৰ মাহত কেন্দ্রীয় পৃষ্ঠপোষকতাত থকা আঁচনিসমূহৰ বাস্তৰায়িতকৰণৰ বিষয়ত মুখ্যমন্ত্রীৰ উপ-গোটে আগবঢ়োৱা পৰামর্শ অনুসৰি গ্রহণ কৰা হৈছে।

- **সমগ্র শিক্ষাৰ গুৰুত্বপূর্ণ হস্তক্ষেপসমূহ ঃ** সমগ্র শিক্ষা আঁচনিৰ অধীনত সমগ্র দেশৰে সকলো স্তৰৰ বিদ্যালয় শিক্ষাত কৰিব খোজা গুৰুত্বপূর্ণ হস্তক্ষেপসমূহ হ'ল- (i) আন্তঃগাঁথনিমূলক উন্নয়ন তথা শিক্ষা সমাপ্ত নোহোৱা পর্যন্ত শিক্ষার্থীক বিদ্যালয়ত ধৰি ৰাখিব পৰা ব্যৱস্থাৰে সৈতে শিক্ষাক সার্বজনীনভাৰে সুচল কৰি তোলা, (ii) বিদ্যালয় শিক্ষাত থকা সামাজিক লিংগ বৈষম্য আঁতৰ কৰি সমতা স্থাপন কৰা, (iii) সকলোকে সামৰি লোৱা শিক্ষা প্রচলিত কৰা, (iv) শিক্ষাৰ গুণগত উৎকর্ষ সাধন কৰা, (v) শিক্ষকৰ দৰমহাৰ বিষয়ত বিত্তীয় সমর্থন আগবঢ়োৱা, (vi) ডিজিটেল উদ্যমবোৰৰ প্রসাৰ ঘটোৱা, (vii) ইউনিফ'র্ম আৰু পাঠ্যপুথি আদিক সামৰি বিভিন্ন RTE উপাদানক শিক্ষা ব্যৱস্থাৰ অংশ কৰি তোলা, (viii) প্রাক্-বিদ্যালয় শিক্ষা উন্নত কৰি তোলা, (ix) বৃত্তিমুখী শিক্ষাৰ পোষকতা কৰা, (x) ক্রীড়া আৰু শাৰীৰিক শিক্ষাৰ পোষকতা কৰা, (xi) শিক্ষকৰ শিক্ষা আৰু প্রশিক্ষণ সুদৃঢ় কৰি তোলা, (xii) শিক্ষা ব্যৱস্থাটো নিৰীক্ষণ কৰা, (xiii) শৈক্ষিক কার্যসূচী পৰিচালনা কৰা আৰু (xiv) ৰাষ্ট্রীয় সম্পদ গঢ়ি তোলা।

প্রস্তাৱ আগবঢ়োৱা হৈছিল যে সকলো ধৰণৰ হস্তক্ষেপমূলক কামকাজত শৈক্ষিকভাৰে পিছপৰা খণ্ড (EBBs) বোৰক অগ্রাধিকাৰ দিয়া হ'ব। ইয়াৰ পাছতেই বামপন্থী উগ্রবাদে প্রভাৱিত কৰা জিলাসমূহ (LWEs), বিশেষ মনোযোগ দিয়া জিলাসমূহ (SFDs), সীমান্তৱর্তী অঞ্চল আৰু ১১৭ খন প্রত্যাশাপূর্ণ জিলাই অগ্রাধিকাৰ পাব।

'সমগ্র শিক্ষা' আঁচনিয়ে সর্বাধিক গুৰুত্ব দিয়া বিষটো হ'ল দুটা 'T'-Teacher আৰু Technology- ত মনোনিৰেশ কৰি বিদ্যালয় শিক্ষাৰ গুণগত উৎকর্ষ সাধন কৰা। এই আঁচনিৰ অধীনত কৰা সকলো হস্তক্ষেপমূলক কাম-কাজৰ কৌশলে বিদ্যালয় শিক্ষাৰ সকলো স্তৰৰে শিকন ফলাফল সমৃদ্ধ কৰিব লাগিব। আঁচনিখনে ৰাজ্য আৰু কেন্দ্রীয় শাসিত প্রদেশবোৰক নিজ নিজ আৱশ্যকতা অনুসৰি এনে হস্তক্ষেপমূলক কাম-কাজৰ পৰিকল্পনা কৰিবলৈ তথা অগ্রাধিকাৰৰ ভিত্তিত সজাই ল'বলৈ নমনীয়তা প্রদান কৰিছে। কেৱল এই পৰিকল্পনাবোৰ 'সমগ্র শিক্ষা' আঁচনিৰ নির্দ্ধাৰিত নীতি-নিয়মৰ ভিতৰত থাকিব লাগিব তথা নিজ নিজ চাৰিসীমাৰ ভিতৰত উপলব্ধ সামগ্রিক সমলৰ ভিত্তিক কৰিব লাগিব। শিক্ষার্থীৰ নামভর্ত্তি, দায়ৱদ্ধ দেনদাৰীত্ব, শিকন ফলাফল আৰু বিভিন্ন পাৱদর্শিতা সূচ্যাংকৰ ভিত্তিত প্রস্তুত কৰা বস্তুনিষ্ঠা শিতানবোৰ অধীনত দেখুওনা সুফলৰ ভিত্তিতহে আঁচনিৰ পুঁজি আৱণ্টিত কৰাৰ প্রস্তাৱ দিয়া হৈছিল।

'সমগ্র শিক্ষা' আঁচনিয়ে বিদ্যালয় স্তৰৰ শিক্ষাৰ বিভিন্ন ঢাপলৈ শিক্ষার্থীৰ উত্তীর্ণ হোৱাৰ হাৰ উন্নত কৰাত সহায় কৰিব। ই শিক্ষার্থীক বিদ্যালয় স্তৰৰ শিক্ষা সম্পূর্ণ কৰিব পৰাকৈ শিক্ষাৰ সার্বজনীন সুচলতাৰ পোষকতা কৰিব। আঁচনিত শিক্ষকৰ শিক্ষা যোগ দিয়া ফলত বিদ্যালয়ত বিভিন্ন সমর্থক সংৱচনাৰ সমাযোজন ঘটিব অথবা সংৱচনাসমূহৰ মাজত যোগসূত্র স্থাপন হ'ব যেনে- এখন একত্রীকৃত প্রশিক্ষণ বর্ষপঞ্জী, শিক্ষাদান শাস্ত্র উদ্ভাৱনৰ সংযোজন, দিক্-নিদের্শনা প্রদান আৰু নিৰীক্ষণ ইত্যাদি। এই আঁচনিখনে SCERT ক সকলোবোৰ সেৱাৰত অৱস্থাত আগবঢ়োৱা প্রশিক্ষণ কার্যসূচীৰ কার্যৰূপায়ণ তথা নিৰীক্ষণকাৰী ন'ডেল অভিকর্তাত পৰিণত হোৱাত সহায় কৰিব। লগতে প্রশিক্ষণ কার্যসূচীসমূহকো আৱশ্যকতাকেন্দ্রিক তথা গতিশীল কৰি তুলিব পৰা যাব। আঁচনিখনে প্রযুক্তিবিদ্যাল সা-সুবিধা ব্যৱহাৰৰ পথো প্রশস্ত কৰি তুলিব। ফলত দেশৰ সকলোতে উচ্চমানৰ শিক্ষা সুচল কৰি তোলাৰ প্রয়াস সম্প্রসাৰিত হ'ব।

১৪.৮ ৰাষ্ট্রীয় উচ্চতৰ শিক্ষা অভিযান আৰু শিক্ষা সার্বজনীনকৰণ

উচ্চতৰ শিক্ষা সার্বজনীনকৰণ হ'ল উচ্চশিক্ষাৰ জগতখনত গা কৰি উঠা এটা নতুন ধাৰণা। প্রাথমিক আৰু মাধ্যমিক স্তৰৰ শিক্ষা সার্বজনীন কৰাৰ প্রয়াসবোৰ সফল হোৱা বাবে বর্তমান চৰকাৰে দেশৰ সকলো

অৰ্হতাসম্পন্ন নাগৰিকক উচ্চতৰ শিক্ষা প্ৰদানৰ প্ৰচেষ্টা গ্ৰহণ কৰিব খুজিছে। এই কথাক বাস্তৱ ৰূপ দিবলৈ ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান (RUSA) নামৰ উদ্ভাৱনীমূলক শৈক্ষিক কাৰ্যসূচীখনৰ পাতনি মেলা হৈছে।

RUSA হ'ল এখন কেন্দ্ৰীয় পৃষ্ঠপোষকতাসম্পন্ন আঁচনি (CSS)। ২০১৩ চনত ইয়াৰ শুভাৰম্ভ কৰা হৈছে। RUSA ৰ প্ৰধান লক্ষ্য হ'ল ৰাজ্যসমূহৰ যোগ্য উচ্চশিক্ষানুষ্ঠানসমূহলৈ কাৰ্য কৌশলগতভাৱে পুঁজিৰ যোগান ধৰা। ইয়াৰ অধীনত সাধাৰণ শ্ৰেণীৰ অন্তৰ্ভুক্ত ৰাজ্যবোৰলৈ ৬০:৪০ অনুপাতত আৰু বিশেষ শ্ৰেণীৰ অন্তৰ্ভুক্ত ৰাজ্যবোৰলৈ ৯০:১০ অনুপাতত পুঁজিৰ যোগান ধৰা হয়। কেন্দ্ৰীয় শাসিত অঞ্চলবোৰলৈ ১০০% কেন্দ্ৰীয় পুঁজি প্ৰেৰণ কৰা হয়। পুঁজি লাভ কৰাৰ প্ৰক্ৰিয়াটো নীতি-নিয়ম তথা ফলাফল নিৰ্ভৰ। কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰসমূহ নাইবা কেন্দ্ৰীয় শাসিত প্ৰদেশৰ প্ৰশাসনক পুঁজিৰ যোগান ধৰে। ৰাজ্য তথা কেন্দ্ৰীয় শাসিত প্ৰদেশসমূহে এই পুঁজি ৰাজ্যিক/প্ৰাদেশিক উচ্চতৰ শিক্ষা পৰিষদক মোকলাই দিয়ে। পৰিষদে চিনাক্ত কৰি উলিওৱা অনুষ্ঠানসমূহক এই ধনৰ যোগান ধৰে। ৰাজ্যসমূহলৈ পুঁজিৰ যোগান ধৰা বিষয়টো ৰাজ্যিক উচ্চতৰ শিক্ষা পৰিকল্পনাৰ পুংখানুপুংখ বিবেচনাৰ আধাৰত নিৰ্ণিত কৰা হয়। পৰিকল্পানত প্ৰতিখন ৰাজ্যৰে সমতা-সুচলতা-উৎকৰ্ষৰ সৈতে জড়িত সমস্যাবোৰ সমাধান কৰাৰ কাৰ্যকৌশল বৰ্ণনা কৰিব লাগে।

- **RUSA ৰ প্ৰধান উদ্দেশ্যসমূহ**

  RUSA ৰ প্ৰধান উদ্দেশ্যসমূহ হ'ল-

  - ৰাজ্যিক উচ্চতৰ শিক্ষানুষ্ঠানসমূহৰ সামগ্ৰিক উৎকৰ্ষ সাধন কৰা। ইয়াৰ বাবে নিৰূপিত নীতি-নিয়ম আৰু মান ৰক্ষা কৰি শিক্ষানুষ্ঠানসমূহৰ পৰিচালনা সুনিশ্চিত কৰা হয়। বাধ্যতামূলক গুণগত নিশ্চয়তা ৰূপৰেখা হিচাপে আদায়ৰ নীতি মানি চলালেও নিশ্চিত কৰা হয়।
  - ৰাজ্যিক উচ্চতৰ শিক্ষানুষ্ঠানসমূহত ৰূপান্তকাৰী সংস্কাৰ সাধন আৰম্ভ কৰা। ইয়াৰ বাবে পৰিকল্পনা আৰু নিৰীক্ষণৰ আনুষ্ঠানিক সংৰচনা এটা গঢ়ি তোলা হ'ব। স্ব-নিয়ন্ত্ৰিত ৰাজ্যিক বিশ্ববিদ্যালয় স্থাপনৰ পোষকতা কৰা হ'ব আৰু শিক্ষানুষ্ঠানসমূহৰ নিয়ন্ত্ৰণ প্ৰশাসন উন্নত কৰা হ'ব।
  - মান্যতা আহৰণ ব্যৱস্থা, শৈক্ষিক তথা পৰীক্ষা প্ৰণালীসমূহৰ সংস্কাৰ সাধন কৰা।
  - সকলোবোৰ উচ্চতৰ শিক্ষানুষ্ঠানত পৰ্যাপ্ত সংখ্যক উৎকৃষ্ট মানৰ শিক্ষক উপলব্ধ কৰোৱা। শিক্ষানুষ্ঠানত নিযুক্তিপ্ৰাপ্ত সকলো স্তৰৰ চাকৰিয়ালৰে সামৰ্থ বৃদ্ধি সুনিশ্চিত কৰা।
  - উচ্চতৰ শিক্ষানুষ্ঠানসমূহে গৱেষণা আৰু উদ্ভাৱনীমূলক কাম-কাজত হাত দিব পৰাকৈ অনুকূল পৰিৱেশ সৃষ্টি কৰা।
  - সক্ৰিয় হৈ থকা অনুষ্ঠানবোৰৰ অতিৰিক্ত সামৰ্থ বৃদ্ধি তথা নতুন অনুষ্ঠান স্থাপন কৰি অনুষ্ঠানগত ভেটিটো সম্প্ৰসাৰিত কৰি নামভৰ্তিৰ লক্ষ্যত উপনীত হোৱা।
  - উচ্চতৰ শিক্ষা খণ্ডত দেশব্যাপী থকা আঞ্চলিক অসমতা নাইকিয়া বৰ্তমানলৈকে বঞ্চিত উপেক্ষিত হৈ ৰোৱা অঞ্চলবোৰত উচ্চতৰ শিক্ষানুষ্ঠান স্থাপন কৰা।
  - উচ্চতৰ শিক্ষাত সমতাৰ দিশটো উন্নত কৰা। অনুসূচিত জাতি-জনজাতি, সামাজিকভাৱে- শৈক্ষিকভাৱে দুৰ্বল শ্ৰেণীৰ শিক্ষাৰ্থীক উচ্চতৰ শিক্ষালাভৰ উপযুক্ত সুবিধা দিয়া। মহিলা-সংখ্যালঘু আৰু অন্যধৰণে সক্ষম ব্যক্তিক উচ্চতৰ শিক্ষা লাভ কৰিবলৈ অনুপ্ৰাণিত কৰা।

- **RUSA ৰ বৈশিষ্ট্যসূচক উপাদানসমূহ ঃ** RUSA ৰ অধীনত দেশত নতুন বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব। ইয়াৰ বাবে সম্প্ৰতি সক্ৰিয় হৈ থকা নিৰ্বাচিত স্ব-নিয়ন্ত্ৰিত মহাবিদ্যালয়সমূহকে বিশ্ববিদ্যালয় স্তৰলৈ উন্নীত কৰা হ'ব। মহাবিদ্যালয়সমূহক গোট খুৱাই একো একোটা থূপ তৈয়াৰ কৰা হ'ব। RUSA ৰ অধীনত আদৰ্শ ডিগ্ৰী মহাবিদ্যালয় আৰু নতুন বৃত্তিজীৰি পাঠ্যক্ৰমভিত্তিক মহাবিদ্যালয় স্থাপন কৰা হ'ব। RUSA ই বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহলৈ আন্তঃগাঁথনিমূলক সমৰ্থন আগবঢ়াব। ইয়াৰ উপৰি RUSA ৰ অধীনত কৰিবলগীয়া আৰু দুটামান গুৰুত্বপূৰ্ণ কাম হ'ল- শিক্ষক নিযুক্তি সমৰ্থন, শিক্ষকৰ উৎকৰ্ষ সাধনকাৰী কাৰ্যসূচী, শৈক্ষিক প্ৰশাসকৰ নেতৃত্ব দিব পৰা গুণৰ বিকাশ ইত্যাদি। দক্ষতা বিকাশৰ বাবে দেশত চলি থকা কেন্দ্ৰীয় প'লিটেকনিকৰ আঁচনিখন RUSA ত লীন নিওৱা হৈছে। বৃত্তিমুখী শিক্ষাক উচ্চতৰ শিক্ষাৰ সৈতে

সংযোজিত কৰিবলৈ RUSA ত এটা পৃথক সুবিধা সংলগ্ন কৰা হৈছে। এইবোৰৰ উপৰি RUSA ই বিভিন্ন ধৰণৰ সংস্কাৰ সাধন, পুনঃনির্মাণ, অংশগ্রহণকাৰী ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহৰ ভৱন আদিৰ সামর্থ বৃদ্ধিৰ দৰে কামো কৰে।

- বর্তমানেও চলি থকা স্বতন্ত্র মহাবিদ্যালয়সমূহক বিশ্ববিদ্যালয়লৈ উন্নীতকৰণ
- মহাবিদ্যালয়সমূহৰ পঞ্জীকৃত বিশ্ববিদ্যালয়লৈ ৰূপান্তৰ
- বিশ্ববিদ্যালয়সমূহলৈ আন্তঃগাঁথনিমূলক অনুদান
- নতুন আদর্শ মহাবিদ্যালয় স্থাপন (সাধাৰণ)
- বর্তমান সক্রিয় হৈ থকা ডিগ্রী মহাবিদ্যালয়সমূহক আদর্শ মহাবিদ্যালয়লৈ উন্নীতকৰণ
- নতুন মহাবিদ্যালয় (বৃত্তিজীৰি) স্থাপন
- মহাবিদ্যালয়সমূহলৈ আন্তঃগাঁথনি নির্মাণৰ বাবে পুঁজি প্রদান
- গৱেষণা, উদ্ভাৱন আৰু গুণগত উৎকর্ষ সাধনৰ বাবে সুবিধা সৃষ্টি।
- সমতা স্থাপনকাৰী উদ্যম
- শিক্ষক নিযুক্তি সমর্থন
- শিক্ষক উৎকর্ষ সাধন
- উচ্চতৰ শিক্ষাৰ বৃত্তিমুখীকৰণ
- শৈক্ষিক প্রশাসকসকলৰ নেতৃত্ব দিব পৰা গুণৰ বিকাশ
- আনুষ্ঠানিক পুনঃনির্মাণ তথা সংস্কাৰ সাধন
- সামর্থ সৃষ্টি আৰু প্রস্তুতি, ডেটা সংগ্রহ আৰু পৰিকল্পনা।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯ঃ RUSA- ৰ যিকোনো এটা উদ্দেশ্য উল্লেখ কৰক।

.....

প্রশ্ন নং ১০ঃ RUSA- ৰ প্রধান লক্ষ্য কি ?

.....

১৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শিক্ষা ব্যক্তিৰ জন্মস্বত্ব অধিকাৰ। জাতি-বর্ণ-ভাষা-লিংগ নির্বিশেষে প্রতিগৰাকী ব্যক্তিৰে শিক্ষা অর্জন কৰাৰ অধিকাৰ আছে। উপযুক্ত বয়সত যিকোনো আনুষ্ঠানিক শিক্ষানুষ্ঠানৰ পৰা ব্যক্তিয়ে শিক্ষা গ্রহণৰ সুযোগ পোৱা উচিত।
- প্রাথমিক শিক্ষা সার্বজনীনকৰণৰ প্রধান স্তৰ তিনিটা। সা-সুবিধাৰ সার্বজনীনকৰণ, নামভর্তিকৰণ প্রক্রিয়াৰ সার্বজনীনকৰণ, শিক্ষার্থীক বিদ্যালয়ত ধৰি ৰখা প্রক্রিয়াৰ সার্বজনীনকণ।
- প্রাথমিক শিক্ষা হ'ল প্রতিটো শিশুৰে জন্মজাত অধিকাৰ। ১৯৯২ চনৰ জুলাই মাহত দিয়া এক ঐতিহাসিক ৰায়ত ভাৰতৰ উচ্চতম ন্যায়ালয়ে ঘোষণা কৰিছিলঃ 'এই দেশৰ নাগৰিক শিক্ষা গ্রহণৰ মৌলিক অধিকাৰ আছে। এই দেশৰ প্রতিগৰাকী নাগৰিকে ১৪ বছৰ বয়স সম্পূর্ণ কৰাৰ সময়লৈকে বিনামূলীয়া শিক্ষা লাভৰ অধিকাৰ উপভোগ কৰিব পাৰে।' ১৯৯৩ চনত সাৰমর্ম একেই ৰাখি ৰায়টো এবাৰ সংশোধন কৰা হৈছে।
- ভাৰতৰ সংবিধানে ভালসংখ্যক সুবিধাৰ কথা কোৱা আৰু চৰকাৰসমূহে বিভিন্ন ধৰণে প্রয়াস চলোৱাৰ পাছতো প্রাথমিক শিক্ষা সার্বজনীনকৰণৰ ধাৰণাটো এতিয়াও বাস্তৱ হৈ উঠা নাই। কেৱল কাগজী ধাৰণা হৈ ৰোৱা বিষয়টোৰ সৈতে জড়িত সমস্যাসমূহ হ'ল-

সামাজিক সমস্যা, অর্থনৈতিক সমস্যা, ৰাজনৈতিক সমস্যা, শৈক্ষিক সমস্যা, ভৌগলিক সমস্যা, প্রশাসনীয় সমস্যা।

- শিক্ষা সার্বজনীনকৰণৰ ভালেমান সমস্যা আছে। এই সমস্যাবোৰৰ মাত্রা কমাবলৈ চৰকাৰে গ্রহণ কৰা বিভিন্ন ব্যৱস্থাৰ মাজেৰে এটা কার্যসূচী হ'ল 'সর্বশিক্ষা অভিযান' (SSA)।
- এই অভিযানৰ জৰিয়তে ভাৰতৰ প্রাথমিক শিক্ষা খণ্ডৰ ছবিখন সলনি কৰিব খোজা হৈছিল। ইয়াৰ লক্ষ্য আছিল ২০১০ চনৰ ভিতৰত দেশৰ ৬-১৪ বয়স গোটৰ সকলো ল'ৰা-ছোৱালীক উপকাৰী তথা উৎকৃষ্ট মানৰ প্রাথমিক শিক্ষা প্রদান কৰা।
- SSA **কার্যসূচীৰ বিস্তৃত কার্যকৌশলঃ** সমগ্র ভাৰততে SSA কার্যসূচীখন কার্যৰূপায়িত কৰাতো এটা অত্যন্ত কঠিন কাম আছিল। সেয়েহে কার্যৰূপায়ণৰ বাবে প্রথমে এটা বিস্তৃত কার্যকৌশল ঠিক কৰি লোৱা হৈছিল। সেই বোৰ হ'ল-

  আনুষ্ঠানিক সংস্কাৰ সাধন, বহনক্ষম বিত্তীয় প্রবাহ, সামূহিক মালিকীস্বত্ব, আনুষ্ঠানিক সামর্থ বৃদ্ধি, মূলসুতিৰ শৈক্ষিক প্রশাসনৰ স্থিতি উন্নতকৰণ, সম্পূর্ণ স্বচ্ছতাসহ সম্প্রদায় ভিত্তিক নিৰীক্ষণৰ ব্যৱস্থা, সম্প্রদায়ৰ ভাৰসাৰ যোগ্য হৈ উঠা, ছোৱালীক শিক্ষাদান কৰাত অগ্রাধিকাৰ, বিশেষ গোটত মনোনিৱেশ, গুণগত উৎকর্ষত গুৰুত্ব, শিক্ষকৰ ভূমিকা, জিলা প্রাথমিক শিক্ষা পৰিকল্পনা।
- ভাৰতত সর্বশিক্ষা অভিযানৰ জৰিয়তে প্রাথমিক শিক্ষা সার্বজনীন কৰি তোলাৰ লগে লগে মাধ্যমিক শিক্ষাকো সার্বজনীন ৰূপ দিয়াৰ দাবী উত্থাপিত হ'ল।

  বর্তমান RMSA ৰ অধীনত দেশৰ ১৪-১৮ বছৰ বয়স গোটৰ ল'ৰা-ছোৱালীৰ বাবে মাধ্যমিক শিক্ষা সুচল তথা ব্যয়সাধ্য কৰি তোলাৰ লক্ষ্যেৰে কাম কৰি থকা হৈছে।
- অনাগত ৫ বছৰৰ ভিতৰত নৱম-দশম শ্রেণীৰ সাধাৰণ নামভর্তিৰ অনুপাত (GER) ৭৫% কৰি তোলাটোও RMSA ৰ আন এক উদ্দেশ্য।
- ২০১৮-১৯ চনৰ কেন্দ্রীয় বাজেটত বিদ্যালয় পর্যায়ৰ শিক্ষাক সর্বাংগীন উন্নতি সাধনকাৰী শিক্ষা কৰি তোলাৰ প্রস্তাৰ দিয়া হৈছিল। ইয়াত বিদ্যালয়ৰ শিক্ষাক প্রাক্-প্রাথমিকৰ পৰা দ্বাদশ শ্রেণীলৈ বিভিন্ন শিতানত ভগোৱাৰ পৰামর্শ দিয়া হৈছিল। ইয়াৰ বাবে বিদ্যালয় স্তৰৰ শিক্ষা খণ্ডৰ প্রযোজ্য কৰিবলৈ সর্বব্যাপক কার্যসূচী 'সমগ্র শিক্ষা'ৰ কাম আৰম্ভ কৰা হৈছিল।
- উচ্চতৰ শিক্ষা সার্বজনীনকৰণ হ'ল উচ্চশিক্ষাৰ জগতখনত গা কৰি উঠা এটা নতুন ধাৰণা। প্রাথমিক আৰু মাধ্যমিক স্তৰৰ শিক্ষা সার্বজনীন কৰাৰ প্রয়াসবোৰ সফল হোৱা বাবে বর্তমান চৰকাৰে দেশৰ সকলো অর্হতাসম্পন্ন নাগৰিকক উচ্চতৰ শিক্ষা প্রদানৰ প্রচেষ্টা গ্রহণ কৰিব খুজিছে। এই কথাক বাস্তৱ ৰূপ দিবলৈকে ৰাষ্ট্রীয় উচ্চতৰ শিক্ষা অভিযান (RUSA) নামৰ উদ্ভাৱনীমূলক শৈক্ষিক কার্যসূচীখনৰ পাতনি মেলা হৈছে।

১৪.১০ অধিক জানিবলৈ

১) Damal B.D. and Dash B.N. (2002). *Education in Modern Indian*. New Delhi: Kalyani Publishers.

২) Das, Phunu (Ed.). (2016). *Contemporary Issues of Indian Education*. Guwahati: Shanti Prakashan.

৩) Ranganathan, S. (2007). *Educational Reform and Planning Challenge*. New Delhi: Kanishka Publishers & Distributors.

৪) Ravi, S. Samuel. (2015). *Education in Emerging India*. Delhi: PHI Learning Pvt. Ltd.

৫) Taj, Haseen. (2011). *Current Challenges in Education.* Hyderabad: Neelkamal Publications Pvt. Ltd.

৬) Thakur & Thakur. (2014/15). *Development of Education System in India: Problems and Prospects*. Agra: Agrawal Publications.

✓ ১৪.১১ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ ৬-১৪ বছৰ।

২ নং প্ৰশ্নৰ উত্তৰঃ প্ৰাথমিক শিক্ষা হ'ল প্ৰতিটো শিশুৰে জন্মজাত অধিকাৰ। ১৯৯২ চনৰ জুলাই মাহত দিয়া এক ঐতিহাসিক ৰায়ত ভাৰতৰ উচ্চতম ন্যায়ালয়ে ঘোষণা কৰিছিলঃ 'এই দেশৰ নাগৰিক শিক্ষা গ্ৰহণৰ মৌলিক অধিকাৰ আছে। এই দেশৰ প্ৰতিগৰাকী নাগৰিকে ১৪ বছৰ বয়স সম্পূৰ্ণ কৰাৰ সময়লৈকে বিনামূলীয়া শিক্ষা লাভৰ অধিকাৰ উপভোগ কৰিব পাৰে।' ১৯৯৩ চনত সাৰমৰ্ম একেই ৰাখি ৰায়টো এবাৰ সংশোধন কৰা হৈছে।

৩ নং প্ৰশ্নৰ উত্তৰঃ ২০১০ চনৰ ভিতৰত দেশৰ ৬-১৪ বছৰ বয়স গোটৰ সকলো শিশুকে উপকাৰী তথা প্ৰাসংগিক প্ৰাথমিক শিক্ষা প্ৰদান কৰা।

৪ নং প্ৰশ্নৰ উত্তৰঃ ২০০৭ চনৰ ভিতৰত দেশৰ প্ৰাথমিক শিক্ষা ব্যৱস্থা আৰু ২০১০ চনৰ ভিতৰত প্ৰাক্-প্ৰাথমিক শিক্ষা ব্যৱস্থাত থকা সামাজিক লিংগভিত্তিক আৰু সামাজিক শ্ৰেণীভিত্তিক সকলো ব্যৱধান নাইকিয়া কৰা।

৫ নং প্ৰশ্নৰ উত্তৰঃ ২০০৭।

৬ নং প্ৰশ্নৰ উত্তৰঃ ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান।

৭ নং প্ৰশ্নৰ উত্তৰঃ মাধ্যমিক শিক্ষাৰ উৎকৰ্ষ সাধন, তথ্য আৰু সংযোগ প্ৰযুক্তিৰ ব্যৱহাৰ, শিক্ষাৰ সুচলতা, শিক্ষাত সমতা, বিকলাংগ ল'ৰা-ছোৱালীৰ বাবে সংহত শিক্ষাৰ ব্যৱস্থা।

৮ নং প্ৰশ্নৰ উত্তৰঃ ১৪-১৮ বছৰ।

৯ নং প্ৰশ্নৰ উত্তৰঃ ৰাজ্যিক উচ্চতৰ শিক্ষানুষ্ঠানসমূহৰ সামগ্ৰিক উৎকৰ্ষ সাধন কৰা। ইয়াৰ বাবে নিৰূপিত নীতি-নিয়ম আৰু মান ৰক্ষা কৰি শিক্ষানুষ্ঠানসমূহৰ পৰিচালনা সুনিশ্চিত কৰা হয়। বাধ্যতামূলক গুণগত নিশ্চয়তা ৰূপৰেখা হিচাপে আদায়ৰ নীতি মানি চলালেও নিশ্চিত কৰা হয়।

১০ নং প্ৰশ্নৰ উত্তৰঃ RUSA হ'ল এখন কেন্দ্ৰীয় পৃষ্ঠপোষকতাসম্পন্ন আঁচনি (CSS)। ২০১৩ চনত ইয়াৰ শুভাৰম্ভ কৰা হৈছে। RUSA ৰ প্ৰধান লক্ষ্য হ'ল ৰাজ্যসমূহৰ যোগ্য উচ্চশিক্ষানুষ্ঠানসমূহলৈ কাৰ্য কৌশলগতভাৱে পুঁজিৰ যোগান ধৰা। ইয়াৰ অধীনত সাধাৰণ শ্ৰেণীৰ অন্তৰ্ভুক্ত ৰাজ্যবোৰলৈ ৬০:৪০ অনুপাতত আৰু বিশেষ শ্ৰেণীৰ অন্তৰ্ভুক্ত ৰাজ্যবোৰলৈ ৯০:১০ অনুপাতত পুঁজিৰ যোগান ধৰা হয়। কেন্দ্ৰীয় শাসিত অঞ্চলবোৰলৈ ১০০% কেন্দ্ৰীয় পুঁজি প্ৰেৰণ কৰা হয়। পুঁজি লাভ কৰাৰ প্ৰক্ৰিয়াটো নীতি-নিয়ম তথা ফলাফল নিৰ্ভৰ।

? ১৪.১২ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায়১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ SSA ৰ উদ্দেশ্যসমূহ বৰ্ণনা কৰক।

প্ৰশ্ন ২ঃ প্ৰাক্-প্ৰাথমিক/প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণৰ স্তৰ তিনিটা কি কি?

প্ৰশ্ন ৩ঃ RMSA ৰ কাৰ্য পৰিকল্পনাৰ বিষয়ে লিখক।

প্ৰশ্ন ৪ঃ RUSA ৰ দৰ্শন কি আছিল?

প্ৰশ্ন ৫ঃ RUSA ৰ পাঁচটা উদ্দেশ্য ব্যাখ্যা কৰক।

প্রশ্ন ৬ঃ প্রাথমিক স্তৰৰ শিক্ষা সার্বজনীনকৰণক কিয় গুৰুত্বপূর্ণ বুলি বিবেচনা কৰা হয়?

(খ) দীঘলীয়া প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ প্রাথমিক শিক্ষা সার্বজনীনকৰণ সন্দর্ভত এটা টোকা প্রস্তুত কৰক।

প্রশ্ন ২ঃ প্রাথমিক শিক্ষা সার্বজনীনকৰণৰ অন্তৰায়সমূহ আলোচনা কৰক। এই সমস্যাবোৰ কেনেদৰে আঁতৰাব পৰা যায়?

প্রশ্ন ৩ঃ প্রাথমিক শিক্ষা সার্বজনীনকৰণত SSA ৰ ভূমিকা কেনে আছিল আলোচনা কৰক।

প্রশ্ন ৪ঃ মাধ্যমিক শিক্ষা সার্বজনীনকৰণত RMSA ৰ ভূমিকা কেনে আছিল আলোচনা কৰক।

প্রশ্ন ৫ঃ উচ্চতৰ শিক্ষা সার্বজনীনকৰণত RUSA ৰ ভূমিকা আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৫ঃ অসমত দূৰৱৰ্তী শিক্ষা

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য
১৫.২ পৰিচয়
১৫.৩ অসমত বিদ্যালয় স্তৰৰ শিক্ষাৰ ববে দূৰৱৰ্তী শিক্ষা ব্যৱস্থাৰ বিকাশ
১৫.৪ অসমত উচ্চতৰ শিক্ষাৰ বাবে দূৰৱৰ্তী শিক্ষা ব্যৱস্থাৰ বিকাশ
১৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৫.৬ অধিক জানিবলৈ
১৫.৭ অগ্রগতিৰ খতিয়ান
১৫.৮ আৰ্হি প্রশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অসমত বিদ্যালয় স্তৰৰ শিক্ষাৰ বাবে দূৰৱৰ্তী শিক্ষা ব্যৱস্থাৰ বিকাশ কেনেকৈ হ'ল সেয়া ব্যাখ্যা কৰিব পাৰিব
- অসমত উচ্চতৰ শিক্ষাৰ বাবে দূৰৱৰ্তী শিক্ষা ব্যৱস্থাৰ বিকাশ কেনেকৈ হ'ল সেয়া ব্যাখ্যা কৰিব পাৰিব।

১৫.২ পৰিচয়

দূৰৱৰ্তী শিক্ষা (Distance Education) ৰ মূল বৈশিষ্ট্য হ'ল ইয়াৰ অ-সমৰূপতাবাদী আৰু অপৰম্পৰাগত প্রকৃতি। এই ব্যৱস্থাই শিক্ষাৰ প্রচলিত পদ্ধতিসমূহৰ সন্দর্ভত কিছুমান প্রশ্নৰ অৱতাৰণা কৰে। দূৰৱৰ্তী শিক্ষাই শৈক্ষিক প্রক্রিয়াসমূহক এক নতুন অভিবিন্যাস প্রদান কৰিব খোজে। ধাৰণাটোৰ বিকাশ ঘটাৰ সময়ৰে পৰা ই শিকন প্রকৃতিৰ ভিন ভিন ৰূপ অধ্যয়ন কৰি আহিছে। এই ৰূপবোৰ শিক্ষাৰ পৰম্পৰাগত প্রণালীক নিয়ন্ত্রণ কৰি থকা ৰূপতকৈ ভালেখিনি পৃথক। দূৰৱৰ্তী শিক্ষাৰ নিজস্ব দ্বন্দ্বাত্মক শৈলী (dialectic register) কিছুমান আছে। এই শৈলীবোৰ পদ্ধতিটোৱে নিজৰ শিক্ষা প্রচাৰ অভিযানৰ সময়তে গ্রহণ কৰিছে। শিক্ষক আৰু/নাইবা শিক্ষানুষ্ঠানৰ পৰা শাৰীৰিকভাৱে বহু আঁতৰত থকা শিক্ষার্থীক শৈক্ষিক নির্দেশনা প্রদানৰ সময়ত সৃষ্টি হোৱা সমস্যাবোৰ অতিক্রম কৰিবলৈ এই শৈলীবোৰৰ সহায় লোৱা হয়। পৰম্পৰাগত ব্যৱস্থাতকৈ দূৰৱৰ্তী শিক্ষা ব্যৱস্থাৰ পৰিসৰ ব্যাপক। অর্থসংকেত আৰু বাচ্যার্থ (Comotation and denotation) দুয়োটা দিশতে এই ব্যাপকতা লক্ষ্য কৰা হয়। অর্থসংকেতৰ দিশেৰে দূৰৱৰ্তী শিক্ষা ব্যাপক কাৰণ ই এক বৃহত্তৰ শিকন পৰিস্থিতিত কাম কৰে। এই পৰিস্থিতিত বহুতো শিকন কাৰক অনিৰূপিত আৰু প্রাৰম্ভিক পর্যায়তে ৰৈ যায়। দূৰৱৰ্তী শিক্ষাৰ বাচ্যার্থ বহল বুলি কোৱাৰ অর্থ হ'ল- ই শৈক্ষিক সংযোগ প্রভাৱশালী কৰি তুলিবলৈ এক দীঘলীয়া দূৰত্ব সামৰি লয়। অসমত দূৰৱৰ্তী শিক্ষা ব্যৱস্থাৰ বিকাশৰ ইতিহাস সিমান পুৰণি নহয়। অধ্যায়টিত আমি এই বিষয়ে আলোচনা কৰিম।

১৫.৩ অসমত বিদ্যালয় স্তৰৰ শিক্ষাৰ বাবে দূৰৱৰ্তী শিক্ষা ব্যৱস্থাৰ বিকাশ

দেশৰ বিদ্যালয় স্তৰৰ শিক্ষার্থীক মুক্ত আৰু দূৰৱৰ্তী শিক্ষা ব্যৱস্থাৰ দ্বাৰা উপকৃত হোৱাৰ সুযোগ দিবলৈ ১৯৮৯ চনৰ নৱেম্বৰ মাহত ৰাষ্ট্রীয় মুক্ত বিদ্যালয় (NOS) ব্যৱস্থাৰ পাতনি মেলা হৈছিল। পাছত ইয়াৰ নাম সলনি কৰি ৰাষ্ট্রীয় মুক্ত বিদ্যালয় (NOS) ব্যৱস্থাৰ পাতনি মেলা হৈছিল। পাছত ইয়াৰ নাম সলনি ৰাষ্ট্রীয় মুক্ত বিদ্যালয়

প্রতিষ্ঠান (NIOS) কৰা হৈছিল। পূর্বৰ মানৱ সম্পদ বিকাশ মন্ত্রালয়ৰ দ্বাৰা গৃহিত ১৯৮৬ চনৰ ৰাষ্ট্রীয় শিক্ষা নীতিৰ সৈতে খাপ খোৱাকৈ গঠন কৰা NIOS আছিল এটা স্বতন্ত্র প্রতিষ্ঠান। আৰম্ভণিৰে পৰা NIOS এ বিভিন্ন ধৰণৰ বৃত্তিমুখী, জীৱন সমৃদ্ধকাৰী আৰু সম্প্রদায়কেন্দ্রিক পাঠ্যবিষয় পঢ়াৰ সুযোগ দিছিল। ইয়াৰ লগতে উচ্চ তথা উচ্চতৰ মাধ্যমিক স্তৰত শৈক্ষিক পাঠ্যবিষয় পঢ়াৰো সুবিধা আছিল। NIOS এ ইয়াৰ মুক্ত বুনিয়াদী শিক্ষা কার্যসূচী (OBE) ৰ অধীনত শিক্ষার্থীক নানা প্রাৰম্ভিক স্তৰৰ পাঠ্যবিষয় পঢ়াৰ সুবিধা কৰি দিছিল। ভাৰত চৰকাৰে এখন ৰাজপত্রিত জননীৰ জৰিয়তে NIOS ক শৈক্ষিক, কাৰিকৰী অথবা বৃত্তিমুখী পাঠবিষয়ত প্রাক্-স্নাতক পর্যায়লৈকে পৰীক্ষা পতা তথা প্রমাণপত্র দিয়াৰ কর্তৃত্ব প্রদান কৰিছিল। পত্র নং EV/11(354)/91/25- ৰ জৰিয়তে ভাৰতীয় বিশ্ববিদ্যালয় সংস্থাই ১৯৯১ চনৰ ২৫ জুলাই তাৰিখে NIOS ৰ উচ্চতৰ মাধ্যমিক স্তৰৰ প্রমাণপত্র আহৰণকাৰী পৰীক্ষাবোৰৰ সমতুল্যতা জাৰী কৰিছিল।

NIOS ৰ ভৰিষ্য দর্শন হ'ল বহনক্ষম আৰু সকলোকে সামৰি লোৱা প্রকৃতিৰ। এনে শিকন হ'ব সার্বজনীন আৰু নমনীয়ভাৱে সুচল। ইয়াৰ দ্বাৰা শিক্ষার্থীয়ে উচ্চ মানবিশিষ্ট বিদ্যালয় শিক্ষা ল'ব তথা নিজৰ দক্ষতা বৃদ্ধি কৰিব পাৰে। NIOS ৰ অভিযান উদ্দেশ্যসমূহ হ'ল-

- মুক্ত আৰু দূৰৱৰ্তী শিকন ব্যৱস্থাৰ জৰিয়তে প্রাক্-স্নাতক পর্যায়লৈ প্রাসংগিক, অবিৰত আৰু সর্বাংগীন উন্নতি সাধনকাৰী শিক্ষা প্রদান কৰা
- বিদ্যালয় স্তৰৰ শিক্ষা সার্বজনীনকৰণলৈ অৱদান আগবঢ়োৱা
- সমতা আৰু সামাজিক ন্যায় প্রতিষ্ঠানৰ বাবে অগ্রাধিকাৰৰ ভিত্তিত নির্দ্ধাৰণ কৰা লক্ষ্য গোটসমূহৰ শৈক্ষিক প্রয়োজনীয়তা পূৰ কৰা।

আত্মপ্রকাশ কৰাৰ দিনৰে পৰা NIOS এ নিজৰ অভিযানত সফলতা প্রদর্শন কৰি আহিছে। বর্তমান ইয়াৰ শিক্ষার্থীৰ সংখ্যা প্রায় ২.২ মিলিয়ন। NIOS ক বিশ্বৰ ভিতৰতে সর্ববৃহৎ মুক্ত বিদ্যালয়ৰ মর্যদা দিয়া হৈছে আৰু কমনৱেলথ দেশবোৰৰ লগতে আন বহুতো উন্নত-উন্নয়নশীল দেশত ই প্রভূত জনপ্রিয়তা অর্জন কৰিছে। সম্প্রতি NIOS এ ইয়াৰ নিজস্ব অধ্যয়ন কেন্দ্রসমূহৰ জৰিয়তে উচ্চ মাধ্যমিক, উচ্চতৰ মাধ্যমিক আৰু বৃত্তিমুখী শিক্ষা তথা প্রশিক্ষণ (VET) ৰ পাঠ্যক্রম চলাই আছে। NIOS ৰ স্বীকৃতি লাভ কৰা বিভিন্ন অভিকর্তাই ইয়াৰ মুক্ত বুনিয়াদী শৈক্ষিক কার্যসূচীসমূহ পৰিচালনা কৰে।

NIOS ৰ প্রাক্-স্নাতক স্তৰৰ পাঠ্যবিষয়বোৰ সকলো শ্রেণীৰ শিক্ষার্থীৰ বাবে মুকলি। প্রতিষ্ঠানটোৱে অসমত মুক্ত বিদ্যালয় আন্দোলনটো আগবঢ়াই নিয়াত ন'ডেল অনুষ্ঠানৰ ভমিকা লৈছে। ইয়াৰ উদ্দেশ্য হ'ল এখন সর্বাত্মক শিক্ষিত সমাজ বিকশিত কৰা। ইয়াত কর্মৰত সকলো বিষয়া-শিক্ষক-কর্মচাৰী আৰু অন্য হিতধাৰকসকলৰ নিঃস্বার্থ সমর্থন আৰু সেৱাৰ মনোভাৱে এই কামক গতি প্রদান কৰিছে।

বর্তমান NIOS এ অসমত তলত উল্লেখ কৰা শৈক্ষিক আৰু বৃত্তিমুখী পাঠ্যবিষয়সমূহ আগবঢ়াই আছে।

- **শৈক্ষিক কার্যসূচী**

  শিক্ষার্থীৰ অর্হতা অনুসৰি NIOS এ তিনিটা শৈক্ষিক কার্যসূচীত শিক্ষা গ্রহণৰ সুযোগ দিয়ে।

  - **মুক্ত বুনিয়াদী শিক্ষা** (Open Basic Education) ঃ এই কার্যসূচী ৬-১৪ বছৰ বয়স গোটৰ সকলো ল'ৰা-ছোৱালীৰ বাবে মুকলি। যুৱ তথা প্রাপ্তবয়স্কসকলেও এই কার্যসূচীত নামভর্তি কৰিব পাৰে। কার্যসূচীত তিনিটা স্তৰ থাকে।

    লেভেল- এ ঃ আনুষ্ঠানিক বিদ্যালয় শিক্ষাৰ তৃতীয় শ্রেণীৰ সমতুল্য।

    লেভেল- বি ঃ আনুষ্ঠানিক বিদ্যালয় শিক্ষাৰ পঞ্চম শ্রেণীৰ সমতুল্য।

    লেভেল- চি ঃ আনুষ্ঠানিক বিদ্যালয় শিক্ষাৰ অষ্টম শ্রেণীৰ সমতুল্য।
  - **উচ্চ মাধ্যমিক শিক্ষা** ঃ আনুষ্ঠানিক বিদ্যালয় শিক্ষা ব্যৱস্থা দশম শ্রেণীৰ সমতুল্য।
  - **উচ্চতৰ মাধ্যমিক শিক্ষা** ঃ দশম শ্রেণীৰ শিক্ষান্ত পৰীক্ষা অথবা আন কোনো সমতুল্য পৰীক্ষাত উত্তীর্ণ হোৱাসকলৰ বাবে এই পাঠ্যবিষয়ৰ আর্হি প্রস্তুত কৰা হৈছে। ইয়াৰ প্রমাণ-পত্র আনুষ্ঠানিক শিক্ষাৰ দ্বাদশ শ্রেণী উত্তীর্ণ হোৱাৰ প্রমাণপত্রৰ সমতুল্য।

- **বৃত্তিমুখী শিক্ষা কার্যসূচী**

  সম্প্রতি NIOSএ লক্ষ্য গোটৰ আৱশ্যকতা অনুসৰি ১০০ বৃত্তিমুখী শিক্ষা কার্যসূচী চলাই আছে। এইবোৰৰ শিতানসমূহ হ'ল-

  - কৃষি আৰু পশুপালন
  - ব্যৱসায় আৰু বাণিজ্য
  - কম্পিউটাৰ আৰু তথ্য প্রযুক্তি
  - অভিযান্ত্রিক আৰু প্রযুক্তি
  - স্বাস্থ্য আৰু পৰা-চিকিৎসা
  - গার্হস্থ্য বিজ্ঞান আৰু আতিথ্য ব্যৱস্থাপনা
  - শিক্ষকৰ প্রশিক্ষণ

ইয়াৰ উপৰি উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক স্তৰতো বৃত্তিমুখী শিক্ষা গ্রহণ কৰিব পৰা যায়। এই আঁচনিৰ অধীনত ৰখা পাঠ্যবিষয়ৰ গোট তিনিটা হ'ল- (i) ভাষা বিষয় (ন্যূনতম এটা, (ii) যিকোনো এটা অধ্যয়ন বিষয়ৰ পৰা বাহিৰ কৰা তিনিটা প্রধান বৃত্তিমুখী বিষয় (ৰাষ্ট্রীয় দক্ষতা অর্হতাৰ ৰূপৰেখা/NSQF অনুসৰি প্রস্তুত কৰা) আৰু (iii) ঐচ্ছিক বিষয় (যিকোনো এটা)।

বর্তমান অসমৰ বহুতো শিশু, যুৱক-যুৱতী আৰু প্রাপ্তবয়স্ক লোক NIOS ৰ এই ভিন্নধর্মী পাঠ্যবিষয়সমূহৰ দ্বাৰা উপকৃত হৈছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ মুক্ত বুনিয়াদী শিক্ষাই শিশু, ... আৰু প্রাপ্তবয়স্কৰ সামৰি লয়।

প্রশ্ন নং ২ঃ ৰাষ্ট্রীয় মুক্ত বিদ্যালয় প্রতিষ্ঠান কোন চনত স্থাপন কৰা হৈছিল?

.....

প্রশ্ন নং ৩ঃ NSQF ৰ সম্পূর্ণ ৰূপটো কি?

.....

১৫.৪ অসমত উচ্চতৰ শিক্ষাৰ বাবে দূৰৱৰ্তী শিক্ষা ব্যৱস্থাৰ বিকাশ

- অসমত একক পদ্ধতি আৰু দ্বৈত পদ্ধতিৰ উচ্চ শিক্ষানুষ্ঠান আছে। দুয়োটা পদ্ধতিৰ শিক্ষানুষ্ঠানে মুক্ত আৰু দূৰৱৰ্তী শিক্ষা গ্রহণৰ সুযোগ আগবঢ়াব পাৰে। উচ্চতৰ শিক্ষা গ্রহণ নানা বাধাৰ সন্মুখীন হোৱা আগ্রহীসকলক এই পদ্ধতিৰে উচ্চ মানবিশিষ্ট শিক্ষা লাভৰ সুযোগ দিয়া হয়। ১৯৮৬ চনত ইন্দিৰা গান্ধী ৰাষ্ট্রীয় মুক্ত বিশ্ববিদ্যালয় (IGNOU) এ গুৱাহাটী বিশ্ববিদ্যালয় চৌহদতে ইয়াৰ প্রথমটো অধ্যয়ন কেন্দ্র স্থাপন কৰে। পৰৱর্তী সময়ত এই কেন্দ্রটো IGNOU এ আঞ্চলিক কার্যালয়লৈ উঠাই নিয়া হয়। অসমত সম্প্রতি মুক্ত আৰু দূৰৱর্তী শিক্ষা ব্যৱস্থাৰে উচ্চশিক্ষা লাভৰ সুবিধা আগবঢ়াই থকা প্রধান শিক্ষানুষ্ঠান কেইটাৰ বিষয়ে তলত চমুকৈ আলোচনা কৰা হ'ল।
- **IGNOU ৰ আঞ্চলিক কেন্দ্র, গুৱাহাটী ঃ**

  ১৯৯৬ চনত IGNOU-এ গুৱাহাটীত ইয়াৰ আঞ্চলিক কেন্দ্র স্থাপন কৰে। সেই সময়ত ইয়াৰ মুঠ ৬ টা অধ্যয়ন কেন্দ্র আৰু ৩৫ টা পাঠ্যবিষয় আছিল। শিক্ষার্থীৰ সংখ্যা আছিল প্রায় ১১০০ গৰাকী। ভাৰতৰ তৃণমূল স্তৰৰ বিকাশ সাধনত সহায়ক হ'ব পৰা শিক্ষাক গণতান্ত্রিক ৰূপ দিয়াৰ সামগ্রিক দর্শনেৰে উত্তৰ-পূৰ ভাৰতৰ দূর্গম এলেকাবোৰক উন্নয়ন প্রক্রিয়াটোত সংহত কৰাৰ সক্রিয় উদ্যমৰ অংশ হিচাপে এই আঞ্চলিক কেন্দ্রটো স্থাপন কৰা হৈছিল। সমতাপূর্ণ আৰু বহনক্ষম উন্নয়নৰ সবাতোকৈ ফলপ্রসূ পথবোৰৰ এটা হ'ল শিক্ষা- এই উপলব্ধিৰে IGNOU ৰ গুৱাহাটী আঞ্চলিক কেন্দ্রই আওহতীয়া এলেকাত বাস কৰা তথা

প্রান্তিক সম্প্রদায়সমূহৰ বাবে শিক্ষাৰ সুচলতা তথা সুযোগ নিশ্চিত কৰাৰ লক্ষ্যেৰে কাম কৰি গৈছিল। আৰম্ভণিৰ পৰা ২০০০ চনলৈকে অৰুণাচল প্রদেশ আৰু চিকিমকো গুৱাহাটী আঞ্চলিক কেন্দ্রই শিক্ষা সেৱা আগবঢ়াইছিল।

IGNOU ৰ সামগ্রিক শিক্ষা দর্শনক বাস্তৱ ৰূপ দিবলৈ আঞ্চলিক কেন্দ্রটোৱে বিভিন্ন উদ্যম হাতত লৈছিল। আৰম্ভণিতে সীমিত সংখ্যক অধ্যয়ন কেন্দ্রৰ ভিতৰতে নিজৰ কার্যক্ষমতাৰ পৰিধি সামৰিবলগীয়া হোৱা আঞ্চলিক কার্যালয়টোৱে লাহে লাহে অধ্যয়ন কেন্দ্র আৰু পাঠ্যবিষয় উভয়ৰে সংখ্যা বৃদ্ধি কৰিছিল। ২০১৩ চনত যোৰহাটত ইয়াৰ দ্বিতীয়াটো আঞ্চলিক কার্যালয় খোলা হৈছিল। সময় পাৰ হোৱাৰ লগে লগে এই কেন্দ্রটোৱেও দূৰৱৰ্তী শিক্ষা প্রসাৰ কৰাৰ এক গুৰুত্বপূর্ণ মাধ্যমৰ ৰূপ ল'বলৈ সক্ষম হৈছে।

বর্তমান IGNOU গুৱাহাটী আঞ্চলিক কেন্দ্রই অসমৰ মুঠ ১৪ খন জিলাত শিক্ষার্থী সমর্থন কেন্দ্র আছে। গুৱাহাটী আঞ্চলিক কেন্দ্রত মুঠ ৩০ টা শিক্ষার্থী সমর্থন কেন্দ্র, ৫২৫ গৰাকী শৈক্ষিক পৰামর্শদাতা আৰু ৭৮ টা শৈক্ষিক পাঠ্যবিষয় আছে।

IGNOU যোৰহাট আঞ্চলিক কেন্দ্র খোলাৰ আগত আৰু পাচত গুৱাহাটী আঞ্চলিক কেন্দ্রত নামভর্তি কৰা শিক্ষার্থীৰ সংখ্যা তালিকা ১৫.১ ত তুলি দিয়া হৈছে।

তালিকা ১৫.১ ঃ IGNOU গুৱাহাটী আঞ্চলিক কেন্দ্রৰ শিক্ষার্থীৰ সংখ্যা

শিক্ষা বর্ষ (জানুৱাৰী আৰু জুলাইৰ পৰা আৰম্ভ হোৱা দুটা শিক্ষাবর্ষ)	শিক্ষার্থীৰ মুঠ নামভর্তি
২০০৯	৭৮৮৮
২০১০	৭৮৫৪
২০১১	৯১৫৯
২০১২	১০৭৮২
২০১৩	৮৯৩২
২০১৪	৮০২৭
২০১৫	৯৩২৮
২০১৬	১০১১৫
২০১৭	১১,৯১৪
২০১৮	১৩,৭৬৬

উৎস ঃ http://reguwahati.ignou.ac.in

IGNOU যোৰহাট আঞ্চলিক কেন্দ্রৰ প্রথম অৱস্থাত ১৮ টা অধ্যয়ন কেন্দ্র আছিল। চি কে. বি. বাণিজ্য মহাবিদ্যালয় চৌহদত কার্যালয় খোলা হৈছিল। বর্তমান নেহৰু পার্কৰ সমীপত থকা এটা ভাৰাঘৰ লোৱা ভৱনৰ পৰা কেন্দ্রটোৱে কামকাজ পৰিচালনা কৰি আছে। অঞ্চলটোৰ প্রায় ১৮,০০০ শিক্ষার্থীয়ে ইয়াৰ পৰা স্নাতক, স্নাতকোত্তৰ, ডিপ্ল'মা, স্নাতকোত্তৰ ডিপ্ল'মা, চার্টিফিকেট আৰু স্নাতক প্রস্তুতি পাঠ্যক্রমৰ শিক্ষা গ্রহণ কৰি আছে। ২৬ টা শিক্ষার্থী সমর্থন কেন্দ্র স্থাপন কৰা যোৰহাট আঞ্চলিক কার্যালয়ে যোৰহাট, গোলাঘাট, শিৱসাগৰ, নগাওঁ, শোণিতপুৰ, ডিব্রুগড়, তিনিচুকীয়া, লখিমপুৰ, ধেমাজি, চৰাইদেও, হোজাই, বিশ্বনাথ আৰু মাজুলী- এই ১৩ খন জিলাত সেৱা আগবঢ়াই আছে।

দেশৰ একমাত্র ৰাষ্ট্রীয় মুক্ত বিশ্ববিদ্যালয় হিচাপে দূৰৱৰ্তী শিক্ষা ব্যৱস্থা সফল কৰি তুলিবলৈ এই ব্যৱস্থাৰ পৃষ্ঠপোষকতাকাৰী পথ প্রদর্শকৰূপে IGNOU ৰ ভূমিকা অত্যন্ত গুৰুত্বপূর্ণ। দেশৰ দূৰৱৰ্তী শিক্ষা ব্যৱস্থাৰ ক্ষেত্রত IGNOU এ সদায় উচ্চতম কর্তৃপক্ষৰূপে কাম কৰি আহিছে। শিক্ষার্থীসকলৰ ই আগবঢ়োৱা সমর্থন সেৱাবোৰ

উচ্চ মানবিশিষ্ট। IGNOU ৰ অধ্যয়ন কেন্দ্রবোৰক কেইটামান বিশেষ ভাগত ভগোৱা হয়। ভাগকেইটা হ'ল-

- নিয়মীয়া অধ্যয়ন কেন্দ্র
- বিশেষ অধ্যয়ন কেন্দ্র
- কার্যসূচী অধ্যয়ন কেন্দ্র
- উপ-অধ্যয়ন কেন্দ্র

- **IDOL (দূৰৱৰ্তী আৰু মুক্ত শিকন অনুষ্ঠান), গুৱাহাটী বিশ্ববিদ্যালয়**

গুৱাহাটী বিশ্ববিদ্যালয়ৰ দূৰৱৰ্তী আৰু মুক্ত শিকন অনুষ্ঠান (Institute of Distance and Open Learning, IDOL) ৰ পূৰ্বৰ নাম আছিল 'স্নাতকোত্তৰ ডাক পাঠ্যক্রম সত্র' (Post Graduate Correspondence School/PGCS)। ১৯৯৮ চনত IDOL স্থাপন কৰা হৈছিল। ইয়াৰ প্রধান উদ্দেশ্য আছিল পৰম্পৰাগত শিক্ষা পদ্ধতিৰে উচ্চতৰ শিক্ষা লাভ কৰাৰ পৰা বঞ্চিত হোৱা বৃহৎ সংখ্যক শিক্ষার্থীক উচ্চ মানবিশিষ্ট শিক্ষা গ্রহণৰ সুযোগ দিয়া। এনে দুটা প্রধান অসুবিধা হ'ল স্নাতকোত্তৰ শ্রেণীসমূহৰ সীমিত আসন আৰু জীৱিকা অর্জনৰ বাধ্যবাধকতা। IDOL ৰ লক্ষ্য আছিল বৌদ্ধিকভাৱে প্রত্যাহ্বানমূলক শিকন পৰিৱেশত শিক্ষার্থীক উচ্চমান বিশিষ্ট শিক্ষা প্রদান কৰা। IDOL এ বিভিন্ন স্নাতকোত্তৰ পাঠ্যক্রম, স্নাতকোত্তৰ ডিপ্ৰ'মা পাঠ্যক্রম, স্নাতক পাঠ্যক্রম আৰু চার্টিফিকেট কার্যসূচীত শিক্ষা গ্রহণৰ সুযোগ আগবঢ়ায়।

২০১৮ চনক মে' মাহত IDOL এ ইয়াৰ ২০ বছৰীয়া সেৱা সম্পূর্ণ কৰিছে। মাত্র ৫১৪ গৰাকী শিক্ষার্থী আৰু ৬ টা পাঠ্যক্রমেৰে কাম আৰম্ভ কৰা শিক্ষানুষ্ঠানখন সামর্থ আৰু নামভর্তি দুয়োটা দিশেৰে উন্নত হৈছে। বর্তনাম IDOL ত শেহতীয়া প্রযুক্তি সম্বলিত এটা উন্নত শিকন পৰিৱেশত কেইবাটাও শৈক্ষিক কার্যসূচী চলাই থকা হৈছে।

IDOL ৰ লক্ষ্য হ'ল পূর্বতকৈও অধিক ব্যাপক হাৰত শিক্ষার্থীৰ কাষ চপা। মনোযোগ আকর্ষণ কৰিবলৈ স্ব-শিকন সামগ্রীৰ আৰু শৈক্ষিক পৰামর্শদান সেৱাসমূহৰ লগতে IDOL এ কিছুমান উদ্ভাৱনীমূলক ব্যৱস্থা গ্রহণ কৰিছে। ২০০৯ চনত ই বিশ্ববিদ্যালয় চৌহদত স্থাপন কৰা প্রথমটো সামূহিক ৰেডিঅ' সেৱা 'ৰেডিঅ' লুইত'ৰ সম্প্রচাৰ আৰম্ভ কৰিছে। উত্তৰ-পূর্বাঞ্চলৰ ভিতৰতে 'বোধিদ্রুম' নামৰ ভিতৰতে প্রথম ই লানিং প'র্টেলটো IDOL এ ২০১০ চনত মুকলি কৰিছিল। শিক্ষার্থীয়ে ই প'র্টেলৰ সহায় লৈ অধ্যয়ন কৰা, লাগতীয়াল শিকন সামগ্রী ডাউনলোড কৰা আৰু নিজ নিজ শৈক্ষিক খুদুৰনিৰ তাৎক্ষণিক উত্তৰ লাভ কৰাৰ সুযোগ পালে। অনুষ্ঠানৰ শিক্ষার্থীৰ বিভিন্ন তথ্য জনাবলৈ 'বাল্ক এচ এম এচ' (Bulk SMS) সেৱাৰে সহায় লয়। শিক্ষার্থীক মোবাইল এপ্লিকেশ্যনৰ জৰিয়তেও শিকাৰ সুযোগ দিয়াৰ লগতে IDOL ৰ শেহতীয়া উন্নয়ন সম্পর্কে বার্তাও প্রচাৰ কৰি থকা হৈছে। তথ্য আৰু সংযোগ প্রযুক্তিভিত্তিক উপায়ৰ লগতে IDOL ত মুখামুখি শৈক্ষিক পৰামর্শ আৰু যোগাযোগ স্থাপন সত্রৰো সুবিধা ৰখা হৈছে।

- **IDOL (দূৰৱৰ্তী আৰু মুক্ত শিকন নির্দেশালয়), ডিব্রুগড় বিশ্ববিদ্যালয়**

২০০১ চনত ডিব্রুগড় বিশ্ববিদ্যালয়ৰ ইয়াৰ মুক্ত আৰু দূৰৱৰ্তী শিকন নির্দেশালয় (Directorate of Distance and Open Learning/ DODL) স্থাপন কৰিছিল। নির্দেশালয়ৰ লক্ষ্য আছিল দুর্গম অঞ্চলৰ শিক্ষার্থীৰ কাষ চপা। ডিব্রুগড় বিশ্ববিদ্যালয়ৰ কাম-কাজ আৰম্ভ হোৱাৰ পাছতেই অধিকাংশ বিভাগ আৰু অধ্যয়ন কেন্দ্রত নামভর্তিৰ সুযোগ বিচাৰি বুজন সংখ্যক লোকে আবেদন কৰিছিল। কিন্তু স্নাতক আৰু স্নাতকোত্তৰ দুয়োটা শাখাতে শিক্ষার্থীৰ আসনৰ সংখ্যা আছিল সীমিত। বাদ পৰি যোৱা শিক্ষালাভৰ প্রতি আগ্রহীসকলৰ লগতে জীৱকা অর্জন কৰি থকা অথবা স্ব-নিয়োজিত হৈ থকাসকলৰ সুবিধাৰ প্রতি লক্ষ্য ৰাখি বিশ্ববিদ্যালয়লে শিক্ষাক শিক্ষার্থীৰ পদুলিলৈ আগুৱাই লৈ যোৱাৰ মানস কৰিছিল। এনেকৈয়ে DODL স্থাপন কৰা হৈছিল।

DODL ৰ প্রধান উদ্দেশ্যসমূহ হ'ল- (ক) বিভিন্ন কাৰণত উচ্চশিক্ষা লাভৰ পৰা বঞ্চিত হৈ ৰোৱা অঞ্চলটোৰ লোকক উচ্চশিক্ষা গ্রহণৰ সুযোগ দিয়া, (খ) বিভিন্ন ক্ষেত্রত অধয়ণ কৰি জ্ঞান আহৰণ কৰিবলৈ আগ্রহী তথা শিক্ষাগত অর্হতা উচ্চ কৰিব খোজাসকলক উচ্চশিক্ষা লাভৰ সুযোগ দিয়া, (গ) ইমান দিনে কেৱল পূর্বাঞ্চলত প্রচলিত বিভিন্ন আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ জৰিয়তেহে শিকিব পৰা বিভিন্ন বিষয় দূৰৱৰ্তী ব্যৱস্থাৰ অন্তর্ভুক্ত কৰি

জ্ঞান আৰু দক্ষতা বিকশিত কৰা, (ঘ) বিভিন্ন ক্ষেত্ৰত গৱেষণাৰ পোষকতা কৰা আৰু (ঙ) শিক্ষার্থীক শৈক্ষিক দিক্ নির্দেশনা তথা পৰামর্শ আগবঢ়োৱা।

এই কথাবোৰ মনত ৰাখি DODL এ নিজৰ অভিযান আৰম্ভ কৰিছিল। প্ৰথম অৱস্থাত অসমীয়া, বাণিজ্য, অর্থনীতি বিজ্ঞান, গণিত শাস্ত্ৰ, ৰাজনীতি বিজ্ঞান, শিক্ষা আৰু সমাজতত্ত্ব বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ কৰা হৈছিল। ২০০৫ চনত বজাৰ ব্যৱস্থাপনা আৰু পৰিসংখ্যা বিষয়ৰ স্নাতকোত্তৰ ডিপ্লমা পাঠ্যক্ৰমটো মুকলি কৰা হৈছিল। ২০০৭-০৮ চনত সাংবাদিকতা' আৰু গণসংযোগ বিষয়ৰ স্নাতকোত্তৰ ডিপ্লমা পাঠ্যক্ৰম আৰু ২০০৮-০৯ শৈক্ষিক বর্ষৰ পৰা ইংৰাজী স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ হৈছিল। DODL- এ ২০১০-১২ চনত ই দূৰৱৰ্তী শিক্ষা ব্যৱস্থাৰ মাধ্যমেৰে বছৰি অনুষ্ঠিত কৰিবলগীয়া নিয়মত স্নাতক কলা শাখাৰ বিষয়সমূহৰ পাঠ্যক্ৰম মুকলি কৰিছিল।

- **কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়** (KKHSOU)

শিক্ষা সমাজৰ মেৰুদণ্ড স্বৰূপ। সাধাৰণ অর্থত শিক্ষা হ'ল মনত গঠনমূলক প্ৰভাৱ বিস্তাৰ কৰা যিকোনো কাম নাইবা অভিজ্ঞতা। ই ব্যক্তিৰ চৰিত্ৰ অথবা শাৰীৰিক সামর্থকো প্ৰভাৱিত কৰে। এখন জ্ঞানভিত্তিক সমাজ গঢ়াৰ লক্ষ্য বান্ধি লৈ ২০০৬ চনত KKHSOU স্থাপন কৰা হৈছিল। ইয়াৰ উদ্দেশ্য আছিল সমাজৰ সহজে ঢুকি নোপোৱা অঞ্চল আৰু অৱস্থাত বাস কৰাসকলক মুক্ত আৰু দূৰৱৰ্তী শিকন ব্যৱস্থাৰে শিক্ষালাভৰ সুযোগ দিয়া। অসম চৰকাৰে ২০০৫ চনৰ KKHSOU আইনৰ নিয়ম অনুসৰি এই বিশ্ববিদ্যালয়খন স্থাপন কৰিছিল। ২৯/৯/০৫ তাৰিখে অসম ৰাজপত্ৰ (অসাধাৰণ) ত এই আইন প্ৰকাশিত হৈছিল। নতুন দিল্লীৰ দূৰৱৰ্তী শিক্ষা পৰিষদ (বর্তমান নাম DEB, UGC) এ ০৩/১০/০৭ তাৰিখৰ দিনা পত্ৰ নং DEC/Misc/07/5957 ৰ জৰিয়তে KKHSOU ক স্বীকৃতি প্ৰদান কৰিছিল। ২০০৯ চনৰ ১৮ মার্চ তাৰিখে প্ৰেৰণ কৰা পত্ৰ নং F.9-13/2008(CPP-1) ৰ জৰিয়তে য়ে UGC য়ে ১৯৫৬ চনৰ বিশ্ববিদ্যালয় অনুদান আয়োগ আইনৰ অনুচ্ছেদ ২২ ৰ অধীনত KKHSOU ক ডিগ্ৰী প্ৰদানৰ ক্ষমতা অর্পণ কৰিছিল। এইখন হ'ল উত্তৰ-পূৱ ভাৰতৰ প্ৰথমখন ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়। গুৱাহাটী ৰাণীগে'টত বিশ্ববিদ্যালয়ৰ মুখ্য কার্যালয় অৱস্থিত। খানাপাৰাৰ ৰেছম নগৰত থকা নগৰ কার্যালয়ৰ পৰা বিশ্ববিদ্যালয়ে ইয়াৰ কাম-কাজ চলাই আছে। ২০১৩ চনৰ ডিচেম্বৰ মাহত KKHSOU এ যোৰহাটত ইয়াৰ প্ৰথমটো আঞ্চলিক কেন্দ্ৰ স্থাপন কৰে। আঞ্চলিক কার্যালয়ৰ ক্ষেত্ৰাধিকাৰে গোলাঘাট যোৰহাট, মাজুলী, শিৱসাগৰ, চৰাইদেও, ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাক সামৰি লয়। যোৰহাট আঞ্চলিক কেন্দ্ৰৰ অধীনত বিশ্ববিদ্যালয়ৰ ৬৯ টা অধ্যয়ন কেন্দ্ৰ আছে।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় বিশ্ববিদ্যালয় স্থাপনৰ আঁৰৰ উদ্দেশ্য আছিল মুক্ত আৰু দূৰৱৰ্তী শিক্ষা ব্যৱস্থাৰ জৰিয়তে দুর্গম আৰু উপেক্ষিত অঞ্চল তথা শ্ৰেণীৰ লোকৰ মাজলৈ শিক্ষাক আগুৱাই নিয়া। বিশ্ববিদ্যালয়ৰ মূলমন্ত্ৰ হ'ল বাধাৰ প্ৰাচীৰ নেওচি শিক্ষা। শিক্ষার্থীৰ ক্ষেত্ৰত বয়স, শৈক্ষিক পৃষ্ঠভূমি আৰু ভৌগলিক সীমা বাধা হ'ব নোৱাৰে। বিশ্ববিদ্যালয়ে উচ্চমান বিশিষ্ট শিক্ষা আৰু প্ৰশিক্ষণৰ সহজে ঢুকি পোৱা পন্থাৰ বিকাশ কৰাৰ উপৰি এনে পন্থাবোৰ শেহতীয়া নিৰেৱশ তথা প্ৰযুক্তি সংলগ্ন কৰি ব্যৱহাৰ সাধ্য কৰি তোলে। মুক্ত আৰু দূৰৱৰ্তী শিক্ষাত নিহিত শিকন গতি তথা স্থান সম্বন্ধীয় নমনীয়তা, মূল্যাংকন পদ্ধতি আদিয়ে এই বিশ্ববিদ্যালয়ক উচ্চ শিক্ষা প্ৰদান ব্যৱস্থাত থাকিবলগীয়া সমতা স্থাপনত সহায় কৰিছে। বর্তমান বিশ্ববিদ্যালয়ত শেহতীয়াভাৱে উচ্চতৰ মাধ্যমিক স্তৰৰ শিক্ষা সাং কৰি নামভর্তি কৰা শিক্ষার্থীৰ লগতে পূর্বতে শিক্ষা লাভৰ সুবিধাৰ পৰা বঞ্চিত হৈ ৰোৱা আৰু শিক্ষা লাভৰ সুযোগ দিবলৈ অস্বীকাৰ কৰা সমাজৰ অৱহেলিত শ্ৰেণীবোৰৰ সদস্যকো শিক্ষার্থীৰূপে আদৰি লোৱা হৈছে।

অসমৰ ভৌগলিক চাৰিসীমাৰ ভিতৰত থকা সকলো ধৰণৰ শিক্ষার্থীৰ প্ৰয়োজনীয়তা পূৰাব পৰাকৈ কৃকাসৰামু বিশ্ববিদ্যালয়ৰ শৈক্ষিক কার্যসূচীসমূহৰ আৰ্হি প্ৰস্তুত কৰা হৈছে। পাঠ্যবিষয়ৰ সংৰচনাৰ ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ সৈতে সংগতি আছে। পৰম্পৰাগত বিষয়বোৰৰ লগতে বিশ্ববিদ্যালয়ে বিভিন্ন ধৰণৰ বৃত্তিজীৰি চার্টিফিকেট স্নাতকোত্তৰ ডিপ্ল'মা আৰু ডিপ্ল'মা কার্যসূচীত শিক্ষা লাভৰ সুযোগ দি আছে। আন মহাবিদ্যালয় অথবা শিক্ষানুষ্ঠানত নামভর্তি কৰা শিক্ষার্থীসকলে নিজৰ নিয়মীয়া পাঠ্যক্ৰমৰ লগতে এই শৈক্ষিক কার্যসূচীসমূহ পঢ়ি শিক্ষাগত অর্হতা সমৃদ্ধ কৰিব পাৰে।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে শিক্ষার্থীক পি.এইচ. ডি., এম.ফিল (নিয়মীয়া পদ্ধতি), স্নাতকোত্তৰ, স্নাতক, স্নাতকোত্তৰ ডিপ্লম'া, সাধাৰণ ডিপ্লম'া তথা চার্টিফিকেট পাঠ্যক্রমত শিক্ষা গ্রহণৰ সুযোগ দিয়ে।

২০০৮ চনৰ পৰা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে স্নাতক পাঠ্যক্রমত শিক্ষা গ্রহণৰ সুযোগ আগবঢ়াই আহিছে। আগ্রহী শিক্ষার্থীয়ে ব্যৱসায় ব্যৱস্থাপনা, বাণিজ্য, কম্পিউটাৰ এপ্লিকেশ্যন আৰু কলা শাখাৰ বিভিন্ন বিষয়ত স্নাতক পাঠ্যক্রমত নামভর্তি কৰিব পাৰে। কলা শাখাৰ বিভিন্ন বিষয়ত স্নাতকোত্তৰ স্তৰৰ শিক্ষা গ্রহণৰ ব্যৱস্থা থকা বিশ্ববিদ্যালয়খনত কম্পিউটাৰ এপ্লিকেশ্যন, ব্যৱসায় ব্যৱস্থাপনা। সম্প্রচাৰ সাংবাদিকতা, গণসংযোগ আৰু মানৱ সম্পদ ব্যৱস্থাপনা বিষয়ত স্নাতকোত্তৰ ডিপ্লম'া পাঠ্যক্রমতো নাম কৰিব পাৰি। বিশ্ববিদ্যালয়ে চলাই থকা সাধাৰণ ডিপ্লম'া কার্যসূচী দুটামান হ'ল- সাংবাদিকতা আৰু সাধাৰণ ডিপ্লমা কার্যসূচী দুটামান হ'ল- সাংবাদিকতা আৰু গণসংযোগ, ইংৰাজী ভাষাত সৃজনীমূলক লেখনী, কম্পিউটাৰ হার্ডৱেৰ'ৰ আৰু নেটৱর্কিং, গ্রন্থাগাৰ আৰু তথ্য বিজ্ঞান, সংস্কৃত শিকন ইত্যাদি। বৃত্তিমুখী খণ্ডত উদ্যমীৰ সৃষ্টি কৰিবলৈ বিশ্ববিদ্যালয়ে চলাই থকা দুটামান প্রশিক্ষণমূলক বিশেষীকৃত চার্টিফিকেট পাঠ্যক্রম হ'ল- নার্ছাৰী ব্যৱস্থাপনা, চাহ খেতি আৰু চাহ-ৰোপন ব্যৱস্থাপনা, নিৰাপত্তা কর্মী হোৱাৰ পাঠ্যক্রম আৰু পৰামর্শদান দক্ষতা বিকাশৰ পাঠ্যক্রম।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে ৭৯ টা অধ্যয়ন কেন্দ্র স্থাপন কৰি নিজৰ যাত্রা আৰম্ভ কৰিছিল। বর্তমান বিশ্ববিদ্যালয়খনৰ অধ্যয়ন কেন্দ্রৰ সংখ্যা ৩০০ ৰো অধিক। শিক্ষা প্রসাৰক নিজৰ সামাজিক দায়িত্ব বুলি গ্রহণ কৰা বিশ্ববিদ্যালয়খনে অসমৰ কাৰাগাৰবোৰৰ আৱাসী কয়েদীক বিনামূলীয়াকৈ শিক্ষা গ্রহণৰ সুযোগ দিয়ে। বিগত ৫ বছৰত বিশ্ববিদ্যালয়ত নামভর্তি কৰা আৰু উত্তীর্ণ হোৱা শিক্ষার্থীৰ সংখ্যা ক্রমে ১৫.২ আৰু ১৫.৩ নং তালিকাত উল্লেখ কৰা হৈছে।

তালিকা ১৫.২ বিগত ৫ বছৰত নামভর্তি কৰা শিক্ষার্থীৰ সংখ্যা

বর্ষ	২০১৫-১৬	২০১৬-১৭	২০১৭-১৮	২০১৮-১৯	২০১৯-২০
নামভর্তিৰ সংখ্যা	১৯৬৪০	২৪৮০২	২৭৩৩৫	৯৭৮২	১৪৩৩৯

তালিকা ১৫.৩ বিগত ৫ বছৰত উত্তীর্ণ হোৱা শিক্ষার্থীৰ সংখ্যা

বর্ষ	২০১৫-১৬	২০১৬-১৭	২০১৭-১৮	২০১৮-১৯	২০২০
উত্তীর্ণৰ সংখ্যা	১০০৫৭	১২১২১	৯৭৭৮	৭০১০	৮০১৭

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ত এটা 'মাল্টি মিডিয়া ষ্টুডিঅ' আছে। ইয়াত শিক্ষার্থীৰ বাবে শ্রাব্য আৰু দৃশ্য-শ্রাব্য শৈক্ষিক কার্যসূচী প্রস্তুত কৰা হয়। ২০০৯ চনৰ পৰা বিশ্ববিদ্যালয়ে উত্তৰ-পূর্বাঞ্চলৰ প্রথমটো সামূহিক ৰেডিঅ' সেৱা 'জ্ঞান তৰংগ' (৯০.০ মেগাহার্টজাত) ৰ সেৱা আগবঢ়াই আহিছে। এই ৰেডিঅ' কেন্দ্রটোৰ অনুষ্ঠানসমূহ সামূহিক সমস্যা আৰু শৈক্ষিক বিষয়ক অগ্রাধিকাৰ দিয়া হয়। অনুষ্ঠানসমূহ বিতর্ক, আলোচনা আৰু কথিকাৰ ৰূপত উপস্থাপন কৰা হয়।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে 'অ'পেন চ'র্চ ছষ্টৱেৰ'ৰ' MOODLE-ৰ ব্যৱহাৰ কৰি এটা শিকন ব্যৱস্থাপনা প্রণালী (LMS) গঢ়ি তুলিছে। বৈদ্যুতিক উপায়ত উপলব্ধ স্ব-শিকন সামগ্রী (eSLM), দৃশ্য-শ্রাব্য সামগ্রী, ৱেব লিংক, আলোচনা মঞ্চ, এমচি কিউ (MCQs) আদি সা-সুবিধা এই LMS ৰ মাধ্যমেৰে আগবঢ়োৱা হয়। আৰম্ভণিতে মাত্র কেইটামান পাঠ্যক্রমহে LMS ত উপলব্ধ আছিল যদিও বর্তমান ইয়াৰ অনলাইন শিকনৰ মাধ্যম কৰি তোলা হৈছে। ২০২০-২১ চনৰ শিক্ষাবর্ষৰ পৰা বিশ্ববিদ্যালয়ে প্রায় সকলোবোৰ কার্যসূচী আৰু পাঠ্যক্রম LMS পদ্ধতিৰেও আগবঢ়াই আহিছে। ইয়াৰ উপৰি বিশ্ববিদ্যালয়ে শিক্ষার্থীক বিভিন্ন ধৰণৰ সমর্থন সেৱা আগবঢ়ায়।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ শিক্ষার্থী সমর্থন সেৱাটো তিনি তৰপীয়া। ইয়াৰ এটা কেন্দ্র হ'ল মুখ্যালয়, আন এটা কেন্দ্র হ'ল যোৰহাট আঞ্চলিক কেন্দ্র আৰু তৃতীয়টো কেন্দ্র প্রধানতঃ অসমৰ উচ্চতৰ শিক্ষানুষ্ঠানসমূহত সক্রিয় কৰি ৰখা হয়।

- **বিশ্ববিদ্যালয়ৰ মুখ্য কার্যালয়ৰ পৰা আগবঢ়োৱা শিক্ষার্থী সমর্থন সেৱা**
  - **শিক্ষার্থীৰ চনদ ঃ** বিশ্ববিদ্যালয়ৰ শিক্ষার্থীৰ চনদত প্রধানকৈ শিক্ষার্থীৰ মৌলিক অধিকাৰ আৰু দায়িত্বসমূহ উল্লেখ কৰা আছে। অধ্যয়ন কেন্দ্রসমূহত পতা বিভিন্ন প্রৱেশ তথা পৰিচয় জ্ঞাপক কার্যসূচীৰ মাধ্যমেৰে শিক্ষার্থীক এই চনদৰ বিষয়ে অৱগত কৰোৱা হয়।
  - **কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ মোবাইল এপ্লিকেশ্যন ঃ** ই এটা এন্ড্রইড এপ্লিকেশ্যন। শিক্ষার্থীয়ে মোবাইল ফোনৰ জৰিয়তে বিশ্ববিদ্যালয়ৰ প'র্টেল খুলি বিভিন্ন তথ্য আহৰণ কৰিব পাৰে।
  - **স্ব-শিকন সামগ্রী বিতৰণ ঃ** মুখ্য কার্যালয়ৰ পৰা যোৰহাট আঞ্চলিক কেন্দ্র তথা স্থানীয় অধ্যয়ন কেন্দ্রবোৰলৈ SLM প্রেৰণ কৰা হয়। শিক্ষার্থীয়ে বিশ্ববিদ্যালয়ৰ মুখ্য কার্যালয়ত থকা SLM শাখাৰ পৰাও ব্যক্তিগতভাৱে এই স্ব-শিকন সামগ্রী সংগ্রহ কৰিব পাৰে।
  - **দৃশ্য-শ্রাৱ্য শৈক্ষিক ভাষণ ঃ** ভিডিঅ' পাঠদান আৰু শৈক্ষিক আলোচনাৰ অনুষ্ঠান প্রস্তুত কৰি 'ইউটিউব' মঞ্চত আপলোড কৰা হয়।
  - **সামাজিক মাধ্যমত কৃকাসৰামুবিৰ উপস্থিতি ঃ** কৃকাসৰামুবি ফে'চবুক, হোৱাটচ্এপ আৰু এক্স-ৰ দৰে সামাজিক মাধ্যম একাউণ্ট আছে।
  - **ডিজিটেল গ্রন্থাগাৰ ঃ** কৃকাসৰামু বিশ্ববিদ্যালয়ৰ কেন্দ্রীয় গ্রন্থাগাৰে শিক্ষার্থী আৰু গৱেষকৰ বাবে ডিজিটেল গ্রন্থাগাৰৰ সেৱা আগবঢ়ায়।
  - **দৃষ্টি শক্তিহীন শিক্ষার্থীৰ বাবে শ্রাৱ্য চিডি ঃ** বিশ্ববিদ্যালয়ৰ নামভর্তি কৰা দৃষ্টি শক্তিহীন শিক্ষার্থীসকলক চিডি ৰূপত প্রস্তুত কৰা শ্রৱ্য স্ব-শিকন সামগ্রী বিনামূলীয়াকৈ প্রদান কৰা হয়। বিশ্ববিদ্যালয়ৰ বিশেষ শ্রেণীৰ শিক্ষার্থীৰ সুবিধা হোৱাকৈ ব্রেইল পদ্ধতিৰে ছপা কৰা স্ব-শিকন সামগ্রীও আছে।
  - **মুখামুখি/অনলাইন টিকেটিং/ অভিযোগ দাখিল ব্যৱস্থা ঃ** শিক্ষার্থীৰ খুদুৰনিসমূহ মুখামুখি ব্যৱস্থাৰে সমাধান কৰাৰ চেষ্টা চলোৱা হয়। প্রয়োজন সাপেক্ষে টেলিফোন, এচএমএচ, ই-মেইল সেৱাও প্রয়োগ কৰা হয়। বিশ্ববিদ্যালয়ৰ এটা সমর্পিত অনলাইন প'র্টেল আছে। ই শিক্ষার্থীৰ প্রশ্ন সমস্যা আদি স্বয়ংক্রিয়ভাৱে গ্রহণ কৰি সমাধানৰ বাবে সংশ্লিষ্ট বিভাগলৈ প্রেৰণ কৰে। সমস্যা সমাধান হোৱাৰ লগে লগে অভিযোগকাৰী শিক্ষার্থীৰ ফোনলৈ এচ.এম. এচ যায় অথবা তেওঁ ই মেইল পায়।
  - **শিক্ষার্থী মিত্র ঃ** অনলাইন নামভর্তি প্রক্রিয়া চলি থকাৰ সময়ত সকলো ধৰণৰ কাৰিকৰী সমর্থন তথা সহায় আগবঢ়াবলৈ বিশ্ববিদ্যালয়ে কেইগৰাকীমান কর্মচাৰীৰে একোটা শিক্ষার্থী মিত্র গোট গঠন কৰে।
  - **অনলাইন পৰামর্শদান ঃ** বিশ্ববিদ্যালয়ৰ শিক্ষকসকলে নিয়মীয়াকৈ ঝুম, গুগল্, মিট, চিস্ক' ৰেবেক্সস, ফে'চবুক আদিৰ দৰে অনলাইন মঞ্চৰ মাধ্যমেৰে শৈক্ষিক পৰামর্শদান শ্রেণীৰ আয়োজন কৰে।
  - **অনলাইন দিক্-নির্দেশনা ঃ** ২০২০ চনৰ শেষৰফালে বিশ্ববিদ্যালয়ে ইয়াৰ 'অনলাইন শিক্ষার্থী দিক্-নির্দেশনা ব্যৱস্থা' আৰম্ভ কৰিছে। শিক্ষকসকলক একোটা নির্দিষ্ট সংখ্যৰ শিক্ষার্থীৰ দায়িত্ব দিয়া হয়। শিক্ষকে টেলিগ্রাম নাইবা হোৱাটচ্এপ মাধ্যমত 'গ্রুপ'ৰ সৃষ্টি কৰি শৈক্ষিক দিক্-নির্দেশনা আগবঢ়ায়।
  - **নিজে আহি গ্রহণ কৰা পৰামর্শ ঃ** শিক্ষার্থীসকলে বিশ্ববিদ্যালয়ৰ নগৰ কার্যালয়লৈ নিজে আহিও শিক্ষকৰ পৰা দিহা-পৰামর্শ গ্রহণ কৰিব পাৰে।
  - **মুখামুখি শৈক্ষিক পৰামর্শদান ঃ** বিশ্ববিদ্যালয়ে সপ্তাহৰ যিকোনো বাৰত অথবা দেওবাৰবোৰত নগৰ কার্যালয়ৰ শিক্ষার্থী সমর্থন কেন্দ্রত মুকামুখি শৈক্ষিক পৰামর্শ কার্যসূচীৰ আয়োজন কৰে।

- **যোৰহাট আঞ্চলিক কেন্দ্রই আগবঢ়োৱা শিক্ষার্থী সমর্থন**
  - কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ শৈক্ষিক কার্যসূচীসমূহৰ পোষকতা তথা প্রচাৰ কৰি সজাগতাৰ সৃষ্টি কৰা।
  - শৈক্ষিক কার্যসূচীবোৰত নামভর্তিত সহায় কৰা, পাঠ্য সামগ্রীৰ যোগান ধৰা।
  - নিজৰ কার্যধিকাৰ ক্ষেত্রৰ ভিতৰত সমল কেন্দ্রৰ ভূমিকা লোৱা।
  - নামভর্তিৰ পূর্বে পৰামর্শদান কার্যসূচীৰ আয়োজন কৰা।
  - শিক্ষার্থীৰ প্রশ্নৰ উত্তৰ দিয়া আৰু আপত্তি অভিযোগ নিষ্পত্তিৰ প্রয়াস কৰা।
  - স্থানীয় অধ্যয়ন কেন্দ্রবোৰৰ তত্ত্বাৱধান আৰু এনে কেন্দ্রত নামভর্তিৰ পর্বে পৰামর্শ তথা পৰিচয় জ্ঞাপক অনুষ্ঠানৰ আয়োজন কৰা।
  - পাঠ্যক্রম এটাৰ তাত্ত্বিক আৰু ব্যৱহাৰিক দুয়োটা শাখাৰ বাবে পর্যাপ্ত শৈক্ষিক পৰামর্শদান সত্র বহিছেনে নাই সেয়া নিৰীক্ষণ কৰা।
  - পৰীক্ষা কেন্দ্রবোৰে যান্মাসিক সমাপ্তি পৰীক্ষাবোৰ কেনেদৰে পাতিছে তাৰ তদাৰক তথা নিৰীক্ষণ কৰা।
  - 'নামভর্তিত সহায়কাৰী 'হেল্পডেস্ক'ৰ পৰা প্রয়োজনীয় সকলো সহায়-সমর্থন আগবঢ়োৱা।
- **শিক্ষার্থী সমর্থন কেন্দ্রবোৰৰ জৰিয়তে আগবঢ়োৱা সেৱা**
  - তথ্য, পৰামর্শ, শৈক্ষিক দিক্ -নির্দেশনা প্রদান কৰা।
  - নামভর্তিৰ আগতে পৰামর্শদান অনুষ্ঠানৰ আয়োজন কৰা।
  - পৰামর্শ তথা পৰিচয়জ্ঞাপক প্রাৰম্ভিক সভাৰ আয়োজন কৰা।
  - স্ব-শিকন সামগ্রী বিতৰণ কৰা।
  - তত্ত্ব আৰু ব্যৱহাৰিক বিভাগ থকা পাঠ্যবিষয়সমূহৰ বাবে উপযুক্ত শৈক্ষিক পৰামর্শদান সত্রৰ আয়োজন কৰা।
  - প্রদত্ত কার্যৰ মূল্যাংকন কৰা।
  - যান্মাসিক সমাপ্তিত পৰীক্ষা পতা।
  - শিক্ষার্থীক গ্রন্থাগাৰৰ সহায় আগবঢ়োৱা।
- **মুক্ত আৰু দূৰৱৰ্তী শিক্ষা কেন্দ্র, তেজপুৰ বিশ্ববিদ্যালয়ৰ**

  ২০১১ চনত তেজপুৰ বিশ্ববিদ্যালয়ে ইয়াৰ মুক্ত আৰু দূৰৱৰ্তী শিক্ষা কেন্দ্রটো খুলিছিল। আৰম্ভণিতে ইয়াৰ নাম আছিল দূৰৱৰ্তী শিক্ষা নির্দেশালয়। কেন্দ্রৰ প্রধান লক্ষ্য হ'ল জ্ঞানৰ প্রসাৰ আৰু মুক্ত তথা দূৰৱৰ্তী শিক্ষা ব্যৱস্থাৰ মাধ্যমেৰে উচ্চমান বিশিষ্ট শিক্ষালাভৰ সুযোগ প্রদান। কেন্দ্রই বিভিন্ন স্নাতকোত্তৰ, স্নাতক, ডিপ্লমা আৰু চার্টিফিকেট পাঠ্যবিষয়ত শিক্ষা গ্রহণৰ সুযোগ দিয়ে। বিজ্ঞান আৰু প্রযুক্তি, সমাজ বিজ্ঞান, ব্যৱস্থাপনা তথা কলা শাখাৰ আন বহুতো বিষয়ত এক নমনীয় ব্যৱস্থাৰ পাঠ্যক্রম প্রস্তুত কৰি থকা হৈছে। পৰম্পৰাগত আৰু নিয়মীয়া পদ্ধতিৰে শিক্ষা গ্রহণ কৰিব নোৱাৰা আগ্রহী শিক্ষার্থীৰ প্রয়োজন কেন্দ্রই পূৰাব পাৰিব বুলি ভবা হৈছে। কেন্দ্রই মানৰ সম্পদ বিকাশত মনোনিৰেশ কৰিছে। ইয়াৰ বাবে শিক্ষার্থীক দক্ষ তথা নিযুক্তি প্রদানৰ যোগ্য কৰি তুলিবলৈ কেন্দ্রই প্রচেষ্টা চলাই গৈছে।
- **মুক্ত আৰু দূৰৱৰ্তী শিক্ষা কেন্দ্র, ডনবস্ক' বিশ্ববিদ্যালয় গ্লোবেল ঃ** ২০১৩ চনত স্থাপন কৰা ডনবস্ক' বিশ্ববিদ্যালয়ে শেহতীয়াভাৱে DEC ৰ দ্বাৰা স্বীকৃতিপ্রাপ্ত অনলাইন পদ্ধতিৰ দূৰৱৰ্তী শিক্ষা সেৱা আগবঢ়াই আছে। প্রথমে ব্যৱস্থাপনা আৰু কম্পিউটাৰ এপ্লিকেশ্যন বিষয়ত এই পাঠ্যক্রম উপলব্ধ আছিল যদিও বর্তমান শিশু অধিকাৰ, পা�ৰিপার্শ্ব বিজ্ঞান, বিত্তীয় বিপণন ব্যৱস্থাপনা, শিক্ষকৰ শিক্ষা, তুলনামূলক ধর্ম, দর্শন, সমাজকার্য, উত্তৰ-পূৰ ভাৰত অধ্যয়ন আদিৰ দৰে বিভিন্ন বিষয়ত শিক্ষা গ্রহণৰ সুবিধা আছে।

ডনবস্ক' বিশ্ববিদ্যালয়ে সমগ্র শিক্ষাবর্ষ জুৰি চক্রীয় আর্হিত নামভর্তি কৰে। ইয়াৰ ফলত সর্বাধিক সংখ্যক আগ্রহী শিক্ষার্থীয়ে কাম আৰু অধ্যয়নৰ মাজত সমতা স্থাপন কৰি পঢ়াৰ সুযোগ পায়। কেন্দ্রটোৰে সকলোৰে বাবে

সকলো সময়তে যিকোনো স্থানতে শিক্ষা উপলব্ধ কৰি তোলাৰ লক্ষ্যেৰে আগবাঢ়ি গৈ আছে।

ওপৰৰ আলোচনাৰ পৰা স্পষ্ট হ'ল যে অসমত মুক্ত আৰু দূ�ৰৱৰ্তী শিক্ষাই বিভিন্ন পর্যায় পাৰ কৰিছে আৰু বিভিন্ন সফলতা লাভ কৰিছে। এই অগ্রগতি তথা বিকাশে স্পষ্ট কৰিছে যে বর্তমান সময়ত মুক্ত আৰু দূৰৱৰ্তী শিক্ষা ব্যৱস্থা হ'ল এটা গ্রহণযোগ্য ব্যৱস্থা। ইয়াৰ প্রতি শিক্ষার্থীৰ মনত থকা দোমোজা বর্তমান যথেষ্টখিনি হ্রাস পাইছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ঃ IGNOU ৰ সম্পূর্ণ ৰূপটো কি?

.....

প্রশ্ন নং ৫ঃ উত্তৰ-পূৰ ভাৰতৰ প্রথমখন মুক্ত বিশ্ববিদ্যালয়ৰ নাম কি?

.....

প্রশ্ন নং ৬ঃ গুৱাহাটী বিশ্ববিদ্যালয়ে কোন চনত IDOL স্থাপন কৰিছিল?

.....

প্রশ্ন নং ৭ঃ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে কেনেধৰণৰ বিষয় অধ্যয়নৰ সুবিধা দিয়ে?

.....

১৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- দেশৰ বিদ্যালয় স্তৰৰ শিক্ষার্থীক মুক্ত আৰু দূৰৱৰ্তী শিক্ষা ব্যৱস্থাৰ দ্বাৰা উপকৃত হোৱাৰ সুযোগ দিবলৈ ১৯৮৯ চনৰ নৱেম্বৰ মাহত ৰাষ্ট্রীয় মুক্ত বিদ্যালয় (NOS) ব্যৱস্থাৰ পাততি মেলা হৈছিল। পাছত ইয়াৰ নাম সলনি কৰি ৰাষ্ট্রীয় মুক্ত বিদ্যালয় (NOS) ব্যৱস্থাৰ পাতনি মেলা হৈছিল। পাছত ইয়াৰ নাম সলনি ৰাষ্ট্রীয় মুক্ত বিদ্যালয় প্রতিষ্ঠান (NIOS) কৰা হৈছিল। আৰম্ভণিৰে পৰা NIOS এ বিভিন্ন ধৰণৰ বৃত্তিমুখী, জীৱন সমৃদ্ধকাৰী আৰু সম্প্রদায়কেন্দ্রিক পাঠ্যবিষয় পঢ়াৰ সুযোগ দিছিল। ইয়াৰ লগতে উচ্চ তথা উচ্চতৰ মাধ্যমিক স্তৰত শৈক্ষিক পাঠ্যবিষয় পঢ়াৰো সুবিধা আছিল। NIOS এ ইয়াৰ মুক্ত বুনিয়াদী শিক্ষা কার্যসূচী (OBE) ৰ অধীনত শিক্ষার্থীক নানা প্রাৰম্ভিক স্তৰৰ পাঠ্যবিষয় পঢ়াৰ সুবিধা কৰি দিছিল।
- NIOS এ ইয়াৰ মুক্ত বুনিয়াদী শিক্ষা কার্যসূচী (OBE) ৰ অধীনত শিক্ষার্থীক নানা প্রাৰম্ভিক স্তৰৰ পাঠ্যবিষয় পঢ়াৰ সুবিধা কৰি দিছিল।
- ১৯৯৬ চনত IGNOU-এ গুৱাহাটীত ইয়াৰ আঞ্চলিক কেন্দ্র স্থাপন কৰে। সেই সময়ত ইয়াৰ মুঠ ৬ টা অধ্যয়ন কেন্দ্র আৰু ৩৫ টা পাঠ্যবিষয় আছিল। শিক্ষার্থীৰ সংখ্যা আছিল প্রায় ১১০০ গৰাকী। ভাৰতৰ তৃণমূল স্তৰৰ বিকাশ সাধনত সহায়ক হ'ব পৰা শিক্ষাক গণতান্ত্রিক ৰূপ দিয়াৰ সামগ্রিক দর্শনেৰে উত্তৰ-পূৰ ভাৰতৰ দূর্গম এলেকাবোৰক উন্নয়ন প্রক্রিয়াটোত সংহত কৰাৰ সক্রিয় উদ্যমৰ অংশ হিচাপে এই আঞ্চলিক কেন্দ্রটো স্থাপন কৰা হৈছিল।
- গুৱাহাটী বিশ্ববিদ্যালয়ৰ দূৰৱৰ্তী আৰু মুক্ত শিকন অনুষ্ঠান (Institute of Distance and Open Learning, IDOL) ৰ পূর্বৰ নাম আছিল 'স্নাতকোত্তৰ ডাক পাঠ্যক্রম সত্র' (Post Graduate Correspondence School/PGCS)। ১৯৯৮ চনত IDOL স্থাপন কৰা হৈছিল। ইয়াৰ প্রধান উদ্দেশ্য আছিল পৰম্পৰাগত শিক্ষা পদ্ধতিৰে উচ্চতৰ শিক্ষা লাভ কৰাৰ পৰা বঞ্চিত হোৱা বৃহৎ সংখ্যক শিক্ষার্থীক উচ্চ মানবিশিষ্ট শিক্ষা গ্রহণৰ সুযোগ দিয়া।
- ২০০১ চনত ডিব্রুগড় বিশ্ববিদ্যালয়ৰ ইয়াৰ মুক্ত আৰু দূৰৱৰ্তী শিকন নির্দেশালয় (Directorate of Distance and Open Learning/ DODL) স্থাপন কৰিছিল। নির্দেশালয়ৰ লক্ষ্য আছিল দূর্গম

অঞ্চলৰ শিক্ষার্থীৰ কাষ চপা। ডিব্রুগড় বিশ্ববিদ্যালয়ৰ কাম-কাজ আৰম্ভ হোৱাৰ পাছতেই অধিকাংশ বিভাগ আৰু অধ্যয়ন কেন্দ্রত নামভর্তিৰ সুযোগ বিচাৰি বুজন সংখ্যক লোকে আবেদন কৰিছিল। কিন্তু স্নাতক আৰু স্নাতকোত্তৰ দুয়োটা শাখাতে শিক্ষার্থীৰ আসনৰ সংখ্যা আছিল সীমিত। বাদ পৰি যোৱা শিক্ষালাভৰ প্রতি আগ্রহীসকলৰ লগতে জীৱকা অর্জন কৰি থকা অথবা স্ব-নিয়োজিত হৈ থকাসকলৰ সুবিধাৰ প্রতি লক্ষ্য ৰাখি বিশ্ববিদ্যালয়ে শিক্ষাক শিক্ষার্থীৰ পদূলিলৈ আগুৱাই লৈ যোৱাৰ মানস কৰিছিল। এনেকৈয়ে DODL স্থাপন কৰা হৈছিল।

- এখন জ্ঞানভিত্তিক সমাজ গঢ়াৰ লক্ষ্য বান্ধি লৈ ২০০৬ চনত KKHSOU স্থাপন কৰা হৈছিল। ইয়াৰ উদ্দেশ্য আছিল সমাজৰ সহজে ঢুকি নোপোৱা অঞ্চল আৰু অৱস্থাত বাস কৰাসকলক মুক্ত আৰু দূৰৱৰ্তী শিকন ব্যৱস্থাৰে শিক্ষালাভৰ সুযোগ দিয়া।
- ২০০৮ চনৰ পৰা কৃকাসৰামু বিশ্ববিদ্যালয়ে স্নাতক পাঠ্যক্রমত শিক্ষা গ্রহণৰ সুযোগ আগবঢ়াই আহিছে। আগ্রহী শিক্ষার্থীয়ে ব্যৱসায় ব্যৱস্থাপনা, বাণিজ্য, কম্পিউটাৰ এপ্লিকেশ্যন আৰু কলা শাখাৰ বিভিন্ন বিষয়ত স্নাতক পাঠ্যক্রমত নামভর্তি কৰিব পাৰে। কলা শাখাৰ বিভিন্ন বিষয়ত স্নাতকোত্তৰ স্তৰৰ শিক্ষা গ্রহণৰ ব্যৱস্থা থকা বিশ্ববিদ্যালয়খনত কম্পিউটাৰ এপ্লিকেশ্যন, ব্যৱসায় ব্যৱস্থাপনা। সম্প্রচাৰ সাংবাদিকতা, গণসংযোগ আৰু মানৱ সম্পদ ব্যৱস্থাপনা বিষয়ত স্নাতকোত্তৰ ডিপ্লমা পাঠ্যক্রমতো নাম কৰিব পাৰি।
- ২০১১ চনত তেজপুৰ বিশ্ববিদ্যালয়ে ইয়াৰ মুক্ত আৰু দূৰৱৰ্তী শিক্ষা কেন্দ্রটো খুলিছিল। আৰম্ভণিতে ইয়াৰ নাম আছিল দূৰৱৰ্তী শিক্ষা নির্দেশালয়। কেন্দ্রৰ প্রধান লক্ষ্য হ'ল জ্ঞানৰ প্রসাৰ আৰু মুক্ত তথা দূৰৱৰ্তী শিক্ষা ব্যৱস্থাৰ মাধ্যমেৰে উচ্চমান বিশিষ্ট শিক্ষালাভৰ সুযোগ প্রদান।
- ২০১৩ চনত স্থাপন কৰা ডনবস্ক' বিশ্ববিদ্যালয়ে শেহতীয়াভাৱে DEC ৰ দ্বাৰা স্বীকৃতিপ্রাপ্ত অনলাইন পদ্ধতিৰ দূৰৱৰ্তী শিক্ষা সেৱা আগবঢ়াই আছে। প্রথমে ব্যৱস্থাপনা আৰু কম্পিউটাৰ এপ্লিকেশ্যন বিষয়ত এই পাঠ্যক্রম উপলব্ধ আছিল যদিও বর্তমান শিশু অধিকাৰ, পাৰিপার্শ্ব বিজ্ঞান, বিত্তীয় বিপণন ব্যৱস্থাপনা, শিক্ষকৰ শিক্ষা, তুলনামূলক ধর্ম, দর্শন, সমাজকার্য, উত্তৰ-পূৱ ভাৰত অধ্যয়ন আদিৰ দৰে বিভিন্ন বিষয়ত শিক্ষা গ্রহণৰ সুবিধা আছে।

১৫.৬ অধিক জানিবলৈ

১) কলিতা, উৎপল (২০১৪), *অবিৰত শিক্ষা আৰু দূৰত্ব শিক্ষা*। গুৱাহাটী, শান্তি প্রকাশন।

১৫.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ যুৱ সমাজ।

২ নং প্রশ্নৰ উত্তৰঃ ১৯৮৯ চনত।

৩ নং প্রশ্নৰ উত্তৰঃ National Skill Qualification Framework.

৪ নং প্রশ্নৰ উত্তৰঃ Indira Gandhi National Open University.

৫ নং প্রশ্নৰ উত্তৰঃ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়।

৬ নং প্রশ্নৰ উত্তৰঃ ১৯৯৮ চনত।

৭ নং প্রশ্নৰ উত্তৰঃ পি.এইচ.ডি., এম.ফিল., স্নাতকোত্তৰ, স্নাতক, স্নাতকোত্তৰ ডিপ্লমা, সাধাৰণ ডিপ্লমা আৰু চার্টিফিকেট পাঠ্যক্রম।

? ১৫.৮ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায়১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মুক্ত আৰু দূ�ৰৱৰ্তী শিক্ষা নিৰ্দেশালয়ৰ উদ্দেশ্য কি আছিল?

প্ৰশ্ন ২ঃ অসম ডনবস্ক' বিশ্ববিদ্যালয়ৰ দূৰৱৰ্তী শিক্ষা কেন্দ্ৰৰ বিষয়ে এটা টোকা লিখক।

প্ৰশ্ন ৩ঃ তেজপুৰ বিশ্ববিদ্যালয়ৰ দূৰৱৰ্তী শিকন কেন্দ্ৰই কেনেধৰণৰ পাঠ্যক্ৰম পঢ়াৰ সুযোগ দিয়ে?

প্ৰশ্ন ৪ঃ অসমত দূৰৱৰ্তী শিক্ষা ব্যৱস্থাৰ প্ৰয়োজনীয়তা সম্পৰ্কে নিজৰ দৃষ্টিভংগী উপস্থাপন কৰক।

(খ) দীঘলীয়া প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ দূৰৱৰ্তী শিক্ষা ব্যৱস্থাৰ বিকাশত অসমৰ প্ৰথমখন মুক্ত আৰু দূৰৱৰ্তী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ ভূমিকা বৰ্ণনা কৰক।

প্ৰশ্ন ২ঃ অসমত মাধ্যমিক স্তৰৰ শিক্ষাত দূৰৱৰ্তী শিক্ষা ব্যৱস্থাৰ অগ্ৰগতি অনুসন্ধান কৰক।

প্ৰশ্ন ৩ঃ বিশ্ববিদ্যালয় স্তৰৰ দ্বি-পন্থাৰ শিক্ষাত দূৰৱৰ্তী শিক্ষা ব্যৱস্থাৰ বিকাশৰ ৰেহৰূপ বৰ্ণনা কৰক।

প্ৰশ্ন ৪ঃ অসমত দূৰৱৰ্তী শিক্ষা ব্যৱস্থাৰ বিকাশ ব্যাখ্যা কৰক।

*** ***** ***

প্রসঙ্গ পুথি

Unit 1:

1. Chaube,S.P. and Chaube, A.(2005). *Education in Ancient and Medieval India*. New Delhi: Vikas Publishing House Pvt. Ltd.
2. Dash, B.N. (2014). *History of Education in India*. New Delhi: Dominant Publishers and Distributors Pvt. Ltd.

Unit 2:

1. Aggarwal, J.C. (2004). *Landmarks in the History of the Modern Indian Education*. New Delhi: Vikas Publishing House Pvt. Ltd.
2. Dash, B.N. (2014). *History of Education in India*. New Delhi: Dominant Publishers and Distributors Pvt. Ltd.
3. Ghosh, Suresh C. (2007). *History of Education in India*. New Delhi: Rawat Publications.

Unit 3:

1. Aggarwal, J.C. (2004). Landmarks in the History of the Modern Indian Education. New Delhi: Vikas Publishing House Pvt. Ltd
2. Chaube, S.P. (1999). History and Problems of Indian Education. Agra: Vinod Pustak Mandir.
3. Dash, B.N. (2014). History of Education in India. New Delhi: Dominant Publishers and Distributors Pvt. Ltd.
4. Ghosh, Suresh C. (2007). History of Education in India. New Delhi: Rawat Publications

Unit 4:

1. Chaube, S.P. (1999). *History and Problems of Indian Education*. Agra: Vinod Pustak Mandir.
2. Dash, B.N. (2014). *History of Education in India*. New Delhi: Dominant Publishers and Distributors Pvt. Ltd.
3. Ghosh, Suresh C. (2007). *History of Education in India*. New Delhi: Rawat Publications.

Unit 5:

1. Aggarwal, J.C. (2005). *History of Modern Indian Education*. New Delhi: Vikas Publishing House Pvt.Ltd.
2. Chaube, S.P. (1999). *History and Problems of Indian Education*. Agra: Vinod Pustak Mandir.
3. Dash, B.N. (2014). *History of Education in India*. New Delhi: Dominant Publishers and Distributors Pvt. Ltd.

Unit 6:

1. Chaube, S.P. (1999). *History and Problems of Indian Education*. Agra: Vinod Pustak Mandir.
2. Dash, B.N. (2014). *History of Education in India*. New Delhi: Dominant Publishers and Distributors Pvt. Ltd.
3. Ghosh, Suresh C. (2007). *History of Education in India*. New Delhi: Rawat Publications.

Unit 7:

1. Aggarwal, J.C. (2005). *History of Modern Indian Education*. New Delhi: Vikas Publishing House Pvt.Ltd.
2. Chaube, S.P. (1999). *History and Problems of Indian Education*. Agra: Vinod Pustak Mandir.
3. Dash, B.N. (2014). *History of Education in India*. New Delhi: Dominant Publishers and Distributors Pvt. Ltd.

Unit 8:

1. Aggarwal, J.C. (2005). *History of Modern Indian Education*. New Delhi: Vikas Publishing House Pvt.Ltd.
2. Dash, B.N. (2014). *History of Education in India*. New Delhi: Dominant Publishers and Distributors Pvt. Ltd.

Unit 9:

1. Aggarwal, J.C. (2005). *History of Modern Indian Education*. New Delhi: Vikas Publishing House Pvt. Ltd.
2. Dash, B.N. (2014). *History of Education in India*. New Delhi: Dominant Publishers and Distributors Pvt. Ltd.
3. Thakur, A.S. and Thakur, A. (2015). *Development of Education System in India: Problems and Prospects*. Agra: Agarwal Publications.

Unit 10:

1. Aggarwal, J.C. (2004). *Landmarks in the History of Modern Indian Education*. New Delhi: Vikas Publishing House.
2. Ghosh, S. C. (2007). *History of Education in India*. Delhi: Rawat Publications.
3. Nurullah and Naik. (1951). *A History of Education in India*. Bombay: Macmillan Publishers.
4. Saikia, S. (1998). *History of Education in India*. Guwahati: Mani Manik Prakash.
5. Ravi, S. Samuel. (2015). *Education in Emerging India*. Delhi: PHI Learning Pvt. Ltd.
6. Thakur & Thakur (2014/15). *Development of Education System in India: Problems and Prospects*. Agra: Agrawal Publications.

Unit 11:

1. Nurullah and Naik. (1951). *A History of Education in India*. Bombay: Macmillan Publishers.
2. Saikia, S. (1998). *History of Education in India*. Guwahati: Mani Manik Prakash.

3. Aggarwal, J.C. (2004). *Landmarks in the History of Modern Indian Education*. New Delhi: Vikas Publishing House.
4. Ghosh, S. C. (2007). *History of Education in India*. Delhi: Rawat Publications.
5. Ravi, S. Samuel. (2015). *Education in Emerging India*. Delhi: PHI Learning Pvt. Ltd.
6. Thakur & Thakur (2014/15). *Development of Education System in India: Problems and Prospects*. Agra: Agrawal Publications.

Unit 12:

1. Aggarwal, J.C. (2013). *Landmarks in the History of Modern Indian Education*. New Delhi: Vikas Publishing House Pvt. Ltd.
2. Das, Sonmoni Kalita (2014). *Contemporary Concerns and Issues in Education.* Guwahati: Shanti Prakashan.
3. Ravi, S. Samuel. (2015). *Education in Emerging India*. Delhi: PHI Learning Pvt. Ltd.
4. Thakur & Thakur (2014/15). *Development of Education System in India: Problems and Prospects*. Agra: Agrawal Publications.

Unit 13:

1. Borua, Jatin. (2013). *Bharatar Shiksha Itihasor Adhyayan.* Guwahati: Lawyer's Book Stall.
2. Goswami & Sarma. (2012). *Development of Education in India*. Guwahati: Shanti Prakashan.
3. Nurullah and Naik. (1951). *A History of Education in India*. Bombay: Macmillan Publishers.
4. Ravi, S. Samuel. (2015). *Education in Emerging India*. Delhi: PHI Learning Pvt. Ltd.
5. Saikia, S. (1998). *History of Education in India*. Guwahati: Mani Manik Prakash.
6. Sarma, S.N. (2001): *A Socio-Economic and Cultural History of Medieval Assam.* Guwahati: Bina Library.
7. Thakur & Thakur. (2014/15). *Development of Education System in India: Problems and Prospects*. Agra: Agrawal Publications.

Unit 14:

1. Damal B.D. and Dash B.N. (2002). *Education in Modern Indian*. New Delhi: Kalyani Publishers.
2. Das, Phunu (Ed.). (2016). *Contemporary Issues of Indian Education*. Guwahati: Shanti Prakashan.
3. Ranganathan, S. (2007). *Educational Reform and Planning Challenge*. New Delhi: Kanishka Publishers & Distributors.
4. Ravi, S. Samuel. (2015). *Education in Emerging India*. Delhi: PHI Learning Pvt. Ltd.
5. Taj, Haseen. (2011). *Current Challenges in Education.* Hyderabad: Neelkamal Publications Pvt. Ltd.
6. Thakur & Thakur. (2014/15). *Development of Education System in India: Problems and Prospects*. Agra: Agrawal Publications.

Unit 15:

1. Baruah, Srinath. (2011). Education Beyond Barriers: Role of Open and Distance Learning with Special reference to Krishna Kanta Handiqui State Open University. *Horizon-The Newsletter of KKHSOU*. Vol-V, No-II.
2. Kalita, Utpal (2014). *Abirata Siksha Aru Duratta Siksha.* Guwahati: Shanti Prakashan.
3. Prospectus (2018). Assam Don Bosco University.
4. Prospectus (2018). Dibrugarh University.
5. Prospectus (2018). Indira Gandhi National Open University.
6. Prospectus (2018). Institute of Distance and Open Learning, Gauhati University.
7. Prospectus (2018). Krishna Kanta Handiqui State Open University.
8. Prospectus (2018). Tezpur University.